অনন্য প্ৰান্তৰ

মেদিনী চৌধুৰী

লয়াৰ্ছ বুক ষ্টল : গুৱাহাটী

ANANYA PRANTAR

A true fact Lelurative Novel, Written by Medini Choudhury and published by Sree Khagendra Narayan Dutta Baruah, Lawyer's Book Stall, Gauhati, Assam.

প্ৰকাশক :

শ্ৰীখগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা

লয়াৰ্ছ বুক ষ্টল

গুৱাহাটী : অসম

তৃতীয় সংস্কৰণ ১৯৭৬

মূল্য : পোন্ধৰ টকা মাথোন

ছপাওঁতা :

শ্ৰীৰবীন্দ্ৰনাথ ঘোষ

নিউ মানস প্ৰিন্টিং

এক/বি, গোৱাবাগান ষ্ট্ৰীট,

কলিকতা : ছয়

অসমৰ যিসকল পাঠকগোষ্ঠীয়ে এই কিতাপখনৰ বেয়া হোৱাখিনিৰ কঠোৰ সমালোচনা কৰে তেখেতসকললৈ শ্ৰদ্ধাৰে আগবঢ়ালোঁ।

মেদিনী চৌধুৰী

॥ মুখ বন্ধ ॥

সৰ্বসাধাৰণ পাঠকৰ আটাইতকৈ প্ৰিয় বস্তু হ'ল গল্প আৰু উপন্যাস, অৰ্থাৎ এক কথাত কবলৈ গলে কাহিনী। কিন্তু পকা ৰান্ধনীৰ হাতত পৰি সাধাৰণ কল-পছলাও অতি জুতি-লগা ব্যঞ্জন হৈ উঠাৰ দৰে পকা লিখকৰ হাতত পৰি বুৰঞ্জী, বিজ্ঞান আৰু দৰ্শন আদি গধুৰ বিষয়ৰ ৰচনাও গল্প-উপন্যাসৰ সমানেই বা তাতোকৈ বেছিকৈহে ৰসাল হৈ উঠিব পাৰে। জনপ্ৰিয়তাৰ কাৰণে আধুনিক কালত ফিকশ্যন আৰু নন্-ফিক্‌শ্যনৰ মাজত প্ৰচণ্ড প্ৰতিযোগিতা চলিছে, আৰু অনেক ক্ষেত্ৰত নন্-ফিক্‌শ্যনেই জয়লাভ কৰিছে।

শ্ৰীমেদিনী চৌধুৰীৰ 'অনন্ত প্ৰান্তৰ' অসমীয়া সাহিত্যত এখন অভিনৱ ধৰণৰ কিতাপ। ভ্ৰমণ-কাহিনী, ইতিহাস আৰু গল্পৰ সংমিশ্ৰণত গঢ়ি উঠা ই এক নতুন ধৰণৰ নন্-ফিক্‌শ্যন—যাৰ সমতুল্য বা সমগোত্ৰীয় দ্বিতীয় এখন কিতাপ অসমীয়া ভাষাত আছে বুলি মই নাজানো। এজন মানুহে গুৱাহাটীৰ পৰা উজনি অসমলৈ ভ্ৰমণ আৰম্ভ কৰিছে, আৰু বাটে বাটে পাই যোৱা অতীতৰ স্মৃতি-বিজড়িত নানা ঠাইৰ পুৰণি ইতিহাস স্মৰণ কৰিবলৈ গৈ তেওঁ অতীতৰ এক ধূসৰ জগতত প্ৰৱেশ কৰিছে। নিঃসন্দেহে ইতিহাস ৰচনাৰ ই এক নতুন কৌশল, আৰু ইয়াৰ কাৰণে শ্ৰীচৌধুৰীয়ে অভিনৱত্বৰ দাবী কৰিব পাৰে। সৰ্বসাধাৰণ মানুহৰ কাৰণে বুৰঞ্জী কেনেকৈ লিখিব লাগে সেই বিষয়ে আলোচনা কৰি বাট্ৰাণ্ড ৰাছেলে এঠাইত লিখিছে :...let us come to the question how history should be written if it is to produce the best possible result in the non-historical reader. Here, there is first of all an extremely simple requirement : it must be interesting. I mean that it must be interesting not only to men who for some special reason wish to know some set of historical facts, but to those who are reading in the same spirit in which one reads poetry or a good novel.

শ্ৰীচৌধুৰীয়ে অৱশ্যে এই গ্ৰন্থত অসমৰ পূৰ্ণাংগ বুৰঞ্জী লিখা নাই। তেওঁ কেৱল বিভিন্ন ঠাই, শিল, পাহাৰ আৰু অতীতৰ ধ্বংসাৱশেষৰ নামৰ লগত জড়িত কেতবোৰ ঐতিহাসিক স্মৃতি ৰোমন্থন কৰিছে। তাকে কৰিবলৈ গৈ তেওঁ ইতিহাসক বাট্ৰাণ্ড ৰাছেলে বিচৰাৰ দৰে কবিতা বা উপন্যাসৰ দৰেই ৰসাল কৰি তুলিছে।

শ্ৰীমেদিনী চৌধুৰীৰ 'অনন্ত প্ৰান্তৰ' অসমীয়া ভাষাত এটা স্মৰণীয় সাহিত্য-কীৰ্তি হৈ থাকিব বুলি মই ভাবোঁ।

হোমেন বৰগোহাঞি

॥ এককাম্বাৰ ॥

অনন্য প্ৰান্তৰত পাণ্ডিত্যিক কিবা বিচাৰিলে পাঠক হতাশ হব। সৰু সৰু আটায়ে জনা সাধাৰণ কথাবোৰকে নতুনকৈ চোৱাৰ এটা চেষ্টা কৰা হৈছে। অসমক ইমান ভাল পাওঁ যে, নতুনকৈ চোৱাৰ প্ৰচেষ্টাত যি বৈজ্ঞানিক দৃষ্টিভংগীৰ প্ৰয়োজন কেতিয়াবা তেনে দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ যাওঁতে হয়তো ভাৱপ্ৰৱণতাইহে আগভাগ লৈ ধৰা দিছেহি।

অসমৰ পাঠকগোষ্ঠীয়ে চিৰাচৰিত ৰোগ উদাসীনতাৰ কবলৰ পৰা মুক্ত হৈ কিতাপখনৰ বেয়া হোৱাখিনিৰ বাবে কঠোৰ সমালোচনা কৰিলে বাধিত হম।

কিতাপখনি যুগুত কৰোঁতে নানাজনে নানাভাৱে সহায় কৰিছে। নিৰ্মল প্ৰভাই কিছুমান মূল্যৱান খবৰ যতনাই দিছিল, ছাইদুলে কিতাপখন লেখাৰ বাবে মোক এসময়ত নিতউ আমনি কৰিছিল। তেজপুৰৰ শ্ৰীমতী উমা নকৰাই আৰু গুৱাহাটীৰ নীলিময় চৌধুৰীয়েও নানানভাৱে মোক সহায় কৰিছিল। তেওঁলোক মোৰ আন্তৰিক ধন্যবাদৰ পাত্ৰ। কিতাপখন অসমীয়া ৰাইজৰ হাতত দিব পাৰিলোঁ যি কেইগৰাকী ব্যক্তিৰ উদ্যানিত—তেখেতসকল হ'ল—হোমেন বৰগোহাঞি আৰু চন্দ্ৰপ্ৰসাদ শইকীয়া। বিশেষকৈ হোমেনে মোক দিহা-পৰামৰ্শ দি অকুণ্ঠচিত্তে সহায় নকৰা হ'লে এই কিতাপখন যে শেষ কৰিব পাৰিলোহেঁতেন সন্দেহ। এই সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

মেদিনী চৌধুৰী

অনন্য প্রান্তর

যত্ৰাস্তে নীল শৈলে হৰিহৰ বিধিভিঃ সেব্যমানা সুৰেশৈঃ ।
কামাখ্যা যত্ৰ সাক্ষাৎ মণিগিৰিশিখৰে মাধবো বাজিবক্ত্ৰঃ ॥
কেদাৰো যত্ৰ লিঙ্গং মদন গিৰিবৰে নিত্যম্ আবৰ্দ্ধমানঃ ।
লৌহিত্যৈঃ পুণ্যতোয়ৈঃ বহতি বিধিসুতো দৰ্পিতঃ সামুজেন ॥
বিপ্ৰাঃ বেদান্ত বেদাগম নিপুণতমাঃ ধাৰ্মিকাঃ যত্ৰ সন্তি ।
ভূপালাঃ ধৰ্মপালাঃ ত্ৰিভুবনজয়িনো যত্ৰ প্ৰাগজ্যোতিষাখ্যে ॥
সাম্মাকং জন্মভূমিঃ সকল বসুমতীমণ্ডলি সাৰভূতা ।
কস্তুৰি স্বৰ্ণকালাগৰু গজতুৰগাছ্যাকৰঃ কামৰূপঃ ॥

উনবিংশ শতিকাৰ শেষাৰ্ধত সৰ্বভাৰতীয় খ্যাতি লাভ কৰা পূৰ্ব ভাৰতৰ অপ্ৰমাদী পণ্ডিত আঠঘৰীয়া টোলৰ পৰম পূজ্যপাদ মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য্যই কাশীধামত সমবেত ভাৰতবৰ্ষৰ বিদগ্ধ পণ্ডিতবৰ্গৰ মাজত এই স্বৰচিত শ্লোকেৰে হেনো আত্ম-পৰিচয় দিছিল। সেয়ে মোৰ জন্মভূমি; সকল বসুমতীমণ্ডলিৰ সাৰ; য'ৰ মাজেদি পুণ্যতোৱা লুইত বৈ আছিছে অনন্তকাল সেই কামৰূপেই মোৰ জন্মভূমি।

যাত্ৰাৰ আগে আগে উদ্দেশে কাৰোবালৈ প্ৰণাম জনাই বীণাই আবৃত্তি কৰিছিল শ্লোকটো। মই হলে ভাৰসা পোৱা নাছিলোঁ তিলমাত্ৰও। ভ্ৰমণ কাহিনী লিখিব লাগিব বুলি কোৱাত কবি অজিতমল্লই কোৱাৰ দৰে কামৰূপৰ 'মেপ নিনিয়া ভয়'ত মোৰ অন্তৰাত্মা বেণ্ডেমূতা গৰু কঁপাদি কঁপিছিল। কবিগুৰু ৰবীন্দ্ৰনাথে

নোবেল প্ৰাইজ পোৱাৰ পিছত এবাৰ হেনো বিদেশ যাত্ৰাৰ উদ্দেশ্যে ওলাল। লগত ডেকা শিষ্য প্ৰনাবি অৰ্থাৎ প্ৰমথ নাথ বিশী। কবিগুৰুৰ সম্মানাৰ্থে জাহাজৰ কৰ্মকৰ্তাসকলে এখন ভোজমেলৰ আয়োজন কৰিলে। ভোজৰ অন্তত কবিগুৰুক অনুৰোধ কৰিলে এটা আফ্‌টাৰ ডীনাৰ স্পীচ্‌ দিবলৈ। কবিয়ে পাচিলে ডেকা সাহিত্যিক প্ৰনাবিক। প্ৰনাবিয়ে কলে, তেওঁৰ বক্তৃতা দিয়াৰ অভ্যাস নাই। তবে হাঁ, এটা গল্প কব পাৰে। আটায়ে ধৰাত তেওঁ আৰম্ভ কৰিলে গল্প: জনৈক ৰোমান সম্ৰাটৰ এম্ফিথিয়েটাৰত এজন লেবেলা-চেপেটা খ্ৰীষ্টিয়ান বন্দীক ৰখা হ'ল। আৰু পিঞ্জৰত ক্ষিপ্ত কৰি এটা ক্ষুধাৰ্ত সিংহক ৰঙ্গভূমিত মুক্ত কৰি দিয়া হ'ল। সিংহই একেজাঁপেই বন্দীৰ ওচৰ পালেহি। চকুৰ পচাৰতে বন্দীক দুই থাবাৰ মাজত খুমুৰাই ললে। কিন্তু হঠাৎ কি হ'ল সিংহৰ;— য'ৰে বন্দী ত'তে পেলাই থৈ গিৰিহঁতৰ মাৰখোৱা ভতুৱা কুকুৰৰ দৰে নেজ পেলাই দৌৰি গৈ যি পিঞ্জৰত সোমাল—অশেষ সাধ্য-সাধনা কৰিও তাক উলিয়াব পৰা নগ'ল। অৱশ্যম্ভাৱী বীভৎস দৃশ্যটো দেখাৰ ভয়তে চকু মুদি দিয়া প্ৰেক্ষামঞ্চৰ জাক জাক গাভৰু ছোৱালীয়ে চকু মেলি চাই বন্দীক সুস্থ অৱস্থাত থিয় হৈ থকা দেখি চিঞৰি উঠিল। মঞ্চৰ হেজাৰ-বিজাৰ দৰ্শকৰ মাজত অভূতপূৰ্ব চাঞ্চল্য দেখা গ'ল।

সম্ৰাটেও নিজৰ শালীনতা পৰিহৰি বন্দীক ওচৰলৈ মতাই অনালে। কি যাদুৰ বলত সি সিংহটোক নাকত ৰোৱ খোৱা দমবাৰ দৰে কৰিলে তাক সুধিলে। সি কি কব,—সি নিজেই বিস্ময়ত হতবাক। সিতো সিংহক একো কৰা নাছিল—মাথোন খেমালিতে কৈছিল যে তাৰ আফ্‌টাৰ ডীনাৰ স্পীচ্‌ শুনাৰ বাবে প্ৰেক্ষামঞ্চত অগণন জনতাই অপেক্ষা কৰিছে।

মোৰ অৱস্থাও ঠিক সেই সিংহটোৰ দৰে হৈছিল। ভাবিছিলোঁ, ভ্ৰমণ কাহিনী লিখিবলগীয়া হব বুলি জনা হলে ভ্ৰমণকে বাদ

দিলোহেঁতেন। মোৰ বিমূঢ় অৱস্থাটো বুজিব পাৰি বোধকৰোঁ বীণাই মোক সংস্কৃত শ্লোকটোৰে আশ্বাস দিয়াৰ চেষ্টা কৰিছিল।

এটা হেনো স্পেনীয় ফকৰা আছে: He, who would bring home the wealth of the Indies, must carry the wealth of the Indies with him.

ঘৰ আগতে, তাৰ পিছতহে পৰ। নিজৰ প্ৰদেশ বা দেশৰ জ্ঞানেৰে সমৃদ্ধ নহলে বিদেশ ভ্ৰমণেৰে জ্ঞান আৰ্জিবলৈ যোৱাটো বৃথা। এই কথাষাৰকে বাৰে বাৰে বীণাই মোক শুনাইছিল। আৰু লগতে তেওঁৰ কাব্যিক উচ্ছ্বাসেৰে অসমৰ বিবিধ স্থানৰ প্ৰাকৃতিক দৃশ্যৰ বিচিত্ৰ সৌন্দৰ্য্য উন্মোচন কৰাৰ প্ৰয়াস কৰি ছিল।

তেজপুৰৰ অগ্নিগড় পাহাৰৰপৰা সূৰ্য্যাস্ত চাইছে নে কাহানিবা? আৰু পঞ্চৰত্ন-যোগীঘোপাৰ মাজৰপৰা জাহাজেৰে ব্ৰহ্মপুত্ৰৰ বুকুত সূৰ্য্যোদয়? পূবৰ দিগন্তত দেখিব ফুলবা পাহাৰটো। সেয়া যেন. মা ধৰিত্ৰীৰ উন্নত স্তন; সদ্য-জাগৰিত অমৃত শিশুৰ প্ৰতি মা ধৰিত্ৰীৰ অমৃতাঞ্জলি। নতুন কল্পনা কৰিব পাৰে, তেজোদ্দীপ্ত ভাস্কৰৰ কামাস্কত অমৃতময়ীৰ প্ৰথম দিৱসৰ লাজ-বঙ্কিম আত্ম-সমৰ্পণ। চাই চাই এসময়ত আপোনাৰ অজানিতে আপুনি অনুভৱ কৰিব নৱজন্মৰ এক স্বৰ্গীয় অনুভূতি।

গোৱালপাৰা চহৰৰ হুলুকান্দা পাহাৰৰ পাদদেশত ব্ৰহ্মপুত্ৰৰ পাৰতে আছে চৰকাৰী জিৰণি-ঘৰটো। নৱেম্বৰ মাহৰ পূৰ্ণিমাৰ সন্ধিয়া পাঁচমান বজাত ঘৰটোৰ সম্মুখত থিয় হৈ পূব আৰু পশ্চিম দিগন্তলৈ চাই পঠিয়াবচোন। যি কোনো সচেতন মানুহেই অনুভৱ কৰিব জীৱন্মৃত্যুৰ সন্ধিক্ষণৰ অবিস্মৰণীয় এক মুহূৰ্তৰ অনুভূতি। একালে ক্ৰমে নিস্তেজ হৈ পৰা সূৰ্য্য আৰু আনকালে দিগন্তত ক্ৰমে সতেজ হৈ অহা পূৰ্ণিমাৰ চন্দ্ৰ; ঠিক সেই মুহূৰ্ত্তে ভাব হয় যেন দুটা নিষ্প্ৰভ ক্লান্ত সূৰ্য্যই এক কল্পান্তৰৰ দোমোজাত শেষবাৰৰ বাবে ইটোৱে সিটোৰপৰা বিদায় মাগিছে। এটা মুৰ্খৰ দানৱৰ

মৃত্যু-শিতানত ঈশ্বৰ অপূৰ্ব ক্ষমাৰ দৰে কিবা এক কৰুণ অনুভূতিয়ে আপোনাৰ মন নিমিষতে আচ্ছন্ন কৰি পেলাব।

আৰু আছে, নগা পৰ্বতৰ ৰাতিৰ শান্ত নিবিড়তা, কাছাৰৰ বৰাক নদীৰ বালিত জালালী পাৰৰ জাক, হাফলঙৰ ভৈৰৱ পাহাৰৰ ভয়াবহ বিস্ময়। ধোদৰ আলিয়েদি ৰাতি কেতিয়াবা অকলে অকলে গলে নগা পৰ্বতৰ ফালে চাই পঠিয়াবচোন। অনুভৱ হব, নিঃসহায় অৱস্থাত যেন এটা মহাকায় নিষ্ঠুৰ দৈত্যই হাতত এখন শাণিত ছুৰিকা লৈ গহীন গোমোঠা মুখেৰে এখোজ দুখোজকৈ আপোনাৰ ফালে আগবাঢ়ি আহিব লাগিছে।

এনে অনুভূতিৰ সম্ভোগ-সৌভাগ্য মোৰ কোনোদিন ঘটা নাই অৰণ্যে, কিন্তু বীণাৰ এই বৰ্ণনাবোৰ শুনোতে মই মাথোন উপলব্ধি কৰিছিলোঁ এক বিশাল সৌন্দৰ্য্যপুৰীৰ দুৱাৰ উন্মুক্ত কৰাৰ অবিশ্লেষ্য মাদকতা। সঁচা, আছে, মোৰ এই অসমতে আছে কেনিয়াৰ গহন অৰণ্যৰ ৰহস্য, উত্তৰ মহাসাগৰৰ বিপদসঙ্কুল সীমাহীন বিস্তৃতি, তাহিতী দ্বীপৰ প্ৰাণচঞ্চল ৰূপবন্যা আৰু সাত আমেৰিকাৰ লেখ-জোখ নোহোৱা ঐশ্বৰ্য্য।

মোৰ এয়া অৰণ্যে ভ্ৰমণ নহয়। গুৱাহাটীৰপৰা শিৱসাগৰলৈ যাম। প্ৰাগ্‌জ্যোতিষপুৰৰপৰা ৰংপুৰলৈ—মাত্ৰ তিনি-শ ষাঠি কিলোমিটাৰ পথ। ৩৭ নং ৰাষ্ট্ৰীয় পথটো সৰকি যোৱা মাত্ৰ তিনিখন জিলা ছুই যাম। তাক যদি ভ্ৰমণ বুলি কব পাৰি, কেৰেলুৱা এটাকো ৰেলগাড়ী বুলি কব পাৰি।

কিন্তু কাহিনী এটা লিখিবই লাগিব—দেশ-ভ্ৰমণ, সান্ধ্য-ভ্ৰমণ যিহকে নহওক লাগিলে। ভলটেয়াৰে 'হলি ৰোমান এম্পায়াৰ'ক নাইদাৰ হলি—নৰ ৰোমান, নৰ এম্পায়াৰ বুলি কোৱাৰ দৰে কাহিনীটো পঢ়ি যদি কোনোবাই—না-ভ্ৰমণ, না-কাহিনী বুলিও কয় তথাপি উপায় নাই। মই বীণাক কথা দি আহিছোঁ।

সেইদিনা জানো কি বাৰ আছিল! শৰত-হেমন্তৰ মাজামাজি

এটা. দিনত পুৱাতে যাত্ৰা আৰম্ভ কৰিলোঁ। গাড়ী আঠ বজাত বোধ-কৰোঁ। কুঁৱলী আছিল অলপ-অচৰপ। গুৱাহাটীৰ কুঁৱলী। অলপ পিছতে ব'দে ধুই-মচি লৈ যাব। আকাশখনো ধুৱলীয়া হৈ আছিল। ওলোৱাৰ আগতে আকাশখনলৈ চাইছিলোঁ। বীণাই কৈছিল, শৰতৰ মেঘ কমোৱা তুলাৰ দৰে। অজা যুদ্ধ, ঋষি শ্ৰাদ্ধৰ কথা নাজানো, কিন্তু শৰতৰ মেঘ আৰু দম্পতি-কলহত আগৰ তাৰল্য নাই। এলিয়টে কৈছিল: 'April is the cruelest month'; কিন্তু শৰৎকালৰ ভয়াবহ ৰূপ তেওঁ দেখা নাছিল সেইবাৰ উত্তৰ-বঙ্গত। শৰতৰ মেঘে ঘ'ত বান আনি জলপাইগুৰি কালিম্পঙৰ শ শ পৰিয়ালৰ বিনষ্ট সাধন কৰিছিল।

আৰু দাম্পত্য-কলহ আজিকালি জানো ধেমালিৰ কথা! বিবাহিত পাঠক মাত্ৰেই বুজিব দাম্পত্য-কলহ আজিকালি কি যে সৰ্বনশীয়া হৈ পৰিছে।

বিস্লাত বেডিং-চুটকেচ আদিৰ অৰণ্যত কুচি-মুচি বহি লৈ চান্দমাৰীৰপৰা ওৰেবাট সেইবোৰ কথাকে ভাবি আহিছিলোঁ। এনেতে হঠাৎ থপ্‌কৰে বিস্লাখন ৰৈ গ'ল। অশেষ কষ্টেৰে এটা সুৰুঙা বিচাৰি চাই পঠিয়ালোঁ সন্মুখৰ পিনে। কোনখিনি পালোঁহি ঠাৱৰ কৰিবলৈ বেছ কেইটামান মুহূৰ্ত লাগিল। হঠাৎ চকুত পৰিল সদ্য নিদ্ৰোত্থিত কুম্ভকৰ্ণৰ চকুৰ মণিৰ দৰে জ্বলি থকা ৰঙা পইণ্ট লাইটটোলৈ। সন্মুখেদি পাৰ হৈ গৈ আছিল বিভিন্ন যান-বাহনৰ এটা মিছিল।

এয়া কুকুৰমুতা, এতিয়াৰ হেদায়েৎপুৰ। কুকুৰমুতাৰ নাম' হেদায়েৎপুৰ হোৱা এইয়া কেইটামান বছৰ আগৰ কথা মাথোন। হেদায়েৎপুৰৰ ইতিহাস কি আমি নাজানো কিন্তু কুকুৰমুতাৰ হলে ইতিহাস আছে। কুকুৰমুতাৰ এইখিনিতে যিটো ত্ৰিপথ সঙ্গম তাৰ অন্তৰালত নিহিত আছে এক বিৰাট ইতিহাস। এই সঙ্গম হয়তো গুৱাহাটীৰ সমানে পুৰণি। কিয়নো ইয়াকে সীমা কৰি ব্ৰহ্মপুত্ৰৰ

পাৰলৈকে বিস্তৃত আছিল আহোমৰ অস্থায়ী ৰাজহাউলি। ইয়াৰ পোনে পোনে পূৰলৈ আছিল জয়দুৱাৰ চকী অৰ্থাৎ আৰ্মি কেম্প্। স্বৰ্গদেউসকলৰ দিনত নামনি অসমৰ হেড্ কোৱাৰ্টাৰ্চ আছিল গুৱাহাটী। সেইবাবে গুৱাহাটীক সুৰক্ষিত কৰি ৰাখিবৰ বাবে পাণ্ডু, চিলা, বেলতলা, জয়দুৱাৰ আদিত এনে চকী স্থাপন কৰা হৈছিল। কিয়নো গুৱাহাটীত অকল স্বৰ্গদেউৰ প্ৰতিনিধি বৰফুকন ডাঙৰীয়াৰ উপৰিও উজনিৰ একাধিক ডা-ডাঙৰীয়াৰ আবাসস্থল আছিল। পইণ্টৰ ৰঙা লাইটটোৱে চকু পিৰিকিয়াই নীলা হৈ আমাক যাবলৈ বাট এৰি দিয়াৰ লগে লগে মন মোৰ পিছুৱাই গ'ল। এই যে কুকুৰমুতাৰ ৰঙা আৰু নীলা লাইটৰ সন্ধিৰ সংকেত, এইয়াতো আজিৰ কাহিনী নহয়; এই কুকুৰমুতা সঁচাকৈ অসমৰ এক বিৰাট যুগসন্ধিৰ সাক্ষী। স্বাধীন অসমৰ স্বপ্ন ৰচোঁতাসকলৰ কাৰণে এই সঙ্গমতে, ঠিক এই সঙ্গমতে ৰঙা লাইট জ্বলিছিল।

আজি ছকুৰি বছৰো পাৰ হোৱা নাই; এই কুকুৰমুতাতে আছিল অসমৰ শেষ স্বাধীন নৃপতি কন্দৰ্পেশ্বৰ সিংহ। অসমৰ একমাত্ৰ বিপ্লৱী নৃপতি। উগ্ৰতাৰা মন্দিৰলৈ ব্ৰহ্মপুত্ৰৰপৰা নাওজান খালেদি উজাই আহিছিল কন্দৰ্পেশ্বৰ। ৰংপুৰৰপৰা আহিছিল অসমৰ বৃটিছ শাসনকালৰ বিপ্লৱী মণিৰাম দেৱান। উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰৰপৰা নাৰেদি পাৰ হৈ আহিছিল অসমৰত্ন আনন্দৰাম বৰুৱাৰ পিতৃদেৱ ঢেকিয়াল সদৰামীন গৰ্গৰাম বৰুৱা। উজনিখণ্ড পুৰন্দৰ সিংহক লালবন্দি কৰি দিয়াৰ দৰে নামনিখণ্ডও কন্দৰ্পেশ্বৰ সিংহক লালবন্দি কৰাই দিয়াৰ গোপন পৰামৰ্শ চলিল। লালবন্দি হব দেশ পুনৰুদ্ধাৰৰ প্ৰথম পদক্ষেপ। আগেয়ে লালবন্দি, তাৰ পিছত বিপ্লৱৰ ফন্দি। কমিচনাৰ জিনকিঞ্চন চাহাব শঙ্কিত হৈ পৰিল। দেৱান ইতিমধ্যে পালেগৈ কলিকতা। সেয়া ১৮৫৫ চনৰ কথা। ঢেকিয়াৰপৰাই চিপাহী-বিদ্ৰোহৰ জুই উমি উমি জ্বলিছিল। বিদ্ৰোহৰ মাহেন্দ্ৰক্ষণ।

মণিৰাম দেৱানৰ ৰজা কন্দৰ্পেশ্বৰলৈ লেখা কেবাখনো অগ্নিগৰ্ভ চিঠি ইংৰাজ চৰকাৰৰ গুপ্তচৰৰ হাতত পৰিল। মণিৰামৰ লগতে কন্দৰ্পেশ্বৰো হ'ল বন্দী।

তেওঁক অৱশ্যে কম বয়সীয়া বুলি ইংৰাজে মুক্তি দিলে। কিন্তু মণিৰামৰ বিৰুদ্ধে চলিত শাসন ওফৰাবলৈ ষড়যন্ত্ৰ কৰা বুলি অভিযোগ অনা হ'ল আৰু বিচাৰত মণিৰামৰ হ'ল ফাঁচি।

কন্দৰ্পেশ্বৰো বিচাৰ হ'ল। ইংৰাজ দৰবাৰত নহয়; ভাগ্যবিধাতাৰ দৰবাৰত। ১৮৮২ খ্ৰীষ্টাব্দৰ ১২ আগষ্ট শনিবাৰে এই কুকুৰমূতাতেই অসমৰ প্ৰাচীনতম এলোপেথিক ডাক্তৰ এলাহী বক্সৰ অশেষ শ্ৰম পণ্ড কৰি তেওঁ দেহৰক্ষা কৰিলে। ইয়াণ্ডাবু সন্ধিত নিৰূপিত হোৱা মাত্ৰ পঞ্চলিচ হেজাৰ টকাৰ বিনিময়ত অসমৰ ৰজা গ'ল, ৰাজ্য গ'ল আৰু গ'ল প্ৰাক্ ঐতিহাসিক কালৰেপৰা বৰ্তি থকা প্ৰৱস পৰাক্ৰমী এই বিশাল ৰাজ্যৰ স্বাধীনতাৰ অক্ষত মৰ্য্যাদা। সেইদিন ধৰি অসমৰ ইতিহাসে ললে এক নতুন গতি। গোমধৰ-মণিৰাম-পিয়লিৰ স্বাধীন অসম গঢ়াৰ স্বপ্ন-ৰথ এই পথ সন্ধিতেই চিৰকালৰ কাৰণে স্তব্ধ হৈ গৈছিল ইংৰাজসকলৰ কূটনীতিৰ কবলত পৰি। সেইদিনাই আমি নীলা লাইট জ্বলাই বগা বঙালক বাট এৰি দিছিলোঁ।

সেয়েতো আচৰিত হওঁ, এয়ে সেই কুকুৰমূতা য'ত স্বৰ্গদেউসকলৰ বাহৰ আছিল। য'ৰপৰা একাধিক সঙ্কটপূৰ্ণ মুহূৰ্তত অসমবাসীৰ ভাগ্য নিয়ন্ত্ৰণৰ কল-কাঠি চলিছিল। অথচ অসমৰ কোনো ঐতিহাসিকে আজিলৈকে অকণো গুৰুত্ব আৰোপ নকৰিলে তাৰ ওপৰত।

সেই শনিবাৰে ৰাণী ৰত্নেশ্বৰীয়ে হিয়া ঢাকুৰি কান্দিছিল। স্বামীৰ শোকত নহয়, অপৰিসীম ক্ষোভত। ছশ বছৰ জুৰি পূৰ্ব-ভাৰতৰ এই ইতিহাসপ্ৰসিদ্ধ ৰাজ্যখনত অকণ্টকৈ ৰাজ্যভোগ কৰা এনে এটা প্ৰখ্যাত পৰাক্ৰমী ৰাজবংশৰ অসূৰ্য্যম্পৰ্শা বোৱাৰী হৈও তেওঁ ওলাই আহিবলগীয়া হৈছিল ৰাজপথলৈ। মূৰত সোণৰ চুলাৰ সিয়াজাপি লৈ নহয়, এক স্তিমিত সূৰ্য্যৰ নিৰুত্তাপ ম্লানিমা লৈ। ইংৰাজসকলৰ

ওচৰত হাত পাতিবলগীয়া হৈছিল তেওঁ সামান্য কেইটামান টকাৰ বাবে।

হঠাৎ মনটো আচ্ছন্ন হৈ পৰাত গমেই পোৱা নাছিলোঁ ৰেল-লাইনটো কেতিয়া পাৰ হৈ আহিছিলোঁ। এয়া আমবাৰী। ইয়াত আগতে বহুত কছাৰী মানুহ আছিল আৰু তেওঁলোকৰ বাৰীত বহুতো আম আছিল। পিছপিনে এইবোৰ খাল ঠাই খাই আছিল নল আৰু ভৰাণিৰে। ৰেল-আলিৰ ক্ৰচিংটোৰ ওচৰতে আছিল এজোপা ফেৰেঙণীয়া খেজুৰ। খেজুৰ গছৰ সাধাৰণতে ঠাল-ঠেঙুলি নাথাকে। এইজোপাৰ আছিল।

কছাৰীপাৰা পাৰ হৈ দীঘলী পুখুৰীৰ ওচৰত আছিল এলাহী বক্স ডাক্তৰহঁতৰ মুছলমান পাৰাটো। লাইট আছিল শিলপুখুৰীৰ চুকত এটা, তাৰ পিছত এন্ধাৰে এন্ধাৰে যাবলগীয়া হয় দীঘলী পুখুৰীৰ পাৰৰ চুকটোলৈ। তাতে অৱশ্যে এটা লাইট থাকে। লাইট মানে আয়নাৰে ঘেৰা লেম। তাৰ পিছত কাৰ্বাইড গেচৰ লাইট হৈছিল। আৰু লাইটৰ সংখ্যা অলপ বেছি হৈছিল। আৰু কটন হোষ্টেলৰ ফাৰ্ষ্ট আৰু চেকেণ্ড ব্লকৰ সন্মুখৰ ৰাস্তাটো হৈছিল পকা। পৃথিৱীৰ আধুনিক প্ৰথম পকী ৰাস্তা-আলিটো স্পেইনত যেতিয়া তৈয়াৰ হৈছিল, তাৰ প্ৰায় সমসাময়িক ঘটনা।

কটন কলেজৰ বোটানিকেল গাৰ্ডেনৰ দুজোপা সৰল গছৰ মাজেদি হঠাৎ ভুৱনেশ্বৰীৰ ওখ টিংটো ওলাই পৰিছিল। এবাৰ এগৰাকী ভূগোল-শিক্ষক বন্ধুৱে কৈছিল: বুজিছা গুৱাহাটীৰ চাৰিও সীমাত শিল-পাথৰৰ কাৰবাৰ। উত্তৰে লতাশিল, দক্ষিণে ফটাশিল, পশ্চিমে নীলাচল, পুবে কণ্ঠাচল। আগৰ মানুহে কয় যে নদীৰ পাৰৰপৰা চাৰি মাইল দক্ষিণে পুৰণি দেৱালৰ ভগ্নাৱশেষ পোৱা যায়, আচলতে সেয়া ফটাশিল আৰু কালাপাহাৰৰ শিল।

মই নাজানো। মই অৱশ্যে জানো ভুৱনেশ্বৰী য'ত আছে সেয়া নীলাচল পাহাৰ। পুৰণিকালত তাৰ নাম আছিল ব্ৰহ্মাচল। তাৰ

পোনে পোনে পূবলৈ ব্ৰহ্মপুত্ৰৰ পাৰতে সেয়া হুস্তাচল। আহোম যুগৰ ইটাখুলি আৰু আজিকালিৰ শুক্ৰেশ্বৰ। আহোম যুগত বৰফুকনৰ টোল আছিল সেই হুস্তাচলতে ক'ৰবাত।

সৌৱা ভুৱনেশ্বৰী। টিঙত বান্দৰজাকে বাৰে বাৰে কুঁৱলীবোৰ ঠেলি পঠিয়াইছে। কাছাৰৰ জালালী পাৰৰ জাকৰ দৰে কুঁৱলীবোৰ বাৰে বাৰে আহি ব'দৰ ভয়ত যেন আকৌ আঁতৰি পলাইছে। টিঙৰ মন্দিৰটোলৈ চকু পৰাত কাঁচি-জোন দেখি গাভৰু ছোৱালীয়ে কৰাৰ দৰে মই হাত দুখন কপাললৈ তুলিব খুজিছিলোঁ। হঠাৎ মোক চাৰিওফালৰপৰা হেঁচা মাৰি ধৰা বেডিং-বাকচৰ অৰণ্যৰ অস্তিত্ব অনুভৱ কৰিলোঁ। অসহায় ক্ষুব্ধ এজনৰ দৰে নিৰ্বিকাৰ ভাব এটা অনাৰ চেষ্টা কৰিলোঁ। ভুৱনেশ্বৰীও ইতিমধ্যে মোৰ দৃষ্টিৰপৰা অন্তৰ্হিত হৈছিল। কিন্তু চকুৰ আগত ভাহি উঠিছিল ভুৱনেশ্বৰীৰ দৰে বিশালকায় প্ৰাক্ ঐতিহাসিক এটা দৈত্যৰ জীৱাশ্ম। এসময়ত সকলো কৰাৰ ক্ষমতাৰ অধিকাৰী হৈও আজি সি নিষ্ক্ৰিয়, নিৰ্বিকাৰ।

এই ভুৱনেশ্বৰীৰ টিঙতে আজি দুশ বছৰৰ আগেয়ে দুটা সাঙ্ঘাতিক ঘটনা ঘটিছিল। ১৭৯৩ চনত ইয়ালৈকেই সুদূৰ দাক্ষিণাত্যৰ পৰ্য্যটক লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰী আহিছিল। আৰু ইয়াতেই অসমৰ পোন-প্ৰথম আফুখেতি হৈছিল। এই ব্ৰহ্মচাৰীয়েই যিদৰে এহাতে লৈ আহিছিল অমৃতৰ ভাণ্ড, সিদৰে আনহাতে লৈ আহিছিল তীব্ৰ হলাহল।

খৃষ্টাব্দ ওঠৰ শতিকাৰ শেষ দশকৰ কথা। স্বৰ্গদেউ গৌৰীনাথ সিংহৰ কোপত পৰি মজিন্দাৰ বৰুৱাই এসময়ত চকুযোৰ হেৰুৱালে। কিন্তু এবাৰ আহিল দিল্লী পাটচাহৰ এখন ফৰমান। পঢ়িবলৈ কোনো মানুহ নাই। শেষ ৰক্ষা হিচাপে অন্ধ মজিন্দাৰ বৰুৱাকে লৈ অহা হ'ল। তেওঁ ব্ৰেইল পদ্ধতিৰে অৰ্থাৎ আন এজনক আখৰৰ পাকে পাকে আঙুলি বুলাবলৈ কৈ পঢ়ি দিলে সম্পূৰ্ণ ফৰমানখন আৰু ব্যাখ্যা কৰিলে তাৰ মৰ্মাৰ্থ। সেই সময়ত ফাৰ্চী জনা পৰিয়াল

কামৰূপত একমাত্র সেইটোৱেই হেনো আছিল। স্বৰ্গদেৱে পৰম প্ৰীত হৈ আদেশ দিলে বিদেশৰপৰা বেজ আনিবলৈ মজিন্দাৰৰ দৃষ্টি উদ্ধাৰৰ বাবে।

মুগাৰ কাপোৰ পিন্ধি আমাৰ কটকী গৈছিল বিদেশ অভিমুখে। নৱদ্বীপত গঙ্গাৰ পাৰত ব্ৰহ্মচাৰীৰ সৈতে দেখাদেখি হ'ল আমাৰ কটকীৰ। মুগ্ধ নয়নে ব্ৰহ্মচাৰীয়ে লক্ষ্য কৰিলে স্বৰ্ণাভ বস্ত্ৰ পৰিহিত কটকীজনক। জানি ললে কোন দেশী আগন্তুক, কিবা উদ্দেশ্য তাৰ। চক্ষু চিকিৎসাৰ কি জ্ঞান আছিল নাজানো কিন্তু এইটো হলে জনা যায় যে ব্ৰহ্মচাৰীৰ আজীৱন সাধনা আছিল কামৰূপ তীৰ্থ দৰ্শনৰ। তেওঁৰ পথ-প্ৰদৰ্শকৰ প্ৰয়োজন; কিয়নো তাৰ তেত্ৰিশ বছৰৰ পিছতহে স্বনামধন্য পণ্ডিতপ্ৰবৰ হলিৰাম ঢেঁকিয়াল ফুকনে সংস্কৃত ভাষাৰ প্ৰথম মুদ্ৰিত গ্ৰন্থ কামৰূপযাত্ৰা ৰচনা কৰিছিল, য'ত কামৰূপৰ সমস্ত তীৰ্থৰ পথ-নিৰ্দেশ সন্নিবিষ্ট কৰা হৈছিল।

ব্ৰহ্মচাৰীৰ কপালৰেই জোৰ বুলিব লাগিব। তেওঁ কামৰূপ পোৱাৰ আগতেই মজিন্দাৰ বৰুৱা ঢুকাল। নহলে কোনে জানে, খেয়ালী গৌৰীসিংহৰ হাতত তেওঁৰো হয়তো মজিন্দাৰ বৰুৱাৰ দৰেই দশা হ'লহেতেন। তেওঁতো অন্ধ নহলেই, বৰঞ্চ জ্ঞান চক্ষু মেল খালে। তাৰে ফলস্বৰূপে তেওঁ অনায়াসে হাদিৰাচকীত তুৰুলীয়া বৰুৱা হব পাৰিছিল আৰু চাহাবৰ সৈতে লোণৰ বেপাৰত কলহে কলহে চিকা ৰূপ আৰ্জিছিল।

এই ব্ৰহ্মচাৰীকেই প্ৰথম থপা হৈছিল ভুৱনেশ্বৰীত। সেই সময়ত কামৰূপত গ্ৰহণীয়ে মহামাৰীৰ ৰূপ ধাৰণ কৰিছিল। তেওঁ লগত লৈ আহিছিল মঙ্গলবাৰ্তাৰ প্ৰতীকস্বৰূপ কিছুমান আফুগুটি আৰু তাৰ লাৰু। তাৰে বড়ি সাজি সাজি তেওঁ গ্ৰহণী ৰোগগ্ৰস্ত-সকলক খুৱাই ৰোগ নিৰাময় কৰালে। পিছত তেওঁ তেওঁৰ আবাস-স্থানৰ ওচৰতে সাজি ললে এখন হাৰ্বাৰিয়াম অৰ্থাৎ বনৌষধিৰ বাগিচা। তাত বিশেষকৈ ৰোপণ কৰা হৈছিল আফুগছ।

সেয়ে অসমীয়া জাতিৰ অধঃপতনৰ এক পদক্ষেপ। তাৰ পিছত বিৰাট এক পৰিসংখ্যাৰ প্ৰব্লেম। ১৭৯৩ চনৰপৰা অসমীয়া জাতি নামি নামি চৰম অধঃপতনৰ দুৱাৰডলি পালেহি ১৯২০ চনত। অসমৰ অন্যতম চিত্ৰশিল্পী স্বৰ্গীয় জগৎসিং কছাৰীয়ে আৱাহনৰ পাতত আঁকি থৈ যোৱা 'কানিৰ গৰাহত অসম' বোলা ছবিখন চালেই সেই অধঃপতনৰ গভীৰতা ধৰিব পাৰিব। সেই চনত অসমীয়া মানুহে খাইছিল চৌৱষ্ঠি হাজাৰ সেৰ কানি। কিন্তু ১৯২১ চনত হোৱা স্বাধীনতা আন্দোলনৰ ফলত কানিৰ প্ৰচলন কমি গৈ হ'ল ৬০২ মোন অৰ্থাৎ ২৪,০৮০ সেৰ। আটাইতকৈ আচৰিত কথা, ইমান কানিয়েও কিন্তু অসমীয়া মানুহক কানিয়া কৰিব পৰা নাছিল। মই তেনেদৰে কোৱাৰ উপযুক্ত কাৰণ আছে। বৃটিছ চৰকাৰে অসমত নিগাজী হৈ বহিব পৰাৰ আগতেই লক্ষ্য কৰিছিল এই বিপুল লাভজনক দিশটোলৈ। কানি খুৱাই মানুহৰ ওপৰত যিদৰে নিৰ্বিৰোধে প্ৰভুত্ব চলাব পাৰি, তেনেদৰে আনহাতে প্ৰচুৰ অৰ্থও ঘটিব পাৰি। বৃটিছ-সকল যিয়েই নহওক লাগিলে—a nation of shopkeepers তো হয়েই। কাজেই বন্ধ কৰি দিলে ব্যক্তিগত আফুখেতিৰ। বৃটিছ চৰকাৰৰ এনে মইমতালিৰ বিৰুদ্ধে ফুলগুৰিৰ ৰাইজে বিদ্ৰোহ কৰি উঠিল। অসমৰ মাটিত বৃটিছ চৰকাৰৰ বিৰুদ্ধে ইমান প্ৰচণ্ড বিপ্লৱ কোনোকালে হোৱা নাই। সমগ্ৰ ভাৰতৰ ইতিহাসতে ইমান সুসংবদ্ধ বিপ্লৱ বিৰল। শুনিলে অদ্ভুত অদ্ভুত লাগে এদিনতে একেঠাইতে তিনিকুৰিতকৈও বেছিজন অসমীয়া বিপ্লৱীয়ে বৃটিছ চিপাহীৰ গুলীত প্ৰাণ দিছিল আৰু সেই বিপ্লৱতে এগৰাকী ডেকা ইংৰাজ বিষয়াইও প্ৰাণ হেৰুৱাবলগীয়াত পৰিছিল।

আমি বহুতো বেলেগ কথাৰ অৱতাৰণা কৰিলোঁহঁক। দৰাচলতে আমি কবলৈ গৈছিলোঁ ব্ৰহ্মচাৰীৰ কথা। তেওঁৰ হাতৰ অমৃত পৰশত বৰবিহ কানিও হৈ পৰিছিল অমৃত। সেই বৰবিহে ইমান বছৰৰ বস্তুতঃপক্ষে এক অৰাজক অৱস্থাই মৃতপ্ৰায় কৰি পেলোৱা অসমীয়া

আভিক দিছিল এক অমোঘ সঞ্জীৱনী মন্ত্র। আৰু জানো অকল সেয়ে? এওঁক অসমৰ নিয়তিয়ে লৈ আহিছিল কামৰূপলৈ। নহলে এওঁৰে পোষ্যপুত্র পৰশুৰামৰ পৌত্র জানো হেমকণ্ঠ ওৰফে আনন্দৰাম ঢেঁকিয়াল ফুকন হব লাগে? পৰশুৰামৰ পুত্র হলিৰামেই জানো পূৰ্ব-ভাৰতৰ প্ৰথম মুদ্রিত বুৰঞ্জীৰ ৰচয়িতা হব লাগে? ভাবি সঁচাকৈ আচৰিত লাগে—বঙ্গদেশত যদিও কোনো প্ৰাচীন তীৰ্থভূমি নাছিল, গোৱালপাৰাৰ পাগ্‌লাটেকতো আছিল, যোগীঘোপা, শ্ৰীসূৰ্য্য পাহাৰো আছিল! ভুৱনেশ্বৰীলৈ নাহি তীৰ্থ পৰ্য্যটনৰ মানস গোৱালপাৰাৰ উক্ত যি কোনো এখন তীৰ্থস্থানতে পূৰ্ণ কৰিব পাৰিলে-হেতেন।

পাগ্‌লাটেকত হেনো পৰিছিল সতীৰ দেহাঙ্গ। কিলাকুটি। সেইবাবেই তাত হেনো মহাবাহু ব্ৰহ্মপুত্ৰয়ো ললে এটা কিলাকুটীয়া ভাঁজ, মা সতীৰ পৱিত্ৰ দেহাঙ্গৰ প্ৰতি শ্ৰদ্ধাত অৱনত হৈ। এই পাগ্‌লাটেকতে আছিল হেনো কামৰূপৰ ত্ৰিভুৱন পৰ্য্যটকসকলৰ কাৰণে পাতালৰ গোপন সুৰঙ্গ পথ। পাগ্‌লাটেকত থিয় হৈ নদীৰ সিপাৰে উত্তৰ-পশ্চিম দিশলৈ চাই পঠিয়ালে দেখিব ঠিক সদাগৰী নাৱৰ দৰে দেখা এখন পাহাৰ। সেয়া চান্দৰ ডিঙা পাহাৰ। অসমীয়া সদাগৰ চন্দ্ৰধৰৰ বিদেশৰ বণিজসম্ভাৰ ঠিক এই পাগ্‌লা-টেকতে হেনো ব্ৰহ্মপুত্ৰই গ্ৰাস কৰিছিল। সেই নৌকাডুবিত শিৱৰ অনুগ্ৰহত সদাগৰ বাচিল কিন্তু বণিজৰ অতুলনীয় সম্ভাৰৰ কণামাত্ৰও ৰচাব নোৱাৰিলে। আজিও মানুহে দুৰ্গতিনাশিনী মা সতীক মিনতি জনায় যেন সেই শোকাবহ ঘটনাৰ আৰু পুনৰাবৃত্তি নঘটে। কথিত আছে, মা সতীৰ আত্মজা দেৱী মনসাৰ কোপদৃষ্টিত পৰি হেনো চন্দ্ৰধৰ সদাগৰৰ এই দুৰ্গতি হৈছিল।

আৰু যোগীঘোপা! বৌদ্ধ সন্ন্যাসীসকলৰ নিৰ্বাণ প্ৰচেষ্টাৰ মহাথলী। পাগ্‌লাটেকৰপৰা ঠিক ওঠৰ মাইল পূবলৈ ব্ৰহ্মপুত্ৰৰ পাৰতে আছে হিন্দু সভ্যতাৰ প্ৰাচীনতম সাক্ষী শ্ৰীসূৰ্য্য পাহাৰ। বি

পাহাৰৰ প্ৰতিটো শিলত আছে ভাৰতীয় প্ৰাচীন ভাস্কৰৰ অনুপম কলাকৃষ্টিৰ স্বাক্ষৰ।

এই সকলোবোৰকে নেওচি ব্ৰহ্মচাৰী আহিছিল ভুৱনেশ্বৰীলৈ। এয়া জানো কোনোবা নিয়ন্তাপুৰুষৰ অমোঘ হাতছানি নহয়!

পুৰাণ মতে এই ভুৱনেশ্বৰী মন্দিৰৰ শৃঙ্গৰ নাম ব্ৰহ্ম পৰ্বত। যোগিনী তন্ত্ৰত আছে :

মনোভব গুহাবহ্নৌ দেবশিখৰমুন্নতং। তস্মহোপ্ৰমিতি খ্যাতংপীঠং পৰমদুৰ্লভং॥ সিদ্ধিকালী ব্ৰহ্মৰূপা দেবতা ভুৱনেশ্বৰী। নিবসেত্তত্ৰ যা কালী ঘোৰদৈত্যবিনাশিনী॥ তৎ পীঠোপৰি সংবিশ্য দশধা চ জপেন্মনুং। তদা মন্ত্ৰ বিশুদ্ধিঃ স্যাৎ তৎদেহেন শিৱোভবেৎ॥

ঘোৰ দৈত্যবিনাশিনী কালী ভুৱনেশ্বৰী এয়ে। তাত বহি দহবাৰ জপ কৰিলে গঙ্গাৰ দহ লক্ষ জপৰ সমান ফল পায়। এটা কথা অৱশ্যে জনা নেযায় ব্ৰহ্মাপৰ্বত কিয় ভুৱনেশ্বৰীৰ অধিষ্ঠান হ'ল। সেইটো যিয়েই নহওক, এই শৃঙ্গৰ অধিষ্ঠাত্ৰীয়ে যে যুগ যুগ ধৰি আজিৰ দৰেই পূৰ্ব পৃথিৱীৰ এই প্ৰখ্যাত জনপদৰ আলেখ-লেখ চাই আছিল আপুনি মন্দিৰৰ ওচৰত থিয় হৈযেই উপলব্ধি কৰিব পাৰিব।

এই ব্ৰহ্মাপৰ্বত, এই শৃঙ্গ গুৱাহাটীৰ কিয় সমগ্ৰ পূৰ্ব-ভাৰতৰ উত্থান-পতনৰ প্ৰত্যক্ষদৰ্শী। ইয়াৰ তলেদিয়ে প্ৰাক্ ঐতিহাসিক কালৰপৰা নিৰবধি বৈ আহিছে ব্ৰহ্মপুত্ৰ। ঋষি বশিষ্ঠ, কণ্ব এই পাহাৰৰ পদতলেদিয়ে আহিছিল মহাবিদ্যাৰ সন্ধানত। দীক্ষিত আৰ্য্য নৰক আহিছিল, ক্ষত্ৰিয় বীৰ বৃকোদৰ, তৃতীৰ পাণ্ডৱ অৰ্জুন, ম্লেছৰাজ শালস্তম্ভ আহিছিল। চীন পৰিব্ৰাজক হিউয়েনচাং, বৌদ্ধ পণ্ডিত নাগাৰ্জুন এই পাহাৰৰ পাদদেশেৰেই আহিছিল প্ৰাগ্-জ্যোতিষপুৰলৈ আৰু প্ৰাচ্যৰ ডবকা কন্দলি আদি স্বাধীন ৰাজ্যলৈ এক বৌদ্ধিক প্ৰতিভাৰ অন্বেষণত।

আৰু মোগল সাম্ৰাজ্যৰ দুৰ্জয় সেনাপতি মীৰজুম্‌লা, ৰাজা ৰামসিংহও আহিছিল এই পথেদিয়ে দিল্লীৰ প্ৰবল পৰাক্ৰমী

মোগল পাটচাহব ফৰমান লৈ, অসম জয় কৰি মোগল সাম্ৰাজ্যক সুদূৰ সীমাৰ পৰ্য্যন্ত বিস্তৃত কৰিবলৈ। আৰু অসমৰ বীৰে ডিঙিত ধৰি মোগলক এইটো বাটকে দেখুৱাই দিছিল উভতি যাবলৈ।

ডেভিড স্কট? তেওঁৰো আহিছিল এই একে পথেৰেই। অসমৰ চৰ্গদেউক কিংডম ৰাপচ্‌ কৰি দিবলৈ।

ইংৰাজ আহিল, মাৰোৱাৰী আহিল, বঙালী আমোলা আহিল। ১৮৩৮ চনত বিজয়ৰ ধ্বজা উৰুৱাই ভাপ জাহাজ আহিল। বোম্বাইত ৰেল-আলি খোলাৰ বছৰেই ৰেলৰ ইঞ্জিনো আহিছিল এই পথেদিয়ে।

আৰু আহিছিল মায়ামৰীয়া বিদ্ৰোহ শান্ত কৰিবলৈ কেপ্টেইন ওৱেলচ্‌। লগত লৈ আহিছিল কি জানে?

বাৰীৰে শিমলুগছ।

কুম্পানীৰ বীৰসেনা, ওৱেলচ্‌ চাহাবে

আনিলে আফুৰে সঁচ!

এই আফুৰ সঁচতো বহুদিনৰ আগতেই অসম পাইছিলহি; কিন্তু বেপাৰৰ উদ্দেশ্যে অসমীয়া মানুহক তিলে তিলে হত্যা কৰিবলৈ মাত্ৰ এজনেহে আফুৰ সঁচ আনিছিল। তেওঁ আছিল মহামতি কেপ্টেইন চাহাব ওৱেলচ্‌।

তাৰ পিছত আহিছিল ধৰ্ম। এক অভিনৱ সাম্ৰাজ্যবাদী ধৰ্ম। ১৮৩৭ চনৰ ১৭ জুলাই তাৰিখে টমাচ আৰু ব্ৰন্‌চন নামৰ দুগৰাকী সদাশয় পাদুৰী চাহাব বোষ্টন চহৰৰপৰা অশেষ কষ্ট কৰি এই ভুবনেশ্বৰীৰ তলেদিয়ে আহি শদিয়া পায়হি। ১৮৪১ চনৰ মে' মাহত ব্ৰাউন আৰু ৰাৰ্কাৰ চাহাবে শিৱসাগৰত আৰু ব্ৰনচন চাহাবে সেই বছৰৰে অক্টোবৰ মাহত নগাঁৱত মিশ্চনাৰী কুঠি পাতে। ১৮৪৩ চনত গুৱাহাটীত প্ৰথম মিশ্চনাৰী কুঠি হয়। তাৰ দুবছৰৰ পিছত গুৱাহাটীৰ প্ৰথম গীৰ্জাটো সজা হয়। অলপ আগবাঢ়ি গলেই জজ খেল-পথাৰৰ পশ্চিমে এই গীৰ্জাটো দেখা পাব। লগে লগে

আপোনাৰ নিশ্চয় মনত পৰিব খৃষ্টাব্দ ১৮৪৬ চনৰ সেই দুৰ্যোগময় বছৰটোৰ কথা। আহাৰত আহিছিল বানপানী, শাওণত আকৌ অনাবৃষ্টি; আহিনত ৰজা পুৰন্দৰ সিংহৰ তিৰোভাৱ, আঘোণৰপৰা প্ৰচণ্ড মহামাৰী আৰু গেলাতে টেঙাৰ দৰে সেইবাৰেই হ'ল ভুঁইকঁপ। ভুঁইকঁপৰ জোকাৰণিত গীৰ্জাৰ এডোখৰ হেনো খহি পৰিছিল। সেই অপৰাধত তত্বাৱধায়ক অভিযন্তা গৰাকীয়ে হেনো ভৰিবলগীয়াত পৰিছিল হেজাৰ টকাৰ অৰ্থদণ্ড।

এই সকলোবোৰ এক ভবিতব্যতাৰ আগজাননী নাছিল নে বাৰু? কিন্তু আমাৰ পূৰ্বপুৰুষসকল আছিল নিৰ্বিকাৰ। পাহাৰতেই ইংৰাজে সম্মুখীন হৈছিল অজস্ৰ বাধাৰ কিন্তু অসমৰ সমতলত নিৰ্বিৰোধে প্ৰসাৰিত হৈছিল ইংৰাজ প্ৰভুৰ প্ৰতিপত্তি।

দৰাচলতে স্বীকাৰ কৰিবলৈ লাজ লাগে, অসমৰ তথাকথিত 'এলিট'-সকলে ইংৰাজক ৰভা-ঠভা পাৰি আদৰি আনিছিল। তাৰ ফলত পাশ্চাত্য শিক্ষাৰ সোৱাদ, ইংৰাজ অৰ্থনীতিৰ অংশীদাৰত্ব এইসকলৰ ভাগ্যত মিলিছিল। আৰু অসমক যুগ যুগ ধৰি শাসন কৰি অহা ৰাজবংশধৰসকল বিদেশীৰ প্ৰতি বিতৃষ্ণাত আঁতৰি আহিছিল আৰু বিদ্ৰোহ কৰিছিল। নিজৰ মূৰ্খামিৰ বাবে কালক্ৰমত এওঁলোক হ'ল সৰ্বস্বান্ত; আনকি বিদেশী শাসনৰ বিৰুদ্ধে প্ৰকৃতভাৱে বিদ্ৰোহ কৰিও এওঁলোকৰ ভাগ্যত প্ৰশংসা পৰক ছাৰি পৰিল গৰিহণা।

অদ্ভুত চীজ এই অসমৰ 'এলিট'সকল। সাপ হৈ খোঁটা আৰু বেজ হৈ জৰাত যুগ যুগ ধৰি কিযে ওস্তাদী দেখুৱাই আহিছে এওঁলোকে ইতিহাসৰ নিষ্ঠাৱান পাঠক মাত্ৰেই উপলব্ধি কৰিব পাৰিব।

বাঁওহাতে লাহে লাহে ওপৰলৈ উঠিল বিমানখন। অভাৰ-ব্ৰীজ নিশ্চয়। মাজমান পাওঁতেহে বুজিলোঁ সেয়া অভাৰ-ব্ৰীজেই আছিল। বাঁওকালে দেখিলোঁ গুৱাহাটী ৰেলষ্টেচনৰ বিশৃঙ্খল লাইনবোৰ গৈ গৈ এখন চালৰ তলত থুপ খাইছে আৰু আনকালে দূৰত দেখিলোঁ ভুৱনেশ্বৰীৰ টিংটো। নীলা আকাশৰ তলত ৰ'দত জলমলাই

উঠিছে। দলঙৰ কাষত দেখিলোঁ মুকলি ঠাইখিনি অধিকাৰ কৰিছে অস্থায়ী কিছুমান গেৰেজ আৰু অঘৰীৰ পৰ্ণকুটীৰে। ওচৰতে এজোপা লঠা খেজুৰৰ ওপৰত বহি আছিল এটা শগুণ নে বৰটোকোলা। হুতাশ বিষণ্ণ ভাব। নৰকান্ত বৰুৱাৰ তিনিটা শগুণলৈ মনত পৰিছিল অকলশৰীয়া সেইটোক দেখি।

দলং পাৰ হোৱাৰ আগতেই বাঁওকালে চাইছিলোঁ। কোনোবা এখন দেৱালত লেখা আছিল এষাৰ সনির্বন্ধ অনুৰোধ : 'ইয়াত প্ৰস্ৰাৱ নকৰিব' বুলি। এনে অনুৰোধ অসমৰ যি কোনো চহৰতে য'তে ত'তে দেখিব। গুৱাহাটী জেলৰ দেৱালত, উজান বজাৰৰ পাণ-দোকানৰ কোনোবা পিঠিত ডাঙৰ ডাঙৰকৈ আভজা হাতেৰে লিখি থোৱা দেখিব। গুৱাহাটীৰ জেলৰ সেইখিনিতে টেক্সি-ষ্টেণ্ডটো। তাতে ড্ৰাইভাৰসকল দিনে-নিশাই থাকে আৰু তালৈকে অহৰহ ভাল-বেয়া মানুহৰ সমাগম হয়। তাতো তেনেদৰে লেখাৰ প্ৰয়োজন হয়।

এই কথাষাৰে পিছে অদ্ভুতভাৱে আমাৰ জাতীয় চৰিত্ৰৰ কথাকে সূচায়। মই অৱশ্যে বিদেশৰ নামে ঢাকালৈকো যোৱা নাই। কিন্তু শুনিছোঁ, ইংলণ্ড-টিংলণ্ড এইবোৰ দেশৰ চহৰত আলিৰ দাঁতিত হেনো লেখা থাকে : 'ইয়াতে প্ৰস্ৰাৱ কৰক' এই জাতীয় অনুৰোধবোৰ। এই দুষাৰ বিপৰীতাৰ্থক অনুৰোধে দুটা বিপৰীত চৰিত্ৰক সুসূচায় নে নাক? এটা জাতিৰ মানুহৰ য'তে ত'তে প্ৰস্ৰাৱ কৰা কুলক্ষণ আছে বাবে তেওঁলোকক বাটে-পথে গলে সতর্ক কৰি দিবলগীয়া হয় য'তে ত'তে প্ৰস্ৰাৱ নকৰিবলৈ। আৰু আনটো জাতিৰ মানুহে য'তে ত'তে প্ৰস্ৰাৱ নকৰে দেখি তেওঁলোকক দেখুৱাই দিবলগীয়া হয় প্ৰস্ৰাৱ কৰাৰ বাবে নিৰ্দিষ্ট স্থানবোৰ।

আমাৰ পিছে অকল ৰাস্তাতে নহয়, ঘৰে-পৰে, মেলে-সবাহে সেই একেই স্বভাৱ। ভালদৰেনো স্বামী বিবেকানন্দই কৈছিল নে—"Beginning from Buddha to Rammohan Roy every-

one, made the mistake of holding the caste to a religious institution. But in spite of the varings of the priests, caste is simply a crystalized social institution, which, after, doing service, is filling the atmosphere of India with stench."

অকল আমি ৰাস্তাৰ দাঁতিকেই লেতেৰা কৰা নাই। ধৰ্মৰে সমাজক, সাম্প্ৰদায়িকতাৰে ব্যক্তিত্বক লেতেৰা কৰি পেলাইছোঁ। কামটো হৈ যোৱাৰ পিছত ঠাইডোখৰ সাৰি-মচি পৰিষ্কাৰ কৰিব নাজানো। এয়া অসমৰ তথা ভাৰতৰ বৈশিষ্ট্য।

আমাৰ সামাজিক চেতনা চাবলৈ বেছিলৈ নগলেও হয়। গুৱাহাটী কাছাৰী-ঘৰ নাইবা ট্ৰেন্সপোৰ্ট ষ্টেচনৰ প্ৰস্ৰাৱাগাৰ এটাকে চকৈগেচোন। সমাজত গেলাগোন্ধ বিয়পালে সেই গোন্ধ যে নিজৰ নাকতো সোমায় সেই সাধাৰণ সত্যটোও আমাৰ দেশৰ মানুহে বুজিও নুবুজাৰ দৰে কৰে। এই গেলাগোন্ধ বিয়পায় আকৌ অশিক্ষিত জনসাধাৰণে নহয়, শিক্ষা-সংস্কৃতিৰ বৰাই কৰা এক শ্ৰেণীৰ বুৰ্জোৱাই। প্ৰচলিত আইনৰ বিৰুদ্ধে যোৱাটো তেওঁলোকে এৰিষ্টোক্ৰেচী বুলি ভাবে।

গুৱাহাটীৰ আলিবাটত এটা সৰু কথা লক্ষ্য কৰিবচোন। বিনা লাইচেঞ্চে মটৰ-গাড়ী চলোৱা বহুতো মানুহ পাব। তেওঁলোকৰ এজনো অশিক্ষিত ড্ৰাইভাৰ নহয়। প্ৰত্যেকজনেই শিক্ষিত ভদ্ৰ ব্যক্তি। তেনেদৰে চহৰৰ প্ৰস্ৰাৱাগাৰ লেতেৰা কৰিবলৈকো হোজা অশিক্ষিত গাৱঁলীয়াৰ সাহস নাই। এইবোৰ কৰে শিক্ষিত, ভদ্ৰ বুলি দাবী কৰা লোকসকলেই।

ঠিক এই মুহূৰ্তত মই একো দেখা নাই। কোনোবা মাৰোৱাৰী মহাজনৰ সু-উচ্চ অট্টালিকাই মোৰ দৃষ্টিপথ ৰুদ্ধ কৰিছে। নৰকাসুৰ পাহাৰ মোৰ দৃষ্টিৰ বাহিৰত।

মাৰোৱাৰী মহাজনৰ কথা উলিয়াওঁতে মোৰ এটা কৌতূহল হ'ল। গুৱাহাটীলৈ প্ৰথম মাৰোৱাৰী কেতিয়া আহিছিল বাৰু? ১৮৫৫?

১৮৫০? নে তাৰো আগেয়ে? নবাব চিৰাজুদ্দৌলাৰ দিনতো বঙ্গদেশত আছিল জগৎশেঠ। গুৱাহাটীতো বহুদিন আগৰপৰাই আছিল। কিন্তু ১৮৫০ বা ১৮৫৫ চনৰ আগতে নহয় যেন লাগে। এইটো অৱশ্যে ভালদৰে জানো যে ১৮৫৫ চনত ৰজা কন্দৰ্পেশ্বৰৰপৰা সোণৰ ভৃঙ্গাৰ কীজ লৈ কলিকতাত কুম্পানীৰ চাহাবক লগ ধৰি আহি মণিৰাম দেৱান ভৰলুমুখত এগৰাকী মাৰোৱাৰী মানুহৰ ঘৰত আছিল।

১৮৮৬ চনতো মাৰোৱাৰী আছিল। কিয়নো সেই বছৰৰ অক্টোবৰ মাহত অসমত যিমানবোৰ মাৰোৱাৰী আছিল সকলোৱে গুৱাহাটীৰ এজন মাৰোৱাৰী ব্যৱসায়ীয়ে কৰা কুকৰ্মৰ বাবে প্ৰায়শ্চিত্ত কৰিছিল। আজিকালিৰ হিচাপে চাবলৈ গলে কথাটো নিতান্ত সাধাৰণ। কিন্তু সেইদিনত সেই সাধাৰণ কথাটোৱেই অসমৰ মাৰোৱাৰী সম্প্ৰদায়ক চিন্তিত কৰি তুলিছিল। কথাটো আন একো নহয়, ঘিউ আৰু চেনিত হেনো কিবা ভেজাল দি ধৰা পৰিছিল আৰু আদালতত মোকৰ্দমাত ব্যৱসায়ীজনৰ জেল হৈছিল।

ইমানপৰে অট্টালিকাৰ আঁৰত লুকাই থকা নৰকাসুৰ পাহাৰটো ঠিক মোৰটো ঘূৰাৰ লগে লগে খন্তেকৰ বাবে ওলাই পৰিল। লগে লগে মোৰ মনত পৰিল দীক্ষিত আৰ্য্য নৰকৰ কথা। এই পাহাৰতে হেনো নৰকে ত্ৰেতা যুগত প্ৰাগ্‌জ্যোতিষপুৰ ৰাজ্যৰ পাতনি মেলিছিল। সম্ৰাট নাপোলিওৱে মিছৰ জয় কৰিবলৈ আহি যিদৰে মিছৰী সভ্যতাৰ হাতত পৰাজয় বৰণ কৰিছিল ঠিক সেইদৰে নৰকেও বিজিত অসমীয়া সভ্যতাৰ ওচৰত পৰাজয় স্বীকাৰ কৰি লবলগীয়াত পৰিছিল। বিজেতাই বিজিতৰ সভ্যতা-সংস্কৃতিৰ ওচৰত হাৰ-মনা দৃষ্টান্ত অসমত একমাত্ৰ এয়েই নহয়। পিছৰ যুগতো যিসকল বিজেতাই অসমক জয় কৰিছিল তেওঁলোকে মাত্ৰ যুদ্ধহে জয় কৰিছিল, কিন্তু অসমৰ জনজীৱনত আধিপত্য বিস্তাৰ কৰিব পৰা নাছিল। বৰঞ্চ ওলোটাটোহে ঘটিছিল।

আজি অৰুণ্তে মিকিৰসকলে আগৰ দৰে জঙৰা নেনাচে। মাকৰ বিহুত অসমৰ কোনো মানুহেই আৰু আগৰ দৰে বং-ৰহইচ নকৰে। কিয়নো এই বিহুৰ সম্পৰ্ক জনসাধাৰণৰ অৰ্থনৈতিক প্ৰগতিৰ সতে নিবিড়ভাৱে জড়িত। জঙবাৰ গীত শুনিবলৈ পালে বুজিলেহেতেন মিকিৰ আৰ্লেংপসকলে কিদৰে নৰকক তেওঁলোকৰ আদিপুৰুষ হেম্ফুৰ বংশধৰ বুলি বিশ্বাস কৰিছিল।

অসমৰ এটা সৰু ল'ৰায়ো জানে কিদৰে কামাখ্যাক বিয়া কৰাবলৈ অহোপুৰুষাৰ্থ কৰিও নৰক হৈছিল ব্যৰ্থ মনোৰথ। কিদৰে মায়াবিনী কামাখ্যাই ৰাতি নৌপুৱাওঁতেই কুকুৰা হৈ ডাক দিছিল আৰু নৰকে খেদি খেদি কত যোজন দূৰত কুকুৰাটো কাটিছিল। সেই ঠাই এতিয়া অসম চৰকাৰৰ সংৰক্ষিত বনভূমি। জখলাবন্ধাৰ পূবে। কুকুৰাকটা তাৰ নাম। নৰকে ভাবিছিল, তেওঁৰ উজাগৰী সমস্ত ৰাতিৰ শ্ৰম হ'ল পণ্ড। কিন্তু নৰকাসুৰৰ আলিৰে খোজকাঢ়ি যোৱা কামাখ্যা দৰ্শনেচ্ছু অযুত অলেখ তীৰ্থযাত্ৰীয়েহে কব সেই শ্ৰম যে কিমান সাৰ্থক আছিল!

আৰু এটা কথা মন কৰিছে নে বাৰু? ওপৰৰ কাহিনীটো শুনিলেই নৰকৰ চৰিত্ৰ অসুৰৰ চৰিত্ৰ যেন নালাগে নে বাৰু?

কিন্তু সেয়া কাহিনীহে। অসমৰ সভ্যতা সংস্কৃতিৰ ওচৰত বিজেতাই যে পৰাজয় স্বীকাৰ কৰিছিল, অসমীয়া মানুহৰ মানত তাৰ মূল্য এটা কিম্বদন্তীৰ সমানো নহয়। আজিকালি অসমীয়া ডেকা ল'ৰাৰ ওচৰত উলিয়াবচোন তেওঁলোকে ওৱালপোলৰ দৰে গহীন হৈ কব: All history is a lie বুলি। কেতিয়াও বিশ্বাস নকৰে।

এইয়া পল্টন বজাৰ, গুৱাহাটীৰ বোধকৰোঁ আটাইতকৈ পুৰণি বজাৰ। গুৱাহাটীৰ পূৰ্বাংশ যিদৰে কুকুৰমুতা, সেইদৰে দক্ষিণাংশ আছিল চলাবিল। এই বিলত পানী বন্ধ হৈ থকা নাছিল, চলি আছিল, সেইগুণেই চলাবিল। এই চলাবিলৰ পাৰতে দক্ষিণে জলু নৈ পৰ্য্যন্ত আছিল প্ৰকাণ্ড এখন উলুৱনি। তাতে এতিয়াৰ উলুবাৰী।

ইটোপাৰে আছিল ইংৰাজৰ গোৰা-পল্টনবিলাকৰ বেৰেক। ওচৰতে বজাৰ। পল্টনৰ বেৰেকৰ কাষৰ বজাৰ গুণেই পল্টন বজাৰ। এইখিনিৰ যিকোনো এঠাইত চকু দুটা মুদি মাটিত কাণপাতি শুনকচোন, গোৰা-পল্টনে গোৱা 'লং লীভ দ্য কিং' সঙ্গীত সমলয়ৰ মূৰ্হনা দুই-এটা হঠাৎ কাণত পৰি যোৱাটো একো আচৰিত কথা নহয়।

সৌৱা সম্মুখৰ পিনে কুলীডিপো। তাৰ কাষৰ সৌ ঠেক ৰাস্তাটোতে ১৯৪১ চনৰ ছয় ডিচেম্বৰত এটা অবিস্মৰণীয় ঘটনা ঘটিছিল। গুৱাহাটীস্থ কমিচনাৰ হামক্রে চাহাবৰ হুকুমত আমাৰ ক'লা চিপাহীয়ে অসমৰ কেইশমান নিৰপৰাধ ল'ৰা-ছোৱালীক গোহালিৰ জপনা বান্ধি লৈ গৰু কোবোৱাদি কোবাই কোবাই ঘুণীয়া কৰিছিল। ঘটনাটোত সেইদিনা বৃটিছসকলে আৰু তেওঁলোকৰ পদলেহন কৰা বিভীষণসকলে বৰ বেছি গুৰুত্ব আৰোপ কৰা নাছিল। কিন্তু তাৰ পৰবৰ্তী বছৰবোৰত যি ঘটিল তাৰপৰাহে বৃটিছ চৰকাৰৰ জ্ঞানচক্ষু মেল খালে।

মনটো হঠাৎ বেয়া লাগি গৈছিল। ১৯৪১ চনৰ স্মৃতি ৰোমন্থন কৰি নহয়। এনেয়ে। এতিয়া যে গুৱাহাটী এৰি যাম কেইটামান বছৰৰ কাৰণে সেই কথাষাৰে মাজে মাজে মন মোৰ বিষন্ন কৰি তুলিছিল।

গুৱাহাটী এসময়ত আছিল প্ৰাগ্‌জ্যোতিষপুৰ। ইয়াৰ আলিবাটৰ প্ৰতিটো শিলে, পাহাৰৰ প্ৰতিটো খলপে হেনো ইতিহাস কয়। কিন্তু সেইবাবেই গুৱাহাটীক ভাল পোৱাৰ কোনো কাৰণ থাকিব নোৱাৰে। তেনে কত ঐতিহাসিক স্থান আছে ভাৰতত'। ক'তো কাকোচোন গুৱাহাটীৰ দৰে ভাল নালাগে!

গুৱাহাটীত বৰ্তমান সেই পুৰণি ঐতিহ্যৰতো একোটোৱে নাই। একালত গুৱাহাটীৰ প্ৰতিটো প্ৰত্যুষ মুখৰিত হৈ উঠিছিল ৰাজগৃহৰ মঙ্গল-বাদ্যেৰে আৰু বনবীয়া বিবিধ চৰাইৰ সুৱদি গীতেৰে। প্ৰতিটো

সন্ধ্যা মুখৰিত হৈ পৰিছিল মন্দিৰৰ শঙ্খ-ঘন্টাৰ শব্দেৰে আৰু জাক জাক শালিকা-বগলীৰ বিচিত্ৰ কোলাহলেৰে।

এতিয়া গুৱাহাটীত দোকমোকালিতে আপুনি চঁক্ খাই সাৰ পাব অদূৰৰ কোৱেৰিৰ ডিনামাইটৰ কাণ তাল-মৰা শব্দত। আৰু সন্ধ্যা? গুৱাহাটীততো আজিকালি সন্ধ্যা নহয়। আগেয়ে মন্দিৰৰ শঙ্খ-ঘণ্টা বাজি বাজি এসময়ত নিস্তব্ধ হৈ পৰিছিল আৰু শালিকা-বগলীবোৰ চিঞৰি চিঞৰি ক্লান্ত হৈ এসময়ত নিজুম হৈ শুই পৰিছিল। আৰু তেতিয়াই সন্ধ্যা পাৰ হৈ ৰাতি নামি আহিছিল।

আজিকালিও সন্ধ্যা আহে। কিন্তু ইমান সংগোপনে আহি যায় যে মানুহে তাৰ গমকে নাপায়।

একালত গুৱাহাটীৰ আটাইতকৈ উপভোগ্য আছিল পানবজাৰৰ সন্ধিয়াবোৰ। তাৰ উপভোগত অংশগ্ৰহণ কৰিছিল চাহ-দোকানৰ লগুৱাটোৰপৰা কলেজৰ অধ্যাপকলৈকে। সেই সম্বন্ধে কত মুখৰোচক গল্প আজিও মানুহৰ মুখে মুখে। এবাৰ হেনো কটন কলেজ প্ৰাঙ্গনত থকা বেড্‌মিন্টন খেলা চোতালত এফালে খেলিছিল তাহানিৰ অধ্যাপক হৰ্ষ সেন আৰু ভুৱন সেনে। বিপক্ষে খেলিছিল অধ্যাপক ৰয় আৰু কোনোবা এজনে। চাৰিওপিনে ঘেৰি খেল উপভোগ কৰিছিল পানবজাৰৰ জনতাই। হৰ্ষ সেনৰ পক্ষই জিকি আছিল। অধ্যাপক ৰয়ে ৰগৰ কৰিবৰ মনেৰে কৈছিল Sens are leading বুলি। ভুৱন সেনে তেখেতৰ সহজ গাম্ভীৰ্য্যেৰে হেনো টপৰাই উত্তৰ দিছিল—Non Sens are following বুলি। জনতাৰ হাঁহিত পানবজাৰৰ সেই সন্ধিয়াটোও আনদিনাৰ দৰেই মুখৰ হৈ পৰিছিল।

আজি হাঁহি-তামাচাৰ সময় নাই। গুৱাহাটীৰ বাটে-পথে, হাটে-বজাৰে দেখিব মাথোন আত্মকেন্দ্ৰী মানুহৰ দল। নিজত বাদে কাৰো কাৰণে চিন্তা কৰিবৰ আহৰি নাই এইসকলৰ। দোকমোকালিতে ডিনামাইটৰ শব্দত চঁক্ খাই সাৰ পায়, কিবা

থাকিলে নাকে-মুখে গুজি নহলে লঘোনীয়া পেটেৰেই আলিবাটলৈ ওলায় আৰু বিভিন্ন কৰ্মক্ষেত্ৰলৈ খোজ লয়। ঘূৰি আহি ঘৰ পাওঁতে হয় ৰাতি। সমস্ত দিনৰ ক্লান্তিয়ে সিহঁতৰ ৰাতিবোৰ চমু কৰি তোলে। Can't see to can't see ব্যস্ত এইবোৰ মানুহ। আলস্য ভৰল সন্ধ্যাই ভুমুকি মৰাৰ অৱকাশ সিহঁতৰ জীৱনত নাই। সিহঁতেই গুৱাহাটীৰ বিশাল জনতা। সেইবোৰেই গুৱাহাটীৰ আলিবাটত কোনোবাই গেৰেজ সাজিলে, গাৰ্বেজ কৰিলে নাইবা পাৰ্কত ধোবাই কাপোৰ মেলিলে আৰু নেপালী, দেছোৱালী চাকিদাৰে গোহালি সাজিলে কাৰোবাৰ কিবা কৰিবলগীয়া আছে বুলি নাভাবে। চহৰৰ মাজ-মজিয়াত থকা পুখুৰীবোৰ ইয়াত চহৰৰ শোভাবৰ্ধনৰ বাবে নহয়, মীন ক্ষেত্ৰৰ বাবেহে ব্যৱহৃত হয়। উপকণ্ঠত থকা জলাশয়ত আকৌ অকুণ্ঠভাৱে পানী-মেটেকাক পোহাৰ মেলিবলৈ এৰি দিয়া হয়। এইবোৰ ভাবিবৰো কাৰো সময় নাই।

গুৱাহাটী এনে এখন চহৰ য'ত মোগল সম্ৰাটৰ দৰে বিলাসী মানুহৰ লোলুপ দৃষ্টি পৰিছিল। ই এনে এখন চহৰ যাক ভাৰতৰ ভিতৰতে নয়নাভিৰাম কৰি গঢ়ি তোলাৰ সুবিধা আছে। আৰু এতিয়া ই এনে এখন চহৰ য'ত সোমালে নতুন মানুহে শ্বাসৰুদ্ধ হোৱা যেন অনুভৱ কৰে।

তথাপি গুৱাহাটীক এবাৰ ভাল পাই পেলালে আৰু পাহৰিব নোৱাৰি। কিছুমান ছোৱালী আছে নহয়। তাইৰ চকু, কাণ, নাক একোৱেই গঢ়ৰ নহয়। তথাপি কিবা এটাৰ কাৰণে তাইক ভাল লাগি যায়। ঠিক তেনে ধৰণৰ অবিশ্লেষণীয় কিবা এটা আছে গুৱাহাটীত যিটোৰ কাৰণে গুৱাহাটীক ভাল লাগি যায়।

ইয়াৰ নামটোতো কিবা এক মাদকতা নথকা নহয়। কামৰূপৰ স্বভাৱ-কবি মলো কাকতিয়ে ঊনৈশ শতিকাৰ মাজ-ভাগতেই লিখিছিল—

"পশ্চিমে নীলাচল কামাখ্যা প্ৰধান।
উত্তৰ পাৰে অশ্বক্লান্ত কূৰ্ম জনাৰ্দন ॥
ইংৰাজ ৰাজাৰ দিনে ই পুৰীৰ নাম।
গুৱাহাটী বুলি যাক কৰিলা ব্যাখ্যান ॥"

কিন্তু ইংৰাজ অহাৰো আগতে আনকি মোগলসকলেও এই-ডোখৰ ঠাইৰ নাম গুৱাহাটী বুলি কৈছিল। খৃষ্টীয় পোন্ধৰ শতিকাৰ-পৰা গুৱাহাটী নামটো আমি বুৰঞ্জীত পাওঁহক। কোনোবাই হয়তো কব নামটোনো কেলেই! গুৱাহাটীক যি নামেৰেই নোকোৱা, সি গুৱাহাটীয়েই। দৰাচলতে কিন্তু নামটোহে আচল। কনফুচিয়াচে কৈছিল নহয়, নামটোহে আচল; এটা বস্তু নাইবা এজন মানুহৰ নামটোহে প্ৰকৃত পৰিচয়। মইও মানো কথাষাৰ। অসমৰ ৰাজনৈতিক ইতিহাসত ১৫৬৪ খৃষ্টাব্দত এগৰাকী পুৰুষৰ নাম পাব। ৰাজপুৰুষ আৰু নাম-কৰা জুৱাৰী। তেওঁৰ নাম আছিল আপচু গোহাঁই। পিছে দেখিবলৈ তেওঁ আছিল বৰ শুৱনি। ভাটিৰ ফালে মানুহে তেওঁক সোন্দৰ গোহাঁই বুলিছিল। এই আপচু গোহাঁই নামটোৱে পিছে তেতিয়াৰ সমাজ, তেওঁলোকৰ ঘৰ—বহুতবে বহুত কথা নকয় জানো? তেওঁ নিশ্চয় বাপেক-মাকৰ একমাত্ৰ সন্তান। চব মৰি মৰি সন্তানৰ ভিতৰত মাত্ৰ তেৱেঁই বাচি থাকিল।

গতিকে গুৱাহাটী নামটোৰো তেনে কিবা নহয় কিবা এটা ৰহস্য আছে। খুব সম্ভৱ গুবাক, গুৱা (তামোল) এই শব্দৰপৰা গুৱাহাটী নাম হৈছে। অসমৰ ভিতৰত আটাইতকৈ বেছি তামোল-পাণ হৈছিল গুৱাহাটী মহকুমাত। গুৱাহাটী আছিল অতি পুৰণি কালৰপৰাই আঞ্চলিক ব্যৱসায়-কেন্দ্ৰ। কাজেই তামোলৰ ব্যৱসায় বেছি আছিল গুণেই ইয়াৰ নাম গুৱাহাটী হোৱাটো একো অস্বাভাৱিক কথা নহয়।

আমি অৱশ্যে এটা কথা জানো, গুৱাহাটীৰ উত্থান-পতনৰ ইতিহাস ইমান তীব্ৰগতিত পৰিবৰ্তন হৈ আহিছে যে, সন্দেহ হয়,

পৃথিৱীৰ ক'ৰবাত জেনে পৰিবৰ্তনশীল আন এখন চহৰ আছে নে নাই।

এসময়ত এয়ে আছিল প্ৰগ্‌জ্যোতিষপুৰ। কামৰূপৰ বুৰঞ্জী-বিদিত আদি ৰজা মহীৰঙ্গ কিৰাটৰ ৰাজ্য। প্ৰা মানে সাগৰ, গজো মানে ওখ, বিজ্‌ মানে তেজ বা বংশ আৰু পুৰ (ফুৰ) মানে স্থান। এই অঞ্চলৰ প্ৰাচীনতম ডিবছা (ডিমাছা) ভাষাৰ শব্দ হ'ল এইবোৰ। বিদেশী ঐতিহাসিকে ডুহেজাৰ বছৰ আগতে লেখা বুৰঞ্জীমতে ইয়াত আছিল ডিবছা লোকসকল। পাণিনি-পতঞ্জলিয়ে ভাৰতীয় ভাষাতত্ত্ব গৱেষণা কৰোঁতে এই অঞ্চলৰ ভাষাক দিছিল পৈশাচী আখ্যা। এই ভাষাৰ ডুই-চাৰিটা নমুনাও তেওঁলোকে দাঙি ধৰিছিলি। সেইবোৰেও প্ৰমাণ কৰে যে, সেই কালত ইয়াত ডিবছা ভাষাই চলিছিল।

প্ৰা মানে যে সাগৰ পুৰণি পুথিত উল্লেখ থকা সুহ্‌ম আৰু প্ৰা সুহম জাতিৰ পাৰ্থক্য কিহত তাক অনুধাৱণ কৰিলেই বুজিব পাৰিব।

ৰামায়ণত ইয়াৰ নাম আছিল বৰাহ বৰুণালয়। বৰাহ পৰ্বত কালক্ৰমত হ'ল বৰাহ হিল, বৰাইল, আৰু বৰুণালয় হ'ল সমুদ্ৰ সঙ্কাল ব্ৰহ্মপুত্ৰ। এই বৰাহ পৰ্বত বিস্তৃত আছিল ব্ৰহ্মপুত্ৰ তীৰস্থিত ব্ৰহ্মপৰ্বত পৰ্য্যন্ত। যিটো নাম বৰাহ পৰ্বতৰ আৰ্যীকৃত ৰূপ মাত্ৰ। যাৰ সাম্প্ৰতিক নাম হ'ল নীলাচল। য'ত ভৈৰৱী মন্দিৰ বিদ্যমান।

খ্ৰীষ্টপূৰ্ব কেতিয়াৰপৰা নাজানো, কিন্তু অথৰ্ব বেদৰ ৰচনা কালৰ পিছত ইয়াতে ৰাজত্ব কৰিছিল আৰ্যেতৰ নৰকে। কথিত আছে কিৰাত বিজয় কৰি বিষ্ণুৰপৰা পুৰস্কাৰ স্বৰূপে এই ৰাজ্য লাভ কৰিছিল তেওঁ। মহাভাৰতৰ মতে ম্লেছ বিজয় কৰিছিল ৰজা ভগদত্তইহে। নৰকে নহয়। দৰাচলতে নৰক আছিল প্ৰত্যন্ত দেশৰ আগুৰী ভাষাভাষী বেদ বহিৰ্গত অজ্ঞাত কুলৰ লোক। তেওঁ নৰক নাছিল, আছিল নৰকাসুৰ। প্ৰাচ্যৰ কিৰাট সংস্কৃতিৰ প্ৰতিভু।

মহাভাৰত ৰামায়ণত কিৰাটৰ কথা বিভিন্ন স্থানত উল্লেখ আছে। অৱশ্যে ৰামায়ণত কিৰাটৰ কথা—

কিৰাটশ্চ তীক্ষ্ণ চূড়াশ্চ হেমাভা প্ৰিয়দৰ্শনাঃ
অন্তৰ জলচৰা, ঘোৰাঃ নৰব্যাঘ্ৰা ইতিশ্ৰুতাঃ

এইবুলি শুনিছিল হে, মহাভাৰতত কুৰুক্ষেত্ৰৰ যুদ্ধত কিন্তু কিৰাট ৰাজ্য ভগদত্তৰ সেনানীও ভাৰতীয় আৰ্য্যসকলে দেখিলেই। ভগদত্তৰ নিজৰে চকু আছিল সৰু সৰু মুদ খোৱা ধৰণৰ।

তাৰ পিছত আহিল ম্লেচ্ছৰাজ শালস্তম্ভ। আৰু এক মঙ্গোলীয় জনগোষ্ঠীৰ প্ৰতিভূ।

ইতিহাসৰ পুনৰাবৃত্তি হ'ল, আহিল পুনৰ ভৌম নৃপতি নৰকৰ বংশধৰ বৰ্মাসকল। পুষ্যবৰ্মা, মহাভূতি বৰ্মা, ভাস্কৰ বৰ্মা, হৰ্জ্জৰ বৰ্মা, বল বৰ্মা আদি ৰজাসকল। ৰজা ভাস্কৰে নিজৰ বংশ পৰম্পৰাৰ ঐতিহ্যৰ প্ৰতি অৱহেলা দেখুৱাই বৰুণৰ ছাতি উপহাৰ দিলে হৰ্ষবৰ্ধনক, কিন্তু বল বৰ্মাই সেই ঐতিহ্যৰ ধাৰা ঘূৰাই আনিলে ৰজা নৰকৰ প্ৰশস্তি-গাঁথা প্ৰচাৰ কৰি।

এয়ে প্ৰাগ্‌জ্যোতিষপুৰ। কামৰূপ। অমৰ সিংহৰ মতে শিষ্টাচাৰ ৰ'হুতঃ কামৰূপ বঙ্গাদি ম্লেচ্ছঃ উক্তঞ্চ চাতুৰ্বন্যব্যংস্থানং যস্মিন দেশে ন বিদ্যতে……। বৰ্ণহীন সমাজৰ সোৱাদ লবলৈকেই নিশ্চয় এই দেশলৈ আহি বিখ্যাত চীনা পৰিব্ৰাজক হিউয়েন চাং বিমুগ্ধ হৈ পৰিছিল।

পঞ্চদশ শতিকাৰপৰা হয় কোচ নহয় মোগলৰ অধিকাৰত আছিল গুৱাহাটী। সপ্তদশ শতিকাৰ শেষাৰ্ধৰপৰাহে গুৱাহাটী নিগাজিকৈ আহোমৰ হাতলৈ আহে। কোচৰ উল্লেখ কৰোঁতে এক মহান ঐতিহ্যময় জাতিৰ কথা মনত পৰিলে। সেয়া হ'ল কোচ ৰাজবংশীৰ জাতি। কোচসকল প্লিনিৰ মতে নেপালৰ পাদদেশত এক বিশাল ভূখণ্ড জুৰি বাস কৰিছিল। আৰু পূৰ্ব-ভাৰতৰ বিভিন্ন স্থানত ৰাজ্য প্ৰতিষ্ঠা কৰি কালক্ৰমত কামৰূপত স্থায়ী ৰাজ্য প্ৰতিষ্ঠা কৰে আৰু তেতিয়াৰপৰা কোচসকলে ৰাজবংশী নাম লয়। অসমৰ সভ্যতা-সংস্কৃতিত ৰাজবংশীসকলৰ অৱদান অতুলনীয়। বৈষ্ণৱ গুৰু শঙ্কৰে

অসমভূমিৰ ক'তো আশ্ৰয় নাপাই আশ্ৰয় বিচাৰি আহিছিল এই ৰাজবংশী ৰজা মহা প্ৰতাপী ধৰ্মপৰায়ণ নৰনাৰায়ণৰ তালৈ। শঙ্কৰক নৰনাৰায়ণে কেৱল আশ্ৰয়েই দিয়া নাছিল, আসৈও দিছিল। যাৰ ফলত অসমীয়া ভাষা-সংস্কৃতিয়ে সৰ্বভাৰতীয় স্বীকৃতি পোৱাৰ যোগ্যতা লাভ কৰিছিল। এই কোচ ৰাজবংশীসকলেই পানীৰ মাজত এখন ৰাজ্যৰ প্ৰতিষ্ঠা কৰিছিলি যাৰ নাম আছিল হাজো অৰ্থাৎ ওখ মাটি। প্ৰাগ্‌জ্যোতিষপুৰৰ অনতিদূৰত সেয়া এক মহান তীৰ্থস্থান।

প্ৰাগজ্যোতিষপুৰ দৰাচলতে কামৰূপ বোলা অঞ্চলটোৰ হে ৰাজধানী আছিল। অসমৰ অন্য প্ৰদেশৰ নাছিল। খৃষ্টীয় সপ্তম শতিকালৈকে প্ৰসিদ্ধি লাভ কৰা ডবাক কন্দলি ৰাজ্যবোৰ কামৰূপৰ পূবলৈ অৰ্থাৎ নগাঁৱৰ ভিতৰত আছিল বুলি বহু পণ্ডিতে অনুমান কৰে। আহোম যুগত প্ৰাধান্য লাভ কৰা ৰংপুৰ-গড়গাওঁ সৌ সিদিনাৰ শিশু মাত্ৰ। প্ৰাগ্‌জ্যোতিষপুৰৰ যেতিয়া পৰম্ভ অৱস্থা, আনকি তেতিয়াও ৰংপুৰ-গড়গাওঁ ভৱিষ্যতৰ ভ্ৰূণস্থিতও নাছিল।

তথাপি প্ৰাগ্‌জ্যোতিষপুৰ সুদীৰ্ঘ চাৰি-শ বছৰৰ কাৰণে শাসিত হৈ থাকিবলগীয়াত পৰিছিল। এই চাৰি শ বছৰৰে কোনো এক শুভমুহূৰ্তত তাৰ নাম হৈ পৰিছিল গুৱাহাটী। এই নাম যতদূৰ সম্ভৱ মোগলে দিয়া নাম। নাম যিয়েই নিৰ্দিষক, ইয়াৰ বাসিন্দা-সকলৰ ঢেকেৰী নাম নাইবা বদ্‌নামটো হলে মোগলেই দিয়া। কামৰূপ তন্ত্ৰ-মন্ত্ৰৰ দেশ। গোৱালপাৰা-কামৰূপৰ যাদুমন্ত্ৰক মোগল-সকলেও ভয় কৰি চলিছিল। বাহাবিস্তান ই ঘায়বীত তেনে যাদু-মন্ত্ৰৰ অলেখ সাধু আছে। মোগলসকলে এনে যাদুকৰসকলক কৈছিল ঢিকিৰ বুলি। তাৰপৰাই ঢেকেৰী শব্দৰ উৎপত্তি। ঘৃণা বা অৱজ্ঞাসূচক অপপ্ৰয়োগ হ'ল বদনচন্দ্ৰ বৰফুকনৰ দিনৰপৰাহে। উজনিৰ প্ৰজা আছিল 'প্ৰিভিলেজ্‌ড ক্লাছৰ'। আৰু নামনিৰ প্ৰজা আছিল ঢেকেৰী, আন্‌প্ৰিভিলেজ্‌ড্‌। উজনিয়ে আজিও ঢেকেৰী শব্দৰ অপপ্ৰয়োগ পাহৰা নাই।

এই অৱহেলিত আৰু অবিশ্বাসযোগ্য ঢেকেৰীবিলাকক শাসনৰ সোৱাদ দিবলৈ গুৱাহাটীত উজনিৰ স্বৰ্গদেৱতাসকলে উপ-ৰাজধানী পাতি লৈছিল। উপ-ৰাজধানী হলেও এই গুৱাহাটীক কেন্দ্ৰ কৰিয়েই প্ৰসাৰ লাভ কৰিছিল আহোম যুগৰ অসমৰ শৌৰ্য্যবীৰ্য্য-পৰাক্ৰম সকলো। এই গুৱাহাটীক কেন্দ্ৰ কৰিয়েই গঢ় লৈছিল আজিৰ অসম প্ৰদেশে। এইখন প্ৰদেশ গঢ়াত আহোমসকলৰ কৃতিত্ব যিমান, গুৱাহাটীৰো সিমানেই। আজি গুৱাহাটী অসমৰ ৰাজধানী নহয়, কিন্তু বিবেক। গুৱাহাটী যেন অসমৰ চিনচিনেটাচ। জটিলতম সমস্যাৰ সমাধান বিচাৰি অসমীয়া মানুহে চায় এই বুঢ়া শোটোৰা পৰা গুৱাহাটীৰ মুখখনলৈ।

কিন্তু আপুনি আচৰিত হব উজনিৰ অসমীয়া শাসকগোষ্ঠীয়ে গুৱাহাটীৰ মানুহক যিদৰে অৱজ্ঞা কৰিছিল আনকি বিজেতা মোগলেও তেনে অৱজ্ঞা কৰা নাছিল। আৰু এনে অৱজ্ঞাৰ ফলতে কামৰূপত ঘটিছিল প্ৰচণ্ড বিদ্ৰোহ। আজিৰ দৰে সেই কালতো বিহুৱে-পাৰ্বনে চহৰত ৰজা, ডা-ডাঙৰীয়াৰ মন যোগাবলৈ উৎসৱ পতা হৈছিল। আৰু নামনি অসমৰ ৰাজ-প্ৰতিনিধি স্বৰূপে বৰফুকন ডাঙৰীয়াই গুৱাহাটীৰ এনে উৎসৱত মুখ্য অতিথিস্বৰূপে যোগদান কৰিছিল। তাত উজনি-নামনিৰ বহা-মেলা ব্যৱস্থাও আছুতীয়া আছিল। উজনিৰ ডা-ডাঙৰীয়াৰ পৰিয়াল-পৰিজন বহিছিল আৰৌবানৰ আঁৰত সুৰক্ষিত আসনত। নামনিৰ জনতাৰ মাজত শ্ৰেণী বৈষম্য নকৰি চৌধুৰী, বৰুৱা, ভদৰাম আটাইৰে বহা-মেলাৰ ব্যৱস্থা কৰা হৈছিল বেলিৰ তলত, অৰ্থাৎ মুক্ত প্ৰাঙ্গনত।

সেই সময়ত গুৱাহাটীত বৰফুকন আছিল বৰ্ণ-বৈষম্যৰ ডাইহাৰ্ড বদনচন্দ্ৰ। এনে এটা উৎসৱতে তেওঁৰ পুত্ৰই ভাং খুৱাই বলিয়া কৰি হাতী মেলি দিলে নামনিৰ তৃতীয় শ্ৰেণীৰ ঢেকেৰীবোৰৰ ওপৰত। মানুহ দুই-চাৰিটা মৰাটো একো ডাঙৰ কথা নাছিল। কিন্তু সেই-দিনা খুব ডাঙৰ বস্তু এটাৰ মৃত্যু হৈছিল। সেয়া হ'ল বিশ্বাসৰ মৃত্যু।

শাসকৰ ওপৰত শালিভৰ বিশ্বাস। তাৰ ফলস্বৰূপে হচঙৰ হৰদত্ত চৌধুৰীৰ নেতৃত্বত কামৰূপৰ প্ৰজাসকলে বিদ্ৰোহ কৰিছিল।

গুৱাহাটীৰপৰা পোনে পোনে মাত্ৰ কুৰি মাইল দূৰত এই বুৰঞ্জী-প্ৰসিদ্ধ হচঙ্ গাওঁ। হৰদত্ত, বীৰদত্ত তেওঁৰ ভায়েক, দুয়ো আৰু কামৰূপ অগণন প্ৰজাই এই বিদ্ৰোহত প্ৰাণ দিলে। আৰু অসমৰ ভৱিষ্যতৰ কাৰণে এক মহান উপকাৰ সাধিলে। নামনি-উজনিৰ বৈষম্যৰ প্ৰতি সজাগ হলে কি বিষময় ফল হব পাৰে তাৰে নজিৰ এটা ৰাখি থৈ গ'ল চিৰকালৰ কাৰণে।

তাৰেপৰাই গুৱাহাটীৰ আন এটা উপকাৰো হ'ল। গুৱাহাটীৰ অস্তিত্ব প্ৰতিপন্ন হ'ল অসমৰ প্ৰাণকেন্দ্ৰস্বৰূপে।

ইয়াৰ পশ্চিমে পোন্ধৰ মাইল নিলগত হাজো। এনে এক পবিত্ৰ তীৰ্থভূমি পৃথিৱীৰ আন ক'ৰবাত আছে যদিও নাজানো। বৌদ্ধ, ইচলাম আৰু হিন্দুধৰ্মৰ উমৈহতীয়া তীৰ্থস্থান। কামৰূপত অৱশ্যে এয়া নতুন কথা একো নহয়। কত বিচিত্ৰ ধৰ্ম, কত বিভিন্ন বিশ্বাসৰ জনস্ৰোত প্ৰাগৈতিহাসিক যুগৰপৰাই এই কামৰূপলৈ আহিছিল আৰু এক সুসংহত জনজীৱনত জাহ গৈছিল। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে গুৱাহাটীৰপৰা সোতৰ কি ওঠৰ মাইল দূৰত আছে পাতগাওঁ বৰ মোকাম। কোন অচিন দেশৰপৰা বহু বছৰৰ আগতে তালৈ আহিছিল এজন মুছলমান ধৰ্মপৰায়ণ মহান ব্যক্তি। তেওঁ কিন্তু বিয়া কৰালে হিন্দু ভোলাগঞা ৰজাৰ জীয়ৰী পাতেলীক। পাতগাওঁ বৰ মোকামত তেওঁলোক দুয়োৰে মাজাৰ ওচৰা-উচৰিকৈ ৰক্ষিত আছে। সেয়া হিন্দু-মুছলমানৰ উভয়ৰে পবিত্ৰ স্থান।

গুৱাহাটীৰ পশ্চিমে সাত মাইল নিলগত আছে ব্ৰহ্মপুত্ৰৰ ওপৰেদি শৰাইঘাট দলং। ইয়াৰ দৈৰ্ঘ্য প্ৰায় এমাইল আৰু ইয়াক সাজোঁতে পৰিছিল দহ কোটি টকা। ইয়াৰে অকণ উজনিলৈ খৃষ্টীয় সোতৰ শতিকাৰ ষষ্ঠ দশকত শৰাইঘাটৰ ৰণ হৈছিল, যি ৰণত অসমীয়া বীৰৰ পৰাক্ৰমৰ আগত প্ৰবল প্ৰতাপী মোগল সেনানীৰ অসম

বিজয়ৰ আশা ধূলিসাৎ হৈ গৈছিল। দলঙৰ যিকোনো এঠাইত থিয় হৈ পশ্চিম ফালে চালে দেখিব আগীয়াঠুঁটিৰ গড়ৰ চবাইৰ ঠোঁটৰ দৰে নদীৰ বুকুলৈ আগবাঢ়ি অহা অংশটো। সেই গড়ৰ গাতে লাগি থকা পাহাৰৰ টিংটো চিলা টিং। কামৰূপৰ উত্তৰ পাৰৰ আটাইতকৈ ওখ টিং। তাৰ পাদদেশৰপৰাই আৰম্ভ হৈছে ঐতিহাসিক মোমাইকটা গড়। য'ৰ একাংশ এতিয়া অসম চৰকাৰৰ গড়কাপ্তানি আলি। ভাৰতৰ চক্ৰবৰ্তী ৰজা ঔৰংজেবৰ বিশাল বাহিনীৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ এই গড় বান্ধিছিল অসমীয়া মানুহে একে ৰাতিৰ ভিতৰতে। কৰ্তব্যপৰায়ণ লাচিত বৰফুকনে এই গড়তে বন্ধুৱাক Round the clock কাম নকৰাই জিবাবলৈ আহৰি দিয়াৰ অপৰাধত মোমায়েকক হত্যা কৰিছিল। দেশৰ নিৰাপত্তাৰ প্ৰশ্ন য'ত জড়িত ত'ত ব্যক্তিগত প্ৰশ্নৰ ঠাই নাই।

তাৰ ওচৰতে এয়া শৰাইঘাট। য'ত অসমীয়া বীৰৰ বীৰত্বত ৰাজপুত বীৰ ৰামসিংহয়ো প্ৰমাদ গণিছিল। সেই বীৰত্ব, সেই কৰ্তব-I পৰায়ণতাকে সুঁৱৰি হয়তো অসমীয়া মানুহে এই দলঙৰ নাম ৰাখিলে শৰাইঘাট দলং। কিন্তু ভাবিলে কেনেবা লাগে—যিখন দলঙত শই শই মানুহে মাহৰ পিছত মাহ ধৰি অক্লান্ত শ্ৰম কৰিছিল, সেই দলঙত অসমীয়া মানুহে এটা চপৰাও দিয়া নাই। এটা শিলগুটিও পেলোৱা নাই। সেইবাবে শৰাইঘাট নামটো যেন আচহুৱা আচহুৱা লাগে।

মোৰ এগৰাকী বন্ধুৱে পিছে কৈছিল—শৰাইঘাট নামটোৱেই যথাৰ্থ নাম। ঠিক এইপিনেদিয়ে আমি কান্ধত গামোচা আৰু হাতত শৰাই লৈ হেজাৰ-বিজাৰ বহিৰাগতক আমন্ত্ৰণ কৰি আনিছিলোঁ, আনিছোঁ আৰু আনি থাকিম। আমাৰ ইয়ালৈ কোনোবা আহিছিল বুদ্ধৰ সন্ধানত আৰু কোনোবা আহিছে হয়তো বুদ্ধৰ সন্ধানত। তফাৎ মাত্ৰ এয়ে।

থুলমূলভাৱে এয়ে গুৱাহাটীৰ পৰিচয়। বিচিত্ৰ বুৰঞ্জী তাৰ। আৰু আপোনাকো কওঁ, এবাৰ যদি গুৱাহাটীত এমাহ থাকিল, এৰি

যাবৰ সময়ত আপোনাৰ মনটোও অলপ নহয় অলপ বিষণ্ণ হৈ পৰিব। মোৰ মনটোও সঁচাকৈ বেয়া লাগিছিল।

কশ্চিৎ কশ্চিৎ ব্যভিচাৰী,
ছাগলীৰ মুখে যথা দাড়ি।

এইযাৰ পুথিৰ নহয়, হুচং গাঁৱৰ স্বনামধন্য কান্দাৰাম গাওঁবুঢ়াৰ শ্ৰীমুখ নিঃসৃত বাণী।

নাৰীৰ সৃষ্টিত স্ৰষ্টাৰ আকিঞ্চন আয়োজন। অদ্ভুত কৃপণতা। স্ৰষ্টাই ময়ূৰীক নিদিলে চকোৰ লগা ধুনীয়া পাখি, ভীমৰাজৰো মাইকীজনীয়ে নেপালে আওঠি লগা ফান, কুকুৰাজনীয়ে নাপালে অৰুণ ৰঙীণ কিৰীটি ; মৃগীয়ে নেপালে মৃগনাভিৰ মহাৰ্ঘ সম্পদ আৰু সিংহীয়ে নেপালে সিংহৰ সোণালী কেশৰ।

পিছে ঈশ্বৰৰ সৃষ্টিতো ব্যতিক্ৰম আছে। মাইকী ছাগলীজনীৰ বেলিকা ঘটিল স্ৰষ্টাৰ চিৰাচৰিত ৰীতিৰ ব্যতিক্ৰম। তাইৰ মুখত ভগৱানে দিলে ধুনীয়া একোছা ডাড়ি।

পৰিবহন সময়-নিৰ্ঘণ্টৰো ব্যতিক্ৰম ঘটিল সেইদিনা। গাড়ী এৰিলে কাটাই কাটাই মিলা সময়ত। আনকি এক মুহূৰ্তৰ আগতে পৰিবহন আড্ডাৰ প'টাৰজনে পঁচিশ পইচাৰ বিনিময়ত মৰা বিনয় বিগলিত হাঁহিটো মাৰ যোৱাৰ আগতেই আমাৰ বাছৰ অশোকা লিলেণ্ড ইঞ্জিনটোৱে গৰ্জি উঠিল। কতজনৰ হা-হুমুনিয়া, কতজনৰ কত অভিযোগ-অনুৰোধৰ কোলাহল চাইলেণ্ট কৰি দিলে চাইলেঞ্চাৰ পাইপৰ ৰোষ গৰ্জনে।

এগৰাকী আদহীয়া মহিলাই চকুপানী টুকিছিল। তেওঁৰ মুখৰ ওপৰৰ খিৰিকীখনেদি স্কাৰ্ট পিন্ধা পাহাৰী ছোৱালী এজনীয়ে বোধ-কৰোঁ সান্ত্বনা দিবৰ বিফল চেষ্টা কৰি নিজেও চকুপানী টুকিছিল। এজন ডেকা ল'ৰাই আঙুলি দুটা চাৰ্চিলে কৰাৰ দৰে কৰি বিদায় দিছিল এগৰাকী বান্ধৱীক। যেন সেই বিদায় কিবা এক বিজয়ৰ পূৰ্বাভাস হে আছিল। ১নং চীটত বহা গাভৰু ছোৱালীজনীয়ে খিৰিকীৰ কাষলৈ

আহি মুখখন বাহিৰলৈ উলিয়াই দি ডেকাজনৰপৰা বিদায় লৈছিল। ইঞ্জিনৰ শব্দত দুয়ো কি কৈছিল শুনা নাছিলোঁ যদিও ওঁঠৰ কঁপনিতে বুজিছিলোঁ. দুয়ো একেলগে নিশ্চয় শ্বেলীৰ কবিতাফাকি আবৃত্তি কৰিছিল।

ডেকাজনৰ ভঙ্গীয়েই কৈছিল যে অন্তৰত আছিল তেওঁৰ এক বিজয়ৰ গৰ্ব আৰু বহুত মূল্যৱান কিবা এটা পোৱাৰ উল্লাস। আদহীয়া মানুহজনীৰ মুখত আছিল কিবা এটা হেৰুৱাৰ ব্যাকুলতা। নিষ্ঠুৰ দৈত্যকায় ইঞ্জিনে সকলোকে অৱজ্ঞা কৰি আঁতৰি আহিছিল। ১নং চীটত গাভৰুজনী শান্ত নিৰুদ্বিগ্ন হৈ বহি পৰিল। পাহাৰী ছোৱালীজনীয়ে বহু আঁতৰলৈ খিৰিকীৰে মুখ উলিয়াই পিছপিনে চাই গৈছিল।

আমি আহিব লাগিছোঁ। চিলং বোডেদি। ধুমুহাৰ গতিত। আহত পশুৰ দৰে একোকে নগণি। খৃষ্টপূৰ্ব চতুৰ্থ শতাব্দীত গ্ৰীক ঐতিহাসিক হেৰ' ডটাচে (Hero Dotus) তেওঁৰ বিখ্যাত পাৰস্য যুদ্ধৰ বুৰঞ্জী লেখাৰ সময়ত হেনো কৈছিল যে, ঘোঁৰাৰ দৰে বেগী বস্তু আৰু দ্বিতীয় এটাৰ সৃষ্টি হব নোৱাৰে। তেওঁ কিন্তু এটা সাংঘাতিক ভুল কৰিছিল। ঘোঁৰাতকৈও বেগী বস্তু তেতিয়াও আছিল। সেয়া আছিল মানুহৰ মন। ভুল হলেও তেওঁৰ উত্তৰপুৰুষসকলে হেৰ'ডটাচৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ উদ্দেশ্যেই নিশ্চয় প্ৰতিটো গতিশীল অনৈসৰ্গিক সৃষ্টিতে লগাই দিছিল অশ্বশক্তিৰ পৰিমাপ। আমাৰ জিলেগু ইঞ্জিনটোও বোধকৰোঁ তেনে ৪০ বা ৪২ কিবা এটা অশ্বশক্তিসম্পন্ন।

ভিতৰত নিৰ্দিষ্ট চীটত বহি ভালদৰে আগ-পাছ চাই লওঁ। এনেয়ে অসমীয়া মানুহ অনুপস্থিতিপ্ৰৱণ। চাকৰি-বাকৰি, সংস্থা-সমিতি, প্ৰবঞ্চনা-দুৰ্ঘটনা এই সকলোবোৰতে অসমীয়া মানুহ অনুপস্থিত। অসম চৰকাৰৰ বাজ্যিক লটাৰীৰ পুৰস্কাৰ পোৱা সৌভাগ্যৱান কেইজনৰ ভিতৰত যিদৰে অসমীয়া নগণ্য, তেনেদৰে

অসমত মাজে মাজে হৈ থকা ট্ৰেইন দুৰ্ঘটনা, মটৰ দুৰ্ঘটনা এইবোৰতো হতাহতসকলৰ মাজত অসমীয়া মানুহৰ প্ৰতিনিধিত্ব একেবাৰে দুৰ্বল। আমাৰ বাছখনত পিছে অসমীয়া মানুহ বেছি আছিল।

নাৰীৰ প্ৰতিনিধিত্ব কৰিছিল ১নং চীটৰ সেই গাভৰু ছোৱালীজনীয়ে আৰু মোৰ দুখন চীটৰ আগৰ সেই পাহাৰী ছোৱালীজনীয়ে। একেবাৰে পিছৰ চীট দখল কৰি আছিল সাতজন বিহাৰী মানুহে। নিশ্চয় অসমলৈ কাম বিচাৰি আহিছে। মোৰ পিছতে দুজন কলেজীয়া ডেকা। কথাই-বতৰাই বেপৰোৱা ভাব দেখি অনুমান কৰিছোঁ। সিফালে চীটত দুজন নলবৰীয়া আৰু এজন বৰপেটীয়া। মাত শুনি ধৰিব পাৰিছোঁ। ২নং চীটৰ পিছৰ চীটটো অধিকাৰ কৰিছে এজন চৌখীন মানুহে। পোছাক-পাতি দেখি বুজিছোঁ নিশ্চয় নতুনকৈ ব্যৱসায়ত নামিছে। এনে সময়ত চৰকাৰৰ মুৰব্বীক ইম্প্ৰেছ কৰিবলৈ ডেকা ল'ৰাই চৌখীন পোছাক-পাতি পিন্ধিবলৈ বাধ্য হয়।

মোৰ সন্মুখৰ ফালে মুৰত পচমী মাফলাৰ মাৰি এজন মৈমনসিঙীয়া মানুহ। তেওঁৰ বয়স চল্লিছৰ ওপৰ হৈছে নে নাই—এনে ধৰণৰ।

নাৰীৰ প্ৰতিভূ দৰাচলতে সেই এগৰাকীয়েই—১নং চীটত। আনগৰাকী আছিল ছোৱালী। পথে নাৰী বিবৰ্জিতা বুলি জ্ঞানী লোকৰ কথা এষাৰ আছে। আধুনিক বিজ্ঞানীৰ হাতত পৰি কথাষাৰৰ অলপ সংশোধন হৈছে। কথাষাৰৰ শেষৰ পিনে এডাল লেজু লগাই লোৱা হৈছে এই মৰ্মে—Of course considering her age.

তেওঁ ইমান ধুনীয়া নোহোৱাহেতেনো কথা নাছিল। তেওঁ কিন্তু আছিল অপৰূপ ৰূপৱতী। তম্বি শ্যামা। বয়সটো আন্দাজ কৰিব পৰা নাছিলোঁ। আৰু নাৰীৰ বয়স। এনেয়েনো হোমাৰে কৈছিল নে যে গ্ৰীচৰ নাৰীয়ে বয়সৰ হিচাপ কৰে জন্মৰপৰা

নহয়, বিবাহৰপৰাহে। নাৰীৰ বয়স জনাৰ উপায়তো নায়েই, কৌতূহল প্ৰকাশ কৰাটোও নিছক অভদ্ৰতা।

এবাৰ ফ্ৰান্সত বেছ মজাৰ ঘটনা এটা ঘটিছিল। প্যাৰী চহৰত মাইকী-মানুহে নতুনকৈ গাড়ী চলাবলৈ ললে। ৰাস্তাত সেই দৃশ্য উপভোগ কৰিবলৈ হেজাৰ-বিজাৰ মানুহে জুম বান্ধে। ফলত ৰাস্তাত শান্তিপ্ৰিয় মানুহৰ চলা-ফিৰা কৰাই দুঃসাধ্য হৈ পৰিল। ৰজাই উপায় চিন্তা কৰিলে কিদৰে মাইকী-মানুহে গাড়ী চলোৱা বন্ধ কৰিব পৰা যায়। হঠাৎ কিবা এটা কৰি পেলাবলৈকো ভয়। কিয়নো চালক মহিলাসকলৰ কোনোবা হয়তো কোনোবা বেৰনৰ, কোনোবা আকৌ কোনোবা প্ৰিন্স বা মন্ত্ৰীৰ সহধৰ্মিণী বা সম্পৰ্কীয়া। হয়তো ক'ৰবাৰ কথা গৈ ক'ৰবাত লাগি ডাঙৰ হৈ ৰাজসিংহাসনকে কঁপাই তুলিব। কিন্তু দিনে দিনে অশান্তি ইমান বাঢ়ি গৈছিল যে কিবা এটা নকৰিলেও নহয়। কাজেই ৰজাই বহুত ভাবি-চিন্তি গৃহমন্ত্ৰীক কিবা এটা ব্যৱস্থা লবলৈ কলে। গৃহমন্ত্ৰীয়ে মাত্ৰ এখন চাকুলাৰ দিলে: Women under thirty years of age are prohibited to drive in public place. পিছদিনাৰপৰাই প্যাৰী চহৰৰ ৰাস্তাত এগৰাকী মহিলাকো গাড়ী চলোৱা দেখিবলৈ পোৱা নগ'ল। বয়স সম্পৰ্কে মহিলা ইমানেই স্পৰ্শপ্ৰৱণ। (Everyone desires to live long, but no one would be old.)

আমাৰ সহযাত্ৰীৰ পিছে জীৱনটো এতিয়াও সহজে লব পৰাতে আছে যেন লাগিল। পিছৰ চীটত বহা চৌখীন ডেকাজন এসময়ত মোৰ সহপাঠী আছিল। কিবা কথাত তেওঁক ভিতৰি ভিতৰি চঞ্চল হৈ পৰা যেন লাগিল।

চাণক্যৰ শ্লোক এটা মনে মনে আওৰাইছিলোঁ:

> চলত্যেকেন পাদেন তিষ্ঠত্যেকেন বুদ্ধিমান।
> নাসমীক্ষ্য পৰংস্থানং পূৰ্বমায়তনং ত্যজেৎ॥

বুদ্ধিমানে এক ভৰিৰে চলে, এক ভৰিৰে থিয় হয়। নতুন ঠাই ভালকৈ চাই লৈহে পুৰণি ঠাই ত্যাগ কৰে। ছোৱালী দুজনীত

বাদে আটায়ে মোৰ দৰেই বাছৰ ভিতৰখন চাই লৈছিল। মোৰ সহপাঠী চলিহাৰ চকুৱে চকুৱে পৰাত মই হাঁহি দিছিলোঁ। তেওঁ কিন্তু গহীন হৈ মুখখন ঘূৰাই লৈ গ'ল। মোৰ হাঁহিটো যেন হাঁহি নহয়, বিৰক্তিসূচক মুখবিকৃতি হে, আন যাত্ৰীসকলক এনে এটা ধাৰণা দিয়াৰ উদ্দেশ্যে মটৰখনৰ বিষয়ে আনে শুনা-নুশুনাকৈ কিবা এটা ভোৰভোৰাই দিলোঁ। অপৰিসীম লজ্জাত কেইটামান মুহূৰ্তৰ বাবে মই বিমূঢ় হৈ পৰিছিলোঁ।

এনেতে বাছখনৰ ভিতৰত হাঁহিৰ খলক উঠিল। কি হ'ল ঘটনাটো বুজিব পৰাৰ আগতেই শকত মানুহ এটা আকৌ মৈমনসিঙীয়া মানুহজনৰ ওচৰত বহি পৰিল। বাছখনে এটা টাৰ্নিং লৈছিল। মানুহজনে জানো কি কৰি আছিল, চীটৰপৰা উকৰি ভলত পৰি গ'ল। লোকৰ দুৰ্গতিত হঁহা মানুহৰ এটা স্বভাৱেই। বাছৰ ভিতৰতো তুমুল হাঁহিৰ ৰোল উঠিল। শকত মানুহজনে ভেলেঙা হাঁহি এটা মাৰি একো যেন হোৱাই নাই এনে এটা ভাব লৈ সহজ হৈ বহি থাকিল।

অলপ আগলৈ গলেই আমি শৰণীয়া আৰু বোন্দাৰ বুঢ়াগোহাঁই থান থকা পাহাৰশীৰ্ষ দেখিবলৈ পামহক। কামৰূপৰ উত্তৰপাৰে যিদৰে চিলা টিং সেইদৰে দক্ষিণপাৰে বোন্দা টিং আটাইবোৰ টিঙতকৈ ওখ।

শৰণীয়া পাহাৰত কছাৰীৰ শেষ ৰজা গোবিন্দচন্দ্ৰ সিংহই হেনো বামুণত শৰণ লৈছিল। কোনো কোনোৰ মতে ইয়াতে আহোমৰ গোড়া হিন্দুৰজা ৰাজেশ্বৰ সিংহই শৰণ লৈছিল। ইয়াৰে পৰিণতি-স্বৰূপে তেওঁ হিন্দুধৰ্মৰ প্ৰতি ইমান নিষ্ঠাবান হৈ পৰিছিল যে, সমগ্ৰ অসমৰ হাবিয়ে-বননিয়ে হিন্দুৰ মঠ-মন্দিৰ সাজি ৰাজকোষ প্ৰায় উদং কৰিছিল। তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ ভ্ৰাতৃ প্ৰমত্ত সিংহই আৰু কেইটামান মঠ-মন্দিৰ সজোৱাইছিল। এই ভ্ৰাতৃদ্বয়ৰ পিছত অসমত কোনো মঠ-মন্দিৰেই হোৱা নাছিল বুলিব লাগে।

মাত্র খৃষ্টীয় ঊনবিংশ শতিকাৰ প্ৰাৰম্ভতে কলিয়াবৰত অসমৰ দ্বিতীয় পুৰণি মচজিদটো আৰু ১৮৪৫ চনত গুৱাহাটীৰ গীৰ্জাটো সজা হয়।

পুৰণি প্ৰাগ্‌জ্যোতিষপুৰৰ পশ্চিমে ভুৱনেশ্বৰীৰ ব্ৰহ্ম পৰ্বত আৰু পুবে এয়া বোন্দা টিং। ভুৱনেশ্বৰীৰ টিঙতকৈও বোন্দা টিং উচ্চতৰ। চাই চাই মনত এনেহে ভাব হয় যেন ভুৱনেশ্বৰীৰ পাদদেশেৰে অসমলৈ অহা বিভিন্ন, বিচিত্ৰ মানৱৰ স্ৰোতৰ মতি-গতি বোন্দা টিঙে বোন্দাপৰ দি চাই আছিল। আনকি শৰাইঘাটৰ যুদ্ধতো এই বোন্দাপাহাৰৰ আশ্ৰয় লৈয়ে এটা দলে মোগলক আক্ৰমণ কৰিছিল। এই ঐতিহ্য পৰম্পৰাকে যেন ৰক্ষা কৰি আজিও বোন্দাৰ পাদদেশত আছে সৈন্যবাহিনীৰ অস্থায়ী নিবাস।

দৰাচলতে কিম্বদন্তীমতে বোন্দাৰ টিং আছিল মিকিৰ আদি-দেৱতা হেম্ফু‌ৰ অধিষ্ঠান। তালৈ উঠি যাওঁতে বাটতে ছুছটা শিল পায়। মিকিৰসকলৰ বিশ্বাস—পাপী মানুহে সেই টিঙলৈ গলে হেনো এই ছুছটা শিলে চেপি ধৰি মাৰি পেলায়। এতিয়া টিঙত দেখিব টিক্ টিক্ কৰে ৰঙা এখন পতাকা। সেইখন দেখি আন সকলো ধাৰণাৰ উদয় হব পাৰে কিন্তু ধৰ্মৰ ধাৰণা হলে নহয়।

বোন্দা টিং দেখিলেই মোৰ মনত পৰে উমানন্দলৈ। সেয়াও দেৱাদিদেৱ মহাদেৱৰ অধিষ্ঠান। ইংৰাজসকলে নাম দিছিল পী-কক আইলেণ্ড। বহুত ম'ৰা চৰাই আছিল বাবে তেনে নাম দিছিল তেওঁলোকে। আজি সেই ম'ৰা চৰাইবোৰ নাই। এতিয়া আছে হলৌ বান্দৰ। ৰাতিপুৱা উমানন্দৰ হলৌৰ মাত আজি ন-দহ বছৰৰ আগেয়ে গোটেই গুৱাহাটীত শুনা গৈছিল। আজিকালি ডিনামাইটৰ শব্দ, মটৰগাড়ী, কল-কাৰখানাৰ কোলাহলত কাৰো মাত ক'তো নুশুনি গুৱাহাটীত।

উমানন্দ আজি এক ঐতিহ্য। উৰ্বশীও আজি আৰু দেৱী নহয়। পানী-জোখা খুটাহে। বড়ো কিম্বদন্তীৰ সেই চিৰ গাভৰু জনী, সেই

যে কথাই কথাই বুদ্ধিৰ মেৰপাক। বড়ো মাম্বীয়া জহলাওক কে কৈছিল নদীৰ পানী কিমান সোধেঁাতে—

"এখুনো অ্যাঞ্জিচে।

মাঞ্চিনি গ'দ'চে"—অৰ্থাৎ ভেকুলীৰ এঠঁকাল, মানুহৰ এডিঙি বুলি। যিমান অঠাই সাগৰেই নহওক লাগিলে ভেকুলীৰতো এঠঁকালেই হব। সেইজনীয়েই হ'ল আজিৰ উৰ্বশী। ব্ৰহ্মপুত্ৰত বান আহিলে মাথোন মানুহে উৰ্বশীৰ কথা উলিয়ায়। প্ৰশ্ন কৰে, উৰ্বশীৰ কিমান থাক তল গ'ল, ওপৰৰ থাকটোও ছোওঁ ছোওঁ হ'ল নে বুলি।

অলপ আগুৱাই গলেই ভৰলু নৈ পাম। ব্ৰহ্মপুত্ৰৰ আটাইতকৈ চুটি উপনদী। অসমত নৈ হ'ল ব্ৰহ্মপুত্ৰ আৰু বৰাক। ব্ৰহ্মপুত্ৰ সম্পৰ্কে হিন্দুশাস্ত্ৰত অলেখ কাহিনী আছে। বিষ্ণুপাদাঙ্গুষ্ঠ বিনিৰ্গত জলৰপৰাই ব্ৰহ্মপুত্ৰৰ উৎপত্তি হেনো। ভাৰতীয় সভ্যতাৰ ইতিহাসত সিন্ধুনদৰ পিছতে ব্ৰহ্মপুত্ৰৰ স্থান। মুৰৰ ঘাম মাটিত পেলাই জীৱিকা নিৰ্বাহ কৰাৰ কৌশল জনা গো-পালক আৰ্য্যসকলে ব্ৰহ্মপুত্ৰৰ তীৰৱৰ্তী উৰ্বৰ শ্যামল ভূমিৰ সন্ধানত অৱশ্যে এইপিনে অহা নাছিল। আহিছিল বুদ্ধৰ সন্ধানত। যি উদ্দেশ্যেৰে সৌ পাঁচ-শ বছৰ আগলৈকেও অসমলৈ বহিৰাগত আহিছিল। ঋষি বশিষ্ঠ, কণ্ব, পৰশুৰাম সকলোৰে এই ভূমিত পদাৰ্পণ কৰিছিলহি কেৱল এক বৌদ্ধিক জিজ্ঞাসা লৈ।

ঋষি বশিষ্ঠৰ অধিষ্ঠান বুলি কথিত সন্ধ্যাচলৰ মাজেদি সন্ধ্যা-ললিতা-কান্তা হৈ নামি আহিছে ভৰলু নৈ। ১৯৫১ চন পৰ্য্যন্ত গুৱাহাটী চহৰৰ দক্ষিণ সীমা। আজি অৱশ্যে ভৰলু গুৱাহাটী চহৰৰ মাজ-মজিয়াত। য'ত ভৈৰৱী, তাতে ভৰলী। অৰ্থাৎ ভল্লীত্ৰী। প্ৰবাদ আছে ভৰলীয়ে (অৰ্থাৎ ভৰলুৱে) ঋতুমতী অৱস্থাত ধূৰ্জটিৰ ওচৰত কৰিছিল প্ৰণয় ভিক্ষা। বমভোলা মহাদেৱৰ জীৱদ্দশাত সেয়ে বোধকৰোঁ প্ৰথম আৰু শেষ দৃষ্টান্ত য'ত প্ৰাৰ্থকক ষেওঁ

প্ৰত্যাখ্যান কৰিছিল। কিন্তু মহাদেৱী ভৈৰৱী কামাখ্যাই ভাবনা দিলে মুনিপোঙ্খা ভৰলীৰ আকৃতিত দয়াপৰবশ হৈ। আৰু ভৈৰৱীৰ দিহামতেই ভৰলীয়ে কান্দি কান্দি নৈ হৈ বৈ আছে অনন্তকাল। কিন্তু বেৰসিক ভোলানাথৰ মন মুকুমলিল।

তেজপুৰৰ পূবে আৰু গুৱাহাটীৰ পশ্চিমে ভৈৰৱী আৰু ভৰলীৰ এই গোপন সংযোগৰ উমান পাব।

সেয়াও এক বুদ্ধিজীৱীৰে ছুনিয়া! সহজ-সৰলক বঞ্চিত কৰাৰ চিৰাচৰিত কৌশল।

এতিয়াহে গুৱাহাটী পাব হৈ অহা যেন লাগিছে। এইবাৰহে নিজকে অকণ নিঃসহায় যেন লাগিছে।

ভালতেনো মেটেকাতলীয়া লালুকসোলা ফুকনে আতন বুঢ়াগোহাঁইক কৈ পঠাইছিলে নে—গুৱাহাটী জাঙ্গাখানা সামান্য নহয়। ইয়াৰপৰা যদি পিছলা গেলা আন ঠাইত ৰব পৰা জাঙ্গাখানো নেদেখোঁ।

আতন বুঢ়াগোহাঁয়ে কৈছিল—পাৎশাৰ বেটাএ আহক বা পাৎশাই আহক, কিয় এৰিম? অৰ্থাৎ গুৱাহাটী কিয় এৰিব? সেইষাৰ কথা তাহানি অসম দেশৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত যিমান সত্য আছিল আমাৰ ব্যক্তিগত অনুভূতিৰ ক্ষেত্ৰতো আজি সিমানে সত্য। কিন্তু কি হব? আজি পাৎশা বা পাৎশাৰ বেটা নাই সঁচা কিন্তু আছে ৰাইজৰ চৰকাৰ। ৰাইজৰ চৰকাৰৰ হুকুম যেতিয়া গুৱাহাটী নেৰি মোৰ উপায় নাছিল।

Heaven's door has no bolt or bar on that side, we put them up on this.

আমি বশিষ্ঠাশ্ৰমৰ বাট পালোঁহি। এই চকতে গুৱাহাটীৰ পূব প্ৰান্তেদি অহা চিৰিয়াখানা-আলিটো আহি মিলিছেহি। মিলি পাব হৈ গৈছে বশিষ্ঠাশ্ৰম অভিমুখে। অলপ আগবাঢ়ি গলেই আপোনাৰ ঠিক সন্মুখৰ পিনে নহয়, অকণ সোঁ-কাললৈ

এখন পাহাৰ দেখিব। সেয়ে সন্ধ্যাচল। এই পাহাৰতে অতনু-বশিষ্ঠ মুনিয়ে শৰীৰ লাভৰ আশাৰে বিষ্ণুক আৰাধনা কৰিছিল। অদূৰত যুগ যুগ ধৰি প্ৰতীক্ষাৰতা অৰুন্ধতী। বশিষ্ঠ প্ৰেয়সী অৰুন্ধতী।

আহোম বুৰঞ্জীত এই বশিষ্ঠ মুনিক লৈ এটা কিম্বদন্তী আছে। আহোম স্বৰ্গদেউসকলৰ উৎপত্তিৰ লগত বশিষ্ঠ মুনিক সাঙোৰা হৈছে। অসমভূমিত বশিষ্ঠই পোন প্ৰথমে আশ্ৰম পাতিছিল দিখৌ নদীৰ মোহনাত। অৰ্থাৎ এতিয়াৰ দিখৌমুখত। দিখৌৰ নাম আছিল হেনো বশিষ্ঠ-গঙ্গা। বশিষ্ঠ তাতে গভীৰ তপস্যাত নিমগ্ন হ'ল। তাকে দেখি ইন্দ্ৰ শঙ্কিত হ'ল কিজানি বশিষ্ঠই নিজক ইন্দ্ৰত্বৰ বাবে সাজু কৰি তোলে! ইন্দ্ৰই বৰুণৰ হতুৱাই ভাল কেইজাকমান বৰষুণ দিয়াই বশিষ্ঠ-গঙ্গাৰ দুয়োকূল বুৰাই পেলালে। বশিষ্ঠই সকলো সহ্য কৰি আছিল, কিন্তু যেতিয়া পূজাৰ কুশ-তুলসীখিনিও উটি গ'ল, হেজাৰ হওক ভাৰতৰ হিন্দু ঋষি, ইন্দ্ৰক অভিশাপ দি কলে, তোৰ বাছা ম্লেছ যোনিত জন্ম হোক। নদীকো অভিশাপ দিলে—তই বেটী বিষ্ঠা-মূত্ৰ বাহিনী হবি বুলি। ইন্দ্ৰই ভয়ত পৃথিৱীলৈ নামি আহি বশিষ্ঠৰ চৰণত দীঘল দি পৰি ক্ষমা প্ৰাৰ্থনা কৰাত বশিষ্ঠই সন্তুষ্ট হৈ কলে—'ঠিক আছে, ম্লেছ নাৰীত জন্ম ললেও বীৰ্য্যৱান হবি। সেই ইন্দ্ৰই মনুষ্য-যোনিত জন্মগ্ৰহণ কৰি আহোম স্বৰ্গদেউসকলৰ পূৰ্বপুৰুষ হিচাপে ধৰাধামত পদাৰ্পণ কৰিলেহি।

বশিষ্ঠ মুনিৰ তাত আৰু মন নবহিল। তেওঁ সত্ৰ তুলি আনিলে সন্ধ্যাচললৈ। সেই পবিত্ৰ স্মৃতিকে সুঁৱৰি মুনিৰ প্ৰতি অপৰিসীম কৃতজ্ঞতাৰ চিনস্বৰূপে স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই ১৭৫১ চনত তাতে এটা মন্দিৰ সজালে।

শকত মানুহজনে হালি-জালি আলিটোৱে বিণিকি বিণিকি দেখালৈকে চাই গ'ল। সন্ধ্যাচল পাহাৰৰ ধুঁৱলী ৰেখাৰ মাজত

চকুত পৰেই জানোচা পুৰণি পবিত্র কিছুবাৰ একাংশ। শুনেই জানোচা সামগানৰ ইথাৰ বাঁহীত এটি ক্ষীণ ধ্বনি।

চন্দ্রগ্রহণ বা সূর্য্যগ্রহণৰ দিনা দেখিব শই শই যাত্রীৰ দল আহি মন্দিৰ-প্রাঙ্গন ভৰি পৰেহি। আৰু বশিষ্ঠ-গঙ্গাৰ ত্রিবেণীৰ সন্ধ্যা-ললিতা-কান্তাৰ পুণ্য সলিলত অৱগাহন কৰি স্বৰ্গপ্রাপ্তি নিশ্চয় কৰি তোলাৰ প্রয়াস কৰে। অর্থাৎ স্বর্গৰ দুৱাৰত নিজে দি লোৱা পথালি হেঙাৰডাল খোলাৰ প্রয়াস কৰে।

বশিষ্ঠাশ্রমলৈ যোৱা ৰাস্তাৰ চকটোৰ নাম গণেশগুৰি চক। এয়া বেলতলা মৌজাৰ এটা চুক। কথিত আছে, এই মৌজাৰ চাৰিওটা চুকত চাৰিটা গণেশৰ মূর্তি প্রতিষ্ঠা কৰি থোৱা আছিল। প্রতিটো মূর্তিৰ শুচৰেদি একোটাইত নিজৰা। এই যে বাঁওফালেদি বৈ গ'ল নিজৰাটো, সেয়া গণেশগুৰিৰ নিজৰা।

এতিয়া অকণ বাঁওফালে ঘূৰি চালেই দেখিব জাপৰিগোগ পাহাৰৰ শেষ টিলাটোৰ ওপৰেদি বোন্দা পাহাৰৰ টিংটো। এতিয়াহে গুৱাহাটীৰ আচল ৰূপটো বুজিব পাৰিব। উৰাজাহাজেৰে যোৱা হলে দেখিলেহেতেন—পাহাৰ, পাহাৰ আৰু পাহাৰ। পৃথিৱীয়ে যেন এইমাত্র দেহত মুগুজা কিবা এটা খাই ললে আৰু ফলত আর্টিক-এৰিয়া হৈ পৰি আছে। ভীষণ এলাৰ্জি ৰোগগ্রস্ত এটা ৰোগীয়ে নিশ্চেষ্ট নিৰুপায় হৈ যেন পৰি আছে। এদিনীয়া মানুহে ভাবিবলৈ টানেই পাব পাহাৰ-পর্বতৰ এই ওখোৰা-মোখোৰাৰ অৰণ্যত গুৱাহাটীৰ দৰে চহৰতলী এখন যে থাকিব পাৰে।

অলপ পিছতে আমি খানাপাৰা পাম। দুয়োপাৰে এইবোৰ বিভিন্ন কাৰখানা। গুৱাহাটীৰ কাৰখানাৰ শতকৰা নিৰান্নৈ ভাগেই দক্ষিণাঞ্চলত। আমাৰ আগে আগে মতা আৰু মাইকী মানুহৰ দলবোৰ যে গৈ থকা দেখিছে,—সেইবোৰ মানুহ এই অঞ্চলৰ খিলঞ্জীয়া অধিবাসী। বিভিন্ন কাৰখানাই সিহঁতৰ দখলত থকা মাটিবোৰ লৈ গ'ল আৰু কাৰখানা আদি হোৱাৰ বাবে এই অঞ্চলত

খেতি-বাতি কৰাৰ বাবে যি পৰিবেশৰ প্ৰয়োজন, সেইটোও নাইকিয়া হোৱাত সিহঁতে নিৰুপায় হৈ কাৰখানাত কাম কৰিবলৈ লৈছে। সিহঁত দিনটোৰ বাবে ওলাই আহিছে। ঘূৰি ঘৰ পাবগৈ একেবাৰে সন্ধিয়া, মুখ এন্ধাৰ লগা সময়ত। মই যে আগতে কৈ আহিছোঁ Can't see to can't see—এনে এটা ব্যৱস্থা।

এই অসমীয়া মানুহখনে বাপ-জনমতো কাৰখানাত কাম কৰি পোৱা নাই, কাৰখানা পতাতো দূৰৰ কথা। কামত গোলযোগ ঘটে, সেইবাবে মাজে মাজে খেদা খায়। আকৌ বিচাৰি-বিচাৰি আন এটা কাৰখানাত সোমায়, তাতো হয়তো খেদা খায়। কিয়নো শ্ৰমিকৰ প্ৰতি মালিকৰ অনুকম্পা উপন্যাস-গল্পৰ কথা মাত্ৰ। বাস্তৱৰ নহয়। হয়তো কোনে জানে, এয়া হয়তো অসমীয়া মানুহৰ সৌভাগ্যৰে লক্ষণ। ঠেকা খাই শিকাৰ দৰে শিক্ষা আৰু নাই।

অলপ পিছতে আমি খানাপাৰা পামগৈ। তাৰপৰাই ৩৭ নং ৰাষ্ট্ৰীয় পথটোৱে পুৰণি সোঁত সলাই পূবৰপৰা পশ্চিমলৈ পোনে পোনে বাট লৈছে। গুৱাহাটীৰ সোঁ-মাজৰপৰা সাত মাইল দক্ষিণেদি, সন্ধ্যাচল পাহাৰৰ পাদদেশেদি গৈ পোনে পোনে জালুকবাৰী চুইছেগৈ।

খানাপাৰাৰ এইখিনিতে ৰাষ্ট্ৰীয় পথৰ উত্তৰে কামৰূপ জিলা। দক্ষিণে খাচিয়া পাহাৰ জিলা। দুয়োখন জিলা লগালগি যদিও বহুৎ অমিল। দুয়োখন জিলাৰ এই সঙ্গমস্থলতে মাজে মাজে বৰ আমোদজনক ঘটনা ঘটে।

আলিৰ যিটো কাষে সেই টিকট কাউণ্টাৰৰ দৰে খিৰিকী-কটা খেৰৰ ঘৰটো যে দেখিছে সেয়া খাচিয়া পাহাৰৰ পঞ্জাব হোটেল। ৰাষ্ট্ৰীয় পথটোৰ দুয়োপাৰে বিশেষকৈ গ্ৰামাঞ্চলৰ নাগৰিকাসমূহত আপুনি লক্ষ্য কৰি গলে এনে ধৰণৰ পঞ্জাব হোটেল বহুতো দেখিব, বিশেষকৈ অসমৰ dry area ঘোষণা কৰা জিলাসমূহত। তাত চাহ-ভাতৰপৰা আৰম্ভ কৰি নিষিদ্ধ জলপান পৰ্য্যন্ত চব পায়। আৰু

তাত চৌবিশ ঘণ্টায়া চাৰ্ভিচ চলে। দোকানৰ দুৱাৰ অনুক্ষণ উন্মুক্ত। ডাঙৰ ডাঙৰ ডিজেল ট্ৰাকবোৰ ৰাতি চলে। আৰু তাৰ ড্ৰাইভাৰ বেছিভাগেই পঞ্জাবৰ মানুহ। তেওঁলোকৰ ক্লান্তি নিৰসনৰ বাবেই বিশেষকৈ এই হোটেলবোৰ খোলা হৈছে গুণেই বোধকৰোঁ নামকৰণ তেনেদৰে কৰা হৈছে। কিয়নো ক'ৰবাত এনে দোকানো আছে যাৰ দোকানী বিহাৰ বা উত্তৰ প্ৰদেশৰ মানুহ। কিন্তু দোকানৰ নাম ঠিকেই আছে—পঞ্জাব হোটেল।

খাচিয়া পাহাৰৰ সেই দোকাখনত তেনে এটা নামৰ প্ৰয়োজন নাই, কিয়নো তাত কোনো পানীয়ই নিষিদ্ধ নহয়। খাচিয়া পাহাৰ জিলা ৱেট এৰিয়া। অথচ ৰাস্তাৰ ইপাৰে কামৰূপ ড্ৰাই। গতিকে ৰাস্তাৰ সিটো পাৰে নিষিদ্ধ জলপান কৰি কামৰূপৰ ৰাস্তাত ফুৰ্তি কৰাত আইনমতে কোনো বাধা থাকিব নোৱাৰে।

এবাৰ হেনো এটা মদ খোৱা কেচত এজন পদকীয়াই হাকিমৰ আগত জবানবন্দি দিলে যে তেওঁ মদ খোৱাটো সত্য, কিন্তু তেওঁ নিৰ্দোষী। হাকিম গৰ্জি উঠিল। মদ খায়, আকৌ নিৰ্দোষী। কি ওলট-পালট কথা কবলৈ আহিছে! পদকীয়াই নিৰ্বিকাৰ হৈ আকৌ কলে—'মই মদ খাইছোঁ কিন্তু প্ৰহিবিটেড্ এৰিয়াত নহয়।'

ইংৰাজী শব্দকেইটা শুনি হাকিমে সুৰ বদলাই কলে—'কনজিউম কৰাটোৱেই অপৰাধ।' পদকীয়াই টপৰাই উত্তৰ দিলে—'আইনতঃ নহয়।'

হাকিমে আকৌ সুধিলে: 'আপুনি ক'ত খাইছিল বাৰু?'

'খানাপাৰাত; ৰাস্তাৰ সিটো পাৰে।'

'খাচিয়া পাহাৰত খাই কামৰূপৰ ৰাস্তাত হুট্টগোল কৰে কেলেই?'

'আইনতঃ বাধা নাই দেখি।'

হাকিম নিৰুত্তৰ। প্ৰহিবিটেড্ এৰিয়াতো আইনসম্মতভাৱে মদ খাব পাৰি। মদ খোৱাৰ বাবে লাইচেঞ্চ থাকে, আগেয়ে যিদৰে ডাঙৰ মানুহে নৰহত্যাৰ বাবে লাইচেঞ্চ পাইছিল। এনে লাইচেঞ্চৰ

সামাজিক প্ৰতিক্ৰিয়া কি নাজানো, কিন্তু এটা কথা হলে জানো যে, এনে লাইচেঞ্চ পোৱাসকল লাইচেঞ্চাচ হোৱাৰ আশঙ্কা থাকে। আহোম শাসনত এই. লাইচেঞ্চ সম্পৰ্কত বৰ কাৰা কপট নিয়ম আছিল। আনকি এবাৰ লাচিত বৰফুকনৰ দৰে মানুহেও লাইচেঞ্চৰ চৰ্ত ভঙ্গ কৰি এজন আহোমক শৰাইঘাটৰ গড়ত হত্যা কৰি ৰাজদ্ৰোহত পৰিছিল। ভাগ্য ভাল পৰ্বতীয়া কুঁৱৰীয়ে হস্তক্ষেপ কৰি ৰখালে, নহলে লাচিতভো গলেইহেতেন, লগতে অসমৰ ৰাজ্য-ৰজাও মোগলৰ পদদলিত হ'লহেতেন।

এয়ে খানাপাৰা। নতুন ৰাষ্ট্ৰীয় পথটোৰে পশ্চিমলৈ চাই পঠিয়ালে দেখিব—শেনমেলা কটবাৰী, পামহী আদি গাৱঁৰ মাজেদি বশিষ্ঠাশ্ৰমৰ উত্তৰ দাঁতিয়েদি গৈ গৈ বৰাহ গাৱঁৰ কেঁকুৰিত হেৰাই পৰিছে। আৰু অলপ সেইপিনে যাব পৰা হলে দেখিলেহেতেন দ্বীপৰ বিল আৰু চকৰদ -পাহাৰ। বিলৰ পাৰে পাৰে কাছৰ খোলৰ দৰে পামহী পথাৰখন। এই দ্বীপৰ বিলত পানী খাবলৈ আৰু পামহীৰ শস্য খাবলৈ হাতীৰ সাহানবোৰ এতিয়াও নামে। কিন্তু দেশভক্ত তৰুণ-ৰাম ফুকনৰ দৰে চিকাৰীহে নাই।

এতিয়াতো শৰৎকাল। দ্বীপৰ বিলত এতিয়া হাতী নমা নাই। কিন্তু জাকে জাকে বনৰীয়া হাঁহ· নামিছে। পানীহাঁহ, শৰালি, ঘিলাহাঁহ আৰু দেওহাঁহ। কামৰূপত দেওহাঁহক বোধকৰোঁ নাক খেচ্‌খেচি বুলি কয়। দেওহাঁহেই একমাত্ৰ হাঁহজাতীয় চৰাই যাৰ গছৰ লগত সম্বন্ধ আছে। গছত বহে, বাহ লয় আৰু কণী পাৰে। নাকীসুৰত কান্দে বাবে নাক খেচ্‌খেচী নাম। বুঢ়াপাহাৰ বাগিচাত মেকেঞ্জীক লগ পালে কেতিয়াবা সুধি লব পাৰিম। নাক খেচ্‌খেচী হাঁহে গছৰ খোৰোঙতো কণী পাৰে। মানুহে কয়, কণীবোৰ আনি এঙাৰৰ টুকুৰা থৈ আহিলে আকৌ কণী পাৰে হেনো। সঁচা নে মিছা নাজানো।

এয়া চিলঙৰ আঁকোৰা-পকোৰা ৰাস্তাৰ এটা আইডিয়া। সোঁফালে তীৰখেলৰ আড্ডা। খাচিয়া মানুহৰ ঘৰ আৰু মানুহৰ দুই-এটা

জুম দেখিম। এয়ে চিলঙৰ পূৰ্বাভাস। অলপ আগলৈ ৰাস্তাৰ কুলত সেয়া গণেশ মন্দিৰ পাম। দুৰ্বল আৰু ধৰ্মপ্ৰাণ মানুহে যাত্ৰাৰ মঙ্গল কামনা কৰি মন্দিৰলৈ পইচা দলি মাৰি পঠিয়ায়। ইয়াৰ পূজাৰী কামৰূপ বা খাচিয়া পাহাৰৰ নহয়। বিহাৰৰ ফালৰ। কোনোবা সদাশয় ধৰ্মপ্ৰাণ বিহাৰী মানুহ এজনে বাছ-মটৰৰ অগণন যাত্ৰীৰ কল্যাণ কামনাৰ্থে ইয়াতে আজি কিছু বছৰৰ আগতে এটা মন্দিৰ সাজিছিল। তাৰপৰা যাত্ৰীৰ কিবা কল্যাণ হৈছে নে নাই নাজানো, কিন্তু মন্দিৰৰ হলে যথেষ্ট কল্যাণ হৈছে। মন্দিৰ এতিয়া সম্পূৰ্ণ পকা। দলিয়াই দিয়া পইচাবোৰ যাতে অস্থান-কুস্থানত নপৰে তাৰ বাবে পাৰ বন্ধোৱা চোতালৰ ব্যৱস্থাও আছে।

ড্ৰাইভাৰে, শকত মানুহটোৱে, পাছফালৰ আৰু কেবাজনেও দহ পইচা, পঁচিশ পইচা যাৰ যি খুচি দান দি যাত্ৰাৰ মঙ্গল নিশ্চিত কৰি থৈ গ'ল। মই ঘূৰি চাওঁ; পূজাৰীৰ লিটিকাই এজনে পইচা-বোৰ বিচাৰি বিচাৰি বুটলি লৈ গৈ পূজাৰীৰ হাতত দিছে। শকত মানুহজনৰ ভক্তি-গদ্‌গদ্‌ মূৰ্তি দেখি মোৰ হাঁহি উঠিছিল। মোৰ মনত পৰিছিল থৌ কমৰেড্‌চৰ সেই যে আশী বছৰ পৰমায়ু বুলি হাত চোৱাই লৈ গৈয়ে আকস্মিক দুৰ্ঘটনাত পৰি মৰিছিল সেই কমৰেড্‌-জনৰ কথা। আজি কিছুদিনৰ আগতে ইয়াতে মঙ্গল কিনি লৈ গৈও এখন বিয়াৰ বাছ ভীষণ দুৰ্ঘটনাৰ সন্মুখীন হৈছিল। সেই কাৰণে ভৱিষ্যতৰ কথা কোৱা বৰ কঠিন। নিয়ন্তাই ভৱিষ্যতৰ পথত ক'ত কি কণ্টক ৰাখি থৈছে নিয়ন্তাৰ বাদে আনকি ভগৱানৰো জনাৰ সাধ্য নাই—নহলে ভগৱানেও তো কতবাৰ নিজৰ প্ৰতিশ্ৰুতি ভঙ্গ কৰিব-লগীয়া হৈ আহিছে !

আমি ক্ৰমান্বয়ে উঠি গৈ আছোঁ। পঁচিশ ফুটমান ওপৰলৈ উঠিয়েই আমি আকৌ নামিম। তাহানি কলেজত থাকোঁতে চিলঙলৈ যোৱা কথাবোৰ মনত পৰিছে। তেতিয়া কেৰিং কোম্পানীৰ ওখ ওখ গাড়ীবোৰ আছিল। ৰাস্তা আছিল নাতিপ্ৰশস্ত। গেটসমূহত

নির্দ্ধাৰিত সময়ত অনুমতি লৈহে যোৱাৰ ব্যৱস্থা আছিল তেতিয়া। তাৰো আগেয়ে আছিল ঘোঁৰাগাড়ীৰ ব্যৱস্থা। ঘোঁৰাৰ টম্‌টম্‌ গাড়ী। ১৮৬১ চনত এই গুৱাহাটী-চিলং আলিবাটটো খোলাৰে-পৰা বহু বছৰলৈ টম্‌টম্‌ চলিল। তেতিয়া চিলঙৰ নাম আছিল শিলং। লোকক অনুকৰণ কৰাটো আমাৰ সহজাত দুৰ্বলতা। চাহাব-সকলে 'শ' টোক (sh) 'খ'ৰ দৰে উচ্চাৰণ কৰা দেখি কুলাৰ আগত উৰা আমাৰ অভিজাতসকলে শিলঙক উচ্চাৰণ কৰিবলৈ ললে চাহাবী-ঢঙত খিলং বুলি। গুৱাহাটীক যদৰে আজিকালি আমি গৌহাটী বুলি ভুল উচ্চাৰণ কৰি আত্মপ্ৰসাদ লাভ কৰোঁ। চাহাবৰ আমি সকলো অনুকৰণ কৰিলোঁ কিন্তু স্বভাৱ অনুকৰণ নকৰিলোঁ। চাহাবে নিজৰ দেশত তৈয়াৰি নোহোৱা 'চিগাৰেটো যে খাব নোখোজে সেই সাধাৰণ অভ্যাসটোকো আমি নিজৰ কৰি লবলৈ শিকা নাই।

স্বৰ্গদেউ গদাধৰ সিংহৰ পিছত বোধকৰোঁ একমাত্ৰ গৌৰীনাথ সিংহইহে নিজৰ ৰাজ্যত হোৱা বস্তু ব্যৱহাৰ কৰি নিজৰ আভিজাত্য বজাই ৰাখিছিল। গৌৰীনাথ সিংহই ওৱেলচ, চাহাবে বিদেশৰপৰা কানি লৈ আহিবৰ বাবে বাটচোৱা নাছিল। তেওঁ অসমতে আফুৰ খেতি লগাই কানি সেৱন কৰিছিল। তাৰ পিছৰপৰাহে আমি চব পৰমুখাপেক্ষী হৈ পৰিলোহঁক।

মোৰ মনত পৰিছিল যুগপৎ এটা শতিকাৰ ইপাৰে-সিপাৰে থকা দুজনা কীৰ্তিমন্ত পুৰুষৰ ছবি। এখন বীৰ লাচিতৰ আৰু অন্যখন বৈচিত্ৰ্যময় ব্যক্তিত্বৰ অধিকাৰী গৌৰীনাথ সিংহ স্বৰ্গদেউৰ। এখনত লাচিতে প্ৰচণ্ড বিক্ৰমেৰে লুইতৰ বুকুত মহাবিক্ৰমী মোগল সেনানীৰ বিৰুদ্ধে যুদ্ধ কৰিছে আৰু অন্যখনত বঙা দুহতীয়া এখন মেৰ মাৰি আফিঙৰ নিচাত অৰ্ধ-নিমিলীত চকুৰে স্বৰ্গদেউ গৌৰীনাথ সিংহ মন্দিৰৰপৰা ওলাই আহিয়েই সন্মুখত ইষ্ট-ইণ্ডিয়া কোম্পানীৰ প্ৰতিনিধি কেপ্টেইন ওৱেল্‌চক দেখি বিমূঢ় হৈ পৰিছে। লগতে ওৱেল্‌চক আনিবলৈ যোৱা বিকা মজুমদাৰ আৰু দত্ত খাউণ্ড ভয়তে পেপুৱা

লাগিছে। ওৱেল্‌চ চাহাব স্বৰ্গদেৱৰ আমন্ত্ৰণক্ৰমে মায়ামৰীয়া বিদ্ৰোহ দমন কৰিবলৈ আহিছিল সঁচা কিন্তু তেওঁৰ আৰু এটা ব্যক্তিগত উদ্দেশ্যও আছিল। সেইটো হ'ল অসমত আফিঙৰ বজাৰ এখন প্ৰতিষ্ঠা কৰা। কিন্তু গৌৰীনাথ সিংহ যে তেৱঁতকৈও ইমান এড্‌ভাঞ্চড্‌ হৈ বহি আছে কেপ্টেইন ওৱেল্‌চে সপোনতো ভবা নাছিল। সেইদিনা গৌৰীনাথৰ অৱস্থা দেখি কেপ্টেইন ওৱেল্‌চ কম হতাশ হোৱা নাছিল।

যাই হওক, একেটা শতিকাতে লাচিতৰ প্ৰেতাত্মাই যে গৌৰী-নাথৰ ৰূপ লৈছিল—ভাবিলে সঁচাকে আচৰিত নহৈ নোৱাৰি।

হঠাৎ মনোভঙ্গ হ'ল। পিঠিত কাবোবাৰ মৃদু কৰাঘাত পৰিল। ঘূৰি চালোঁ কণ্ডাক্টৰ। মই যম, কাবুলীৱালা আৰু কণ্ডাক্টৰক একে শাৰীতে স্থান দিওঁ। এই তিনিজনৰ কাবোবাৰ খাতাত আপোনাৰ নাম পৰিছে যদি, আপুনি যিমান ভিৰৰ মাজতে নাথাকক লাগিলে আপোনাক ঠিক বিচাৰি উলিয়াব এওঁলোকে। যমতো যমেই। আপুনি কাবুলীৱালাৰপৰা ধাৰ লওকচোন। দহ বছৰৰ পিছত আপোনাক যদি কাঁচিবজাৰৰ মাজতো পায় সি ঠিক চিনি উলিয়াবই। আৰু কণ্ডাক্টৰ! গুৱাহাটিৰ চিটি বাছত আপুনি যিমান ভিৰৰ মাজত সুঠক লাগিলে, পইচা নিদিয়াকৈ সাৰি যোৱাৰ উপায় নাই। টিকটটো ললে আৰু কণ্ডাক্টৰে অচিন হৰফত ঘচ্‌ কৰে কিবা এটা লিখি ঘূৰাই দিলে।

অলপ পিছতে আমি জোৰাবাট পামগৈ। চিলঙলৈ আগেয়ে যেতিয়া টম্‌টম্‌ গাড়ী গৈছিল তেতিয়া এই ঠাইতে ঘোঁৰা বদলাই আকৌ নতুনকৈ ঘোঁৰা জোৰা হৈছিল। সেইবাবেই জোৰাবাট। তাৰ পিছত আহিল কেৰিং কোম্পানীৰ গাড়ী, মই আগতে কৈয়ে আহিছোঁ। সেই জোৰাবাট হ'ল উজনি আৰু চিলং ৰাস্তাৰ সঙ্গমস্থল।

সম্মুখত আলি-কেঁকুৰিটো দেখিছে নে? তাৰপৰা জোৰাবাট

আৰু এমাইল বাট। আলি-কেঁকুৰিটোৰ দাঁতিত সৰু সৰু খেৰৰ জুপুৰি ঘৰবোৰ লক্ষ্য কৰিছে নে? আপুনি শুনিলে আচৰিত হ'ব—সেয়া গণিকালয়। আৰু ওচৰলৈ আহিলে ভালদৰে দেখিব। তাত নিষিদ্ধ পানীয়, নিষিদ্ধ সম্ভোগ এইবোৰৰ সুবিধা আছে।

কামৰূপ জিলাত একাধিক গোপন গণিকালয় আছে। দৰাচলতে প্ৰকাশ্য কিন্তু গোপন বুলি কৈছোঁ এই কাৰণেই যে এইবোৰ এনে ঠাইত অৱস্থিত য'ত আইন-শৃঙ্খলাৰ বাবে মানুহৰ অকণো মূৰ কামোৰণি নাই। এখন এয়া; ইয়াৰপৰা একেবাৰে ওচৰৰ থানাখন যদিও বাৰ মাইল, আচলতে এই এলেকাটো সেই থানাত নপৰে। আৰু এখন গণিকালয় আছে ভোটানৰ চংচুপজংখাৰৰ নামনিত, দৰঙাত। কোৱা শুনো, আন এখন হেনো গুৱাহাটী মহানগৰীৰ পশ্চিমাঞ্চলত অৱস্থিত।

এগৰাকী বয়সস্থা মহিলাই এই সৰু জুপুৰি-ঘৰ এটাৰ দুৱাৰমুখত আমন-জিমনকৈ বহি থকা দেখিলে নতুবা আবেলি অসময়ত গা ধুই চাফা তিতা কাপোৰ কিছুমান বাৰ্টিত ভৰাই লৈ এগৰাকী আদহীয়া মহিলাৰ লগত দুই-তিনিজনী গাভৰু ছোৱালী এই ঘৰবোৰলৈ উভতি অহা দেখিলেই আপুনি বুজিব পাৰিব। এওঁবিলাকৰ প্ৰায়বোৰেই খাচিয়া পাহাৰৰ।

দৰঙাত দেখিব আকৌ সৰু সৰু জুপুৰি-ঘৰবোৰৰ ওপৰত দীঘল দীঘল বাঁহৰ চাট্ পুতি থোৱা। চাটৰ মূৰত নীলা নিচান একোখন। যিটো ঘৰৰ ওপৰতে এনে নিচান উৰিছে আপুনি নিঃসংশয় চিত্তে সোমাই যাব পাৰে। তাৰ দ্বাৰ সৰ্বসাধাৰণৰ বাবে উন্মুক্ত। তেওঁলোকৰো প্ৰতিটো কুঠৰীতে একোগৰাকীকৈ 'চেপাৰণ' অৰ্থাৎ বয়সস্থ অভিভাৱিকা।

এওঁলোক এটাইবোৰেই যে দাৰিদ্ৰ্যৰ নিষ্পেষণত নতুবা সামাজিক ব্যৱস্থাৰ ঠেলাত এইখিনি পাইছেহি সেইটো নহয়। তথাপি এওঁলোক আমাৰ সামাজিক ব্যৱস্থাই ঠেলি-হেঁচুকি এচুকত পেলাই দিয়া

একোটাইত আৱৰ্জনাৰ স্তূপ। এওঁলোকৰ অস্তিত্ব অৱশ্যম্ভাৱী হলেও অসহনীয়; অনস্বীকাৰ্য্য হলেও অনুমোদিত।

এসময়ত চহৰবোৰত অনুমোদিত গণিকালয় আছিল। গুৱাহাটীতো আছিল। আজিকালি এইবোৰ উঠাই দিয়া হৈছে। কাৰ কল্যাণ কামনা কৰি এইবোৰ উঠাই দিয়া হৈছিল আমি নাজানো, কিন্তু এইটো হলে যি কোনো এজন সাধাৰণ মানুহেই জানে যে এইবোৰৰ আইনানুগ স্বাকৃতি উঠাই দিয়াৰ পিছতো কাৰো কল্যাণ নহ'ল; নাই সমাজৰ, নাই গণিকাৰ—কাৰো নহ'ল।

সক জুপুৰিটোৰ বেৰত আওজাই থোৱা সৌ চাইকেলখন দেখিছে নে? আপুনি হয়তো অলপ আগতে চাইকেলখন থৈ ঘৰটোত সোমাই যোৱা চেঙেলীয়া ল'ৰাটো মন নকৰিলে। সি নিশ্চয় খানাপাৰা অঞ্চলৰ। মাটি বেচি নতুনকৈ ধনী হোৱা কোনোবা অসমীয়া পৰিয়ালৰ অৰ্ধশিক্ষিত ডেকা। তেওঁ গণিকাৰ প্ৰেমত আসক্ত। মদাৰ ফুলৰ গোন্ধ আৰু বেশ্যাৰ প্ৰেম একে কথা। এনে অৰ্ধশিক্ষিত ল'ৰাই কিন্তু 'আউট অব নাথিং' সৃষ্টি কৰিব পাৰে। এবাৰ এজন বন্ধুৱে কৈছিল—'লাভ ইজ ব্লাইণ্ড্' বুলি কোন অলগন্ধই কয় হে—? লাভ কৰাবোৰে চাই-চিঁতিয়েই কৰে। নিজৰ পচন্দমতে কৰে। আচলতে হব লাগিছিল লাভ ইজ ডিফ্ হে। এবাৰ লাভত পৰাৰ পিছত হেজাৰজনে হেজাৰ চিঞ্ৰৰক তাৰ কাণত একো নোসোমায়। এই ল'ৰাটোকে উপদেশ দি আপুনি ঘূৰাই আনকচোন পাৰে নেকি? কেতিয়াও নোৱাৰে। সি নুশুনেই আপোনাৰ কথা।

অ' কথাত ব্যস্ত হৈ থাকোঁতে কৰবই পৰা নাছিলোঁ, আমি যে জোৰাবাট পালোঁহিয়েই। সমুখৰ ফালে অঁকোৱা-পকোৱাকৈ উঠি যোৱা ৰাস্তাটো চিলং পাৰগৈ। আৰু আমি যাম বাঁওফালে নামি যোৱা ৰাস্তাটোৰে। এতিয়া বাটত আৰু খাচিয়া মানুহৰ বসতি নাপামহঁক। আমাৰ বাঁওফালে থকা চৰকাৰী চেগুন জাৰণিৰ মাজে মাজে দুই-একোটা নেপালী মানুহৰ ঘৰ পাই যাম। আৰু

ভেৰ মাইল উঁকাই-পকাই যাব লাগিব, তাৰ পিছতহে আলিবাট গৈ সমতলত নামি পৰিব। তেতিয়া বাটৰ দুয়োকাষে পাম মিকিৰ, কছাৰী, চাহ-বাগিচাৰ বনুৱা আদিৰ সৰু সৰু চুবুৰীবোৰ। সেইবোৰৰ মাজত নেপালী মানুহ আছে যদিও পাতল। অসমত নেপালী মানুহ আছে দৰং আৰু খাচিয়া পাহাৰ জিলাত। উত্তৰ-পূৰ্ব সীমান্ত অঞ্চলৰ বাহিৰেদিও আছে নেপালী মানুহৰ বসতি। ভাৰতৰ সকলো ঠাইতে নেপালী মানুহ আছে। পাহাৰৰ স্বাস্থ্য-নিবাসসমূহত তেওঁলোক হয় মাল কঢ়িওৱা বনুৱা, নহয় অফিচৰ পিয়ন-চকীদাৰ। জোৰাবাটৰ ওচৰে-পাঁজৰে থকাসকল হয় খেতিয়ক, নহয় দোকানী। অসমৰ সৰু সৰু চহৰতলীবোৰত তেওঁলোকে গাখীৰৰ যোগান ধৰে।

আমি বসন্তকালত আহিব লাগিছিল। সম্মুখৰ সোণাৰু কেইজোপা হালধীয়া ফুলেৰে ঢাক খাই থকা দেখিলোঁহেতেন। বিহুগী কবিৰ 'সোণগুটি সোণাৰুৱে লই থোপামণি পিন্ধাইছে কণকাভৰণ' বোলা সেই শাৰীটোলৈ আটাইৰে মনত পৰিলহেতেন। অকল সোণাৰুৱে নহয়, সেইফালে দূৰত দেখিলোঁহেতেন এজাৰ ফুলৰ পাতল বেঙুনীয়া এখন আকাশ। কিন্তু আমি আহিলোঁ শৰতত। শৰতত কোনো মাধুৰিমা নাই। আগৰ যুগত ঋষি-মুনিসকলে যে এশটা শৰৎ কাল চাই যোৱাৰ কামনা কৰিছিল সেয়া শৰৎ কালৰ মাধুৰিমা উপভোগৰ কামনা নাছিল, আছিল দীৰ্ঘজীৱী হোৱাৰ কামনাহে। কালিদাসে ঋতুসংহাৰত শৰতক নাৰী ৰূপত কল্পনা কৰিছিল। বোধকৰোঁ আসন্নপ্ৰসৱা নাৰী হিচাপে। মোৰ আকৌ শৰৎকালৰ কথা ভাবিলে 'ৰেচ' অৰ্থাৎ দৌৰ প্ৰতিযোগিতালৈ মনত পৰে। দৌৰ প্ৰতিযোগীয়ে যিদৰে আটাইতকৈ উদ্দীপিত হয় শেষ সীমাৰ ওচৰ পোৱাৰ লগে লগে, ঠিক সেইদৰে শৰততো সেউজবোৰ আহি হেমন্ত পোৱাৰ আগে আগে কজলা হৈ পৰেহি। দুয়োফালৰ পাহাৰকিটালৈ চালেই দেখিব গছ-গছনিৰ বসন্তত ওলোৱা পাতল সেউজ পাতবোৰ একেবাৰে কজলা হৈ পৰিছে।

সৌকালৰ পাহাৰবোৰ খাচিয়া পাহাৰৰ অংশ বিশেষ। পাদদেশত মাজে মাজে চকুত পৰিব পাৰে দুই-একোখন সুমথিৰা টেঙাৰ বাগিচা। এই বাগিচাবোৰ প্ৰায়ে অসমীয়া মানুহৰ যদিও এইবোৰৰপৰা লাভৱান হয় বেছিকৈ বাহিৰৰ বেপাৰীসকলেহে। বাগিচাৰ মালিকৰ কোনোদিন লাভ নহয়। তাৰ কাৰণ, অসমীয়া মানুহৰ সহজাত স্বভাৱ। অৱহেলা। বাগিচাৰ মালিকে গছ প্ৰতিপাল কৰা দূৰৰ কথা, গছত লাগি থকা ফলকেইটা ছিঙিও বিক্ৰী নকৰে। গছে সৈতে বেপাৰীক আস্কাত বিক্ৰী কৰি দিয়ে। বেপাৰীয়ে গছৰ ঠাল-ঠেঙুলি চাঁহি-মুহি পাৰি লৈ যায়। ফলত গছ ঘুণীয়া হয় আৰু মালিক যথাযথ প্ৰাপ্যৰপৰাও বঞ্চিত হয়।

অলপ গৈয়ে আমি সোনাপুৰ পাম। গুৱাহাটী মহকুমাৰ ভিতৰত সুমথিৰাৰ আটাইতকৈ ডাঙৰ বজাৰ। পূৰ্ব-ভাৰতৰ আটাইতকৈ সুস্বাদু সুমথিৰা পায় গাৰোপাহাৰৰ বিচু-বেলপাৰাত আৰু ভোটানৰ নামনি অঞ্চলত। সোনাপুৰ পালেই দেখিব আলিৰ দাঁতিত সুমথিৰাৰ পোহাৰ। সেইবোৰ অৱশ্যে খুচুৰা বিক্ৰীৰ বাবে নহয়। খুচুৰা লাগিলে আপুনি জাগীৰোড পাবগৈ লাগিব।

অসমত সুমথিৰাৰ প্ৰচলিত নাম কমলা। সুমথিৰাৰ দৰে বঙক আমি কমলা বং বুলিয়েই কওঁ। কামৰূপৰ গাঁৱত সুমথিৰাক কয় সোণতৰা বুলি। সংস্কৃত সুমিত্ৰা শব্দৰ লগত পিছে সুমথিৰাৰহে ওচৰ সম্বন্ধ। সেইবোৰ যিয়ে নহওক, অসমত সুমথিৰাৰ খেতিয়েই বিশেষ-ভাৱে হয়।

কৃষি বিশেষজ্ঞসকলৰ মতে অসমত মাটি ফলখেতিৰ বাবে উপযোগী নহয়। আগেয়ে অসমত সিমান ফল নাছিল। পুৰণি গীত-মাতত আমি সোন্দাকল বা জবা টেঙাৰ দৰে ফলত বাদে আন ফলৰ উল্লেখ নাপাওঁহক। আমো আছে আমাৰ অসমত। সেই ফল অসমৰ মানুহে খোৱাৰ আগতে পোকে খায়। পোকে খোৱাৰ আগতে মানুহে খাবলৈ পোৱাৰ বুধি আমাৰ কৃষি বিশেষজ্ঞসকলে আজিলৈকে উলিয়াৰ

পৰা নাই। ফলেষু বস্তা নাইবা সুফল কদলী, সুনাৰী গেছেলী বুলি কথা এষাৰ আছে। সেই বস্তা বা কদলী বা কলজাতীয় ফলো নোহোৱা নহয়। গোৱালপাৰা, গাৰোপাহাৰ আৰু নগাওঁৰ কল উৎকৃষ্ট। চিলঙীয়া কল ডাঙৰ। কিন্তু নগাওঁ, গাৰোপাহাৰ আদিৰ মালভোগ কলৰ দৰে সুমিষ্ট নহয়। নগাওঁত বাছ-ষ্টেচনত বিচাৰিলে এতিয়াও কল পাব। ধুনীয়া মালভোগ কল।

এই ফলবোৰৰ খেতি উন্নত কৰাৰ ব্যৱস্থা আমাৰ মাজত নাই। উৎকৰ্ষ চিন্তা সঁচাকৈয়ে আমাৰ নাই। নহলেনো বিহ্লা আবিষ্কাৰৰ দিন ধৰি আজিলৈকে বিহ্লাচালকজনক ৰৰযুণৰপৰা ৰক্ষা পাবলৈ একো এটা উপায় নকৰোঁনে বাৰু? সেয়া আমাৰ জাতীয় বৈশিষ্ট্য।

ভাৰতৰ অন্যান্য ৰাজ্যত অৱশ্যে এই ফলখেতি সম্বন্ধে যথেষ্ট গৱেষণা চলিছে। আগেয়ে মোগল সম্ৰাটসকলৰ দিনতো এই সম্বন্ধে গৱেষণা চলিছিল। তেতিয়া অৱশ্যে ফলৰ আকাৰ-বিকাৰ আদিতকৈও বেছি গুৰুত্ব দিয়া হৈছিল ফলৰ সুস্বাদুতাৰ ওপৰত। এবাৰ এটা ঘটনা ঘটিছিল। মধুৰি ফলৰ সোৱাদ লৈ। বাবৰে কৈছিল মধুৰিৰ সোৱাদ মিঠা হলেও কিবা পনীয়া পনীয়া লাগে। বাবৰে কমলা আৰু মধুৰি একেবাৰে পচন্দ নকৰিছিল। বাবৰৰ মৃত্যুৰ পিছত হুমায়ুনে বাপেকে মধুৰি আৰু কমলা নোখোৱাৰ কাৰণটো আবিষ্কাৰ কৰিছিল। আচলতে বাবৰ যেতিয়া ভাৰতলৈ আহিছিল, তেতিয়া তেওঁ মদ খাইছিল আৰু সেইবাবেই তেওঁ মিঠা ৰসৰ বস্তু ভাল নেপাইছিল। মধুৰি আৰু কমলা টেঙা কেৱল এই এটা কাৰণতেই তেওঁ অপচন্দ কৰিছিল। নহলে হুমায়ুনৰ মতে মধুৰি এটা উৎকৃষ্ট ফল।

অসমত আমি সোৱাদৰ কথা দূৰতে থক, ফলৰ কথাকে চিন্তা কৰিবলৈ বাদ দিছোঁ। নাগপুৰী চান্‌তাৰা আৰু কাশ্মীৰী খেজুৰ, আখৰোট, আঙুৰ, আপেল আদিতো বজাৰত পায়ে থাকোঁ। বজাৰৰ

চালানী আম বাবীৰ গছৰপৰা পাৰি আনি খোৱাদি খাওঁ। আমাৰ ইয়াৰ টিলিকি সেন্দূৰীৰ নাম নাজানিলেও ফজলী, মালদহ, লেংৰা আমৰ নাম আমাৰ মুখস্থ।

অসমৰ মাটিৰ দোষত আৰু বিশেষকৈ মাটিৰ উৎকৰ্ষৰ প্ৰতি উদাসীনতাত ফলবোৰ সাধাৰণতে সৰু সৰু হয়। সেইবাবে কিবা এটা ডাঙৰ ফল দেখিলেই আমি তাক বঙালী, বিলাতী, বোম্বাই আদি নাম দিওঁ। এই নামবোৰৰ প্ৰভাৱ যদি কেৱল ফলতেই থাকিলহেঁতেন কথা নাছিল; কিন্তু এই প্ৰভাৱ বিস্তাৰিত হৈছে আমাৰ অসমীয়া জাতিৰ মজ্জায় মজ্জায়। ফলত অসমীয়া মানুহ ভীৰু, দুৰ্বল হৈ পৰিল মই-সৰু ভাবৰ প্ৰভাৱত। আৰু অকল এই দুৰ্বলতাৰ কাৰণেই ৰাষ্ট্ৰই দিয়া অজস্ৰ সুযোগ অসমীয়া মানুহে হেৰুৱালে।

আপোনাৰ বাঁওহাতে আলিৰ দাঁতিত সৰু সৰু জুপুৰীবোৰ দেখি ভুপেন হাজৰিকাৰ সৰুকণইঁতলৈ মনত নপৰে নে বাৰু? দূৰৰ সৌখন এখন মিকিৰ গাওঁ। এইপিনে সোঁফালে চক। এই আলিবাট গৈছে নৰ্তাপলৈ। খাচিয়া পাহৰৰ গাতে লাগি থকা এখন ডাঙৰ মিকিৰ গাওঁ নৰ্তাপ। অসমৰ আবিষ্কৰ্তা কলম্বচ হেক্ষ্মৰ সতি-সন্ততি হেনো এই মিকিৰসকল। বিষ্ণু ৰাভাৰ মতে এই-সকলেই পোনপ্ৰথম আহি অসমত কলনি পাতিছিলহি। পূৰ্বতে এওঁলোক আছিল হেনো কোনোবা অখ্যাত হেমচিৰি পাহাৰত (হিমগিৰি নহয়তো?)। তাৰপৰা ভাগ্যৰ সন্ধানত কোনোবা অশুভ মুহূৰ্তত নামি আহিছিল অসমৰ সেউজ সমতললৈ। আহি আহি মিকিৰসকলৰ অন্যতম আদিপুৰুষ টেৰণ ৰংছপই বিচাৰি ফুৰিলে মানুহৰ জীৱিকা উপাৰ্জনৰ আটাইতকৈ সভ্য সংস্কৃত উপায়টো। শেষত এটা জুৰিৰ পাৰত এই আদিম মানৱগোষ্ঠীয়ে থিতাপি ললে! কাণপাতি শুনকচোন ক'ৰবাত হয়তো হঠাৎ শুনি যাবও পাৰে 'হাচা' নৃত্যৰ তালে তালে মিকিৰ ডেকাই গোৱা—

টৈৰণ ৰংছ'প' (পেন)
বেক কাথি ৱেছ'
চাৰ্নাম নাং পিন্তু'
কল, ন' ছিদ' ?
লাং কুলেং ছিদ'
কুলেং আবি ছ' (ছি)
চোপি পাম কংক্ৰ'

টৈৰণ ৰংছপ নামৰ আদিপুৰুষজনাই বিচাৰি বিচাৰি আই লখিমীকে পালেগৈ লাংকুলেং নৈত সখীসকলৰ সৈতে সাঁতুৰি-নাদুৰি খেলা কৰি থকা। অৰ্থাৎ মিকিৰসকলে এদিন এই কলং নৈৰ পাৰতেই বন্যজীৱন এৰি পোনপ্ৰথম মুৰৰ ঘাম মাটিত পেলাই নিজৰ জীৱিকা অৰ্জন কৰাৰ উপায় উদ্ভাৱন কৰিছিল।

এই সক কলং নৈখন নগাওঁ পালে দেখিব। অসমৰ বহু ইতিহাস, বহু অলিখিত কাহিনীৰ সৈতে এই কলং নৈ জড়িত। শিৱসাগৰৰ নামো হেনো এসময়ত কলংপাৰ আছিল। কলংপাৰ নে কলঙ্কপাৰ কিবা এটা। কলং নৈৰ পাৰৰ মানুহ নি থাপিছিল গুণে হেনো শিৱসাগৰৰ এই নাম। তেওঁলোক অৱশ্যে মিকিৰ মানুহ নাছিল।

আকৌ শুনকচোন মিকিৰ গীত—

ইক্ক কাছেন আচিফং
কপ্লি পালাং হে কলং
চিফং দন চুৰি প্লেং চং।

ইক্কাছেন নামৰ আক এজনা মিকিৰ আদিপুৰুষে কপিলীপাৰত পাতিছিল এখন ধনে-জনে ভৰপূৰ মনোমোহা গাওঁ। কপিলী-কলঙক কেন্দ্ৰ কৰিয়েই অসমত মিকিৰ সভ্যতাৰ পত্তন হয়। মিকিৰসকলৰ আদিৰজা ছংৰেচ'ই ইয়াতে ৰাজ্য প্ৰতিষ্ঠা কৰিছিল বুলি এক কিম্বদন্তী আছে যদিও আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনলৈকে মিকিৰসকলৰ ইতিহাস-স্বীকৃত কোনো কথা জনা নেযায়।

ৰাজেশ্বৰ সিংহৰ ৰাজত্ব কালত মিকিৰসকলে বিদ্ৰোহ কৰিছিল, কিন্তু ৰাজসৈন্যৰ পৰাক্ৰমত তিষ্ঠিব নোৱাৰি ছেদেলি-ভেদেলি হৈ পৰিছিল। তাৰ পিছত আৰু এবাৰ এজন খেয়ালী কছাৰী ৰজাৰ কোপত পৰিও মিকিৰসকলে জীয়াতু ভুগিবলগীয়াত পৰিছিল। কছাৰী ৰজাৰ পোহনীয়া বাঘ-পোৱালিক খুৱাবলৈ নিতৌ আধা-সেৰকৈ মানুহৰ গাখীৰ যোগান ধৰা হৈছিল।

এদিন ৰাজভৃত্য গৈ এঘৰ মিকিৰ মানুহৰ তাত উপস্থিত হ'ল। গিৰিহঁতনীয়ে পথাৰৰপৰা ঢুপৰীয়া ভাগৰে-জুগৰে আহি কেঁচুৱাক পিয়াহ খুৱাবলৈ লৈছিল। এনেতে ৰাজভৃত্য গৈ গিৰিহঁতনীৰ গাখীৰ খাবাবলৈ আৰম্ভ কৰি দিলে। লাজ-অপমানত একো নাই হৈ ওচৰত থকা কোৰ এখনেৰে চবিয়াই ৰাজভৃত্যক ডুছেও কৰি থলে। ফল-স্বৰূপে ৰাজৰোষত পৰি মিকিৰসকল আকৌ ছেদেলি ভেদেলি হ'ল। কামৰূপ, জয়ন্তীয়া পাহাৰ, নগাঁও, মিকিৰ পাহাৰ, শিৱসাগৰ জিলাৰ পশ্চিমাঞ্চল মিকিৰসকল সিঁচৰতি হৈ পৰিল। একোটাহঁত ঠাইৰ ইমান বিচ্ছিন্ন হৈ পৰিল যে অইনবোৰৰ সৈতে সেই ঠাইৰ সামাজিক যোগাযোগ থকাটো দূৰৰ কথা আনকি সমস্ত ঠাইটোৱেই পৰিচয়হীন হৈ পৰিল। সোনাপুৰৰ আশে-পাশে থকা মিকিৰসকলে পাহাৰৰ অঞ্চলবোৰত থকা তেওঁলোকৰ আত্মপৰিজনসকলৰ অৱস্থা দেখি হাঁহে—বিদ্ৰূপ কৰে।

দূৰত কুণ্ডলীকৃত ধোঁৱাই পাহাৰৰ মাজৰ এখন গাঁৱৰ অস্তিত্ব সম্পৰ্কে মোক সজাগ কৰি তুলিছিল। মই ভাবিছিলোঁ সেয়া অটব্য অৰণ্য। তাত যে ইমান প্ৰাণৰ সঁহাৰি আছিল মই ভাবিবই পৰা নাছিলোঁ। এই ভুল অৱশ্যে আপোনালোকৰো হ'লহেঁতেন। অৰণ্যবাসী এই মানুহবিলাকৰ এয়া এক আৰণ্যক বৈশিষ্ট্য। জীয়াই থকা মানুহবোৰৰ এই সৰু সৰু গাওঁবোৰো অৰণ্যৰ দৰেই নীৰৱ-নিস্পন্দ। ঢুপৰীয়া কাহানিবা গোৱালপাৰাৰ শাল-জাৰণিৰ মাজে মাজে গৈ থাকিবচোন। আপোনাৰ সম্মুখত হঠাৎ ওলাই পৰিব

চিত্ৰ-বিচিত্ৰ কাপোৰেৰে ধুনীয়াকৈ সজোৱা সৰু সৰু চন্দ্ৰতাপ কিছুমান। সেইবোৰ বাগানসকলৰ মৃত-পৰিজনৰ সমাধি। ওচৰতে ক'ৰবাত গাওঁ আছে। অসমৰ কোনো জাতিৰেই মই জনাত সমাধি ইমান ধুনীয়া নহয়। কিন্তু এয়া সমাধিহে, গাওঁখন দেখিবলৈ এতিয়াও বহুত বাকী। আপুনি উমান পাব নোৱাৰিব, নিচেই ওচৰতে আছে যদিও কোন ফালে আছে গাওঁখন। আপুনি যদি মানুহৰ মাত শুনিবলৈ বৈ আছে, বৃথা— ; তেওঁলোকে জীৱনত মাত মতাৰ প্ৰয়োজন বোধ নকৰে। তেনেবোৰ গাৱঁত ভূমিষ্ঠ শিশুৰ কথা নাজানো, কিন্তু কোনো শিশুৱে অভিমান কৰি কন্দা মই শুনা নাই, আৰু উল্লসিত হৈ ডাঙৰকৈ হঁহাটো কন্দাতকৈও বিৰল এটা দৃশ্য। সৌৱা দেখিলে নে আমাৰ বাচৰ শব্দ শুনি কেইটামান শিশুৱে হুলস্থূল কৰি ওলাই অহা। তাতো ঠিক এনেদৰেই কিছুমান অশান্ত শিশু নথকা নহয়। জঙ্গলৰ মাজত থিয় হৈ এটা সুহুৰি মাৰিবচোন, হঠাৎ আপোনাৰ গাতে হামখুৰি খাই পৰাৰ দৰে কোনোবা শিশু ওলাই পৰিবহি আৰু তেতিয়াই নিশ্চিত হব পাৰিব গাওঁখন কোনপিনে, কিমান দূৰত।

সঁচাকৈ পাছফালে ক'ৰবাত সুহুৰিৰ শব্দ শুনিলোঁ। মই অপ্ৰস্তুত হলোঁ। কথাবোৰ ভাবি ভাবি ইমান নিমগ্ন হৈ পৰিছিলোঁ যে মোৰ ভয় লাগিছিল, মই হয়তো ক'ৰবাত কিবা ভবা কথাকে কৰি পেলাইছিলোঁ। নহলে সুহুৰি মৰাৰ কথা ভাবোঁতে সঁচাসঁচিকৈ কাৰোবাৰ সুহুৰিৰ শব্দ শুনিম কিয়? মই বাহিৰলৈ চাই পঠোৱাৰ ছলেৰে পাছফালে চালোঁ। দেখিলোঁ, মোৰ পাছৰ চীটত বহা জিলপিলীয়া ল'ৰা এটাই সুহুৰিৰে 'বহাগৰ দুপৰীয়া' বোলা বীৰেন দত্তৰ গীতটো গাই আছে।

মই পৰিবেশটো সম্পৰ্কে সচেতন হোৱাৰ যত্ন কৰিলোঁ। হঠাৎ বাঘ এটাৰ নেজডাল লৰি উঠা দেখিলেও হয়তো মনে মনে ইমান উচাপ্ নাখালোঁহেতেন, যিমান উচাপ্ খালোঁ মোৰ ওচৰত বহি থকা

মহিলাগৰাকীক দেখি। মই মটৰত উঠাৰ আৰম্ভণিৰপৰা কথাবোৰ মনতে যুকিয়াই আনিবৰ চেষ্টা কৰিলোঁ।

মই তৃতীয় শ্ৰেণীৰ যাত্ৰী আছিলোঁ। মোৰ কাষতে বহিছিল আদহীয়া মানুহ এজন। লগত সৰু ল'ৰা এটা আছিল। সৰু ল'ৰাটোৱে বাটে বাটে নানান প্ৰশ্ন কৰি আদহীয়া মানুহজনক ব্যতিব্যস্ত কৰি তুলিছিল। মানুহজনে ল'ৰাটোৱে ক'ত যে বতাহৰ দৰে নাইকিয়া হ'ল। যথাসম্ভৱ গাম্ভীৰ্য্য ৰক্ষা কৰি মোৰ আগে-পাছে সোঁৱে-বাঁৱে দৃষ্টি দিলোঁ। শকত ভদ্ৰলোকজন, পিলিঙা ডেকা ল'ৰা দুটা চব আছে দেখোন। মৈমনচিঙীয়া মানুহজনো আছে। ১ নং চীটত আৰু তাৰ পাছৰ চীটটোত যাত্ৰী একেদৰেই আছে। কিন্তু এই আদহীয়া মানুহজন ক'ত কি হ'ল বাৰু?

ঢাকি ৰাখিবলৈ চেষ্টা কৰা সত্ত্বেও মোৰ বিস্ময়ে মোক নিশ্চয় বঞ্চনা কৰিছিল, কিয়নো ওচৰৰ মহিলাগৰাকীয়ে সন্তৰ্পণে মোৰ মুখলৈ বাৰে বাৰে লক্ষ্য কৰা মই গম পাইছিলোঁ। মই আৰু বেছি গহীন হবৰ চেষ্টা কৰিছিলোঁ।

এই ছোৱালীজনীতো আছিল মোৰ দুখন চীটৰ আগত। তেওঁ এইখিনি পালেহি কেতিয়া বাৰু? সোনাপুৰত নিশ্চয় গাড়ী ৰৈছিল। আৰু তাতেই নিশ্চয় আদহীয়া মানুহজন আৰু ল'ৰাটো নামি গৈছিল আৰু তেওঁ হয়ালৈ আহিছিল। ঠিক তেনে এটা যুক্তিযুক্ত সমাধান বিচাৰি পোৱাৰ পিছতো মনটোৱে মোৰ স্বস্তি লভা নাছিল। এনেতে সকলো সন্দেহ ভঞ্জন কৰি তেৱেঁই প্ৰথমে মাত লগালে: আৰ ইউ আনকম্‌ফটেব্‌ল্? আই ওৱাজ দেয়াৰ, বাট আই ডিড নট লাইক দ্য চীট।

: দেটচ্‌ অল ৰাইট্‌। মই আৰু কি কম।

মইতো জানোৱেই তেওঁ কেলেই বেয়া পাইছে সেই চীটটো। মৈমনচিঙীয়া ভদ্ৰলোকজনৰ চকুৱে-মুখে যি এক উদগ্ৰ কামনাৰ

আভাস দেখিছিলোঁ আচল হেতু আছিল সেইটোৱে। মই পিছে একো মুবুজাৰ দৰে থাকিলোঁ। তেওঁ সহজ হৈ বহি ললে আৰু ৰাস্তাৰ দাঁতিৰ জুপুৰী ঘৰবোৰলৈ আঙুলিয়াই কলে :

: আৰ দিজ ট্ৰাইবালচ্?

: ইয়েচ্ নট ক্যানিবালচ্।

এবা, এই সৰু সৰু জুপুৰীৰ সৰু সৰু মানুহবোৰ ট্ৰাইবাল্‌চেই হয়। কিন্তু হব লাগিছিল ক্যানিবাল্‌চ্ হে। সিহঁতৰ দুৰ্ভাগ্য, হব নোৱাৰিলে। মই সেতিয়াহে ছোৱালীজনীৰ মুখলৈ চালোঁ। তেওঁ ট্ৰাইবালচ্ শব্দটো ইমান অৱজ্ঞাৰে উচ্চাৰণ কৰিছিল যে মই এটা ৰণাহ্বানৰ ভাব লৈ তেওঁৰ মুখলৈ চালোঁ। কিন্তু চকুৱে চকুৱে পৰাত ইমান সহজ এটা হাঁহিৰে তেওঁ মোলৈ চাই ক'ল যে, মই বিস্ময়ত হতবাক হৈ পৰিলোঁ আৰু মনে মনে মোৰ ভুল ধাৰণাৰ বাবে মই নিজেই লজ্জিত হলোঁ।

: ইউ আৰ ফ্ৰম ?

: চিলং, ৰেল······তোমালোকে এই ট্ৰাইবালবোৰক আচামীজ্ বুলি কোৱা জানো ?

: নিশ্চয় ; যদি কোনোবা অসমীয়া আছে, খাঁটি খিলঞ্জীয়া অসমীয়া তেন্তে তেওঁলোকেহে আছে।

তেওঁ আৰু কিবা কব খোজা বুলি ভাবিছিলোঁ। কিন্তু মোৰ উত্তৰটো ইমান নিৰ্বিকাৰভাৱে গ্ৰহণ কৰি নৰব হৈ থাকিল যে মোৰ সন্দেহ হ'ল তেওঁ হয়তো কিবা কাৰণত মোক বিশ্বাস কৰিব পৰা নাই। মই কি কম তেওঁ যেন আগতেই জানি থৈছে, এনে এটা ভাব দেখুৱাই তেওঁ মনে মনে থাকিল। মোৰ মনত উগুল-থুগুল লাগিল আৰু কিছুমান অকাট্য আৰু ফট্‌ফটীয়া দৃষ্টান্তেৰে মোৰ কথাবাৰৰ সত্যতা প্ৰতিপন্ন কৰিবলৈ। কিন্তু তেওঁ নীৰৱ হৈ পৰাৰ পিছতো কি বুলি যে তেওঁ নিজে উত্থাপন কৰা প্ৰসঙ্গটোৰ পুনৰুত্থাপন কৰোঁ তাকে ভাবি বিবুধিত পৰিলোঁ।

আমাৰ বাচধন তেতিয়া কিবা এটা গুৰি পাইছিলহি। ধূপগুৰি নে তঁতেলীগুৰি কিবা এখন গুৰি। আৰু পাম ঔগুৰি, পলাশগুৰি, আঁহতগুৰি, থেকেৰাগুৰি, বগৰীগুৰি, ডিমৰুগুৰি আদি কত অজস্র গুৰি। এই নামবোৰ এসময়ত হয়তো সাৰ্থক আছিল। আজি-কালি সাৰ্থকতাৰ একো নাই। ঔগুৰিত যিদৰে ঔ নাই, পলাশ-গুৰিতো সেইদৰে দৰবত লাগে বুলিলেও আপুনি পলাশ এজোপা নেপায়। সেইদৰে আঁহতগুৰিত আঁহত নাই, থেকেৰাগুৰিত থেকেৰা নাই আৰু ডিমৰুগুৰিত নাই ডিমৰু গছ।

সেই তেনে এখন অসাৰ্থকনামা গুৰি পাৰ হৈ আমাৰ বাঁওপিনেদি এটা আলিবাট সোমাই গৈছে। ধূলিৰ ধোঁৱা উৰুৱাই এখন এটনীয়া গাড়ী (ভেনেট নেকি ?) সেই ৰাস্তাৰে সোমাই অদৃশ্য হৈ পৰিল।

: হোৱেৰ দিচ্ ৰোড লীড্চ টু ?

ক'লৈ হব ৰসাতললৈ, জহন্নামলৈ। মোৰ কৈ দিবৰ মন গৈছিল ছোৱালীজনীৰ প্ৰশ্নৰ উত্তৰত। এনেয়েনো মহাজনে কৈ গৈছে নে নাৰীয়ে এটা মাত্ৰ golden thing ভাল নাপায়, আৰু সেইটো হ'ল silence ; মটৰৰ কাণ-তাল-মৰা শব্দৰ বন্যাত চিঞৰি চিঞৰি এনেবোৰ সাধাৰণ জ্ঞানৰ প্ৰশ্ন নকৰিলেও হয়চোন !

মই জানো সেই ৰাস্তা গৈছে কলংপাৰলৈ। কিন্তু প্ৰকাশ্যে কলো নাজানো বুলি। কিয়নো কলংপাৰ বুলি কলে দ্বিতীয় প্ৰশ্নটো হয়তো হব : হোৱাট ইজ ইটচ্ ইম্পৰ্টেঞ্চ—মানে কলংপাৰ কি, ক'ত, কিহৰ নিমিত্তে বিখ্যাত এনে কিছুমান ভৌগোলিক জ্ঞানৰ প্ৰশ্ন। তেওঁ কিন্তু মোৰ উত্তৰটোৰ প্ৰতি একেবাৰে আওকাণ কৰি মোৰ গাৰ ওপৰেদি হলি গৈ খিৰকীৰে কিবা চোৱাত লাগিল। হাত আৰু দেহৰ কি কি অংশ যে মোৰ গাত লাগিছিল মোৰ অন্তৰাত্মাই আজিও পাহৰা নাই, কিয়নো মটৰৰ জোকাৰণিৰ লগে লগে তেওঁৰ সমস্ত দেহে মোৰ গাত ঠেলা দি গৈছিল, আৰু প্ৰতিটো

ঠেলাত ভয়-মিশ্রিত পুলকৰ দৰে কিবা এক অবিশ্লেষণীয় অনুভূতিত মই জঠৰ হৈ পৰিছিলোঁ।

: ডু ইউ লাইক টু কাম অ'ভাৰ দিচ্ চাইড ?

ইংৰাজীতে মনতে যুকিয়াই বহুপৰৰ মূৰত কওঁ নে নকওঁকৈ কৰলৈহে পালোঁ। তেওঁ হা-না একো নমতাকৈ মোৰ আঁঠু দুটা হাতেৰে একাষৰীয়া কৰি সিকাষে সোমাই পৰিল আৰু মইও বাধ্য হৈ ঠাই এৰি দিলোঁ। তেওঁ এইবাৰ মহা আয়মেৰে বহি ললে আৰু নিজকে নিজেই কলে যে এতিয়াহে তেওঁ বেছ আৰাম পাইছে।

তেওঁৰ আঁঠু ছোওঁ ছোওঁ হোৱা স্কাৰ্টৰ ক্ৰীজবোৰ যেন হঠাৎ ঠিক কৰি লোৱাৰ প্ৰয়োজন হৈ পৰিল, এনেদৰে স্কাৰ্টৰ ওপৰত আঙুলিৰে পিটিকি পিটিকি ভাজবোৰ ঠিক কৰি হাতৰ তলুৱাৰে হেঁচি হেঁচি ললে। মই তেতিয়া ভয়তে কাৰো ফালে চোৱা নাই। খুব গহীন ভাব এটা মুখলৈ আনিবৰ চেষ্টা কৰি আছিলোঁ। মই মনে মনে লক্ষ্য কৰিছিলোঁ যে, পহিলা নম্বৰ চৌটৰপৰা এযুৰি শান্ত চকুৱে মোৰ এই দুৰ্গতি দেখি মনে মনে অপৰিসীম তৃপ্তি লাভ কৰিছে। পাছফালে বহা পিলিঙা ল'ৰা দুটাই কি যে ভাবিছে ভগৱানেহে জানে। ইপিনে ভদ্ৰমহিলাই আকৌ মই যেন এটা শূন্য হে, এনেধৰণৰ ব্যৱহাৰ আৰম্ভ কৰি দিছে।

সেইবাবেই মটৰত গলে পৰাপক্ষত মই আসন চাই-চিঁতি লৈহে বহোঁ। কিয়নো ৰেলৰ যাত্ৰী আৰু মটৰৰ যাত্ৰীৰ মাজত তফাৎ আছে। ৰেলৰ যাত্ৰী হ'ল মহানগৰীৰ মানুহৰ দৰে। ব্যক্তিগত সম্বন্ধ ৰক্ষাৰ তাত অৱকাশ নাই। মটৰৰ যাত্ৰী হ'ল সৰু নগৰৰ মানুহৰ দৰে। ইমূৰে কাৰোবাৰ দাঁতত ভাতটো লাগিলেও সিমূৰৰ মানুহ ব্যস্ত হৈ পৰে। ভদ্ৰমহিলাই কি কৰিছে, নকৰিছে বাচৰ বিয়াল্লিছযোৰা চকুৱে ট-ট কৰে চাই আছে।

: হেভ্ ইউ চীন দেট মেন ?

তেওঁৰ মুখখন মোৰ কাণৰ কাষলৈ আনি সুধিলে ফুচ্ফুচাই।

মোৰ কাণেদি গৰম বতাহ এছাটি বৈ যোৱা যেন লাগিল। মই অৱশ্যে হাত-সাবটি বহি আছিলোঁ। আটাইবে সন্দেহ নিৰসনৰ বাবে। সিদ্ধান্ত কৰি লৈছিলোঁ যে, এনে পৰিস্থিতিত এইটোৱে প্ৰকৃষ্ট উপায়। একান্ত নিৰ্বিকাৰ ভঙ্গীৰে তেওঁ সঙ্কেত দিয়াৰ ফালে চাই 'পঠিয়ালোঁ। দেখিলোঁ হয়, ৯ নম্বৰ চীটটো খালী। আৰু আগৰফালে থকা মৈমনচিঙীয়া ভদ্ৰলোকজনে সঘনে ঘূৰি ঘূৰি আমাৰ ফালে অৰ্থাৎ ছোৱালীজনীৰ ফালে চাই আছে।

পৃথিৱীত কিছুমান বিচক্ষণ ব্যক্তি আছে। পাৰ্থিৱ সকলো বিষয়তে তেওঁলোকৰ কমনচেন্স বৰ প্ৰখৰ। ভদ্ৰলোকৰ ভাব-গতি দেখিয়েই বুজিছিলোঁ তেৰোঁ তেনে এক বিচক্ষণ ব্যক্তি। নহলে ১ নং চীটলৈ অকণো ভ্ৰূক্ষেপ নকৰি এইফালে ইমান কষ্ট কৰি ঘূৰি চোৱাৰ আৰু কোনো কাৰণ থাকিব নোৱাৰে।

এগৰাকী বন্ধুৱে এবাৰ এটা ঘটনা কৈছিল। কোনো এটা হলত এবাৰ হেনো জেমিনীৰ 'সংসাৰ' বোলা ছবিখন চলিছিল। মোৰ বন্ধুৱে এগৰাকী ডাক্তৰৰ লগত ছবি চাই আছিল। তেওঁলোকৰ আগৰ চীটত বহি গাৰঁৰ তেনে এগৰাকী বস্তুবাদী ভদ্ৰলোকেও একান্তমনে চাই আছিল ছবিখন। এটা দৃশ্যত হেনো ৰাতি এন্ধাৰত ধুমুহা-বৰষুণৰ মাজত নায়িকাক ঘৰৰপৰা বাজ কৰি দিয়া হৈছিল। নায়িকা আছিল গাভৰু। ভদ্ৰলোকে হেনো নায়িকাৰ দুখত সমবেদনা জনাই মুখেৰে বিভিন্ন ভাববোধক অব্যয় উচ্চাৰণ কৰিছিল। মোৰ বন্ধুৱে ভদ্ৰলোকজনৰ ভাবগতি দেখি মুগ্ধ হৈ কৈছিল ডাক্তৰক— ডাক্তৰ, সমবেদনাও এটা ডাঙৰ বেমাৰ বুজিছা, বিশেষকৈ তোমাৰ অন্তৰ যেতিয়া সহজ-সৰল হয়।

—কথাটো হওঁতে হয়, পিছে ভদ্ৰলোকে সমবেদনাত উস্-আস্ কৰা নাই নহয়, কৰিছে আপচোচহে।

মই সেইদিনা ডাক্তৰৰ কথাষাৰ হজম কৰিবলৈ টান পাইছিলোঁ।

এই মহিলাগৰাকী—মহিলা অৱশ্যে নহয়, গাভৰু ছোৱালী,

পাহাৰৰ। আৰু পাহাৰী ছোৱালীক সহজীয়া ধৰ্মৰ (easy virtue—অসমীয়া তৰ্জমা মোৰ নিজস্ব) বুলি ভবা দোষ এটা আমাৰ বেছি-ভাগৰেই আছে। ভদ্ৰলোকো ব্যতিক্ৰম নহয়। ১ নং চীটৰ অধিকাৰিণীক তেওঁৰ এলেকাৰ বাহিৰৰ বুলি ঠাৱৰ কৰি তেওঁৰ চিন্তাৰ বাহিৰত থৈ দিছে।

জৰু জমীন জোৰকে নহীতো কিসী ঔৰকে—এই আপ্ত বাক্যষাৰিত অগাধ-বিশ্বাস ৰখা কোটি কোটি নৰ-মনিষ্যৰ প্ৰতিভূ আছিল তেওঁ। বেচেৰাই বৰ পুৰুষাৰ্থ কৰি মাজে মাজে ঘূৰি চাই গৈছিল। অকণ সহানুভূতিও হ'ল; আৰু এধানমানি গৰ্বও। তেওঁ পিছে ভদ্ৰলোকৰ বাবে দুশ্চিন্তা কৰিবলৈ বাদ দি দিলে। মোৰ ওচৰত বহি তেওঁ যেন একেবাৰে নিশ্চিন্ত হৈ পৰিল এনে এটা স্বস্তিৰ ভাব লৈ বাহিৰৰ ফালে চাই গ'ল। এনেতে পাছফালে বহা ডেকা ল'ৰা দুজনৰ কথোপকথন কাণত পৰিল :

: বুইছা, হিষ্ট্ৰীত যাৰ ভাল, তাৰ জোগ্ৰাফি একদম ভাল নহয়। আৰু জোগ্ৰাফি যাৰ ভাল, হিষ্ট্ৰীত তাৰ নিৰ্ঘাত বেয়া হবই।

তাৰ পিছত দুয়োৰে উত্ৰাৰল হাঁহি। হাঁহি শাম কটাৰ পিছত একনে কলে—এই খাচিয়ানীচবৰ পিছে জোগ্ৰাফিতো বেয়াই হিষ্ট্ৰীও বেয়া।

ইমানপৰে মই বুৰ্বকে বুজাই নাছিলোঁ। কথাষাৰ বুজিব পাৰি তলে তলে ভীষণ উত্তেজনা অনুভৱ কৰিছিলোঁ। দুয়োকো কাণতলীয়া চৰ দুপাট শোধাই দিবলৈ মন গৈছিল। মই মনে মনে ভদ্ৰমহিলাৰ কিবা প্ৰতিক্ৰিয়া হৈছে নেকি লক্ষ্য কৰিলোঁ। আশ্বস্ত হলোঁ, তেওঁক তেতিয়া বাহিৰৰ প্ৰকৃতিৰ শোভা চোৱাত ব্যস্ত দেখি।

মই ১ নম্বৰ চীটলৈ লক্ষ্য কৰিলোঁ, দেখিলোঁ তেওঁৰ পাছৰ চীটত বহা টেৰিলীন সৰ্বস্ব বন্ধু চলিহাৰ লগত তেওঁ কিবা কথাত ব্যস্ত। কিবা এক অপৰিসীম সঙ্কোচত মই চকু ঘূৰাই আনিলোঁ।

মোৰ তেতিয়া বিমূঢ় অৱস্থা। ইপিনে বেজিও পুৰঠ হৈ আছিছিল। বাচৰ ভিতৰত যথেষ্ট গৰম হৈছিল। খিৰিকীকাষৰ চীটটোতো মহিলাই মহা আয়মেৰে অধিকাৰ কৰি লৈছেই। ইমান গৰমতো শৰুত ভদ্ৰলোকজনৰ একেবাৰে চাউণ্ড স্লিপ। তেওঁৰ নাকৰ চাউণ্ড আৰু মটৰৰ চাউণ্ডৰ প্ৰতিযোগিতা চলিব লাগিছে। তেওঁ ইতিমধ্যে এটা খিৰিকীৰ কাষৰ চীট অধিকাৰ কৰি লৈছিল। তেওঁ খিৰিকীৰ চেপত নিৰ্ভাৱনাৰে নিজক এৰি দিছিল। বিৰক্তিতে মইও তলমূৰ কৰি টোপনিৰ ভাও জুৰি গৈ আছিলোঁ।

: ইউ ডিড নট্ আস্ক্ মাই নেম্।

কাক কৈছে বাৰু? মই মূৰ তুলি চাই দেখিলোঁ চকুকেইটা ডাঙৰ ডাঙৰকৈ মেলি তেওঁ মোলৈ চাই আছে মোৰ উত্তৰৰ অপেক্ষাত।

শিষ্টাচাৰ, আইদেউ শিষ্টাচাৰ; নহলেনো তোমাৰ পৰিচয় জানিবলৈ মোৰ আগ্ৰহ নাই নে? তাতে তুমি গাভৰু ছোৱালী।

প্ৰশ্নবাৰ সুধি মোক বিবুধিত পেলোৱা যেন অনুভৱ কৰি তেওঁ নিজেই কলে—আইৰিলা, মাই নেম্ ইজ্ আইৰিলা, মামী কলচ মী ল'ৰী।

মাকৰ কথা শুনাৰ লগে লগে চাঁট্ কৰে মোৰ মনত পৰিল সেই আদহীয়া মানুহজনীৰ ক্ৰন্দসী মুখখনলৈ: সেই ভদ্ৰমহিলাগৰাকী তোমাৰ—

: ইয়েচ্ মাই মামী।

কথাষাৰ কোৱাৰ লগে লগে তাইৰ চকুহাল চলচলীয়া হৈ উঠিল। একান্ত ব্যক্তিগত কথাবোৰ সুধি তেওঁক অপ্ৰস্তুত কৰাৰ প্ৰবৃত্তি মোৰ নাছিল। গতিকে, মই নীৰৱ হৈ পৰিলোঁ। কিন্তু মন মোৰ মুখৰ হৈ পৰিছিল। তেওঁৰ মনতো মই এক প্ৰচণ্ড ধুমুহাৰ উমান পাইছিলোঁ। মুখৰ কষ্টৰক্ষিত সংযম এই ভাগি পৰে এই ভাগি পৰে অৱস্থা।

ধুমুহা আহক আহে যদি। কেতিয়াবা কেতিয়াবা ধুমুহায়ো আশিষ বৰষে যেনেদৰে এবাৰ বৰষিছিল ১৮৮৯ চনত চামোৱা দ্বীপত।

ইংৰাজ, আমেৰিকা আৰু জাৰ্মানীৰ—বিশ্বৰ এই তিনি মহাশক্তিৰ যুদ্ধ-জাহাজবোৰ অস্ত্ৰে-শস্ত্ৰে সজ্জিত হৈ সেই সৰু দ্বীপটোত ওচৰা-উচৰিকৈ ৰাখি থোৱা হৈছিল। চামোৱা দ্বীপৰ কৰ্তৃত্ব পৰিহাৰ কৰিবলৈ কেৱে সাজু নহয়। যুদ্ধ এই হয় এই হয় অৱস্থা। এনে এক চৰম মুহূৰ্তত এদিন ৰাতি হঠাৎ ধুমুহা আহিল। প্ৰচণ্ড ধুমুহা। সকলোবোৰ যুদ্ধ-জাহাজ ভাঙি-ছিঙি চুৰমাৰ হৈ গ'ল মহাসমুদ্ৰৰ উত্তাল তৰঙ্গৰ কোবত। মাত্ৰ বাচিল এখন বৃটিছ জাহাজ। ফলত যুদ্ধ নহ'ল, হ'ল সন্ধি—মিত্ৰতা। ভগৱান, এই ধুমুহাৰ পৰিণতি কিযে কৰি থৈ দিছা তুমিহে জানা।

আমি ধূপগুৰি পালোঁহি। বাঁহ আৰু তামোলৰ মাজত হেৰাই পৰা সৰু সৰু ঘৰবোৰৰ নঙলা গচকি গচকি আমি গৈ আছিলোঁ। জাগীৰোডলৈ আৰু মাত্ৰ আঠ মাইল বাকী। আমাৰ এক্সপ্ৰেচ বাচখনে মাইলৰ পিছত মাইল অতিক্ৰমি গৈ আছিল। আমি শালত পেৰা কুঁহিয়াৰৰ দৰে প্ৰতিটো মাইলৰ সৰ্বস্ব কাঢ়ি লৈ নিঃস্ব কৰি পেলাই যাব লাগিছোঁ। গৈ গৈ এঠাইত এনে অনুভৱ হ'ল যেন দুয়োপাৰে থকা গাওঁবোৰ এফালৰপৰা চেপি-খুন্দি শেষ কৰি থৈ পাহাৰবোৰ যেন ৰাস্তাৰ সৈতে ঘনিষ্ঠ হবলৈ ওচৰ চাপি আহিল। বাহিৰত কেইগৰাকীমান গাভৰুৱে হাঁহি-খিকিন্দালি কৰি আহি আছিল। তেওঁলোক বোধকৰোঁ ৰাস্তাত কাম কৰিবলৈ আহিছিল। তেওঁ সুধিলে :

: মিকিৰ গাৰ্ল আই গেচ্ ?

: কাৰেক্ট।

: বিলীভ ইট্ অৰ নট্ এট ওৱান্ টাইম্ এত্ৰি আচামীজ গাৰ্ল ড্ৰেচড্ ইন দ্য মেনাৰ আই হেভ দান্।

: কেতিয়া ?

: টীল এইটিন্থ্ চেঞ্চুৰী।

মোৰ মগজু গৰম হৈ গ'ল। এওঁৰ দৰে চাবি হাতমান কাপোৰ এডোখৰ কঁকালত মেৰিয়াই লৈ আমাৰ জীয়ৰী-বোৱাৰীয়ে লজ্জা নিবাৰণ কৰিছিল। আমি মানে ওঠৰ শতিকালৈকে নৰখাদক হটেনটট্ আছিলোঁ। মই খঙতে গহীন হৈ থাকিলোঁ।

: আই নো, ইউ ডন্ট্ বিলীভ ইট্। ইউ ডন্ট্ বিলীভ হিষ্ট্ৰী। ইউ ওৱেৰ অল এলাইক। উই আৰ ষ্টিল শ্বো ইন্ দ্য হাৰ্ট অফ্ আৱাৰ হাৰ্টচ্।

মোক এইবাৰো নীৰৱ হৈ থকা দেখি তেওঁ মোৰ হাতত ধৰি জোকাৰি দি অনুনয়ৰ সুৰত কলে— তুমি কিবা এটা কবই লাগিব। এনেদৰে মনে মনে থাকিলে মোৰ খুব ভয় লাগে। জানা, মোৰ ব্ৰাদাৰ যেতিয়া এনেদৰে হঠাৎ নীৰৱ হৈ যায় তেতিয়া মই কি কৰিছিলোঁ?

তেওঁ আহত হব বুলি মই সুধিলোঁ : কি বাৰু?

: চকু দুটা মুদি ঘপ্ কৰে তাৰ কোলাত শুই দিছিলোঁ। আৰু তেতিয়া সি ধমক দিছিল। দাজ্ হি ব্ৰোক হিজ চাইলেঞ্চ্।

: মোৰ কোলাতে আকৌ পৰি নিদিবা।

: গৰজ লাগিছে মোৰ পৰিবলৈ, ইউ আৰ নট্ মাই ব্ৰাদাৰ।

তেওঁ তলমূৰ কৰি কথাবাৰ কৈছিল। মই তেওঁৰ ফালে চাইছিলোঁ যদিও মোৰ দৃষ্টি পৰিছিল তেওঁৰ মূৰত। চুলিৰপৰা কিবা এটা ভাল লগা গোন্ধে মোৰ মন আলোড়িত কৰি তুলিছিল।

তেওঁ মহিলা নাছিল; আছিল ছোৱালী। ছোৱালী যদিও হৃষ্ট-পুষ্ট। কিন্তু আন দহজনী পাশ্বাৰী ছোৱালীৰ দৰে তেওঁ চাপৰ নাছিল। মুখখনৰ নাক, চকু এইবোৰ গঢ়ী নাছিল কিন্তু তাত আছিল এক পৰিচ্ছন্নতাৰ আভাস। টোটেল এফেক্ট বোলা কথা এবাৰ আছে নহয়, মানে মুঠৰ ওপৰত ছোৱালীজনী মৰমলগা আছিল।

আৰু নাম? আইৰিলাই সাৰ্থক নাম, আইৰিলা শব্দটোৰ যদি আইৰ লগত সম্বন্ধ আছে। ছোৱালীজনীৰ চকুযুৰি ভোমোৰা,

পহুমৰ পাহি নাইবা হৰিণীৰ চকু এইবোৰ কিহবাৰ লগত মিলে নে নিমিলে নাজানো, কিন্তু চকুযুৰিলৈ চালে চায়ে থাকিবৰ মন যায়। চাই চাই এসময়ত একেবাৰে আপোন আপোন লাগি যায়।

১ নং চীটৰ মহিলাগৰাকীৰ নাম নিশ্চয় ৰবী-কবী জাতীয় কিবা এটা। এওঁৰ দৰে তেওঁ অৰণ্যে কথাই কথাই নাহাঁহে। কেতিয়াবা হাঁহিলেও ক'ৰবাত হাঁহিবোৰ শেষ হৈ যায় বুলি মুখত ৰুমালেৰে সোপা দি লয়। এওঁৰ লাজত গাল-মুখবোৰ ৰঙা হয়। তেওঁৰ লাজত গাল-মুখ ৰঙা নপৰে দেখি দেহৰ অঙ্গে অঙ্গে তোলে গচকত পৰা কেঁচুৰ অজস্র ভাজ।

মই মহিলাৰ ফালে চালোঁ। আমাৰ চলিহাই টোপনিত সম্মুখৰ পিনে হলি গৈ তেওঁৰ চীটৰ পাছফালে আশ্রয় লৈছে। দুয়োৰে মূৰৰ চুলি মাজে মাজে ঘনিষ্ঠ হৈ পৰিছিল চলিত্র বাহনৰ জোকাৰণিত। ল'ৰীৰ মূৰৰ চুলিখিনিলৈ মনত পৰিল। এনেতে ল'ৰীয়ে সুধিলে:

: হোৱাট ইজ দ্য নেক্সট্ ষ্টপেজ ?

: জাগীৰোড।

: হোৱাট ইজ ইট্‌চ ইম্পৰ্‌টেঞ্চ্ ?

: দেখিবাই নহয় নিজে।

আইৰিলাই সঁচাকৈ বৰ জটিল প্রশ্ন কৰিছিল। জাগীৰোডৰ বৌবৰ্ণিক প্রসিদ্ধি নাই। কিন্তু ঐতিহাসিক মূল্যৰ ফালৰপৰা চাবলৈ গলে জাগীৰোডৰ তুলনাও নাই। আৰু দুটা মাইল পাৰ হলেই জাগীৰোড পামগৈ। পাহাৰবোৰ দুয়োপিনৰপৰা ওচৰ চাপি আহি আলিবাটটোক যেন সাবটি ধৰি দোলাই থৈ গ'ল এইমাত্র। আৰু আলিবাটটোও ৰোমাঞ্চিত হৈ কিছুদূৰ পাহাৰৰ দৰেই ঢৌ খেলি খেলি গৈ থাকিল। এসময়ত আকৌ আলিবাটে শান্ত গতি ললে। পাহাৰবোৰ যেন কিহবাৰ দুৰ্গন্ধ পাই লৰালৰিকৈ আঁতৰি গ'ল।

তেতিয়া আমাৰ একাষে দেখিছোঁ ব্রহ্মপুত্র অয়বাহিকাৰ চকুৰে

মানৱ খোৱাবা বিভূতি আৰু আনকালে দেখিছোঁ খাচিয়া-জয়ন্তীয়া পাহাৰৰ বিশাল বিস্তাৰ। কথাবাৰৰ উত্তৰ মই যে কিদৰে দিম ঠাৱৰ কৰিব পৰা নাছিলোঁ। মই মন নকৰাকৈয়ে এসময়ত মোৰ চকু নিবদ্ধ হ'ল ৪ নং চীট অধিকাৰ কৰি থোৱা এজন বগা ক্ষীণ স্ত্ৰৈণ ডেকাৰ ওপৰত। হাতৰ পৰ্টফলিঅ' বেগটোৰ নাম—খিৰিকীৰে তেওঁৰ নামটোৰ পিছত বি-এ, বেতাঁৰশিল্পী, সাহিত্যিক, সাংবাদিক আদি বিভিন্ন সোৱাদলগা উপাধিৰ সমাবোহ। তেওঁ বাৰে বাৰে বেগৰ নামটোৰ পিনে ৰবীৰ দৃষ্টি আকৰ্ষণ কৰাৰ বাবে কৰা ব্যৰ্থ চেষ্টা বহুতৰে চকুত লাগিছিল। ৰবীয়ে চলিহাৰ সৈতে কথাত ইমান ব্যস্ত হোৱা যেন দেখুৱাইছিল যে, আটায়ে বুজিছিল যে ৰবীয়ে পৰিস্থিতিৰ প্ৰতি সম্পূৰ্ণ সজাগ হৈয়ে কৰোঁ বুলিয়েই কৰিছিল।

কথা কৈ কৈ ৰবী এসময়ত ক্লান্ত হৈ চীটত হলি চকু দুটা মুদি পৰি থাকিল। ডিজেলৰ সুঘ্ৰাণৰ মাদকতাৰ ফলো হব পাৰে। চলিহাই অনিমেষ নয়নে চাই গৈছিল তেওঁৰ শ্ৰান্ত অক্ষি-পল্লৱৰ ফালে।

সুদীৰ্ঘ উপাধিধাৰী অচিনাকি বন্ধুজনলৈ মোৰ অকৃত্ৰিম পুতৌ উপজিছিল। আইৰিলাই মনে মনে মোক কলে: আই ফীল ফৰ দেট্ চ্যাপ্।

: চো হোৱাট ডু ইউ প্ৰপোজ টু ডু

: এক্সপ্ৰেচ মাই আন্-আটাৰ্ড চিম্পেথি। ইউ নো, বেচেৰা বাইটাৰবিলাকলৈ মোৰ পুতৌ হয়। তেওঁলোকৰ প্ৰতিভাৰ ডেমনষ্ট্ৰেশ্যন সময়সাপেক্ষ কথা। হব লাগে দৰাচলতে গায়ক, চিংগাৰ। ছোৱালীৰ লগত চিনাকি হলা, হেগ বুজি গাই দিলা এটা গান। সম্বন্ধ পকাপকি হৈ গ'ল। কিন্তু ৰাইটাৰ হলে, তুমি লেখা, কোনোবা চিনাকি সম্পাদকৰ হাতে-ভৰিয়ে ধৰি আলোচনীত ছপোৱা, আকৌ আমাৰ ছোৱালীবোৰেতো আলোচনী ৰবকৈ নপঢ়ে; তুমি নিজেই এখন কিনি প্ৰেজেণ্ট কৰিলেহে হব। তাৰ পিছতহে তুমি কিবা এটা আশা কৰিব পাৰা। এইখিনিতে তোমাৰ অন্ততঃ

পাঁচ মাহ লাগি যাব। ইতিমধ্যে তোমাৰ প্ৰেমিচিং ক্লিয়াৰ'চিয়ে যে ৰেডি থাকিব তাৰ কি নিশ্চয়তা আছে।

: চো ইট ইজ নট চো চেফ্

: এক্জাক্টলি। কৈয়ে তেওঁ চকু টিপিয়াই উপাধিধাৰী ভদ্ৰলোকৰ ফালৈ মোক দেখুৱালে। কিছুপৰৰ পিছত তেওঁ শান্ত হৈ পাছফালে আউজি দিলে। মোৰো হাত-ভৰিবোৰ কট্‌কটাই আছিলু। অলপ নামি ভৰি-হাত পোনাই লবলৈ ব্যগ্ৰ হৈ পৰিছিলোঁ। জাগীবোড নেপাওঁ হে নেপাওঁ যেন লাগিছিল।

হঠাৎ বাচখনৰ একেস্বুৰীয়া নিস্তব্ধতা ভঙ্গ কৰি পাছফালে কোনোবা এজনে গৰ্জি উঠিল। বাচৰ ঘৰ্ঘৰণিত বোছভাগ কথাই অস্পষ্ট হৈ গ'ল। ঘূৰি চালোঁ। দেখিলোঁ নলবাৰীৰ ফালৰ ভদ্ৰলোক এজনৰ বগা মুখখন খঙত ৰঙা হৈ পৰিছে—

: উপাৰৰ কালাচ'ত উঠ্‌লিয়ে হ'ল! দি এই কন্‌ডাক্টৰ; কমপ্লেনৰ বুকটো আন।

আটাইৰে মনোযোগ আকৰ্ষিত হ'ল সন্মুখৰ ফালে হুডৰ ঠিক তলতে এটা বিশেষ চকেটলৈ। খালী হৈ পৰি আছিল চকেটটো। ভদ্ৰলোকৰ গৰ্জনত তত্ হেৰুৱাই কণ্ডাক্টৰ ওচৰ পালেহি আৰু বিনম্ৰভাৱে সুধিলে—

: কমপ্লেন বুক দিয়া নাই। কি'হ'ল কওকচোন আপোনাৰ?

: হবাৰ কিবা বাকী আছেই না; তুমাক কলি হবু কি!

: তেনেহলে কমপ্লেন বুক?

: অঃ দিহ্; মই লেখিম তাতে তহ্‌নাৰ বিৰুদ্ধে ৰিপ'ট। তহ্‌না কিয়া উঠ্‌বা দিবা যাহা তাহা মান্‌হোক উপাৰৰ কালাচ'ত।

বাচখনৰ যাত্ৰীবোৰ সজাগ হৈ উঠিল। ৰবীয়েও সাৰ পালে। হুবাৰমান পাছলৈ ঘূৰি চাই চলিহাক কিবা সুধিলে। ল'ৰীয়ে মোক সুধিলে—

: হোৱাটচ্ ৰং উইথ হিম্?

তেওঁৰ ইংৰাজী প্ৰশ্নবাৰ শুনি ভদ্ৰলোকে তেওঁৰ ফালে ঘিহে এটা দৃষ্টি দিলে মোৰ মনে মনে ভীষণ ভয় হ'ল। ভদ্ৰলোকৰ মেজাজৰ যি অৱস্থা কাক কেতিয়া কি কৰে একো ঠিকনা নাই। মই ল'ৰাৰ কথাবাৰ তল পেলোৱাৰ উদ্দেশ্যে যথাসম্ভৱ বিনয়-বিগলিত স্বৰে সুধিলোঁ: কি হ'ল আপুনি নকয় কেলেই ?

কবলৈহে পালোঁ যেন জ্বলা জুইত ঘিউ হে ঢালিলোঁ।

: এহ্ এওঁ আৰু' টেন্সপৰ্টৰ উকীলটু অন্নালহি। আপুনাক কুনি মাত্ছি ?

লাজ আৰু পৰিবেদনাত মোৰ বাচৰ তলেদি সৰকি যাম যেন লাগিছিল। ইমানপৰে গহীন হৈ সকলো নিৰীক্ষণ কৰি থকা ক্ষীণ-মীন ভদ্ৰলোক এজনে হৰহৰীয়া মাতেৰে কলে: আগৰ কাইবাই থু ফেল্ছেহে, এওঁৰ হাতত পৰ্ছে।

: অঁ সেইটোহে নেকি ?

: অতো হলি।

গহীন মানুহজন নীৰৱ হৈ পৰিল। লগে লগে বাচৰ মানুহখনে গিৰ্জনি পাৰি হাঁহি উঠিল।

দেখিলোঁ চলিহায়ো হাঁহিছে আৰু মুখত ৰুমালেৰে সোপা দি ৰবীয়েও হঁহাৰ দৰে কৰিছে। মাত্ৰ অবাক নিঃসহায় চাৱনিৰে চাই আছিল আইৰিলাই। তেওঁ একো বুজি পোৱা নাছিল। অথচ ভদ্ৰলোকৰ মূৰ্তি দেখি কাৰোবাক সুধিবলৈকো সঙ্কোচ বোধ কৰিছিল।

কণ্ডাক্টৰে হাঁহি হাঁহি বিপ্লৱী সহযাত্ৰীক কলে: সেইটো কমপ্লেন বুকত লিখিবলগীয়া কথা নহয় নহয়।

: লিখিবলগীয়া কথা নহয় নহয়—এহ্ লোকৰ গাত থু পেলোৱাটু হলি হাঁহিবা লাগা কথা।

ভদ্ৰলোকে মুখ ভেঙুচাই কিবাকিবি ভোৰ্ভোৰাই এসময়ত নীৰৱ হৈ পৰিল। মোৰ চকুৰ আগত ভাহি উঠিল এখন দুৰ্ভেদ্য প্ৰাচীৰ; সম্মুখত জাম্নীবোডৰ অস্পষ্ট ধূঁৱলীৰেখাৰ সিপাৰে যেন থিয় হৈ আছে।

এগৰাকী ইংৰাজ লেখকে কৈছিল যে, চীনত যেতিয়া নাৰীয়ে কবিতা লেখিছিল, তেতিয়া পাশ্চাত্য দেশৰ মানুহ আছিল ক্যানিবাল্‌চ। মোৰ মনৰ চকুত ভাহি উঠা প্ৰাচীৰখনৰ ইপাৰ-সিপাৰৰ সম্পৰ্কও আছিল তদনুৰূপ। অলপ পিছত অলপ সময় হাতত লৈ আলোচনা কৰিম সেই সম্বন্ধে। কিন্তু এই যে জাগীৰোড, এই জাগীৰোডে অকল ঐতিহাসিক ক্ষেত্ৰতে অসমৰ বুকুত প্ৰাচীৰ ৰচা নাই; ভাষা, সংস্কৃতি, সামাজিক আচাৰ-বিচাৰ সকলো ক্ষেত্ৰতে এই জাগীৰোডে এক বিশাল যমুনাৰ সৃষ্টি কৰিছে।

জাগীৰোড অসমৰ নামনি-উজনিৰ সীমা। তাৰ পশ্চিমে নামনি অসম, ঢেকেৰীৰ দেশ, মোগলৰ মানত এই দেশ আছিল ইন্দ্ৰজালৰ দেশ, ঢিকিবুৰ মুলুক। কিন্তু উজনিৰ প্ৰাক্‌বৃটিছ শাসকসকলৰ বাবে আছিল ঢেকেৰী অৰ্থাৎ চেকেণ্ড ক্লাচ চিটিজেনৰ দেশ। দক্ষিণ-আফ্ৰিকাৰ হোৱাইট এৰিয়াৰ নিগ্ৰোসকলৰ চলাফিৰাত নানান বাধা আৰোপ কৰা হৈছিল। আহোম শাসনত ঢেকেৰীবিলাকৰ অৱস্থাও আছিল তদ্ৰূপ।

জাগীৰোডৰ পূবে উজনি, শাসকগোষ্ঠীৰ দেশ। ইতিহাসৰ বেলি সেইপিনে উঠা নাছিল যদিও সেয়া আছিল উজনি। নামনিৰ মানুহে অশেষ কষ্ট কৰি উজাই গৈ শাসকসকলৰ দৰ্শনলাভৰ সৌভাগ্য লাভ কৰিছিল। আৰু লুইতৰো উজনি সেইপিনেই। সেয়ে সেইপিনে উজনি।

আৰু ভাষা? তাকেতো কবলৈ খুজিছিলোঁ ইমানপৰে আপোনালোকক। নামনিৰ ভাষাৰ নমুনা শুনিলৌৱেই নহয় অলপ আগতে। তাৰে এজন নলবাৰী অঞ্চলৰ আৰু এজন নিশ্চয় বৰপেটাৰ। নামনি অসমৰ ভাষাৰ সেইটোৱে সমস্যা। নামনিৰ ভাষা নদীৰ নামৰ দৰে, ঘাটে ঘাটে বেলেগ বেলেগ। যেনে ধৰক ৰবাৰ টেঙা। গোৱালপাৰাত ৰবাৰক কয় জম্বুৰা বুলি, বৰপেটাত বাঙলা, নলবাৰীত হুকুমা, পাতিদৰং আৰু গোৰেশ্বৰ আদি

অঞ্চলত ৰবক, উত্তৰ গুৱাহাটী, গুৱাহাটীত ৰখাৰ। অঞ্চলে উজনিত ৰৰমুত্যুজনিত দোষত 'নাযাওঁ' 'নেযাওঁ' হোৱাৰ দৰে, 'ৰখাৰ' 'ৰেবাৰ' হয়গৈ।

আটাইতকৈ দুৰ্ভাগ্যজনক কথা কি জানে নে? এতিয়াৰ কথা অয়শ্বে নাজানো, কিন্তু আজি কিছু বছৰৰ আগৰ কথা জানো; চেঙা আৰু ভাণ্ডুৰীপাৰাৰ (পলাশবাৰীৰ পশ্চিমে এখন ঠাই) মানুহে নিজৰ সাকিনকে শুদ্ধকৈ কব পৰা নাছিল। কিয়নো তেওঁলোকে 'ঙ'টো উচ্চাৰণ কৰিছিল 'ৱ' বুলি। চেঙাৰ ওচৰৰ বহুৰি অঞ্চলৰ মানুহে আকৌ চেঙাৰ মানুহক এইবাবে জোকায়—'চেৱাঁক যাওঁ ৰহ' বুলি।

ভাণ্ডুৰীপাৰাৰ মানুহে কথা সুধিছিল এইদৰে: অ' কাকা ভাত খাছা?

: অ' খাছোদে।

: কি আঞ্জামু খাছা অই?

: এহ্ কিমু খাবি অই; টেৰাঁ বাওনা আৰু মাওচ। (অৰ্থাৎ টেঙা বাঙ্‌না আৰু মাংস, অৰ্থাৎ বিলাহী বেঙেনা আৰু মাংস।)

পলাশবাৰীৰ মানুহে "ক'ক গেছ্‌লিয়ে" বুলি নলবাৰীৰ মানুহৰ দৰে নকয়—কব, "ক'ক গেছিলি অই" বুলিহে।

বহুবচনাৰ্থক প্ৰত্যয় 'হঁত'টোকে ধৰক—টিহু-নলবাৰীত কয় 'হানা', বৰপেটাত কয় 'আহা', পাতিদৰঙত কয় 'হাম্‌বা', পলাশবাৰীৰ ফালে কয় ঠেত্ বুলি। 'ভায়েকহঁতৰ তাত' এই শব্দটো নলবাৰীত কব, ভাকহানাৰ তাত, বৰপেটাত কব ভাকআহাৰ তাত, পাতিদৰঙত ভাকহাম্‌বাৰ তাত আৰু পলাশবাৰীত কব ভিয়াকৰঠেত্ বুলি।

আলাপ পৰিচয়ৰ আৰম্ভণিতে 'হাও' লগালেই আপুনি চকু মুদি কৈ দিব পাৰে ভদ্ৰলোক বৰপেটাৰ বুলি। বৰপেটাৰ মানুহে কয়, ইংৰাজীৰ 'হাও ডু য়ু ডু' এইষাৰ মাত হেনো বৰপেটাৰপৰাহে ধাৰ কৰা।

বৰপেটাৰ কথা অঙ্গে সুকীয়া। এনে বহুবৰ্ণ কথাৰ অলঙ্কাৰ অসমৰ আন ক'তো নাই। কথাই কথাই অলঙ্কাৰ, আঙ্গিকৰ বানপানী। আইদে, পিতাচৌদ্দ আদি বৰপেটাৰ নিজস্ব ইন্টাৰজেক্‌শ্যন। পাটোৱাৰীৰ দকনৰ পুৰণ ঘিউ, মেম হেন, চইবিয়াৰ তিৰী, নইবিয়াৰ গুবিৰ দাও, চন্দ্ৰমোকাৰ ছাতা আদি বৰপেটাৰ নিজস্ব অলঙ্কাৰ। বিশেষ বস্তু, অৱদান আদিক বুজাবলৈ কয় পাটোৱাৰীৰ দকনৰ পুৰণ ঘিউ বুলি। কোনোবা পাটোৱাৰীৰ দোকানত পুৰণি ঘিউ, নোগোন্ধোৱা ধূপ, পূজা, শ্ৰাদ্ধ আদিৰ উপকৰণ, যন্টামাংখি ম'ৰামাংখি, গন্ধবাজ আদিৰ দৰে বনৌষধি পোৱা গৈছিল। সেইবাবেই দুষ্প্ৰাপ্য বস্তু বা বিশেষ অৱদান বুজাবলৈ কোৱা হয় পাটোৱাৰীৰ দকনৰ পুৰণ ঘিউ বুলি। মসৃণ মিহি বুজাবলৈ কোৱা হয় 'মেমহেন' বুলি। তেনেদৰে কোনো স্থিৰ ব্যৱসায় নথকা মানুহে খবৰ সুধিলেই কব, 'আছোদে ভাই চইবিয়াৰ তিৰীহেন আজি অ'ত কালি ত'ত কৰি'। নইবিয়াৰ গুবিৰ দাও আৰু সাঙ্ঘাতিক। নইবিয়া মানে নবিয়া অৰ্থাৎ প্ৰসূতি। প্ৰসূতিৰ ওচৰত ভূত-প্ৰেত নাহিবলৈ লোৰ বস্তু বুলি এখন দা থৈ দিয়ে। সেই দাখন বুটী দা। নামত হে দা, কামত একো নাই। সেইবাবে ধৰি লওক কোনোবা দেশনেত্ৰীৰ স্বামী নামতহে স্বামী। বৰপেটীয়া বন্ধুক এবাৰ সুধিবচোন দেশনেত্ৰীৰ সেই অখ্যাতনামা স্বামীয়ে কি কৰে বুলি—তেওঁ পোনেই কব: আছেদে নইবিয়াৰ গুবিৰ দাও হেন।

আকৌ চন্দ্ৰমোকাৰ ছাতা। চন্দ্ৰমোকা আছিল তাহানি বৰপেটাৰ এজন মাল। গোৱালপাৰাৰ লেল্‌পা নাথ আৰু বৰপেটাৰ চন্দ্ৰমোকা। সেই কালৰ প্ৰসিদ্ধ মাল। তেওঁৰ ছাতিটো টাপলি দিওঁতে দিওঁতে আগৰ কি বং আছিল ধৰিবলৈ টান হ'ল। সেইবাবেই নানান জোৰা-টাপলি মৰা কাম বা কথাক কয় চন্দ্ৰমোকাৰ ছাতা বুলি।

নামনি অসমৰ ভাষাৰ এনে বৈচিত্ৰ্য দেখি তাহানি পাছুৰিসকলে নামনি অসমৰ ভাষাক লিখিত ভাষা হিচাপে গ্ৰহণ নকৰিলে।

উজনিতো বিভিন্নতা দুই-চাৰিটা নোহোৱা নহয়। কিন্তু খুব কম। যেনে 'চাগে' শব্দটো অধে-মধে লগায় চতিয়া চাৰিআলিৰ মানুহে। যেনে চতিয়া জামুগুৰিৰ 'ভিয়াই' শব্দটো তেজপুৰত হয় 'জিকাই'। কিন্তু এটা কথা। নামনিৰ শব্দবোৰ উজনিৰ বাবে গ্ৰহণযোগ্য নহলেও সৰ্বভাৰতীয় ভিত্তিত নামনিৰ বেছিভাগ শব্দই যে গ্ৰহণযোগ্য ই অনস্বীকাৰ্য্য। অৱশ্যে অসমীয়া ভাষাৰ স্বাতন্ত্ৰ্য ৰক্ষাৰ বাবেই থলুৱা শব্দৰাজিক অসমীয়া ভাষাত সুমুৱাই ভাৰতীয় ভাষাৰ প্ৰধান সুঁতিৰ-পৰা আঁতৰাই ৰখা হৈছে বুলি ভাবিবৰ থলো নোহোৱা নহয়। স্বৰ্গীয় দেবেশ্বৰ চলিহা থকা থলে এই প্ৰশ্নৰ যথাযথ উত্তৰ দিব পাৰিলেহেতেন।

এবাৰ সাহিত্যৰথী বেজবৰুৱাই নামনিৰ উত্তম চন্দ্ৰ বৰুৱালৈ 'বাঁহী'লৈ এটা ঢেকেৰী শব্দৰ গল্প পঠাবলৈ বুলি লিখি পঠাইছিল। বৰুৱাই অৱশ্যে ৺বেজবৰুৱাৰ প্ৰচ্ছন্ন বিদ্ৰূপখিনি ধৰিব পাৰিলে আৰু সেইবাবেই তেওঁ গল্প নেলেখি লেখি পঠালে এখন ফৰ্দ। উজনি আৰু নামনিৰ সমাৰ্থক শব্দৰ এখন তালিকা। তাত দিয়া আছিল এনেবোৰ শব্দ—

নামনিত	উজনিত
পৰ্ব	পৰব
শ্ৰাদ্ধ	শৰাধ
ডিমা (সংস্কৃত ডিম্ব)	কণী
পেয়াঁক (সং পঙ্ক)	বোকা
মাইকী মানুহৰ দেহ আগুৰি থকা	
কাপোৰক—আগুৰাণ	ৰিহা
মহৰ বাবে তৰে বাবে—মহৰি	আঁঠুৱা

কিন্তু নামনিৰ ভাষা ঢেকেৰীৰ ভাষা বাবেই উজনিত নিষিদ্ধ। অসমৰ স্কুলসমূহৰ প্ৰাক্তন পৰিদৰ্শক প্ৰাতঃস্মৰণীয় শৰৎচন্দ্ৰ গোস্বামী-দেৱে তেখেতৰ বিভিন্ন লিখনিত ৰাজা, ছলি এই শব্দবোৰ সুমুৱাৰ

চেষ্টা কৰিছিল। কিয়নো বজাতকৈ বাজা শব্দটো ব্যুৎপত্তিগত অৰ্থৰ ফালৰপৰা বেছি শুদ্ধ আৰু ছৱাল শব্দৰপৰা অহা ছলি শব্দটোৱে ল'ৰা-ছোৱালী উভয়কে বুজায়। অসমীয়াত তাৰ প্ৰতিশব্দ এটাও নাই। তথাপি এই শব্দ দুটা গ্ৰহণ কৰা নহ'ল। ফাগুনৰ ধূঁৱলি-কুঁৱলি অৱস্থাটোক উখাবু বুলি কয় কামৰূপত। উখাৰ শব্দটো ঊষৰ অৰ্থাৎ মৰুময়—শুকান এই শব্দৰপৰা অহা। অসমীয়াত তাৰ প্ৰতিশব্দ নাই। কিন্তু গ্ৰহণ কৰাও হোৱা নাই এই শব্দটো।

নামনি-উজনিৰ মাত-কথাৰ এই বৈষম্য লৈ মাজে মাজে দুই-এটা হাস্যকৰ ঘটনাও ঘটে। এবাৰ মোৰ এজন উজনীয়া বন্ধুক কলোঁ—"সংস্কৃতৰ 'পঙ্ক' শব্দটো উজনি অসমৰ বোকাচবে পাই 'বোকা' কৰি পেলালে।" তেওঁ টপৰাই উত্তৰ দিলে—"এৰাহে, আমাৰ উজনিৰ কোমল-চাউল আনি নামনিৰ বোকাচবে বোকা চাউল কৰি পেলালে; উজনিৰ জিলিমিলি শাক আনি নামনিৰ ভোটা-বুদ্ধিচবে ভোটাশাক কৰি পেলালে।"

এবাৰ আকৌ বৰপেটাত উজনিৰপৰা বিয়া কৰাই অনা ন-ছোৱালী চাবলৈ গ'ল। এগৰাকী বুঢ়ীয়ে চাই মন্তব্য কৰিলে—"বৰ ঠগুৱা দে মাইছানাটো।"

দবাই শুনি কলে—'এ আবু, এওঁক কি ঠগুৱা দেখ্ছা; মাক-বাপাক আৰু যি ঠগুৱা!"

কথা শুনি ন-ছোৱালীয়ে কান্দি-কাটি এতিয়া ভাত নেখায়। দবাক চেলেঞ্জ দিলে, তেওঁ বা তেওঁৰ মাক-বাপেকে কেতিয়া কাক ঠগিছিল তেওঁ কব লাগিব বুলি। তেওঁতো নাজানে কামৰূপত ঠগুৱা মানে যে ঠগিত অৰ্থাৎ সুগঢ়া!

উজনি-নামনিৰ ভাষাৰ বৈষম্য লৈ এনে অলেখ মুখৰোচক কাহিনী আছে।

: ৰেল হু আৰ দ্য অবিজিনেল স্পীকাৰচ্ অব্ ইয়োৰ লেংগেজ্জ?

: অল।

হোৱালীজনী কিমানলৈ পঢ়া মই নাজানো, আচলতে সোধাৰ সুবিধাই হোৱা নাই। কিন্তু তেওঁ যেনে ধৰণৰ প্ৰশ্ন কিছুমান কৰি আহিছে মই মাজে মাজে প্ৰমাদ গণিবলগীয়াত পৰিছোঁ।

অসমীয়া ভাষা কোৱা আদিম মানুহ কোনবোৰ বাৰু? বামুণ-কলিতা-কায়স্থ এইসকলৰ আদিম ভাষা আছিল হয় সংস্কৃত, নহয় বঙালী, নহয় হিন্দুস্থানী, নহয় মাৰোৱাৰী; কছাৰীৰ আছিল বড়োভাষা, আহোমৰ টাই, মিৰিৰ আদি, ৰাভাৰ ৰাভা, কোচ ৰাজ-বংশীৰ নিজৰ ভাষা পাণিনি পতঞ্জলি ডিবছা ভাষা আৰু চাহবাগিচাৰ বনুৱাসকলৰ আদিম ভাষা আছিল মধ্য ভাৰতৰ বিভিন্ন উপভাষা। আৰু মুছলমানসকলৰ তুৰ্কী, কাৰোবাৰ আৰবী। অৱশ্যে বহুতে অনুমান কৰে যে কৈৱৰ্তসকলে পোন-প্ৰথমে অসমীয়া ভাষা ব্যৱহাৰ কৰিছিল। লুইত আৰু বিভিন্ন নৈত বেহা-বেপাৰ কৰি ফুৰা এই কৈৱৰ্তসকলে বিভিন্ন মানৱগোষ্ঠীয়ে বুজি পোৱা এটা ভাষা কৈছিল। তাতে সংস্কৃত, হিন্দী, পর্টুগীজ, ইংৰাজী, আৰবী, ফাৰ্চী, বড়ো, আদি, টাই বিভিন্ন ভাষাৰ শব্দৰাজি সোমাই পৰিল; কালক্ৰমত সেয়ে হ'ল অসমীয়া ভাষা। দৰাচলতে অসমত বাস কৰা সকলো মানুহৰে আদিম ভাষা অসমীয়া।

দৰাচলতে এই উত্তৰ-পূব ভাৰতৰ ভাষা অতীজতে আছিল ডিবছা বা ডিমাছা। পুৰণি ইতিহাস পঢ়িলে পোৱা যায় এই ভূখণ্ডত ডিবছা বা ডিমাছা বুলিবৰ এটা জনগোষ্ঠীয়ে বাস কৰিছিল। তেওঁলোকৰ ভাষা আছিল পৈশাচী বা আসুৰিক বা আৰ্যেতৰ। খৃঃ পূঃ ষষ্ঠ শতিকাত পাণিনিয়ে আৰু তাৰ দুশ-বছৰমানৰ পিছত পতঞ্জলিয়ে ভাৰতীয় ভাষাৰ গৱেষণা কৰোঁতে এই প্ৰত্যন্ত ভূমিৰ ভাষাৰ দুই-এটা নমুনা দাঙি ধৰিছিল। সেই নমুনাও সেইকালত ডিমাছা ভাষাৰ প্ৰচলনকেই দোহাৰিছে।

হিউৱেন চাঙেও' সেই ভাষাকেই কামৰূপত জনসাধাৰণৰ মুখত শুনে। কালক্ৰমত ডিবছা শক্তি বিচ্ছিন্ন হৈ পৰে আৰু ৬ '·মধ্যে

পশ্চিম ভাৰতৰ অধিকতৰ শক্তিশালী আৰ্য্য সংস্কৃতিৰ অনুপ্ৰবেশ ঘটে। আৰু লাহে লাহে অসমীয়া ভাষাই গঢ় লয়।

: বাট নট্ ইন দ্য হীলচ্।

: হোৱাই নট্! বিভিন্ন উপভাষী লোকে উমৈহতীয়া কি ভাষা কয়?

: আই হেভ্ নো আইডিয়া; ইট্ মাষ্ট বী ইংলিচ।

বলাচোন এবাৰ তোমাৰ খাচিয়া পাহাৰৰ উকিয়ামলৈকেই যাওঁ। গাৰোপাহাৰ, খাচিয়াপাহাৰ আৰু কামৰূপ জিলাৰ সঙ্গমত এই সৰু গাওঁখন। তাত এখন সৰু প্ৰাথমিক স্কুল আছে। তাত শতকৰা ষাঠি ভাগ গাৰো, কুৰি ভাগ খাচি, আৰু বাকী কুৰিভাগ বড়ো-ৰাভা ল'ৰা-ছোৱালী। তাত প্ৰাথমিক পৰ্য্যায়ৰ ভাষা হিচাপে শিকোৱা হৈছে ইংৰাজী। কিন্তু গাওঁবোৰলৈ গৈ চোৱা তেওঁলোকৰ উমৈহতীয়া ভাষা হ'ল অসমীয়া। বাস্তৱক অস্বীকাৰ কৰি কি লাভ হৈছে কব নোৱাৰোঁ। এটা কথা অৱশ্যে সাধাৰণ মস্তিষ্কৰ মানুহেও বুজি পাব যে এনেধৰণৰ আঁকোৰ-গোজালি মনোভাৱেৰে ভৱিষ্যৎ বংশধৰসকলৰ মুৰ খোৱাত বাদে কাৰো কল্যাণ হোৱা নাই।

কথাবোৰ শুনি শুনি এসময়ত তেওঁ অন্যমনস্ক হৈ পৰিল। তাৰ পিছত তেওঁ মুখেৰে ওলাই অহা হাঁহিটো মুখতে হাত এখনেৰে ঢাকি কাঢ়ি ললে সন্তৰ্পণে। এতিয়াহে তেওঁ জাগীৰোড পাবৰ কাৰণে ব্যগ্ৰ হৈ উঠিল। বাচখনৰ ভিতৰত দেখিলোঁ যেন আটায়ে এখন শোকসভাত কোনোবা মৃতকৰ আত্মাৰ সদগতি কামনা কৰিছে।

জাগীৰোডত আমাৰ বাচখন ৰ'লহি। ৰূপকথাৰ সোণৰ কাঠিৰ স্পৰ্শত যেন বাচৰ মৃত যাত্ৰীসকলে প্ৰাণ পাই উঠিল। ইমান পৰে নিথৰ হৈ থকা মানুহবোৰে গা লৰালে। নামিবৰ কাৰণে সাজু হ'ল।

এইটো উজনিমুৱা যাত্ৰীসকলৰ ফিলিং ষ্টেচন। অৰ্থাৎ ইয়াতে

যাত্ৰীয়ে চাহ-মিঠাই খাই নয়। ভাল চাহ, চানাৰ ভাল মিঠাই, কমলা চব পাব ইয়াত। উজনিৰ যেনে বোকাখাট, নামনিৰ তেনে জাগীৰোড। মই গৰমৰ কাৰণেই বিশেষকৈ নামি পৰিলোঁ। ৰবীও নামিছিল। চলিহাৰ ফালে চাই। পূৰ্ণ মানুহজনী দেখি ভাল লাগিল। লহপহ কৰে চেচুকৰ দামদেউকাৰ দৰে ছোৱালীজনী। গাৰ বৰণ কেঁচা হালধিৰ নহয়। মিঠা বৰণৰ। চকুহাল ডাঙৰ ডাঙৰ, কোনোদিন কাৰো ভৰিৰ খোজ নপৰা যেন পৰ্বতৰ একোটাইঁত গভীৰ গহ্বৰ। কিন্তু মুখখন যে ইমান গহীন। ছোৱালী মানুহৰ মুখ ইমান গহীন। তুলসীদাসে ক'ৰবাত কোৱা যেন মনত পৰিছে—

কহা কহোঁ ছবি আজকী ভলে বনো হো নাথ।
তুলসী যব মস্তক নবৈ ধনুৰ বাণ লো হাথ॥

মোক পিছে ধনুৰ্বাণেৰে সজ্জিত ৰণচণ্ডীৰ মূৰ্তি নেলাগে সোণ। আমি যেতিয়া দেখিলোঁ তোমাৰ পূৰ্ণ ৰূপত, দিয়াচোন মাথোন এটি হাঁহি আমাৰ কাৰণে হেৰা, ৰূপহী সোণপাহী, লাগে তাৰ কাৰণে আমাৰ জীৱনৰ সমস্ত হাঁহিকে আমি উছৰ্গা কৰিম। মই মুহূৰ্তৰ কাৰণে কিবা এটা নিচাত তন্ময় হৈ পৰিছিলোঁ। আইৰিলা যে মোৰ ওচৰতে থিয় হৈ আছিল মই জনা নাছিলোঁ। তেওঁ ফুচ্‌ফুচাই কলে : If you tell a woman she is beautifull, whisper it softly ; for if the devil hears it he will echo it many times.

তেওঁ এইবাৰ কাৰ বাণী শুনালে মনত নপৰিল। কিন্তু অলপ পিছতে উপলব্ধি কৰিছিলোঁ তাৰ মৰ্মাৰ্থ। পাহাৰী ছোৱালীজনীৰ নিৰ্বিকাৰ উদ্ধত মুখখনলৈ চাই মৈমনচিঙীয়া ভদ্ৰলোকজনে দীঘলকৈ নাঙলুচন্দ্ৰ হুমুনিয়াহ এটা এৰি গুচি গ'ল। নলবাৰীৰ সহযাত্ৰীজনে ঘৃণা-কুঞ্চিত দৃষ্টিৰে দুয়োলৈকে চালে। মানে মোলৈ আৰু আইৰিলালৈ। আগৰ কথা মনত পৰাত থুৱালে যেনি-তেনি বহুতোবাৰ। উথলি অহা প্ৰচণ্ড হাঁহিটো চেপি ৰখাত মোৰ যথেষ্ট

কষ্ট হৈছিল। লাহে লাহে মই আগবাঢ়িছিলোঁ ট্ৰেলপৰ্ট ষ্টেচন-ওচৰৰ পঞ্জাবী চাহ-ভাতৰ দোকানখনলৈ।

হঠাৎ কাণত পৰিল কেন্টিনৰ সম্মুখত চিগাৰেট হুপি কলেজৰ (?) পিলিঙা ডেকা দুটাই কাৰোবাৰ বংশৰ •ইতিবৃত্ত লৈ ব্যস্তভাৱে আলোচনা কৰা।

: মই নামটো পাহৰিলোঁ হে। কবী, ববী এনেই কিবা এটা। বাপেক সাহিত্যিক। বাগান আছে নে বাগানতেই চাকৰি কৰে। বাগানৰ ৰবমহৰীয়েও কয় নহয় আজিকালি প্লেন্টাৰ বুলি?

: প্লেন্টাৰ নহয়; নহলে গাড়ীত নগৈ বাচত কমনাৰ্চৰ লগত আহিব নে? কিন্তু মুখলৈ চাইছা নে? দেখিলেই ধৰিব পাৰি, অসম্ভৱ প্ৰাউড।

: বাদ দিয়া। প্ৰাউড হলে হব কিটো। জোগ্ৰাফিত ভাল যেতিয়া হিষ্ট্ৰীত কি হব জানাই। তোমাক মই কৈ থলোঁ, এইটো যে পাছকালে বহি গৈছে। স্কুলত থাকোঁতে তাক যে আমি জোকাইছিলোঁ ব্ৰিডিং বুল বুলি?

: অঁ হীৰেন চলিহা।

: অঁ। চাবানা, তাই তাৰ লগত বাটে-পথে ক'ৰবাত নামি যাব। নহলে মোৰ নামত এটা কুকুৰ পুহিবা। এইচব ছোৱালী আমাৰ জনা আছে।

: ছিঃ ছিঃ অন্ন-যোনি কিছু নকৰে বিচাৰ
জাতিকুল ভৈল ভ্ৰষ্ট।
ভদ্ৰতাৰ বেশ ধৰিয়া ফুৰয়
আমাৰ পথ কৰি নষ্ট॥

: হবই—ব্ৰহ্মায়ো যৈসানি নিজ দুহিতাক
কটাক্ষক কৰি চান্ত।

চাহৰ কাপটো আগত লৈ ডেকা দুজনৰ পাণ্ডিত্যৰ বাহাৰ দেখি স্তব্ধ হৈ গৈছিলোঁ। এওঁলোক দেখিছোঁ শঙ্কৰ-মাধৱৰ উৰ্ধতন পুৰুষ। এওঁলোকক পোৱা হলে শঙ্কৰ-মাধৱৰ 'হুত্তীৰ দেখিয়া লাদ,

শহা যেন ক্ষাড়ে মার্গ' অৱস্থা হ'লহেতেন। চাহ খাই উঠাৰ আগতেই আইবিলাই কলে: উড্ ইউ মাইণ্ড, আই পেল পে?

মোৰ হাঁহি উঠি গৈছিল তেওঁৰ মূৰ্খামী দেখি। আজিৰ এই ছুনিয়াত তেনে এটা প্ৰস্তাৱক কোন বুৰ্বকে বাৰু অগ্ৰাহ্য কৰিব? তথাপি মই কলো: তুমি কিয় দিবা? মই হে মাতি আনিছোঁ তোমাক!

: মই খাচী ছোৱালীতো; আমাৰ তাত সদায় আমি দিওঁ আৰু তোমালোকে খোৱা। সেই সন্মানৰপৰা তুমি জানো মোক বঞ্চিত কৰিবা?

: ইয়াত বঞ্চিত কৰাৰ কি কথা আছে। সেইটো হ'ল তোমালোকৰ খাচিয়া পাহাৰৰ নিয়ম আৰু এয়া লৈ—

: তুমি তেনেকৈ নকবা। আজি কব নোৱাৰোঁ কিয় তোমাৰ কথাবোৰ শুনি শুনি অসমৰ প্ৰতিটো ধূলিকণাকে মোৰ নিজৰ যেন লাগিছে।

ছোৱালীজনীৰ নিশ্চয় কবিতা-চবিতা পঢ়াৰ বদভ্যাস আছে। মই আলোচনাৰ মাজত সোমাবলৈ কুণ্ঠাবোধ কৰিলোঁ। পইচাটো তেৱেঁই দি দিলে। প্ৰবঞ্চিত কোন হ'ল কব নোৱাৰিলোঁ। মোৰ অন্তৰৰ কোনোবাখিনিত হলে তেজবোৰ যেন উথলি উঠিছিল এনে এটা অনুভৱ হৈছিল। এবাৰ লণ্ডনৰ কাফে এটাত হেনো এজন স্কটিচ আৰু এজন ইংৰাজে একেলগে কফি খাবলৈ বহিল। কফিৰ ট্ৰে আহি পৰাত বুধিয়ক ইংৰাজজনে টপৰাই কলে তাৰ বন্ধুক উদ্দেশ্য কৰি—ইউ বী দ্য মাদাৰ এণ্ড চাৰ্ভ। হোজা স্কটিচজনে বেচেৰা নীৰৱে হিউমাৰখিনি হজম কৰি কফি বনোৱাত লাগি গ'ল। ছুয়োৰে খোৱা শেষ হ'লত স্কটিচজনে উঠি মুখখন মচি গহীন হৈ কলে— ইউ বী দ্য ফাদাৰ এণ্ড পে।

আইবিলাক পিছে ভুলতো মই পিতৃ-মাতৃৰ কৰ্তৃত্ব দিয়া নাছিলোঁ। মাথোন মই অবাক হৈ গৈছিলোঁ তেওঁৰ কথা শুনি।

বাস্তালৈ ওলাই আহিয়েই তেওঁ মোক লগ ধৰিলে ওচৰৰ ডাক-বঙলাটোলৈ। মোৰ কাণ-মূৰ গৰম হৈ গ'ল। যন্ত্ৰচালিতৰ দৰে তেওঁৰ পাছে পাছে গৈ থাকিলোঁ। কোঠা এটাৰ ভিতৰখন চাই তেওঁ আকৌ ঘূৰি আহি কলে : লেট্ মী চেঞ্জ্, ইউ ষ্টে হীয়াৰ। ডণ্ট্ কাম্ ইন্চাইড।

তেওঁৰ হাঁহি হাঁহি ভিতৰলৈ সোমাই যোৱা ছবিটোৱে মোৰ মগজুত যুগপৎ বিভিন্ন চিন্তাৰ প্লাৱন তুলিলে। এসময়ত মই তেওঁৰ হাঁহিটোৰ অৰ্থ বুজিবৰ চেষ্টা কৰিলোঁ। সেই হাঁহি বাৰু বিশ্বাসৰ নে অবিশ্বাসৰ, নিৰ্ভৰৰ নে সন্দেহৰ আছিল। সন্দেহ বা অবিশ্বাস থকা হলে তেওঁ জানো মোক এনেদৰে ইয়ালৈ লৈ আহিলেহেতেন। চিন্তা কৰোঁতে কৰোঁতে মোৰ হঠাৎ এক প্ৰচণ্ড অপমানবোধ হ'ল। মই কিবা তেওঁৰ দেহৰক্ষী নেকি এনেদৰে তেওঁৰ পোকৰে পোকৰে ঘূৰি ফুৰিবলৈ। মই তৎক্ষণাৎ তাৰপৰা উভতি অহাই সমীচীন হব বুলি ভাবিলোঁ আৰু উভতি অহাৰ কথা চিন্তা কৰিলোঁ। এনেতে দুৱাৰৰ খিলি খোলাৰ শব্দ হ'ল। আৰু অলপ পিছতে তেওঁ ওলাই আহিল। মই মুহূৰ্তৰ আগৰ ভাববোৰ হঠাৎ পাহৰি গলোঁ। তেওঁৰ মুখৰ ফালে চাই অবাক হৈ পৰিলোঁ।

: তুমি মোক চকুৰে গিলি থৰা যেন কৰিছাচোন ?

: চেঞ্জ্ মানে যে ইমান চেঞ্জ মইতো জনা নাছিলোঁ।

: মানে ?

: কলে জানো তুমি বিশ্বাস কৰিবা ?

মই নিজকে বিশ্বাস কৰিব পৰা নাছিলোঁ। ছোৱালীজনীৰ এই অপৰূপ লাৱণ্য ক'ত যে লুকাই আছিল মই ভাবিবই পৰা নাছিলোঁ। চেঞ্জ্ মানে যে এইদৰে চেঞ্জ হব পাৰে মোৰ আগতে অভিজ্ঞতা নাছিল। ক্লিওপেট্ৰাৰ বিষয়ে কোনোবা এজনে কৈছিল :

If the nose of Cleopatra had been a little shorter, it would have changed the history of the world.

নাৰীৰ অতুলনীয় ৰূপৰ ৰহস্য যে কোন এটা অজ্ঞাত বিন্দুত নিহিত হৈ থাকে ধৰা টান। এইবাৰ তেওঁ সৰু সৰু বালিগ্ৰাহী খোজেৰে আগে আগে আহিল। আৰু ক'তো অকণো নবৈ পোনে পোনে গাড়ীত উঠি বহি ললেহি। গাড়ী এৰিবলৈ আৰু দুই-তিনিটামান মিনিট দেৰি আছিল। মই তেওঁৰ ওচৰৰ খিৰিকাখনৰ বাহিৰত থিয় হৈ চিগাৰেট এটা হুপিলোঁ। এনেতে পাছফালে ক'ৰবাত এম্‌-জি-এম পিক্‌চাৰ আৰম্ভ হোৱাৰ শব্দ এটা শুনিলোঁ। ঘূৰি চালোঁ। পিক্‌চাৰ নহয়, শকত ভদ্ৰলোকজনে পঞ্জাবী ৰেস্তোৰাঁত প্ৰাতঃ আহাৰ্য্য শেষ কৰি আহি পৰম পৰিতৃপ্তিৰে উগাৰ এৰিছে। তেওঁ শঙ্খমাৰ্কা সন্দেশ .কেইটামান খাইছিল। মই দেখিছিলোঁ। আৰু খোৱাৰ ধৰণ দেখি মোৰ সন্দেহ নাছিল যে সন্দেশৰ আকৃতিৰ কোনো হৰণ-ভগন নোহোৱাকৈ, যেনে সন্দেশ তেনেই গৈ একেবাৰে পাকস্থলী পাইছিলগৈ।

তেওঁ পিছে এই ভদ্ৰলোকজনৰ ফালে মন কৰা নাছিল। তেওঁ মন কৰিছিল গাড়ীৰ ভিতৰৎ বহি থকা ববী আৰু অলেখ উপাধিধাৰী কাকতিলৈ। তেওঁৰ নামটো আছিল শ্ৰী—কাকতি। সেইফালে দেখুৱাই মোলৈ চকু টিপিয়াই সঙ্কেত দিয়াত ময়ো গৈ গাড়ীত বহি ললোঁ। দেখিলোঁ কাকতি ববীৰ চীটৰ ফালে হলি এইমাত্ৰ কিবা এটা কৈছিল। কিছুমান মানুহ আছে নহয়, চেন্স অব প্ৰপোৰ্‌চন নথকা। কাকতিও তেনেকুৱাই আছিল। ববীয়ে তেওঁৰ লগত কথা পাতিবলৈ যে অকণো ভাল পোৱা নাই ববীৰ চকু-মুখলৈ চালেই এটা অজমূৰ্খয়ো ধৰিব পৰা হৈছিল। কাকতি কিন্তু নিৰ্বিকাৰ।

: আপুনি বেয়া নাপাব। আপোনাক ক'ৰবাত দেখা দেখা যেন লাগিছে দেখিহে সুধিছোঁ।

: ক'ৰবাত দেখা কথাটোতো ইমান বিশেষ মন কৰিবলগীয়া কথা নহয়। মোক কতই কত ঠাইত দেখিব পাৰে। আজিও বাচৰ প্ৰতিজন যাত্ৰীয়েই মোক দেখিছে। সেইটো কি এটা কথা।

প্রকৃতি কিন্তু হতাশ নহ'ল। সেই বঙালী গাঁজা এটা যে সুধিছে—

: আপ্নাৰ বাড়ী কি নোৱাখালি ?

: না।

: আমাৰও না। দেখুন ত আমাদেৰ কত মিল!

: আপোনাৰ ঘৰ ক'ত বাৰু ?

: যোৰহাটত।

: যোৰহাটৰ কোনখিনিত বাৰু ?

: আপুনি যোৰহাটত আছিল নেকি ?

: নাই। যোৰহাট এনেয়ে ডিব্রুগড়লৈ বাটত যাওঁতে-আহোঁতে সদায় দেখোঁ।

সেই যে এটা গল্প আছে। মানে ভদ্রলোক গৈছে ৰাতিটোৰ কাৰণে আশ্রয় বিচাৰি। চিনাকি দিছে এই বুলি—আপোনালোক আমাৰ আপোনেই। চিনাকিহে নাই। মোৰ দাদাৰ বন্ধু এজনৰ ভায়েকলৈ আপোনালোকৰ ঘৰতে ছোৱালী চাইছিল নহয়। আমাৰে ভাগ্য বেয়া, বিয়াখন কিবা কাৰণত নহ'ল।

বিৰক্তিত আইৰিণাই মুখখন ঘূৰাই মোৰ ফালে চাই কলে —চো ?

: চো হোৱাট ?

: টেল্ মী চাম্থিং। আমিতো এতিয়া জাগীৰোড এৰি যাম। আৰু বহুতো নতুন ঠাই পামগৈ। সেই ঠাইবোৰৰ কত নতুন কথা কবলগীয়া থাকিব। জাগীৰোডৰ কথা কবলৈতো আৰু সুবিধা নাপাবা

কি কম বাৰু ?

গাবো মানুহৰ কথা কৈছিলাচোন। কোৱাচোন ভেওঁলোক কেনেদৰে অসমলৈ আহিছিল !

গাৰোসকলে অসমত প্ৰবেশ কৰিছিল বাংলাদেশৰ পৰা। তেতিয়া অৱশ্যে বাংলাদেশ নাছিল। জনশ্ৰুতি আছে, তেওঁলোকে বিজয় অভিযান চলাই লুইতৰ উত্তৰ পাৰেদি আহি নকৃমা ধুবীৰ (নেতাই ধুবুনী, গাৰোভাষাত নকৃমা মানে নেতৃস্থানীয় ব্যক্তি) ঘাট পাৰ হ'ল। হৈ ঢলা নৈৰ (ব্ৰহ্মপুত্ৰৰ আঞ্চলিক নাম) পাৰে পাৰে আহি পাগ্‌লাটেকৰ সিটো পাৰে প্ৰথম প্ৰতিৰোধৰ সন্মুখীন হ'ল বেহাৰী ৰজাৰ হাতত। বেহাৰ ৰাজ্যৰ প্ৰতিষ্ঠা হৈছিল চৈধ্য শতিকাৰ শেষৰ ফালে। কাজেই এই জনশ্ৰুতিয়ে এইটো প্ৰমাণ কৰে যে গাৰোসকল অসমত খৃষ্টীয় চেধ্য শতিকাৰ পিছতহে সোমাইছিল।

যাই হওক, চংত্থ-চি-বিমাৰ (লুইতৰ) এই বিজয় অভিযান ব্যৰ্থ হ'ল। গাৰো নকৃমা যুঁজত হাৰি দলবল সহ পলাই গ'ল ফুলৰা পাহাৰৰ ফালে। সম্বলহীন হৈ জাতিৰ শেষ ৰক্ষাৰ অৰ্থে বিসৰ্জন দিলে এগৰাকী নগণ্যা অভিযাত্ৰীক। তাইক বিক্ৰী কৰি বিনিময়ত পালে বত্ৰিশ জোপা কলগছ। তাৰে ভুৰ সাজি পাৰ হ'ল ঢলা নৈ আৰু পোনে পোনে যি ঠাই পালেহি তাতে হাবড়া নকৃমাই প্ৰতিষ্ঠা কৰিছিল হাবড়াঘাট ৰাজ্যৰ।

ঋষি (সূৰ্য্য) পূজক গাৰোসকলে 'ঋষিৰ' দৰেই অখণ্ড প্ৰতাপেৰে সেই অঞ্চলত বিভিন্ন সৰু সৰু ৰাজ্যৰ সৃষ্টি কৰিছিল। লুকি, ৰাণা এই ৰাজ্যবোৰ সেই গাৰোসকলেই প্ৰতিষ্ঠা কৰিছিল।

পিছৰ যুগতো আৰং নকৃমাই গাৰোপাহাৰৰ উচ্চতম শৃঙ্গ নক্ৰেক কেন্দ্ৰ কৰি এখন ৰাজ্যৰ সৃষ্টি কৰে। ৰং ৰং গিৰিত গাৰো নকৃমা গোৱালে অসীম বীৰত্বেৰে ইংৰাজ সাম্ৰাজ্যবাদীৰ 'ৰালখু ঘোপা চেলু' অৰ্থাৎ ধোঁৱা ওলোৱা যাঠীৰ (বন্দুক) সন্মুখত বুকুপাতি প্ৰতিৰোধ দিয়াৰ কাহিনী আমি আজিও পাহৰা নাই।

: হিউমেন বীং চোন্ড ?

এইজনী দেখিছোঁ আগৰ আই-চি-এচ কমিশ্যনাৰসকলৰ দৰে।

যেন নজৰডৰ কেচবুকহে চাইছে। পাত লুটিয়াই গৈ আছে পটাপট ; মাজে মাজে মাত্র দুই-এক চেকেণ্ড বৈ গৈছে। কিন্তু দেখিব, ঠিক য'ত ভুল আছে তাতেই চকু পৰিছে। মানে য'তে বাঘৰ ভয় ত'তে ৰাতিও হয়—অৱস্থা এটা। তেৰোঁ, ইমান বীৰত্বৰ কাহিনী কলোঁ গাবোসকলৰ, সকলো বাদ দি ধৰিছে ছোৱালীজনী বিক্রী কৰাৰ কথাটোত। মই বাধ্য হৈ কলোঁ—

ঃ এৰাতোন। জলপাইগুৰিৰ গ্রামাঞ্চলত কেইবছৰমান আগলৈকেও এনে প্রথা আছিল। আমাৰ হয়াতো এসময়ত দাস বিক্রী হৈছিল। একোজন কলিতা দাসৰ দাম ৰূপ পঞ্চাশ টকা পর্য্যন্ত আছিল। অন্য জাতিসকলৰ দাসৰ দাম আছিল নামমাত্র। এতিয়া সেইবোৰ বাদ দিয়া ; উজনি-নামনিৰ যমুনা জাগীবোডৰ কথা শুনা। ভাষাৰ কথা তোমাক কলোঁৱেই। এইবাৰ মানুহৰ নাম। নামৰ ক্ষেত্রতো আছে সৰুসুৰা কিছুমান বৈশিষ্ট্য। যেনে ধৰা মমতচন্দ্র নামটো। এই নামৰ মানুহ তুমি উজনিত বিচাৰি নোপোৱা। আকৌ টঙ্ক, টঙ্কেশ্বৰ, টপাধৰ, লথাই, বগীৰা আদি নামৰ মানুহ নামনিত পাবলৈ টান।

নামনিৰ বৰপেটাত দেখিবা আকৌ মানুহৰ নাম নদি দি ভগৱানৰ অষ্টোত্তৰ শতনাম শেষ কৰিও মুখ্য দেৱ-দেৱীৰ নামকো উপান্ত কৰি পেলাইছে। শিৱসাগৰত ইপিনে নামত আকৌ আধুনিকতাৰ কর্কশ স্পর্শ। বৰপেটাৰ নাৰায়ণ, নিৰঞ্জন, জনার্দন, মধুসূদন, অচ্যুত, মহেন্দ্রৰ দৰে শিৱসাগৰৰ গাৱঁত নাম পাবা চিগাৰেট কোঁৱৰ, মিলিটাৰী গগৈ, মটৰ বৰা আদি।

আধুনিক নামবোৰ শুনি তাই হাঁহিত ৰ'ব নোৱাৰি মোৰ কান্ধতে ঢলি পৰিল। মই অকণো অসুবিধা বোধ নকৰিলোঁ। বৰঞ্চ একে উলাহেৰেই কৈ গলোঁ—উজনিৰ দম্পতি আৰু নামনিৰ দম্পতিৰ মাজতো আকাশ-পাতাল প্রভেদ।

ঃ হোৱাট ইজ দেট ?

: সৌ চোৱা সেইহাল মানুহলৈ। বোকোচাত এটা কেঁচুৱা মানুহজনীৰ, কাষে কাষে হাতত ধৰি গৈছে আৰু পিট্‌কলি ছুটা। হাতত কাপোৰৰ এটা টোপোলা। আগে আগে যে গৈছে ছাতি এটা ওৰি লৈ চিগাৰেট হুপি হুপি সেয়া তাইৰ স্বামী গুৰু।

: অ দেখিছোঁ। কিন্তু ক'ৰ এয়া?

: উজনিৰ আকৌ। নামনিৰ দম্পতি ঠিক তাৰ ওলোটা। মতাটোৱে সমস্ত বোজা লৈ তিৰোতাজনীক মুক্ত কৰি দিব। এইটো হ'ল দৰাচলতে আহোম যুগৰ প্ৰভাৱত। আহোমৰ ৰাজত্ব কালত ৰজাৰ চৰে মনে মনে বিচাৰি ফুৰিছিল কোন পাইকৰ ঘৰত কিমানটা চুৰিয়া পিন্ধা মতা ল'ৰা আছে। চুৰিয়া পিন্ধিলেই draft age পালেহি। Conscription ব্যৱস্থাই লৈ ললে। সেইবাবে ভয়তে বহুত ডাঙৰলৈকে ল'ৰাক চুৰিয়া পিন্ধবলৈ দিয়া হোৱা নাছিল। চুৰিয়া নিপিন্ধা ল'ৰাই ঘৰৰ যাৱতীয় কাম-কাজৰ দায়িত্বও লোৱা নাছিল। ফলত ঘৰৰ সমস্ত দায়িত্ব পৰিছিল ঘৰৰ ছোৱালীবোৰৰ ওপৰত। ঘৰ সৰাৰ পৰা আৰম্ভ কৰি পথাৰত ধান দোৱালৈকে। সেইবাবে উজনিত, অৰ্থাৎ য'ত আহোমৰ শাসন চলিছিল, তাত তিৰোতাই ঘৰৰ যাৱতীয় দায়িত্ব পালন কৰাৰ ব্যৱস্থা আছিল। তদুপৰি উজনিৰ শেষ স্বাধীন শাসকগোষ্ঠী আহোম আৰু কছাৰীৰ নাৰীকুল সাধাৰণতে আছিল মুকলিমূৰীয়া।

নামনিত আকৌ প্ৰভাৱ পৰিছিল বিশেষকৈ মুছলমান শাসক-গোষ্ঠীৰ। সেইবাবে নাৰী হয়াত আছিল পৰ্দানশীন। যাৱতীয় কাম-কাজ কৰিছিল পুৰুষে।

এতিয়া জাগীৰোডৰ বুৰঞ্জী শুনা। জাগীৰোড দৰাচলতে জাগী নহয়—জাগীৰ চকীলৈ যোৱা বাট ইয়াৰ পৰা ফাটি গৈছে দেখি জাগীৰোড ইয়াৰ নাম। আচলতে নাম নথোলা। জাগীৰ চকীত তাহানি অসমৰ স্বৰ্গদেৱে থাপিছিল ক্ষেত্ৰী মানুহক। এফালে প্ৰবল প্ৰতাপী কছাৰী ৰাজ্য, আৰু আনফালে অমিতবিক্ৰমী জয়ন্তা

ৰজা ধনমাণিকৰ ৰাজ্য। ইংৰাজে শদিয়াত ইংৰাজী ১৮৩৭ চনত মানদেশৰ পৰৰাজ্য লোলুপইঁতৰ মুখামুখিকৈ যিদৰে থাপিছিল ক্ষেত্ৰী-মানুহ খাম্‌তীসকলক, ঠিক তেনেদৰেই থাপিছিল এই অঞ্চলৰ ক্ষেত্ৰী মানুহবিলাকক।

ডিমৰীয়া আমি পাৰ হৈ আহিছোঁ। সেইখন আছিল আকৌ জয়ন্তা-কছাৰীৰ ৰণথলী। জয়ন্তাৰ ৰজা যেতিয়া ধনমাণিক ৰায়, ডিমৰুৱাত আছিল প্ৰভাকৰ। কছাৰীৰজা আছিল যশনাৰায়ণ। প্ৰভাকৰ আছিল তেওঁৰ তলতীয়া। এদিন ৰৰ বেয়া ঘটনা এটা ঘটিল। প্ৰভাকৰৰ লগত ধনমাণিকৰ ৰাজ্যৰ সীমা লৈ কাজিয়া আছিল বহু পুৰুষৰ পৰা। এদিন প্ৰভাকৰে পাহাৰত চিকাৰ কৰিবলৈ যাওঁতে ভেটাভেটি হ'ল ধনমাণিকৰ লগত। প্ৰভাকৰক জয়ন্তা ৰাজ্যৰ বেদথলী জমিৰ বাবে তৌজি বাহিৰ খাজনা দিয়াৰ কথা কলে ধনমাণিকে। প্ৰভাকৰে দিলে ধমক লগাই। ধনমাণিকৰ আত্মসন্মানত আঘাত লাগিল। তেওঁৰ গা-ৰখীয়াই প্ৰভাকৰক থলে বন্দী কৰি।

যশনাৰায়ণে ডাঁৰৰ বাতৰি ডাঁৰে পায়। প্ৰভাকৰক বন্দী কৰাৰ বাতৰি পাই জয়ন্তা ৰজালৈ হুকুম দি পঠিয়ালে প্ৰভাকৰক মুক্তি দিবলৈ। ক্ষমতাৰ গৰ্বত ধনমাণিকে উত্তৰ দিয়াৰ সাধাৰণ সৌজন্যকণো পাহৰি গ'ল। ফলত হ'ল যুদ্ধ। যুদ্ধত যশনাৰায়ণৰ হাতত ধনমাণিকৰ হ'ল মৃত্যু। সেইদিন ধৰি কছাৰী জয়ন্তাৰ অমিল।

তেহিনো দিবসা গতা। সেই ৰামো নাই, সেই অযোধ্যাও নাই। সেই কছাৰীৰজা যশনাৰায়ণো নাই, সেই জয়ন্তাৰ ধনমাণিকো নাই। সেইবোৰৰ ঐতিহাসিক মূল্যও আজিৰ মানুহে নিবিচাৰে।

: ৰেল লীভ এছাইড ইওৰ নষ্টাল্‌জিয়া। ইজ গেম ষ্টীল এভেইলেব্‌ল্ ইন দিজ হীল্‌ছ?

: ও ইয়েছ, ষ্টীল এভেইলেব্‌ল্। এতিয়াও চিকাৰ পোৱা যায়

এইবোৰ পাহাৰত। বিভিন্ন জন্তু। হাতী পৰ্য্যন্ত। অলপ আগলৈ গলেই এখন নৈ পাবা—তাৰ ওচৰত হাতী চিকাৰৰ মহল আছে।

: হাণ্টিং এলিফেণ্ট্?

: নো, কেঁচ্চিং!

: ৰাইনো, ডিয়াৰ, বিয়াৰ অল এভেইলেব্ল্?

: অল এভেইলেব্ল্ একচেপ্ট ৰাইনো এণ্ড এ স্পেচিচ্ অব ওৱাইল্ড গোটচ। এই বনৰীয়া ছাগলী গোৱালপাৰাৰ পাহাৰত পায়। তুমি গোৱালপাৰালৈ গলে গুৱাহাটীৰ পৰা ঠিক ছয়াশী মাইল যোৱাৰ পিছতে তোমাৰ বাওঁপিনে ৰাস্তাৰ দাঁতিতে এখন অকলশৰীয়া ওখ পাহাৰ দেখিবা। নাম তাৰ বলবলা। শুনিবলৈ পাইছোঁ তাত এইবিধ ছাগলী হেনো পোৱা যায়।

: আৰু বাঘ?

: বাঘতো অসমৰ হাবিত য'তে ত'তে পায়। কিন্তু আজিকালি বাঘৰ সংখ্যা ভয়াবহভাৱে কমি আহিছে। সেইবাবে চৰকাৰে বাঘ সংৰক্ষণৰ ব্যৱস্থা লৈছে।

: বাঘ কমি যোৱাটো জানো ভয়াবহ?

: নিশ্চয়। অসমৰ হাবিত আটাইতকৈ ধুনীয়া শ্বাপদ জন্তু হ'ল এই বাঘ।

: বাদ দিয়াহে ধুনীয়াটো। বাঘ বাঘেই।

: মানুহ যে বাঘতকৈও ভয়াবহ!

মোৰ কথাবাৰ শুনি তেওঁ মনে মনে ৰ'ল। তেওঁৰ মুখ দেখি মই অৱশ্যে বুজিব পাৰিছিলোঁ যে তেওঁ বহুত কিবাকিবি কথা একেলগে চিন্তা কৰিছে। মই এইমাত্ৰ যোৱা মটৰ এখনে উৰুৱা ধূলিৰ মাজেৰে মৰিগাৱঁলৈ যোৱা ৰাস্তাটোৰ পিনে চাই আছিলোঁ। তেওঁ তেতিয়া সন্তৰ্পণে মোৰ মুখলৈ চাইছিল। বাঘৰ ভয়াবহতাৰ কিবা লেশমাত্ৰও চিহ্ন পায় নেকি তাকে চাবলৈকে যেন তেওঁ মোৰ মুখৰ পিনে নিৰ্নিমেষ নয়নে চাই আছিল।

শেষত তেওঁ মুখ ঘূৰালে আৰু ধুলিবোৰৰ ফালে চাই এনেয়ে সোধাৰ দৰে সুধিলে—এই আলিবাটটো ক'লৈ গৈছে বাৰু ?

বহু ঠাইলৈ, যাদু-মন্ত্ৰৰ দেশ মায়ঙলৈ,..মতি বৰাৰ দেশ মৰিগাৱঁলৈ আৰু জাগীলৈ আৰু মধ্য অসমৰ হামদিয়াচুকলৈ।

: হামদিয়াচুক ? ইট ইজ্ ইন দ্য মিড্ল ইষ্ট্। ইফ্ আই এম কাৰেক্ট—ইন চিৰিয়া। মধ্য প্ৰাচ্যৰ বিশাল বিপনি। ইয়াৰ নামো জানো একে ?

: আচলতে নহয়। এইখন বজাৰৰ নাম জোনবেলি বজাৰ। খৰালি শীতকালত বহে। মাজতে আৰু এটা ঋতু পাৰ হৈ। ইয়াৰ পৰা দুমাইলমান দূৰৰ পথাৰ এখনত। জোনবিলৰ পাৰত। তালৈ আগতে হেনে লালুঙৰ ৰজা নামিছিল। অঞ্চলৰ সাতৰজাও আছে; প্ৰজাও আছে। বস্তু বেচা-কিনা চলে। তৃণৰ পৰা গজহস্তীলৈকে। কিন্তু বিশেষত্ব হ'ল তাত টকা-পইচাৰ কাৰবাৰ নাই। বিনিময় প্ৰথা, বাটাৰ চিষ্টেমত চলে। কোনোবাই কচু আনিছে, বেতৰ গাজ, বাঁহ গাজ আনিছে পাহাৰৰ পৰা, কোনোবাই কিনিছে সেইবোৰ চাউল সলাই। এই বজাৰত কেৱল যে দ্ৰব্যৰে বিনিময় হৈছিল সেইটো নহয়। ভাবৰো বিনিময় হৈছিল। সেইবাবেই মই কৈছোঁ এই বিপনি মধ্য অসমৰ হামদিয়াচুক বুলি।

লালুংসকল এসময়ত এই অঞ্চলৰ আছিল 'গড ফাদাৰ'। আৰু অলপ আগলৈ গলেই দেখিম আমচৈ মহাৰণ্যৰ দাঁতিতে শিলচাং বুলি এখন গাওঁ আছে। তাতে শিলৰে খুটা আৰু পাতৰে চাং আৰু শীৰা সাজি থৈ দিয়া সৰু ঠাই এখন পাম। তালৈকে দেওৰজা পৰিষদবৰ্গ লৈ বছৰত এবাৰকৈ নামি আহিছিল। আৰু বাৎসৰিক মাঙ্গল্য পূজাৰ বিধান স্থিৰ কৰি গৈছিল। সেই বিধান এসময়ত জাগীৰ পৰা ৰহালৈকে এই বিস্তীৰ্ণ অঞ্চলৰ জনসাধাৰণে মানি চলিছিল। গাৱঁৰ প্ৰতিজন খেতিয়কে আঞ্চলিক পূজা উৎসৱৰ

দিনকেইটাত হালখতি কৰিছিল। আজিকালি অৱশ্যে মানুহ শিক্ষিত হ'ল। শিক্ষাৰ লগে লগে নিজৰ বিষয়ে মানুহ সচেতন হ'ল আৰু এই সচেতনতা ইমান বেছি হ'ল যে সাম্প্ৰদায়িক মনোভাৱে মানুহৰ মনত বেছিকৈ শিপালে। ফলস্বৰূপে লালুঙৰ দেওৰজাৰ বিধান আন সম্প্ৰদায়ৰ মানুহে নস্যিবৎ জ্ঞান কৰা হ'ল।

আৰু বেছি দূৰ নাই; আমি লালুঙৰ গাওঁ পামগৈ আলিৰ কাষে কাষে। এতিয়া শৰৎ কালতো! ক'ৰবাত বিলত হয়তো লালুং ডেকা-গাভৰুৱে একেলগে হাঁহি-খিকিন্দালি কৰি মাছ মৰাকে দেখিবলৈ পাম। হঠাৎ কাণত হয়তো পৰিবও পাৰে ছুই-এফাঁকি লালুং লেছেৰীৰ পদ:

লালি হিলালি লাই

লালিৰ ঘৰতে বিড়ালি সোমালে

চাংতল মলডি যায়।

এই হিলালি ৰাজ্য বড়োসকলৰ এখন আদিম ৰাজ্য। সোনোৱালী কছাৰীসকলৰ হুঁচৰিত এই হিলালি ৰাজ্যৰ কথা প্ৰায়ে শুনিবা। হিলালি ৰাজ্য ঐতিহাসিক ৰাজ্য নহয়। কিম্বদন্তীৰ ৰাজ্য। কিম্বদন্তী হলেও লালুঙৰ লেছেৰী আৰু কছাৰীৰ হুঁচৰি শুনিলে এইটো স্পষ্টভাৱে প্ৰতীয়মান হয় যে লালুং-কছাৰীৰ গুৰি আছিল একেটাই। ঐতিহাসিক আৰু নৃতাত্ত্বিক পণ্ডিতসকলেও এইকথা স্বীকাৰ কৰিছে।

গুৰি একেটা হলেও পিছলৈ লালুং-কছাৰীৰ ভিতৰত প্ৰচণ্ড বিৰোধ চলিছিল। কছাৰী আৰু লালুঙৰ সৰু সৰু ৰাজ্যবোৰ ওচৰা-ওচৰিকৈ আছিল গুণে তেওঁলোকৰ ভিতৰত সঘনে কাজিয়া চলিছিল। কছাৰী লালুঙৰ লগতে মাজে মাজে আছিল কপিলী-পৰীয়া মিকিৰৰ গাওঁ। মিকিৰসকল আছিল সোৰোপা সোপাটিপা মানুহ। কছাৰীসকল আকৌ বুদ্ধিয়ে-বৃত্তিয়ে আছিল লালুঙতকৈ বহুত বেছি চালাক-চতুৰ। সেইবাবে লালুংসকলে আজিও লেছেৰী গায়—

লালুঙৰ লেলেপাং

মিকিৰৰ জেলেপাং

কছাৰীৰ ঘনেখন গাঁঠি
এৰিও নপঠাওঁ
ধৰিও নাৰাখোঁ
ঢৌকে পুৱাই দিম ৰাতি।

: ছ', অল দিজ্ পিপ্‌ল্চ আৰ আইদাৰ লালুং, অৰ 'বড', অৰ মিৰিৰ এজ ইউ চে।

: ইয়েচ মোষ্ট অব্ দেম ওৱেৰ এট ওৱান্ টাইম্। নাও দে হেভ্ টেকেন টু হিন্দুয়িজ্‌ম্। হিন্দুধৰ্ম লৈ কোঁচ আদি সম্প্ৰদায়ত জাহ গ'ল। চিনচ দ্য শঙ্কৰদেৱ, দেট গ্ৰেট হিন্দু ৰেনেচাঁ লীডাৰ অফ্ আচাম পেভ্‌ড্ দ্য ওৱে অফ্ টেকিং দেম ইন্‌টু হিন্দু ফ'ল্ড।

তেওঁ কি ভাৱিলে মই নাজানো। কথাবাৰ শুনি তেওঁ মনে মনে ৰ'ল। আমাৰ বাচৰ ইঞ্জিনে চলাত অকণ সময় ললে। এক্সপ্ৰেচ বাচ যদিও ইঞ্জিনটো লায়কৰ নাছিল। জাগীৰোডত নামনিমুৱা গাড়ী এখনে টানি-চোচোৰাই নিয়াতহে আমাৰ ইঞ্জিনে সাৰ পালে।

গৈ গৈ আমি এটা ৰেলআলি পাৰ হলোঁ। ৰেলআলিটো জাগীৰোড ৰেলষ্টেচনৰ পৰা জাগীৰোড ৰেলৱে কোৱেৰীলৈকে। এই অঞ্চলত এইটোৱে ৰেলৰ একমাত্ৰ শিলখোলা। ইয়াৰ পশ্চিমে আন এটা আছে চাংসাৰী ষ্টেচনত। তেওঁ কোৱেৰীৰ পাহাৰটোৰ ফালে চাই চাই হঠাৎ সুধিলে: জাগীৰোডৰ বিশেষত্ব কেইটামান কোৱাচোন?

: ইয়াত অসমৰ ৰাজহুৱা স্পান চিল্ক মিলটো আছে আৰু একেটা শিলৰে এই পাহাৰটো আছে। একেটা শিলৰে ইমান ডাঙৰ পাহাৰ আৰু ক'তো মই দেখা নাই।

: আৰু কি জানা নে?

: ক'তা? মই ভাবি নেপাওঁ।

: ইয়াৰ চাহ-দোকানবোৰৰ দুৱাৰ নাই।

মোৰ তেতিয়াহে কথাটো মনত পৰিল। সঁচাকৈ জাগীৰোডৰ চাহৰ দোকানৰ দুৱাৰ বন্ধ নহয়। এখন দোকানত কলাপ্‌চিব্‌ল্ গেট এখন

দেখিছোঁ কিন্তু তাৰ মামৰেখোৱা অৱস্থা দেখি বুজিব পাৰিছিলোঁ যে এই দুৱাৰ কস্মিনকালেও বন্ধ নহয়। তাৰ কাৰণ ব্ৰহ্মপুত্ৰৰ নৌ পৰিবহন বন্ধ হোৱাটো। নৌ পৰিবহন বন্ধ হোৱাৰ লগে লগে অসমৰ বাহিৰৰ পৰা অহা বয়বস্তু আহে পথেদি অৰ্থাৎ পথ পৰিবহন যোগে। গতিকে দিনটোৰ চৌবিশ ঘণ্টাই এই বাটেৰে পৰিবহন ট্ৰাকবোৰ চলে। ট্ৰাকৰ ড্ৰাইভাৰসকলৰ বাবেই জাগীৰোডৰ চাহ-ভাতৰ দোকানৰ দুৱাৰ সৰ্বক্ষণ উন্মুক্ত।

: দেয়াৰ আৰ চাম আদাৰচ্‌ টু।

: হু আৰ দে?

: দ্য নেইবাৰিং ভিলেজ বয়জ।

: সেইটোও হয়। মই নিজে দেখিছোঁ। ঘৰৰ বাৰীৰ পৰা বাঁহ এডাল কাটি লৈ বজাৰত বেচি সেই পইচাৰে চাহ খাই থৈ যোৱা গাৱঁৰ ডেকা ল'ৰা অসমত ঘৰে ঘৰে আছে। আৰু কিছুমান আছে অৰ্ধশিক্ষিত আধাখুন্দা ডেকা ল'ৰা—না হালৰ, না ফালৰ! দিনৰ দিনটো কাম নাই কাজ নাই—মাত্ৰ আড্ডা মাৰে আৰু চাহ খায়। যেতিয়াই তেতিয়াই যি কোনো অৱস্থাতে তেওঁলোকে দোকানত বহি চাহ খায়। তেওঁলোকৰ কাৰণেও হয়তো দোকানৰ দুৱাৰ সকলো সময়তে খোলা থাকে।

: তুমি এতিয়া হয়তো আনএম্প্‌লয়মেণ্ট আৰু বহুত কিবাকিবিৰ লেক্‌চাৰ দিবা। বাদ দিয়া সেইবোৰ। জাগীৰোডৰ বিশেষত্ব বুলি মনত ৰাখা। 'দাচ ফাৰ এণ্ড নো ফাৰ্‌দাৰ।' এতিয়া জাগীৰোডৰ কথা কোৱাঁ।

: মই আগতেই কলোঁ নহয়, আমি উজনি-নামনিৰ মেজিনো লাইন পাৰ হৈ আহিলোঁ বুলি। পশ্চিমে ঢেকেৰী পৰগনীয়াৰ দেশ আৰু পুবে খুজি খোৱা উজনীয়াৰ দেশ। নামনিৰ মানুহে ফকৰা কয়—

আগেয়ে আছিলো ভাঠিত তামুল তাংখু আছিল গাঠিত।

ইত্যা হলো উজেনিয়া মুখখান হ'ল খুজেনিয়া।

ভাটি অৰ্থাৎ নামনিত যেতিয়া আছিলোঁ তেতিয়া তামোল ধঁপাত

টঙালিত ৰাখিছিলোঁ। যেতিয়া উজনিলৈ গৈ উজনীয়া হলোঁ তেতিয়া স্বভাৱ হ'ল মগনিয়াৰ দৰে। এই ফকৰাটোৱে উজনি আৰু নামনিৰ মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ কথা নিশ্চয় সুসূচায়, কিন্তু ৰজাঘৰীয়া শাসনে যে উজনিৰ মানুহক নামনিৰ মানুহতকৈ বেছি পৰমুখাপেক্ষী কৰি তুলিছিল সেইটো সঁচা কথা। আৰু এইবাবেই বোধকৰোঁ বিহু অনুষ্ঠান উজনিতহে বৰ্তি থাকিব পাৰিছে। নামনিত বিহু নাই।

বিহুক আমি বহুতে আৰ্য্য অনুষ্ঠান বুলি ভাবোঁ। আৰ্য্য অনুষ্ঠান হোৱাহেতেন কামৰূপত বিহুৰ প্ৰভাৱ আটাইতকৈ বেছি হ'লহেতেন। য'ত নৱগ্ৰহ আছে, কামাখ্যা আছে, বশিষ্ঠাশ্ৰম আছে, উমানন্দ, অশ্বক্লান্ত, উৰ্বশী আছে, তাত বিহু নাথাকি অসমৰ বাৰু ক'ত থাকিলহেতেন? বিহুক আৰ্য্য অনুষ্ঠান বুলি যি এক ব্যুৎপত্তিগত অৰ্থ আৰোপ কৰা হয় সেইটো মানি লব লাগিলে বিহু তিনিটা নহৈ সূৰ্য্যৰ বিভিন্ন অৱস্থান অনুসৰি চাৰিটা হ'লহেতেন। বিহু দৰাচলতে অনাৰ্য্য অনুষ্ঠান। বড়ো ভাষাত বী মানে খোজা, হো মানে দিয়া। বীহো বা বিহু মানে সামাজিক আদান-প্ৰদানৰ অনুষ্ঠান। ৰাজসিক অনুশাসনৰ পৰা সাধাৰণ মানুহে বছৰত কেইটামান বিশেষ দিনত মুক্তভাৱে বিচৰণ কৰাৰ সুযোগ পাইছিল। সেইদিন কেইটাই আছিল বিহু।

নামনিৰ কথা বেলেগ। নামনিৰ জনসাধাৰণৰ সামূহিক জীৱনত ৰাজনৈতিক ব্যৱস্থাৰ সঘন পৰিবৰ্তনে ক্ৰিয়া কৰিছিল। তাৰ ফলত সামাজিক স্বাস্থ্য হৈ পৰিছিল ঘূৰ্ণীয়া। সেয়ে নামনিৰ মানুহ আত্মনিৰ্ভৰশীল নহৈ উপায় নাছিল। কাজেই তামোল-ধঁপাত গাঁঠিত ৰাখিছিল।

: হোৱাট দে আৰ টকিং?

পিছপিনে নলবাৰী আৰু বৰপেটাৰ ভদ্ৰলোক দুজনৰ কাষতে তিনিটামান ডেকা ল'ৰা বহি অবাইচ মাতেৰে কিবাকিবি কৈ আছিল। টাইট পেণ্ট, জপৰা চুলিৰে আজি দহ বছৰ আগতে দেখা হলে এওঁলোকক অসমীয়া ল'ৰা বুলি চিনাই টান হ'লহেতেন।

: দে আৰ টকিং অব্ চীন্।

: বাট হোৱাই ডণ্ট্ দে অবজেক্ট্?

: উজনিৰ মানুহে অবাইচ মাত মাতিলে নামনিৰ মানুহে সতকাই বুজিকে নাপায়। সেইবাবে তেওঁলোকে আপত্তিকৰ বিশেষ একো পোৱা নাই।

তেওঁ হাঁহিলে আৰু কলে : বাৰু মোক কোৱাচোন, সমগ্ৰ অসমৰ ইতিহাস জানো একেই সূত্ৰে গঁথা নহয়?

: একেবাৰেই নহয়। একেবাৰে ভিন্ন সূত্ৰত গঁথা আছিল উজনি-নামনিৰ ইতিহাস। উজনিৰ শাসক আছিল সৌ সিদিনাহে, সেয়া অতি আধুনিক বুৰঞ্জীৰ কথা। অসমৰ আছে আৰু এক অতি প্ৰাচীন পৰিচয়। ভাৰতীয় সভ্যতা যিমানে পুৰণি, নামনি অসমৰ ইতিহাসো সিমানে পুৰণি। অসমৰ আধুনিক বুৰঞ্জী হ'ল ৰংপুৰৰ আৰু প্ৰাচীনতম ইতিহাস হ'ল প্ৰাগজ্যোতিষপুৰৰ। মই আজি আহিছোঁ প্ৰাচীনতম ইতিহাসৰ এক ইথাৰবাহিত শব্দৰ দৰে, অসমৰ আধুনিক বুৰঞ্জীৰ থলিত এক অভূতপূৰ্ব কম্পন তুলিবলৈ।

প্ৰাগ্জ্যোতিষপুৰৰ ইতিহাস পূৰ্বসমুদ্ৰতকৈও পুৰণি আৰু ৰংপুৰৰ ইতিহাস খৃষ্টজন্মৰো বহুত পিছৰ। বিশ্বৰ ইতিহাসত প্ৰাগ্জ্যোতিষপুৰে যেতিয়া প্ৰসিদ্ধি লাভ কৰিছিল, ৰংপুৰৰ নামো নাই তেতিয়া ইতিহাসত। প্ৰাগ্জ্যোতিষপুৰৰ আদিৰজা মহীৰঙ্গ কিৰাতে আৰু বিশ্ববিশ্ৰুত মহীপতি দীক্ষিত আৰ্য্য নৰকে যেতিয়া পৃথিবী তোলপাৰ লগাইছিল তেতিয়া ৰংপুৰৰ সম্ভাৱনাও আনকি পৃথিবীৰ ভ্ৰূণস্থিত হোৱা নাছিল। পিছলৈ কালৰ কুটিল গতিত খৃষ্টীয় পোন্ধৰ শতিকাৰ পৰা ৰংপুৰ হ'লগৈ শাসকৰ দেশ আৰু প্ৰাগ্জ্যোতিষপুৰ হ'ল শাসিতৰ দেশ। ৰংপুৰ উজনি, প্ৰাগ্জ্যোতিষপুৰ নামনি।

আকৌ ষষ্ঠ-সপ্তম শতিকাৰ কথা চোৱা। সেই সময়ত পৃথিবীত মাত্ৰ মুষ্টিমেয় কেইখনমান ৰাজ্য হে ইতিহাসপ্ৰসিদ্ধ আছিল। তাৰে এখন আৰব, এখন ভাৰতবৰ্ষ আৰু আনখন হ'ল চীন। কামৰূপ প্ৰাগ্-

জ্যোতিষপুৰো ভাৰতবৰ্ষৰ বাহিৰৰ এখন ইতিহাসপ্ৰসিদ্ধ ৰাজ্য আছিল। পাশ্চাত্য জগতত তেতিয়া ইচলামৰ নব অভ্যুদয়। সপ্তম-অষ্টম শতিকাত এফালে আফ্ৰিকাৰ উত্তৰাঞ্চলৰ পৰা আৰম্ভ কৰি পশ্চিমলৈ স্পেন পৰ্য্যন্ত আৰবীসকলে অধিকাৰ কৰিছে। তেতিয়া ভাৰতৰ সম্ৰাট আছিল হৰ্ষবৰ্ধন আৰু প্ৰাগ্‌জ্যোতিষপুৰ -কামৰূপৰ সম্ৰাট আছিল ভাস্কৰবৰ্মা। সেইসময়তে চীন পৰিব্ৰাজক হিউৱেনচাং আহিছিল বিশ্ব পৰিব্ৰাজনৰ উদ্দেশ্যে। হিউৱেনচাং আহিছিল পৌণ্ড্ৰবৰ্দ্ধন পাৰ হৈ এখন সুবিশাল দুস্তৰ নৈ অতিক্ৰম কৰি কামৰূপ প্ৰাগ্‌জ্যোতিষপুৰলৈ। হিউৱেনচাং আছিল সুপণ্ডিত। ভাস্কৰবৰ্মাও আছিল ঘোৰ বিদ্যানুৰাগী। কাজেই মণি-কাঞ্চনৰ সংযোগ ঘটিল। জ্ঞানচৰ্চাত ভাস্কৰবৰ্মা ইমান লিপ্ত হৈ পৰিল যে তেওঁ ভাৰত-সম্ৰাট হৰ্ষবৰ্ধনে হিউৱেনচাঙলৈ পঠোৱা আমন্ত্ৰণ সম্পৰ্কে উত্তৰ দিয়াৰ সৌজন্যখিনি দেখুৱাবলৈকো পাহৰি গ'ল। ভাগ্য ভাল, ভাস্কৰবৰ্মা আছিল হৰ্ষবৰ্ধনৰ সমানে শক্তিশালী আৰু একে গুৰুভাই। দুয়োজনেই আছিল ভোলানাথ শিৱৰ একান্ত ভক্ত। ভক্তি শক্তিৰ উৎস। কাজেই যুদ্ধ নহ'ল। নহলে ভাস্কৰবৰ্মা আৰু হৰ্ষবৰ্ধনৰ ইতিহাস হয়তো নিতান্ত সাধাৰণ হৈয়ে ৰ'লহেঁতেন।

এই কাহিনীয়ে বহুত কথাৰ লগতে এইটোও প্ৰমাণ কৰে যে ভাস্কৰবৰ্মা আছিল বিদ্যানুৰাগী। তেওঁ যে মহাপ্ৰতাপী সম্ৰাটো আছিল, হৰ্ষবৰ্ধনে বৌদ্ধমহামেলত তেওঁলৈ দেখুৱা বিশেষ সম্মানেই প্ৰমাণ কৰিছে। ভাৰতৰ পূব প্ৰান্তৰ এক সমকক্ষ সম্ৰাট হিচাপে হৰ্ষবৰ্ধনে নিমন্ত্ৰিত সমদলৰ একেবাৰে পুৰোভাগত ভাস্কৰবৰ্মাক আদৰি নিছিল।

সেই কালত নাৰীৰ সামাজিক সন্মান অকণো নাছিল। নাৰী আছিল উপঢৌকনৰ সম্ভাৰ। কথিত আছে, ভাস্কৰবৰ্মাই ৰাজদূত হংসবেগৰ হাতত প্ৰীতি আৰু বন্ধুত্বৰ চিনস্বৰূপে হৰ্ষবৰ্ধনলৈ অসমৰ বিখ্যাত অগৰু চন্দন আৰু সুস্বাদু গুড়ৰ লগতে উপঢৌকন পঠাইছিল ময়না চৰাই আৰু কেইগৰাকীমান নাৰীক। পিছে শুনিলে হয়তো আচৰিত হবা, এই ভাস্কৰবৰ্মাই এগৰাকী সামান্য লিগিৰীৰ প্ৰেমত

পৰি আজীৱন অকৃতদাৰ হৈ কটালে। যাৰ ফলত সেই প্ৰসিদ্ধ ৰাজবংশই লোপ পালে।

অকৃতদাৰ আছিল গুণেই হৰ্ষচৰিতত ভাস্কৰবৰ্মাৰ উল্লেখ আছে 'ভীষ্ম ইব কুমাৰ' বুলি। মোৰ চকুৰ আগত ভাঁহি উঠিছিল এখন বিশাল নৈৰ পাৰত এটা বিৰাট ৰাজপ্ৰাসাদ। তাৰে এফালে অলিন্দত থিয় হৈ স্বৰ্ণাভ বস্ত্ৰ পৰিহিত এক সুদৰ্শন ৰাজপুৰুষে চাই আছে নৈৰ শান্ত সৰু সৰু ঢৌবোৰলৈ। একেবাৰে আনমনা হৈ। অদূৰত প্ৰাসাদ কাননত এগৰাকী অনিন্দ্যসুন্দৰী নাৰী। পুষ্প-চয়নত ব্যস্ত। মন নকৰাকৈয়ে এসময়ত ৰাজপুৰুষজনাৰ দৃষ্টি নিবদ্ধ হ'ল নাৰীৰ লোভনীয় দেহত। হঠাৎ ওলাই অহা হুমুনিয়াহটো ৰাজপুৰুষে ইচ্ছা কৰিও চেপি ৰাখিব নোৱাৰিলে। এফালে এই নাৰী, আৰু এফালে এক ইতিহাসপ্ৰসিদ্ধ ৰাজবংশৰ সমগ্ৰ ভৱিষ্যৎ। তেওঁৰ পশ্চাদ্‌ভূমি সাধাৰণ হলেও নাৰী আছিল অসামান্যা। আৰু সেইবাবে সেই নাৰীৰ কাৰণে যদিও এক বিৰাট বংশঐতিহ্যক অস্বীকাৰ কৰা নহ'ল, তাৰ ভৱিষ্যৎ হ'ল চিৰকালৰ বাবে অৱলুপ্ত।

: উই আৰ অল্‌ৰেডি ডেন্‌জাৰাচ্‌ ইউ নো?

: চাৰটেইন্‌লি, আই নো।

: ইভ্‌ন্‌ ইন আৱাৰ হীল্‌চ—আমাৰ পাহাৰবোৰ এনে অলেখ প্ৰেমৰ কাহিনী আছে।

: এৰা তাকেই তো ভাবোঁ। নৰকাসুৰ পৰিছিল কামাখ্যাৰ প্ৰেমত, সৌ সিদিনা বাৰ শতিকাৰ কথা—ফিঙুৱা কোঁৱৰ পৰিছিল জিতাৰি বংশৰ আৰিমত্ত ৰজাৰ মহিষীৰ প্ৰেমত। সেয়াও এক হীৰ-ৰঞ্জাৰ কাহিনীৰ দৰে অম্লমধুৰ। কিন্তু ভাস্কৰবৰ্মাৰ প্ৰেমৰ এইসকলৰ কাৰো সৈতে তুলনা নহয়। তেওঁ পৰিছিল এগৰাকী নগণ্যা দাসীৰ প্ৰেমত আৰু তাৰ বাবে তেওঁ আজীৱন ভীষ্ম-ইব-কুমাৰ হৈ ৰ'ল। কথাবাৰ বিশ্বাস কৰিবলৈকে টান যেন লাগে।

: ফিঙুৱা চাউণ্ডচ এ ট্ৰাইবাল নেম।

: এবা, তেওঁ বাস্কা অঞ্চলৰ এগৰাকী ট্ৰাইবাল চীফেই আছিল। তেওঁৰ ৰাজ্যৰ একেবাৰে সীমাতে লাগি আছিল আন এখন সৰু ৰাজ্য। মাজেদি সেইকালৰ আন্তৰ্জাতিক সীমান্ত বৈজ্যগড়। ভৌগোলিক প্ৰাচীৰে মনৰ প্ৰাচীৰ জানো ৰচিব পৰিছে কোনোবা যুগত! এবাৰ মৃগয়াৰ পৰা ঘূৰি আহোঁতে ফিণ্ড্ৰাৰ কোঁৱৰৰ চকুত পৰিল জিতাৰি ৰাজমহিষীয়ে কাননত সখী-পৰিবেষ্টিত হৈ খেলি থকা। ৰাজমহিষীৰো চকুত পৰিল প্ৰতিপক্ষ। প্ৰথম দৰ্শনতে প্ৰণয় পাশত আবদ্ধ হ'ল দুয়ো। কিন্তু মনৰ মিলনেইতো সৰ্বাৰ্থ তৃপ্তি প্ৰদান কৰিব নোৱাৰে! প্ৰেমৰ মন্দিৰ পাবলৈ আৰু বহু পদক্ষেপৰ প্ৰয়োজন। কাজেই সৃষ্টি হ'ল এক গোপন সুৰংগ পথৰ—ৰাজমহিষীৰ শয়নকক্ষৰ পৰা ফিণ্ড্ৰাৰ ৰাজপ্ৰাসাদলৈ।

এদিন আৰিমত্ত গৈছিল ফিণ্ড্ৰাৰ ৰাজপ্ৰাসাদলৈ আমন্ত্ৰিত অতিথি হিচাপে। ভোজন-মেলত বহু আৰিমত্ত আচৰিত হ'ল চিৰকুমাৰ ফিণ্ড্ৰাৰ ঘৰত অৱগুণ্ঠিতা এগৰাকী নাৰীয়ে খাদ্য পৰিবেশনকৰা দেখি। খোজ-কাটলত আৰিমত্তৰ ঘোৰ সন্দেহ হ'ল। তেওঁ মনে মনে ব্যঞ্জনৰ এটা ছিটিকনি পেলাই দিলে নাৰীৰ পৰিচ্ছদৰ পাছফালে।

নিয়ন্তাৰ অমোঘ নিৰ্দেশ, উলংঘা কৰে কাৰ সাধ্য। ৰাজমহিষীয়ে আৰিমত্তৰ ৰাজঅন্তেষপুৰত স্বাভাৱিকভাৱেই আদৰণি জনালে আৰিমত্তক। কিন্তু আৰিমত্তই পৰীক্ষা কৰিলে তেওঁৰ পৰিহিত বস্ত্ৰবোৰ। ব্যঞ্জনৰ চিন পাই ক্ষোভ আৰু অপমানত হিতাহিত জ্ঞান হেৰুৱাই সুতীক্ষ্ণ তৰোৱালেৰে একে ঘাপতে মহিষীক কাটি দুছেও কৰিলে। আওাৰ গ্ৰেট প্ৰোভোকচন বুলি আজিকালিৰ দণ্ডবিধিৰ জেনেৰেল একচেপ্চন অৰ্থাৎ সাধাৰণ ব্যতিক্ৰমত সেই অপৰাধ পাৰিলহেতেন নে নাই মই নাজানো, কিন্তু এইটো মই নিশ্চয়কৈ জানো যে আৰিমত্তই ভগৱানৰ ওচৰত এক বিৰাট অপৰাধ কৰিছিল যাৰ বাবে আৰিমত্তই নিজেই নিজৰ পুত্ৰৰ হাতত প্ৰাণ দিব-

লগীয়াত পৰিছিল আৰু যাৰ বাবে মাত্ৰ দুপুৰুষৰ পিছতে সেই জিতাৰি বংশই লোপ পালে।

: হোৱেৰ ওৱাজ হিজ কিংডম?

: জাষ্ট নিয়াৰ গোবেশ্বৰ—ইন বিটুইন ৰঙিয়া এণ্ড গোবেশ্বৰ। তাতে মাদৈকটা নামৰ এখন গাওঁ আছে আজিও। মাদৈ অৰ্থাৎ মহিষীক কাটিছিল বাবেই সেই ঠাই আজিও মাদৈকটা নামে জনাজাত। বৈদ্যগড় তাৰ ওচৰতে। গুৱাহাটীৰ পৰা ত্ৰিশ মাইল উত্তৰ-পশ্চিম ফালে এই মাদৈকটা। সেয়া অবিস্মৰণীয় এক প্ৰেমৰ কাহিনী।

: জিতাৰ ডাইনেষ্টি; ইজ দিয়াৰ এনি পিপল্ অফ্ দেট্ ডাইনেষ্টি?

: আই থিংক দ্য কৈৱৰ্ত্ত আৰ। দে আৰ দ্য মোষ্ট এনচিয়েণ্ট পিপ্‌ল অফ্ দিচ ষ্টেট্।

: এ ভেৰি ইন্টাৰেষ্টিং ষ্টোৰি ইনডিড্।

: ইয়েচ্। ইয়ং গাৰ্লচ্ লাইক ইট্ এজ বিক'জ ইট ইজ এ লাভ ষ্টোৰী। কিন্তু এই প্ৰেমৰ কাহিনী ক'ব খোজা নাছিলোঁ। মই ক'ব খুজিছিলোঁ যে, পৌৰাণিক যুগৰ পৰাই কামৰূপত ৰজা আছিল, ৰাজ্য আছিল আৰু আছিল প্ৰেমৰ কাৰণে জীৱন, সাম্ৰাজ্য, সম্পদ, যশস্যা সকলো জলাঞ্জলি দিব পৰা একো একোখন বিশাল হৃদয়। আৰু কামৰূপৰ এই ঐশ্বৰ্য্য আছিল সো বাৰ শতিকা পৰ্য্যন্ত। তেতিয়া উজনিত ৰজা নাছিল, ৰাজ্য নাছিল আৰু নাছিল কোনো প্ৰসিদ্ধি। সেইবাবেই কৈছোঁ উজান নতুন বুলি।

উজনিয়ে নাচে বিহু, নামনিয়ে নাচে ওজাপালি; উজনিয়ে গায় আদিৰসৰ গীত, নামনিয়ে গায় ভক্তিৰসৰ দিহা। তাতে মাজে মাজে লগায় আদিৰসৰ একো একোটা প্ৰলেপ। নামনিয়ে কৰে যাত্ৰাপাৰ্টি, উজনিয়ে কৰে ভাওনা। নামনিৰ যাত্ৰাপাৰ্টিৰ সখীগান শুনিবা?

: শুনোৱাচোন শুনোঁ।

সখী চোৱা সউ কদম গাছে
নন্দ ৰাজাৰ গুণ্ডা বেটা বাঁহী লৈ ৰহি আছে।

: হোৱাট্ ডাজ ইট মান ?

: এইটো এটা প্ৰেমৰসৰ সঙ্গীত। গোপীসকলে তেওঁলোকৰ প্ৰেমাস্পদ শ্ৰীকৃষ্ণৰ কথা আলোচনা কৰিছে।

: হাও ষ্ট্ৰেঞ্জ্ ইজ দ্য ওৱাৰ্ডিং!

: আৰু ওজাপালিৰ গান শুনিবা ?

: সেইটো আকৌ কেনেকুৱা ?

: সেয়াও এক ভক্তিৰসৰ সঙ্গীত। ওজাই পদবোৰ গাই যায়, পালি চাৰিজন থাকে, তেওঁলোকে গায় দিহাবোৰ। তাৰে এজন হ'ল ডাইনা পালি। তেওঁ সৰু সৰু ভাত-মাছ খোৱা আলোচনাৰে পদৰ গূঢ়াৰ্থবোৰ বুজাই যায়।

: ডাইনা পালি ?

এই ছোৱালীজনী সঁচাকৈ অদ্ভুত। তেওঁ ঠিক ধৰিছে শব্দটো। এই শব্দটোৰ কাৰণেই ওজাপালিৰ এই চৰিত্ৰটোক একেবাৰেই নতুনকৈ আৰোপিত কৰা যেন লাগে। কিয়নো 'ডাইনা' মানে বামেতৰ ;—এই শব্দপ্ৰয়োগ একেবাৰে নতুন কথা অসমীয়া ভাষাত।

এই ডাইনা পালি এক ৰসিক চৰিত্ৰ। বহুৱালি কথাৰে তেওঁ দৰ্শকক যিদৰে আমোদ দিয়ে হাঁহি-আমোদৰ মাজেদিয়ে তেওঁ দৰ্শকক লৈ যায় এক আধ্যাত্মিক প্ৰদেশলৈ য'ত ভগৱান সৰ্বত্ৰ বিৰাজ কৰে।

: তাৰে এটা কৰা কোৱা না ?

: এবাৰ কি হ'ল জানা ? এই ওজাবোৰ তো প্ৰাত্যহিক ব্যৱসায়ী নহয়। বছৰটোৰ দহমাহেই পথাৰত কাম কৰি দুমাহৰ বাবে ওলায়, তাকো আকৌ একে লেথাৰিয়ে দুমাহ নহবও পাৰে। পুথিৰ পদ পাহৰে, শাস্ত্ৰৰ চৰিত্ৰৰ নাম পাহৰে—এইবোৰ স্বাভাৱিকতে ঘটি থাকে। এবাৰ তেনেকৈ ওজাপালি গাই থাকোঁতে ওজাই পাহৰিলে বান্দৰবীৰ হনুমানৰ নামটো।

: দেট গ্ৰেট এ'প অফ্ দ্য এপিক ?

: ইয়েচ। ইপিনে আকৌ ওজাপালিক দিয়া মাননিৰ ওজাই টকাটোৰ দহ অনা অকলেই লয়। বাকী ছঅনা বাকী চাৰিজনৰ

মাজত ভগাই দিয়া হয়। ওজাই নামটো পাহৰি পদৰ সুৰতে গালে :

লঙ্কাত যি ঝাম্প দিলা তাৰ নাম কি ?

ডাইনা-পালি সাধাৰণতে চতুৰেই হয়। ডাইনা-পালিয়ে কলে—

দহ অনীয়াই নজানিলে

ছয় অনীয়াৰ কি ?

আকৌ ওজাই গালে—লঙ্কাত যি ঝাম্প দিলা

তাৰ নাম কি ?

ডাইনা-পালিৰ একেই কথা—দহ অনীয়াই নজানিলে

ছয় অনীয়াৰ কি ?

শেহত নিৰুপায় হৈ ওজাই কবলৈ বাধ্য হ'ল—

আজি হ'স্তু হোক তেবে সবাৰো সমান।

কি ? যদি প্ৰত্যেকেই সমানে পায় তেন্তে কোৱাত তো আপত্তি নাই। ডাইনাপালিয়ে টপৰাই কলে—লঙ্কাত যি ঝম্প দিলা

বীৰ হনুমান॥

তেওঁ ভগা ভগা অসমীযাতে গোটেই পদটো' গাই তাৰ ছন্দৰ বাহাৰ দেখি হাঁহি হাঁহি ঢলি পৰিল মোৰ কান্ধত।

: পোন হৈ বহা।

: অস্, আই এম চ' চৰি।

তেওঁ মোৰ মুখলৈ চাই পোন হৈ বহি ললে আৰু মুখত এক মুহূৰ্তৰ আগৰ চাঞ্চল্যৰ কোনো চিন নাৰাখি মোক সুধিলে—এণ্ড্ হোৱাট মোৰ এবাউট্ দ্য পিকিউলিয়াৰিটি ?

: দেয়াৰ আৰ চ' মেনি। উজনি-নামনিৰ ষ্টেণ্ডাৰ্ড। উজনিৰ মানুহে দেহা মাৰিও ষ্টেণ্ডাৰ্ড বজাই ৰাখে, নামনিয়ে আকৌ ষ্টেণ্ডাৰ্ড মাৰিও দেহা বজাই ৰাখে। বাহিৰৰ চাকচিক্যত উজনি, ভিতৰুৱা ধনাধিক্যত নামনি।

উজনিৰ মানুহে গাইছিল—কমোৱা তুলাবোৰ যেনেকৈ উৰিছে তেনেকৈ উৰিবৰ মন বুলি। কিন্তু গাইছিলহে—উৰা নাছিল।

উজনিত তেনে যাযাবৰী মন বিৰল। নামনিয়ে আকৌ তেনে গীত নাগায়, কিন্তু উৰে। কমোৱা তুলাৰ দৰে নহলেও কাউৰীৰ দৰে। কথাতে কয়, বৰপেটীয়া য'ত নাই, ত'ত কাউৰীও নাই। অসমত এনে এখন ঠাই ক'ৰবাত আছে নে বাৰু য'ত কাউৰী নাই?

: কেলেই মিজো পাহাৰত?

: মই নাজানো। কিন্তু যদিহে তাত কাউৰী নাই তাত বৰপেটীয়া মানুহো নাই।

: দে আৰ চ' ডেন্‌জাৰাচ?

: এড্‌ভানচাৰাচ নট্‌ ডেন্‌জাৰাচ।

: আহ জংগল দেখিলে যে মোৰ ইমান ভাল লাগে। মোৰ এটা আৰণ্যক মন আছে। মন ঠিক নহয়, আৰণ্যক সত্তা। অৰণ্য দেখিলে মোৰ যিমান ভাল লাগে আন একোতে মোৰ মন সিমায় ভাল নালাগে। এইখন জংগলৰ নাম কি বাৰু? অ' তুমি নকবা।

তেওঁ মোৰ মুখৰ আগলৈ হাত এখন নি মোৰ কব খোজা কথাষাৰ বন্ধ কৰিলে আৰু অকণমান চাইনবোৰ্ড এখনত সৰু সৰু আখৰেৰে ইংৰাজীতে লিখা নামটো পঢ়ি গ'ল। বিশাল অৰণ্যখনৰ ভয়তে বনবিভাগে যেন নামটোও ডাঙৰকৈ লিখিবলৈ বা উচ্চাৰণ কৰিবলৈ নিবিচাৰ—এনে এক অনুভূতি হ'ল· নামটোৰ চাইনবোৰ্ডখন দেখি। তেওঁ লাহেকৈ মোৰ কাণে কাণে কলে—চোনাইঘাট বুলি।

: নো ইট ইজ্‌ সোনাইঘাট।

: চেম্‌ থিং।

: ইউ আৰ লাইক দেট নলবৰীয়া বয় হু দাজ্‌ নট্‌ 'ওৱাণ্ট্‌ টু এড্‌মিট্‌ হিজ্‌ মিষ্টেক।

: আচ্চা, টেল মী এবাউট হীম।

: নলবৰীয়া মানুহ অসমীয়া মানুহতকৈ বেলেগ। কোনো কাম কৰিবলৈ লাজ নকৰে। আমেৰিকাৰ মানুহৰ দৰে শ্ৰমৰ মৰ্য্যাদা বুজে। ব্যক্তিগত ঘৰত চাকৰ থাকিও কলেজ পাছ কৰা ল'ৰা

নলবাৰীৰেই হয়। উজনিত কোনোবাই তেনে কৰিলেও তাৰ চি চি বোলত অৰ্থাৎ গোপনীয় শীল-পৰিচয়ত তেওঁ যে এদিন ক'ৰবাত চাকৰ আছিল সেই কথাৰ উল্লেখ থাকে 'বেড ৰিমাৰ্ক' হিচাপে। অসমৰ এগৰাকী বৰেণ্য সাহিত্যিকৰ মৃত্যুৰ লগে লগে তেওঁক কিদৰে বিস্মৃতিৰ অন্ধকূপত পেলাই থব পৰা যায় সেই লৈ অসমীয়া সাহিত্যিকৰ মাজত প্ৰতিযোগিতা চলিল সাহিত্যিকজনৰ শীল-পৰিচয়ত তেনে এক ত্ৰুটিপূৰ্ণ অধ্যায় থকা হেতুকে।

পিছে এই নলবাৰীৰ ল'ৰাজন এখন চহৰত এঘৰ মানুহৰ তাত চাকৰ আছিল। তেওঁ এদিন 'তানচেন' চিনেমাখন চাই আহিল-গৈ। তেওঁৰ লগৰে এজনে পিছদিনা তেওঁক সুধিলে 'কি ফিল্ম চালা' বুলি। তেওঁ কলে 'জিনতান'।

ৰঙিয়া জংচনত আগেয়ে এজন কেনভাচাৰে তামোলৰ লগত খোৱা মচলাৰ—জিনতান, তানচেন আদি নামৰ বিভিন্ন বড়ি বেচিছিল। বেচেৰাই ভুল কৰি কলে—জিনতান বুলি। বন্ধুজনে শুধৰাই দি কলে —তানচিনহি হেম্ পাওঁ!

এওঁ টপৰাই কলে—একেই দা। জিনতান তানচিন।

: একেই দা?

: ইয়েচ, ইট মিন্চ চেম থিং।

তেওঁ হাঁহি হাঁহি কলে: লাইক দেট পঞ্চায়ত প্ৰেচিডেণ্ট।

: হোৱাট ইজ দেট ষ্টোৰি?

: হী ওৱাণ্টেড্ বাৰ্থ কণ্ট্ৰোল ফৰ হিজ ওৱাইফ।

: চ' হোৱাটচ ৰং!

: বাট্ হী ওৱেণ্ট টু দ্য ষ্টেচন মাষ্টাৰ।

: অ' হী ওৱাণ্টেড্ বাৰ্থ ৰিজাৰ্ভেশ্যন।

: দেট্চ ইট। বাট্ হী ডিড নট এড্‌মিট হিজ মিষ্টেক। হী অলচো টোল্ড—একেই কথা। আচ্ছা সোনাইখাটৰ কথা কোৱা।

: সোনাইখাট এখন বিশাল অৰণ্য। এজাৰ, চেগুন, চপা,

ঝুঁহি, চিচু, শাল এইবোৰ কাঠ ইয়াত পায়। আৰু অলপ গলেই এখন নৈ পাবা। ।তাৰ ওচৰতে হাতী ধৰা ঠাই আছে বুলি তোমাক আগতেই কৈ আহিছোঁ।

তুমি আহিলা শৰতত। আহিব লাগিছিল বসন্ত কালত। এজাৰৰ ফুলে বিচিত্ৰ কৰি ৰখা অৰণ্যৰ শোভা চাই ধন্য মানিব পাৰিলাহেঁতেন।

: তুমি কেনেকৈ জানিলা, মোৰ যে ভাল লাগিলহেঁতেন? হয়তো মই ফুল ভাল নাপাবও পাৰোঁ। It is with flowers as with moral qualities ; the bright are sometimes poisonous but believe never the sweet.

মই আবক হৈ তেওঁৰ মুখৰ ফালে চাই থাকিলোঁ। মুহূৰ্তৰ কাৰণে তেওঁৰ মুখখন বিষণ্ণ হৈ পৰিল। তৎক্ষণাৎ নিজকে চম্ভালি লৈ তেওঁ কলে : তেনেদৰে মোৰ ফালে চাই নাথাকিবা না, মোৰ বৰ অসুবিধা লাগে।

: মই চামেই। তোমাৰ কি? একশবাৰ চাম।

এইবাৰ তেওঁ নিৰ্লিপ্ত ভাব এটা লৈ কলে কোৱাচোন ইয়াৰ পাছত আৰু কি পাম?

: পলাশগুৰি পাম, নেলী পাম, ধৰ্মতুল পাম। এইবোৰ পোৱাৰ আগতে এখন নৈ পাম।

: নৈ? কি নাম বাৰু?

: কিলিং।

: কিলিং? দ্য নেম ইট্‌চেলফ্‌ ইজ থ্ৰিলিং।

: থ্ৰিলিং মানে? দস্তুৰ মত থ্ৰিলিং। নদীৰ এইপাৰে এটা সৰু ৰাস্তা দেখিবা। গৈ গৈ নদী আৰু সোনাইখাট অৰণ্যৰ অভিসন্ধিত ক'ৰবাত হেৰাই পৰিছে। সেই ৰাস্তাৰে গলেই পাবা সীতা জখলা। জাগীৰোডৰপৰা সেয়া মাত্ৰ চাৰে-চাৰি মাইল দূৰত। আজিকালিৰ এক প্ৰখ্যাত পিক্‌নিক স্পট।

পৃথিৱীত দৰাচলতে স্নেহকৌষ্টাইন আছিল দুগৰাকী। আত্মহিমাৰে নিজৰ ধ্বংসৰ পথ সূচনা কৰা পৌৰাণিক চৰিত্ৰ আছিল—ঋষি বাল্মীকি আৰু ভস্মলোচন। নিজৰ সৃষ্ট কাৰুণ্যৰ শেষ পৰিণতিৰ দুৰ্ভোগ যাতনা ভুগিবৰ বাবে বাল্মীকি বৈ আছিল এই সীতা জখলা আশ্ৰমত। কথিত আছে, স্ৰষ্টাৰ কাহিনী শেষ কৰি, বিহিত জীৱন-পত্নীৰ প্ৰতিটো পাত মিলাই মিলাই নিৰ্বাসিতা সীতা আহিছিল এই কিলিং নদীয়েদি। ঋষি বাল্মীকিয়ে সীতাক তুলি আনিছিল শিলৰ জখলাৰে নদীৰ বুকুৰপৰা। সেয়ে আশ্ৰমৰ নাম হ'ল সীতা জখলা।

এয়া পোৱা-মাইলো হয় কি নহয় ৰাস্তাৰপৰা। কিন্তু ভাব হব, সেয়া যেন কোটি যোজন পথ। তুমি যাবাগৈ সময়ৰ দূৰ-দূৰান্ত অতিক্ৰমি ৰহস্যঘেৰা অতীতৰ মাজলৈ। এফালে গহন অৰণ্য, আনফালে নিৰৱধি বৈ অহা কিলিং নৈ। আৰু তোমাৰ চাৰিওফালে ঘেৰি থাকিব দূৰ-দূৰান্তৰ স্বপ্ন।

আজিও ইয়ালৈ বহুতো সীতা আহে। অৱশ্যে নিৰ্বাসিত সীতা নহয়; পৰিণীতা, প্ৰেম-জৰ্জৰিতা সীতা। এনেবোৰ সীতাই কোনো সংসাৰ-বিৰাগী ঋষিৰ আশ্ৰয় বিচাৰি নাহে; আহে নিৰলা নিৰাশ্ৰয় বিচাৰি।

: থৈচ্ নটি বয়।

ৰবা, কিলিং পাৰ হৈয়ে পলাশগুৰি। পলাশগুৰিত হলে পলাশ নোপোৱা। পাবা তামোল। আমি যোৱা ৰাস্তাৰ দাঁতিত আটাইতকৈ ডাঙৰ ডাঙৰ তামোলৰ বাৰীখন এই পলাশগুৰিতেই। কোনোবা এগৰাকী বাঙালী ব্যৱসায়ীৰ বাৰী।

নেলী এখন বজাৰ। গড়কাপ্তানি বিভাগৰ চাব-ডিভিজন আছে যদিও ৰাস্তা-ঘাট বৰ বেছি নাই। নেলীৰ গাতে লাগি আছে খোলাহাট জংঘল। তাৰ পাছত আমচৈ মহাৰণ্য, শিলচাং, ধৰমতুল এই ঠাইবোৰ।

কিলিং নৈৰ দলং পাৰ হোৱাৰ লগে লগে তেওঁ সীতা-জখলা চাবৰ

বাৰে ব্যস্ত হৈ উঠিল। বাৰে বাৰে ঢেঁও মোৰ কান্ধৰ ওপৰেদি মুখখন নি ঘূৰি চালে। কিন্তু সোনাইখাট অৰণ্যৰ বজলা পাহাৰকেইটাত বাদে আন একোকে নেদেখি হতাশ হৈ ভালদৰে বহি ললে।

: বিয়েলি দিচ্ ইজ এ বিগ আৰ্চাৰ্ড।

: মই কৈছোঁৱেই নহয় ইমান ডাঙৰ তামোলৰ বাৰী আৰু ক'তো নেদেখা বুলি। এয়াই পলাশগুৰি। পলাশগছ এজোপাও নোপোৱা ইয়াত।

নেলী পাৰ হৈ দুয়োফালে খোলাহাট জংঘল। তাত তুমি খুব ডাঙৰ ডাঙৰ গছবোৰ দেখিবা। কিন্তু উত্তৰ কামৰূপ নাইবা উজনিৰ দৰে শিমলু আৰু হোলোং গছৰ অৰণ্য ইয়াত নাই।

: হোলোং? এ পিকুলিয়াৰ নেম?

: এণ্ড এ পিকুলিয়াৰ ট্ৰি অল্‌চো। অসমৰ অৰণ্যত উত্তৰ পাৰে শিমলু আৰু দক্ষিণফালে হোলোং, এই দুবিধ গছেই আটাইতকৈ ডাঙৰ। মহীৰুহ শব্দটো এই দুইবিধ গছতেহে খাটে যেন লাগে। শিমলুগছ আৰু হোলোংগছ দুইবিধেই এসময়ত অকাঠী বুলি পৰিত্যক্ত হৈছিল। অসমীয়াত এটা ফকৰা আছে—

শাল সোণাৰু কুঁহিৰ এফাল,
ইকৰাই বোলে মই যাম আৰু কত কাল।

শাল, সোণাৰু, কুঁহি এইবোৰ সুকাঠী গছ। তাৰে খুটা আৰু ইকৰাৰ বেৰ। ভালদৰে বৰষুণৰ পানী নপৰাকৈ ৰাখিলে ইকৰাৰ বেৰ যুগমীয়া হৈ থাকে। এইবোৰত হোলোং শিমলুৰ উল্লেখ নাই। হোলোং-শিমলুৰে মানুহে খৰিও নকৰে।

এতিয়া কালৰ কুটিল গতিত পৰি এই দুয়োবিধ গছৰে বজাৰত বৰ চাহিদা। শিমলুৰে জুইশলা আৰু হোলোঙেৰে প্লাই, ৰেলৰ স্লিপাৰৰ-পৰা আৰম্ভ কৰি চব হয়। হোলোংগছ দেখিবলৈকে শুৱনি। শল-শল কৰে বিৰাট গছজোপা কেবাশও ফুট ওপৰলৈ গৈ হঠাৎ যেন মূৰৰ জোপোহাটোত লুকাই পৰে। ডাল-পাতৰ জোপোহাটো থাকে

গছৰ শীৰ্ষত। মাজত তেনে কোনো আউল নাই। একেবাৰেই ঋজু সৰল এজোপা তামোলগছৰ দৰে। সেইবাবেই হোজা সৰল মানুহক হোলোং গোঁজ বা হোলগোঁজ মানুহ বুলি কয়।

শিৱসাগৰৰ দক্ষিণাঞ্চলত থকা অভয়াপুৰা অৰণ্যত যোৱা হ'লে দেখিলাহেতেন্ এনে হোলোং গছে তৰি থোৱা বিস্তীৰ্ণ চন্দ্ৰাতপ। কেন'পি। কেন'পিৰ আঁৰৰপৰা হঠাৎ শুনিলাহেতেন মইনা চৰাইৰ তুই-এটা পুলক সঞ্চাৰ কৰা শ্বাত।

: উন্ট স্পীড থ লাইক দেট। ড'ন্ট্ জাম্প্ ফ্ৰম খোলাহাট টু অভয়াপুৰী।

: এইফালে চোৱা। এইপিনে পোনে পোনে কাজলীমুখ। এই উত্তৰ-পশ্চিম ফাললৈ। ১৪৫৮ শকত অৰ্থাৎ ১৫৩৭ খৃষ্টাব্দত অসমত চাৰিটা ডাঙৰ ঘটনা ঘটিছিল। ইতিহাসৰ উল্লেখযোগ্য ঘটনা। নগা জিনি আহোমে মহঙৰ লোণৰ পুং অধিকাৰ কৰে। সেই শকতে তুংখুঙীয়া ফৈদৰ জন্ম হয়। সেই শকতে কছাৰীয়ে ব্ৰহ্মপুত্ৰ উপত্যকা এৰি খাচপুৰত নতুন ৰাজ্য প্ৰতিষ্ঠা কৰে আৰু সেই একে শকতে আহোমসকলে আহোম ৰাজ্য কাজলীমুখলৈ বিস্তাৰ কৰিলে। এই কাজলীমুখলৈকে।

: তালৈ চোৱা না।

তেওঁ ড্ৰাইভাৰজনৰ ফালে দেখুৱাত মোৰ সমস্ত আগ্ৰহ পানী হৈ গ'ল। মই উলিয়াই আহিছিলোঁ মহাদেৱৰ কথা, তেওঁ মন কৰি আহিছিল ঢেঁকীঠোৰাৰ কথা। মই বিৰক্তি প্ৰকাশ কৰি কিবা এটা কব খোজোঁতেই তেওঁ হুলস্থুল লগাই দিলে :—চোৱা না, চোৱা না, অস্ ইউ হেভ মিচড্ ইট্।

: চো হোৱাট, আই এম নট ইণ্টাৰেষ্টেড্।

: হেল্, ইউ আৰ নট্। তুমি যদি আমাৰ এই ভ্ৰমণ-কাহিনীটোৰ কথা কেতিয়াবা লেখা, তুমি ড্ৰাইভাৰজনৰ কথা লেখিবই লাগিব। নহলে তোমাৰ সেই কিতাপ মই অন্ততঃ নপঢ়োঁ।

: মই যে লিখিম, তুমি কিদৰে ভাবিলা ?

: তুমি যে লিখিবাই সেইকথা মই কোৱা নাই। কিন্তু তুমি কেতিয়াবাতো লিখিব পাৰা। আজিকালিতো চবেই লিখে। সেই-বাবেই কৈছোঁ— যদিহে কেতিয়াবা লিখা ড্ৰাইভাৰজনৰ কথা লিখিবই লাগিব। সৌৱা চোৱা না।

মই আনিচ্ছাসত্ত্বেও ড্ৰাইভাৰৰ ফালে চালোঁ। ড্ৰাইভাৰতো আমাৰ কাঞ্চা। চিনাকি ড্ৰাইভাৰ। চিনাকি আটায়ে কাঞ্চা বুলি মাতোঁ। কাঞ্চাৰ বিশেষত্ব হ'ল সি ইমানদিনে ডিজেল গাড়ী চলাইও কাঞ্চা হৈয়ে আছে। ডাঙৰ ডাঙৰ ডিজেল ট্ৰাকৰ এটা দুৰ্গুণ আছে। এই ট্ৰাকবোৰে ড্ৰাইভাৰজনকো যেন ট্ৰাকবোৰৰ দৰেই নিৰ্মম নিমম লগা কৰি তোলে। টেক্সি ড্ৰাইভাৰ যিদৰে চৌখীন হয়, ডিজেল চলোৱা ড্ৰাইভাৰজনক দুগালৰ পিছত দেখিব বিৰাট ম'হ-শিঙীয়া গোঁফ ৰাখি মহাভাৰতৰ বৃকোদৰৰ চেহেৰা এটা গঢ় তোলে।

কাঞ্চা পিছে আগৰ পাব্লিক বাচ চলোৱা কাঞ্চাজনেই আছে। সন্মুখৰ ফালে দুজন মানুহে গাড়ী ৰখাবলৈ হাত দঙা দেখি কাঞ্চাই ষ্টিয়াৰিং এৰি হাত দুখনেৰে এটা ক্ৰচ্ছ সাজি দেখুৱাই পাৰ হৈ আহিল। তেওঁ মোক সুধিলে—

: মাজে মাজে বাটত হাত দঙা মানুহ দেখিলেই ড্ৰাইভাৰে সেইটো প'জ দিয়েচোন। তাৰ মানে কি বাৰু ?

: এক্সপ্ৰেছ। ×প্ৰেছ। ইংৰাজী এক্সটো দেখুৱাই বুজাই দিয়ে যে, এয়া এক্সপ্ৰেছ গাড়ী, বাটে পথে নৰয়। আৰু আছে তেওঁৰ বহুতো বিভিন্ন কোডভঙ্গী। বুজাইছে বুজে। কিন্তু কাঞ্চাই ভাবে সেইবোৰ ইমান স্পষ্ট যে নুবুজাটোৱেই এক মূৰ্খামী।

মই কথাষাৰ কৈছিলোঁহে তেওঁ কিন্তু মোৰ ফালে মন নকৰি ড্ৰাইভাৰৰ ফালে উৎসুক নেত্ৰে প্ৰতিটো ভঙ্গী চাই গৈছিল।

It is the things we always hold
That we will lose some day ;

The only things we ever keep
Are what we give away.

: আৰ ইউ গোয়িং টু বিচাইট প'য়েট্ৰি ?

: নহয়। মই ভাবিছোঁ আমি পাৰ হৈ অহা মাইলবোৰৰ কথা। একচল্লিশ মাইল পাৰ হৈ আহিলোঁ। এই মাইলবোৰৰ সমস্ত স্মৃতিৰে আমি আমাৰ মনৰ প্ৰকোষ্ঠ ভৰাই আনিছোঁ।

: তুমি কি কাব্য গাব লাগিছা, মই একো বুজা নাই। কোৱা, এই পথাৰখনৰ কথাকে কোৱাচোন'।

: এই বিশাল পথাৰখন হ'ল কপিলীৰ জলাহ্ন। দূৰত বতাহত ঢৌ খেলি থকা কঁহুৱাবোৰ লক্ষ্য কৰিছা নে? সেয়ে কপিলী। কলং আৰু সিফালে। দুয়ো গৈ আমাৰ উত্তৰ-পশ্চিম ফালে জাগীৰ সেইপিনে পৰবাত মিলি কাজলীমুখত ব্ৰহ্মপুত্ৰত পৰিছে। কাজলীমুখৰ কথা মনত পৰিলেই মোৰ শঙ্কৰদেৱৰ কথা মনত পৰে। মই জনাত পৃথিৱীত মাত্ৰ তিনিজনা প্ৰতিভাশালী পুৰুষৰ জন্ম হৈছিল। তিনিটা ঐতিহাসিক চৰিত্ৰৰ। তেওঁলোক হ'ল ইজিপ্তৰ ইমহোটেপ, ইটালীৰ লিওনাৰ্ডো দ্য ভিঞ্চি আৰু ভাৰতৰ শঙ্কৰদেৱ।

ইমহোটেপ আছিল ৰাজবৈদ্য কিন্তু সাজিছিল পিৰামিড্; লিওনাৰ্ডো দ্য ভিঞ্চি আছিল চিত্ৰশিল্পী কিন্তু ৰাখি গ'ল নিৰ্মাণ শিল্পৰ, সাহিত্যৰ অপূৰ্ব নিদৰ্শন।

আৰু শঙ্কৰদেৱ! তেওঁ কৈছিল, এই কাজলীমুখৰ মাটি খোল সজাৰ বাবে উৎকৃষ্ট। কিন্তু তেওঁ কি আছিল জানা? এগৰাকী ধৰ্ম-প্ৰচাৰক। তেওঁ ভাৰতৰ এক মহান পুৰুষ, কিন্তু কেৱল ধৰ্ম প্ৰচাৰৰ বাবেই নহয়, ধৰ্মতকৈও মূল্যৱান কত অজস্ৰ সম্পদ অসমক দি গ'ল বাবে। শঙ্কৰে ভাৰতৰ পূব প্ৰান্তৰ এই শতাধিক জাতি-উপজাতি বাস কৰা প্ৰদেশখনত দি গৈছিল সাহিত্য, সঙ্গীত, শিল্প আৰু এক অনুপম সংস্কৃতি। কাজলীমুখৰ ওচৰ পাওঁতেই শঙ্কৰৰ কথা মনত পৰিল এই কাৰণেই যে, শঙ্কৰৰ অভ্যুদয়ৰ লগত কাজলীমুখৰ ঘনিষ্ঠ

সম্বন্ধ আছে। শঙ্কৰৰ মতে খোল হয় কঠালসাৰ, নহয় কাজলীমুখৰ মাটিৰে সজালে ভাল হয়।

শঙ্কৰদেৱে যিখন প্ৰথম বাজহুৱা সাংস্কৃতিক অনুষ্ঠান পাতিছিল য'ত পোনপ্ৰথমে শঙ্কৰৰ প্ৰতিভাক জনসাধাৰণে স্বীকৃতি দিছিল, তাৰ বাবে শঙ্কৰে খোল সজোৱাইছিল কাজলীমুখৰপৰা কুমাৰৰ মাটি অনাই।

কাজলীমুখৰ অলপ পশ্চিমেই মায়ং। মায়ং যাদুমন্ত্ৰৰ দেশ। তাত চকীয়ে নিজেই আগবাঢ়ি আহি আগন্তুকক আসন যাচে, তাত বাঢ়নীয়ে নিজেই চোতাল সাৰে, কুঠাৰে আপোনা-আপুনি খৰি ফালে। জলকীয়াই খোজ কাঢ়ি কাঢ়ি আহি আঞ্জাৰ কেৰাহীত পৰেহি। মানুহ ভেড়া হয়, গাধ হয়, কুকুৰ হয়; আৰু কত যে কি হয়!

: হাও?

: যাদুৰ বলত।

: ড'ন্ট্ বী চিলি। ইউ ৱাণ্ট মী টু বিলীভ অল দিজ বাংকাম?

: কিন্তু এটা কথা তুমি বিশ্বাস কৰিবই লাগিব। এসময়ত মায়ঙত নহলেও মায়ঙৰ ওচৰতে এজন যাদুকৰ আছিল। হয়তো কাজলীমুখত, হয়তো বৰদোৱাত, হয়তো বালিসত্ৰত অৰ্থাৎ এই লুইতৰ পাৰে পাৰে যি বিচৰণ কৰি ফুৰিছিল। তাৰ যাদুৰ বলত মূক অসমীয়া মানুহে কথা কব পৰা হৈছিল। তাৰ যাদুৰ বলত অসমৰ ইমূৰ-সিমূৰ বিয়পি পৰা বিভিন্ন জাতি-উপজাতিৰ মাজত যুগ যুগ ধৰি লাগি থকা যুদ্ধ নিমিষতে শাম কাটি শান্তিৰ প্ৰতিষ্ঠা হৈছিল।

তেওঁ কিন্তু মোৰ কথালৈ মন দিয়া যেন নালাগিল। তেওঁ আমাৰ বাঁওফালে ৰ'দত নিজম হৈ উঠা পথাৰখনৰ ফালে চাই আছিল। মই লাহেকৈ কলোঁ নিজকে কোৱাৰ দৰে: পলাশগুৰিত একেবাৰে পলাশ নোহোৱা নহয়। বসন্তকালত অহা হলে ক'ৰবাত দুই-এজোপা পলাশত ফুলৰ জুই দেখিলাহেতেন।

: তুমি ফুলৰ কথা ইমান ভাবা কেলেই?

: তুমি জানো নাভাবা ?

তেওঁ যে ভাল নাপায় সেইটোকে বুজাবলৈ তেওঁ মুখটো ইমান বাৰ জোকাৰিলে যে মোৰ সন্দেহ হৈছিল, তেওঁৰ মনত কিবা এক প্ৰচ্ছন্ন বেদনা আছে এনে ফুলৰ কথা লৈ ঘটা ঘটনাক আশ্ৰয় কৰি। মই ফুলৰ কথা পাহৰাবলৈ বুলি কলোঁ: এয়া, ইয়াৰপৰা চোৱা কপিলী নদীৰ জলাঙ্ক। ভালদৰে দেখিবা। ইমান বিশাল উপনদীৰ অৱবাহিকা অসমৰ ক'তো তুমি নেদেখা। ১৯৫০ চন বা তাৰ আগতে অহা হলে দেখিলাহেতেন, বাৰিষা এয়া যেন মহাসমুদ্ৰৰ এক ক্ষুদ্ৰ সংস্কৰণ। এই পাহাৰখনত সৌ যে ঢৌ খেলা ধাননি পথাৰখন দেখিছা, তাত আছিল কপিলীৰ নীলা পানী। বান যেতিয়া আহে কপিলীৰ পানী হৈ পৰে কপিলা অৰ্থাৎ মটীয়া ৰঙৰ। সেয়ে নদীৰ নাম কপিলী। এই কপিলী বৈ আহিছে আমাৰ সোঁফালে দূৰত যি পাহাৰৰ শাৰী দেখিবা, সেই বৰাইল পৰ্বতমালাৰ মাজৰপৰা—উত্তৰ কাছাৰ, জয়ন্তীয়া পাহাৰ আদি জিলাবোৰ চুই ভৈয়ামত বাগৰি পৰিছেহি।

ইমান দূৰ আহিলেও কপিলী ব্ৰহ্মপুত্ৰৰ আটাইতকৈ দীঘল উপনৈখন নহয়।

: হুইচ্‌ ইজ দ্য লংগেষ্ট্‌ ?

: ৰোমাঞ্চিত হৈ পৰিবা নামটো শুনিলে। জিঞ্জিৰাম তাৰ নাম। আঁকোৱা-পকোৱা বাটৰে গাৰোপাহাৰ, গোৱালপাৰা জিলাৰ নানান ঠাই ভ্ৰমি ভ্ৰমি ব্ৰহ্মপুত্ৰত পৰিছেহি। অলপ আগতে যে কৈছিলোঁ 'দেওছাগলী পোৱা বৰবলা পাহাৰৰ কথা,' তাৰ প্ৰায় পঁশিচ মাইল পশ্চিমেদি মেছপাৰাৰ ৰাজধানী লক্ষ্মীপুৰৰ ওচৰেদি ব্ৰহ্মপুত্ৰত পৰিছেগৈ।

: জিঞ্জিৰাম মানুহৰ নাম যেন লাগে।

: এবা নদীবোৰো মানুহেই। পৃথিৱীৰ প্ৰায় সকলো ঠাইতে নদীক দেৱ-দেৱীৰ শাৰীত গণ্য কৰি আহিছে। এই ধৰা কলং। পিতৃহন্তা আৰিমত্তৰ আহুতি ব্ৰহ্মপুত্ৰয়ো হেনো গ্ৰহণ নকৰি কলঙেদি ওভোতাই

পঠালে। স্বোয়ে এই সুঁতিৰ নাম কলঙ্ক—কলং। নৱৈ মাইল দীঘল এই সুঁতিটো বৈ আহিছে আৰিকাটিমুখৰপৰা পশ্চিমে একেবাৰে এই কাজলীমুখলৈ।

এই কপিলীৰ জলাঙ্ক বুলি যে মই বিস্তীৰ্ণ অঞ্চলটো দেখুৱালোঁ, তাত এসময়ত সৰু সৰু চুবুৰীয়া ৰাজ্যেৰে ভৰি আছিল। 'এক নদীৰ সাত ৰজাৰ বল' বুলি যে এষাৰ কথা আছে তাৰ জন্ম নিশ্চয় এই কপিলী অৱবাহিকাতে হৈছিল। কিয়নো এই কপিলী অৱবাহিকা আছিল কুমৈ, গোভা আদি সাত ৰজাৰ ৰাজ্য। এই সাতোজন ৰজাই লগ লাগিও কপিলী নদীক শান্ত কৰিব পৰা নাছিল। কিম্বদন্তী আছে, দৰঙীৰজাই হেনো নৰ্গাৱৰ মিকিৰ জীয়ৰী চামদৈক বিয়া, কৰাইছিল। দৈৱজ্ঞই কলে, চামদৈৰ গৰ্ভত যি সন্তান জন্ম হব, সি হব পিতৃহন্তা। কাজেই নিৰুপায় হৈ ভূৰবন্ধাত ভূৰ বান্ধি ৰাণীক উটুৱাই দিয়া হ'ল। ভূৰ আহি এইপাৰে য'ত লাগিলহি তাতে বন্ধা হ'ল। সেয়াই ভূৰবন্ধা।

সেই ৰাণীৰ গৰ্ভতে জন্মিছিল আৰিমত্ত। পিতৃহন্তা আৰিমত্ত। যাৰ কলংকিত হাতৰ আহুতি সৱংনহা ব্ৰহ্মপুত্ৰয়ো গ্ৰহণ নকৰি ওভোটাই দিছিল। সেই আৰিমত্তৰে পুত্ৰ আছিল হেনো জোঙালবলহু। তেওঁ নগাওঁ জয় কৰাত এই সাতৰাজ্যৰ ৰজাই কুমৈ কছাৰীৰ ছোৱালী বিয়া দি মিত্ৰতা স্থাপন কৰিলে। সেই সাতৰাজ্য আছিল দন্দুৱা, দামাল, মায়ং, কলবাৰী, কুমৈ কছাৰী আদি কপিলী উপত্যকাৰ ৰাজ্যবোৰ।

লালুংসকলৰ লেছেৰীত যে কথা এষাৰ আছে—কছাৰীৰ ঘন ঘন গাঁঠি বুলি—কথাষাৰ মিছা নাছিল। কুমৈ কছাৰীৰ ছোৱালী জোঙালবলহুলৈ যে বিয়া দিয়া হৈছিল সেয়া আছিল এক ভীষণ ষড়যন্ত্ৰ। জোঙালবলহুৰ হেংদান হেনো অজেয় আছিল। কিন্তু শলাল কছাৰীৰজা হতাশ নহ'ল। তেওঁৰ গোপন পৰামৰ্শমতে কুমৈ কাছাৰী চিখ্‌লাই গিৰিয়েক জোঙালবলহুৰপৰা অজেয় হেংদান চুৰি কৰি এটা বৰালি মাছৰ পেটত ভৰালে আৰু সাতৰাজ্যৰ ৰজাৰ তালৈ

বুলি দি পঠালে। হেংদানো গ'ল, জোঙালবলহুৰ শক্তিও গ'ল। জোঙালবলহুৰ ৰাজ্য কছাৰীয়ে আক্ৰমণ কৰাত তেওঁ যুঁজত হাৰি পলাল। পলাবলৈ আন পথ নাপাই জঁপিয়াই পৰিল কলঙত। কিন্তু শেষ পৰ্য্যন্ত জোঙালবলহু ৰক্ষা নপৰিল। এই কাজলীমুখতে কাছাৰীয়ে জাল বাই বাই জোঙালবলহুক জালত তুলিলে আৰু হত্যা কৰিলে।

ৰহা, জাগী, ছটাবড়ি, কুলৈ, বহা আদি কলঙৰ পাৰৰ ঠাইবোৰৰ নামৰ হেনো এই ঘটনাৰ লগত সম্বন্ধ আছে। এই নামবোৰে আজিও জোঙালবলহুৰ সেই ঐতিহাসিক পলায়নৰ স্মৃতিকে বহন কৰি আহিছে বুলি মানুহে কয়। ৰহাত হেনো জোঙালবলহু ৰৈছিল, জাগীত হেনো পানীৰপৰা মুৰ উলিয়াইছিল (মাছ কমোৱাক কামৰূপত কোনো কোনো ঠাইত মাছে জাগ দিয়া বুলিও কয়), ছটাবড়িত ছট্‌ফটাইছিল, কুলৈত মুখ কুলি কৰিছিল, বহাত হেনো উঠি বহিছিল, ইত্যাদি।

দেখিলানে কাজলীমুখে কিমানবোৰ কাহিনী হজম কৰি বহি আছে! এইফালে চোৱা। সোঁফালে। এয়া আমচৈ অহাৰণ্য। ইয়াত আলিৰ দাঁতিয়েদি তুমি বেছিভাগ দেখিবা শালগছ। ইয়াৰ উজনিত ক'তো তুমি ইমান শালগছ নেদেখিবা।

শালগছ অসমৰ বনসম্পদৰ এক উল্লেখযোগ্য অঙ্গ। গোৱালপাৰাৰ ফালে গলে দেখিবা আলিৰ দুয়োকাষে মাইলৰ পাছত মাইল জুৰি শালগছৰ অৰণ্য। শুকান শালপাতে তলত বন গজিব নিদিয়ে। সেইবাবে শালনিৰ মাজত অইন গছ-গছনি ৰবকৈ নহয়। শালপাতেৰে বিৰীও সজায় আৰু কোনো আশ্ৰমলৈ গলে শালপাতত মন্দিৰৰ প্ৰসাদ খাবলৈকো পোৱা যায়। অসমত অৰণ্যে তেনে মন্দিৰ নাই, কিন্তু চহৰৰ বিয়া-সবাহত নিমন্ত্ৰিতক খাবলৈ গাৱঁৰ কলাপাতৰ সলনি শালপাতত দিয়ে।

শালগছতো গছ নহয় যেনিবা শিলৰ একোটা খুটাহে। আনকি তাৰ ফুলটোও আম ফুলৰ দৰে কোমল নহয়।

: মানে শালগছ তোমাক চালে চাব নালাগে।

: আৰু ইকবা ? বাঁউছ ?

: চ' হোৱাট ?

: একদম তোমাক চালে চাব নালাগে।

: মই বাঁড্‌ছ দেখাই নাই।

: সোঁৱা ধাননিৰ মাজে মাজে—ওখ ওখ। বতাহত যে হালি-জালি ঢৌ খেলি আছে।

: আই এম নট এক্স উইক এক্স দে আৰ।

: কোনে কয় ইকবা উইক বুলি। অলপ আগতে এটা ফকবা মাতিছিলোঁ তোমাৰ মনত নাই জানো ?

তেওঁ বুজা নাছিল ; মই মানেটো বুজাই দিয়াত তেওঁ চিঞৰি উঠিল : আই এম নট হাৰ্ডাৰ দেন এ চাল ট্ৰি। হোৱাট ডু ইউ মীন !

তেওঁ তেওঁৰ হাত দুখনেৰে মোৰ বাঁওখন হাত মেৰিয়াই লোৱাৰ দৰে কৰিলে যেন তেওঁৰ কোমলতাৰ আভাস দিবলৈকে। কিছুমান আছে নহয়, মিহি মসৃণ তুলাৰ দৰে কোমল দেহপল্লৱৰ অধিকাৰী—মই বুজিছিলোঁ, তেৱোঁ তেনে ভাগ্যৱতীসকলৰে এগৰাকী আছিল।

: দিচ ৰোড ? হোৱেৰ ইট লীড্‌চ টু ?

: আমচৈ চাহ বাগিচালৈ। এই ৰাস্তাৰ দাঁতিত প্ৰথম চাহ-বাগিচা পালোঁ সোনাপুৰত ; তাৰ পাছত একেবাৰে টিয়কৰ ওচৰত শেষখন বাগিচা পামগৈ।

আমচৈ বাগিচা ইয়াৰপৰা ন কিলোমিটাৰ আঁতৰত। বাগিচাৰ-পৰা এমাইল গলেই দেখিবা নতুনকৈ খোলা বৈঠালাংচু ৰাস্তাৰ ওচৰত শিৱস্থান। নগাঁৱত এনে শিৱস্থান বাটে-পথে তুমি বহুতো দেখিবা। কিন্তু এইখনৰ দৰে গহীন পৰিবেশত আন এখন শিৱস্থান তুমি নোপোৱা। এইটো এটা পিক্‌নিক স্পট। পাহাৰৰ ওপৰৰ পৰা অহৰহ পানী পৰি আছে এটা শিলৰ ওপৰত আৰু তাৰপৰা জুৰি হৈ বৈ আহিছে অৰণ্য পৰিনদ্ধ শস্যক্ষেত্ৰলৈ। আৰু নিশ্চয় লগত কঢ়িয়াই

আনিছে দেৱাদিদেৱৰ আশীৰ্বাদ। কিয়নো ভাত হেনো খুব ভাল খেতি হয়।

: আৰু কি কম? মুখ বিষাই গ'ল। এইবাৰ তুমি কোৱাচোন কিবাকিবি।

: মই আকৌ কি কম? মই এয়া নতুন আহিছোঁ। মইতো একো নাজানো। তোমাৰ কথাবোৰ শুনি শুনি মোৰ অৱশ্যে এনে এটা অনুভূতি হৈছে যেন এইবোৰ কাহিনী মই কোনোবা জন্মান্তৰৰ-পৰাই শুনি আহিছোঁ। এই মাটি আৰু মানুহৰ সৈতে মোৰ যেন কত জনমৰ চিনাকি!

কথাখিনি কৈ মোৰ হাত এখন তেওঁৰ কোচত পেলাই লৈ হাতেৰে পিটিকি পিটিকি এটা মুহূৰ্তত তেওঁ একেবাৰে অন্যমনস্ক হৈ পৰিল। তেওঁৰ চিন্তাভঙ্গ হোৱাৰ ভয়তে মই হাতখন নিশ্চেষ্টভাৱে এৰি দিছিলোঁ।

বাচৰ ভিতৰত প্ৰত্যেকেই নিজস্ব কিবা নহয় কিবা এটা চিন্তা লৈ নীৰৱ হৈ পৰিছিল। মোৰ চকুত পৰিল ড্ৰাইভাৰজন। সম্মুখত ৰাস্তাত কোনোবা এজন মানুহে বাচখন ৰখাবৰ বাবে হাত দাঙিছিল। ড্ৰাইভাৰে তেওঁৰ সেই ক্ৰছটো কৰি দেখুৱালে। দেখুৱায়েই কাৰোবাৰ চকু-মুখত প্ৰশংসাব্যঞ্জক কিবা দেখাৰ আশাৰে বোধকৰোঁ ভিতৰৰ যাত্ৰীৰ ফালে ঘূৰি চাইছিল। এনেতে গুলোটা ফালৰপৰা অহা এখন ফাৰ্ষ্ট ক্লাছ কাৰৰ লগত খুন্দিয়াখুন্দি লগাৰ উপক্ৰম হৈছিল। কিন্তু ড্ৰাইভাৰে হঠাৎ এই বিৰাট বাচখন চাঁটৃ কৰে কাটি লৈ গ'ল। যাত্ৰীবোৰ চক্‌খাই উঠিল গাড়ীৰ হঠাৎ জোকাৰণিত। ড্ৰাইভাৰ কিন্তু নিৰ্বিকাৰ।

তেৰোঁ একেবাৰেই নিৰ্বিকাৰ হৈ বহি আছিল বাহিৰৰ ফালে চাই —কোলাত আলফুল কৰে মোৰ হাতখন ধৰি লৈ। ৰবীজনীয়ে কিন্তু হাঁহি হাঁহি দেহত অজস্ৰ ভাজ তুলিছিল। ৰবীয়ে হাঁহিব বুলি মই আশা কৰা নাছিলোঁ আৰু তেওঁ যে একেবাৰে নিৰ্লিপ্ত হৈ থাকিব পাৰিব সেইটোও আশা কৰা নাছিলোঁ।

মোৰ এগৰাকী বন্ধুৰ মতে ভগৱানৰ সৃষ্ট প্ৰাণীৰ ভিতৰত দুবিধৰ সঁজাত পোৱা টান। এবিধ সাপ আৰু আনবিধ হল গাভৰু ছোৱালী। সেইবাবেই বোধকৰোঁ শঙ্কৰ গুৰুৱে তেখাৰ প্ৰতিষ্ঠিত ধৰ্মৰপৰা নাৰীক বাদ দিছিল। শঙ্কৰ গুৰুলৈ যাবই নেলাগে। মোৰ নিজৰে এটা কাহিনী আছে—যিটো এতিয়া মোৰ নিজৰে অবিশ্বাস্য যেন লাগে।

তেতিয়া আমি কলেজত আছিলোঁ। হোষ্টেলত থাকোঁ। ছীট-ৰেণ্ট দি হোষ্টেলত ছীটত শোওঁ, মেচ ডিউচ্ দি মেচত ভাত-চাহ খাওঁ আৰু কলেজত পঢ়াৰ মাচুল দিওঁ বাবে পঢ়াৰ বিষয়টো আমি কলেজৰ বাবে আছুতীয়া কৰি ৰাখোঁ। সন্ধিয়া ছয় বজাৰ লগে লগে মেইন গেট বন্ধ হয় বাবে আমি নিয়মানুবৰ্তিতা মানি চলাবোৰে ছয় বজাৰ পিছত মেইন গেটেৰে ওলোৱা-সোমোৱা নকৰিছিলোঁ। তেনে নিয়মানুৱৰ্তিতা মানি চলা ছাত্ৰৰ কল্যাণ কামনাৰে আমাৰ পূৰ্বৰ বাটকটীয়াসকলে হোষ্টেল কম্পাউণ্ডৰ এফালে লোহাৰ জেওৰা ভাজ কৰি এটা খোৰোফেৰ্য়াৰ কৰি থৈ গৈছিল। আমি সেইটোকে ব্যৱহাৰ কৰিছিলোঁ সময়ে-অসময়ে।

এদিন ওচৰৰ আলিবাটেদি চাৰিজনী কলেজৰ ছোৱালী গৈছিল। তাহানিৰ মিছ···কলেজ আৰু তিনিজনী মিছ খালৈ ঘোগোৰা, মিছ হেকোদাংৰৰি, মিছ খনাখোকোৰা, মিছ কোকৰাঝাৰ এনে ধৰণৰ ছোৱালী। আমাৰ বন্ধুবৰ্গৰ চলিহা আৰু কেইজনমানে হোষ্টেলৰ লনত বহি আড্ডা মাৰি আছিল। তেওঁলোকৰ মাজৰে কোনোবা এজনে কেট কল দিলে মিছ··কলেজক উদ্দেশ্য কৰি নীলিমা বাইদেউ বুলি। দিবলৈহে পালে একেবাৰে কলিয়াবৰত মূলাগাভৰুৱে যি মূৰ্তি ধৰি ৰণত নামিছিল সেই মূৰ্তি ধৰি নীলিমাই চোঁচা মাৰি আহিল। লগৰ সৈন্যবাহিনীয়েও অনুসৰণ কৰিলে। আহিল ক'লৈ জানে নে—একেবাৰে সুৰুঙা অৰ্থাৎ সেই খোৰোফেৰ্য়াৰ-টোৰ মুখলৈ। আমাৰ চলিহা বীৰপুঙ্গৱসকল পলাই ফাট মাৰিলে।

মনিটৰ পৰ্য্যন্ত ওলাই আহিল। অলপ পিছত টপ্ টপ্ কৰে চকুপানী পেলাই দৰ্পাহতৰ দৰে কেউজনী গুচি গ'ল।

উজান বজাৰৰ পদ্ম শৰ্মাও তাতে আছিল। তেওঁ বিচলিত হ'ল আৰু টিপিকেল উজান বজাৰীয়া ঢঙত কলে: আবা, এতিয়ান গম পাবা ৰবা, জুৱান ছোৱালী জোকাই লৈছা, দদায়েৰাক লগাব গৈছে।

ডিব্রুগড়ৰ গ্রাহাম বজাৰৰ বচুলে কলে নিজৰ অপৰাধ খালনৰ উদ্দেশ্যে—আমি চব জাংকা মাৰি আছো, সি ভী আছিলে, সি চালা লোম্ড়ী হয়, আবে তোৰ চাহচ নাই তো নকৰিবি। বৰ বেআকেল।

দদাইদেউ মানে প্রিন্সিপাল আছিল দেশৰ এগৰাকী প্রাতঃস্মৰণীয় ব্যক্তি। (তেখেতৰ অক্ষয় স্বৰ্গবাস হওক।) দুয়োপক্ষকে পেচেন্ট্ হিয়াৰিং দি ছোৱালীহঁতক কলে যে, তেওঁলোকৰ হোষ্টেলৰ আগেৰে কোনোবা ল'ৰা গলেই তেওঁলোকেও ককাইদেউ বুলি কেট কল দিব পাৰিব।

অফেন্স্ কম্পাউণ্ড হ'ল হয় কিন্তু কোনো পক্ষেই সন্তোষজনক মীমাংসা নাপালে। তথাপি এদিন আটায়ে পাহৰি গ'ল কথাটো।

বহুদিনৰ পিছত এদিন ভিন্‌দেউৰ ঘৰত তাৰে এগৰাকী গুচৰীয়াৰ সৈতে মোৰ আচম্বিতে দেখাদেখি হ'ল। তেওঁৰ নাম আছিল মীনা। মোক দেখি তেওঁ খুব অবাঞ্ছিত এজনক দেখাৰ দৰে কৰি চাট্ কৰে যি ভিতৰ সোমাল আৰু ওলাই নাহিল। ভিন্‌দেৱে মাতিলেহে মাতিলে; তাই কিন্তু ওলাই নাহিল যি নাহিলেই।

মীনা অশুৱনি নাছিল। মনে মনে বৰ ক্ষুব্ধ হৈ পৰিছিলো। মীনাক লগ নোপোৱাৰ বাবে নহয়, মীনাৰ মোৰ ওপৰত থকা ভুল ধাৰণাৰ বাবে। আৰু দুখ লাগিল অলপ পিছত বাইদেৱে যেতিয়া বেণি-বেণি-কটা হাঁহি-হাঁহি-মতা প'জ এটা দি কলে যে মই হেনো মীনাহঁতক ৰাস্তাত জোকাইছিলো আৰু সেইবাবে তেওঁ মোক মাতিবলৈ ভাল নাপায়।

মোৰ হঠাৎ খং উঠি গৈছিল। বাইদেউক কলো—তেখেতক কৈ

দিবা, কাৰো ঈৰ্ষা বা লোভ জন্মাবৰ বাবে তেখেতৰ ভাত কিবা আছে বুলি মই নাভাবোঁ। আৰু মই তেখেতৰ ৰূপমুগ্ধ বুলি ভাবিছে যদি ভীষণ ভুল কৰিছে।

মই এতিয়াহে ভাবোঁ মই তেনেদৰে কব নালাগিছিল। অন্ততঃ বাইদেউৰ আগত। কিন্তু খঙতে কি ভাবি কি কৈ পেলাইছিলোঁ মন কৰিবৰে নহ'ল সেই মুহূৰ্তত।

বাইদেৱে মোৰ খং তুলিবৰ মনেৰেই নিশ্চয় আকৌ কৈছিল অনুযোগৰ সুৰত--তথাপি ছোৱালী জোকোৱা বেয়া ৰবা।

বাইদেউৰ কোৱাৰ ধৰণটোতে মোৰ হাঁহি উঠি গৈছিল। মই হাঁহি হাঁহি কৈছিলোঁ: মই ছোৱালী নোজোকাওঁ বাইদেউ, বিশেষকৈ চহৰৰ ছোৱালীক। কিয়নো আমি জনাত প্ৰত্যেকজনী ছোৱালীৰ পিছত এযো একোটা নাইটৰ দল থাকে। দেহলৈ মোৰ যথেষ্ট মৰম আছে।

ভিনদেৱে এইবাৰ ফোৰণ দিলে—এৰা, জানৰ খতৰা আছে। মীনা, তোৰ নাইটৰ দলটোৰ মুখ্য অধিনায়ক কোন?

মীনাই যেন এনে এটা সুযোগৰ বাবেই ইমান পৰে অপেক্ষা কৰি আছিল। শেনটোৰ দৰে চোঁচা মাৰি সোমাই আহিল আৰু দৰ্পিত ভঙ্গীৰে কলে—এখেত।

মীনাৰ মোলৈ পোনোৱা আঙুলিটো মুচৰি ভাঙি পেলাম যেন খং উঠিছিল মোৰ। মই ভোঁ-ভোঁৱাই গুচি আহিছিলোঁ। মনত আফচোচ্ লৈছিল পিছত কিয় যে মই মীনাৰ কথাৰ সমুচিত উত্তৰ নিদি তেনেদৰে গুচি আহিলোঁ।

তাৰ কিছুদিনৰ পিছত ভিনদেউহঁতৰ তালৈ মোৰ নিমন্ত্ৰণ। বহুদিনৰ আগতে ঘটা ঘটনাটোক সৰু কৰি পেলাবৰ চেষ্টা কৰিও পৰা নাছিলোঁ। কিন্তু নাহিলেওতো নহয়, কাজেই আহিছিলোঁ। ঘৰত সোমায়েই খোৱাৰ টেবুলত পৰিবেশনৰতা মীনাক দেখি মই কালৰি কাটি ভিতৰৰ ফালে যাব খোজোঁতেই, মোক যেন হঠাৎ

কান্দত পেলাই লগে, এনে এটা ভাব লৈ মোৰ কাণে নোচোৱাকৈয়ে কলে—ভিতৰে কিচ্ছু নাই, যা আছে সব এইখানে।

মোৰ সাজ্বাতিক কিবা এষাৰ কৈ দিবৰ মন গৈছিল। কথাষাৰ অৱজ্ঞা কৰি ভিতৰলৈ সোমাই গলোঁ। বাইদেৱে চুগৰাকী চচ্মা পিন্ধা শকত মহিলাৰ লগত কথা পাতি আছিল। মোক দেখি উঠি আহিল আৰু খোৱাৰ টেবুললৈকে আনি বহুৱাই দিলেহি। মীনাক খাবলৈ দিবলৈ কৈয়ে তেওঁ মানুহ বহি আছে বুলি ভিতৰলৈ সোমাই গ'ল।

মীনাই এইবাৰ একো নকলে। মই চাহ-তাহ খাই গুচি আহিলোঁ। এসময়ত মীনাৰ কথা পাহৰি গলোঁ। থাৰ্ড ইয়াৰৰ পৰীক্ষা শেষ কৰি ঘৰতে বহি আছোঁ। দেউতা ঢুকাই আমাৰ একেবাৰে নাঙ্গল-নাথল অৱস্থা। পঢ়িব লাগে চহৰত অথচ গাঁৱৰ ল'ৰাই চহৰত থকাৰ সংস্থান কৰে ক'ৰপৰা?

উপায় নাই; জীৱনৰ ভিত্তিমূল উৰ্বুলি পৰিল দেউতা ঢুকোৱাৰ লগে লগে। হতাশ হৈ বহি আছিলোঁ ঘৰত। এনেতে এদিন আহিল এখন টেলিগ্ৰাম। বহুত চাকৰিৰ প্ৰাৰ্থী আছিলোঁ। ভাবিছিলোঁ কিবা চাকৰিৰ খবৰ। খুলি চাই বিস্ময়ত হতবাক।

—কাম শ্বাৰ্প –ইয়োৰচ্ মীনা। পঢ়ি উঠি ভাবি ভাবি মোৰ খং উঠি গ'ল ছোৱালীৰ স্পৰ্ধা দেখি। মই টেলিগ্ৰামখন দলিয়াই দিলোঁ। কিন্তু শেষত মাৰ কাৰণে আহিবলৈ বাধ্য হলোঁ। সেইদিনা মা নথকাহেতেন মোৰ সমগ্ৰ জীৱন এক বিৰাট অভিজ্ঞতাৰ পৰা বঞ্চিত হ'লহেতেন।

ভিনদেউইঁতৰ ঘৰ পাই দেখিলোঁ, সৰু ল'ৰা দুটা আৰু কাম কৰা ছোৱালীজনীত বাদে ঘৰৰ কোনো নাছিল। আৰু গাৰ্জেন হিচাপে আছিল মীনা। ওচৰৰে আন এটা বেলেগ ঘৰত ভিনদেউৰ সম্পৰ্কীয় এজন চাকৰি কৰি বি-এ দিবলৈ যো-জা কৰা ল'ৰা, মানে মানুহ।

মই বাহিৰৰ কোঠাত বহিছিলোঁ। অলপ পিছতে শাড়ীৰ আঁচলত হাত মচি মচি মীনা ওলাই আহিল আৰু হাঁহি হাঁহি কলে—বাগ গেলো বুঝি ?

মই গহীন হৈ তেওঁৰ ৰসিকতালৈ আওকাণ কৰি কলোঁ—মোক কেলেই মাতিছিল ?

—বাব্বাঃ একেবাৰে যেন কেউটে সাপ। এত ৰাগ কৰে জিজ্ঞেস কৰলে আমাৰ উত্তৰ দিতে ভয় কৰে।

—বাজে কথা বাদ দি আচল কথাটো কওক। মোৰ সময় নাই। মোৰ মাই কোৱা বাবেহে মই আহিছোঁ।

—অ, তাই বুঝি। এত ৰাগ কৰলে আমি কিছু বলব না।

—কোনে কলে মই ৰাগ কৰা বুলি ? আচলতে কথাষাৰ জনাৰ দুৰ্বাৰ কৌতূহল হৈছিল মোৰ।

—আপনি ৰাগ কৰেন নাই ? মনেৰ ভাব আপনি কোনদিন ঢেকে ৰাখিতে পাৰেন কি ?

আহা, যেন মোৰ বহুজনমৰ প্ৰণয়িনীজনীহে! পট্ কৰে ওলাই আহিছিল কথাষাৰ। কোনোমতে চেপি ৰাখি কলোঁ যিমান পাৰোঁ সহজ হোৱা যেন দেখুৱাই--

—কিয় মাতিছিলে কওকচোন ?

—এম্‌নি।

মোৰ হঠাৎ খং উঠি গ'ল—হুৰ, বাজে চৰ, মোৰ কি দুনিয়াত খাই-বৈ আৰু আন কাম নাই। পকেটৰ পইচা খৰচ কৰি গুৱাহাটীলৈ আহি আপোনাৰ লগত চুপটি মাৰিবলৈ—

—থাক থাক।

—কি থাক, থাক মিছামিছি আপোনাৰ দৰে সাধাৰণ ছোৱালী একনীৰ খেয়াল—

—হয়েছে বাবা হয়েছে, সাধাৰণ ছেলেৰা সাধাৰণ মেয়েদেৰ ভাগ্যেই পড়ে। তা না হলে আমাৰও কি সাধ ছিল না, অসাধাৰণ

দেবতুল্য কাৰো সঙ্গে ভাব কৰতে। কিন্তু হলো আৰ কই। আচ্ছা বাদ দিন্। ভাত খাওক, চান কৰিব নহয় ?

সেইদিনা তাতেই থাকিলোঁ। কিন্তু কথাবাৰ জানিবলৈ নাপাই মনটো খুটুখুটাই আছিল। এবাৰ সুবিধা পাই সুধিলোঁ। তেওঁ কিন্তু খুব লেতেৰা কথা বুলি কৈ এৰাই গ'ল। শেষলৈকে তেওঁৰ পৰা কথাটো জনা নহ'ল। জানিলোঁ কাম কৰা ছোৱালীজনীৰ পৰা। ওচৰতে থকা কলেজীয়া ল'ৰাজনে হেনো খুব আমনি দি'ছিলেহি বাইদেৱেকক মোলৈ খবৰ পঠোৱাৰ আগদিনা ৰাতি। সেইদিনা বাইদেৱেকে কিবা এটা ভয়ত গোটেই ৰাতিটো তাইক ওচৰৰ পৰা যাবলৈকে নিদিলে আৰু কান্দি কান্দি উজাগৰে কটালে।

কথাবাৰ জনাৰে পৰা মীনাৰ প্ৰতি মোৰ কেনে ভাব হৈছিল আপোনালোকে নিশ্চয় উপলব্ধি কৰিব পাৰিছে। মীনাৰ প্ৰতি মোৰ স্নেহ আৰু কৰ্তব্যবোধ কিদৰে উথলি উঠিছিল মই বৰ্ণাব নোৱাৰোঁ।

তাৰ পিছতো মীনাৰ বিয়াৰ বাবে যেতিয়া প্ৰথম প্ৰস্তাৱ আহিছিল সেইদিনাও মীনাই তেওঁৰ তিতা চকুহাল মোৰ বুকুত গুজি কান্দিছিল। মই যেতিয়া তেওঁক বিয়া বোলা বস্তুটোত ইমান বিচলিত হোৱাৰ অৰ্থ নাই বুলি কৈছিলোঁ, তেতিয়া তেওঁ কৈছিল— থাক থাক খুব হয়েছে, দায়িত্ব, ভালোমন্দ, ভবিষ্যৎ এইগুলোৰ অৰ্থ আমাৰ জানা আছে।

মীনাৰ সেই ক্ৰন্দসী মূৰ্তি দেখি মই স্তব্ধ হৈ গৈছিলোঁ। কবলৈ মোৰ কথাও নাছিল। মন এক অবিশ্লেষণীয় অনুভূতিৰে আচ্ছন্ন হৈ পৰিছিল।

কেইমাহমানৰ পিছত মীনাৰ সেই মানুহজনৰ লগতেই বিয়া হৈ গ'ল। গানচট নে চটগান মেৰেজ বুলি যে কয় ভদ্ৰভাবাত, তেনে এখন বিয়াৰ মাজেদি দুয়ো সংসাৰ পাতিলে।

মীনাৰ স্বামী এতিয়া দেশৰ এগৰাকী বৰেণ্য মানুহ। এবাৰ এগৰাকী বন্ধুৰ লগত কথা-প্ৰসঙ্গত মোৰ কথা ওলাইছিল হেনো।

মীনা দেৱীয়ে মোৰ প্ৰসঙ্গ ওলোৱাত ঘৃণাকুঞ্চিত চকুৰে হেনো বন্ধুজনৰ মুখলৈ চাই সুধিছিল—সেই ষ্টুপিডটোৱে মোক বিয়া কৰাব খুজিছিল নহয়? কি বা কৰে সি আজিকালি?

মই যে অলপ লেট কৰি বুজোঁ, তাৰ পৰিণাম এয়ে; নিজে প্ৰস্তুত হব নোৱাৰাকৈয়ে বহুতো শোচনীয় পৰিস্থিতিৰ সম্মুখীন হবলগীয়াত পৰোঁ। সেই ঘটনাৰ পৰা মোৰ জীৱনত মনত থকাকৈ এটা শিক্ষা পাই থৈছোঁ। সেইবাবে ছোৱালী বুলিলেই সাৱধান।

কথাবোৰ ভাবি ভাবি মই কুৰিটা বছৰৰ আগৰ প্ৰতিটো অনুভূতিকে সজাৱ কৰি তোলাৰ চেষ্টা কৰিছিলোঁ। হঠাৎ মোৰ হাতখনত এটা প্ৰচণ্ড চাপ অনুভৱ কৰিলোঁ। আইৰিলাই হাঁহি হাঁহি কলে: ইমান এনগ্ৰচড্ হৈ কি ভাবিছিলা বাৰু? মই মাতি মাতি টায়াৰড্ হৈ পৰিলোঁ তোমাৰ একদম খবৰেই নাই।

: সঁচা? ক'তা মইতো শুনা নাই।

: মাতি মাতি মোৰ লাজ লাগি গ'ল। গাড়ীৰ সকলোৱে মোলৈ ঘূৰি ঘূৰি চোৱা হ'ল। কিন্তু যাক মাতিলোঁ তেওঁ আকৌ ভগৱানৰ দৰে আনকনচাৰ্নড্ হৈ বহি আছে। মোৰ অৱস্থাটো ভাবি চোৱাচোন।

মই তেওঁৰ মুখলৈ বিমূঢ়ৰ দৰে চাই ৰলোঁ। কি কম ভাবি নাপালোঁ। তেওঁ লাজ লাজ কৰি মোৰ ফালে চাই কলে: আকৌ বাঙেমি আৰম্ভ কৰিলা। বোৱা না কি ঠাই পালোঁহি। কিমান-বোৰ ঠাই যে আমি পাৰ হৈ আহিলোঁ।

এৰা, হয়তোন? আমিতো একেবাৰে বহা পালোঁহি। মাজতে কত চিনাকি ঠাই এৰি আহিলোঁ। আমচৈৰ পৰা শিলচাং, ধৰমতুল, থেকেৰাগুৰি, জোঙালবলহু গড়, আহতগুৰি, বহুত ঠাই। শিলচাঙত শিলৰ চাং পতা আছে। লালুং মনিষীসকলৰ কাৰণে। ছঘৰীয়াৰ দেওৰজা মন্ত্ৰী-পাৰিষদসহ নামে আৰু শিলচাঙত বহি দেশৰ কল্যাণৰ বাবে আলোচনা কৰে, অনাচাৰ-অনাবৃষ্টি বোধ কৰিবলৈ মাঙ্গলিক পূজাৰ বিধান দি যায়।

স্বৰ্গদেউ ৰুদ্ৰসিংহই অসমৰ বামুণক শুদ্ধিৰ শুদ্ধিৰ দেখি নদীয়া-শান্তিপুৰৰ পৰা কৃষ্ণৰাম ন্যায়বাগীশ ভট্টাচাৰ্য্যক মতাই আনি কামাখ্যাত থাপিছিল। আমাৰ কপিলীপৰীয়া প্ৰজ্ঞায়ো লালুঙৰ দেওৰজাক এৰি ৰামকৃষ্ণ পৰমহংসক ধৰিছে। শিলচাঙৰ ওচৰতে এতিয়া ৰামকৃষ্ণ মিশ্যনৰ প্ৰতিষ্ঠান।

তাৰ পাছত ধৰমতুল। মাজেদি কপিলী নৈ। নগাঁৱৰ এফালে যিদৰে চকুপানী, আনফালে সিদৰে কামধেনু। এই কপিলীয়ে একালত বাৰিষাৰ বান আনি নগাঁৱৰ মানুহক জুলুকি জুলুকিকৈ শিকাইছিল। কপিলীৰ উৎপাতত নগাঁৱৰ মানুহে জীয়াতু ভুগিছিল সঁচা কিন্তু কপিলীৰ কপিলা ঢলে ওপচাই অনা পলসে নগাঁৱৰ শ্যামল ক্ষেত্ৰৰ অণুৱে অণুৱে যি প্ৰাণ-প্ৰাচুৰ্য্যৰ সঞ্চাৰ কৰি থৈ যায় তাৰ ফলত ক্ষেত্ৰ হৈ পৰে শস্যে-মৎস্যে নদন-বদন। মানুহে কয়, নগাঁৱৰ মাটি, সোণাৰ মাটি। অসমৰ জিলাবোৰৰ ভিতৰত প্ৰকৃততে নগাঁৱৰ মাটিয়েই আটাইতকৈ সাৰুৱা আৰু জিলাখনক সেই কৃতিত্বৰ অধিকাৰী কৰিছে প্ৰধানতঃ কপিলী-কলঙে।

এই কপিলী নদীৰ দুয়োপাৰে থকা অগাধ হাবি এসময় শ্বাপদ-সঙ্কুল আছিল। এনে শ্বাপদ-সঙ্কুলতাই অসমৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰতো কম বৰঙণি যোগোৱা নাছিল। ১৬৬৭ খৃষ্টাব্দৰ কথা। আহোম সৈন্যক খেদি মোগল সৈন্য কলিয়াবৰ দুৰ্গৰ পৰা উভতি আহিছিল। তেতিয়া নগাওঁ, কামৰূপ আৰু গোৱালপাৰা মোগলৰ পদানত। আহোমসকলে গুৱাহাটী উদ্ধাৰৰ কাৰণে এটা শেষ চেষ্টা দিছিল। গুৱাহাটী উদ্ধাৰৰ আগতে মোগলৰ কলঙৰ পাৰত থকা কাজলীমুখ দুৰ্গ অধিকাৰ কৰাটো আছিল আহোম সৈন্যৰ লক্ষ্য। কিন্তু যুদ্ধত পৰাস্ত হৈ আহোম সৈন্য পলাবলৈ বাধ্য হ'ল। মোগলে কলিয়াবৰ দুৰ্গ পৰ্য্যন্ত আহোমৰ পাছে পাছে চোঁচা ললে।

প্ৰত্যাবৰ্তনৰ সময়ত জানো কি দুৰ্মতি হ'ল মোগল সেনানায়কৰ, তেওঁ হুকুম দিলে কপিলী জলাহৰ এই বিস্তীৰ্ণ সমভূমিৰ মাজেদি

কাজলীমুখ দুৰ্গ অভিমুখে নাক ধৰাবৰ অগ্ৰসৰ হবলৈ। সেই কালত শিলঘাটৰ পৰা কাজলীমুখলৈ ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে এটা মথাউৰি আছিল। তাৰ ফলত ব্ৰহ্মপুত্ৰৰ বছৰি উৎপাতৰ পৰা ৰক্ষা পৰিছিল সঁচা, কিন্তু নগাঁৱৰ উত্তৰ বাহিনী নৈসমূহৰ উৎপাত হৈছিল বৰ বেছি। উত্তৰ বাহিনী নৈসমূহৰ সোঁত মথাউৰিত ঠেকা খাই উভতি আহিছিল আৰু সমগ্ৰ কপিলী উপত্যকা দুৰ্গম, বিপদসঙ্কুল কৰি তুলিছিল। বছৰি সোঁত সলোৱা নিৰুপায় নদীবোৰে য'তে ত'তে দুস্তৰ জলাশয়ৰ সৃষ্টি কৰিছিল।

মোগল সেনাপতিয়ে সৈন্যসকলৰ পিনে উভতি চোৱাৰ অৱকাশ পাইছিল মাত্ৰ এবাৰ। সেয়া একেবাৰে কাজলীমুখৰ দুৰ্গ পৰিখাৰ কাষত বিপন্মুক্ত অঞ্চলত। সৈন্যৰ মূৰ গণি গণি সেনাপতি হতাশ হৈ পৰিল। এক-চতুৰ্থাংশ সৈন্যও তো নাই! কি হ'ল ইমানবোৰ সৈন্য! বিয়াগোম আৰনী ঘোঁৰাত উঠি মথাউৰিয়ে মথাউৰিয়ে বিশাল ব্ৰহ্মপুত্ৰৰ শোভা চাই চাই পাৰ হৈ যোৱা সেনাপতিৰ ঘনিষ্ঠ দলক কপিলীয়ে দুষ্টালিৰ হাঁহি মাৰিছিল; সেনাপতিয়ে গমকে নেপালে। সৰ্পদংশনত, শ্বাপদ জন্তুৰ গৰাহত, অচিন পিতনিত পৰি সৈন্যবাহিনী আধানাজি হ'ল। সেইকথা সেনাপতিয়ে জানিলে বহুত দেৰিকৈ। তেতিয়া আৰু বিপদ নিৰসনৰ কোনো উপায় নাছিল।

সেনাপতিয়ে অৱশ্যে ভাবিছিল ঠিকেই। সেই বিপদসঙ্কুল অৰণ্যৰ মাজতে অৰণ্যৰ দেৱতাৰ আপোন চিনাকি অসমীয়া সৈন্যৰ এটা দলে লুকাই লুকাই মোগলৰ আলেখ-লেখ চাই আছিল। সৈন্যবল কমি যোৱাত অসমীয়া সৈন্যই মোগলক অতৰ্কিতে আক্ৰমণ কৰি কাজলীমুখ দুৰ্গ লৈ ললে। তাৰ পিছত গুৱাহাটী আৰু সমগ্ৰ কামৰূপকে আহোমে পুনৰুদ্ধাৰ কৰিলে। ১৬৬৮ চনৰ কথা সেয়া। ১৬৬৭ চনৰ শেষাৰ্ধৰ পৰা ১৬৬৮ চনলৈ কামৰূপৰ মানাহ পৰ্যন্ত মোগলমুক্ত কৰা হ'ল। সেয়া শৰাইঘাট যুদ্ধৰ প্ৰস্তুতি। সেই সময়ত অসমৰ ৰজা আছিল স্বৰ্গদেউ চক্ৰধ্বজ সিংহ। এইজনা ৰজাৰ দিনতে

শৰাইঘাটৰ বুনিয়াদ গঢ়া হৈছিল যদিও দবাচলতে এপ্ৰিল মাহৰ যিখন শৰাইঘাটৰ যুদ্ধ হৈছিল, য'ত ৰামসিংহই পৰাস্ত হৈ উভতি যাব লগীয়াত পৰিছিল সেই যুদ্ধ হৈছিল চক্ৰধ্বজ সিংহৰ ভ্ৰাতৃ উদয়াদিত্যৰ দিনতহে। ১৬৭১ চনৰ এপ্ৰিল মাহত।

সেইবোৰ যিয়ে নহওক, কপিলী উপত্যকাৰ শৰাইঘাটৰ যুদ্ধ-জয়ত যথেষ্ট অৱদান আছে। মোগলে হৃত গৌৰৱ পুনৰুদ্ধাৰৰ বাবে আহিছিল। গৌৰৱ পুনৰুদ্ধাৰ কৰা দূৰৰ কথা, যিকণ গৌৰৱ আছিল তাকো ভূ-লুণ্ঠিত কৰিলে অসমীয়া সৈন্যই।

অসমীয়াৰ সেই কৃতিত্বত কপিলীৰ অৱদান নিশ্চয় উল্লেখযোগ্য। এই কপিলী-পাৰৰ সাধুকে লৈ অসমৰ খ্যাতনামা সাহিত্যিক নৱকান্ত বৰুৱাই অসমীয়া আধুনিক উপন্যাসৰ মাইলৰ খুটি পুতিছিল। বাৰিষা বান অহাৰ সময়ত কপিলীৰ আচল ৰূপ ওলাই পৰে। বৰাইল পৰ্বত শ্বাপদ-সঙ্কুল গহন অৰণ্যৰে ভৰা। কপিলী যে বৰাইল জায়ৰী, বন্যাৰ সময়ত সেই বন্যৰূপ দেখা হলে সহজে উপলব্ধি কৰিব পাৰিলাহেঁতেন।

কপিলীৰ দলং পোৱাৰ আগতে সেয়া ধৰমতুলৰ বজাৰ। তাত কপিলীৰ মাছ উঠে; ওচৰৰ বিলৰ মাছো আহে সেই বজাৰলৈ। কিন্তু ধৰমতুলৰ বজাৰ দৰ গাভৰু ছোৱালীৰ মেজাজৰ দৰে। কেতিয়া কি হয় ধৰাই টান।

থেকেৰাগুৰিত আমি অসমৰ আনটো যোগাযোগৰ পথ সোঁফালে এৰি থৈ আহিলোঁ। আমি এতিয়া ৰেলবাট আৰু ব্ৰহ্মপুত্ৰৰ মাজত। এই পথ গৈ গৈ এসময়ত ব্ৰহ্মপুত্ৰৰ সৈতে ঘনিষ্ঠ হৈ পৰিব।

মাজতে আমি জোঙালবলহু গড় এৰি থৈ আহিছোঁ। আজি ইয়াত অৱশ্যে ইতিহাস নাই, আছে উপহাস। আজি জোঙালবলহুৰ ঐতিহাসিক গড় হৈ পৰিছে চৰকাৰী মীনক্ষেত্ৰ। তাত এখাৰটা পুখুৰী আছে। অসম চৰকাৰে তাত মাছ পুহিছে। ওচৰৰ মানুহে

কয়, গড়ৰ ঐতিহ্য ৰক্ষাৰ চেষ্টাৰে হেনো সেই পুখুৰীৰ মাছ কেৱল ৰজাইহে খায়।

: ছু ইজ দিচ্ জোঙালবলহু ?

: বহুতে কয় এওঁ আছিল হেনো দৰঙৰ ৰজা নাগশঙ্কৰৰ সন্ততি। এই নাগশঙ্কৰেই তৈয়াৰ কৰাইছিল প্ৰসিদ্ধ বিশ্বনাথ মন্দিৰ। জোঙালবলহুৱেই আছিল অসমৰ প্ৰথম কাৰ্পেট বেগাৰ। ৰাজনীতি কৰাৰ অভিপ্ৰায়ে তেওঁ হেনো পাৰ হৈ আহিছিল ব্ৰহ্মপুত্ৰৰ ইপাৰৰ এই অচিন অজান দেশখনলৈ। তাৰ পিছৰ কাহিনী তোমাক মই কৈয়ে আহিছোঁ। ৰাস্তাৰ দাঁতিয়েদি এমাইল দীঘল নাৰিকল গছৰ শাৰী দেখা নাছিলা জানো ?

: দেখিছোঁ। বাট আই থট্ ইট্ ওৱাজ চাম প্ৰাইভেট প্ৰপাৰ্টি।

: প্ৰাইভেট প্ৰপাৰ্টিযেই। আগেয়ে যেনিবা আছিল জোঙালবলহুৰ, আজিকালি কোনোবা চৰকাৰী চাকৰিয়ালৰ।

: সৌৱা ধান গৱেষণা কেন্দ্ৰ। পেডি ৰিচাৰ্চ চেণ্টাৰ। চৰকাৰৰ জনকল্যাণমুখী এক বলিষ্ঠ পদক্ষেপ। সম্প্ৰতি অসম কৃষি বিশ্ববিদ্যালয়ৰ হাতত।

: আচ্চা তুমি আগ্‌লি আমেৰিকান পঢ়িছানে ?

: পঢ়িছোঁ।

: ভালদৰে পঢ়িছাতো ? তাত এটা কথা পাবা। প্ৰতিটো উন্নয়নমুখী পৰিকল্পনাৰ লক্ষ্য হ'ব লাগে স্থানীয় প্ৰতিভা আৰু স্থানীয় উপকৰণৰ পূৰ্ণ প্ৰয়োগ। তুমি ক্লাইৰিয়েটৰ গাঁৱৰ খেতিয়কে যদি মুৰ্গীক বেছিকৈ কণী পৰাবৰ বাবে পঞ্জাবৰ পৰা দৰৱ আনিবলগীয়া হয়, মুৰ্গীৰ লিটাৰ সাজিবৰ বাবে গুৱাহাটীৰ বজাৰত হাতুৰি-গজাল বিচাৰিবলগীয়া হয়, মই তাক উন্নয়ন বুলি নাভাবোঁ। বাৰু বাদ দিয়া, সৌখন কিহৰ দলং ?

: নৈৰ। হাৰিয়া নৈৰ। ৰহা চহৰৰ পশ্চিম সীমা। এই

উপনৈখন্ব নাম অলেখ। যমুনা, দিখাৰি, তেতেলীপৰা, হাবিয়া আৰু কত কি নাম। বহা চহৰৰ পূব সীমাতো এখন দলং আছে। কিন্তু সেয়া নদীৰ নহয়, বিলৰ। বহাত খন্তেক বব লাগিব।

বহাত সম্প্ৰতি চাবলৈ একো নাই। এগৰাকী শান্ত, মাটিৰ-মানুহ গৃহিণীৰ দৰে বৈচিত্ৰ্যহীন অস্তিত্ব একালৰ সামৰিক গুৰুত্বপূৰ্ণ এই বহা চহৰৰ। বহা, যুলগুৰি, বেবেজিয়া এই ঠাইবোৰে আহোম স্বৰ্গদেউসকলৰ দিনৰ পৰাই বিদ্ৰোহ কৰি আহিছে। মটক, কছাৰী আৰু লালুঙৰ বিদ্ৰোহ শান্ত কৰিব নোৱাৰি ১৮০৫ চনত ৰাজ-খোৱাই সসৈন্যে ইয়াতে কৌঠ মাৰিছিল।

তদুপৰি গাবো ৰাজ্যৰ বাবে ডিমৰুৱা, জয়ন্তীয়া ৰাজ্যৰ বাবে ভাগী আৰু কছাৰী ৰাজ্যৰ বাবে বহা। এই তিনি ঠাইত স্বৰ্গদেউৰ বিশেষ অনুগত বিষয়াক ৰাখি উক্ত ৰাজ্যবোৰৰ গোপন চিট্‌ৰেপ অৰ্থাৎ চিট্‌ৰেশ্যন ৰিপোৰ্ট সংগ্ৰহ কৰা হৈছিল। কাছাৰৰ কছাৰী শাসনকৰ্তা সুৰদৰ্পৰ দুৰ্বিনীত ব্যৱহাৰৰ বিৰুদ্ধে আমাৰ স্বৰ্গদেৱে এই বহাতে এগৰাকী বৰুৱা বখাৰ ব্যৱস্থা লৈছিল। আমাৰ বহীয়াল বৰবৰুৱাৰ গোপন দপ্তৰত কাছাৰৰ কটকীয়ে চিট্‌ৰেপ দাখিল কৰিছিল মাহেকত এবাৰকৈ। সেয়া খৃঃ ১৭০৮ চনৰ পিছৰ কথা। তেতিয়া কাছাৰ আৰু জয়ন্তীয়া ৰাজ্য আহোম স্বৰ্গদেউ মহাৰাজ ৰুদ্ৰসিংহৰ কৰতলগত।

ঃ হোৱাই ৰুদ্ৰসিংহ ইজ এ মহাৰাজ? হোৱাই হেভ্‌ ইউ মেনশ্যনড্‌ লাইক দ্যাট?

ঃ কিয়নো মহাৰাজ ৰুদ্ৰসিংহৰ দৰে প্ৰতাপী ৰজা আহোমৰ ছশ বছৰীয়া শাসনে আৰু একনো দিব পৰা নাছিল। ৰুদ্ৰসিংহ ৰজাৰ দিনতেই আহোম প্ৰশাসনৰ জয়-জয়-ময়-ময় অৱস্থা আৰু তেওঁৰ দিনতেই আহোম শাসনে চুবুৰীয়া প্ৰত্যেকখন ৰাজ্যৰ ওপৰতে প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰিছিল আৰু অকল তেওঁহে বঙ্গদেশ আক্ৰমণ কৰি অসম ৰাজ্যৰ সীমা বিস্তাৰৰ বাবে কাৰ্য্যকাৰী ব্যৱস্থা হাতত লৈছিল।

ওঠৰ শক্তিকাৰ প্ৰাৰম্ভতে কছাৰীৰ লগতে মায়ামৰীয়াসকলে আকৌ বিদ্ৰোহ কৰি উঠিছিল আহোম শাসনৰ বিৰুদ্ধে এই ৰহাতেই। সেই সময়ত ৰহা আছিল কপিলী উপত্যকাৰ কেন্দ্ৰস্থল। কপিলী আৰু ধনশিৰি উপত্যকা জুৰি থকা কছাৰী ৰাজ্যৰ প্ৰাণকেন্দ্ৰ। আহোম সেনাপতি হৰিপদ ডেকাফুকনৰ নিপুণ পৰিচালনাত আহোম সেনানীয়ে বিদ্ৰোহ দমন কৰিছিল। এই কৃতিত্বৰ পুৰস্কাৰস্বৰূপে মিকিৰ ভেটা মৌজাৰ ডেকাফুকনক দিয়া হৈছিল তুহেজাৰ পুৰা ভূসম্পত্তি; এতিয়া নিশ্চয় তেখেতৰ পো-নাতিয়ে চিলিং আইনৰ কবলত পৰি বংশ-ঐতিহ্যৰ প্ৰতি বীতশ্ৰদ্ধ হৈ পৰিছে।

ৰহাত যিমান বিদ্ৰোহ হৈছে অসমৰ ক'তো সিমান হোৱা নাই। ইয়াৰ ওচৰৰে ফুলগুৰিত বৃটিচ চৰকাৰৰ বণিক-নীতিৰ বিৰুদ্ধে অসমীয়া মানুহে ১৮৬১ খৃষ্টাব্দত বিদ্ৰোহ ক'ৰিছিল। ফুলগুৰি পালে বাৰু কম। তাত কলেহে তোমাৰ বুজাত বা বিশ্বাস কৰাত সহজ হব বুলি মই ভাবোঁ।

১৯৪২ চনতো ৰহা আছিল বিপ্লৱৰ ঘাটি। সেই চনতো এই অঞ্চলৰ ভালেকেইজন "দেশদ্ৰোহী"য়ে গিৰমিটীয়া কুলিৰ দৰে ইংৰাজ শাসনৰ পিতলৰ গুদাম পিন্ধাসকলৰ আগত নিতৌ হাজিৰা দিব লগাত পৰিছিল। বৃটিচসিংহৰ মনত দাৰুণ সন্ত্ৰাসৰ সৃষ্টি কৰা ৰহাৰ দেশদ্ৰোহীক হাতত কেৰেয়া, কঁকালত ফৈ, ভৰিত শিকলি লগাই আগে-পাছে ডজনে ডজনে সশস্ত্ৰ চিপাহী লৈহে জেললৈ নিবলগীয়াত পৰিছিল (যেন স্বাধীন ভাৰতৰ কোনোবা মুখ্যমন্ত্ৰীহে!)

ৰাস্তাৰ দাঁতিত হাইস্কুল আৰু মহিলাৰ বেচিক ট্ৰেইনিং স্কুল। সোটো থানা। তাৰ পাছফালে চৰকাৰী মীনক্ষেত্ৰ—কেইটামান সৰু-বৰ পুখুৰী। ওচৰতে সেয়া বাতৰি-কাকতৰ এজেন্সী। অসমত যিটো ব্যৱসায় মানুহে নোৱাৰাত হে কৰে। বাতৰি-কাকত সম্বন্ধে কোনোবা এজনে কৈছিল নহয়—

What can be worse for the mind than to think of forty things in ten minutes!

আমি অসমীয়া মানুহে এই কথাষাৰ বিশ্বাস কৰোঁ আৰু সেইবাবেই গুৱাহাটী কলিকতাৰ বাতৰি-কাকত একেসময়তে বহা পালেও আমি বিশেষ কিবা চিন্তা কৰিবলগীয়া আছে বুলি নাভাবোঁ।

বহাৰ আটাইতকৈ ভাল লাগে বেচিক ট্ৰেইনিং স্কুলটো। কোনোবা এখন কাপোৰৰ দোকানত মালিকে হেনো বিজ্ঞাপন দিছিল এনে ধৰণৰে: আগেয়ে মানুহে কাপোৰ কিনিছিল কাপোৰৰ জমিন, চিলাই আৰু ফেশ্যনৰ নিজস্ব ৰুচিলৈ লক্ষ্য ৰাখিহে। আজিকালিৰ চাৰটৰিয়েল টেষ্টত প্ৰভাৱ বিস্তাৰ কৰিছে হেনো মহিলাইহে। ছোৱালীয়ে কোনবোৰ কাপোৰ পিন্ধিলে ভাল পাব পাৰে তেনে এটা চিন্তা আগত ৰাখিহে কাপোৰ কিনা হয় হেনো ডেকাল'ৰাৰ। আমাৰ শিক্ষাৰ ষ্টেণ্ডাৰ্ডো আজিকালি আত্মবিকাশৰ লক্ষ্যৰে প্ৰভাৱান্বিত নহয়, হয় আত্মপ্ৰদৰ্শনৰ লক্ষ্যৰেহে। কোম্পানীৰ মালিক, নিগমৰ সভাপতি নাইবা মন্ত্ৰীৰ আগত নিজকে প্ৰদৰ্শনযোগ্য কৰি তোলাই আজিকালি শিক্ষাৰ মূল উদ্দেশ্য।

বেচিকৰ এই আধুনিক লক্ষ্য বা দৃষ্টিভঙ্গী নাই বাবেই চহৰতলীত বেচিক স্কুল নাই আৰু বুদ্ধিমান বা অভিজাত পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে বেচিকত নপঢ়ে।

আমাৰ দেশত ডিগ্ৰীৰ সমাদৰ ইমান বেছি যে, ডিগ্ৰীৰ বাবে আমি প্ৰতিভাক বিসৰ্জন দিবলৈকো কুণ্ঠিত নহওঁহক। নামৰ পাছত ডিগ্ৰী যোগ কৰাৰ উদ্দেশ্যে চুৰি-প্ৰৱঞ্চনাৰ দৰে যি কোনো অপৰাধকে কৰিবলৈ আমি কুণ্ঠাবোধ নকৰোঁ। আমি বিমলা চলিহা, ইন্দিৰা গান্ধীৰ প্ৰতিভাতকৈও বেছি আলোচনা কৰোঁ তেওঁলোকে কোন স্কুল-কলেজৰ কি কি পৰীক্ষা পাছ কৰিছে সেই বিষয়েহে। আমাৰ ভাৰতবৰ্ষত মাত্ৰ এজন ডিগ্ৰীহীন মানুহকহে চৰকাৰৰ উচ্চ পদ-মৰ্য্যাদাৰ চাকৰিত নিয়োগ কৰাৰ নজীৰ আছে। তেওঁ আছিল

বৃটিচ ভাৰতৰ শেষৰ জনা Reforms Commissioner মেনন। অৱশ্যে ভাৰত স্বাধীন্ হোৱাৰ দিনাই তেওঁৰো চাকৰি শেষ হ'ল।

আমাৰ দেশৰ আটাইতকৈ বিদ্বান মানুহজনে নিজৰ পঢ়া লাইটটোও ঠিক কৰি লব নাজানে, বিদগ্ধ পণ্ডিতজনে পঁচিশ বছৰ ধৰি উঠি ফুৰা নিজৰ মটৰখনৰ সামান্যতম বিজুতিতো প্ৰমাদ গণে।

কথাবোৰ ভাবি ভাবি কেতিয়া যে ৰহা পাৰ হৈ আহিলোঁ গমেই নাপালোঁ। ৰহা আজি শান্ত নিৰুপদ্ৰৱ হৈ পৰিছে। ৰহাত সোমাওঁতে যিদৰে গম নোপোৱাকৈয়ে সোমাই পৰিলোঁ সেইদৰেই ওলাওঁতেও নজনাকৈয়ে ৰহাৰ পৰা ওলাই আহিলোঁ।

এইবাৰ পাম ফুলগুৰি। ফুল নাই যদিও ফুলৰ স্মৃতিৰে ভৰি থকা বাট-পথবোৰ।

ইঞ্জিনে তেতিয়া বৰ বেছি স্পীড লোৱা নাছিল। ইঞ্জিনৰ শব্দই তেতিয়াও ভিতৰত বৰ গোলমালৰ সৃষ্টি কৰিব পৰা নাছিল। মোৰ কথাষাৰ বোধকৰোঁ অলপ ডাঙৰকৈ কোৱা হৈছিল। ৰবীয়ে বুৰি চাইছিল আৰু চালহাৰ ফালে চাই ঈষৎ হাস্য কৰি মোৰ ফালে ইঙ্গিত দিছিল।

মোৰ হঠাৎ মহাপুৰুষৰ পদ এফাঁকি মনত পৰিল—

মৃগ মীন মহাসাধু নৰে
মনৰ সন্তোষে তৃণ জলে
হিংসা শূন্য হুয়া থাকয় জীৱন ধৰি।
তথাপিতো ইটো ত্ৰিতয়ৰ
কৈৱৰ্ত্ত পিশুণ ব্যাধ সব
ইটো জগতত তিনি অকাৰণ বৈৰী॥

মৃগ মীনৰ দৰে এই নিৰীহ অধম নিঃকিনৰ প্ৰতি ৰবীৰ এই অকাৰণ বৈৰীতা কিয়, মই বুজিব নোৱাৰিলোঁ। মাইকী মানুহে শালীনতাৰ সীমা মতামানুহৰ দৰে সঘনে পাৰ নহয়, কিন্তু যেতিয়া হয় সীমা পাৰ হৈ বহু দূৰ পায়গৈ।

"O' God, why hast thow made this glaming snare,
Woman, to dog us on the happy earth ?"

: আহ্‌ হোৱাট এন অবস্কিওৰেন্টিষ্ট্‌ আইডিয়া। হোৱাই ডু ইউ থিংক্‌ এবাউট উইমেন লাইক দেট্‌ ?

: ইট্‌চ নট্‌ মী, বাট এভ্রিবডি।

: ডণ্ট্‌ ইউ চে লাইক দেট্‌ অৰ্‌ ইউ উইল হেভ্‌ টু হিয়াৰ এ চাৰমন্‌।

: আচ্চা বাবা আচ্চা; কিন্তু সৌজনীলৈ চোৱানা, তাই চলিহাৰ সৈতে মোৰেই কথা পাতি আছে।

: চো হোৱাট্‌। লেট পিপল্‌ টক এবাউট ইউ, ইট ইজ এ চাইন অব গ্ৰেটনেচ। লোকে তোমাৰ কথা নভবাকৈয়ে তুমি ভবা বুলি ধৰি লোৱাটো আকৌ বৰ বেয়া ধৰণৰ মানসিক দুৰ্বলতা বুইছা! সেইবাবে সেইবোৰ বাদ দিয়া; ফুলগুৰিৰ কথা কোৱা। নামটো বৰ ভাল লাগিছে; যদিও আলৰ দাঁতিত থকা খালবোৰত দেখা দুই-এটা মেচেকা ফুলত বাদে কোনো ফুল দেখা নাই।

: কিন্তু তুমি মন কৰিছা নে কিবা এক অজান ফুলৰ গোন্ধ পাই আহিছোঁ আমি।

: অ' সেয়া, সেযা মোৰ চুলিৰো হব পাৰে। সুভি চোৱাচোন। তেওঁ মোৰ মুখৰ ওচৰলৈ মূৰটো হলাই দিলে। সঁচাকে চুলিত কিবা এটা ফুলৰ সুঘ্ৰাণ থকা যেন পালোঁ। মই মুখখন আঁতৰাই এফলীয়া কৰি কলোঁ—এবা, তোমাৰ চুলিৰেই গোন্ধ।

: চুলিৰ কথা বাদ দিয়া। ফুলগুৰিৰ কথা কোৱাঁ।

: তুমি খুব অহঙ্কাৰী নহয় ?

: অঁ। গাভৰু ছোৱালী অহঙ্কাৰী হোৱাই ভাল, তলৈ নমাৰ আশঙ্কা নাই।

: সেইবাবেই অহঙ্কাৰী নেকি ?

ঃ তুমি কিছুমান সাধাৰণ কথাও নাজানা। অহঙ্কাৰী হবৰ বাবে কাৰণ নালাগে নহয়। অহঙ্কাৰ এটা সহজাত ভাব। কিন্তু তোমাক সাধাৰণ জ্ঞান দিবৰ বাবে পইচা খৰচ কৰি মই অহা নাই দেই। মই যি সুধিছোঁ কোৱাঁ।

আমাৰ বাটত ফুলবে আমি দুখন ঠাই পাম। এই ফুলগুৰি আৰু ফুলপানীছিগা। এই ফুলগুৰিত আমি ৰণত হাৰিছিলোঁ আৰু ফুলপানীছিগাত মানৰ সৈতে এখন ৰণ আমি জিনিছিলোঁ। মই আগতে কৈ আছিছোঁ, অসমৰ ভৈয়ামত এই ফুলগুৰিতে অসমীয়া মানুহে ইংৰাজ শাসনৰ বিৰুদ্ধে প্ৰথম আৰু প্ৰচণ্ডতম বিদ্ৰোহ কৰিছিল। সেয়া ১৮৬১ খৃষ্টাব্দৰ কথা। সেই সময়ত কপিলীৰ দক্ষিণে আছিল নগাসকলৰ বসতি। ইটো পাৰে আছিল লালুং-কছাৰীসকলৰ গাওঁ। আন অসমীয়া মানুহৰ গাওঁ আছিল কলঙৰ ছুয়োপাৰে মাথোন। কপিলীৰ দাঁতিত মানুহৰ বসতি ইমান কম আছিল যে ইংৰাজ শাসক বাটলাৰে বাহিৰৰ পৰা মানুহ আনি সেই ঠাইবোৰত বহুৱাৰ আঁচনি কৰিছিল। তেনে এটা সময়ৰ কথা।

মানুহ কম অথচ খাজনা লাগে বছৰি বছৰি বেছি—আৰু বেছিকৈ। সেইবাবে মানুহৰ ওপৰত কৰ-কাটলৰ বোজা অভাৱনীয়ৰূপে বাঢ়ি গৈছিল। জনসাধাৰণ লাহে লাহে ক্ষুব্ধ বিতুষ্ট হৈ পৰিছিল সেইদেখি ইংৰাজৰ চতুৰ শাসকসকলে কানিৰ ব্যৱসায় হাতত লৈ ব্যক্তিগত আফুখেতি বন্ধ কৰি দিলে। এতিয়া বেছ সুবিধা হৈ পৰিল। বিদ্ৰোহৰ বাজ চিৰতৰে মষিমূৰ হব, বিদ্ৰোহী আফিঙৰ বাগীত শুই পৰিব আৰু লগে লগে ইংৰাজ বেপাৰীৰ ধনৰ মোনাও দিনে দিনে ফুলি পৰিব। ইপিনেতো ভাৰতীয় ধৰ্ম-সংস্কৃতিক উপলুঙা কৰি খৃষ্টধৰ্মৰ ঢাক-ঢোল বজাবলৈ বিদেশী খৃষ্টান মিশ্যনাৰীসকল আছেই। চাৰিওফালে প্ৰচুৰ অৰ্থাগম।

সহ্যৰো এটা সীমা আছে। ১৮৬১ চনৰ সেইদিনা বোধকৰো ১৮

ডিচেম্বৰ। আকাশ স্পষ্ট যদিও আবেলি জাৰ পৰিছিল। তথাপি মাঘমহীয়া সেমেকা ৰ'দত জুপ লৈ লৈ শই শই ফুলগুৰি, ৰহা, রায়পজীয়া আদিৰ মানুহ বৈ আছিল অশেষ ধৈৰ্য্যেৰে নিৰ্মল অত্যাচাৰী জিলাধিপতি স্কনচ্ চাহাবক ভালদৰে এশিকনি দিবলৈ। পৱিত্ৰ নামঘৰৰ বেদী জোতা-মোজাৰে গচকি হিন্দু ধৰ্মৰ প্ৰতি যি কটু-বাক্য প্ৰয়োগ কৰিছিল স্কনচ্ চাহাবে, সেইকথা ফুলগুৰীয়া ৰাইজে কোনোদিন নাপাহৰে।

কিন্তু বিধিৰ লিখন খণ্ডন কোনে কৰে! সেইদিনা ফুলগুৰীয়া ৰাইজক ইংৰাজৰ শলাল নীতি সম্বন্ধে শিচুকনি দিবলৈ অহাৰ কথা আছিল জিলাৰ বৰচাহাব স্কনচৰ। কিন্তু আহিল ডেকা ছোট চাহাব লেফটেনাণ্ট চিংগাৰ হে। ক্ষিপ্ত ফুলগুৰীয়া ৰাইজে সেইদিনা দিক্-বিদিক্ জ্ঞানশূন্য হৈ চিংগাৰক লাঠিৰে কোবাই কোবাই বলিয়া কুকুৰ মৰা দি মাৰি পেলাইছিল।

হেজাৰ হলেও বেয়া লাগে ঘৰৰ পৰা হেজাৰ হেজাৰ মাইল দূৰত পৰিয়াল-পৰিজনৰ পৰা ইমান আঁতৰত স্বদেশৰ মৰ্য্যাদাৰ হকে প্ৰাণত্যাগ কৰা এই ডেকাজনৰ কথা ভাবিলে। কিন্তু এটা কথা আৰু বেছি অনুশোচনীয়, আৰু বেছি পৰিবেদনীয় যে, এই এজন ডেকাৰ বিনিময়ত আমাৰ তিনিকুৰিৰো ওপৰ অসমীয়া মানুহে ইংৰাজৰ নিৰ্মমতাৰ বলি হবলগীয়াত পৰিছিল, হেজাৰ হেজাৰ নিৰাহ মানুহে ইংৰাজ পল্টনৰ অমানুষিক অত্যাচাৰত ঘৰ-বাৰী এৰি পলাই ফুৰিবলগীয়াত পৰিছিল আৰু ৰূপচিং লালুং, হেবেৰা লালুং, চিৰসিং লালুং, নৰসিং লালুং বাহু কৈৱৰ্ত আৰু বনমালী কৈৱৰ্তক যাৱজ্জীৱন দ্বীপান্তৰৰ দৰে নিৰ্মম আদেশ মানি লবলগীয়াত পৰিছিল।

এই আন্দোলনৰ নেতৃত্ব বহন কৰা অলৌকিক শক্তিসম্পন্ন বুলি জনসাধাৰণে নিৰ্ভৰ কৰা লক্ষণ সিং ডেকা, ৰংবৰ ডেকা, চাংবৰ লালুঙক নগাওঁ জেলত ভিঙিত চিপজৰী লগাই হত্যা কৰিলে।

ঠিক এইখিনিতে, এয়া ফুলগুৰি বজাৰ নহয়? এইখিনিতে সেই

নৃশংস হত্যাকাণ্ডটো হৈছিল। ইয়াৰ অলপ আগলৈ এখন বিল পাবা। ডিমৌ বিল। তাৰ পাৰতো এখন চুৰ্চুৰীয়া যুদ্ধ হৈছিল ইংৰাজ পল্টনৰ লগত। য'ত ইংৰাজ পল্টন হাৰি পলাবলৈ বাধ্য হৈছিল।

বৃটিচ শাসনৰ বিৰুদ্ধে বিদ্রোহ কৰি একেলগে ইমান মানুহে প্রাণ বিসর্জন দিয়া ঘটনা জালিয়ানৱালাবাগত বাদে আৰু ক'ৰবাত হৈছিল বুলি আমি নাজানো।

কথাবোৰ কৈ কৈ মনটো ব্যথিত হৈ প'ৰল। অসমীয়া মানুহ আজিও আগৰ দৰেই হোজা হৈ আছে। সহজ সৰলতো হয়েই, তাতে আকৌ হোজা। সদায় কিবা এটা অলৌকিক শক্তিৰ ওপৰত নির্ভৰ কৰি চলে। নিজৰ পুৰুষকাৰৰ ওপৰত জনসাধাৰণৰ বিশ্বাস, আগেয়েও নাছিল, এতিয়াও নাই। এয়া কেৱল অসমৰে নহয় সমগ্র ভাৰতীয় জন-সাধাৰণৰেই মনৰ স্বৰূপ। এনেদৰে অলৌকিক শক্তিৰ ওপৰত নিভৰ কৰোঁতে কৰোঁতে ভাৰতৰ প্রতিৰক্ষা প্রস্তুতি নিয়ত দুর্বল হৈ পৰিছিল। আৰু সেইবাবেই ভাৰতে কোনোদিন কোনো এটা বিদেশী আক্রমণকে প্রতিহত কৰিব পৰা নাছিল।

খৃষ্টপূর্ব চতুর্থ শতিকাতেই সমগ্র ভাৰত বিদেশীৰ পদানত হোৱাৰ কথা আছিল। নহল আলেকজাণ্ডাৰৰ এটা ভুল ধাৰণাৰ বাবে। গ্রীচদেশত তেতিয়া হাতীৰ ব্যৱহাৰ নাছিল। সেইবাবে আলেক-জাণ্ডাৰৰ হাতীলৈ আছিল বিৰাট ভয়। সেইকালৰ উত্তৰ ভাৰতৰ ৰজা মহাপদ্মনন্দৰ আছিল আকৌ এক সুবিশাল গজবাহিনী। অকল সেই কাৰণেই গ্রীক সৈন্য সিন্ধু পাৰ নহ'ল। নহলে হয়তো ভাৰতৰ ইতিহাসেই অন্য সোঁত ললেহেতেন।

: তুমি কি ভাবিছা?

: নাই ভবা একো।

: তুমি কিয় বাৰু সঁচা কথা নোকোৱা!

: ভাবিছিলোঁ আলেকজাণ্ডাৰ আৰু নন্দবংশৰ কথা। স্বাধীন ভাৰতৰ কথা।

: তুমি এটা কথা নিশ্চয় জানা ? নন্দবংশৰ গুৰিকথা ?

: জানো। এই বংশ আছিল অৰাজকুলোদ্ভৱ। দিবাকীৰ্তি বুলি এগৰাকী নাপিতৰ ঔৰষত প্ৰথম নন্দৰ জন্ম। নাপিতৰ এটা নাম নৰসুন্দৰ; এটা দ্ব্যৰ্থবোধক নাম। ইকুইভোকেল। নৰক সুন্দৰ কৰে বাবেও হব পাৰে বা নিজে সুন্দৰ বাবেও হব পাৰে। সেইটো যিয়েই নহওক দিবাকীৰ্তি কিন্তু সঁচাকে অপূৰ্বসুন্দৰ আছিল।

: নহলে হাও কুড হী মেনেজ দ্যাট ফলেন কুইন।

তেওঁ হাঁহিলে। এইবাৰ কবি সহযাত্ৰীয়ে তেওঁৰ ফালে মনোযোগ দিলে। বিভিন্ন উপাধিৰ প্ৰদৰ্শনেও যেতিয়া ববীৰ মন কোমলাব নোৱাৰিলে, তেওঁ ববীৰ ফালে চাবলৈ বাদ দি তেওঁৰ ফালে মাজে মাজে দৃষ্টি নিক্ষেপ কৰাত লাগিল। আইৰিলাই মন কৰা নাই। মোৰ হে চকুত পৰিছে। মই নজনা ভাও জুৰি সহজ হবৰ চেষ্টা কৰি ডিমৌৰ দলংখন পাওঁতে ডিমৌ বিলৰ কথা কব খুজিছিলোঁ, এনেতে তেওঁ কলে—হোৱাট ইজ দ্যাট বী হাইভ হাউচ অন দ্য অপজিট চাইদ অব দ্য বাজাৰ ?

: কি বী হাইভ হাউচ ?

: উইথ ইন্নিউমাৰেবল্ ভেন্টিলেচনচ ?

: দ্যাট ইজ এ নামঘৰ; এ হাউচ অব গড্।

: হাউচ অব গড নে হাৱামহল্ ?

অৰণ্যে গডক নি নি ইমান সৰু প্ৰকোষ্ঠত বধা কৰিছোঁ। যে হী নিড্চ চাফিচিয়েন্ট্ এয়াৰ।

মই ৰসিকতালৈ কাণ নিদি দেখুৱালোঁ উত্তৰ পিনলৈ।

: ইয়াৰ পোনে পোনে এখন সত্ৰ আছে।

: সত্ৰ ?

: এৰা, মিশ্যন এষ্টাব্লিচমেণ্ট। এই সত্ৰৰ নাম বালিসত্ৰ।

: তেনে সত্ৰতো অসমত ইন্নিউমাৰেবল্।

কিন্তু বালিসত্ৰৰ কথা অকল সত্ৰ বুলি মই দেখুৱা নাই। অসমৰ

বেছিভাগ সত্ৰৰে অসমৰ সভ্যতা সংস্কৃতিত কোনো অৱদান নাই। কিন্তু গড়মূৰ, বালিসত্ৰ, জখলাবন্ধা আদি কেইখনমান সত্ৰৰ অসমীয়া সাহিত্য, অসমীয়া সংস্কৃতিলৈ যথেষ্ট অৱদান আছে। বালিসত্ৰৰ শ্ৰীশ্ৰীযোগেন্দ্ৰ চন্দ্ৰ দেৱ গোস্বামী প্ৰমুখ্যে কেবাজনেও অসমৰ সাহিত্য ভঁৰাললৈ বাছকবনিয়া অৱদান দি আহিছে। দৰঙৰ নিকামুল সত্ৰৰ শ্ৰীশ্ৰীগহনচন্দ্ৰ গোস্বামী প্ৰভুৱে অসমৰ সঙ্গীত আৰু নাট্য-সাহিত্যলৈ যি অমূল্য অৱদান আগবঢ়াইছে তাৰ বাবে তেখেতক একাডেমী বঁটা প্ৰদান কৰা হৈছে। তুমি নিশ্চয় জানা ?

: নাজানো।

: অসমীয়া মানুহৰ দোষ এয়ে। নিজৰ বিষয়ে জানিবৰ চেষ্টা আমি নকৰোঁ। নোবেল বঁটা বিজয়ী চেমুৱেল বেকেটৰ নাম আমি মুখস্থ ৰাখিছোঁ কিন্তু জ্ঞানপীঠ বঁটা কোনে পালে, একাডেমী বঁটা কোনে পালে সেইবোৰ আমাক কেলেই ?

: কিন্তু তুমি মোক অসমীয়া মানুহৰ লগত সাঙুৰিলা কেলেই ?

কথাটো মই মনেই ৰখা নাছিলোঁ। কথাৰ লাচতে কৈ পেলালোঁ। ভাবিলোঁ, যথাৰ্থ উত্তৰ দিবলৈ গলে মিছামিছি বিলম্বিত বিষয় এটাৰ অৱতাৰণা কৰি লোৱা হব। সেইবাবেই কলোঁ—

: ভাল লাগিল দেখি। তোমাক বেলেগে ভাবিবৰ সুবিধাই পোৱা নাইতো।

কথাষাৰ শুনি তেওঁ এবাৰ মোৰ মুখলৈ চালে। মুখত সন্দেহ নে অবিশ্বাস কি আছিল ধৰিব নোৱাৰিলোঁ। তেওঁ মাত্ৰ চেপা-চেপা হুমুনিয়াহ এটা কাঢ়ি বাহিৰলৈ চাই পঠিয়ালে। ফুলগুৰিৰ পাচত বেবেজিয়া। আলিৰ কাষে কাষে সৰু-বৰ অসংখ্য বিলত ডাউকৰ মাত শুনিছিলোঁ। দুপৰৰ ৰ'দত মাতি মাতি ডাউকবোৰো এসময়ত নিজম হৈ পৰিছিল। কিন্তু ঘৰৰ পদূলিবোৰত থকা কৰবীৰ গছবোৰৰ এটা ঠালো শুকোৱা নাছিল। শৰতৰ কঞ্জলা ৰঙে কৰবীৰ গছৰ অঙ্গে অঙ্গে পোহাৰ মেলিছিল। নহলে নৱকান্ত

বকৰা আৰু বীৰেণ দত্তৰ বহাগৰ দুপৰীয়াৰ ৰ'দালিৰে ভৰা ৰাতিৰ বিস্ময় উপভোগ কৰিব পাৰিলোহেঁতেন।

এতিয়া শেনচোৱাত বেপআলি পাৰ হলেই নগাওঁ চহৰ আমাৰ দৃষ্টি পথত পৰিব। প্ৰথম যিটো বস্তু আমাৰ চকুত পৰিব সেয়া এটা ওখ অট্টালিকা। নগাওঁ আৰু শিৱসাগৰ চহৰৰ সেইখিনিতে মিল। শিৱসাগৰলৈ গলে আপুনি পথৰ দাঁতিত একাধিক ঐতিহ্য-মণ্ডিত কীৰ্তি-চিহ্ন পাই যাব সঁচা কিন্তু দূৰৰ পৰা প্ৰথমে আপোনাৰ চকুত পৰিব ঠিক এনে এটা অট্টালিকা। তাৰ সুউচ্চ উদ্ধত শিৰ তুলি সময়—ইতিহাস সকলোকে ভ্ৰুকুটি কৰি থিয় হৈ আছে।

এই দুয়োটাই ক্লোৰ মিল। আৰু এই দুয়োটাই স্থানীয় অসমীয়া মানুহৰ নহয়। নগাঁৱত সোমালেই আপোনাৰ চকুত পৰিব অসংখ্য গেৰেজ, ইটাভেটা, মিল, ডাঙৰ ডাঙৰ দোকান। এইবোৰৰ এটাও কিন্তু স্থানীয় মানুহৰ নহয়। অকল নগাঁৱতে নহয়, অসমৰ সৰু-বৰ চহৰ তলীত, আলিবাটৰ কাষে কাষে গঢ়ি উঠা ব্যস্ত বিপনিত অসমীয়া মানুহৰ ভাগ্য বিড়ম্বনাৰ অজস্ৰ নিষ্ঠুৰ চানেকি দেখা পাব।

: হোৱাট ইজ দ্যাট ভিলেজ? দূৰৰ এখন গাঁৱলৈ দেখুৱাই তেওঁ সুধিলে।

: আই ডণ্ট্ নো, বাট্ ইট মাষ্ট বিগীন উইথ দ্যাম নেম অফ ফীচ্।

: হাও?

: কাৱৈমাৰী, ভেছেলীমাৰী, শিঙিমাৰী, গৰৈমাৰী, বোমাৰা, বৰালিমাৰী, পুঠিমাৰী এণ্ড শ্বো অন্। নগাঁৱৰ মানুহে গাঁৱৰ নাম ৰাখোঁতে কোনো এবিধ মাছৰ নাম বাদ দিয়া নাই। ১৮৫৪ চনতে মেজৰ বাটলাৰে লিখিছিল—অসমৰ কোনো জিলাৰে মানুহ নগাঁৱৰ দৰে সমৃদ্ধিশালী নহয়। চাউল-মাছৰ উভৈনদী। শাক,

ফলমূল সকলোৱে বাৰীতে থাকে। নগাওঁ জিলাৰ জলবায়ু যেনে ধৰণৰ তাত কম কাপোৰ হলেও চলে। ইমানবোৰ সুবিধা থকা সত্বেও জনস্বাস্থ্য শোচনীয় হৈ পৰিছে, কাৰণ ইয়াৰ মানুহবোৰ 'লাইচেঞ্চাছ' আৰু 'ডিগ্রেডেড ৰেচ'।

নগাঁৱত যে কম কাপোৰেৰেই হয় তুমিও নিশ্চয় অনুভৱ কৰিব পাৰিছা ?

: এৰা, বেছ গৰম পাইছোঁ।

: আৰু গৰমটোও কিবা অকটা ধৰণৰ। জহকালিৰ ৰাতি আকাশ গোমা হৈ থাকিলে গুৱাহাটীত তুমি যেনে গৰম অনুভৱ কৰা, ইয়াত শৰত কালতো মাজে মাজে তেনে গৰম হয়।

: টেল মী এবাউট দ্য পিপল্।

: নগাঁৱৰ মানুহ আগতে বৰ কনজাৰভেটিভ আছিল।

: কনছাৰভেটিভ, নট কনজাৰভেটিভ।

: অ' কনছাৰভেটিভ, সংৰক্ষণশীল। বাটলাৰ নে মিলৰ লেখাত পাইছিলোঁ নগাঁৱৰ ঘৰ আৰু পদূলিৰ মাজত এটা খাৱৈ থাকিবই। কামৰূপৰ পুৰণি ঘৰবোৰত আছিল আলিবাটৰ দাঁতি ছুই থকা বাট-চ'ৰা। ১৮৯৪ চনত নগাওঁ পৌৰসভা যেতিয়া আৰম্ভ হয় তেতিয়া ১৪টা নাদ খান্দি খোৱা-পানীৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু বৰ্ণ-হিন্দুসকলে এই নাদৰ পানী ব্যৱহাৰ নকৰি তাৰ পৰিবৰ্তে কলঙৰ পানীহে ব্যৱহাৰ কৰিছিল।

এবাৰ কি হ'ল জানা ? স্বৰ্গীয় গুণাভিৰাম বৰুৱা নগাঁৱত মেজিষ্ট্ৰেট। তেওঁ আছিল ব্ৰাহ্মণ। কিন্তু বিধবা-বিবাহ কৰাই ললে ব্ৰাহ্ম ধৰ্ম। ধৰ্ম যিয়েই নহওক কিন্তু পুৰুষ যে ঋষিতুল্য আছিল সেইকথা আটায়ে স্বীকাৰ কৰিব লাগিব।

তেওঁৰ চতুৰ্থ সন্তান আছিল স্বৰ্ণলতা। ৰূপে-গুণে অতুলনীয়া। সেই সময়ত নগাঁৱৰ আটাইতকৈ ধুনীয়া ডেকাল'ৰা জন আছিল চন্দ্ৰহাস ভূঞা। স্বৰ্ণলত'ৰ মন আছিল চন্দ্ৰহাস ভূঞাক বিয়া

কৰোঁতাৰ। কিন্তু গুণাভিৰাম বৰুৱাৰ ঘোৰ আপত্তি। কিয়নো ব্ৰাহ্ম ছোৱালী এজনী গটাই দি চন্দ্ৰহাসৰ সমগ্ৰ জীৱন নষ্ট কৰা হব।

সেইবুলি স্বৰ্ণলতাৰ বিয়া নোহোৱাকৈ নাথাকিল। বিয়া হ'ল, অৱশ্যে চন্দ্ৰহাসৰ সতে নহয়। সেই বিয়াতে প্ৰথম কলিকতাৰ পৰা বেগুপাৰ্টি অনা হৈছিল অভ্যাগতক আপ্যায়ন কৰিবৰ উদ্দেশ্যে; আৰু অনা হৈছিল ভীমনাগৰ সন্দেশ, নাটোৰৰ কাচাগোল্লা, বাগবাজাৰৰ ৰসগোল্লা আৰু কত কি উপাদেয় খাদ্য। বিয়াৰ ৰভা আছিল দুইপুৰা মাটি আগুৰা আৰু বেই আছিল সাতখলপীয়া।

গুণাভিৰাম বৰুৱাৰ মৰমতে নগাঁৱৰ প্ৰত্যেকজন মানুহেই সেই বিয়ালৈ আহিছিল। নগাওঁ চহৰত এনে এজন মানুহ নাছিল যি সেই বিযালৈ অহা নাছিল। আৰু শুনি নিশ্চয় আচৰিত হবা, সেই বিয়াত এনে এজন মানুহ নাছিল যিয়ে খাবলৈ যচা এপদ বস্তু গ্ৰহণ কৰিছিল। গ্ৰহণ অৱশ্যে একেবাৰেই নকৰাকৈ থকা নাছিল। তামোলখন গ্ৰহণ কৰিছিল প্ৰত্যেকেই। কিন্তু পদূলিমুখত খনিয়া তামোলৰ দ'ম দেখি কাৰো বুজিবলৈ বাকী নাছিল যে, অগত্যা এৰাব নোৱাৰি যদিও তামোলখন ললে, কিন্তু লোৱা নে লোৱা হে, পদূলিত দলিয়াই থৈ গ'ল।

: দে আৰ ষ্টিল শ্বো' ?

: এতিয়াৰ কথা নাজানো। কিন্তু বহুদিনলৈকে তেওঁলোক তেনে ধৰণৰেই আছিল।

হিন্দু ধৰ্মৰ বিচিত্ৰতা হ'ল অন্তৰ্বৈষম্যত। হিন্দুৰ ভিতৰত থকা সৰু বৰ জাতিৰ মাজত যি এক অলঙ্ঘ্য সীমাৰেখা আছে, তাৰ তুলনাত হিন্দুৰ সতে খৃষ্টান বা বৌদ্ধৰ প্ৰভেদ একো নহয়। এই বৈষম্যই জন্ম দিছে বিদ্বেষৰ। আৰু এই বিদ্বেষ কেৱল সামাজিক নাইবা সাম্প্ৰদায়িক ক্ষেত্ৰতে আৱদ্ধ নহয়; দেশৰ ৰাজনীতি, শিক্ষা আদি সকলো বিষয়তে এই বিদ্বেষে প্ৰভাৱ বিস্তাৰ কৰিছে।

: এৰা, তোমালোকৰ এম-এ পঢ়া ছোৱালী এজনীয়ে মোক সুধিছিল—তোমালোকে বাৰু গৰু-গাহৰি দুইটাকে খোৱা নহয় ?

মই সহজ ভাবেই কৈছিলোঁ 'হয়' বুলি। তেতিয়া তেওঁ দেখোন ঘপ্‌কৰে কৈ পেলালে—আমাৰ মানুহে গৰু নাখায়, আৰু যিবোৰে গাহৰি খায় তেওঁলোক আটাইতকৈ নীহকুলীয়া; দৰাচলতে আমি তেওঁলোকক আমাৰ মাজৰ বুলি স্বীকাৰেই নকৰোঁ। মই তাৰ উত্তৰত কি কৈছিলোঁ, জানা ? মই কৈছিলোঁ, তোমালোকৰ ধৰ্মৰ এইটোৱে দিগ্‌দাৰ বুজিছা ? কোনে কি খাই জীৱন-ধাৰণ কৰে তাৰ ওপৰত যিমান বেছি গুৰুত্ব দিয়া তাতকৈ কম গুৰুত্ব দিয়া কোনে কি ধৰণে জীৱন নিয়ায় তাৰ ওপৰত। খাদ্যৰ ওপৰত সামাজিক স্তৰৰ বাচবিচাৰ কৰা সংস্কৃতি পৃথিবীত মাত্ৰ এটাই আছে—সেয়া হিন্দু সংস্কৃতি। অসমত তো আৰু বেয়া।

: কি বেয়া ?

: অসমৰ ডাঙৰ-সৰু সকলো মানুহৰে এটা দোষ আছে। এজন মানুহৰ বেকগ্ৰাউণ্ড বিচাৰোতে তোমালোকে চোৱা সি কেতিয়া ক'ত কাৰ ঘৰত ৰান্ধনি বা গৰখীয়া আছিল সেইটোহে। সি যদি ক'ৰবাত কিবা চুৰিও কৰিছিল সেইটো বিচাৰ্য্য কথা বুলি নাভাবা।

: ইয়াৰ আকৌ ধৰ্মৰ লগত কি সম্পৰ্ক ?

: এইটো কনছাৰভেটিজ্‌মৰ দোষ আৰু এই দান তোমালোকৰ ধৰ্মৰ।

তেওঁৰ কথাৰ কোনো উত্তৰ মই পোৱা নাছিলোঁ। হিন্দুধৰ্ম কিয়, কোনো ধৰ্মৰ তত্ত্বকে কোনোদিন চিন্তা কৰা নাই। চাকৰি কৰোঁ, দৰমহা পাওঁ, খাওঁ আৰু শোওঁ। জীয়াই আছো বেছ শান্তিত। মোৰ সেই সময়ত কোনো গভীৰ তত্ত্ব শুনাৰ ইচ্ছা নাছিল। মোৰেই দুৰ্ভাগ্য দিনৰ চাৰে এঘাৰ বজাত চলন্ত বাছৰ উত্তপ্ততাৰ মাজত আইবিলা বোলা খাছীয়া খৃষ্টান ছোৱালী এজনীৰ মুখত হিন্দুধৰ্মৰ গভীৰ তত্ত্বকথা শুনিবলগীয়াত পৰিছিলোঁ।

তেওঁ কিন্তু মই শুনা-নুশুনালৈ বাট নেচাই হাঁহি হাঁহি কৈ গৈছিল

—তোমালোকৰ আটাইতকৈ ধাৰ্মিক মানুহজনে পৰ্বতৰ গুহাত গৈ নিজৰ আত্মাৰ মুক্তি চিন্তাত প্ৰবৃত্ত হয়। আৰু আমাৰ আটাইতকৈ ধাৰ্মিক মানুহজনে স্কুল পাতে, কুষ্ঠৰোগীৰ হাসপাতাল পাতে। তোমালোকৰ ধাৰ্মিক মানুহজনে সংসাৰৰ প্ৰতি বীতশ্ৰদ্ধ হৈ কাপোৰ-কানি পিন্ধিবলৈকো এৰে, আমাৰ জনে আকৌ সংসাৰ-সমাজৰ প্ৰতি বেছি অনুৰক্ত হৈ বেছিকৈ কাপোৰ-কানি পিন্ধে।

নিজৰ ৰসিকতাত তেওঁ নিজেই হাঁহিলে। এইবাৰ তেওঁ গহীন হ'ল আৰু আত্মস্থৰ দৰে কৈ গ'লঃ অসমীয়া মানুহবিলাক ইমান ছুপাৰষ্টিছাছ। লাচিত বৰফুকনে মোগলৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ যাব, অসম যায় যায় অৱস্থা, তাতো আকৌ জ্যোতিষীয়ে গণি-পিতি ক্লিয়াৰেঞ্চ দিলেহে যুদ্ধথলীত নামিব পৰা হব। অসমৰ আৰ্মিয়ে বাট চাই থাকিল।

মই লাহেকৈ কলোঁ-- সেয়াতো ওঠৰ শতিকাৰ কথা। ইংৰাজ খ্ৰীষ্টানসকলে সৌ ১৯১৪ চনলৈকে তেনে সংস্কাৰ মানি চলিছিল। সেই চনত প্ৰথম মহাসমৰ আৰম্ভ হৈছিল। ইংলণ্ডৰ প্ৰধান ধৰ্মযাজক আৰ্কবিশ্বপে পূজা অনুষ্ঠান কৰি বৃটিছ কামানক আশীৰ্বাদ নকৰালৈকে বৃটিছ আৰ্মি বৈ আছিল ৰণলৈ যাত্ৰাৰ সময়ত।

আৰু spaxton houseৰ কথা শুনিবা? সেয়া ওঠৰ শতিকাৰ মাজভাগৰ কথা। এলিচ পেথ বুকান নামৰ এগৰাকী গাভৰু ছোৱালীয়ে স্বৰ্গলৈ যোৱাৰ ৰহস্যৰ অধিকাৰিণী বুলি নিজকে দাবী কৰি কত-সহস্ৰ ইংৰাজ জনতাক যে নাকনি-কাননি কৰিছিল! সৌ সিদিনা এক্টোৱাৰ্পত আদামাইটসকলে নাঙঠ হৈ ধৰ্ম প্ৰচাৰ কৰি ফুৰিছিল! কোনেও কব নোৱাৰে ক'ত কেতিয়া কি সংস্কাৰৰ জন্ম হয়! অকল অসমক দোষ দিলেই নহয়।

ঃ তুমি বেয়া পালা?

ঃ নাই পোৱা, তোমাৰ ভুল ধাৰণা আছে দেখিহে কলোঁ।

ঃ ধন্যবাদ।

: কেলেই বা ?

: তর্ক বাদ দিয়া। লেট্ আজ ফৰগেট। তুমি দেখিছোঁ বৰ ছেণ্টিমেণ্টাল।

: ছেণ্টিমেণ্ট আছে যেতিয়া হবই লাগিব।

: বাদ দিয়া না; অ' হোৱাই টু ব্ৰীজেচ খো ক্লোজ টু ইচ্ আদাৰ ?

এয়া কলং নৈ। দৰাচলতে সুঁতিহে। নবৈৰ মাইল দীঘল। আৰিকাটিমুখত ব্ৰহ্মপুত্ৰৰ পৰা ওলাই আহি প্ৰথমে সামৰি ললে যমুনাক আৰু নাম ললে তেতেলীপৰা, হাৰিয়া আদি বিভিন্ন নাম। তাৰ পাচত গৈ কপিলীৰ সতে জাগীৰ ওচৰত মিলি একেবাৰে কামৰূপৰ সীমাত কাজলীমুখত ব্ৰহ্মপুত্ৰত পৰিছে। নগাঁৱত নৈ বৰ বোছ নাই।

: টেল মী এবাউট দ্য ব্ৰীজ।

: পুৰণাখন কোনে কৰিছে নাজানো। পিছে নতুনখন হলে জানো। এয়া মতিৰাম বৰাৰ দিনত হোৱা। এ গ্ৰেট পেট্ৰিয়ট অব নগাওঁ।

: অ' দেট মতিৰাম! দেয়াৰ ইজ মতিনগৰ ইন শ্বিলং আফটাৰ হিজ নেম। ৱেল, মতিৰামৰ নামেৰে মতিনগৰ হ'ল শ্বিলঙত য'ত তেওঁৰ কোনো অৱদান নাই, অথচ এই দলংখনৰ নাম মোতীব্ৰীজ নহল কেলেই ?

সকলো কথাৰে যে মানে এটা থাকিবই লাগিব তাৰ কোনো মানে নাই। আৰু মই সকলো কথাৰে মানে নিবিচাৰোঁ। আমাৰ পাচফালে বাওঁপিনেদি খৰম পট্টি। তাত খৰমত বাদে সকলো বস্তু পোৱা যায়। ফাণিচাৰ পাবা, মূৰ্তি পাবা, গেলামালো ক'ৰবাত পাব পাবা, কিন্তু খৰম নোপোৱা। তাৰ মানে তুমি যদি সোধা, মই কব নোৱাৰিম।

সেইবোৰ বাদ দিয়া। এই সোঁফালেদি আনন্দৰাম ঢেকিয়াল

ফুকন আছিল। সূৰ্য্যকুমাৰ ভূঞাও আছিল। আৰু আছিল কুতুবুদ্দিন চাহাবৰ ঘৰ।

সূৰ্য্যকুমাৰক নিশ্চয় জানা। আনন্দৰাম ঢেকিয়াল ফুকন আছিল জিলাধিপতি। পূৰ্বভাৰতৰ প্ৰথম মুদ্ৰিত বুৰঞ্জী আৰু সংস্কৃত পুথি প্ৰণেতা পণ্ডিত-প্ৰবৰ হলিৰাম ঢেকিয়াল ফুকনৰ পুত্ৰ। হলিৰাম ঢেকিয়াল ফুকন তেতিয়া কামৰূপ জিলাৰ এক্সট্ৰা এচিষ্টেণ্ট কমিচনাৰ। তেওঁ সত্ৰাধিকাৰসকলৈ ইংৰাজী শব্দ কেতবোৰ সন্নিবিষ্ট কৰি সংস্কৃত শ্লোক কেইটামান ব্যাখ্যাকৰণৰ বাবে পঠাই দিছিল।

: সাংস্কৃত ভাৰ্ছ উইথ ইংলিছ ৱাৰ্ডছ ?

: ইয়েছ। শুনিবা ?

: কোৱাচোন ছুটামান।

: এইবোৰ ১৮২৪ খৃষ্টাব্দৰ দেই। শুনিবা—

প্ৰস্তুত প্ৰেশ বুকঞ্চ ক্ৰমশঃ বৰ্দ্ধতে মুদ্ৰা।
গণানি চালনে তিক্ষ্ণং দেবতা তুল্য মানবা॥
বিপ্লায়ম দেহি মে বিদ্বন্ শ্লোকানি পৰিদৰ্শনে।
অন্যথা মানহানীস্যাৎ চপ্লায়ম্ ৰচতো ব্ৰুবং ॥

: হোৱাট আৰ দ্য ৱৰ্ডছ ?

: প্ৰেশ, বুক, গন, বিপ্লাই, চাপ্লাই।

: ইট্‌ছ ভেৰি ইণ্টাৰেষ্টিং।

: এণ্ড স্পীক্‌ছ অফ্ হীজ একডিচন্ টু।

: এণ্ড কুতুবুদ্দিন ?

: হি ৱাজ দ্য অনলি এছামীজ গভৰ্ণৰ অফ আছাম দিউৱিং বৃটিছ ৰেজিম।

: ইজ ইট শো ?

এৰা, এয়া নগাঁৱৰ অতীত। ১৮৫০ খ্ৰীষ্টাব্দত কলিয়াবৰৰ গোবিন্দৰাম ভূঞাই নগাওঁ চহৰৰ চাৰিসীমা দিছিল এটা কবিতাৰে—

তাৰ চাৰি সিমা কহো কৰিয়া নিৰ্ণই।
মৰিকলঙ্গ সৰোবৰ পুব সিমা হই ॥
পচিমত কলঙ্গ নামে নদি বহে আতি।
চাহাবৰ স্বসান উত্তৰত থৈচে পাতি ॥
দখিণেও সেহি কলঙ্গ নদিএ বহন্ত।
এই চাৰি সিমা মধ্যে জিলা প্ৰকাশন্ত ॥

নগাওঁ জিলাৰ অৰ্থাৎ চহৰৰ তিনিফালেই হয় মৰিকলঙ নহয় জীয়া কলঙে ঘেৰি আছে। উত্তৰত এতিয়া চাহাবৰ শ্মশান নাই। আগেয় উত্তৰত য'ত চাহাবৰ শ্মশান আছিল তাত শ্মশান নাই —অৱশ্যে শ্মশানৰ দৰেই তাত মৃত স্বপ্ন এটা আছে। মানুহে তাত এখন বজাৰ পাতি সেই ভূতপূৰ্ব শ্মশানথলৰ প্ৰতিটো অণুকে জীৱন-মুখৰ কৰি তোলাৰ অপচেষ্টা এটা কৰিছিল। মৃত্যুৰ হিমাল স্পৰ্শত সেই স্বপ্নৰো মৃত্যু হ'ল।

আমি এতিয়া সেই শ্মশানৰ অদূৰেদি জীয়া কলঙৰ পাৰে পাৰে যাব লাগিছোঁ। চকু মুদি গলেও পৰিবহন আড্ডাতেই থুন্দা খাম।

: তুমি মোৰ প্ৰশ্নটো এৰাই গ'লা।

: কি প্ৰশ্ন ?

: সেই যে মোতীব্ৰীজ নাম ৰখাৰ কথা কলোঁ ?

: তুমি বৰ জেদী ছোৱালী। মই কলোঁৱেই নহয় সকলো কথাৰে মই মানে নিবিচাৰোঁ। মই কোনোদিন নিজকে সোধা নাই কিয় ১৮৩৫ খৃষ্টাব্দত পুৰণি গুদামৰ পৰা নগাঁৱলৈ জিলাৰ প্ৰধান কাৰ্য্যালয় তুলি আনিবলগীয়া হৈছিল। দৰাচলতে নগাঁৱত আগৰ পৰাইতো সদৰ আছিল। মই সঁচাকে ভবা নাই কিয় ১৮৪৩ চনত খৃষ্টান মিশ্যনাৰী চাহাবে নগাঁৱতহে মাউৰাঘৰ পাতিছিল। নগাঁৱলৈ প্ৰথম খৃষ্টান মিশ্যনাৰী আহিছিল ব্ৰন্সন চাহাব।, ১৮৪১ চনত। ইংৰাজ শাসনৰ গোড়াপত্তনৰ লগে লগে এই ব্ৰন্সন চাহাবে খৃষ্টান ধৰ্মৰ ধ্বজা উকৱাই সুদীৰ্ঘ এটা বছৰ কত সমুদ্ৰ, মহাসমুদ্ৰ পাৰ হৈ কিয় যে

১৮৩৭ চনত অসম পাইছিলহি আমি ভবা নাই। আৰু কিয় তাৰ চাৰি বছৰৰ পাচত শদিয়াৰ পৰা নগাঁৱলৈ আহি মাউৰা ঘৰ পাতিবলগীয়াত পৰিছিল মই সঁচাকে ভাবি চোৱা নাই। সকলো ঠাইতে কানিয়া আছিল; কিন্তু কেবল নগাঁৱতহে চীনাপট্টি কিয় হ'ল মই কৰ নোৱাৰোঁ।

মই বিৰক্ত হোৱা তেওঁ বুজিব পাৰিলে। কোনোবাই কোৱা যেন পাইছিলোঁ—গাভৰু ছোৱালীৰ এটা ছিক্স্‌থ্‌ চেন্স আছে। বিশেষকৈ মতা মানুহৰ মনৰ প্ৰতিটো পদক্ষেপ অনুভৱ কৰিব পৰাৰ ক্ষমতা গাভৰু ছোৱালীৰ অদ্ভুত।

এবাৰ ছচিয়েল ওৱেলফেয়াৰ নে ছচিয়েল এডুকেচনত কাম কৰা মহিলা এগৰাকীক লগ পাইছিলোঁ। তেওঁ ধুনীয়া আছিল আৰু তেওঁৰ ওপৰৱালা গৰাকীৰ চাৰিত্ৰিক দুৰ্বলতা আছিল বহুতৰে বিদিত। মহিলাৰ নাম কিবা ৰাণী আছিল। তেওঁৰ পৰিচালনাধীনত থকা তিৰোতাৰ ডেষ্টিটিউট হোমটো ভদ্ৰপাৰাৰ পৰা উঠাই নিবৰ বাবে লেখা গোপনীয় তথ্যপাতি সম্বলিত এখন দৰ্খাস্তৰ বিষয়ে অনুসন্ধান কৰিবলৈ মোৰ বন্ধু এগৰাকী গৈছিল। লগত অনাথ গাভৰু ছোৱালী চাবলৈ মোক লৈ গৈছিল। কথাবাৰ্তাবোৰ শুনি বুজিছিলোঁ ভদ্ৰমহিলাৰ এই যষ্ঠেন্দ্ৰিয় বোলা বস্তুটো বৰ প্ৰখৰ আছিল। তেৱেঁই কৈছিল, ওপৰৱালাজনৰ লগত গাড়ীত হেনো ওচৰ ৎ বহুৱাই লৈ যায় তেওঁক ৰাজধানীলৈ আৰু মফঃস্বললৈ। অকলশৰে। ভদ্ৰলোকে নানান ৰসাল কথাৰে আক্ৰমণৰ চেলু বিচাৰি ফুৰে। মহিলাই নীৰৱে শুনি যায়, আৰু মাজে মাজে চাকৰিৰ খাতিৰত আলোচনাত যোগো দিয়ে। কিন্তু ভদ্ৰলোকৰ চৰমতম মুহূৰ্তটোৰ সংকেত আগতেই বুজি পায় মহিলাই এই ষষ্ঠেন্দ্ৰিয়ৰ কল্যাণত। চকুত হেনো লালসাৰ কিবা এটা লক্ষণ ফুটি উঠে আৰু ঠিক সেই মুহূৰ্ততে ভদ্ৰমহিলাই সোধে: আপোনাৰ ডাঙৰ ছোৱালীজনী বাৰু কোন ক্লাছত নাইবা তেখেতৰ অসুখ এতিয়া কেনে এই জাতীয় নিতান্ত

সাধাৰণ প্ৰশ্ন এবাৰ। প্ৰশ্নাবাৰ হে সাধাৰণ, কিন্তু কাম দিয়ে অসাধাৰণ। ভদ্ৰলোকৰ আক্ৰমণৰ ফ্ৰন্টবোৰ উৰ্বলি ছেদেলি ভেদেলি হৈ পৰে। পুনৰ নতুনকৈ গুৰিৰ পৰা আৰম্ভ কৰিবলগীয়া হয়।

আইবিলায়ো মোৰ বিৰক্তিৰ চিন ক'ববাত নিশ্চয় পালে। নহলেনো আগৰ কথাবোৰ বাদ দি সোধেনে—নগাওঁ মিউনিচি-প্যালিটি, হোয়েন ইট কেম আপ?

: ১৮৯৪ খৃষ্টাব্দত। আজি এশ বছৰো হোৱা নাই। গুৱাহাটীৰ ১৬ বছৰৰ পাচত। নগাঁৱৰ সকলো কথাই গুৱাহাটীৰ পাছত বুজিছা, আ-কি পছমী কাপোৰো গুৱাহাটীৰ পাছতহে ব্যৱহাৰ কৰিছে নগাঁৱৰ মানুহে।

তেওঁ ভেণ্ডুচালি কৰি মোৰ কথাযাৰ পাতলাই দিলে। মই নেহৰুবালিলৈ চাওঁ। আমাৰ বাওঁফালে থকা কলঙৰ এই বালিখিনিয়েই নগাঁৱৰ উন্মুক্ত প্ৰাঙ্গন। অসমত প্ৰখ্যাত বালি দুখনেই আছে। এখন হ'ল এন্ধাৰু বালি য'ত মোগলৰ বিৰুদ্ধে যুদ্ধ কৰি অসমীয়া সৈন্যই অমিত বিক্ৰম দেখুৱাইছিল। আৰু এয়া নেহৰু বালি, যাৰ ঐতিহাসিক প্ৰসিদ্ধি একো নাই। কিন্তু এই বালিতো অসমৰ জনসাধাৰণে একাধিকবাৰ কিবাকিবি জয়ৰ প্ৰতিজ্ঞালৈ পৰাজয়ৰ গ্লানি বহন কৰিবলগীয়াত পৰিছে।

নেহৰু বালি কলঙৰ বালি। কপিলীতকৈও কলঙ নগাঁৱৰ জনসাধাৰণৰ প্ৰাণ-প্ৰবাহৰ সতে বেছি জড়িত। কলঙ যেন এখন ফুলনিৰ চতুৰ মালীহে। ল'ৰা-ছোৱালী ফুল চুৰি কৰিবলৈ আহে বুলি ফুলনিৰ মাজত জোপ লৈ বহি থাকে আৰু ল'ৰা-ছোৱালীয়ে যিপিনেই আহে সেইপিনেই হঠাৎ দেখা দি খেদা ধৰে। নগাওঁ পাৰ হলেই দেখিবা কলঙে কিদৰে আলিবাটৰ কাষে কাষে লুকা-ভাকু খেলি গৈ আছে। যেনিবা তুমি নগাঁৱৰ আলিবাটৰ পৰা সোণৰ সোলেঙটোহে লৈ যাবলৈ ওলাইছা।

এই কলঙক লৈয়ে কবি দেৱকান্ত বৰুৱাই কবিতা ৰচি অসমীয়া

সাহিত্যত যুগান্তৰৰ সূচনা কৰিছিল। অ' তোমাক কবলৈ পাহৰিয়ে গৈছিলোঁ—সেই দেৱকান্তবো ঘৰ আমাৰ সোঁফালেই পৰিব। পাশ্চাত্য জগতৰ বিখ্যাত সাংবাদিক জেমচ্ মিছেনাৰে অসমৰ একমাত্র দেৱকান্ত বৰুৱাৰ সম্পৰ্কেহে অকুণ্ঠ প্ৰশস্তি গাইছে। নগাঁৱত আৰু কোন জন্মিছিল জানা ?

: বাদ দিয়া, পিচত কবা। মামা এতিয়া। আই এম ভেৰী হাঙ্ৰী।

গাড়ীৰ পৰা শাৰী শাৰী হৈ নামি যোৱা যাত্ৰীৰ ব্যস্ততা দেখি গাড়ীখন যে নগাওঁ ষ্টেচনত ইতিমধ্যে বৈ গৈছে মই অনুভৱেই কৰা নাছিলোঁ। তেওঁৰ কথাত মই সচেতন হলোঁ আৰু ঘপ্ কৰে থিয় হৈ পৰিলোঁ। তেওঁ তেওঁৰ দেহেৰে একৰকম ঠেলিয়েই ছিটৰ সন্ধিৰ পৰা মোক উলিয়াই আনিলে। নামিয়েই ওচৰৰ কেন্টিন খনলৈ লৰ ধৰিলোঁ। এনেতে পাচফালে কোনোবাই কোৱা শুনিলোঁ—

: অ' আজিচোন হাইঠা মাটিত পৰিল! দেখিলোঁ, এইমাত্র বাছৰ পৰা নামি হাতত ছুটকেছ লৈ মহা আয়মে খোজ লোৱা বয়সস্থ ভদ্ৰলোক এজনক এটা ডেকা ল'ৰাই কৈছে কথাষাৰ। ভদ্ৰলোকজনে নীৰৱে হাঁহিলে। মোৰ মনত পৰিল মোৰ নগঞা এজনে এবাৰ কোৱা কথা এবাৰলৈ—যে নগঞা মানুহে কেতিয়াও পোণপটীয়াকৈ কথা নকয়।

পোনপটীয়া কথা সময় বিশেষে আন ঠাইৰ মানুহেও নকয়। যেনে ধৰক বৰপেটাত। আপুনি লগত ক'লা বন্ধু এজনক লৈ গৈ আছে। বাটৰ কাষৰ চাহদোকানৰ পৰা আপোনাৰ চিনাকি বন্ধুৱে সুধি পঠিয়াব—কি এ ভাই, আটাল'ৰ পৰা কেথেন নামালিয়ে ?

মানে আমাৰ অসমীয়া মানুহৰ বাড়িনিঘৰত আটাল থাকে।

তাত ঘুণ-ক্ষুনে নধৰিবলৈ কিছুমান বস্তু ৰখা হয়। ধোঁৱা লাগি লাগি সেই বস্তুবোৰ কিছুদিনৰ পিছত এলাহ্মকলীয়া হৈ পৰে। প্ৰশ্নষাৰৰ ফলিতাৰ্থ হ'ল—কি হে ভাই, আটালৰ পৰা কেতিয়া নমালা? বুজিলে নহয়, তিৰ্য্যক প্ৰশ্নষাৰৰ তাৎপৰ্য্য। নগাঁৱত অৱশ্যে বেঁকা কথাৰ ব্যৱহাৰ আন ঠাইতকৈ বেছি। আপুনি যদি চিনেমা চাবলৈ গৈ থাকোঁতে কোনোবাই সুধিলে চিনেমা চাবলৈ যাওঁ বুলিয়েই কয়, বাকৰ ল'ৰাই এনিলেহ ভেঙুচালি কৰিব।

নগাওঁ চহৰৰ আটাইতকৈ পৰিবেদনাৰ কথা নামটোতে লুকাই আছে। লচ এঞ্জেলচ সম্পৰ্কে বৰ ধুনীয়া এষাৰ কথা আছে। লচ এঞ্জেলচ হেনো চহৰতলী বিচাৰি বিচাৰি হাবাথুৰি খোৱা কেইটামান উপকণ্ঠৰ সমষ্টিহে। নগাৱোঁ চহৰতলী বিচাৰি বিচাৰি হাবাথুৰি খোৱা কেইটামান উপকণ্ঠৰ সমষ্টিহে। তাহানিয়ে হয়বৰগাওঁ, পানীগাওঁ, নৰ্তনগাওঁ এনেদৰে কেইখনমান গাওঁ চহৰ পাতো বুলি হেনো লগ লাগিছিল। কিন্তু চহৰ হলে নহ'ল। হ'ল এখন ডাঙৰ গাওঁ। নগাওঁ তাৰ নাম। ইয়াতকৈও হতাশাৰ আৰু কিবা গভীৰতৰ নিদৰ্শন আছে যদিও মই নাজানো। নগাওঁ নামটোৰ এই হতাশাই হয়তো নগাঁৱৰ জনমানসতো যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে—কোনে জানে।

নগাওঁ প্ৰকৃততে গাৱেঁই। কোনো চহৰতে ইমান ডাঙৰ ডাঙৰ বাৰী একোখন লৈ চহৰৰ ভদ্ৰলোকৰ ঘৰ নেদেখিব। নগাওঁ চহৰৰ প্ৰথম গোড়াপত্তন হয় ১৮৯১ খৃষ্টাব্দত। এটা আধাবলিয়া চাহাবৰ যত্নত। নাম তাৰ আজি কোনেও মনত ৰখা নাই। ফৰাচী জাতিৰ চৰিত্ৰৰ প্ৰতীক 'ইফেল টাৱাৰো' সাজিছিল এজন অহোবলিয়া ইঞ্জিনীয়াৰে। তাৰ নাম আমি কিন্তু মনত ৰাখিছো। আমাৰ নিজক পাহৰা স্বভাৱৰ গুণেই সেই আধাবলিয়া চাহাবৰ নাম আজি বিস্মৃতিৰ অতল তলিত।

তেওঁ নগাওঁ চহৰৰ আলিবাটবোৰৰ প্ৰথম এলাইনমেণ্ট কৰিছিল।

নগাওঁ জিলাৰ গাৰঁত মতিৰাম বৰা আৰু চহৰত সেই বলিয়া চাহাব। চহৰৰ আয়তনৰ তুলনাত নগাওঁ চহৰত যিদৰে আটাইবোৰ চহৰতকৈ বেছি আলিবাট আছে ঠিক সেইদৰে নগাওঁ জিলাৰ গাওঁ অঞ্চলতো অসমৰ আন গ্ৰামাঞ্চলৰ তুলনাত বাট-পথ বেছি। নগাওঁ চহৰৰ আলিবাটবোৰ কৰোতে সৰ্বমুঠ খৰচ পৰিছিল ডেৰলাখ টকা। বাটবোৰ সজা হ'ল, কুঁৱাও চৈধ্যটা সজা হ'ল, কিন্তু চাহাবৰ নগাঁৱত থকা নহ'ল। তেওঁক খেদি দিয়া হ'ল নগাঁৱৰ পৰা -কেবল নগাঁৱৰ পৰাই নহয় একেবাৰে ভাৰতবৰ্ষৰ পৰা। কিয়নো সেই টকা তেওঁ চৰকাৰৰ অনুমোদন নোহোৱাকৈ খৰচ কৰিছিল। চাহাবৰ কিন্তু অনুশোচনা নাছিল কিয়নো তেওঁ যি কৰিছিল তাত হয়তো অনিযম আছিল কিন্তু অন্যায় এক তিলমানো নাছিল।

পিছে ৰাস্তাহে কৰিলে! ব্যৱহাৰ কৰিবলৈতো মানুহ লাগিল। কিন্তু ইমান ৰাস্তাৰ বাবে মানুহ ক'ত? সেইবাবেই আজিকালি নগাঁৱৰ আলিবাটত দেখিবা, শিলৰ পাহাৰ সদৃশ দ'ম একোটাইঁত, ক'ৰবাত আকৌ বেংগুলাৰ ঘোঁৰাৰ আস্তাবল, মাজে মাজে ল'ৰা-ছোৱালীৰ ছুইমিং পুল দুই-একোটা।

এই ৰাস্তাৰ কথা গুলালেই মনত পৰে আৰ্কদেল আৰ্ক, বেলফিল্ড ফুলাৰ আদি ইংৰাজ শাসনৰ ডাইহাৰ্ড সংৰক্ষণশীলসকলৰ কথা। ফুলাৰে স্বপ্ন দেখিছিল যোৰহাট চহৰ কৰাৰ আৰু আৰ্কদেলে আনন্দৰাম ঢেকিয়াল ফুকনৰ স্বপ্নক বাস্তৱত পৰিণত কৰি অসমৰ যাতায়াত আদি ব্যৱস্থা উন্নত কৰাৰ বাবে যত্ন কৰিছিল। ১৯১৪ চনত যুদ্ধ লাগিল। এই যুগৰ প্ৰথম মহাসমৰ। স্বপ্ন স্বপ্নতে ৰ'ল। বিকুতো হ'ল ভালেখিনি। বিজুলী বাতিৰ সলনি অসমৰ গাৱেঁভূঞে লালবাতি জ্বলিল।

আৰ্কদেল আৰ্কক শ্বিলঙৰ পৰা গুৱাহাটীলৈ ৰাজধানী স্থানান্তৰ কৰাৰ বাবে অসমৰ ৰাইজে টানি ধৰিছিল। কিন্তু তেওঁ আছিল বাঘৰ বাচ্চা বাঘ। চাহাবৰ বাচ্চা চাহাব। তেওঁ জানিছিল

আহোম ৰজাই হিন্দুধৰ্ম গ্ৰহণ কৰি গোড়া হিন্দু হোৱাৰ দিন ধৰি পৰ্বত-ভৈয়ামৰ যোগসূত্ৰ ছিগি খানবান হ'ল। কেৱল সেয়ে নহয়, জাতত উঠা হিন্দুসকলে অসমৰ আদিমবাসীসকলক ঘৃণা কৰিবলৈ ললে। সেই সুযোগ গ্ৰহণ কৰিলে সাম্ৰাজ্যবাদী ইংৰাজৰ আগবগুৰা ইংৰাজ মিশ্যনাৰীসকলে। তেওঁলোকৰ প্ৰচেষ্টাৰ বলত পাহাৰ আৰু আঁতৰি পৰিল। অৰ্থাৎ ভৈয়ামৰ পৰা আঁতৰি তেওঁলোকৰ ওচৰ চাপিল। সেইবাবেই শ্বিলঙত ৰাজধানী হৈছিল। সেই ৰাজধানী গুৱাহাটীলৈ আনিলে ইংৰাজ শাসনৰ জীৱনীশক্তি আমোলাতান্ত্ৰিকতাৰ ইমাৰত একেদিনাই জহি খহি গ'লহেতেন। সেইবাবে তেওঁ ৰাজধানী নানি অসমীয়া মানুহক শুনালে এক মধুৰ কৈতৱ বাদ। গাঁৱে-ভূঞে সেন্দুৰী আলি বান্ধি দিয়াৰ।

: আৰু এটা কথা জানানে ?

: কি ?

: তোমাৰ স্বভাৱটো বাৰ্নাৰ্ড শ্বৰ সেই বন্ধুজনৰ দৰে।

: মানে ? মই সপ্ৰশ্ন দৃষ্টিৰে চালোঁ তেওঁৰ মুখলৈ। তেওঁ কলে— সেই যে শ্বই কৈছিল—ইউ নো এভ্ৰিথিং দেট আই নো, একচেপ্ট ওৱান থিং।

বন্ধুজনে কৌতূহলী হৈ সুধিছিল : এণ্ড, হোৱাট ইজ দেট ?

শ্বই টপৰাই উত্তৰ দিছিল : দেট ইউ আৰ এ বোৰ। তোমাৰো স্বভাৱটো তেনে বিধৰেই। কেন্টিনত মানুহ খোৱাত ব্যস্ত। ভোকত মোৰ নাড়ী-ভুৰু হজম হোৱা অৱস্থা তুমি আকৌ মাষ্টৰী ঢঙত লেকচাৰ মাৰি আছা।

মই নিজৰ আচৰণৰ বাবে লজ্জিত হলোঁ। তেওঁ তেনেদৰে নোকোৱা হলে মই গমেই নাপালোহেতেন যে ইতিমধ্যে ৰেষ্টোৰাঁত ভোজন পানৰত জনতাই মোৰ কথা শুনি শংকিত হৈ পৰিছে। কুৰি-পশিচ যোৰা চকুৱে মোৰ ফালে সতৰ্ক দৃষ্টিৰে চাই নিশ্চয় ঠাৱৰ কৰি

কৈছে যে মই এজন তেজপুৰ অভিমুখী যাত্ৰী। মই হঠাৎ ব্যস্ত হৈ পৰিলোঁ। ভাতৰ অৰ্ডাৰ দিয়াত।

—মাটন্? আঁ দিয়া মাটনকে।

তেওঁৰ সম্মতিসূচক মুখভঙ্গী দেখি মই সাহস গোটাই লৈ কলোঁ। কৈয়ে কিন্তু মোৰ ভয় লাগিল। আমি হলোঁ স্পয়ল্‌ড্ ৰাইচ্, ম্যেচ্‌ড্ পটেটো খোৱা অচমীয়া। মাটন্ অৰণ্যে নোখোৱা নহয়, কিন্তু লিঙ্গভেদে খাওঁ। মাটন্‌ৰ নামে যদি কোনোবা কিডৰ গ্ৰেট গ্ৰেট গ্ৰেণ্ড মাদাৰক চম্ভালিব লগীয়াত পৰোঁ সেইটোতো মহা পয়মালৰ কথা হব। ইংৰাজী ভাষাত এইবোৰেই গলদ্। ঘিউৰ স্বকীয়া প্ৰতিশব্দ নাই, মাটনৰ লিঙ্গভেদক প্ৰকাশো নাই। অসমীয়াত সুধি সন্দেহ নিৰসন কৰি লোৱা হ'ল। এইবাৰো পইচা মই দিম বুলি ভয় কৰি তেওঁ আগতে কৈ থলে: দ্য অনাৰ অব পেমেণ্ট মাষ্ট বী ৰিজাৰ্ভদ ফৰ মী।

: তুমি বৰ ধনী নেকি?

: কিয়?

: এই তুমি যে চবতে পইচা দিওঁ দিওঁ কৰি থাকা।

: ইট ইজ এ কোৱেশ্চন অব অনাৰ, নট অব মানী।

: তাৰ মানে, ইউ ওৱাণ্ট টু ডিপ্ৰাইভ মা অব্ দ্য অনাৰ।

: সম্মান গদৰেজ আলমাৰীৰ বস্তু নহয়। মোৰ প্ৰাপ্য সম্মান মোক দিয়াত কাৰোবাক সন্মানৰ পৰা বঞ্চিত কৰা হব বুলি ভবাৰ মানসিক দৈন্য তোমাৰ পৰা মই আশা নকৰোঁ।

: লোকৰ টকা ধাৰে লৈ চিৰঋণী হৈ থাকিবলৈকো মই বেয়া নাপাওঁ। আৰু এয়া আকৌ উপযাচি দিয়া।

: হোৱাট ডু ইউ মীন?

: মানে আই লাইক ননৰিটাৰ্ণেবল্ ফেভাৰ।

: ইউ আৰ শ্বো নটি।

তেওঁৰ কথাবাৰ শুনি মনে মনে এক অভুতপূৰ্ব পুলক অনুভৱ

কৰিলোঁ। মই কি কম জুকিয়াই লবলৈ ধৰোতেই দেখিলোঁ ৰবীয়ে চলিহাৰ লগত এটা চুকত এখন টেবুলত ওচৰা-ওচৰিকৈ বহি কিবা খোৱাত ব্যস্ত। মোৰ মুখৰ কথা মুখতে হেৰাই গ'ল।

আইৰিলাই আকৌ সেই ছিম্লথ্ চেঞ্চৰ প্ৰয়োগ কৰিলে। তেওঁ লাহেকৈ কলে : বীউটি ইজ্ অফেন্ ৱৰ্চ দেন ৱাইন, ইনটক্সিকেটিং টু বোথ দ্য হোল্ডাৰ এণ্ড দ্য বিহোল্ডাৰ।

কথাষাৰ শুনি মোৰ কাণমূৰ গৰম লাগি যোৱাদি গ'ল। তেওঁ স্নিগ্ধ হাঁহি এটা মাৰি কলে : ব'লা ঘণ্টা পৰিব গাড়ীৰ।

মই মোৰ অপ্ৰস্তুত অৱস্থাটোৰ হাত সাৰিবলৈ বুলি ৰসিকতা কৰি সুধিলোঁ—

: হোৱাট এবাউট দেজাৰ? পিষ্টাচিও আইচক্ৰীম অৰ ফ্ৰুট্ছ?

: আই ৱাণ্ট দ্য এছামীজ ফ্ৰুটছ ফৰ দেজাৰ।

: হোৱাট ইজ দেট?

: কোৱাই। তামোল।

হাঁহি হাঁহি দুয়ো উঠি ওলাই আহিবলৈ ধৰিলোঁ। তেওঁ পিচুৱাই গ'ল কাউণ্টাৰত দাম দিবলৈ। কাউণ্টাৰত দেখিলোঁ চলিহাও আছে। তেৰোঁ দাম দিয়াত ব্যস্ত। তেওঁ মোৰ বাবে আৰু চলিহাই ৰবীৰ বাবে খোৱাৰ দামটো দিয়া এই অসামঞ্জস্য অৱস্থাটো দেখি মোৰ তলে তলে হাঁহি উঠিছিল। আইৰিলাক সেই মুহূৰ্তত ধুনীয়া যেন লগা নাছিল। দায়িত্ব, কৰ্তব্য, শিষ্টাচাৰ এইবোৰ সম্পৰ্কে সচেতন হৈ থকা মুহূৰ্তত মোৰ সঁচাকৈ কোনো ছোৱালীকে ভাল নালাগে।

ৰবী ওলাই আহিছিল ঠিক মোৰ লগে লগে। মোৰ দেহৰ পাচফাল কিবা এক অনুভূতিত জঠৰ হৈ পৰা যেন লাগিছিল। ৰবীজনী মোৰ পিচফালে ইমান ওচৰে ওচৰে আহি আছিল যে মই খৰকৈ আহিবলৈ বাধ্য হলোঁ।

খৰকৈ আহিও আগবাঢ়িব নোৱাৰিলোঁ। এটা দেছোৱালী ভিখাৰীয়ে সন্মুখত হাত পাতি বৈ আছিল। মই তাক এৰাই যাবক

কাৰণে চেলু বিচাৰি তাৰ স্বাস্থ্য আৰু বয়সলৈ মন কৰিছিলোঁ। কিন্তু একো নকৈ মোৰ জেপত হাত ভৰালোঁ। ববীয়ে যেন এই সুযোগলৈকে অপেক্ষা কৰি আছিল। মোৰ নিচেই ওচৰলৈকে আহি ভিখাৰীটোক পট কৰে দহটা পইচা দি কলে, হৈছে যা, বাট এৰি দে।

মই জেপৰ পৰা হাত উলিয়াই ভঙনীয়া পইচাবোৰ চাওঁতেই ববীয়ে কলে, মাও চবকে লিয়ে দিয়া তুম্‌কো।. ৰাস্তা ছোড় দো। ইহঁতৰ উৎপাতত ৰাস্তাত শান্তিৰে ফুৰা-চকা কৰাই টান হৈ পৰিছে।

মোৰ পইচাৰ বাবে আশা পালি ৰৈ থকা ভিখাৰীটোৱে জানো কি বুজিলে, হঠাৎ আঁতৰি যাব খুজিছিল। মই তাক ঘূৰাই আনি সিকি এটা দি আঁতৰাই পঠালোঁ। ববী তেতিয়া মোৰ পৰা বহুত আগত। সিকিটো তেনেদৰে দিয়াৰ উদ্দেশ্য আছিল মোৰো যে নিজস্ব বিচাৰ-বুদ্ধি আছে তাকে ববীৰ আগত প্ৰতিপন্ন কৰা। ববীয়ে নেদেখিলেও সিকিটো দি সেই মুহূৰ্তত মোৰ মনটো পাতল লাগিছিল।

বন্ধু চলিহা মোৰ ওচৰেদিয়ে আগবাঢ়ি গ'ল। মোৰ ফালে কেৰাহিকৈয়ো নেচালে।

মোৰ হঠাৎ জনৈক বন্ধুৱে কোৱা কহিনী এটা মনত পৰিল। তেওঁৰে দদায়েকৰ পুতেক আছিল হবলা। পঢ়া-শুনাত একেবাৰে মহামহোপাধ্যায়। তিনি নে চাৰি বছৰ কোবাই কোবাই টি-টি-এম-পি হ'ল। অৰ্থাৎ টানি টুনি মেট্ৰিক পাছ হ'ল। উপায়হীন হৈ বাপেকে তাক তাৰ উপযোগী এটা বিষয়ত নাম লগাই দিলে। সি লাজতে আমাৰ বন্ধুৰ ছাঁটোৰ পৰাও আঁতৰি ফুৰে। কিয়নো বন্ধু আছিল পঢ়া-শুনাত মেধাবী ছাত্ৰ। দোপত দোপে উন্নতি কৰি বন্ধু সময়ত ই-এ-চি নে এছ-ডি-চি কিবা এটা হ'ল। বহুদিনৰ পিছত হঠাৎ এদিন এখন দৈনিক বাতৰিত বন্ধুৱে দেখিলে ভায়েকৰ ছবি। আমেৰিকাত কিবা বিষয়ৰ উচ্চ শিক্ষা গ্ৰহণৰ বাবে সি যাব লাগিছে। উচ্চ শিক্ষা লৈ আহি সি এতিয়া বিৰাট কিবা এটা। মোৰ বন্ধুৱে তাক দেখিলেই হেনো লাজতে নোলায়।

মোৰ চলিছাৰ ওচৰতো হেনে এটা সংকোচেই হ'ল। অথচ কলেজত এই চলিছাৰ দৰে ছাত্ৰই মোৰ লগত এষাৰ কথা কোৱাৰ সুবিধা পালেও নিজকে ধন্য মানিছিল। ইয়াকে কয় কালস্যকুটিলা গতি।

: তুমি কি ভাবিছা?

: মোৰ প্ৰছপেক্টৰ কথা ভাবিছোঁ।

: তুমি কি কৰা মই নাজানোঁ, জনাৰ আগ্ৰহো নাই। কিন্তু তোমাক দেখি মোৰ ধাৰণা হৈছে তোমাৰ প্ৰছপেক্ট সেই চাৰ্কাছৰ গাধঘোঁৰাটোৰ দৰে।

: চাৰ্কাছৰ গাধৰ আকৌ কি প্ৰছপেক্ট এডাল আছে?

: আছে, আছে। এবাৰ কি হ'ল জানা, চাৰ্কাছ এখন গাৱঁলৈ গ'ল। গাৱঁত চাৰ্কাছ চলি থকাৰ সময়তে চাৰ্কাছৰ গাধটোক এদিনৰ বাবে কেজুৱেল লীভ দিয়া হ'ল। চাৰ্কাছৰ লেৰেলা গাধটোৱে ঘাঁহ খাই খাই গাৱঁৰ পথাৰত এটা নোদোকা গাধ লগ পালে। নোদোকাই সুধিলে—তুমি ক'ত থাকা বান্ধ? লেৰেলাই কলে কওঁ নকওঁকৈ—মই চহৰত থাকোঁ। চাৰ্কাছ কোম্পানীত চাকৰি কৰোঁ। নোদোকাই কলে—তোমাৰ অৱস্থা দেখি মই ধৰিব পাৰিছোঁ তুমি তাত কষ্ট পাইছা, তোমাৰ চেহেৰাই কয়, তুমি পেট পূৰাই খাবলৈ নোপোৱা। গতিকে সেই চাকৰি বাদ দিয়া, আমাৰ ভালৈ আহাঁ, মাত্ৰ মালিকে কাপোৰ ধুবলৈ গলে আৰু কাপোৰ ধুই আহিলে আমাৰ কাম, তাৰ পাচত তোমাৰ যি মন যায় তাকে কৰিব পাৰিবা। লেৰেলাই তাক বাধা দি কলে—থাক্ থাক্ বুজিছোঁ। ইয়াত তোমাৰ কোনো প্ৰছপেক্ট নাই, কিন্তু মোৰ তাত প্ৰছপেক্ট আছে।

: কি প্ৰছপেক্ট হে?

: মেনেজাৰে নিতৌ তাঁৰৰ ওপৰত খেলা দেখুৱাবলৈ যোৱা ছোৱালীজনীক কয়, দেখ পাৰ্বিবতো,. তোক মই গাধটোলৈ বিয়া দি দিম। সাৱধানে দেখাবি খেলা।

তোমাৰো প্ৰছপেক্ট ঠিক তেনেকুৱাই। পিছে তুমি তোমাৰ নিজৰ কথাৰে ব্যস্ত হৈ থাকিলে মোৰ অসুবিধা হব। ডালিমীৰ দৰে মোৰো বহুত কিবাকিবি সুধিবৰ মন গৈছে তোমাক।

: তুমি ডালিমীৰ কথা জানা ?

: জানোতোন। এনেয়ে গুৱাহাটীত ইমান বছৰ পঢ়িলোনে ?

: কিন্তু বহুত পাহাৰী ল'ৰাছোৱালীয়ে ডালিমীৰ কথা নাজানে।

: নাজানিব পাৰে। মই জানো। মোৰ দৰে অসমীয়া কথাকে কেইজনী পাহাৰী ছোৱালীয়ে জানে বাৰু ?

কথাযাৰ বেয়া ফাললৈ ঢাল লোৱাৰ আশংকা দেখি মই এনেয়ে কেইটামান মুহূর্ত থমকি বৈ বিৰক্তিসূচক ভ্ৰুকুটিৰে কলোঁ – আমাৰ অসমৰ চহৰবোৰ সঁচাকে ইমান আনপ্লেনড্। লছ এঞ্জেলছত হেনো ৩৫ লক্ষখন মটৰ গাড়ীয়ে নিতৌ ৭০ লক্ষ গ্যালন তেল পুৰি তাৰ আকাশ-বতাহ দুষিত কৰে। য'ত হব লাগিছিল ব'দ জলমল, তাত স্মগৰ কোবত হেনো বেলিকে দেখা নাযায়। এয়া আকৌ ১৯৬৪ চনৰ হিচাপ হে।

আমাৰ চহৰবোৰৰ অৱস্থাও যে এদিন তেনে নহবগৈ তাৰ কি মানে আছে! এদিন হয়তো দেখিবা ব'দ বিচাৰি ব্ৰহ্মপুত্ৰৰ পাৰলৈকে মানুহে ঢাপলি মেলিব। সাগৰতো নায়েই আমাৰ ইয়াত।

বাছ এৰিবলৈ আৰু বেছিপৰ নাই। শকত ভদ্ৰলোকজন আৰু কেইবাজনো নৰ্গাৱত নামি গ'ল। এহাল মাৰোৱাৰী দম্পতি নতুনকৈ উঠিল। ঠিক আমাৰ পিছৰ ছীটটোতে বহি ললে। মৈমনসিঙীয়া ভদ্ৰলোকজনো ইতিমধ্যে ক'ৰবাত নামিল। উপাধিধাৰী ডেকাজন, চলিহা, বৰী আগৰ ছিটবোৰতেই আছে। শকত ভদ্ৰলোক বহা ছিটটোত আমাৰ পিচপিনে থকা কলেজীয়া ডেকা দুজন বহিছে।

আন ড্ৰাইভাৰতকৈ কাঞ্চা ড্ৰাইভাৰ দেখিলোঁ এক ব্যতিক্ৰম। যথা সময়ত তত্তাতৈয়াকৈ আহি মটৰৰ ইঞ্জিন ষ্টাৰ্ট দিলে আৰু ঘূৰি

চালে পিছফালৰ ছীটবোৰলৈ। অলপ পিছত কাক্বা ড্ৰাইভাৰেই মহা আয়মেৰে অৱলীলাক্ৰমে চহৰৰ সৰু সৰু ৰাস্তাৰে বিৰাট বাছখন লৈ গৈ থাকিল।

: হ্য ড্ৰাইভাৰ ইজ সো স্মাৰ্ট, আনলাইক আদাৰ ট্ৰান্সপোৰ্ট ড্ৰাইভাৰছ।

মোৰ দুজন মদাহীৰ কথালৈ মনত পৰিল। এজনে থুব গালি পাৰিছে লগৰজনক : চালা, ভেলেঙা মদাহী, সমবায়ৰ সাতলাখ টকা বিলাই লোকে সীতাৰামে (?) ললে চাৰে সাতহাজাৰ আৰু তই ললি এটা মদৰ বটল, তাকো আকৌ ঘোঁৰাই খোৱা ৰাম।

: আৰে লৈছে তো বেছ কৰিছোঁ। হিন্দু মানুহ, ৰাম নলৈ হুইস্কী লম নেকি ?

: এই হিন্দু ইনফ্লুৱেন্সে তোৰ খাৰাপ কৰিছে। তোৰ নাম বাপেৰে থৈছিল বীৰেন্দ্ৰ, তাৰ পিছত হৰি বাপুৱে গণাই থলে ধীৰেন্দ্ৰ। কাহাঁ বীৰেন্দ্ৰ কাঁহা ধীৰেন্দ্ৰ। তোৰ মগজ ধীৰে ধীৰে নচলি কি কৰিব! লাহে লাহে এইটুপি নেখালে তোৰ দেহো ধীৰে ধীৰে চলা কৰিব। আমি দুয়ো খৃষ্টান হলেহে বাচিম। হিন্দুৰ চা না, আৰে কুৰুক্ষেত্ৰ যুদ্ধ কৰিবলৈ যাব তাৰ আগতে আকৌ গীতাখন লেকৃচাৰ মাৰি লৈছে।

আমি মাজে মাজে মন কৰিলে দেখিম গাড়ীৰ কনডাক্টৰ ড্ৰাইভাৰে লাইনৰ পেচেঞ্জাৰ গাড়ীত বহুৱাই থৈ স্বচ্ছন্দে ষ্টেচনৰ ওচৰৰ পানদোকানীজনৰ লগত আড্ডা মাৰে। মদাহীৰ কথা বিশ্বাস নকৰিলেও আমাৰ বেছি ভাগেই যে ধীৰেন্দ্ৰ হৈ পৰিছোঁ সেইটো আম বাৰু কেনেকৈ’ অস্বীকাৰ কৰোঁ!

: নগাঁৱৰ পাচত কি পাম বাৰু আমি ?

: পাচত বহুতো পাম। কিন্তু তাৰ আগতে নগাঁৱত কি পাই আহিলোঁ চোৱাঁ।

তেতিয়া অসম দেশ নিচেই সরু আছিল। বহাৰ উত্তৰে ব্ৰহ্মপুত্ৰ আৰু দক্ষিণে আছিল কছাৰী আৰু জয়ন্তীয়া দেশ। হাবিয়া আৰু কলং ৰ'ত মিলিছে সেয়া আছিল অসমৰ সীমাত। কছাৰী দেশৰ ওচৰত। হাৰিয়া নদীৰ জলপথত আছিল কছাৰীৰ এদনীয়া কৰ্তৃত্ব। বহাৰ পশ্চিমে গোভাৰে যিটো স্থলপথ আছিল তাতো আছিল কছাৰীৰ কৰ্তৃত্ব। এই স্থলপথৰ ব্যৱহাৰ লৈয়ে কছাৰী ৰজা প্ৰতাপ নাৰায়ণৰ দিনত আহোমৰ সতে ৰণ হৈছিল। সেই ৰণত হাৰি আহোম স্বৰ্গদেৱে প্ৰতাপ নাৰায়ণলৈ গাভৰু ছোৱালী আৰু ধনসোণ পঠাই মিত্ৰতা স্থাপন কৰিবলগীয়াত পৰিছিল।

হাৰিয়া নদীৰ পিছে ইতিহাসৰ ৰূপ ভিন্ন পৰ্য্যায়ৰ। ইংৰাজসকলে বঙ্গদেশত বহুদিন থকাৰ পাচত ওঠৰ শতিকাত অসমত কিদৰে নিজৰ প্ৰভাৱ বিস্তাৰ কৰিব পাৰে তাৰে চেগ চাই আছিল। বিশেষকৈ শ্ৰীহট্ট আৰু অসমৰ বৰাইল পৰ্বতৰ গোপন বস্তুৰ সন্ধান বিচাৰি ইংৰাজসকলে বাট বিচাৰি নেপাই ঘুৰমুটিয়াই ফুৰিছিল। সেই পথৰ সন্ধান দিছিল ওৱেড চাহাবে এই হাৰিয়া নদী চোৱাৰ পাচত। ওঠৰ শতিকাৰ অসমৰ বিষয়ে লেখোঁতে তেওঁ কৈছিল:

It will probably be received as an article of information, equally novel and interesting, that a Communication exists by water, to the very heart of those countries, which, from their wild and mountainous confines, have been hitherto scarcely deemed accessible by land from Bengal······for such was the jealousy entertained at that period by the Assamese Govt., of their Bengal neighbours, that no access whatever was allowed through the medium of the Berhampooter.

ওৱেভ চাহাবে এয়া লিখিছিল ১৮০০ খৃষ্টাব্দত। 'At that peiiod' বুলি লেখাৰ কাৰণ হ'ল ১৭৯৩ খৃষ্টাব্দৰ ২৮ ফেব্ৰুৱাৰীৰ দিনা কেপ্টেইন ৱেলছ আৰু মহাৰাজা 'স্বৰ্গী দেউ' গৌৰীনাথ সিংহৰ মাজত বঙ্গদেশ আৰু অসমদেশৰ প্ৰজাৰ হিতাৰ্থে বেহা-বেপাৰৰ এখন চুক্তি সম্পাদিত হৈছিল। প্ৰজাৰ হিতাৰ্থে বুলি কৰিছিলহে, কিন্তু হিত কোনো প্ৰজাৰেই নহ'ল। সেই চুক্তিৰ মজা লুটিলে চতুৰ ইংৰাজ বণিকে আৰু তাৰ ওপৰত ইংৰাজ সাম্ৰাজ্যবাদীসকলে ৰচিলে অদূৰ ভৱিষ্যতৰ আচনি।

: আচ্ছা ইংৰাজে সাম্ৰাজ্য পতাৰ মতলবেৰে প্ৰথম কেতিয়া বাৰু অসমলৈ আহিছিল?

: ১৬৭০ খৃষ্টাব্দত। শৰাইঘাট ৰণ চলি থাকোঁতেই ব্ৰহ্মপুত্ৰক চিকাৰ কৰাৰ ছলেৰে ইংৰাজ এজনে অসমীয়া সৈন্যৰ আলেখ-লেখ চাই গৈছিল। সেইদিনা সি পলাবলগীয়া হৈছিল অসমীয়া সৈন্যৰ ভয়াবহ পৰাক্ৰম দেখি আৰু জানিব কাৰণে শিকি গৈছিল যে অসমীয়া সৈন্য যিমানদিনলৈ এনে পৰাক্ৰমী হৈ ৰব, তেতিয়ালৈকে ইংৰাজৰ সাম্ৰাজ্যবাদী আচনিৰ পৰা অসমক বাদ দিব লাগিব।

তাৰ এশ বছৰৰ ভিতৰতে অসমত আৰম্ভ হৈছিল প্ৰচণ্ডতম অন্তৰ্বিপ্লৱ। মোৱামৰীয়া বিদ্ৰোহ যাৰ নাম। তাৰ পিচত আহিছিল মহামতি কাপ্টেন ৱেলছ চাহাব লগত আফুগুটি লৈ।

: তাৰ পাচত?

: তাৰ পাচত আমি এয়া আমাৰ নিজৰ বাছত বহি যাব লাগিছোঁ।

: বাজে কথা বাদ দিয়া।

: বাদ দিছোঁ বাৰু। এতিয়া আমি ভোটাইগাওঁ পাম, বৰহমপুৰলৈ যোৱা তিনিআলিটো পাম। তাৰ পাচত পাম পুৰণি গুদাম, ছামগুৰি, মিছা, কলিয়াবৰ, জখলাবন্ধা, কুঠৰি আদি বিভিন্ন ঠাইসমূহ।

এই ৰাস্তাৰ পৰা দুমাইল সোমাই গলেই বৰহমপুৰ পাম। তাৰ

ওচৰতে কন্দলী, তাৰ সিফালে ডবাক। পূৰ্বভাৰতৰ আটাইতকৈ পুৰণি ৰাজ্য তিনিখন আছিল কামৰূপ, ডবাক আৰু কন্দলী। খ্ৰীষ্টিয় তৃতীয় নে চতুৰ্থ শতাব্দীৰ সমুদ্ৰগুপ্তৰ এলাহাবাদৰ প্ৰশস্তিত পিচৰ দুখন ৰাজ্যৰ উল্লেখ আছে।

এই ৰাজ্য দুখনৰ কথা কোৱাৰ আগতে এই ভোটাইগাওঁখন চাই লোৱা। ১৭ শতিকাৰ শেষ দুই দশকৰ কথা। এই গাৱঁতে আছিল আহোম যুগৰ অসমসাহসী বীৰ ভোটাই ডেকা। তেওঁৰ সহযোগী আঘোণা কছাৰী আৰু মাধৱ তামুলীৰ ঘৰো নিশ্চয় ইয়াৰ ওচৰে ক'ৰবাত আছিল। তেতিয়া অসমৰ ৰাজমন্ত্ৰী আছিল অসামান্য স্বাৰ্থত্যাগী আৰু মহান দেশসেৱী মহামতি আতন বুঢ়াগোহাঞি ডাঙৰীয়া। ইপিনে গুৱাহাটীত বৰফুকন আছিল চতুৰ পেটকপটীয়া মেটেকাতলীয়া লালুক সোলা বৰফুকন। এওঁৰে জীয়েকক বিয়া কৰাইছিল স্বৰ্গদেৱ চুলিকফাই বাক আমি আটায়ে অপৰিণামদৰ্শী ল'ৰাৰজা হিচাপে জানোহঁক। বৰফুকনৰ সম্বন্ধ আছিল ৰাজসিক তদুপৰি আন্তৰ্জাতিকো। তেওঁৰ ভাগিনী ছোৱালীক বিয়া দিয়া হৈছিল তেতিয়াৰ বঙ্গৰ চুলতান আজমতৰালৈ। বিয়া দিয়া বুলি কলে ঠিক নহয়। দৰাচলতে ভাগিনী ছোৱালী ৰমণী গাভৰুক তেতিয়াৰ প্ৰথামতে উপঢৌকন দিছিল নবাবলৈ। ৰমণী গাভৰুৱে হেৰেমত ভৰি দিয়েই নাম লৈছিল ৰহমৎ বাণু। চুলতান আৰু ৰহমৎ বাণুৰ সদিচ্ছা তদুপৰি বৰফুকনৰ উচ্চাকাঙ্ক্ষাই নামনি অসমৰ পৰা কলিয়াবৰলৈকে এক অস্থিৰ অৱস্থাৰ সৃষ্টি কৰিছিল। শেষত এনে হ'লগৈ যে ১৬৬৭ খৃষ্টাব্দত উদ্ধাৰ কৰা আহোম ৰাজ্যৰ নামনি অংশ পুনৰ মোগলক এৰি দিবলগীয়া হ'ল। তাৰ বিনিময়ত মোগল চুলতান প্ৰতিশ্ৰুত হল বৰফুকনক অসমৰ ৰাজসিংহাসনত বহুৱাবলৈ।

পিছে মনে খোজে ৰজা হব, বিধাতাই নিদিয়ে খুজিও খাব। বৰফুকনৰ বাটৰ কাঁইট হ'ল আতন বুঢ়াগোহাঞি ডাঙৰীয়া। দেশৰ

প্ৰজাই ডাওবীয়াৰ ওচৰত গোচৰ দিলে বৰফুকনৰ অতপালিৰ বিৰুদ্ধে। ইপিনে মোগল অভিযানৰ কথায়ো প্ৰজাক ত্ৰস্ত কৰি তুলিলে। কাজেই বুঢ়াগোহাঁই ডাওবীয়া নিজেই সসৈন্যে আগবাঢ়ি আহিল। কিন্তু কুচক্ৰী লালুকসোলাৰ ষড়যন্ত্ৰৰ বলি হবলগীয়াত পৰিল বুঢ়াগোহাঁই। শিলঘাটৰ সিপাৰে ভুইমুনিশিলাত তেওঁক বন্দী কৰি পাচত হত্যা কৰা হ'ল।

বিধাতাই নিশ্চয় সিদিনা বৰফুকনৰ মন চাইছিল। সুযোগ দি বং চাইছিল ক্ৰমে ক্ৰমে নিজকে নাগপাশত জড়িত কৰি লোৱাৰ।

সেই সময়ত ভোটাই ডেকা আছিল ৰংপুৰত। দেশত অমঙ্গল, দিনে দিনে অশান্তি বাঢ়ি গৈছিল। বৰদেওধায়ে কুকুৰা ঠেং চাই ৰজাত জনালে যে শদিয়াৰ কেঁচাইখাতীয়ে নৰবলি বিচাৰিছে। গোসানীক নৰবলিৰে সন্তুষ্ট কৰিব পাৰিলেহে দেশত শান্তি প্ৰতিষ্ঠা হব। আজিৰ ৰাজনীতিত কেবেক্টাৰ এচেচিনেচনৰ উপায় বহুতো, সেইদিনত তাৰ বাবে প্ৰশস্ত উপায় আছিল কেঁচাইখাতীক সন্তুষ্ট কৰাৰ অজুহাত লোৱাটো।

এই সময়তে এটা সৰু ঘটনা ঘটিল। বৰফুকনৰ মেটেকাৰ বাৰীত উপদ্ৰৱ কৰা প্ৰকাণ্ড ভালুক এটা ভোটাই ডেকাৰ আগত পৰিল। ভালুকে ডেকাৰ ফালে চোঁচা ললে। কিন্তু সিমানেইহে। ভোটাই ডেকাই বিজুলী সঞ্চাৰে ওচৰতে পৰি থকা টাঙোন এডাল লৈ টঙনিয়াই ভালুকটো থিতাতে বধালে। ঘটনাটো সামান্য যদিও তাৰ প্ৰভাৱ তলে তলে অসামান্য হৈ পৰিল। বৰফুকনে মুখেৰে প্ৰশংসা কৰিলেও পেটে পেটে প্ৰমাদ গণিলে। এই অসামান্য শক্তি ভাললৈ নহয়। বৰফুকন গ'ল ৰজাঘৰলৈ।

ৰজাৰ ওচৰত পৰামৰ্শ আগবঢ়ালে যে, কেঁচাইখাতীৰ ওচৰত বলি দিবলৈ নিৰোগী, নিঘুণী সুঠাম স্বাস্থ্যৰ ভোটাই ডেকাক পঠিওৱাই সমীচীন হব। চতুৰ ভোটাই ডেকাই অৱশ্যে এই পৰামৰ্শৰ অন্তৰালত থকা ষড়যন্ত্ৰৰ কথা বুজি পালে। আৰু ১৬৮১ খৃষ্টাব্দৰ অঘোণ

মাহৰ দহ তাৰিখ মঙলবাৰে ৰাতি ভোটাই ডেকা, আঘোপা কছাৰী আৰু মাধৱ তামুলীয়ে লগলাগি বৰফুকনক হত্যা কৰিলে।

অসম বিপন্মুক্ত হ'ল সঁচা, কিন্তু ভোটাই ডেকাৰ জীৱন হৈ পৰিল বিপন্ন। হৰিণাৰ মাংসই বৈৰী বুলি কথা এষাৰ আছে। ভোটাই ডেকাৰ বৈৰী আছিল তেওঁৰ অমিত দৈহিক শক্তি। ৰজাও সন্ত্ৰস্ত হৈ পৰিল। ভোটাই ডেকাক প্ৰাণে মাৰিবৰ মনেৰে ৰজাই এক বিশেষ ঘনিষ্ঠ সাক্ষাতৰ বাবে তেওঁক মাতি পঠালে। ডেকা আছিল বিচক্ষণ পুৰুষ। তাতো ষড়যন্ত্ৰৰ উমান পাই লগত অস্ত্ৰ-শস্ত্ৰ লৈ যাব বুলি কৈ পঠালে। ৰজাই দেখিলে কথা বিষম। অস্ত্ৰেৰে সজ্জিত হলে ভোটাই ডেকাক এটা সশস্ত্ৰ বাহিনীয়েও একো কৰিব নোৱাৰে। কাজেই অন্য উপায় চিন্তা কৰা হ'ল।

কাৰ যে কিহৰ প্ৰতি দুৰ্বলতা থাকিব পাৰে, কেতিয়াবা আচৰিত নহৈ নোৱাৰি। প্ৰকাণ্ড চাৰে ছয়ফুটীয়া দৈত্যকায় ভোটাই ডেকাৰ দুৰ্বলতা আছিল তেওঁৰ চাৰে তিনিফুটীয়া এগৰাকী ঘৈণীয়েকৰ প্ৰতি। চোৰাংচোৱাৰ পৰা এই বহুমূলীয়া খবৰটো পাই ৰজাই ডাঙৰীয়া পঠালে ডেকাৰ ঘৰলৈ অৰ্থাৎ ঘুটমুটিয়া ডেকানীক লগ ধৰিবলৈ। ডাঙৰীয়াৰ পদাৰ্পণে ডেকাৰ পৰিজনক কৃতাৰ্থ কৰিলে—ডেকানী আত্মপ্ৰসাদত আপোন পাহৰা হ'ল। সতিনীয়েকৰ বুজনি সত্বেও চাৰে তিনি ফুটীয়া ডেকানীয়ে ডেকাক বিনা অস্ত্ৰে গৈ ৰজাৰ হুকুম তামিল কৰিবলৈ সন্মত কৰালে।

ভোটায়ে সকলো বুজিছিল, কিন্তু যি কৰিছিল সকলো দেশৰ মঙ্গলৰ বাবেই কৰিছিল। গতিকে নিৰ্ভীক মনে ৰজাত আঠু ললে। ৰজাই অৱশ্যে একো নকৰিলে, মাথোন তেওঁক কলিয়াবৰলৈ পঠাই দিলে কিয়নো ৰাজধানীত তেওঁ থকাটো কাৰো কাৰণে নিৰাপদ নহয়। বাটতে নাৰত পিকৃচাই বৰফুকনৰ নাতি ডেকাফুকনে পাই বন্দী কৰি নাক-কাণ কাটিলে আৰু চকু এটাও কাঢ়িলে।

দেশৰ দহৰ মঙ্গলৰ কাৰণে নিজৰ সৰ্বস্ব ত্যাগ কৰিও ভোটাই ডেকাই পাইছিল বিনিময়ত এক ৰুগ্ন, বিকলাঙ্গ, হৃতসৰ্বস্ব জীৱন। জীৱনৰ শেষ কালছোৱা এই গাৱঁৰে কোনোবাখিনিত কোনো এক পৰ্ণ-কুটীৰত ভিক্ষাবৃত্তি কৰি তেওঁ দিন গণিছিল তেওঁৰ দুৰ্বিসহ বেদনাৰ অৱসান বিচাৰি। নাতি-পৰিনাতি প্ৰপৰিনাতি তেওঁৰ নিশ্চয় কোনোবা নহয় কোনোবা আজিও এই গাৱঁতে আছে। আঘোণা কছাৰী, মাধৱ তামুলীহঁতৰো নিশ্চয় কোনোবা আছে। কিন্তু সিহঁত সেই স্বনামধন্য উপৰিপুৰুষসকলৰ প্ৰেতাত্মা কিয় প্ৰেতচ্ছায়াও হয়তো নহয়।

: দিছ এপিচোদ ৰিমাইণ্ডছ মী অব্ এ গ্ৰেট হিউমেন ফলি।

: আই ডণ্ট্ আণ্ডাৰষ্টেণ্ড্।

: মানুহে কিছুমান মিছা ভেলুজৰ বাবে যে চৰম মূৰ্খামি কৰে। এই ধৰা বিপ্লৱ। তাত কিছুমান মানুহে যে আত্মবলিদান দিয়ে এইটোৰ দৰে মূৰ্খামি মোৰ বোধেৰে আৰু নাই। ভোটাই ডেকাইঁতেও সেই একে মূৰ্খামিকে কৰিছিল।

: মই প্ৰশংস দৃষ্টিৰে তেওঁৰ মুখলৈ চালোঁ।

মইও সেই একেটা কথাকে ভাবিছিলোঁ। মিছা মূল্যৰ কাৰণে অসাৰ্থক এটা বিশ্বাসৰ কাৰণে মানুহে যে কি এক চৰম মূৰ্খামি কৰি বহে তাৰ উদাহৰণ গহপুৰৰ কনকলতা, তেজপুৰৰ লক্ষ্মীধৰ, ঢেকিয়া-জুলিৰ অনামা কছাৰী ডেকা ল'ৰাকেইটা, ভোগেশ্বৰী, মদন ৰাউতা, কুশলকোঁৱৰ, আৰু কমলা মিৰিহঁত। গহপুৰৰ গাভৰু কনকলতাই পুলিচৰ গুলীত প্ৰাণ দিলে। গহপুৰ থানাৰ সন্মুখত এটা পুখুৰীৰ পাৰত কনকলতাৰ গুলীবিদ্ধ দেহ ভূলুণ্ঠিত হৈ পৰিছিল। ১৯৬৩ চনৰ পোন্ধৰ আগষ্টত তালৈ এবাৰ যোৱাৰ দুৰ্ভাগ্য ঘটিছিল। কনকলতাৰ স্মৃতিসৌধ বিচাৰি পুখুৰীৰ পাৰত ঘূৰি ফুৰোতে বাটতে গছকি পালোঁ এক ইঞ্চিমান ওখ তিনি বৰ্গফুট কালৰ এটা মাটিৰ

ফটিপ। তাতে সেন্দুৰ আৰু মিঠাতেল লগা এডোখৰ কলাপাত পৰি আছিল। সেইদিনা পুৱাতে হেনো তাত এগছি চাকি জ্বলোৱা হৈছিল। কাষত পুখুৰীটো আগৰ দৰেই আছে তাৰ পাৰতে গৰু-মানুহ-কুকুৰৰ গছকত কনকলতা শুই আছে। এই অসমৰে প্ৰাতঃস্মৰণীয় কবিয়ে আকৌ গাইছিল—

"পুৰোহিতো যদি ভয়তে আঁতৰি কাষতে মূৰ্ছা যায়, আমি আগে বাঢ়ি ডিঙি পাতি পাতি তেজেৰে বলিশাল যামে বোলাই।"

তেজপুৰৰ লক্ষ্মীধৰে নিঃৰ জীৱন-যৌৱন সকলো জলাঞ্জলি দি শেষত দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আলাই-আথানি হৈ মৰিল। পৰিয়াল-পৰিজন সকলোকে নিৰবলম্ব কৰি। এতিয়াহে বুজিছো তাৰ দৰে মূৰ্খামি আৰু একো নাছিল।

ভোটাই ডেকাৰ দৰে মানুহক নিৰ্দ্বিধায় সব কব পাৰি কিন্তু বুধিয়ক বুলি ক'ব নোৱাৰি। জখলাবন্ধা সত্ৰৰ সংস্কৃত কবি শ্ৰীশ্ৰীপদ্মহাস গোস্বামীৰ ঘৰৰ ভাগ্নেয় ৺বৃন্দাবন গোস্বামী আজি আৰু নাই। তেখেতে ভোটাই ডেকাক লৈ এখন নাটক লেখাৰ কথা আছিল। লেখিলেনে নাই নাজানো। তেওঁৰ জীৱনত নাটকীয় সমল যথেষ্ট আছে যেতিয়া আজিৰ নাট্যকাৰসকলেও এটা সৎ চেষ্টা দি চাব পাৰে।

বৰহমপুৰলৈ এইপিনে যায়। এসময়ত এই ঠাই হেনো বৰহমথুৰিৰে ভৰি আছিল। এতিয়া ভৰি আছে বৰহমথুৰিৰ স্মৃতিৰে আৰু শান্তিৰক্ষক পুলিচেৰে। শংকৰ মিশ্যন অন্ধ বিদ্যালয়, চৰকাৰী বাথান আৰু অষ্টম পুলিচ বেটেলিয়নৰ প্ৰধান কাৰ্য্যালয়।

: ডু ইউ এড্‌মিট ওৱান থিং?

: হোৱাট ইজ দ্যাট্?

: মানুহ দিনে দিনে অসভ্য হৈ গৈছে। নহলে পুলিচৰ সংখ্যা দিনে দিনে কিয় বাৰু ইমান বাঢ়িব! এই চোৱাঁ—অসমত ১৯৩৪ চনত আছিল আই-জি-পি এজন, এ-আই-জি এজন,

এছ-পি ছেবজন আৰু চিপাহীৰে সৈতে আদাৰ ৰেংক আছিল চাৰে তিনি হেজাৰ। এই হিচাপটো আকৌ সেইখন অসমৰ য'ত চিলেট, মণিপুৰ, নগালেণ্ড, মিজোৰাম, অৰুণাচল সাঙোৰ খাই আছিল। আৰু য'ত ডেৰ দশকৰ ভিতৰতে দুটা অভূতপূৰ্ব গণ-বিপ্লৱে তোলপাৰ লগাইছিল। আকৌ তাৰ ত্ৰিশ বছৰ পাচত চোৱাঁ। ১৯৬৪ চনৰ অসম ১৯৩৪ চনৰ অসমৰ কঙ্কাল মাথোন। মণিপুৰ, অৰুণাচল, চিলেট, নগালেণ্ড এইবোৰ নাই। তথাপি আই-জি-পি এজন, ডি-আই-জি সাতজন, এ-আই-জি আৰু এছ-পি তেইশজন আৰু আদাৰ ৰেংক ওঠৰ হেজাৰবো অধিক। ইয়াৰ ভিতৰত আকৌ বেটেলিয়ান আঠোটা ধৰা হোৱা নাই। দেখিলানে আমাৰ সুসভ্য নাগৰিকৰ অৱস্থা! ইয়াৰে অষ্টম বেটেলিয়ন বোধকৰোঁ বৰহমপুৰত থাকে। ওচৰতে শহীদ স্তম্ভ, সিটোফালে অন্ধ বিদ্যালয় আৰু তাৰে অদূৰত চৰকাৰী বাথান অৰ্থাৎ ডায়েৰী ফাৰ্ম। সাত মাইল বাট নগাঁৱলৈ কিন্তু সেয়া যেন অন্তহীন পথ। বাথানৰ গাখীৰ নগাঁও চহৰত বিলি হয় ৰাতি। ভূটানৰ মহামান্য ৰজা জিগমে দৰ্জি৷ ৱাংচুকৰ আগৰ গৰাকী ৰজাই দেহ ৰক্ষা কৰিছিল পুনাখৰ পৰা চৌব্বিশ মাইল দূৰৰ এখন মফস্বল চহৰত। সেই বাতৰি পুনাখ পাওঁতে পুৰা ছয়সত্তৰ ঘণ্টা লাগিছিল। আমি তেতিয়া আমোদ পাইছিলোঁ। অথচ আমি পাহৰি গৈছিলোঁ যে গুৱাহাটীত পুৱা ওলোৱা বাতৰি কাকতখন নগাওঁ চহৰত আমি হয় সেইদিনা গধূলি, নহয় পাচদিনা পুৱাহে পঢ়িবলৈ পাওঁহক।

: আৰে তুমি শুই পৰিলা যে?

: ফিলীং ভেৰী স্লিপী আফ্টাৰ দ্য লাঞ্চ্।

ধেৎ তেৰি, মিছাই মৰিলোঁ মই এইবোৰ বলকি। মই হঠাৎ নীৰৱ হৈ পৰা দেখি তেওঁ অলপ মনোকষ্ট পালে নিশ্চয়। একেবাৰে সাৰসুৰ নোহোৱাকৈ হাতৰ আঁৰত এটা হামি মাৰি চকু-মুখ মোহাৰি হেঁচি ধৰা টোপনিটোক জোকাৰি পেলাবলৈ এটা চেষ্টা দিলে আৰু

মোৰ কোলাত অলসভাৱে হাত এখন পেলাই থৈ ডাঙৰ ডাঙৰকৈ চকুহাল মেলি হাঁহি দিলে আৰু কলে—কোৱাঁ, ডবাক· আৰু কল্পনা ৰাজ্যৰ কথা কোৱা। ছেভেন্থ চেঞ্চুৰীৰ ৰাজ্য—নগাঁৱত? তুমি বেছ গাল্পাখোৰ দেখিছোঁ।

মই একো নকলোঁ। তেওঁক আকৌ শুই পৰাৰ সুযোগ দিলোঁ। মোৰ মাথোন মনত পৰিছিল জাৰ্মান কবি হাইনেৰ এটা অভূতপূৰ্ব অভিজ্ঞতাৰ কথা।

আমাৰ দৰিকনা কবিসকলে ডিলাইট, মধুমিতা আদি চাহদোকান-বোৰত আড্ডা দিয়াৰ এটা অভ্যাস কৰি লৈছে। তেওঁলোকৰ মতে অসমত পাব্ নাই—গতিকে চাহদোকানকে কবিৰ চৰণীয়া পথাৰৰ মাজৰ আহতজোপা কৰি লৈছে। জাৰ্মান তাৰ্মানৰ ফালে আছে পাব্—চৰণীয়া পথাৰৰ আহত। তাতে গিলাচে গিলাচে বগা বীয়াৰ খাই (নাম ললেই অষ্ঠ কণ্ঠ শুকাই যায়) সাহিত্য চৰ্চা কৰে কবি-সকলে। আৰু তাত বীয়াৰ পৰিবেশন কৰে ধুনীয়া ধুনীয়া গাৰ্লে। দৰাচলতে সেয়া পাব্ নহয়, বীয়াৰ গাৰ্টেনহে। বেৰ-চাল নোহোৱা মুক্ত আকাশৰ তলৰ মদৰ দোকান। হাইনে তেতিয়া কলেজত, তৰুণ কবি; এনে এখন বীয়াৰ গাৰ্টেনলৈকে এদিন কলেজৰ বন্ধু-বান্ধবৰ সতে হাইনেও আহিল। হাইনেৰ কবিতাই তেতিয়া বিপুল জন-সমাদৰ লাভ কৰিছে।

বীয়াৰ গাৰ্লৰ মাজত এজনী আছিল অপৰূপ মোহময়ী কিন্তু ভীষণ অহঙ্কাৰী ছোৱালী। তাইৰ নাম আছিল লট্রে। হাইনে বোধ কৰোঁ এই লাইনত একেবাৰে নতুন আছিল। স্ফূৰ্তিৰ আবেশত লট্ৰেক সাৱটি ধৰিলে হাইনেই। লাগি পৰিল তুমুল কাণ্ড। অবাইচ গালিত হাইনে কোনোৰকম ওলাই আঁহিবলৈ পাই বাচিল। অপৰিসীম লাজত বীয়াৰ গাৰ্টেনৰ পিনে মুকে নকৰা হ'ল।

এদিন বন্ধু-বান্ধৱে তেওঁক জোৰ কৰি আকৌ লৈ গল পাবলৈ। তাত তেওঁৰ সেই কাহিনীটো মনত পৰি লাজ-ভয়ত তলমূৰৰ পৰা ওপৰ

মুৰ কৰা নাছিল। লট্টেই কেবাবাৰো আছিল বীয়াৰৰ গিলাচ লৈ, কিন্তু মুৰ তুলি চোৱাৰ সাহসকণ নহল হাইনেৰ।

হঠাৎ হাইনে চকুখাই উঠিল কান্ধত কাৰোবাৰ মৃদু কৰস্পৰ্শ পাই। ঘূৰি চাই বিমূঢ় হৈ পৰিল লট্টেই তেওঁৰ ফালে চাই হাঁহি থকা দেখি। অকল তেৱেঁই নহয়, বন্ধু-বান্ধৱ সকলোৱে। লট্টে আগবাঢ়ি আছিল আৰু হাইনেৰ সম্মুখত ঘনিষ্ঠ হৈ থিয় হ'ল আৰু কাতৰ মিনতিৰ সুৰত কলে—আপুনি মোক ক্ষমা কৰিব। মই সিদিনা আপোনাক চিনি পোৱা নাছিলো, আপুনি অনন্ত। আপোনাৰ কবিতা মই পঢ়িছোঁ। কি যে সুন্দৰ মই বৰ্ণাব নোৱাৰোঁ। আপুনি মোক চুমা খাওক আৰু প্ৰতিশ্ৰুতি দিয়ক যে আপুনি আপোনাৰ লেখা কোনোদিন বন্ধ নকৰে।

হাইনেই লট্টেৰ চকুত চকুপানী দেখি সহ্য কৰিব নোৱাৰিলে। সেই বেলিৰ তলতে মুগ্ধজনতাৰ বিভ্ৰান্ত দৃষ্টিৰ মাজত লট্টেক সাৱটি ধৰি চুমা খালে।

দেখিলেনে কবি হোৱাৰ মূল্য!

তাকেতো ভাবিছোঁ, এইখন আৰম্ভ কবি নৰকান্ত, মহেন্দ্ৰ, নীলমণি আদিৰ দৰে কবিতা লেখা হলেই ভাল আছিল। লোকৰ কবিতা শুনি বিমুগ্ধ নিৰ্বাক হৈ পৰে শ্ৰোতা, আৰু মোৰ কথা শুনি গাভৰু ছোৱালীয়ে বিৰক্তিত টোপনি অহাৰ ভাও জোৰে।

> "সোণাৰো ধুলনাম, ৰূপৰো দৰি,
> না কানিচ বাবুধন ঘুম যা ধুলনত পৰি।"

> "দাৰু তুলি জাৰিফুল
> না কানিচ বাবুধন
> বেম্‌গুম্ চাবট্টুন যা বাবে
> আনি দিব নাৰিকুল।"

: হোৱাট আৰ দিজ?

: চাক্‌মা লালেবাই। চাক্‌মা মিচুকনি গাই গাই নিজে শুই

পৰা জাতি। হিল টিপেৰা আৰু মিজো পাহাৰৰ পাদদেশত বাস কৰা অৰ্দ্ধ-পাহাৰী এটা জাতি। কৰ্ণফুলী নৈৰ বান্ধ দি পাকিস্থান চৰকাৰে চাকমাসকলক খেদাই পঠালে অসমলৈ আশ্ৰয়প্ৰাৰ্থী কৰি।

: সেইবোৰ বাৰু বুজিলোঁ। কিন্তু তুমি লালেবাই গাইছা কেলেই ?

: তোমাৰ বাবে। তোমাৰ টোপনি আহিবলৈ।

: আকৌ মিছা কথা। মই কৈছোঁ নহয় তুমি মোক অন্ততঃ ফাঁকি দিব নোৱাৰা বুলি। তুমি শুনাইছা নিচুকনি নহয়, তাত থকা অসমীয়া শব্দ কেইটাহে।

: তুমি ঠিক ধৰিছা। সঁচাকৈ মই কেতিয়াবা আচৰিত হৈ যাওঁ। ক'ত অসম আৰু ক'ত হিল টিপেৰা। অথচ 'দাৰু' শব্দটো 'নাৰিকূল', 'আনি দিব' এই শব্দবোৰ একেবাৰে যেন অসমীয়া। 'দাৰু' মানে দৰৱ। দাৰু মানে গছ। আগৰ ভাৰতীয় দৰৱত বনৌষধিয়ে প্ৰাধান্য লাভ কৰিছিল। সেইবাবে দৰৱ আৰু দাৰু দুয়োটায়ে সমাৰ্থক হৈ পৰিল নামনি অসমত। অসমৰ একালৰ অসাধাৰণ প্ৰতিপত্তিয়ে ওচৰৰ দেশসমূহত কিদৰে প্ৰভাৱ বিস্তাৰ কৰিছিল এই সৰু সৰু কথাবোৰে তাৰ ইঙ্গিত দিয়ে।

: তুমি চাগৈ আত্মপ্ৰসাদ লাভ কৰিছা ?

মই তেওঁৰ ফালে নীৰৱ হৈ চাই থকা দেখি আকৌ কলে—এই যে চাকমাৰ মাজতো তোমাৰ অসমীয়া মাত-কথা লুকাই আছে—সেইবাবে ?

: সেই বাবে অৱশ্যে কৰিছোঁ—নকৰা নহয় কিন্তু আত্মপ্ৰসাদতকৈও বেছি আত্মগ্লানি অনুভৱ কৰিছোঁ।

: হোৱাই ?

: অসমীয়া ভাষা ক'ত ক'ত কয় আমি নিজেই নাজানো বা জনাৰ চেষ্টা নকৰোঁ। অসমীয়া ভাষাৰ পিচত জন্ম হোৱা বিভিন্ন ভাষাই আমাৰ চকুৰ আগতে দেশৰ বাহিৰেও যি যি ঠাইত সেইবোৰ

ভাষাভাষী লোক আছে তেওঁলোকক বিচাৰি আঁকোৱালি লোৱাৰ প্ৰয়াস কৰিছে। আমি কিন্তু সেই বিষয়ে একেবাৰেই কেলাচ্।

: বাৰু কিয়া তোমাৰ নষ্টালজিক কথাবোৰ। তুমি ছিৰিয়াছ হলে মই সহ্য কৰিব নোৱাৰোঁ।

: বাৰু তেনেহলে ডবাক আৰু নাৰীপ্ৰধান ৰাজ্য কন্দলিৰ কথা শুনা।

: আকৌ গাজা।

: তুমি আৰ-চি মজুমদাৰৰ দৰে বিশ্ববিশ্ৰুত ঐতিহাসিক পণ্ডিতসকলে অলপতে সংকলন কৰা ভাৰত বুৰঞ্জীখন পঢ়া নাই। এই ডবাক কন্দলিৰ কথা মোৰ নহয়, সেইসকলৰ।

: বাৰু কৈ যোৱা।

: ডবাক এতিয়াৰ ডবকা। কন্দলি আছিল এতিয়াৰ কন্দলি আৰু জয়ন্তীয়া আৰু মিৰিৰ পাহাৰৰ পশ্চিম দক্ষিণাংশ সামৰি। তাত ক্ষেত্ৰপ্ৰধান সংস্কৃতি আছিল গুণেই সেই ৰাজ্য আছিল নাৰীপ্ৰধান।

নাৰী প্ৰধান বুলি কওঁতে আৰু এগৰাকী মহিমাময়ী নাৰীৰ কথা মোৰ মনত পৰিল। তেওঁ আমাৰ বাওঁহাতে থকা কদঙৰ পাৰৰ ভগৱতী থানত থাকে।

: বাওঁ হাতে সৰু সেউজীয়া চাইনবোৰ্ড এখন মন কৰিলানে বাৰু?

: কানো। মোৰ দেখোন চকুত নপৰিল।

: সাধাৰণতে নপৰেই। সেই মহিমাময়ী নাৰীয়েও নিবিচাৰে অসাধাৰণ হবলৈ। সৰু সাধাৰণ মন্দিৰ এটাত এগৰাকী সাধাৰণ নাৰী থাকে নিতান্ত সাধাৰণভাৱে। এয়া এশ গজো দূৰ নহয়।

কিন্তু পৰিবেশ আৰু ব্যক্তি সাধাৰণ হলেও প্ৰভাৱ আৰু শক্তি হলে অসাধাৰণ। এই সৰু লুংলুঙীয়া বাটটোৰেদি দিনে কত শই শই মানুহ আহে। জাতিধৰ্ম নিৰ্বিশেষে। সেই মহিমাময়ী নাৰীৰ অৰুণ আশাস বিচাৰি।

: হোৱাট আৰ ছী ডু?

: তেওঁ নিজে একো নকৰে, কিন্তু আনক কৰায়।

: লাইক দ্য বেংগলী হিন্দুজ।

: আই কুড নট ফলো।

: দে ছে হৰিবোল, হৰিবোল। দে ডু নট কল হৰি বাট্ আস্ক আদাৰ্ছ টু কল শ্বো।

: ইউ আৰ শ্বো ডেন্‌জাৰাছ! আচলতে ভগৱতী আয়ে মানুহক বিপদত পৰামৰ্শ দিয়ে। তেওঁ ত্ৰিকালজ্ঞ ভগৱতী বুলি অঞ্চলৰ সকলো মানুহে বিশ্বাস কৰে আৰু ভৱিষ্যতৰ কথা জনাৰ আগ্ৰহ বা দুৰ্বলতা প্ৰতিজন ব্যক্তিৰে এক দুৰাৰোগ্য ৰোগ। গতিকে নিতৌ তালৈ শই শই মানুহ আহে, ভগৱতীৰ প্ৰসাদ গ্ৰহণ কৰে।

: মানুহ গৰাকী দেখিবলৈ কেনে বাৰু?

: বয়স বহুত যদিও, বৰণ একেবাৰে কেঁচা হালধি যেন। একদম তোমাৰ দৰে গাৰ বৰণ।

: ছাট্ আপ। উই আৰ ইন্ এ প্যাকৃড্ বাছ। ডন্ট ফৰগেট্।

মই হাঁহি হাঁহি কলং'নৈৰ পিনে চাই পঠিয়ালোঁ। তেতিয়াও কলং নৈখন আমাৰ লগে লগে আহিয়েই আছিল।

"তাম্বুল বল্লী পৰি নদ্ধ পূগং
কৃষ্ণাগুৰু স্কন্ধ নিবেশি তৈলম।
স কামৰূপে জিত কামৰূপো
প্ৰাগ্‌জ্যোতিষাখ্যাং পুৰমধ্যুবাস॥"

খ্ৰীষ্টাব্দ ষষ্ঠ-সপ্তম শতিকাত অসমৰ বুকুত থকা আন এখন ইতিহাস-স্বীকৃত ৰাজ্যৰ নাম কামৰূপ। পশ্চিমে পৌণ্ড্ৰবৰ্দ্ধনকে (বৰ্ত্তমান উত্তৰবঙ্গ আৰু বিহাৰৰ সীমা) সীমা কৰি পূবলৈ ডবাক কন্দলি পৰ্য্যন্ত এই বিশাল কামৰূপ ৰাজ্যৰ ৰজা সপ্তম শতিকাত আছিল, সম্ৰাট পুষ্যবৰ্মাৰ নাতি ভাস্কৰবৰ্মা। ভাস্কৰবৰ্মা আছিল অকৃতদাৰ।

তথাপি তেওঁৰ সম্বন্ধীয় কোনোবাই নিশ্চয় সেই ৰাজবংশ ৰক্ষা কৰিছিল। সেই বংশৰে জনৈক বলবৰ্মাই খ্ৰীষ্টিয় দশম শতিকাত নগাঁৱৰে একাংশত ৰাজ্য প্ৰতিষ্ঠা কৰিছিল যেন অনুমান হয়। এইখিনিতে কলঙৰ সিপাৰে বলবৰ্মাৰ দিনৰ এখন অনুশাসনলিপি পোৱা গৈছে। তাৰ ৰচনাত চতুৰ্থ পঞ্চম-শতিকাৰ বিশ্বকবি কালিদাসৰ ৰচনাৰ অনুকৃতি সুস্পষ্ট। ওপৰৰ শ্লোকফাঁকি সেই লিপিৰে একাংশ। হয়াত কামৰূপ আৰু নৰকাসুৰৰ বৰ্ণনা আছে। এই কথাৰ পৰা এনে এটা ধাৰণা কৰিবৰ মন যায় যে, বলবৰ্মা আৰু নৰকাসুৰৰ বংশৰ নিশ্চয় কিবা এটা সম্বন্ধ আছিল। আৰু নগাওঁ এসময়ত কামৰূপ ৰাজ্যৰ ভিতৰুৱা আছিল। আৰু এটা কথা স্পষ্টভাৱে প্ৰতীয়মান হয় যে, বলবৰ্মা বিদ্যানুৰাগী আছিল, নহলে তেওঁৰ অনুশাসনত কালিদাসৰ ৰঘুবংশৰ ৰচনাশৈলী প্ৰকট নহয়। এইবোৰ অনুমান সত্য হওক নহওক বৰ্ণনাটো হলে নিৰ্ভেজাল সত্য। তামোল-পানৰ বাৰীৰ মাজত হেৰাই থকা অজস্ৰ সৰু সৰু ঘৰবোৰে বাৰে বাৰে তোমাৰ চকুৰ আগত সেই কথাষাৰৰ সত্যতা প্ৰতিপন্ন কৰিব।

পুৰণি ঐতিহ্যেৰে ভৰপুৰ নগাঁৱৰ আৰু এটা বিশেষ ঐতিহ্য আছে। সেয়া হ'ল বিপ্লৱৰ ঐতিহ্য। শুনিলে অবিশ্বাস্য যেন লাগিব—ইয়াতেই ভাৰতৰ ভিতৰত আটাইতকৈ পুৰণি ঘেৰাওটো হৈছিল। ৰজা-খেদা নগঞাৰ নেতা সিন্ধুৰা হাজৰিকাৰ (?) নেতৃত্বত নগাঁৱৰ প্ৰজাই স্বৰ্গদেৱক ঘেৰাও কৰিছিল—ন্যায় বিচাৰ দাবী কৰি। ৰজাবাহুৰৰ একোজন সাধাৰণ হাত-ধৰা লিগিৰায়ো যি অত্যাচাৰ আৰম্ভ কৰিছিল নগাঁৱৰ ৰাইজৰ ওপৰত, নগঞাৰ দৰে বিপ্লৱী ৰাইজে সহ্যই বা কৰিব কিয়?

অসমত সেই কালত হোৱা আৰু এটা ঘেৰাওৰ দৃষ্টান্ত আছে। সেইটো কৰিছিল দৰঙী প্ৰজাই দৰঙৰ ভৈৰীপ আৰু বন্দৱস্তী ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদ জনাই। এই ঘেৰাও হৈছিল ৰংপুৰত।

নগাওঁ বহু বিপ্লৱৰ পথ-প্ৰদৰ্শক। কিন্তু আজিৰ নগাওঁ দেখি একোকে ধৰিব নোৱাৰি। সেই পুৰণি ঐতিহ্যই কেতিয়াবাই নগাঁৱৰ মাটিৰ পৰা বিদায় ললে।

ভাবিলে সঁচাকে আচৰিত লাগে, এই নগাঁৱৰে অসূৰ্য্যম্পশ্যা মুছলমান বোৱাৰীয়ে ইংৰাজৰ বিৰুদ্ধে ষড়যন্ত্র কৰি দ্বীপান্তৰী হবলগীয়াত পৰিছিল। ইয়াতে, এই নগাঁৱতে জন্মিছিল পূৰ্ব ভাৰতৰ শ্ৰেষ্ঠতম বিপ্লৱী শংকৰদেৱ। ইয়াতে, এই নগাঁৱতে জন্মিছিল লক্ষ্মীনাথ বেজবৰুৱা। লুইতৰ দৰে বিশাল হব লাগে হেতুকেই যেন দুয়ো জন্মিছিল লুইতৰ পাৰত; পোনে পোনে ব্যৱধান কুৰি মাইলৰো কম হব দুয়োৰে জন্মস্থানৰ।

লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদান শ্ৰীমন্ত শংকৰ কিয়, প্ৰাতঃস্মৰণীয় সাহিত্যিক পদ্মনাথ গোহাঞি বৰুৱাৰ সমানো নহয়। কিন্তু সময়ৰ কথা বিবেচনা কৰিলে কোনোজনৰে গুৰুত্ব উলাই কৰিব নোৱাৰি।

শংকৰৰ প্ৰতিভা অৱশ্যে একক, অনন্যসাধাৰণ। মই আজিও নাজানো যদিহে পৃথিবীত আন এজনা ধৰ্মগুৰু আছিল যিজনাই ধাৰ্মিক কৰাৰ উপৰিও প্ৰতিজন ব্যক্তিক এক স্বয়ংপূৰ্ণ মানৱত ৰূপান্তৰিত কৰাৰ বাবে জীৱনপাত কৰিছিল। একেজন মানুহেই যে কাপোৰ বৈ, পট আঁকি ভাওনা শিকাই, নিজে ভাওনা কৰি ধৰ্মৰ গভীৰ তত্ত্ব নিৰহ নিপানিকৈ সাধাৰণ মানুহৰ হৃদয়ঙ্গম কৰাব পাৰে শংকৰৰ জীৱনালেখ্য নজনা মানুহে বোধকৰোঁ কল্পনাও কৰিব নোৱাৰিব।

কঠাল সাৰৰ খোল কটাই, ছোৱাই, খোলৰ চেও শিকাই, নিজেও নটা খোল বজাই নটুৱা নাচই হেজাৰ জনক নিজৰ সৃষ্ট সাহিত্যৰ জৰিয়তে ভগৱৎ প্ৰেমত বলিয়া কৰা শংকৰ বোধকৰোঁ এজনেইহে। ধৰ্মৰ জৰিয়তে সমাজ সংগঠন কৰা তদুপৰি জাতি-অজাতি বিচাৰ নকৰি সমাজত সমপ্ৰতিষ্ঠা দান কৰাৰ দুঃসাহস একমাত্ৰ শংকৰেইহে প্ৰথমে কৰিছিল।

অসমৰ কেন্দ্ৰস্থলত স্থিতি লৈ যাই ধৰ্মনিত জীৱন সঞ্চাৰ কৰাৰ বাবেই যেন নগাঁৱৰ জন্ম। সেইবাবেই বোধকৰোঁ শঙ্কৰৰ স্মৃতি ম্লান হোৱাৰ উপক্ৰম হওঁতেই জন্মিল লক্ষ্মীনাথ। জন্মিল বুলি কলে হয়তো লক্ষ্মীনাথৰ ব্যক্তিত্বক খৰ্ব কৰা হব। দবাচলতে তেওঁৰ অবির্ভাৱ হৈছিল—সাহিত্য দি, সংস্কাৰ দি অসমীয়া মানুহক ঈশ্বৰমুখী কৰি অসমক নতুন প্ৰাণৰ দীপ্তিৰে উদ্ভাসিত কৰিবলৈ।

: তুমি এটা কথা মন কৰিছানে ?

: কি বাৰু ?

: তোমাৰ এছ দেৱ আৰু এম দেৱৰ পাচত অসমত প্ৰতিভাৰ জন্ম হোৱা নাই।

: এছ দেৱ আৰু এম দেৱ ?

: ওঁ শংকৰ দেৱ আৰু মাধৱ দেৱ ?

মোৰ হঠাৎ টিঙিচ্ কৰে খং এটা উঠি আহিছিল। তেওঁৰ মুখত বিদ্ৰুপৰ লেশমানো আভাস নেদেখি কিবা কব খুজিও নিৰস্ত হলোঁ।

: তুমি একো মতামত নিদিলা যে ?

: মতামত মোৰ দেবা বিচৰা নাই। মতামত দেখোন তুমিয়ে দি বহি আছা।

তেওঁ মোৰ কথাষাৰ গ্ৰাহ্য নকৰাকৈ কলে—তুমি কি ভাবা বাৰু ?

: মই দবাচলতে প্ৰতিভাৰ কেনেকৈ ওজন কৰে নাজানো।

: উনৈশ শতিকাৰ বঙ্গদেশ আৰু অসমক ওজন কৰি চালে বুজিব পাৰিবা। তুমি বেয়া পাব পাৰা, অসমৰ ইন্টালিজেঞ্চিয়াই মোক হয়তো ক্ষমাও নকৰে, কিন্তু মোৰ বিশ্বাস প্ৰতিভাৰ জন্ম হোৱা নাই।

: কিয়, কত গল্প, কবিতা, নাটক, উপন্যাসৰ সৃষ্টি হৈ আছে দিনে দিনে—সেইবোৰ কেনেকৈ হৈছে ?

: সেয়া কেৱল পাৰ্ছপিৰেশ্যনৰ ৰিজাল্ট। তুমি জানা নহয়

মনীষী ইমাৰ্চনৰ সেই বাণীষাৰ: জেনিয়াছ ইজ ওৱান ফোৰ্থ ইন্‌স্পিৰেশ্যন, থ্ৰী ফোৰ্থ পাৰ্‌ছপিৰেশ্যন। আমাৰ অসমৰ ভাওৰ মানুহবিলাকৰ জীৱনী বৰ দীঘল, কিন্তু শংকৰদেৱ, মাধৱদেৱৰ ব্যক্তিগত জীৱনগাঁথা একেবাৰেই চমু। অ' মই পাহৰিছিলোঁ, দেয়াৰ ওৱাজ এনাদাৰ জেনিয়াছ। হী ওৱাজ আনন্দৰাম বৰুৱা। আনন্দৰাম'ছ বায়'গ্ৰাফী অল্‌ছো ভেৰী শ্বৰ্ট।

: সেইটো হবই ; তোমাৰ ইমাৰ্চন চাহাবেই কৈছিল নহয় গ্ৰেট জেনিয়াছ হেজ গট্‌ দ্য শ্বৰ্টেষ্ট বায়'গ্ৰাফী। কিয়নো তেওঁলোকৰ জীৱনৰ বেছিভাগ সময় অবিচিত্ৰ দিনৰ সমষ্টি মাথোন।

: তুমি ঠিকেই কৈছা। মই পিছে লিটাৰেৰী জেনিয়াছৰ কথাহে কৈছোঁ। অন্য ক্ষেত্ৰত হয়তো আছেই জেনিয়াছ। মই ক'ব নোৱাৰোঁ। জাতি এটাক পতনৰ মুখৰ পৰা ৰক্ষা কৰিবলৈ জেনিয়াছৰ প্ৰয়োজন হয়। অসমত মই তাৰ অভাৱ অনুভৱ কৰিছোঁ। সেইবাবেহে কলোঁ। তুমি বেয়া নাপাবা।

ঠিক এনে কথা শুনিলেই মোৰ তেওঁক ক'ৰবাৰ অচিনাকি অ'চনাকি যেন লাগে। মই ক্ষুব্ধ হলোঁ। আৰু মনে মনে থকাটোকে সমীচীন বিবেচনা কৰিলোঁ।

এক নম্বৰ ছিটত ৰবীজনী শুই পৰিছিল। চলিহাই নীৰৱে বাহিৰৰ ফালে চাই গৈছিল। কাঞ্চা ড্ৰাইভাৰে নিশ্চেষ্ট নিষ্ক্ৰিয়ৰ দৰে ষ্টিয়াৰিঙত ধৰি সন্মুখৰ পোন বাটটোলৈ এটা মূৰ্তিৰ দৰে চাই গৈ আছিল। পাচফালে কামৰূপীয়া বন্ধু দুজনো কথা কৈ কৈ মটৰৰ বিৰক্তিকৰ গৰ্জনৰ ওচৰত পৰাজয় স্বীকাৰ কৰি নিজকে জলাঞ্জলি দি বহি আছিল।

মোৰো মনলৈ কিবাকিবি বিশৃঙ্খল চিন্তাবোৰ আহি আছিল। তেওঁ খিৰিকীত মূৰটো ভেজা দি আকৌ শুই পৰিছিল। Sleep, to the homeless thou art home ; to the friendless, thou art friend.

জানো কোনে কৈছিল টোপনিৰ বিষয়ে এই বঢ়িয়া কথাষাৰ! মনতে কথাষাৰ পাগুলি পাগুলি আইবিলা আৰু ববীলৈ চাইছিলোঁ। আইবিলাৰ মুখত আছিল শিশুৰ সৰলতা আৰু ববীৰ মুখত আছিল জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ আঁচোৰৰ দাগ। কান্তি আছিল অসীম কিন্তু কমনীয়তাৰ লেশমাত্ৰও নাছিল। কিন্তু আইবিলাৰ আছিল ..াৱণ্য আৰু কমনীয়তা অপৰিসীম।

তেওঁলোকৰ মুখলৈ চাই থাকোঁতে পুৰণিগুদাম যে কেতিয়া পালোঁহি গমেই পোৱা নাছিলোঁ। সেয়া মইনা পাৰিজাত চ'ৰা। জ্যোতি মইনা পাৰিজাত চ'ৰা। সোঁৱা আগলৈ সোঁফালে বল্লভভাই পেটেল মজলীয়া স্কুল। আৰু আগলৈ হাটবৰত পাব তৰুণ পুথি ভঁৰাল। "এনেধৰণৰ নাম থকা অনুষ্ঠান ৰাস্তাৰ দাঁতিয়ে দাঁতিয়ে অজস্ৰ পাই যাব। এইবোৰ আপুনি আকৌ জ্যোতিপ্ৰসাদ, পেটেল, তৰুণ ফুকন এইসকলৰ স্মৃতি ৰক্ষাৰ বাবে কৰা বুলি নাভাবিব।

: ইয়াৰ পৰা নগাঁৱলৈ ন মাইল আৰু যোৰহাটলৈ এশ চাৰি মাইল দূৰ। মোৰ লক্ষ্যস্থললৈ পৃৰা এশ ছয়ত্ৰিশ মাইল বাট। আহোমযুগৰ ৰজাঘৰীয়া ৰাজমিস্ত্ৰী কঢ়াল বৰুৱাৰ ঘৰ এই পুৰণি গুদামতে। অসমৰ দ্বিতীয় পুৰণি মছজিদটোও ইয়াৰে অলপ আগলৈ কলিয়াবৰত। নগাওঁ জিলাত বৃটিছ শাসনৰ যেতিয়া গোড়াপত্তন হয়, নগাঁৱত ভাল নেপাই ইংৰাজসকলে এই পুৰণি গুদামলৈকেই বৃটিছ প্ৰশাসনৰ প্ৰধান কাৰ্য্যালয় তুলি আনিছিল। নগাঁৱলৈ কাৰ্য্যালয় স্থানান্তৰ কৰাৰ পিছত ইয়াৰ নাম হল পুৰণিগুদাম। ওঠৰ শতিকাৰ শেষ ভাগত যুগুত কৰা (১৮০০ খ্ৰীষ্টাব্দত প্ৰকাশ হোৱা) অসমৰ ভূগোলত নগাওঁ, মায়ং, কৰ্বাঙি আদিৰ নাম আছিল। ৰহাৰো নাম আছিল, কিন্তু পুৰণিগুদামৰ নাম নাছিল। তথাপি বহুতো ঐতিহাসিক ঘটনাৰে পুৰণিগুদাম সমৃদ্ধ।

ৰাণী ফুলেশ্বৰীৰ কুকৰ্মৰ অৱশ্যম্ভাবী পৰিণতি হিচাপে সমগ্ৰ উজনি

অসমতে মায়ামৰীয়া বিদ্ৰোহৰ অগণি জ্বলি উঠিছিল। এই বিদ্ৰোহ প্ৰচণ্ডতম হৈ পৰিছিল এই অঞ্চলতে।

মিকিৰহাটৰ বাখৰ বৰা আছিল পুৰণিগুদাম অঞ্চলৰ প্ৰতাপী লোক। মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ লগত বাখৰ বৰাৰ যুঁজ লাগিছিল ক্ষমতা লৈ। দুই মহে যুঁজ লাগে ইকবাৰ মৰণ। বাখৰ বৰাই পূৰ্ণানন্দৰ একো কৰিব নোৱাৰি শেষত যোগ দিলে এই মায়ামৰীয়া বিদ্ৰোহী দলত। তাত যোগ দি পুৰণিগুদামৰ প্ৰজাৰ ওপৰত যি অত্যাচাৰ আৰম্ভ কৰিলে তাৰ তুলনাত মানৰ অত্যাচাৰ হেনো একোৱেই নহয়।

চামগুৰি, পুৰণিগুদামৰ মানুহে অত্যাচাৰত নিজৰ ঘৰ বাৰী, খেতি-বাতি সকলো এৰি হাবিত আশ্ৰয় ল'লে। দেশত আকাল হ'ল, কোনোবা মৰিল বিদ্ৰোহীৰ হাতত, কোনোবা আকালত আৰু কোনোবা মৰিল শ্বাপদ জন্তুৰ কবলত পৰি।

বাঘৰ তেতিয়া প্ৰচুৰ চিকাৰ। চাপানলা, কন্দলি আদি পাহাৰৰ পৰা বাঘবোৰ নামি আহিছিল মানুহৰ গাঁৱৰ ওচৰৰ অৰণ্যলৈ। এই অৰণ্যবোৰ ঘৰচীয়া গৰু আৰু আশ্ৰয়প্ৰাৰ্থী মানুহেৰে একাকাৰ হৈ পৰিছিল। ৰৰহমপুৰত তাৰে এটা বাঘে অঙ্ক ভুল কৰি এশটা গৰু মাৰিছিল। এশ গৰু মাৰিলে বাঘৰ মৃত্যু—এই চৰম সত্যটোৰ কথাও জিঘাংসাৰ প্ৰকোপত সি পাহৰি পেলালে। খৰঙী বৰুৱাৰ ঘৰৰ কেনাইৰ পৰামৰ্শমতে ৰাইজে বেঢ়ি ধৰি বাঘটো মাৰি পেলালে। অৱশ্যে বাঘটো মাৰি পেলোৱাৰ পাচতহে লস্কৰ খাউণ্ড, কঢ়াল বৰুৱাৰ ঘৰৰ ভোলাই, মথেটৰ ঘৰৰ সতাই বৰাগী, কটকী ঘৰৰ খোলাই, হাজৰিকা ঘৰৰ হুতি প্ৰমুখ্যে ৰাইজৰ মুৰব্বীসকলৰ মনত সেই সত্যৰ উদয় হৈছিল—যে এশ গৰু মাৰিলে বাঘো মৰিব লাগিব।

বাঘটো মৰাৰ সাতদিনৰ ভিতৰতে মিকিৰহাটৰ ৰাইজে মানুহ-বাঘ বাখৰ বৰাকো বেঢ়ি ধৰি মাৰি পেলালে।

পুৰণিগুদাম আজি লোকে লোকাৰণ্য। গড়কাপ্তানি বিভাগে

পুৰণিগুদামৰ আগিত সাৱধান বাণী আঁৰি থৈছে মটৰচালকসকলৰ প্ৰতি—সাৱধানে চলাবা, এইখিনি বাটত মানুহৰ বৰ ভীৰ। আগেয়েও এই অঞ্চল জনাকীৰ্ণ আছিল ; অৱশ্যে এই পাৰতকৈ কলঙৰ সিপাৰেহে আছিল অধিকতৰ ব্যস্ততা। মোৱামৰীয়া আৰু মানে এসময়ত পুৰণি গুদামক কৰি তুলিছিল এক জনবিৰল মহাৰণ্যত পৰিণত। তাত মানুহে মানুহৰ অত্যাচাৰত বাৰে বাৰে অৰণ্যত আশ্ৰয় লবলগীয়াত পৰিছিল। এনদৰে অৰণ্যতে কত শিশুৰ জন্ম হৈছে আৰু কত বৃদ্ধই দেহত্যাগো কৰিছে ; (কথিত আছে—আমাৰ তথাকথিত বিপ্লৱী মণিৰাম দেৱানে কচাল বৰুৱাৰ ঘৰৰ হাবিত ওপজা এজনীৰে আতিথ্যত মুগ্ধ হৈ পাণিগ্ৰহণ কৰিছিল।) পুৰণি গুদামৰ সেই কালৰ পৰাও প্ৰশস্তি আছে ; ইয়াৰ নাৰীকুল হেনো মুনিমনোহৰা।

: ইউ ডন্ট্ মাইণ্ড, আই ৱান্ট্ টু আস্ক্ ইউ ছামথিং ?

তেওঁ যে ইমান পৰে সাৰেই আছিল মই মনেই কৰা নাছিলোঁ। মই শঙ্কিত হৈ তেওঁৰ মুখৰ ফালে চাই কলোঁ—ইয়েছ।

: চংকৰদেৱ ষ্টিল লিভিং ? ইউ আণ্ডাৰষ্টেণ্ড দ্য মিনিং।

: ইয়েছ আই ডু নো, হী ইজ ডেড্—হী ইজ এক্‌চুৱেলি কিল্‌ড্ বাই হিজ ফলোৱাৰছ।

: শো, মাই আইডিয়া ইজ্ কাৰেক্ট্। আই হেভ্ বীন টোল্ড দ্যাট্ দ্য ফলোৱাৰছ ডিড্ নট ইভ্‌ন্ লাইক দ্যাট এ নন-এছামীজ হিন্দু শ্বুড এণ্টাৰ ইনটু দ্য টেম্পল্।

: ইয়েছ দ্যাট ইন্‌দিদ ইজ এ ফ্যাক্ট্।

কথাষাৰ অতিশয় লজ্জাৰে স্বীকাৰ কৰাৰ লগে লগে মনত পৰিছিল বৰদোৱা মন্দিৰৰ এটা সৰু ঘটনা। এজন ঠিকাদাৰক মন্দিৰৰ ৰঙ-টঙ দিয়া কামত নিয়োগ কৰা হৈছিল। ঠিকাদাৰৰ এজন বনুৱা আছিল বঙালী হিন্দু। এসপ্তাহমান কাম কৰাৰ পাচত এদিন হঠাৎ মন্দিৰৰ দেউৰীয়ে জানিলে যে বনুৱাজন বঙালী হিন্দু। হুলস্থুল লাগি পৰিল।

বঙালী কেলেই মন্দিৰত সোমাব? বসুৰাজনক খেদাই দিয়াজকে মন্দিৰৰ কৰ্মকৰ্তাসকল শান্ত হ'ল।

তাৰে কেইদিনমানৰ পিছত ভাৰতৰ এগৰাকী ঋষিতুল্য লোক অহাৰ কথা মন্দিৰলৈ। দৰ্শনৰ উদ্দেশ্যে। তেওঁ আছিল সমাজমী ব্ৰাহ্মণ যদিও তেওঁ সেই কথা কাকো ঘৃণাক্ষৰেও জানিবলৈ নিদিয়ে। মন্দিৰৰ কৰ্মমৰ্তাসকলৰ মাজত আলোচনা-বিলোচনা চলাৰ অন্তত তেওঁক মন্দিৰত সোমাবলৈ নিদিয়াৰে সিদ্ধান্ত লোৱা হ'ল। শেষত যেনিবা বাহিৰৰ নেতৃস্থানীয় লোক কেইগৰাকীমানৰ মধ্যস্থতাত এটা মীমাংসা কৰা হ'ল।

এয়ে শংকৰৰ বৰ্তমান অৱস্থা যি শংকৰে চিন্তা কৰিছিল সমগ্ৰ ভাৰতভূমিৰ, যি শংকৰৰ মানত ভোট, যবন, গাৰো, কছাৰী, কলিতা, কৈৱৰ্ত সকলো আছিল পৰমাত্মাৰ অংশ আৰু যি শংকৰে সেই সকলোকে তেওঁৰ ধৰ্মৰ স্পৰ্শেৰে এক কৰিছিল, সেই শংকৰক ইমান ঠেক গণ্ডীত আবদ্ধ কৰি ৰাখিলে উশাহ নেপাই মৰিবি কি হব বাৰু?

: শংকৰক অৱশ্যে ওৱান শ্বুড নট ব্লাইণ্ডলি ফলো। ওৱান শ্বুড বী ক্রিটিকেল হোৱাইল এক্‌চেপ্টিং আদাৰছ ভিউ। ইট ইজ ইন ওৱেষ্টাৰ্ণ ফিল'জফি।

মই হাঁহিলোঁ। তেওঁৰ অজ্ঞতা দেখি পুতৌ নকৰি উপায় নাছিল।

মই লাহেকৈ কলোঁ: শংকৰে নিজেই কাকো ব্লাইণ্ড্‌লি ফলো কৰিবলৈ কোৱা নাছিল। সেইবাবেই তেওঁ 'গুৰু' প্ৰিচেপ্টৰ এই কথাষাৰ একেবাৰে তেওঁৰ অভিধৰ্মৰ পৰা পৰিহাৰ কৰিছিল।

: মই এই বিষয়ে ৰোগাৰ বেকন, ফ্ৰেন্সিছ বেকন, ডেকাৰ্ট এই সকলকে অথৰিটি বুলি ভাবিছিলোঁ।

: নহয়। 'ইণ্ডিয়ান ফিলজফাৰ্ত সেই কথাটো আৰু বেছি পুৰণি। বেকন ডেকাৰ্ট হ'ল পোন্ধৰৰ পৰা সোতৰ শতিকাৰ মানুহ। ৰোগাৰ বেকনে যেতিয়া তেজ গোট মৰা প্ৰমাণ কৰিবলৈ ইংলণ্ডত ঠাণ্ডা ৰাতি বাহিৰত উজাগৰে কটাই ডবল নিউমোনিয়াত মৰিছিল,

তেতিয়া কালিদাস ভৱভূতি ইতিহাস হৈ গৈছে। সেই কালিদাসে কি কৈছিল শুনিবা? মালবিকাগ্নিমিত্র ৰচনাৰ পাচত কালিদাসৰ যশ বিয়পি পৰিছিল। তেতিয়া কোনো কোনোৱে সমালোচনা কৰি কলে—

প্ৰথিত যশসাং ভাস-সৌমিল্ল কবি পুত্ৰাদানাং প্ৰবন্ধানতিক্ৰম্য
বৰ্ত্তমান কবেঃ কালিদাসস্য কৃতৌ কিং কৃতো বহুমানঃ।

প্ৰথিতযশা ভাস সৌমিল্ল প্ৰভৃতি কবিসকলৰ ৰচনা বাদ দি কিয় বাৰু কালিদাসৰ দৰে আধুনিক কবি এজনক ইমান মৰ্য্যাদা দিয়া হৈছে? কালিদাসে তাৰ উত্তৰ দিছে এইটো শ্লোকেৰে:

অয়ে বিবেক বিশ্ৰান্তমভিহিতম্। পশ্য,
পুৰাণমিত্যেৱ ন সাধু সৰ্বং
ন চাপি কাব্যং নবমিত্যবদ্যম্।
সন্তঃ পৰীক্ষ্যান্যতৰদ্ ভজন্তে
মূঢ় পৰপ্ৰত্যয়নেয় বুদ্ধিঃ॥

অৰ্থাৎ পুৰণি বুলিয়েই সকলোবোৰ ভাল হব তাৰ মানে নাই, নতুন বুলিয়েই যে সকলোকে দলিয়াই পেলাব লাগিব তাৰো কোনো মানে নাই। পৰিণত বুদ্ধি সকলে পৰীক্ষা কৰিহে ভাল-বেয়া বাছি লয়। পৰপ্ৰত্যয়ৰ দ্বাৰা পৰিচালিত হয় মূৰ্খবোৰেহে, জ্ঞানীসকল নহয়।

Dogma বা পূৰ্বাবদ্ধ ধাৰণাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা আমাৰ ভাৰতত আজি ডেৰ হাজাৰ বছৰৰো পুৰণি ইতিহাস।

: ভাৰতীয় ঐতিহ্য লৈ তুমি দেখিছোঁ বৰ প্ৰাউড!

: হয়তোন! গৰ্ববোধৰ য'ত হেতু আছে তাত গৰ্ববোধ নকৰাটো মৃতজনৰ চিনাকি।

: বাৰু কোৱাচোন আৰু কি আছে ভাৰতীয় ঐতিহ্যৰ কথা।

: মই আৰু মাত্ৰ এবাৰ কম আৰু মোৰ ধাৰণা, সেয়ে তোমাৰ সকলো অনুসন্ধিৎসাৰ নিৰসন কৰিব। মাৰ্কিন দাৰ্শনিক উইল

ভুৰাপ্টৈ কি কৈছিল জানা? মাদাৰ ইণ্ডিয়া ইজ ইন মেনি ওৱেজ, দি মাদাৰ অব্ অল অব্ আছ।

: কিন্তু ক্যাথাৰিন মেয়োৱেতো মাদাৰ ইণ্ডিয়াৰ প্ৰতি ৰব প্ৰশংসামুখৰ নাছিল।

: তুমিতো খবৰ ৰাখা নাই, মিছ মেয়োৱে মাদাৰ ইণ্ডিয়া লেখাৰ সময়ত তেওঁৰ সগোত্ৰী মিছমুলাৰে যে ইন্দোৰৰ ভূতপূৰ্ব মহাৰাজাক বিয়া কৰাই ভাৰতীয় হবলৈ মন মেলিছিল।

: তুমি দেখিছোঁ আজগুবি কথা কিছুমান ৰেডী কৰি ৰাখিছা তোমাৰ যুক্তি প্ৰতিপন্ন কৰিবলৈ।

: আজগুবি নহয়, প্ৰতিটো কথাই আখৰে আখৰে সত্য।

তোমাৰ কিয়, মোৰো কিছুমান কথা অবিশ্বাস কৰিবৰ মন যায়। আমি যিটো গতিত আগবাঢ়ি যাব লাগিছোঁ, আজিৰ সভ্যতা, সংস্কৃতি, মানুহৰ কৃতিত্বৰ স্বৰূপ যি এক দ্ৰুতগতিত ধাবমান, অদূৰ ভৱিষ্যতত হয়তো এনে এটা স্তৰ পাবগৈ, এদিন আগতে আমি কি আছিলোঁ পাচদিনা ভাবি হয়তো আমি বিচুৰ্তি খাম। তিনিটা দিনৰ আগতে আমি কি আছিলোঁ তিনিটা দিনৰ পাচত ভাবি হয়তো আমাৰ নিজৰে ভয় লাগি যাব।

এনেবোৰ মানুহৰ মাজতে আকৌ কালিদাসৰ জন্ম হয়। জগদীশ বসুৱে উদ্ভিদৰ প্ৰাণ আৱিষ্কাৰ কৰাৰ কত শতিকাৰ আগেয়েই কণ্ব মুনিৰ আশ্ৰমত গছ লতিকাবোৰক কালিদাসে কন্দুৱাই থৈ আহিছে। উৰাজাহাজ আৱিষ্কাৰ হোৱাৰ ডেৰ হাজাৰ বছৰৰ আগতেই কালিদাসে এই শ্লোকটো ৰচনা কৰিছিল, শুনা—

শৈলানামবৰোহতীব শিখৰাদুন্মজ্জতাং মেদিনী
পৰ্ণাভ্যন্তৰলীনতাং বিজহতি স্কন্ধোদয়াৎ পাদপাঃ।
সন্ধ্যানং তনুভাগ নষ্ট সলিল ব্যক্তা ব্ৰজন্ত্যাপগাঃ
কেনাপ্যুৎক্ষিপতেব পশ্য ভুবনং মৎপাৰ্শ্বমানীয়তে॥

এয়া অভিজ্ঞান শকুন্তলমৰ উদ্ধৃতি। দানৱবিজয় কৰি ৰজা

দুষ্মন্তই ইন্দ্ৰৰথত উঠি আকাশমাৰ্গেৰে মৰ্ত্ত্যলৈ নমাৰ সময়ত পৃথিবীখন কেনে দেখা গৈছিল পাইলট মাতলিৰ আগত বৰ্ণাই গৈছিল। এইৰূপ ৰজা দুষ্মন্তৰ চকুত হয়তো নপৰিবও পাৰে ; কিন্তু কালিদাসৰ মনৰ কেমেৰাত হলে পৰিছিল।

: আই ডণ্ট আণ্ডাৰষ্টেণ্ড।

: অ' আচ্ছা, কালিদাসে দেখিছিল, নামি অহাৰ লগে লগে পৰ্বত-পাহাৰবোৰে লাহে লাহে শিখৰ তুলিছে, শিখৰৰ পৰা যেন পৰ্ব্বতৰ গাবোৰ, পাদদেশবোৰ লাহে লাহে আঁতৰি নামি গৈছে। গছবোৰে পত্ৰশাখাৰ ভিতৰৰ পৰা গা দেখুৱাই বাহিৰলৈ ওলাই আহিছে। নদীৰ ক্ষীণ লুপ্তপ্ৰায় স্ৰোত লাহে লাহে স্পষ্ট হৈ পৰিছে। পৃথিবীখন তলফালৰ পৰা কোনোবাই যেন ওপৰলৈ মাৰি পঠিয়াইছে।

এৰোপ্লেনৰ পৰা নমাৰ সময়ত চাবাচোন তোমাৰো ঠিক তেনে এটা অনুভূতিয়েই হব। ভাবিলে সঁচাকৈ আচৰিত লাগে বিমানৰ আৱিষ্কাৰৰ ইমান শ শ বছৰৰ আগতেই কালিদাসে কিদৰে এনে এক জীৱন্ত কল্পনা কৰিবলৈ সমৰ্থ হৈছিল।

সেই বাবেই মই কৈছোঁ, ভাৰতীয়সকল চিন্তাত অন্ততঃ গৰীব নহয়। গান্ধীয়ে ক'বৰ দৰে আমি সেই জাতি—যাৰ দিমাক্ খুল্‌তা লেকিন হাথ নেহী চল্‌তা।

: হোৱাট ইজ আৱাৰ নেক্স্‌ট্ ষ্টপেজ ?

: জখলাবন্ধা। নাও উই আৰ ক্ৰচিং কলিয়াবৰ। তাতে মোগলৰ লাষ্ট ফোৰ্ট আছিল। তুৰ্কী তুৰবকে ইয়াতে আহোমৰ বীৰ ৰমণী মূলা গাভৰুৰ লগত যুঁজত প্ৰাণ হেৰুৱাবলগীয়াত পৰিছিল। এই তুৰবকৰ সেনানীৰ যি সকল অসম ৰাজৰ অধীনত ৰৈ গ'ল তেওঁলোক আজিও মৰিয়া বুলি জনাজাত।

: আহোমৰ সেনানীত যিসকল আছিল আজিকালি তেওঁলোক কি বাক ?

: ভীৰু অসমীয়া। কোঁচ, কলিতা, কছাৰী, কেওঁট, নগা, মিৰি, আহোম, মটক এই সকল লোকেৰেই গঠিত আছিল আগৰ স্বাধীন অসমৰ সৈন্যবাহিনী। শৰাইঘাটৰ অধিক সৈন্যই কলিতা, কছাৰী, নগা, আৰু মিৰি মানুহ আছিল। আৰু সেইসকলৰ আজিৰ অৱস্থা তুমি দেখিছাই নহয়! জখলাবন্ধাত তুৰ্কী বা অসমীয়া সৈন্যৰ আজি আৰু একো নোপোৱা। মাত্ৰ এটা কথা পাবা।

: কি বাৰু ?

: তাত কলং নেদেখা। ওচৰতে আছে যদিও দেখা নোপোৱা।

: তেনেহলেতো তাত দেখাৰ প্ৰশ্নই নাই। নেদেখাৰ প্ৰশ্নহে।

: নেদেখাৰ প্ৰশ্ন নহয়, দেখিবা ; শিলঘাটলৈ যোৱা বাট, কুঁৱৰীটোল, শিৱস্থানৰ বাট সকলোবোৰ ইয়াৰ পৰাই গৈছে। ইংৰাজে দেশ লোৱাৰ প্ৰাৰম্ভতে ইয়াত এটা গড়কাপ্তানি সংমণ্ডল আছিল, পি-ডব্লিউ-ডি ডিভিজন! আৰু ইয়াতে হেনো আছিল বৃটিছ অসমৰ প্ৰথম অভিযন্তা স্বনামধন্য কবি বলীনাৰায়ণ বৰা। এই কুঁৱৰীটোল দেখি, এই শিৱস্থান চাই বলীনাৰায়ণ বৰাই শিলগুটি গোটাই গোটাই যিমান আলি বান্ধিছিল, গুটি গুটি আখৰেৰে কবিতাৰ দোল বান্ধিছিল হয়তো বহুত বেছি।

: কুঁৱৰীটোল—হোৱাট ইজ দ্যাট ? .

: এয়া ৰজাঘৰীয়া অৱদান। ৰজাই নিজৰ সামাজিক আচাৰ-অনুষ্ঠান বহিৰ্গত নীতিৰে কাৰোবাক স্ত্ৰী হিচাপে গ্ৰহণ কৰিলেই এনেদৰে আছুতীয়াকৈ টোল পাতি ৰখাৰ নিয়ম ৰজাৰ সৃষ্টি যোৱাৰ পৰাই চলিছে তেতিয়াৰ পৰাই চলি আহিছে। কাৰোবাৰ হেৰেম, কাৰোবাৰ টোল—মাত্ৰ নামৰ প্ৰভেদ। অসমীয়া ডা-ডাঙৰীয়াই এই কুৰি শতিকালৈকে এনে নিয়ম চলাই আহিছে। সেইবাবেই বোধকৰো ইঞ্জিনীয়াৰ বৰাই অসমীয়া ডাঙৰীয়াৰ বিষয়ে কবিতা লেখিছিল।

আহোম স্বৰ্গদেৱে হেনো এই ঠাইতে কছাৰী কুঁৱৰীৰ টোল সাজি থাপিছিল। ওচৰতে ৰজাৰ ভগৱৎস্পৃহা নিৰসনাৰ্থে শিৱস্থান।

তাৰ পাচত বাওঁফালেদি এয়া শিলঘাটলৈ যোৱা বাট। শিলঘাটৰ ওচৰতে ব্ৰহ্মপুত্ৰৰ দ্বাৰা পাদসিক্তিত কামাখ্যা পাহাৰ।

: কামাখ্যা ছিয়াৰ ?

: এৰা ইয়াতো কামাখ্যা আছে। কামাখ্যা অসমৰ অধিষ্ঠাত্ৰী দেৱী আৰু সেইবাবেই কামাখ্যা অসমৰ সৰ্বত্ৰ বিদ্যমানা। ভৈৰৱী আছে নেকি নাজানো, ভৈৰৱীৰ নামো শুনা নাই। কিন্তু অলপ আগলৈ গলেই কুকুৰাকটা অৰণ্য পাম। তুমি হয়তো ভাবিব পাৰা এই কামাখ্যাতেই জহঙবুৰা নৰকাসুৰে কামাখ্যাক বিয়া কৰাবলৈ গৈ হৃতসংকল্প হৈ কুকুৰা চৰাইটোক খেদি নিছিল আৰু অখলাবন্ধা পাৰ হৈ এই কুকুৰাকটা অৰণ্যতে কাটি দুছেও কৰিছিল।

: গাড়ী ৰ'লচোন!

: ৰবতো। ইয়াত তুমি নাৰিকল পাবা। নগাওঁ যে কিমান সাৰুৱা ঠাই, ইয়াৰ নাৰিকলৰ দোকান দেখিলেই তুমি বুজিবা।

: এটা ডাব খাওঁ ব'লা।

: তুমি খোৱা, মই নেখাওঁ।

: কিয় ?

: এনেয়ে। খাবলৈ মন যোৱা নাই।

: তেনেহলে মইও নেখাওঁ।

নামি দেখিলোঁ ৰবী আৰু চলিহাই নাৰিকলৰ এটা বিৰাট দ'মৰ ওচৰত থিয় হৈ কিবা কথা পাতি আছে। উপাধিধাৰী বন্ধুজনে অদূৰত আইবিলাক কিবা এটা দেখুৱাইছে। মই নাৰিকলৰ দ'মটোৰ ওচৰে-পাঁজৰে ফণিসজা বুঢ়াজনক ক'ৰবাত দেখো নেকি চালোঁ। বুঢ়াজনক নেদেখি মনত বিভিন্ন চিন্তাই তোলপাৰ লগালে। আইবিলাই ওচৰ চাপি সুধিলে: হোৱাট ইউ আৰ আপ টু ?

: এজন ফণি সজা বুঢ়াক বিচাৰিছোঁ। ডাঢ়িয়া মুছলমান বুঢ়া এজন নিতৌ সেইখিনিতে বহে আৰু ম'হৰ শিঙৰ পৰা ফণি সাজি বেচি থাকে। সি আজি নাই দেখোন। নে ম'ৰলেই!

: মৰিবৰ্তো। ভাৰতত কাম কৰি খোৱা মানুহে জানো পূৰাপেটে খাবলৈ পায়? বিশেষকৈ ভিলেজ আৰ্টিচানসকলে। গান্ধীয়ে যে কৈছিল "যিস্‌কো হাথ চল্‌তা লেকিন দিমাক নেহী চলতা" সেই জাতৰ মানুহবোৰৰ। আৰু ভাৰতৰ সমাজ-সংস্কৃতিয়েও এইসকলক উচ্চস্থান দিয়া নাই কোনোদিন।

: অৱশ্যে হয়, আমাৰ অসমতে নহয়, নাপিত, ধোবা নোহোৱা হ'ল। মুখীয়ে নিজৰ চূণ পোৰা বৃত্তি এৰিলে। সৰ্থেবাৰীয়া কঁহাৰকেইটা আৰু বৰপেটীয়া হাতীৰ দাঁতৰ কাম কৰা কেইটাৰ অৱস্থা পানীত হাঁহ নচৰা যেন হৈ পৰিছে। অৱশ্যে আনহাতে নাপিতৰ ঘৰ যে সদায় নাপিতেই হৈ থাকিব, ধোবাৰ ঘৰ যে সদায় ধোবাই হৈ থাকিব তাৰো কোনো মানে নাই।

: মানে একো নাই। কিন্তু অসমত ধোবা-নাপিত নোহোৱা হব কেলেই? অসমীয়া ডেকা ল'ৰাৰ চুলিত ফেহন্ লাগিব অথচ অসমীয়াই নাপিত নহয়, ধোবাই ধোৱা খম্‌খমীয়া কাপোৰ পিন্ধিব খোজে অথচ কোনেও ধোবা নহয়। ভাত খাব খুজিলে খেতি কৰিবলৈ আগবাঢ়ি আহিব লাগিব।

এখন পান দোকানৰ ওচৰত হাতত কিবা কিতাপ এখন লৈ মুখমণ্ডলত নিমিলা চছমা এযোৰ পিন্ধি ডেকা ল'ৰা এটাই মাজে মাজে ৰবী আৰু আইবিলাৰ ফালে চাই কিবা এটা গভীৰ চিন্তাত ক্লিষ্ট হৈ থকাৰ প'জত পায়চাৰী কৰি আছিল। আইবিলা মোৰ ওচৰ চাপি আহিল আৰু কলে: অসমৰ প্লেইন্‌ছত কিন্তু গাঁৱে-ভূঞে কিতাপৰ দোকান আছে, লাইব্ৰেৰী আছে, কিতাপো পঢ়ে মানুহবোৰে।

: তুমি সেই ল'ৰাজনক দেখি ক'লা নেকি?

: কলেতো ভুল নহব নিশ্চয়।

: ৰাস্তাত লোকক দেখুৱাই চিন্তাশীলৰ পায়চাৰী কৰা মানুহ কেৱল অসমতেই নহয়, ভাৰতৰ য'তে ত'তে পাবা। ভাৰতৰ অন্যান্য

ঠাইত অৱশ্যে কাম কৰা মানুহো আছে। কেৱল অসমতহে সেইটোৰ অভাৱ।

: আচ্ছা বাদ দিয়া, কিবা এটা কথা জানিব খুজিলেই তুমি বৰ ছেন্টিমেণ্টাল হৈ পৰা। সকলো সময়তে তুমি বৰ নষ্টালজিক হৈ থাকা। মোৰ ভাল নালাগে।

: তুমি ভাল লগাটোৱেই যে মই হব লাগিব, তেনে কিবা চুক্তিত আৱদ্ধ হৈছো জানো আমি ?

তেওঁ হঠাৎ বৰ গহীন হৈ পৰিল। মোৰ ভয় লাগিল। মই তেওঁক আঘাত দিয়াৰ উদ্দেশ্যে কথাষাৰ কোৱা নাছিলোঁ।

মই ক'লোঁ— ডণ্ট্ মিছ-আণ্ডাৰষ্টেণ্ড্ মী।

: আই হেভনুট্।

মই অপ্রস্তুত হৈ পৰিলোঁ। মোৰ অৱস্থালৈ নিশ্চয় ৰবীহঁতে লক্ষ্য কৰিছিল। ৰবীৰ মুখত ক্রুৰ হাঁহি এটাৰ আভাস দেখা যেন পালোঁ। মই লাহে লাহে আহি ছিটত বহি ললোঁহি। মনত পৰিহাৰ্য্য পৰাজয়ৰ ক্ষোভ।

তেৱোঁ আহি নীৰৱে মোৰ সম্মুখৰ ফালে অঙ্গে অঙ্গে স্পৰ্শ দি খিৰিকী-কাষত বহি ললে। গাড়ী চলিবলৈ আৰম্ভ কৰিলে। ইঞ্জিনটোৱে হঠাৎ সাৰ পাই উঠা সাধুকথাৰ দৈত্যৰ দৰে গৰ্জি উঠিল। ষ্টেচনৰ পৰা ওলাই আহি কনডাক্টৰে এচৰৰ পান দোকানী-জনক লৰালৰিকৈ তামোল এখন দিবলৈ দিলে। তামোলখন মুখত ভৰাই তৰ্জনীৰ আগত চূণৰ লেপাটো লৈ আঙুলিৰ আগটো কিমানখিনি ভিতৰলৈ সুমালে প্রয়োজনীয় চূণখিনি পাব পাৰিব সেইটো আন্দাজ কৰি দাঁতত চূণৰ লেপাটো লগাই বাকী আঙুলিমুৰত থকাখিনি আলিৰ দাঁতৰ ফালে দোকানৰ বেৰখনত মচি থৈ গজেন্দ্ৰগমনে আহি বাছৰ পাচফালেদি উঠি ৰচীডাল টানি বেল বজাই দিলেহি। কাকা ড্ৰাইভাৰে বিৰক্ত হৈ একচিলা-বেটৰত জোৰেৰে গছক মাৰি দিলে আৰু সম্মুখৰ ৰাস্তাৰ ফালে

নোচোৰাকৈয়ে গাড়ীখন ৰাস্তালৈ উঠাই নিলে। তীব্ৰ বেগেৰে বাছ চলিল।

তেওঁ নোসোধা সত্ত্বেও মোৰ ক'বৰ মন আছিল এই জখলাবন্ধাৰ ঐতিহাসিক তাৎপৰ্য্যৰ কথা। জখলাবন্ধা বহুদিন ধৰি মুছলমানৰ অধীনত আছিল। কিন্তু ইয়াৰ পৰা যোল মাইল পশ্চিমে থকা স্বৰ্গদেৱৰ মিছা বাহৰৰ ওচৰৰে সৰিয়হতলীত ৰাইজে যেতিয়া পলাতক কোঁৱৰ গদাধৰ সিংহৰ ৰাজ অভিষেক পাতিলে আৰু যিদিনাই গদাধৰ সিংহক ৰজা বুলি হেজাৰ হেজাৰ প্ৰজাই শোভাযাত্ৰা কৰি ৰংপুৰ অভিমুখে ঢাপলি মেলিলে সেইদিন ধৰি জখলাবন্ধাৰ নাম অসম-বুৰঞ্জীত যুগমীয়া হৈ ৰ'ল। গদাধৰ সিংহক হেনো এই ঠাইতে সত্ৰৰ গোসাঁয়ে জখলা পাতি নদীৰ থিয় গৰাৰে উঠাই আনিছিল আৰু পাহৰিব নোৱাৰা আতিথ্যেৰে আপ্যায়িত কৰিছিল। সেইবাবে গদাধৰ সিংহ ৰজাইয়ে জখলাবন্ধা সত্ৰক স্থায়ীভাৱে প্ৰতিষ্ঠা কৰিছিল। বুৰঞ্জীমতে অৱশ্যে স্বৰ্গদেৱ জয়ধ্বজ সিংহইহে এই সত্ৰ প্ৰতিষ্ঠা কৰাইছিল। কোনো কোনোৱে কয়, এই সত্ৰৰ প্ৰতিষ্ঠাতা কৃষ্ণানন্দ অ'ছিল তন্ত্ৰ-মন্ত্ৰত অজেয়। কলিয়াবৰত বহুতো লোকৰ প্ৰাণ বিনাশ কৰা দুটা বিষাল ডাঁহী সাপক বশ কৰি কৃষ্ণানন্দই ৰজাঘৰীয়া পুৰস্কাৰস্বৰূপে পাইছিল এই কলংপাৰৰ সত্ৰখন। এই সত্ৰৰে আলধৰা এজন কলঙৰ ঘাটত কিবা কৰি থাকোঁতে পিছলি পৰি মৰিছিল। এই বাতৰি ৰজাৰ কাণত পৰাত দয়া পৰৱশ হৈ ৰজাই কলঙত পকীঘাট বন্ধাই দিলে। পকীঘাটত পকী খট্‌খটি বা জখলা দিয়ালে। সেই পকী জখলা থকাৰ বাবেই সত্ৰৰ নাম হ'ল জখলাবন্ধা।

জখলা প্ৰগতিৰ প্ৰতীক। কলঙৰেই হওক নাইবা স্বৰ্গৰেই হওক তাত জখলা আছিল কিন্তু এভাল অসাৰ্থক জখলা। এই সত্ৰৰে ৰঘুনাথদেৱ গোস্বামীয়ে কবিতা লেখিছিল আৰু হেনো বাঁহীৰ বেটুপাতত থকা ছবিৰ ভুল ধৰি এই সত্ৰৰে কোনোবা এজন পূৰ্ব-

পুৰুষে সাহিত্যৰথী বেজবৰুৱাৰ দৰে ব্যক্তিৰ বিশেষ সমাদৰ লাভ কৰিছিল। এইজনা পূৰ্বপুৰুষ হয়তো এই ৰঘুনাথদেৱ গোস্বামীও হব পাৰে। আমাৰ মনত নাই।

এই কথা কিন্তু মনত আছে যে এই সত্ৰৰে এগৰাকী অধস্তন পুৰুষ পদ্মহাস গোস্বামীয়ে সংস্কৃত সাহিত্যত ব্যুৎপত্তি লাভ কৰিছিল। তেওঁৰ হাতে লিখা সংস্কৃত কবিতা আমি পঢ়ি পাইছোঁ।

ইয়াৰ পাচত আমি কুকুৰাকটা পাৰ হৈ গলোঁ। কুকুৰাকটা অসম চৰকাৰৰ সংৰক্ষিত বনাঞ্চল। এয়ে কাজিৰঙাৰ পূৰ্বাভাস। অলপ আগলৈ কুঠৰী। কুঠৰী পাৰ হৈয়ে আমি কাজিৰঙাত সোমাই পৰিম। আৰু অলপ দূৰ গৈয়ে আমি ব্ৰহ্মপুত্ৰৰ মুখামুখি হম। একাষে বুঢ়া পাহাৰ আৰু আনকাষে বুঢ়া লুইত। দুয়োৰে মাজত হয়তো অনাদি কালৰ কত অন্তহীন কথা। কত কোটি কালৰ স্মৃতি ৰোমন্থন কৰি গভীৰ নিশাৰ কোনো অসংবৃত নিজম মুহূৰ্তত নিশ্চয় দুয়ো হঠাৎ দীৰ্ঘশ্বাস এৰে। তেতিয়া নিশ্চয় বুঢ়া পাহাৰৰ প্ৰতিজোপা গছ, আমি গৈ থকা আলিবাটৰ প্ৰতিটো শিলগুটি এক দুৰন্ত আবেশত কঁপি উঠে।

ঠিক এইখিনিতে প্ৰথম আমি বুঢ়া লুইতৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰিব পাৰিছোঁ। শৰৎকালৰ লুইত দেখি বাৰিষা লুইতৰ স্বৰূপ উপলব্ধি কৰাটো দূৰৰ কথা, কল্পনাও কৰিব নোৱাৰি। শৰত কালৰ লুইত শান্ত-সমাহিত এক ঋষিৰ দৰে। বাৰিষা লুইতৰ সেই প্ৰচণ্ড ভৈৰৱ ৰূপ নেদেখিলে শৰত কালৰ লুইত চালেই লুইত দেখা সম্পূৰ্ণ নহয়। এই বুঢ়াপাহাৰৰ ওচৰত অৰণ্যে আপুনি অকণ আভাস পাব পাৰিব বাৰিষা লুইতৰ ৰূপ কি ভয়াবহভাৱে বিশাল হৈ পৰে।

এই লুইত, এই বিশাল লুইত, এই বুঢ়া লুইত অসমৰ কত কালৰ উত্থান-পতনৰ সাক্ষী! কত বিভিন্ন সংস্কৃতি, কত বিভিন্ন বিশ্বাসেৰে সমৃদ্ধ, কত বিচিত্ৰ জাতি-উপজাতিক এই বুঢ়া লুইতে অনাদি কালৰ সাধু কৈ কৈ এক জাতি এক প্ৰাণত পৰিণত কৰিছে।

এয়ে সেই লৌহিত্য। সভাপর্বত যাৰ উল্লেখ আছে এইদৰে :

যে পৰার্দ্ধে চ হিমৱতঃ সূর্যোদয় গীৰৌ নৃপাঃ
কাৰুষে চ সমুদ্ৰান্তে লৌহিত্যম্ অভিতশ্চয়ে ॥

হিমালয়ৰ অৰ্দ্ধাংশত, পূৰ্বে সূৰ্যোদয়ৰ পৰ্বতত, সাগৰৰ শেষত কাৰুস (কামৰূপ) বোলা ঠাইত লোহিত্য নদ······

সপ্তম শতিকাৰ আকছাদ লিপিত আছে :

লোহিত্যস্য তটেষু শীতল তলেষুৎফুল্ল নাগক্ৰম।
চ্ছায়াসুপ্ত বিবুদ্ধঃ সিদ্ধমিথুনৈঃ স্ফীতং যশো গীয়তে ॥

লৌহিত্য তীৰত পূর্ণ প্ৰতিভাত তাম্বুলতৰুৰ শীতলছাঁত নিদ্ৰামগ্ন সিদ্ধমুনিযুযে হঠাতে সাৰ পাই সেই বিজয়ৰ গান গায়······

এই লুইতৰ বিশালতাই আমাৰ হৃদয় বিশাল কৰিছে।

কথাবাৰ ভাবি ভাবি কেতিয়া কুঠৰীৰ ওচৰ পালোঁহি মই মনেই কৰা নাছিলোঁ। হঠাৎ আইৰিলাৰ হাঁহিত পৰিবেশ সম্পৰ্কে সচেতন হৈ পৰিলোঁ। মই তেওঁৰ ফাললৈ চালোঁ। তেওঁ হাঁহি হাঁহি আলিৰ দাঁতিত চলি থকা বজাৰ এখনৰ একাষলৈ আঙুলিয়াই দেখুৱালে। কেইটামান নাপিতে চুলি কাটি আছিল। আৰু প্ৰত্যেকটো নাপিতৰ ওচৰত দহবাৰজনকৈ মানুহ বহি আছিল। প্ৰথমে ভাবিছিলোঁ, নিশ্চয় গাৱঁৰ কোনোবা নেতৃস্থানীয় লোকৰ মৃত্যু হৈছে। পুতেক কেইজনে আদ্যশ্ৰাদ্ধৰ দিনা মুণ্ডনৰ অৰ্থে বহি গৈছে আৰু ওচৰত তেওঁলোকৰ প্ৰতি সহানুভূতিত ৰাইজ বৈ আছে।

পিছে কথা সেইটো নহয়। বহি থকা প্ৰত্যেকৰে মূৰত একো একো চকলা চুলি কটা আছে। মই বুজি পোৱাৰ আগতেই আইৰিলাই বুজাই দিলে যে নাপিতে নিজৰ নিজৰ গ্ৰাহক ৰিজাৰ্ভ কৰি ৰখাৰ এনেবোৰ অঞ্চলত সেয়া এক প্ৰাচীন আৰু বহুজন স্বীকৃত প্ৰথা। একো একো ৰখলাকৈ চুলি কাটি গ্ৰাহকক কলৈকো পলাই সাৰিব নোৱাৰাকৈ ৰিজাৰ্ভ কৰি ৰখা হয়। তাত বহি থকা আটাইতকৈ

শেষৰজনৰ চুলি কটা হওঁতে হয়তো গধূলি পাঁচ বাজিব গৈ। বাজক, ক্ষতি নাই। সংসাৰ হাটৰ কথা।

: সংসাৰ হাট? হোৱাট ডু ইউ মিন?

: আমি কওঁ, দিছ লাইফ ইজ লাইক এ ট্ৰিপ টু দ্য মাৰ্কেট।

এই চুলি কটোৱা মানুহ কেইজনত সেই উপমাটো যে ইমান প্ৰযোজ্য হৈ পৰিছে! এওঁলোকৰ বহুতেই হয়তো দক্ষিণে যে পাহাৰবোৰ দেখা গৈছে, তাৰে দুই-তিনি শাৰী পাহাৰৰ সিপাৰৰ পৰা আহিছে। দুদিন আগতে এওঁলোকে ঘৰৰ পৰা যাত্ৰা কৰি আজি এই বজাৰ পাইছেহি। আজি ক'ৰবাত ওচৰতে থাকি কাইলৈ ঘৰ বুলি পুনৰ যাত্ৰা আৰম্ভ কৰিব। ঘৰ পাবগৈ আজিৰ পৰা তিনিদিনৰ পিচত। ঘৰ পায়েই পিচদিনা আকৌ বজাৰলৈ অহাৰ প্ৰস্তুতি। আকৌ প্ৰত্যাবৰ্তন। এনেদৰে জীৱনৰ প্ৰতিটো দিন এওঁলোকৰ এইখন বজাৰলৈ অহা-যোৱা কৰোতেই পাত হয়। এওঁলোকৰ বাবে সংসাৰখন হাটসৰ্বস্ব নহয় জানো?

কথাষাৰৰ ব্যঙ্গখিনি তেওঁ উপলব্ধি কৰা যেন নালাগিল। কাজেই মই প্ৰসঙ্গটো বাদ দিলোঁ। তেওঁ মুখখন বাহিৰলৈ উলিয়াই ধাননি পথাৰৰ শোভা চাই গৈছিল। পকা ধানৰ সোণালীৰে দিগন্ত বিস্তৃত পথাৰবোৰ দেখিলেই হঠাৎ মোৰ ভূপেন হাজৰিকাৰ "কাজল কাজল মেঘ" গানটোলৈ মনত পৰে। তেওঁক কিবা এটা কওঁ বুলিও অপ্ৰস্তুত কৰি দিব পাৰে বুলি ভয়তে একো নকলোঁ। পিছে এবাৰ তেওঁ নিজেই মোৰ ফালে চাই কলে: দিছ ইজ দ্য স্পেচিয়েলিটি অব্ আৱাৰ প্লেইনছ হুইচচ্ ইউ দন্ট্ গেট ইন দ্য হিলছ।

: এৰা, এই সোণালী পথাৰবোৰ দেখিলে মোৰ মন জুৰ পৰি যায়।

: ইউ টক্ লাইক এ দেমন।

: কিয়?

: মোৰ পথাৰৰ সোণালী প্ৰাচুৰ্য্য দেখি অকণো ভাল নেলাগে।

: কিয়?

: এয়াতো জীৱন নহয়, এয়াতো সম্ভাৱনা নহয়, এয়া সোণালী মৃত্যু।

: তোমালোকে ধানৰ গছকেইজোপাৰ কথা ভাবা। আমি বেছি বাস্তৱবাদি অৰ্থাৎ আমি মানুহৰ প্ৰয়োজনৰ, প্ৰতি পক্ষপাতী। আমাৰ বিচাৰ-বিবেচনাৰে নিজৰ প্ৰতি যিটো আমি উপকাৰী বুলি ভাবোঁ তাৰ বিষয়ে প্ৰশস্তি গোৱাটোকে আমি কাম্য বুলি ধৰি লওঁ। আৰু সেয়ে বাস্তৱবাদৰ মূল কথা। আমি ভাল পাওঁ কবিতাৰ এই শাৰীটো: 'পূৰ্ণিমাৰ চাঁদ যেন ঝলসানো ৰুটি', নতুবা,

> April is the cruellest month, breeding
> Lilacs out of the dead land.

এইবোৰ কবিতাৰ শাৰী। শুনি তুমি হয়তো শিয়ৰি উঠিছা।

: আমি প্ৰকৃতিক ভাল পাওঁ কাৰণেই হয়তো মানুহকো ভাল পাব পাৰোঁ। যিজনে নিজৰ বিবেক নিজ উপকাৰৰ চিন্তাৰেহে পৰিচালিত কৰে তেওঁ বাস্তৱবাদী হলেও হব পাৰে, কিন্তু কাল্‌চাৰড নহয়। তুমি বেয়া পালেও মই কবই লাগিব।

: মানুহৰ উপকাৰৰ বাবে চিন্তা কৰাটো মানুহক ভাল পোৱাই নহয় জানো।

: নিজৰ উপকাৰৰ বাবে যিজনে সকলো কৰি পাৰে তাক তুমি সকলো ক'ব পাৰা, কিন্তু মৰমিয়াল বুলি ক'ব নোৱাৰা। নিষ্ঠুৰ ডকাইতেও নিজৰ পো-পৰিয়ালক ভাল পায়। আচ্ছা বাদ দিয়া সেইবোৰ, তুমি কেতিয়াবা কাছাৰলৈ গৈছিলানে?

: কিয়?

: কাছাৰৰ পথাৰ আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ পথাৰৰ মাজত স্বৰ্গ-মৰ্ত্যৰ প্ৰভেদ। কাছাৰৰ পথাৰৰ সৰু সৰু আলিবোৰ ইমান পোন আৰু ইমান নিয়াৰিকৈ দিয়া যে দেখিলে তুমি ভাবিবলৈ বাধ্য হবা যে কাছাৰৰ প্ৰতিজন কৃষক একো একোজন অভাৰচিয়াৰ। এইপিনৰ পথাৰবোৰ বৰ শ্ৰেবী। এৰোপ্লেনেৰে গলে ভালদৰে ধৰিব পাৰি পাৰ্থক্যটো।

: কিয় জানা জানো ?

ইট্ খোজ দ্য ডিফাৰেণ্ট টেষ্ট অব্ দ্য পিপল্।

: টেষ্ট ইজ নট্ ডিফ্‌ৰেণ্ট আৰু টেষ্টে কৰা নাই এই কথাটো। ইয়াৰ কাৰণ বেলেগ। কাছাৰত খেতিৰ উপযোগী মাটি কম, কিন্তু সেই অনুপাতে খেতিয়কৰ সংখ্যা বহুত বেছি। সেইবাবে তাৰ একোখন তিনিকঠা (বিশ কঠাই এক বিঘা) মাটিৰ পট্টাত নাম থাকে দুশ পঞ্চাশ গৰাকী পট্টাদাৰৰ। তাৰে অৱশ্যে এশ পঁচিশ জনমান ফৌং হৈছে ইতিমধ্যে। এই অৱস্থা থকা হেতুকে সূচ্যাগ্র মেদিনীবো তাত দাম আছে। কাজেই সীমাৰ আলিবোৰ কাটা কম্পাছ মাৰি জোখ-মাখ কৰি একেবাৰে সীমাই সীমাই সৰলৰেখা মৰা হয়। যাৰ দীঘ আছে প্ৰস্থ-নাই। আমাৰ এই উপত্যকাতো লাহে লাহে পথাৰৰ আলিবোৰ পোন হৈ আহিছে; কাৰণটো নিশ্চয় এতিয়া বুজিব পাৰিছাই। প্ৰকৃত কৃষকৰ হাতত যেতিয়া মাটিবোৰ পৰি যাব তেতিয়া সীমাৰ আলি একেবাৰে সৰলৰেখাত পৰিণত হব।

: কাছাৰৰ পথাৰত ইয়াৰ দৰে ঘন ঘন আলিবাট নাই, আছে পথৰুৱা ডাঙৰ আলি যাক তাৰ মানুহবোৰে জাঙ্গাল বুলি কয়।

: এৰা, আমি কওঁ বৰিয়া বুলি। কাছাৰ দৰাচলতে হাৱৰ আৰু কান্দিৰে ভৰি আছে। হাৱৰক আমি ইয়াত বিল বুলি কওঁ। সাগৰ শব্দৰ অপভ্ৰংশ হেনো হাৱৰ আৰু কান্দি'আমাৰ ইয়াত বৰি। জলাতন অঞ্চলৰ ওখ ঠাই। খেতিৰ পথাৰবোৰ এই হাৱৰ, কান্দিৰ মাজে মাজে। হাৱৰ দ, খেতি নহয়, কান্দি আকৌ ফৰিঙ্গতি সেয়াও খেতিৰ অনুপযোগী। কাজেই কাছাৰৰ পথাৰত আলিবোৰ পোন পোন।

পিছে এটা কথা, বৰ জোখ-মাখ মিলাই ফুৰোতে কেতিয়াবা ঘাটিও খাবলগীয়া হয়। সেই যে পুৰণি গাজা এটা আছে, আমেৰিকা আৰু চীনে দুখন পাহাৰত সুৰঙ্গ খনাৰ? আমেৰিকাই জোখ-মাখ অঙ্ক কৰি এটা সুৰঙ্গ খানিলে আৰু চীনৰ ক্ষেত্ৰত পাহাৰৰ দুইপিনৰ পৰা দুটা দলে খান্দি আহিছিল। এনেয়ে আন্দাজত

আহ আছিল—কথা আছিল দুয়ো দলে দুফাকৰ পৰা খান্দি আহি মাজত লগালগি হব। কিন্তু লগালগি কতো নহ'ল; ফলত দুটা সম্পূর্ণ সুৰঙ্গ হৈ পৰিল।

তেওঁ মোৰ গাজালৈ কর্ণপাত নকৰি সুধিলে—এয়া কি পাৰ্ক বাৰু?

: এয়া কাজিৰঙা অভয়াৰণ্যৰ পশ্চিমাংশ।

: অ' সেই ইউনিকৰ্ণিছ ৰাইনোৰ ৰাজ্য নেকি? গুৱাহাটী মটৰ ষ্টেচনত লেতেৰা ড্ৰাম কেইটামানৰ ওপৰত যে এখন ডাঙৰ হোৰ্ডিং দিয়া আছে?

: এৰা সেই কাজিৰঙাই।

তেওঁ মনে মনে ভীষণ এক উত্তেজনা অনুভৱ কৰিলে। জঙ্গলৰ প্ৰতিডাল গছকে, প্ৰতিজোপা বনকে তেওঁ কৌতুহলী দৃষ্টিৰে চাই যাবলৈ ধৰিলে।

: শ্বেল ইউ ছী এ ৰাইনো হিয়াৰ?

: নট হিয়াৰ ইন দিছ ছীজন্। এতিয়া জঙ্গললৈ গলেহে দেখা যাব।

: হোৱেন ৱাজ ইট ফাৰ্ষ্ট এষ্টাব্লিছড্?

: ১৯০৮ চনত প্ৰথম এই জঙ্গল সংৰক্ষিত কৰা হয়। কাজিৰঙা বোধকৰোঁ এটা মিকিৰ নাম! টঙাবন বেছিকৈ থকা দেখি বোধকৰোঁ কাজিৰঙা তাৰ নাম। কাজিৰঙা খৃষ্টাব্দ ৬ঠৰ শতিকাৰ শেষলৈ স্বাধীন অসম ৰাজ্যৰ এখন সুকীয়া প্ৰদেশ আছিল। ১৯২৬ চনত প্ৰথমে এই সংৰক্ষিত বন ৰূপান্তৰিত হয় অভয়াৰণ্যলৈ। বৰ্তমান কথা চলিছে নেশ্যনেল পাৰ্ক কৰাৰ।

: ভাৰতৰ কোনখন অভয়াৰণ্য অল্ডেষ্ট বাৰু?

: নাজানো। কিয়নো খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাৰ আগেয়েও ভাৰতত অভয়াৰণ্য আছিল। এই অভয়াৰণ্যত চিকাৰ সংৰক্ষিত হৈছিল ৰজাৰ ব্যসন চৰিতাৰ্থ কৰাৰ অৰ্থে। ৰজাই অৰণ্যে কেৱল যে অভয়াৰণ্যতেই চিকাৰ কৰিছিল তেনে নহয়। মুক্ত বনভূমিতো

কৰিছিল। মুক্ত বনভূমিত চিকাৰ কৰিলে ৰজাই হাতীত উঠি কৰিছিল। কিন্তু অভয়াৰণ্যত মঞ্চত উঠিহে চিকাৰ কৰিছিল। সেই সময়ত ৰজাৰ দেহৰক্ষী হিচাপে নিযুক্ত হৈছিল সশস্ত্ৰ নাৰী। চিকাৰৰ সময়তো দুই-তিনি গৰাকী সশস্ত্ৰ নাৰী ৰক্ষীয়ে ৰজাৰ ওচৰতে বৈ থাকে। শকুন্তলা কাহিনীৰ ৰজা দুষ্মন্তও যবন নাৰী দেহৰক্ষী পৰিণদ্ধ হৈ মৃগয়া কৰিবলৈ যোৱা কথা তুমি প'ঢ়িলে পাবা। নাৰী দেহৰক্ষীৰ পৰিবেষ্টনৰ বাহিৰত থাকে মুক্ত বৰ্শা লৈ পুৰুষসকল। ৰজাৰ গন্তব্যপথ ৰচীৱে চিনা দিয়া থাকে। তাত ভুলতে কোনোবাই প্ৰবেশ কৰিলেও তাৰ শাস্তি মৃত্যুদণ্ড।

চাণক্যৰ অৰ্থশাস্ত্ৰতো অভয়বনৰ উল্লেখ আছে।

: বাদ দিয়া তোমাৰ শাস্ত্ৰ। গঁড় কিমান আছে বাৰু ইয়াত ?

: ১৯৬৭ চনলৈকে ইয়াত চাৰিশমান আছিল। অসমৰ ওৰাং, মানস অভয়াৰণ্যতো গঁড আছে। ষোড়শ শতিকাৰ আগভাগত এনে গঁডৰ আবাসস্থল ভাৰতৰ পশ্চিমে সুদূৰ পঞ্জাৱ পৰ্যন্ত বিস্তৃত আছিল। সম্ৰাট বাবৰৰ ডায়েৰীত এনে গঁডৰ চিকাৰ সম্বন্ধে বিস্তৃত বিৱৰণ আছে। গঁড এসময়ত দোদোৰ অৱস্থা পাইছিলগৈ। নাইকিয়া হৈ হৈ ১৯০৮ চনত কাজিৰঙাত মাত্ৰ একডজনহে গঁড় আছিলগৈ। সেই সময়ত অৱশ্যে অসমৰ ব্যাপক অঞ্চলত গঁড পোৱা গৈছিল।

: কাজিৰঙাৰ অন্‌লি এট্ৰাক্‌শ্যন ইজ দ্য মোষ্ট আন-এট্ৰাক্‌টিভ ৰাইনো ?

: আৰু আছে, ধনশিৰি নদীৰ মুখত হৰিণা পহুৰ পাল, ব্ৰহ্মপুত্ৰৰ পাৰৰ কাঠনিত হাতীৰ বিৰাট চাহান।

: এণ্ড্ পী-কক ?

: পী-কক ইয়াত সিমান নাই। কিন্তু মাইগ্ৰেটৰী বাৰ্ডৰ জাক হয়তো অসমৰ দৰে পৃথিবীৰ ক'তো নাই। বাই দি বাই, তুমি বাৰু জাটিংগা ভেলিৰ নাম শুনিছানে ?

: শুনিছোঁ। ছাম হোৱেৰ ইন জৈন্তা ?

ঃ দূৰ্। তোমাৰ ভূগোলৰ জ্ঞান ইমান পুৱৰ। জাটিংগা জেলি বৰাইল পৰ্বতৰ সিপিঠিত। উত্তৰ কাছাৰ আৰু কাছাৰৰ সীমাত। অক্টোবৰ-নৱেম্বৰ মাহত গোমা বতৰত তালৈ লাখ লাখ প্ৰবাসী চৰাইৰ জাক ক'ৰপৰা যে আহে নেচাৰেলিষ্টসকলৰ বাবে সেয়া আজিও এক বিৰাট ৰহস্য। আগেয়ে মানুহে লেম বা চাকি এটা বাহিৰত জ্বলাই থৈ ওচৰতে বৈ থাকে। খন্তেক পাচতে হাঁহ, দলপুঙা আৰু কত নাম নোহোৱা চৰাইৰ জাকে লেমৰ চাৰিওফালে আগুৰি ধৰেহি। তেতিয়া মানুহে জালেৰে ধৰে নতুবা মাৰি এডালেৰে কোবাই কোবাই পাখী ভাঙি উৰিব নোৱাৰা কৰে। যেনিবা গড়ালত বন্ধ কৰি থোৱা হাঁহৰ জাকহে।

এই কথাটো আবিষ্কৃত হয় ১৯১৬ চনত নে কেতিয়া। এজন কছাৰী মানুহৰ হেৰোৱা মহ এটা বিচাৰি গৈ কেইজনমান মানুহে ৰাতি জাতিংগাৰ এঘৰ মানুহৰ তাত খন্তেক বহিছিল। লগত নিয়া লেমটো চোতালত থৈ তেওঁলোকে ঘৰৰ ভিতৰত বহিছিল। বাহিৰত তেতিয়া কিন্‌কিনিয়া বৰষুণ। অলপ পৰৰ পাচতে যাবলৈ বুলি বাহিৰ ওলাই দেখিলে লেমটো আগুৰি কিবা কিছুমান ঘূৰি ফুৰিছে। প্ৰথমতে তেওঁলোকে ভয় খাইছিল। সাহস কৰি আগবাঢ়ি গৈ দেখিলে অজস্ৰ বনৰীয়া হাঁহ। কেৱল হাঁহেই নহয়, দলপুঙা, কোৰা, কাম চৰাই, দেওবগলা, আঠুভাঙি আদি বিভিন্ন চৰাই জাকে জাকে ক'ৰবাৰ পৰা আহিয়েই আছে ধাৰ নিছিগা সোঁতত। চোতাল, নঙলা, পদূলিমুখ কতো সন্ধি নাই।

আজিকালি হেনো তেনেদৰে চোতালতে নপৰেহি। পোহৰটোৰ ওপৰত জাকে জাকে বনাই ফুৰে। ইমান জাকে জাকে আহে যে, দীঘল বাঁহ এডাল লৈ লৰাই থাকিলেই পকা বগৰী সৰা দি চৰাইবোৰ তলত সৰি পৰে।

স্বৰ্গীয় ই-পি গীৰ মতেতো পৃথিৱীৰ কতো চৰাইৰ জাক এনেদৰে নাহে।

কাজিৰঙাত আবিসলাব ওচৰত থকা বিল কেইখনলৈও অখৰী চৰাইবোৰ আহে অৱশ্যে। কিন্তু ইমান বেছি নহয়। হাই অলটিটিউডৰ চৰাই আছে ধনেশ, ঈগল, পঘুৰ্মা এইবোৰ। পাবট্রিজ আছে তিতৰ, দৰিক, ঢেকৰ, হয়কলি, কুকুহা, কুকুৰা, ডাউক, কোড়া এইবোৰ—চব কাজিৰঙাতে পাবা।

ধনেশৰ কথা কওঁতে মোৰ বৰ ডাঙৰ কথা এটা মনত পৰিল। আমাৰ কবি দেৱকান্ত বৰুৱাই লিখিছে—"মাজনিশা সাৰ পাই শুনিছানে কেতিয়াবা কেতেকীৰ হিয়া ভগা মাত, ভাবিছানে এটিবাৰো পখীৰ ডিঙিতো কান্দে মানুহৰ বুকুৰ সম্বাদ?" চৰাইৰ মাত আৰু প্ৰকৃতিত যে হিউমেন এলিমেণ্ট আছে তুমি ধনেশৰ প্ৰকৃতি জানিলেই উপলব্ধি কৰিবা।

ঃ হোৱাট ইজ ছাট?

ঃ মানে মাকবোৰৰ কথা। চৰাইৰ ভিতৰত পেংগুইন আৰু ধনেশৰ দৰে পোৱালি জগোৱাত কোনো প্ৰাণীয়েই ইমান কষ্ট নকৰে। মাক পেংগুইনজনীয়ে কণীটোৰ ওপৰত বহি লয় অলৰ-অচৰ শিলৰ মূৰ্তিৰ দৰে। সমুদ্ৰ সৈকটত। সাগৰৰ ঢৌ আহে। পেংগুইনজনীৰ গাৰ ওপৰেদি যায়, কিন্তু তাইৰ লৰচৰ নাই। এনেদৰে বহি থাকে প্ৰায় ডেৰমাহ। তাৰ পিচত পোৱালি জগে। আৰু তেতিয়াহে পেংগুইনৰ ছুটি।

ধনেশৰ আৰু কষ্ট। মাইকী ধনেশজনীয়ে গছৰ খোৰোঙত ঠোঁটটো উলিয়াই উমনিত বহে। খোৰোঙৰ মুখখন মতাটোৱে বোকাৰে বন্ধ কৰি দিয়ে। মাত্ৰ ধনেশজনীৰ ডিঙিৰ পৰা ঠোঁটলৈ ওলাই থাকে। তেনেদৰে উমনিত পৰি থকা দিনকেইটাত মতাটোৱে তাইৰ আহাৰ যোগায়। পোৱালি নজগালৈকে তাই তাৰ পৰা বাহিৰ হব নোৱাৰে। জগিলেই মতাটোৱে খোৰোঙৰ মুখৰ পৰা বোকাখিনি এৰুৱাই তাইক মুক্ত কৰি দিয়ে।

ঃ খো ভেৰি ইণ্টাৰেষ্টিং।

: এৰা, হিউমেন এলিমেণ্ট আছে তাত।

সুন্দৰ যে ফুলাৰ মন্ত্র অহোৰাত্রি মাতে,
সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে।

কাজিৰঙাৰ ফালে তেওঁ চাই গ'ল। নীৰৱ-নিস্পন্দ হৈ। অৰণ্যৰ আৰু গহনলৈ চোৱাৰ যেন তেওঁ চেষ্টা কৰিলে। বহুমাইল বিয়পি কঁহুৱা ফুলৰ বিশাল চন্দ্ৰাতপখন বতাহত ঢৌ খেলি আছিল। তেওঁক কিবা এটা কওঁ কওঁ বুলিও কথা বিচাৰি পোৱা নাছিলোঁ। শেষত কলোঁ—

—জানা ভূপেন হাজৰিকাৰ এটা গান আছে ?

—কি গান ?

—কঁহুৱা বন মোৰ অশান্ত মন……

মই শাৰীটোৰ অৰ্থ বুজাই দিয়াত তেওঁ কলে—হী ইজ্ শ্বো ভেৰি কাৰেক্ট্।

কথাষাৰ কৈয়ে তেওঁ কঁহুৱা ফুলৰ আকাশৰ ফালে চাই থাকিল। শৰতৰ তুলাৰঙী চপল মেঘৰ এখন আকাশ যেন সেই মুহূৰ্তত মাটিলৈ নামি আহিছিল। তেওঁৰ চুলিবোৰে বতাহৰ কোবত ৰব নোৱাৰি বাৰে বাৰে তেওঁৰ চকুযুৰি ঢাকি আমনি দিছিল। কিছু পৰৰ পাচত চুলিখিনিৰ বিৰক্তিৰ বাবেই তেওঁ বাহিৰৰ পৰা দৃষ্টি ঘূৰাই আনিলে আৰু খিৰিকীত ভেজা দি আগফালে হলি শুই পৰিল।

: কি হ'ল ?

তেওঁ একো নক'লে, মাথোন সোঁহাতটো মোৰ কোঁচত পেলাই থলে। তেওঁ যে ঠিকেই আছে এনে ধৰণৰ এটা আশ্বাস দিয়াৰ মনেৰেই বোধকৰোঁ তেওঁ তেনে কৰিছিল। মইও তেওঁক কিবা সুধি সেই মধুৰ নীৰৱতা ভঙ্গ কৰিবলৈ ভাল নাপালোঁ।

: হোৱাট ইজ দিছ গাৰ্ডেন ?

: জানো।

: কিযে ভাল লাগে। ওপৰত শ্বেড ট্ৰীৰ কেনোপি। সোঁফালে দূৰত পাহাৰৰ দৃঢ় বেষ্টনী। চাহ গছবোৰ যেন অৰণ্যৰ শিশু। চাৰিওফালে আবেষ্টনী, ওপৰত চাল, এয়া যেন অৰণ্য শিশুৰ বাবে এক বিৰাট ক্ৰেʼচ্ছ্। পৃথিবীখন পাহাৰৰ সিফালেই যেন শেষ হৈ গৈছে এনে এটা ভাব নহয়নে বাৰু ?

মই মাথোন হাঁহি হাঁহি তেওঁৰ মুখলৈ চালোঁ। কি যে কম, ভাবি পোৱা নাছিলোঁ। আমাৰ তলেদি মাইলবোৰ মনে মনে সৰকি গৈ আছিল। সৰু পুল এটা পাৰ হৈ কিছুদূৰ গৈ দেখিলোঁ, আলিৰ দাঁতিৰ জংগলত কেইটামান হাতী।

: আৰ দিজ্ৱাইল্ড ?

তেওঁ আশংকিত হৈ সুধিছিল।

: নোঃ, দিছ ইজ কহুৱা, হেড কোৱাটাৰ্ছ অব্ কাজিৰঙা। দিজ আৰ অল টেমড্ এলিফেন্টছ মেন্ট্ ফৰ দ্য টুৰিষ্ট্ছ।

: আই ছী।

তেওঁ চকুহাল যিদৰে ডাঙৰ ডাঙৰকৈ মেলি কলে, চকুহাল সঁচাকৈ ছী অৰ্থাৎ সাগৰৰ দৰে গভীৰ ৰহস্যময় যেন লাগিল। তেওঁ পুনৰ ঘূৰি চালে কঁহুৱা ফুলৰ অৰণ্যলৈ।

কাজিৰঙাৰ বননি ক্ৰমে আঁতৰি গৈছিল। আমাৰ আলিবাট আৰু বননিৰ মাজত আছিল ঘাঁহনি, মুথা আৰু তৰানিৰে ভৰি থকা চৰণীয়া পথাৰ। তাতে মʼহৰ পিঠিত উঠি অশ্লীল বনগীত গাই কেইটামান লʼৰাই মʼহ চৰাই আছিল। সিহঁত তেওঁৰ চকুত পৰিছিল নে নাই নাজানিলোঁ।

: হোৱাট্ছ আফ্টাৰ ছাট্ ?

: বোকাখাট, তাৰ পাচত পাম কুৰুৱাবাহী, নুমলীগড়, ধনশিৰি নৈ, কমাৰগাওঁ, দেৰগাওঁ এই ঠাইবোৰ।

বোকাখাট কিছু বছৰ আগলৈ পেৰাৰ বাবে বিখ্যাত আছিল।

জাগীবোডৰ পেৰাৰ দৰেই খ্যাতি আছিল। অভয়াপুৰীৰ সন্দেশ, চুনাৰীৰ ৰসগোল্লা, গোৱালপাৰাৰ বাখৰখনি এইবোৰৰো এসময়ত নাম আছিল। আমাৰ কামৰূপত এটা ফকৰা আছে:

হাজোলীয়া কৌঁটা
সৰ্থেবেৰীয়া লোটা
মূৰকণীয়া জাপি
কমাৰকুছীয়া আপী
বালিলেচীয়া মিঠৈই
গলক লেগি উঠৈই।

: কি মানে?

হাজোৰ তিৰোতাৰ কপালৰ কৌঁট ডাঙৰ। একোটাইঁত নেমুৰ দৰে আছিল একালত। সৰ্থেবাৰীৰ লোটা শ্ৰেষ্ঠ। জাপিসজীয়া নামেৰে বহুতো গাওঁ থাকিব পাৰে, কিন্তু শ্ৰেষ্ঠ জাপি হ'ল মূৰকণাৰ। কামৰূপত ধুনীয়া ছোৱালী কমাৰকুছিৰ আৰু বালিলেছাৰ মিঠৈৰ ইমান চোক যে অকণ খালেই ডিঙিলৈ ভৰি আহে।

আজিকালি পিছে বোকাখাটতকৈ ভাল পেৰা পায় কহৰাত। বোকাখাটত গাড়ী ৰোৱাত মই নামি আহিলোঁ। ৰবী আৰু বন্ধুজনো নামিল। আইৰিলা নামিব খোজা নাছিল। কিন্তু মই তেওঁক নানামে নেকি বুলি সুধিলোঁ। তেওঁ উত্তৰ নিদি খন্তেক পাচতে নামি পৰিল। পৰিল বুলি কৈছোঁ এই কাৰণেই যে তেওঁ বাছৰ পৰা ষ্টেপত ভৰি নিদিয়াকৈ একৰকম জপিয়ায়েই নামিল। লাহী ভৰিকিটা মাটিত পৰাৰ লগে লগে কঠিন হৈ নিমিষতে পুনৰ আগৰ দৰে লেহুকা হৈ পৰিল।

: কি চাইছা তুমি?

হাত দুখনেৰে স্কাৰ্টৰ অবিন্যস্ত ক্ৰীজবোৰ ঠিক কৰি লোৱাৰ বৃথা চেষ্টা কৰি তেওঁ সুধিলে।

—লেগ্‌ছ।

—তুমি দেখিছোঁ বৰ অসভ্য তলে তলে।

—কেতিয়াবা অসভ্যালি কৰিবলগীয়া হলে আমি প্ৰকাশ্যভাৱে নকৰোঁ। তলে তলেই কৰোঁ।

—চুপ্‌! তোমাক জানো কেতিয়াবা কথাৰে বলে পাৰিছোঁ। মুখখন নহলে জীয়াই জীয়াই কাউৰী-শগুণে খুলি খুলি খালেহেঁতেন তোমাক। ব'লা কলৈ যোৱা।

—কলৈ মানে?

—হেল্ আই মীন হেল।

—যাবা জানো ৰসাতললৈ?

—পিশাচৰ সঙ্গ ললে ৰসাতললৈ নগৈ উপায় আছে জানো?

বোকাখটি পৰিবহন ষ্টেচনটোৰ কাষত কেইখনমান চাহ ভাতৰ দোকান। কাষতে এখন কিতাপৰ দোকান আছে। তেওঁ কিতাপৰ দোকানৰ ফালেই গ'ল। মইও পিচে গলোঁ।

—কিতাপ চাবা?

ইংৰাজী কিতাপ আছে জানো কিবা?

কিতাপৰ দোকানী ডেকাজনে তেওঁৰ মুখলৈ ভেবা লাগি চাই থাকিল। মই অসমীয়াতে আকৌ এবাৰ সোধাতো তেওঁ মুখেৰে একো নামাতিলে। মাত্ৰ গোমোঠা মুখোৰে-মাতিম নে নামাতিম কৰি কিতাপৰ থাকৰ এফালে দেখুৱাই দিলে। তাৰ পাচত হে তেওঁ কিবা এটা নাটকীয় এফেক্ট দিয়াৰ প'জত সুধিলে গহীনকৈ—কাক লাগে?

—এখেতক। বুলি মই লবীলৈ দেখুৱালোঁ।

—এইবোৰ চক। বুলি তেওঁ পামিষ্ট্ৰি, সস্তীয়া ডিটেক্‌টিভ এখন নে দুখন আৰু যৌন বিষয়ক কেইখনমান কিতাপ ৰেকত দেখুৱাই দিলে। দোকানী ডেকাৰ মুখত যি এক ভ্ৰূকুটিৰ উমান পাইছিলোঁ সেই ভ্ৰূকুটি এদিন মই দেখিছিলোঁ এজন ডাক্তৰৰ মুখত। এজন ধনী মিঞা মানুহে তেখেতৰ ফাৰ্মাচীলৈ আহি কৈছিল—ভাল দেইহিয়া দিবেন উচুদ ডাক্তাৰ।

কথাবাৰ শুনি ডাক্তৰে দৰবৰ বেকবোৰলৈ আঙুলিয়াই দেখুৱাই সুধিছিল—পছন্দ কইৰা কও কোনডা লাগে।

আইবিলাই কিতাপ কেইখনৰ কাষে নোচোৱাকৈয়ে ঘূৰি আহিছিল। মই বুজিছিলোঁ—তেওঁ আহত হৈছিল। বাছত বহি লৈ তেওঁ ঠিক মই আশা কৰাৰ দৰেই কৈছিল—ত্ৰু কেৰেক্টাৰ অফ্ এন আছামী বিজীনেছমেন—

আমিতো নিতৌ দেখিয়ে আছোঁ। আজি দুবছৰৰ আগতে নলবাৰীৰ পিনৰ এজন ল'ৰা আহি এখন তামোল-পানৰ দোকান দিছিলহি—আলিৰ দাঁতিত। গুৱাহাটীত। চৰকাৰৰ ঘৰৰ পৰা উচ্ছেদ কৰিবলৈ অহা বহুতো দলক খাটি-লুটি তাৰ দোকানখন বচাই ৰখা হৈছিল। প্ৰথম দুমাহত দোকানীক দেখিছিলোঁ—সি অশেষ কষ্ট কৰে, নিজে বজাৰলৈ গৈ তামোল-পান-চিগাৰেট কিনি আনে, নিজে তামোল কাটে, নিজেই চব কৰে।

দুমাহৰ পিচত দেখিলোঁ, সি লাহে লাহে দোকানৰ পৰা নমাটো কমাই দিছে আৰু তাক দোকানতে তামোল-পানৰ যোগান ধৰেহি বঙালী ৰিফিউজী ল'ৰা এটাই। দোকানত এটা লিটিকাইও মকৰল হ'ল। সি নিজৰ বিবেচনামতেই গ্ৰাহকক বস্তু-বাহানি দিয়ে।

পাঁচ মাহমানৰ পিচত দোকানলৈ এটা ৰেডিঅ' আহিল। আহিয়েই যি বাজিবলৈ 'সুৰু' কৰিলে একদম খতিখুন নোহোৱাকৈ বাজি থাকিল। মাত্ৰ মাত সৰু হৈ গলে বেটাৰী বদলাই দিয়া হয়ে। ইতিমধ্যে এপদ-দুপদকৈ গেলামালো আহিল। আৰু তেতিয়া লিটিকাই এটাৰ ঠাইত দুটা হ'ল। ওচৰৰ মানুহে বাকীও খোৱা হ'ল।

মোৰ ভাল লাগিছিল যে অসমীয়া ল'ৰা এটাৰ অন্ততঃ গতি লাগিছে। কিন্তু দৰিদ্ৰ যিপিনে যায় সাগৰো শুকায় মাণিকো লুকায়। এদিন শুনিলোঁ, সি তাৰ গুমুতি ঘৰটো আন এজনক বিক্ৰী কৰি ক'ৰবালৈ গুচি গৈছে। ক'ৰবালৈ মানে ক'লৈ হব? অসমীয়া ল'ৰাই পলাই যায় মোমায়েকৰ ঘৰলৈকে হে!

বঙালী বিক্সিউজী ল'বাটোকো দেখিলোঁ। সি সাতগাবঁৰ কালে মাটি লৈছে আৰু এখন ট্ৰাক লৈছে। আজিকালি সকসুৰা ঠিকা-ঠুকলি কৰি আছে কোনোমতে। গুৱাহাটীৰ এঠাইত সক-সুৰাকৈ আঢৈ কঠা মাটিৰ ওপৰত এটা সামান্য টিনৰে ঘৰ সাজি আছে। তামোল-পানৰ কাৰবাৰটোও ৰাখিছে। আজিকালি ভায়েকে চলায়। অসমীয়া কাপোৰৰ দোকান ক'ৰবাত পায় যদি সোমাবচোন। চতুৰ্থ থানটো উলিওৱাৰ আগতে আপোনাক সুধিয়েই দিব,— কাপোৰ কিনিব নে এনেয়ে চাব খুজিছে ?

তেওঁক সান্ত্বনা দিবলৈ মই কোনো কথা বিচাৰি নাপালোঁ। খণ্ডতে ৰবই পৰা নাছিলোঁ ইতিমধ্যে আমি যে বোকাখাট এৰি আহিছিলোঁ।

শংকিত আলোক নিয়ে দিগন্তে উদিল শীৰ্ণ শশী,
অৰণ্যে শিৰীষ শাখে অকস্মাৎ উঠিল উচ্ছ্বসি
বসন্তেৰ হাওয়াৰ খেয়াল,—
ব্যথায় নিবিড় হোলো শেষবাক্য বলিবাৰ কাল ॥
গোধূলিৰ গীতিশূন্য স্তম্ভিত প্ৰহৰখানি বেয়ে
শান্ত হোলো শেষ দেখা, নিৰ্নিমেষ ৰহিলাম চেয়ে।
ধীৰে ধীৰে বনান্তে মিলালো
প্ৰান্তৰেৰ প্ৰান্ততটে অন্তশেষ ক্ষীণ পাংশু আলো ॥

ওপৰৰ আকাশলৈ চালোঁ। ধনশিৰিৰ ফালৰ পৰা জাক জাক বগলী কাজিৰঙাৰ কাঠনিৰ পিনে উৰি গৈছিল। ৰাতিটোৰ আশ্ৰয়ৰ বাবে। পথাৰত কাম কৰি জীয়ৰী-বোৱাৰীয়ে ঘৰলৈ ওভোতাৰ সময় এয়া।

—তুমি হোমেন বৰগোহাঞিৰ নাম শুনিছানে ?

শুনিছোঁ, পঢ়িছোঁও তেওঁৰ লেখা। সেই যে সুবালা নে কি কিতাপখন, খুব যে হুলস্থুল লাগিছিল ?

: সেয়া সুবালা নহয়, বিভিন্ন নবক। বাৰু; হোমেনৰ দুটা কবিতা আছে, শাশ্বতী আৰু হৈমন্তী নামৰ। অসমৰ জনজীৱনৰ ওপৰত ইমান প্ৰাঞ্জল আৰু ইমান সুন্দৰ কবিতা আৰু কোনোবাই লেখিছে যদিও মই পঢ়ি পোৱা নাই। তেওঁৰ হৈমন্তী কবিতাতে পাথৰত কাম কৰি এনেকুৱা সময়ত ঘূৰি অহা বোৱাৰীজনীৰ অতুলনীয় ছবি আঁকা আছে।

কথাষাৰ শুনি তেওঁ পূবৰ পিনে হেঙুলী হৈ পৰা মেঘৰ চমকা-বোৰলৈ চাই একেবাৰে নিথৰ হৈ পৰিল।

নুমলীগড় পোৱাৰ আগতেই বেলি লহিয়াইছিল। বাটৰ কাষৰ চাহ বাগিচাবোৰত ৰাতি যেন আৰু আগেয়ে নামি পৰিব এনে এটা অনুমান হৈছিল। বিস্তীৰ্ণ চাহগছৰ জাৰণিৰ ডাঠ কজলা ৰংটো বেলি নিষ্প্ৰভ হৈ পৰাৰ লগে লগে ক'লা হৈ পৰিছিল।

বাটৰ দাঁতিত প্ৰথম চাহ বাগিচা পাইছিলোঁ ডিমৰীগ্ৰাত, গুৱাহাটীৰ পৰা পঁচিশ মাইল অহাৰ পাচত। এতিয়া বাগিচাৰ এই অনন্ত মিছিল শেষ নহয় হে নহয়। এই বাগিচাবোৰৰ সাত কুৰি বছৰীয়া ইতিহাসৰ সতে অসমীয়া মানুহৰ (বহুৱা অসমীয়াৰ) জীৱনগাঁথা সাঙোৰ খাই আছে। এতিয়া পৃথিবীৰ কেবাখনো দেশত চাহ খেতি হয়। তথাপি 'আছাম টি'ৰ এক স্বকীয়া আভিজাত্য আছে।

এবাৰ এগৰাকী ইংৰাজ মহিলাই মোক সুধিছিল—তোমালোকে পৃথিবীৰ আটাইতকৈ ভাল চাহ উৎপাদন কৰা, অথচ তোমালোকৰ ইয়াতেই মানুহে আটাইতকৈ বেয়া চাহ খায়, কিয় বাৰু?

: আমি খোৱাবোৰতকৈ আৰু ভাল চাহপাত আছে জানো?

মোৰ প্ৰশ্ন শুনি তেওঁ একৰকম উচপ্ খাই উঠিল।

: আমিয়েতো আমাৰ কান্ট্ৰিত তোমালোকতকৈ বহুগুণে ভাল চাহপাত খাওঁ।

মোৰ অজ্ঞতা দেখি মহিলাই পুতৌৰ চকুৰে মোৰফালে চাই কলে, চাহতো ভালেই; তদুপৰি চাহ কিদৰে কৰিব লাগে সেই প্ৰণালীও

আনেহে তোমালোকক শিকাই পঠিয়ায়। তোমালোক প্ৰকৃততে আচল কথাত কোনো নাথাকা। এনেয়ে তাল-তুল দি চলাই নিব পাৰিলেই হ'ল বুলি ভাবা। চব ভেজাল তোমালোকৰ।

এইবাৰ মহিলাই খুব গোপন কথা এটা কোৱাৰ দৰে কলে, তুমি কাকো নকবা, এবাৰ গুৱাহাটীলৈ প্ৰেছিডেণ্ট অহাৰ কথা আছিল। মই এদিনৰ আগতে এৰেঞ্জমেণ্টবোৰ চাবলৈ গৈছিলোঁ। গৈ দেখিলোঁ এটা বিৰাট পাব্লিক হলত প্ৰেছিডেণ্টৰ পৌৰ সম্বৰ্ধনাৰ আয়োজন কৰা হৈছে। হলটোৰ সন্মুখফাল একেবাৰে ধুই মচি নতুনকৈ ৰঙ কৰাত চালে চকু বোৱা কৰি তুলিছিল। পাচফালে গৈ দেখিলোঁ ঘৰৰ পাচফালৰ বেৰবোৰ ওখোৰা-মোখোৰা হৈ আছে, দেৱালৰ চুকত মকৰাজাল, বাহত দামডেউকা, শগুণতুলসী আৰু কেঞ্জাবনৰ জাৰণি। মই একনক সেই কথালৈ দৃষ্টি আকৰ্ষণ কৰাত তেওঁ নিৰ্বিকাৰ হৈ কলে— প্ৰেছিডেণ্ট পাচফালে নাহে নহয়।

তোমালোকে দেৱদেৱীৰ মূৰ্তি সাজি পূজা কৰা। কিন্তু সেই মূৰ্তিও অসম্পূৰ্ণ কৰি সাজা। পাচফালেও যে আগফালৰ দৰেই সুন্দৰ হব লাগে সেই কথালৈ চিন্তা নকৰা।

কথাটো শুনোতে একেবাৰে সাধাৰণ যেন লাগিলেও, এই কথাটোৱে পিছে আমাৰ জাতীয় জীৱনত অসাধাৰণ প্ৰভাৱ বিস্তাৰ কৰা যেন লাগে।

আমেৰিকা-ইংলণ্ডৰ বহু কথাই অমিল। আমেৰিকাৰ চাল-চলনত নতুন ধনীৰ বেপৰোৱা ভাৱ এটা থাকে আৰু ইংলণ্ডৰ মানুহৰ চাল-চলনত হৃতসৰ্বস্ব সম্ৰাটৰ অন্তঃসাৰশূন্য দাম্ভিকতা বিৰাজমান। আমেৰিকাই সকলো কথাকে টকাৰে জুখিব খোজে। মনটো কেনে লাগিছে, ছোৱালীজনী কেনে এনেবোৰ প্ৰশ্নৰ উত্তৰ 'এ মিলিয়ন ডলাৰছ' বুলি দিলেই হ'ল।

এবাৰ আমেৰিকাৰ ধনকুবেৰ এজনে ইংলণ্ডলৈ প্ৰথম আহি গুৱেষ্ট মিনিষ্টাৰৰ আবেৰ পাচফালে ডুব যাব ধৰা শৰৎ-সূৰ্য্যৰ সৌন্দৰ্য্য

দেখি মোহিত হৈ কৈছিল—যিমান টকাই নালাগক লাগিলে, এইটো যদি মই কিনিব পাৰিলোহেতেন।

ওচৰেদি পাৰ হৈ যোৱা ইংৰাজ এজনে তেওঁক কলে যে, ওৱেষ্ট মিনিষ্টাৰ আবে বিক্ৰীৰ বাবে ৰখা হোৱা নাই। ধনকুবেৰে পট্‌কৰে কৈ উঠিল,—কোনে কলে তোমাক যে মই এই ভগাছিগা খুটা-খাটলিবোৰ কিনিব খুজিছোঁ? মই পিচপিনে দেখা আকাশখিনিৰ কথাহে কৈছোঁ।

এই দুটা জাতিৰ মাজত ইমানেই পাৰ্থক্য যে দুইমহলা ঘৰৰ ওপৰ মহলাক ইংলণ্ডৰ মানুহে ফাৰ্ষ্ট ফ্লোৰ বুলি কলে য়াংকিসকলে ইতিকিং কৰি কয়—ছেকেণ্ড ফ্লোৰটোক ফাৰ্ষ্ট ফ্লোৰ বুলি কোৱাৰ দৰে মূৰ্খামী ইংৰাজে নকৰিলে কোনে কৰিব?

Table শব্দটো লৈও মহা বিৰোধ। 'টেবল্ দ্য মোচন' মানে ইংৰাজে বুজাব প্ৰস্তাৱটো বিবেচনাৰ বাবে লোৱা হওক, আকৌ মাকিনসকলে বুজাব—প্ৰস্তাৱটো সম্প্ৰতি থোৱা, পাচত বিবেচনা কৰা হব!

ইমান পাৰ্থক্য সত্ত্বেও তেওঁলোকৰ এটা কথাত অসম্ভৱ সাদৃশ্য আছে। সেইটো হ'ল শ্ৰমৰ মৰ্য্যাদা। বিশেষকৈ আমেৰিকাৰ মানুহৰ দৰে শ্ৰমৰ প্ৰতি মৰ্য্যাদা দিয়া জাতি পৃথিবীত আন এটা নাই। তাত বিৰাট প্ৰতিষ্ঠানৰ মুখ্য ইঞ্জিনীয়াৰৰ পুতেকে ৰাতিপুৱা চাইকেলত উঠি বাতৰি কাকত বিলি কৰে। ডাঙৰ মানুহৰ কলেজত পঢ়া ছোৱালীয়ে আহৰি সময়ত হোটেলত পাৰ্টটাইম পৰিচাৰিকাৰ কাম কৰে।

আমাৰ অসমীয়া মানুহে—চৰকাৰে যেতিয়া নতুনকৈ আত্ম-সাহায্যমূলক কামৰ ব্যৱস্থা কৰিছিল, তেতিয়া কোৱা শুনিছিলোঁ—আমি নেখাই মৰিম, সেইবুলি মাটি কটা ধেঙৰ কুলী হমনে? এই লাচিতৰ দেশত আজিও বহুত ৰাস্তা, বহুত বান্ধ দেখিব, ছেল্‌ফ হেল্পৰ নামত বিহাৰী মানুহৰ হতুৱাই বন্ধোৱা।

এইবোৰৰ মূলত হেতু ˙কি ভাবি চাইছেনে কেতিয়াবা? শ্ৰমবিমুখতা? নহয়। এইবোৰৰ মূলত হ'ল অসমীয়া মানুহৰ গৃহ-কাতৰতা। হোম চিক্‌নেছ। অসমীয়া মানুহৰ পিতৃ-ভেটি বুলি একঠা মাটি থাকিলেও তাকে খামুচি ধৰি থাকিব। ক'ৰবাত ৰিজাৰ্ভ খুলি বাৰ বিঘা মাটি দিয়কচোন। কিছুদিন পাচত সেইবোৰ মাটি কাৰোবাক বিক্ৰী কৰি দি নিঠৰুৱা হৈ আকৌ সেই পিতৃ-ভিটালৈকেই ঘূৰি আহিব। অসমীয়া মানুহৰ এই দুৰ্বলতাই ভীৰু কৰি তুলিছে। নতুন কিবা বিপদৰ সন্মুখীন হবলৈ মনত সাহসৰ অভাৱ কৰি তুলিছে।

সুমলীগড় পাৰ হৈ আমি অসমৰ প্ৰথম ছেল্‌ফ হেল্পৰ ৰাস্তাটো পাম। তাৰ নাম ধোদৰ আলি। এই আলি বন্ধাইছিল আহোম স্বৰ্গদেৱৰ বিষয়া কলিতা ফুকনে। পৰিশ্ৰমী প্ৰজাৰ দ্বাৰা নহয়। এলাইজাবৰি ধোদসকলৰ দ্বাৰা। এইসকলৰ বাবে আজিকালি এশ ন ধ্যুৱাৰ ব্যৱস্থা আছে; অৰ্থাৎ বিনা পৰিশ্ৰমে চৰকাৰৰ অন্ন ধ্বংস কৰাৰ ব্যৱস্থা। আহোম স্বৰ্গদেৱৰ ওচৰত সেই দালি নগলিছিল। সেইবাবেই ধোদক জীৱিকা অৰ্জনৰ উপায় দিবলৈকে ধোদৰ হতুৱাই আলি বন্ধাইছিল।

অসমীয়া মানুহে তাৰ আগেয়েও এটা ৰাষ্ট্ৰীয় পথ নিজ মেহনতেৰে নিৰ্মাণ কৰিছিল। সেয়া পোন্ধৰ শতিকাৰ কথা। পথটোৰ নাম 'আছিল গোহাঁই কমলা আলি। একেবাৰে কোচবিহাৰৰ পৰা ভূটান পাহাৰৰ পাদদেশেদি শদিয়ালৈকে প্ৰসাৰিত। সেই বাট অৱশ্যে বহুদিন অব্যৱহাৰ্য্য হৈ পৰি আছিল। কিম্বদন্তী আছে,—সেই আলিৰ এলাইনমেণ্টত কোনোবা এজন ব্ৰাহ্মণৰ ঘৰো পৰিছিল। ৰাস্তা বান্ধি বান্ধি যেতিয়া সেইখিনি পালেহি ব্ৰাহ্মণ তেতিয়া ভাত খাই আছিল। গোহাঁই কমলাৰ মানুহে ব্ৰাহ্মণক ততালিকে ঘৰ উঠাই নিবলৈ কলে। ব্ৰাহ্মণে ভাত খাই অটাবৰ কাৰণে সময়কণ বিচাৰিছিল। কিন্তু প্ৰাৰ্থনা নামঞ্জুৰ হল। আৰু ঘৰ ভাঙি পেলোৱা হ'ল। সেই কথাত কষ্ট হৈ ব্ৰাহ্মণে অভিশাপ দিলে যে,

এই আলিৰে মানুহে বাট নুবুলিব। ব্ৰাহ্মণৰ অভিশাপ বহুদিনলৈ ফলিয়ালে।

এই ৰাস্তাবোৰ আৰু গড পুখুৰীবোৰ যে আজি এশটা বছৰৰ আগেয়েও. অসমীয়া মানুহেই কৰিছিল, ভাবিলে সঁচাকে আচৰিত লাগে।

: হোৱেৰ দিছ ৰোড লীড্‌ছ টু ?

: অ' এয়াই নুমলীগড। আহোম স্বৰ্গদেৱৰ অন্য এক হেৰেম। ইয়াতে মগ্‌লৌ কুঁৱৰী অৰ্থাৎ মণিপুৰী কুঁৱৰীক ৰখা হৈছিল। এই আলিবাট ডিমাপুৰ হৈ একেবাৰে নগালেণ্ডৰ ৰাজধানী কোহিমা ওলাবগৈ। অলপ আগলৈ ধনশিৰি নৈ পাৰ হৈ বিহুৰা বাগিচা পাম। তাৰ ওচৰতে নুমলী কুঁৱৰীৰ সতে স্বৰ্গদেৱে জলবিহাৰ কৰা বিহুৰা বিল।

আন কাৰো কাৰো মতে নুমলী কুঁৱৰী আছিল কছাৰী কুঁৱৰী। ধনশিৰি নৈৰ পশ্চিম পাৰলৈ কছাৰী ৰাজ্য বিস্তৃত আছিল। সেই ৰাজ্যৰ ৰজা আছিল ডেটচুং। আহোম আৰু কছাৰীৰ সেইখিনিতে ৰণ হৈছিল। তাত হাৰি ৰজা ডেট্‌চুঙে স্বৰ্গদেৱ স্বৰ্গনাৰায়ণলৈ বুলি কছাৰী গাভৰু নুমলীক দিলে। কাৰো কাৰো মতে স্বৰ্গদেৱে নুমলীক হৰণ কৰে।

এই যে গডটো দেখিলা, ওপৰত যে চাহবাগিচাখন আছে, সেই গড প্ৰথমে ডেটচুঙেই বন্ধাইছিল। তাৰ মাজতে আৰু এটা গড় সজাই স্বৰ্গদেৱে নুমলীক ৰাখিছিল। সেইবাবেই নুমলীগড় নাম হ'ল।

নুমলীয়ে এই অত্যাচাৰৰ পোতক ললে ভগৱানৰ ওপৰত। এদিন মনে মনে গড় পাৰ হৈ আহি বিহুৰা বিলত জপিয়াই পৰিল। ৰজাৰ মানুহে বিচাৰি বিচাৰি তিনিদিনৰ পিচত বিলত আৱিষ্কাৰ কৰিছিলহি নুমলীৰ ওপঙি থকা মৃতদেহ।

আৰু ডিমাপুৰ ?

: অ' টেল্‌ মী ছামথিং।

: ডিমাপুৰ ওৱাজ দ্য কেপিটেল অফ্ দ্য অন্ডেষ্ট কাছাৰী কিংডম। ইউ মে ছে, দ্য অন্ডেষ্ট কিংডম ইন আছাম ৰেকৰ্ডেড খ্রো ফাৰ ইন হিষ্ট্রি।

: আই এম্ টোল্ড্ দেয়াৰ আৰ ছাম কইনছ।

: ইয়েছ। উজনিৰ আটাইতকৈ পুৰণি ইটা-নিৰ্মিত নগৰ এই ডিমাপুৰেই। ইয়াৰ প্ৰথম ৰজাজন আছিল, হিড়িম্বাসুৰ।

: নাও ইউ ষ্টপ ইট।

: কি হ'ল?

: অসুৰ মীনছ দেমনিয়াক ছামথিং, এণ্ড ইউ ডন্ট হেজিটেট টু কল এান ননএৰিয়ান বাই দেট্ নেম্।

: অসুৰ মানে দেমনিয়াক নহয়। বৈদিক আচাৰ নমনা সকলকহে অসুৰ বুলি কৈছিল। অসুৰ মীনছ ওপোজ্ড্ টু গড।

: বাদ দিয়া তোমাৰ ইন্টাৰপ্ৰিটেশ্যন। তুমি এটা কথা মনত ৰাখিবা, হোৱেন ইউ ডিভাইডেড্ দ্য মেনকণ্ড ইনটু কাষ্টছ উই ওৱেৰ নট এ পাৰ্টি টু দেট। আমি থকাহেতেন, গড্ নোজ কোন শ্ৰেষ্ঠ বুলি বিবেচিত হ'লহেতেন। জাপান চীনৰ বংশধৰ সকলকেতো ভাৰতত আটাইতকৈ 'ছোটজাত' বুলি ধৰা হয়।

: খ্রো ইউ ওৱাণ্ট টু বী হোৱাট?

: নাথিং। মই যি আছোঁ সেয়ে ভাল। চিভিলাইজেচনৰ চাইকলত কোন আগত কোন পাচত কোৱা টান।

এলিজাবেথান এজত পৰিচ্ছদ-বহুলতাকে সভ্যতাৰ চূড়ান্ত মাপকাঠি বুলি ধৰিছিল আৰু অৰ্দ্ধনগ্নবোধক অসভ্য অশ্লীল বুলি কোৱা হৈছিল। কিন্তু আজিৰ যুগত নাৰীৰ শ্ৰেষ্ঠ সাজ হল স্কেন্টিয়েষ্ট অফ বিকিনি। সেইবাবেই কিজানি আমিয়েই আগবাঢ়ি আছোঁ। তোমালোকে হয়তো আমাকেই অনুসৰণ কৰিছা।

তেওঁৰ প্ৰগল্‌ভতাত মই মুগ্ধ হৈ তেওঁৰ মুখৰ ফালে চাই ৰলোঁ। তেওঁ অলপ থমকি বৈ কলে,—এটা কথা তুমি বিশ্বাস কৰিবানে?

: কি বাৰু ?

: মদ খাবলৈ ভয় কৰা জাতিয়ে পৃথিবীত কোনোদিন একো কৰিব পৰা নাই।

: তুমি কিয় ক'লা কথাষাৰ ?

: এই অসুৰ শব্দটোৰ বাবেই কৈছোঁ। হিন্দুৰ কঠোৰ নীতি পালন নকৰা সকলক অসুৰ বোলা হৈছিলতো, সেই বাবেই কৈছোঁ।

: কিন্তু তুমি তো পাহৰি গৈছা ভাৰতীয়সকলেও শূন্য আৱিষ্কাৰ কৰিছিল ?

: কি ? শূন্য ? আৰু এই শূন্য কেতিয়া কৰিছিল জানা, যেতিয়া ভাৰতীয় ঋষি-মুনিসকলে বিশেষকৈ যজ্ঞৰ সময়ত যবান্নৰ পৰা তৈয়াৰ কৰা মদ খাইছিল। মদৰ আবিষ্কৰ্তা ব্যাকাস বা ডাইওনিসচ্ ভাৰততে আছিল হেনো। ভাৰতবাসীক তেওঁ মানুহৰ আয়াস-বৰ্দ্ধনক্ষম কলাকৌশল হিচাপে মদ্য প্ৰস্তুত প্ৰণালীৰ শিক্ষাও দিছিল। আৰু সেইবাবেই ভাৰতে আগৰ কালত মানৱজাতিৰ চিন্তাচৰ্চাৰ বহুতো উল্লেখযোগ্য অৱদান আগবঢ়াব পাৰিছিল।

: তেতিয়া মদ খাইছিল বাবেই নেকি ?

মই হাঁহি হাঁহি সুধিলোঁ। তেওঁ আগতকৈও গহীন হৈ কলে— মহাদেৱে গাজা খোৱা নাছিল ?

: খাইছিল।

: কিয় বাৰু ?

: জানো ?

: আপোনভোলা হবলৈ। নিচা নকৰা মানুহবোৰ অসম্ভৱ আত্মসচেতন। আত্মসচেতন মানুহে আনৰ বাবে একো কৰিব নোৱাৰে।

তেওঁৰ কথা শুনি মই বাকৰুদ্ধ হৈ তেওঁৰ ফালে চাই ৰলোঁ। মুনি-চুনি বেলিৰ একেবেঙা ৰ'দ আহি তেওঁৰ মুখমণ্ডলৰ একাষে খন্তেকৰ বাবে পৰি নাইকিয়া হৈ গ'ল। অলপতে এন্ধাৰ নামি পৰিব।

কাংশ্চিৎ তুচ্ছয়ন্তি প্রপূৰয়ন্তি বা কাংশ্চিন্ নয়ত্যুন্নতিং
কাংশ্চিৎ পাতবিধৌ কৰোতি চ পুনঃ কাংশ্চিন্ নয়ত্যাকুলান্।
অন্যোন্যং প্ৰতিপক্ষসংহতিমিমাং লোকস্থিতিং বোধয়ন্
এষ ক্রীড়তি কূপযন্ত্র ঘটিকা ন্যায় প্ৰসক্তো বিধিঃ ॥

কাৰোবাক পূৰ্ণ কৰি, কাৰোবাক ৰিক্ত কৰি, কাৰোবাক উন্নতি কৰি, কাৰোবাক আকৌ অধঃপতিত কৰি পৰস্পৰ বিৰুদ্ধতাৰ একত্ৰ সমাবেশ ঘটাই বিধিয়ে যেন কুঁৱাৰ পৰা পানীতোলা কূপ যন্ত্ৰটোৰ দৰে খেলা কৰি যাব লাগিছে। আমাৰ বাছখনো সেই একে যান্ত্ৰিক নিৰ্লিপ্ততাৰে কাৰোবাক পূৰ্ণ কৰি, কাৰোবাক ৰিক্ত কৰি মাইলবোৰ অতিক্ৰম কৰি গৈ আছিল।

অলপ পাচতে আমি দেৰগাওঁ পামগৈ। আহোম স্বৰ্গদেউসকলৰ দিনত যোৰহাট আছিল অসমৰ চেণ্ডহাৰ্ষ্ট। এতিয়াৰ চেণ্ডহাৰ্ষ্ট দেৰগাঁৱত। এই দেৰগাঁৱৰ সাম্প্ৰতিক প্ৰসিদ্ধি পুলিচ ট্ৰেইনিং কলেজৰ বাবে। কামৰূপৰ বিদ্ৰোহী বীৰ হৰদত্তই বিদ্ৰোহ কৰিছিল ৰজা কমলেশ্বৰ সিংহৰ দিনত ১৭৯৫ চনত। তেতিয়াৰ পৰাই যোৰহাটত পৰদেশী চিপাহী আনি অসমীয়া চিপাহীক শিক্ষা দিওৱাৰ ব্যৱস্থা হৈছিল। এই পৰদেশী চিপাহীৰ সতি-সন্ততি আজি অসমীয়া সমাজত জাহ গৈছে।

পিছে এহো বাহ্য। দেৰগাঁৱৰ আৰু এটা স্বকীয়া ঐতিহ্য আছে। দেৰগাঁও হেনো আছিল দেৱগ্ৰাম। ওচৰেদি গেলাবিল, সেয়া হেনো এসময়ত লুইত আছিল।

: লুইত ?

: এৰা লুইত। তোমাৰ ব্ৰহ্মপুত্ৰ। দৈ-লাও বা লাও-দৈ মানে দীঘল জলভাগ। সেই লাওদৈৰ পৰাই হেনো লুইত।

: ডন্ট্ খো ইওৰ চাৰ্লাটান্‌ৰী।

মই গালিৰাবলৈ ভ্ৰূক্ষেপ নকৰি কৈ গলোঁ—তোমাক আগতে কৈ

আহিছোঁ। অসমত নৈ দুখন। এখন হ'ল ব্ৰহ্মপুত্ৰ আৰু আনখন হ'ল বৰবক্ৰ বা বৰাক। এখন বৈ আহিছে হিমালয়ৰ পৰা আৰু আনখন বৈ আহিছে বৰাইল পৰ্বতমালাক আশ্ৰয় কৰি মিজোপাহাৰৰ ক'ৰবাৰ পৰা ওলাই।

ব্ৰহ্মপুত্ৰ সৰল, ঋজু আৰু বিশাল হৃদয়—ভলভলীয়া বুঢ়াজনৰ দৰে লুক-ঢাক নোহোৱাকৈ নিঃশঙ্কচিত্তে যেন গতি কৰিছে। বৰাকৰ যেন আকৌ পদে পদে সংশয়। মুহূৰ্তে মুহূৰ্তে পাক। নৈ দুখনে ঠাই দুখনৰ মানুহৰ প্ৰকৃতিৰ প্ৰতিনিধিত্ব কৰা নাই যদিও বৰাক আৰু ব্ৰহ্মপুত্ৰৰ পাৰৰ মানুহৰ স্বভাৱ-চৰিত্ৰৰ কিছু অমিল নথকা নহয়।

আনহাতে বৰাইল পৰ্বতমালাই অসমক যিদৰে বিভক্ত কৰিছে তেনেদৰে কোনো পৰ্বতে ভাৰতৰ আন এখন ৰাজ্যক বিভক্ত কৰা নাই। বৰাক উপত্যকা পৃথিবীৰ অন্য এক প্ৰান্ত যেন বোধ হয়। এই বিভাজন সত্বেও বৰাক-ব্ৰহ্মপুত্ৰ অসমৰে নৈ। সেই অৱশ্যম্ভাৱী পৰিণতিকে সুঁৱৰি হয়তো দুয়োখন নৈয়ে মহাসমুদ্ৰত নিজৰ অস্তিত্ব হেৰুৱাৰ আগতে মিলি পৰিছে।

এই গেলাবিলেই হেনো এসময়ত ব্ৰহ্মপুত্ৰ আছিল। তাৰ পাৰতে নেঘেৰিটিং দেৱালয়। দক্ষিণলৈ আছিল ৰজাবাহৰ। য'ত ইতিহাস প্ৰসিদ্ধ দেৱগঞা নাচনীৰ ঘৰ আছিল।

তেওঁ নাচনীতকৈও নদীৰ কথাত বেছি ব্যস্ত হ'ল—বৰাক ব্ৰহ্মপুত্ৰৰ কোনখন ডাঙৰ সুধিলে। মায়ো যি জানো কৈ গলোঁ। ব্ৰহ্মপুত্ৰ ডাঙৰ, বহুত গুণে ডাঙৰ, কিন্তু বৰাকৰ গৰা বেছি থিয়। বৰাক দ নৈ। ঠায়ে ঠায়ে চৌৱন্ন ফুটলৈকে গভীৰতা আছে। ব্ৰহ্মপুত্ৰ নদীৰ বিশালতা চাই সিমান দ নহয়। চেণ্ট্ৰেল ৱাটাৰ এণ্ড পাৱাৰ কমিশ্যনে ১৯৫৬ চনত কৰা ছাৰ্ভে মতে ব্ৰহ্মপুত্ৰৰ আটাইতকৈ গভীৰ পাণ্ডু আৰু আমিনগাঁৱৰ ঘুলিকেইটা। দুশ এক ফুট হেনো। সেই ঘূলিবোৰ চিতল মাছৰ আড্ডা। বৰাকৰ বৌ আৰু ব্ৰহ্মপুত্ৰৰ চিতল মাছ বিখ্যাত।

: আৰু কি বিখ্যাত ?

তেওঁ ইমান পৰে মোৰ কথাত যে অকণো গুৰুত্ব দিয়া নাছিল এতিয়াহে বুজিলোঁ। গাভৰু ছোৱালীৰ মন বুজা সঁচাকৈ দেৱতাৰ মায়া বুজাৰ দৰে কঠিনতম ব্যাপাৰ। মই মনে মনে থাকিলোঁ। সন্ধ্যাৰ ছায়া ক্ৰমে ঘন হৈ আহিছে। তেওঁৰ হয়তো ঘৰলৈ মনত পৰিছে। বিশেষকৈ চকুলোৰে বাট নেদেখা হৈ বিদায় দিয়া মাকজনীলৈ মনত পৰিছে নিশ্চয়।

ভিতৰখন ইতিমধ্যে হেডলাইটৰ পোহৰত উজ্জ্বল হৈ পৰিছে। দেৰগাঁৱত গাড়ী ৰখাবলৈ আৰু একমিনিটো নাই। পুলিচৰ সৰু চহৰতলীখনত শ শ অনুজ্জ্বল ·বিজুলী চাকিৰ পোহৰ বিনিকি বিনিকি আমি দেখা পাইছিলোঁ। বাহিৰত ৰাতিৰ এন্ধাৰ তেতিয়াও নমা নাছিল। আলিবাটত কাম কৰা মজতুৰ তিৰোতাসকলে কান্ধত টোপোলা-টাপলি লৈ ক্লান্ত খোজেৰে ঘৰলৈ উভতিছিল।

দেৰগাঁৱত গাড়ী ৰ'লগৈ। হঠাৎ দুজন মানুহৰ বাকবিতণ্ডা শুনিলোঁ। তেওঁলোকে নিশ্চয় ইমান পৰে গাড়ীৰ ভিতৰত বাক-যুদ্ধ কৰি আহিছিল। গাড়ীৰ ইঞ্জিন বন্ধ হোৱাৰ লগে লগে কথাবোৰ স্পষ্ট হৈ পৰিল।

তেওঁ মোৰ বাওঁ হাতখনত লাহেকৈ এটা চেপা মাৰি দিলে। তেওঁ নোকোৱাহেতেনো মনযোগ দিলোহেতেন মানুহ দুজনৰ বাক-বিতণ্ডাত। মই যে অলপ আগতে কৈ আহিছিলোঁ গহপুৰৰ কনকলতা প্ৰমুখ্যে বুদ্ধিহীন শহীদসকলৰ কথা, তেওঁলোক দুয়োজনেও তাকেই আলোচনা কৰিছিল। দৰাচলতে বাক-বিতণ্ডা হোৱা নাছিল। আলোচনা হৈছিল। কিন্তু নামনিৰ মানুহে ৰৰ-ৰৰকৈ আলোচনা কৰিলে উজনিৰ মানুহ কিবা কাজিয়া হোৱা বুলি শঙ্কিত হৈ পৰে।

অসমখন ইমান সৰু ৰাজ্য। অথচ বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহ কৰি আন ৰাজ্যৰ তুলনাত ইয়াতো কম মানুহ মৰা নাই। কিন্তু কোনো ৰাজ্যতে বোধকৰোঁ শহীদসকলৰ ইমান অৱমাননা হোৱা নাই।

এবাৰ মণিৰাম দেৱানৰ স্মৃতিত ডাক-টিকট উলিওৱাৰ কথা উল্লেখ কৰোতে আমাৰ এগৰাকী বন্ধুৱে খেদ কৰি কৈছিল—তিলক, ক্ষুদিৰাম শহীদ হৈ মৰিছে আৰু আমাৰ মণিৰাম মৰিল মেলেৰীয়াত।

দৰাচলতে বুধিয়ক মানুহ আছিল হলিৰাম ঢেকিয়াল ফুকন। বেষ্ট টাইম ছাৰ্ভাৰ। আহোম ৰাজত্বত আহোম ৰজাক সন্তুষ্ট কৰি হুৱলীয়া বৰুৱা হৈছে, ঢেকিয়াল ফুকন হৈছে। আকৌ ইংৰাজ আহিল। ইংৰাজক 'তোয়াজ' কৰি ই-এ-চি হ'ল আৰু আহোম ৰাজত্বক, অসমীয়া মানুহক, অসমীয়াৰ গুৰু শংকৰ-মাধৱক উকটি গালি পৰাত লাগিল। এই জাত মানুহৰ মৰণ নাই। ভাৰতত মোগল ৰাজত্ব কায়েম কৰিছে, মোগল শাসন দীৰ্ঘজীৱী কৰিছে এই মানুহে। ভাৰতত ইংৰাজৰ শাসন সুদৃঢ় কৰিছে, ইংৰাজৰ প্ৰকৃত শত্ৰুক বিনাশ কৰাত সহায় কৰিছে এই জাত মানুহেই। এই জাত মানুহেই বিপ্লৱৰ নেতৃত্ব কৰিছে; কিন্তু গুলীত মৰা নাই, দেশৰ শ্ৰেষ্ঠ সম্পদ লাভ কৰিছে কিন্তু কোনোদিন দেশৰ কাৰণে অকণো স্বাৰ্থ ত্যাগ কৰা নাই। অথচ এওঁলোক দেশৰ পূজ্য বৰেণ্য ব্যক্তি।

কথাৰ গৰমতে তেওঁলোক দুয়ো বাহিৰলৈ ওলাই আহিল।

বাহিৰত চাৰিওফালে আন্ধাৰ আছিল যদিও আমি অনুভৱ কৰা নাছিলোঁ। সেইবাবে বাহিৰলৈ মূৰ উলিয়াই দূৰৰ এন্ধাৰবোৰলৈ চাই পঠিয়ালোঁ। দেৰগাঁৱৰ এইখিনিতে আলিৰ দাঁতিত বৰ বেছি মানুহৰ ঘৰ নাই। গাওঁ থকা হলে এই সময়ত বাটৰ দাঁতিত ঘৰে ঘৰে জুই দেখিলোহেতেন। অসমীয়া মানুহৰ ঘৰত জাৰৰ গধূলি জুইৰ চাৰিওপিনে বহি কাম কৰাটো এটা নিত্যনৈমিত্তিক কথা আছিল। দেওধাই বুৰঞ্জীত আছে বোধকৰোঁ—ৰহাৰ চকী প্ৰথম প্ৰতিষ্ঠা কৰোতে ওচৰত লোকালয় নাছিল। ক'লা কাপোৰ পিন্ধা আহোম সৈন্যক দেখি ওচৰত দুই-এটা মানুহ আছিল যদিও ভয়তে দৌৰি দক্ষিণৰ পাহাৰত উঠিছিলগৈ। আহোম সৈন্যই লোকালয় বিচাৰি ওলাল। বহুদূৰ গৈ গৈ পাহাৰৰ দাঁতিত কুকুৰ-কুকুৰা আৰু জুই পালে।

কুকুৰৰ ভুকনি, কুকুৰাৰ ডাক শুনিলে আৰু ধোঁৱা দেখিলে। সেইবোৰকে চালি গৈ গৈ মিকিৰ মানুহৰ পুঞ্জী পালে। তাতে মিকিৰে আহোমে মিতিৰালি পাতিলে আৰু মিকিৰে বহাৰ আশে-পাশে নামি আহি গাওঁ পাতিলেহি। অসমীয়া গাৱঁত জুইৰ নিৰৱকাশ অস্তিত্ব আজিৰ কথা নহয়।

ক'ৰবাত একুৰা জুই দেখোৱেই নেকি বুলি ঘূৰি ঘূৰি চাই আছিলোঁ বাহিৰৰ পিনে। কতো নেদেখি আকাশৰ জুইকুৰা বিচাৰিলোঁ। পূবফালে আকাশৰ প্ৰান্তৰ ৰঙা হৈ বিয়পি পৰা বিশাল জুইকুৰা এইমাত্ৰ কাৰোবাৰ অদৃশ্য হাতে মুমাই দিলে। ৰঙা ৰঙা অঙঠাবোৰ এইমাত্ৰ কোনোবাই এন্ধাৰৰ দৰে ক'লা কৰি পেলালে।

: কি গুৰেদাখ ফোৰকাষ্ট কৰিবা নেকি? মাফ কৰিবা, নেলাগে কৰিব। ফোৰকাষ্টৰ কোবত কাইলৈ পুৰা গুলাবলগীয়া বেলিটোও লাজতে ক'ৰবাত লুকাই থাকিব।

: কালিলৈ ব'দ হব।

: কেনেকৈ জানিলা?

: বাতায় কপিলা, বিদ্যুদাত পায়াতি লোহিণী

পীতা ভবতি বৰ্ষায় দুৰ্ভিক্ষাঃ সিতা ভবেৎ।

কপিল ৰঙৰ মেঘে আনে ধুমুহা।. ৰঙাই আনে খৰ। বগাৰঙৰ মেঘে আনে দুভিক্ষ আৰু পীতৰঙী মেঘে নমায় বৰষুণ। পূবৰ ৰঙা মেঘখিনি এইমাত্ৰ লুকাই পৰিল এন্ধাৰত। কালিলৈ নিশ্চয় বতৰ ফৰকাল হব।

: আই বেটু, কালিলৈ যদি কিন্‌কিনীয়া বৰষুণ নহয়।

মই একো নকলোঁ। মাত্ৰ আমাৰ চকুৰ আগতে লাহে লাহে গাঢ় হৈ অহা এন্ধাৰবোৰ চাই চাই অভিভূত হৈ পৰিছিলোঁ। আমাৰ বাহুখনে ছটিয়াই থৈ যোৱা পোহৰখিনিক ঠেলি থকা এন্ধাৰবোৰলৈ চাই থাকোতে কেতিয়াবা এসময়ত তেওঁৰ ফালে দৃষ্টি আনি চাই আছিলোঁ মই মনেই কৰা নাছিলোঁ।

: ৰো, হোৱাট হেভ্ ইউ চীন ইন মী ?—তেওঁ সুধিলে।

: এ স্নেক—মই কলোঁ।

: আৰু তুমি বিশ্বাস কৰিবানে মই তোমাৰ তাত ইমানপৰে কি দেখিছোঁ ?

: কি বাৰু ?

: এন ঈগল্।

সঁচাকে হোমেন বৰগোহাঞিৰ সাপ বোলা কবিতা এটাৰ কথা সেই মুহূৰ্ত্তত মোৰ মনলৈ আহিছিল।

: আহ্ ছী ভাট্ ছী ভাট্—। সৰু ছোৱালী এজনীৰ দৰে উত্থাউল হৈ তেওঁ হাত দুখন জোকাৰি জোকাৰি মোৰ বুকুত কেইটামান থাপৰ মাৰি পূৰপিনে আকাশলৈ দেখুৱালে। মই দেখাই নাছিলোঁ। মটৰৰ পোহৰে আমাৰ চকুত চমক্ লগাইছিল। দূৰত ভাবিছিলোঁ এন্ধাৰ বুলি, কিন্তু আচলতে এন্ধাৰ নাছিল। আমাৰ চাৰিওপিনে পূৰ্ণিমাৰ উদিত চন্দ্ৰৰ পোহৰে উদ্ভাসিত কৰি তুলিছিল। তাওৰ এখন কাঁহীৰ দৰে সোণালী জোনটো উঠি অহা দেখি তেওঁ উত্তেজনাত বলিয়াৰ দৰে হৈ পৰিছিল। অকমান অবুজ শিশু এটয়ে সোধাৰ দৰে তেওঁ সুধিলে: তুমি ইমান পৰে দেখাই নাছিলা ?

: উহুঁ। যন্ত্ৰচালিতৰ দৰে মই স্বীকাৰ কৰিছিলোঁ। কিয়নো তাইৰ বলিয়ালি দেখি সহযাত্ৰীসকলৰ কেবাযুৰিও চকুৱে উদ্‌গ্ৰীৱ হৈ আমাৰ ফালে চাইছিল।

: হেভ্ ইউ এভাৰ বীন টু হাফ্‌লং ?

: ইয়েছ অন্‌লি ওৱানছ খো ফাৰ।

: আকৌ কেতিয়াবা গলে লেকৰ ওচৰত থকা টিলাটোত এনে জোনাক ৰাতি বহিবাচোন। মনত এনে ভাব হব যেন বাস্তি নামি আহি তোমাৰ ওচৰতে বহি কথা পাতি আছে।

: তাৰ বাবে হাফলঙলৈ যাব নেলাগে নহয়। তেজপুৰৰ অগ্নিগড় পাহাৰত, পদ্ম-পাৰ্কত বহিলেও হব।

: মইও গৈছোঁ তালৈ। কিন্তু হাফলঙ হাফলঙেই। তুমি শিলঙৰ পৰা হাফলঙলৈ নিশ্চয় যোৱা নাই। ক্লাইবিয়েটৰে গৈ কপিলী, দৈয়াং পাৰ হৈ কেতিয়াবা হাফলঙলৈ যাবাচোন, তুমি আচৰিত হবা অসমৰ প্ৰতি প্ৰকৃতি যে ইমান পক্ষপাতদুষ্ট হব পাৰে। ব'বা এতিয়া কি পালোঁ বাৰু ?

: কাপাচিটি।

: মানে ?

: এবাৰ এগৰাকী হোজা ধৰণৰ নেতা স্বৰ্গীয় নেহৰুৰ লগত ট্ৰেইনত একেলগে ক'ৰবালৈ গৈছিল। ৰাতি। থ্ৰু ট্ৰেইনখনৰ স্পীড এঠাইত কমি আহিল। তেতিয়া নেহৰুৱে সঙ্গীজনক সুধিলে— আৰ উই এপ্ৰ'ছিং ছাম চিটি ?

তেওঁ খিৰিকীৰ ছাটাৰ খুলি বাহিৰলৈ জুমি চাই পঠিয়ালে। আৰু কলে : ইয়েছ ছাৰ, কাপাচিটি।

নেহৰুৱে প্ৰথমতে একো বুজিব পৰা নাছিল। কিছুপৰ যোৱাৰ পাচত নেহৰুৱে বুজি পালে যে তেওঁলোকে এটা সৰু ষ্টেচন পাৰ হৈ গৈছে। আৰু সঙ্গীৰ ভুলটো বুজিব পাৰি হো-হোকৈ হাঁহি দিলে আৰু লাহেকৈ সুধিলে—হাউ মেনি গ্যালনছ—বুলি। হোজা বন্ধুৱে তেতিয়াও নিজৰ ভুলটো ধৰিব নোৱাৰিলে। কিন্তু নেহৰুৱে ইহা দেখি তেৰোঁ হাস্যকৰ কিবা বুলি ভাবি হাঁহিত যোগ দিলে।

: পিছে কি হ'ল ? তুমি তো সেই বুৰ্বক নেতাজন নহয়।

: এয়া বোধকৰোঁ যোৰহাট পালোঁহিয়েই। বাহিৰত একো দেখা নাই। খুব পোহৰত থকাৰ এই এক অসুবিধা।

: খুব পোহৰত থকা আৰু আয়নাৰ ঘৰত থকা একেই কথা। ইউ এক্সপোজ ইয়ৰছেল্‌ফ টু ডেঞ্জাৰ।

যোৰহাট আচলতে বেলি থাকোঁতেই পাব লাগিছিল। কিন্তু কি ক'বা, দেখিলাই নহয় কন্‌ডাক্টৰজনৰ কথা ৰে ৱার্ড ষ্টেচনবোৰত। লাহেকৈ বাছৰ পৰা নামিব, গৰ্ভৱতী তিৰোতাই হাৱা খোৱা খোজেৰে

ষ্টেচনলৈ যাব, অলপ পাচত সেই একে বেগেৰেই ওচৰৰ পান-দোকানলৈ আহিব, তাতে যাত্ৰীকৈ এখন জৰ্মোল খালে বা চিগাৰেট এটাকে জলালে আৰু দোকানীৰ লগত অলপ চুপতি মাৰিলে। চিগাৰেট হোঁপাও শেষ হয়, গাড়ীও এৰে।

: এয়া জেগাৰ দোষ বুইছা। কোনোবা এজন চাহাবে অসম্ভৱ কথা লেখোঁতে কৈছিল নহয়—ইয়াৰ ক্লাইমেট ইমান বেয়া যে, হোৱেন এ ডগ ছেজেছ এ হেয়াৰ, দে বোথ ওৱাক। কথাষাৰ মিছা নহয়।

মই তেওঁৰ কথালৈ সিমান মন দিয়া নাছিলোঁ, যিমান দিছিলোঁ ৰবী আৰু চলিহাৰ কথাত। গাড়ীৰ শব্দৰ ফাঁকে ফাঁকে দুই-এষাৰ কথা কাণত পৰিছিল যদিও একো বুজিব পৰা নাছিলোঁ। আমাৰ পাচফালে বহা কলেজীয়া ল'ৰা দুজনো বেছ মুখৰ হৈ পৰিছিল। বাছ যিমানে যোৰহাট ষ্টেচনৰ ওচৰ চাপিছিল সিমানে ল'ৰা দুজনো ব্যস্ত হৈ পৰিছিল। অৱশেষত বাছখন আহি যোৰহাট ষ্টেচনত সোমাই বৈ গ'ল।

ল'ৰা দুজনৰ ধাৰণা ঠিকেই আছিল। চলিহা আৰু ৰবী নামি একেখন বিস্নাতে গুচি গ'ল। দূৰৰ আন্ধাৰত নেদেখা হোৱালৈকে মই তেওঁলোকৰ ফালে চাই আছিলোঁ। ল'ৰা দুজনে উত্তেজিত হৈ হেণ্ডশেক কৰিলে। দুয়োৰে ধাৰণা যে কিমান নিৰ্ভুল আছিল তাকে লৈ আলোচনা চলিল। কোনজনে কি কাৰণত এনে এটা পৰিণতি হব বুলি ধৰিব পাৰিছিল সেই লৈ বাছৰ ভিতৰত প্ৰকাণ্ড আলোচনা চলিল। ষ্টেলিনৰ জীয়েকে ভাৰতৰ এগৰাকী বজাৰ ড্ৰয়িংৰুমত লাভ কৰা অভিজ্ঞতাৰ যি বৰ্ণনা দিছিল সেই বৰ্ণনা আমাৰ তাত একেবাৰে মিলি পৰিছিল। ৰবী আৰু চলিহা আৰু এই ল'ৰা দুজনেও আমাক—বাছৰ ভিতৰৰ আন মানুহবোৰক কেইখনমান আসন বুলি ধৰি লোৱা যেন লাগিছিল।

: হোৱাট ডু দে ছে?

: এবাউট দেম।

ৰবী আৰু চন্দ্ৰিহাৰ মতিগতি ইমান চকুত পৰা বিধৰ হৈছিল যে তেওঁ বুজি পোৱাত অকণো অসুবিধা নাপালে।

: দে মাইট বী ব্ৰাদাৰ এণ্ড ছিষ্টাৰ।

: হী হেজ নো ছিষ্টাৰ—আই নো।

: দে বী ক্লোজ ৰিলেশ্যন।

: এবাউট ৰিলেশ্যন আই কাণ্ট্ ছে. দেট দে আৰ ক্লোজ উই অল নো।

: তোমাৰ মনটো বৰ বেয়া।

: স্পেদক আমি স্পেদেই বোলোঁ।

: এইখন নাচনী তিৰোতাৰ দেশ হবই আৰু! নোহোৱাটোহে আচৰিত।

মই গহীন হোৱা দেখি তেওঁ ৰসিকতা কৰি কৈছিল। মোৰ মনত পৰিল দেৱগাঁৱৰ দেৱদাসী আৰু নেঘেৰিটিঙৰ কথা কওঁ কওঁ বুলিও পাহৰি থাকিলোঁ। যোৰহাটত অন্ততঃ কুৰিটা মিনিট ৰ'ব। অফুৰন্ত অৱসৰ। কাজেই মই আৰম্ভ কৰিলোঁ।

: তোমাক দেৱগঞা নাচনীৰ যে কথা কৈছিলোঁ?

: অ' কোৱাচোন।

: দেৱগাঁৱৰ উত্তৰে সেয়া নেঘেৰিটিং দেৱালয়। সেই টিং বা টিলাত এসময়ত বহুতো টিপচী চৰাইৰ বাহ আছিল। টিপচী চৰাইৰ আন এটা নাম নেঘেৰি। কাৰো কাৰো মতে বজাৰ কেবাজনীও লিগিৰী সেই ঠাইৰ পৰা নিয়া হৈছিল। লিগিৰীৰ পৰাই নেঘেৰী। সেইবাবেই তাৰ নাম নেঘেৰিটিং।

: নেঘেৰি ফ্ৰম বাৰ্ড?

: ইয়েছ, নেঘেৰি ইজ এ স্মল টাইপ অফ্ বাৰ্ড। নেঘেৰিটিঙৰ দ'ল শিৱদ'ল। ১৭৫৫ নে কিমান চনত স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহই এই দ'ল নিৰ্মাণ কৰিছিল এক কিম্বদন্তীক আশ্ৰয় কৰি। প্ৰাচীন কালত

ঔৰ্ব্ব ঋষিয়ে হেনো এই ঠাইতে দ্বিতীয় কাশীধাম প্রতিষ্ঠাৰ স্বপ্ন দেখিছিল আৰু সেই প্ৰচেষ্টাৰে অসংখ্য শিৱলিঙ্গ প্ৰতিষ্ঠা কৰি বাণলিঙ্গৰ পূজা কৰিছিল।

এই অঞ্চলত বাণলিঙ্গৰ প্রতিষ্ঠা কৰিছিল স্বৰ্গদেউ লক্ষ্মীসিংহই। এই অধিষ্ঠাতৃ দেৱতাৰ প্রতি লক্ষ্মীসিংহৰ ইমান অনুৰাগ বাঢ়িছিল যে গড়গাঁৱত তেওঁ স্নান কৰি ওলোৱাৰ লগে লগে প্ৰত্যুষতে এই মন্দিৰৰ নিৰ্মালি গ্ৰহণ নকৰালৈকে ৰাজকাৰ্য্যত হাত দিয়া নাছিল। এই নিৰ্মালি নিবলৈ নিতৌ নিশা ঘোঁৰাৰে চিন্তামণি গড়েদি ৰঙ্গাৰ মানুহ আহিছিল। এই মন্দিৰতে নাচিছিল দেৱগণ্ডা নাচনীয়ে। এই নাচনীহঁতক কৈছিল দেৱদাসী বা নটী বুলি। অসমৰ তিনিখন ঠাইত এনে দেৱদাসী আছিল। ডুবি, হাজো আৰু দেৱগাঁৱৰ এই ৰঙ্গাবাহৰত। ডুবিৰ দেৱদাসীক সাধাৰণতে নটী বুলি কোৱা হৈছিল, কিয়নো ডুবিৰ এই তিৰোতাসকলে পিচলৈ যাত্ৰাপাৰ্টিত, থিয়েটাৰত ভাও লোৱা দেখা গৈছিল। যি সময়ত যাত্ৰা-থিয়েটাৰত নমাটো ভদ্ৰজনোচিত বুলি ভবা নাছিল সেই সময়তে ডুবিৰ নটীয়ে বীণাপাণি অপেৰা আদি যাত্ৰাপাৰ্টিত যোগদান কৰিছিল।

: দেৱদাসী মানে কি জানা ?

: কি বাৰু ?

: মেইড্ অব্ গড। যিয়ে গডৰ অৰ্থাৎ দেৱতাৰ মন সন্তুষ্ট কৰিবৰ বাবে নাচিছিল—সেয়ে দেৱদাসী !

: দেৱতাৰ সন্তুষ্টিৰ কাৰণে নে ভক্তসকলৰ সন্তুষ্টিৰ কাৰণে নাচিছিল বাৰু ?

: আগেয়ে কি আছিল কব নোৱাৰোঁ, পাচলৈ কিন্তু ভক্তসকলৰ মনোৰঞ্জনৰ বাবেই দেৱদাসীয়ে নাচিবলগীয়াত পৰিছিল। সেই বাবেই পাচত নটী শব্দটোৰ অৰ্থই বিকৃত হৈ পৰিছিল আৰু দেৱদাসী মন্দিৰৰ পৰা ওলাই আহিছিল ৰাজপথলৈ।

: পুৰণি কালত এনে দেৱদাসী বেবিলনৰ মিলিট্ৰা মন্দিৰত, ইজিপ্টৰ অচিৰিচ আদি মন্দিৰতো আছিল।

: সেইবোৰৰ কথা নাজানোঁ; কিন্তু আমাৰ ভাৰতবৰ্ষত বহুতো মন্দিৰত দেৱদাসী আছিল। আৰু পাচলৈ এই দেৱদাসীক কেন্দ্ৰ কৰি ইমান ব্যভিচাৰ হৈছিল যে ১৯২৭ চনত মুথুলক্ষ্মী ৰেড্ডিয়ে মাদ্ৰাজ বিধান সভাত ঘোৰতৰ বাকযুদ্ধ কৰি এই প্ৰথাৰ বিলোপ-সাধনৰ বাবে বিল পাছ কৰাবলগীয়া হৈছিল।

: তোমালোকে নাৰীক লৈ দেখিছোঁ কম কৰা নাই।

: কৰিছোঁতোন। নাৰীক বিক্ৰী কৰি কল কিনি ভুৰ সাজি বৰ লুইত পাৰ হৈছোঁ। নাৰীক উপঢৌকনস্বৰূপে দি বিদেশী ৰজাৰ লগত মিত্ৰতা কৰিছোঁ, নাৰীক উৎকোচ স্বৰূপে প্ৰদান কৰি পৰাক্ৰমী শত্ৰুক শান্ত কৰিছোঁ আৰু নাৰীসঙ্গৰে পুৰস্কৃত কৰি সমৰকালীন ক্ষিপ্ৰতাৰে বণুৱা-হজুৱাৰ হতুৱাই ৰণসজ্জা কৰাইছোঁ। আৰু নাৰী-সঙ্গ দিয়াই অপৰাধীৰ শাস্তি বিধানো কৰিছোঁ।

: নাৰীসঙ্গেৰে শাস্তি বিধান?

: অঁতোন। অন্ত্যজ নাৰী বিবাহ দিয়াই শাস্তি বিধান কৰা প্ৰথা আমাৰ অসমতো আছিল।

বুৰঞ্জী পঢ়িলে আমি পাওঁ—শৰাইঘাটৰ যুদ্ধৰ আগে আগে তামদলৈয়ে ৰজাত জনালে খাৰৰ নাৱে এপেৰাও নাই, গুলীৰ নাৱে চাৰিপেৰাও নাই, কাঁড়ৰ নামেৰে এটা কাঠিও নাই। স্বৰ্গদেৱে তৎক্ষণাৎ নাওশলীয়া বৰুৱা ওজাক বঁটা-বাহন দি নাও সজালে। ৰজাই নগৰতে কাঁড়ঘৰ, খাৰঘৰ কৰালে। চুণপোৰা ঘাটৰ ওচৰত কমাৰশাল পতালে। কাঁড়ীক, কাঁড় মৰাই, হিলৈদাৰীক হিলৈ মৰাই, বাকৰতীক বাক চলাবলৈ কৈ ৰূপ, কাপোৰ, তিৰোতা, লোণ আদি দি উছাহ দিলে। কামায়ণ, টোৰা, জম্বুৰ, গঠীয়া জম্বুৰ, কৈঁচাইখাতী, পহলঙী, পাথৰ কলাই আৰু বৰটোপ সজোৱালে।

এয়া আহোম ৰাজত্বত তিৰোতাৰ ব্যৱহাৰ সম্পৰ্কে এটা দিশ

দেখুৱা হ'ল। আকৌ পুঃ পুঃ চতুৰ্থ শক্তিকান্ত মেগাষ্থিনিছে কি লিখিছে চাওক—ভাৰতবাসীয়ে বহু বিবাহ কৰে। এহাল গৰুৰ বিনিময়ত তেওঁলোকে মাক-বাপেকৰ পৰা কইনাক লৈ আহে। এই কইনা বা তিৰোতাবিলাকৰ কিছুমান হয় পৰিচাৰিকা, কিছুমান অঙ্কশায়িনী আৰু কিছুমান হয় সন্তান জন্মদাতৃ।

কিছুমান তিৰোতা আকৌ মাক-বাপেকৰ ঘৰৰ পৰা কিনা হয়। তেওঁলোকৰ ওপৰত ৰজাৰ শৰীৰ-ৰক্ষাৰ ভাৰ অৰ্পিত হৈছিল। এওঁলোকেই মৃগয়াকালত ৰজাক পৰিবেষ্টিত কৰি ৰাখিছিল।

এই ব্যৱস্থা আছিল তেতিয়া, যেতিয়া ভাৰতবাসীয়ে বয়সতকৈ বেছি শ্ৰদ্ধা আৰোপ কৰিছিল প্ৰতিভাৰ ওপৰত।

মনুসংহিতাত আছে—

আপদৰ্থং ধনং ৰক্ষেদ্দাৰান্ ৰক্ষেদ্ধনৈৰপি।
আত্মানং সততং ৰক্ষেদ্দাৰৈৰপি ধনৈৰপি॥

ৰাজকুলে আত্মৰক্ষাৰ বাবে ধন, স্ত্ৰী সকলো বিসৰ্জন দিব পাৰে।

: পুৰণিকালত তিৰোতাৰ ব্যৱহাৰ শীৰ্ষক তুমি এখন দীঘল ৰচনাই লিখিব পাৰা। তিৰোতাৰ কথা বাৰু বুজিলোঁ, কিন্তু আহোম ৰজাই ৰণুৱাবোৰক লোণ দিছিল কলেই?

: লোণ সেইদিনত মহঙা আছিল। লোণ ইমান দুষ্প্ৰাপ্য আছিল যে মানুহে কৈছিল লোণ দানে সোণ দানে সমান বুলি। দেৱতাক সন্তুষ্ট কৰিবলৈকো মানুহে লোণহে থৈছিল মন্দিৰত।

অসমত সাগৰ নাছিল, আছিল লোণৰ পুং। নামচাঙৰ টাবিংজান, শদিয়া আৰু মহঙৰ লোণৰ পুং আছিল বিখ্যাত। নগা পৰ্বতত্তে আটাইতকৈ বেছি লোণ পুং আছিল গুণে আহোম ৰজাসকলে নগাসকলেৰে ভৈয়ামৰ মানুহৰ লোণৰ বেপাৰ চলিবৰ বাবে বিভিন্ন ঠাইত নগাহাট পাতি দিছিল।

এই লোণ লৈয়ে কছাৰী-আহোমৰ কত ৰণ। এই লোণ লৈয়ে বিদেশী বেপাৰীৰ কত উৎপাত অসমে সহ্য কৰিছে। হাদিৰাচকীৰ

কথা যে কৈ আছিলোঁ, সেয়া বিশেষকৈ লোণৰ বাবেই কৰা হৈছিল। চকীৰ বহীয়াসকলক ষোচ দি লোণ পাৰ কৰাই সেই সময়তো লোণৰ ক'লাবজাৰ চলাইছিল। এনেবোৰ উৎপাতৰ বাবে, বিশেষকৈ মাৰ্কমবীয়া বিদ্ৰোহৰ অশান্ত পৰিস্থিতিৰ বাবে লোণৰ দাম যোৱা মহাসমৰত যিমান হৈছিল তাতকৈও বহুগুণে বেছি হৈছিল। মোনে আশী টকাৰ পৰা এশ টকা পৰ্য্যন্ত হৈছিল লোণৰ যাম।

: নগাৰ লগত বেপাৰ কৰিছিলা নে এক্সপ্লইট কৰিছিলা?

: অসমীয়া মানুহে কোনোদিন কাকো এক্সপ্লইট কৰা নাই। ইট ইজ নট্ ইন দেয়াৰ গ্ৰেইন। তুমি এক্সপ্লইট কৰাৰ এটা কংক্ৰিট ইন্সটেঞ্চ দেখুৱাব পাৰিলে মই এই মুহূৰ্তে মটৰৰ পৰা নামি যাম।

: ডন্ট্ টেক্ ইট্ ছিৰিয়াছলি। মটৰৰ পৰা নামি যাব নালাগে। মই তেনে ইন্সটেঞ্চ দেখুৱাব নোৱাৰোঁ। এনেয়ে কৈছোঁ তোমাক।

এনে প্ৰশ্ন উঠিলে মই সঁচাকে ছিৰিয়াছ হৈ ভাবোঁ, আমাৰ অসমীয়া মানুহে ক'ৰবাত কাৰোবাক এক্সপ্লইট কৰিছে নেকি? বিশেষকৈ পাহাৰীসকলক অসমীয়া মানুহে এক্সপ্লইট কৰাৰ কথা চবেই কয়। কিন্তু ক'তা, খাছীয়া পাহাৰ, গাৰোপাহাৰ, মিজোপাহাৰ কতো দেখোন অসমীয়া মানুহে ব্যৱসায় বাণিজ্য কৰা নাই। অসমীয়া ভাষা-সংস্কৃতি কাৰো ওপৰত জাপি দিয়াৰ চেষ্টা চলোৱা নাই। সংখ্যালঘুসকলৰ মতামতৰ প্ৰতি অসমৰ নেতাই যিমান মৰ্য্যাদা দিছে সিমান বেছি মৰ্য্যাদা স্বাধীন ভাৰতৰ আন কোনো ৰাজ্যৰ নেতাই দিছে নে নাই সন্দেহ। অথচ সংখ্যালঘুসকলৰ প্ৰতি অবিচাৰ কৰা বুলি অসমৰ নেতাই ঘৰে-পৰে যিমান গৰিহণা পাইছে আন কোনো ৰাজ্যৰ নেতাই সিমান পোৱা নাই।

: কিনো ভাবি আছাহে? তেনেদৰে গহীন হৈ থাকিলে মই ভাবিবলৈ বাধ্য হম তুমি মোক ক্ষমা কৰিব পৰা নাই।

: কিহৰ ক্ষমা?

: সেই যে লাইট্লি তোমাক কলোঁ কথাবাৰ।

: মই তোমাৰ কথাবাৰ ভৰা নাই হে; কিন্তু তোমাৰ কথাবাৰ শুনি অসমীয়া মানুহৰ ওপৰত মিছামিছি জাপি দিয়া অজস্ৰ বদনামৰ কথা মনলৈ আহিছে। কিমান যে মিছা সেই বদনামবোৰ তোমাক মই কিদৰে বুজাম।

: বদ ভাল হেনো, বদনাম কিন্তু বেয়া; তেনে এষাৰ কথা আছে নহয়।

: জানো। কিন্তু উপায় কি? তুমি কি মই নাজানো, কিন্তু এইটো জানো যে তুমি আনকাল্‌চাৰড্‌ নহয়। তুমি বহুত কথাও জানা। কিন্তু তুমিওতো সেই একে ভুলকে কৰি আছা?

: ছাট্ আপ। তুমি যদি এই একেষাৰ কথাকে ছুনাই কোৱাঁ এইবাৰ মই নামি যাম। তুমি চকু মুদি আছা নেকি? এই বাছখনত মাৰোৱাৰী, দেছোৱালী, বঙালী কিমানবোৰ অনা-অসমীয়া যাত্ৰী আছিল। সেই মৈমনসিঙীয়াজনো আছিল। ইমানবোৰ থাকোঁতেও আটাইৰে পৰা আঁতৰি আহি তোমাৰ ওচৰত ঠাই লৈছোঁহি। মই খাছীয়া পাহাৰৰ এজনী সাধাৰণ ছোৱালী। মোৰ সাধাৰণ বিচাৰ-বুদ্ধিৰে এটা কথা জানো যে, খাছীয়া পাহাৰখন অসমৰ বুকুৰ পৰা উঠাই নিব নোৱাৰি। আমি চিৰদিন অসমৰ বুকুতে থাকিব লাগিব। বাহিৰৰ জগতৰ লগত মিলিব লাগিব অসমৰ মাটিকে গছকি। সেইবাবে মই মনে-প্ৰাণে বিশ্বাস কৰোঁ। পৃথিৱীত যদি আমাৰ আপোন কোনোবা আছে, সেয়া হ'ল অসমীয়াসকল।

আমি সঁচাকে বহুত আঁতৰি আহিছোঁ। ভৈয়ামৰ ৰজাসকলে হিন্দুধৰ্মক ৰাজধৰ্ম কৰি প্ৰথমে পাহাৰৰ পৰা আঁতৰি আহিল। কছাৰী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত মাধৱ কন্দলীয়ে ৰামায়ণ অসমীয়ালৈ ভাঙিলে, আনহাতে আহোম ৰজা শিৱসিংহ, ৰুদ্ৰসিংহ, ৰাজেশ্বৰ সিংহই হিন্দু মঠ-মন্দিৰ, দ'ল-দেৱালয় সজাই ৰাজকোষ উদং কৰিলে। হিন্দুধৰ্মৰ প্ৰাদুৰ্ভাৱ ইমান বেছি হ'ল যে, পাচলৈ পৰ্বত-ভৈয়ামৰ মাজত বৈবাহিক মিত্ৰিবালি পতাটোও বন্ধ হৈ গ'ল।

তাৰ পিচত বৃটিছ শাসনৰ লগে লগে সোমালহি খৃষ্টান মিছনাৰীসকল। মিছনাৰীৰ প্ৰভাৱত পৰ্বত এইবাৰ ভৈয়ামৰ পৰা আৰু আঁতৰি পৰিল। ফলা বাঁহ জোৰা নেলাগে বুলি এবাৰ কথা আছে। আমাৰ অসমৰ পৰ্বত-ভৈয়ামো কেতিয়াবা যে আকৌ জোৰা লাগিব আশা নাই।

কিন্তু সাধাৰণ মানুহ হিচাপে পৰ্বত-ভৈয়ামৰ মানুহৰ মাজত মনৰ অমিলতো কতো নাই। এই লবীৰ কথাই চ'ক—আমি আজি প্ৰায় গোটেই দিনটো কটালোঁ একেখন মটৰতে, একেটা ছিটতে বহি; কতা এবাৰতো ভাব নহ'ল তেওঁ যে ক'ৰবাৰ বেলেগ ছোৱালী। তেৰোঁ নিশ্চয় মোক পৰ বুলি ভবা নাই এবাৰো। নহলে বাছত ইমানবোৰ খালী-ছিট ওলাল, তেওঁ এবাৰোতো আঁতৰি যোৱাৰ কথা নাভাবিলে।

হঠাৎ পিচপিনে এটা হুলস্থুল লাগি পৰিল। কাৰোবাৰ চিঞৰ, কাৰোবাৰ ধমকনি, কোনোবা ছোৱালী এজনীৰ কান্দোন। আৰু মাৰ মাৰ শব্দ, হিন্দী অসমীয়া মিহলি গালি আৰু শেষত এখন গাড়ী গুচি যোৱাৰ আৱাজ। খন্তেকতে আমাৰ বাছখনৰ চাৰিওপিনৰ পৰিবেশটো হুলস্থুলীয়া হৈ পৰি আকৌ খন্তেকতে শান্ত হৈ পৰিল।

পাচফালে চাই মই একো ধৰিবই নোৱাৰিলোঁ। মাত্ৰ মোৰ কলেজীয়া জীৱনত দেখা এটা ঘটনালৈ মনত পৰিছিল। গুৱাহাটীৰ ৰাস্তাত দিন-দুপৰত হঠাৎ কিবা এটা বোমা ফুটাৰ দৰে শব্দ হ'ল। ৰাস্তাটো ধোঁৱাৰে আৱৰি ধৰিলে। আৰু হঠাৎ ধোঁৱাৰ মাজৰ পৰা এখন মটৰ গাড়ী ভচ্ কৰে ওলাই খুব জোৰেৰে গুচি গ'ল। ধোঁৱাখিনি পাতলি যোৱাত দেখিলোঁ, এখন বিস্নাত এজন মানুহ বিমূঢ় হৈ বহি আছে আৰু ওচৰতে হাতত বন্দুক আৰু কান্ধত কাৰ্টুজৰ পেটি লৈ আন এজন মানুহ মূৰ্তিৰ দৰে নিশ্চল হৈ থিয়হৈ আছে।

পাচত জানিব পাৰিলোঁ যে বেঙ্কৰ দুইলাখ টকা ডকাইতি হৈছে।

এই ঘটনাটোও বুজিবৰ বাবে মই চেষ্টা কৰিলোঁ। বেছ শংকিত হৈ পৰিছিলোঁ ৰাতি এক্কাৰত ঘটনাটো ঘটা দেখি। অলপ পাচত দেখা গ'ল এজন ডেকা ল'ৰা বাছৰ' পাচফালৰ পৰা ফটা-চিটা ক'লা দাগ লগা কাপোৰ-কানি পিন্ধি সন্তৰ্পণে আহি বাছত উঠিছেহি। আন এজন ডেকা ল'ৰাই তাৰ কান্ধত হাত থৈ তাক যেন কিবা দুখৰ বাবে সান্ত্বনা দিবলৈ চেষ্টা কৰিছে।

আইৰিলা বোধকৰোঁ ভয়তে হতবাক হৈ পৰিছিল। আজি-কালিৰ চহৰবোৰ ৰাতিৰ লগে লগে কি যে এক ভয়াবহ অৰণ্যত পৰিণত হয়, তেওঁ ভয় খোৱাটো স্বাভাৱিক। মই ঘটনাটো একেবাৰে সাধাৰণ বুলি বুজাবৰ বাবে কলোঁ: ইটছ নাথিং।

: হোৱাট্‌ছ দ্য মেটাৰ?

ঘটনাটো কি ময়ো সঠিক বুজিব পৰা নাছিলোঁ। বুজিবৰ চেষ্টা কৰি ঘূৰি চালোঁ। আমাৰ আগফালে মাত্ৰ আদহীয়া মানুহ তিনিজন আৰু এটা সৰু ল'ৰা বহি আছিল। আমাৰ ওচৰত বহি অহা সৰু ল'ৰাটো কেতিয়াবে আগলৈ গৈছিল মই কৰই পৰা নাছিলোঁ। পিচপিনে কলেজীয়া ল'ৰা দুটা এতিয়াও বেছ সজীৱ হৈ বহি আছে। বৰপেটা আৰু নলবাৰীৰ যাত্ৰী দুগৰাকী বাহিৰত চিগাৰেট হুপি নিৰ্বিকাৰ হৈ বৈ আছে। এটা ছিটত এহাল ডেকা-গাভৰু বহিছে। একেবাৰে পিচৰ ছিটত দুজনমান নেপালী মানুহ বহিছে। তাৰে একাষে এটা চুকত দুয়ো বন্ধু বহিছে। ইজন ডেকাৰ কানি-কাপোৰ ঠিকেই আছিল, বাকীজনৰ হে কাপোৰ-কানি ফালি ক'লা দাগেৰে চিত্ৰ-বিচিত্ৰ হৈ পৰিছে।

এনেতে বৰপেটাৰ ভদ্ৰলোক গাড়ীৰ ওচৰলৈ আহিল আৰু তলৰ পৰাই ডেকা দুজনলৈ চাই কলে: বাটৰ কচু কটিত ঘেস্তেই লোৱা, পাইছা এথেন।

: ডেকা ছলি কৰ্‌ছিল দিয়া আৰু।

নলবৰীয়া ভদ্ৰলোকৰ কথাবাৰ শুনি বৰপেটীয়াজনে কলে:

ইমুত বয়সৰ কথা নাই বুজায়। বুঢ়াও আছে পঢ়পৰ নম্বৰ ছুৰী হেন।

বাটৰ কচু টিকাত ঘঁহি লোৱাৰ দৰে ভুল কৰিছেনে বয়সৰ প্ৰশ্ন নাই বুজিলোঁ। আগৰ জাৰ্মানী No.55 ছুৰীৰ তীক্ষ্ণতাৰ কথা মনত আছে। দেউতাইহঁতক তাৰে ডাঢ়ি খুৰোৱাও দেখিছিলোঁ। যিমানে দিন হ'ব, যিমানে ক্ষয় যাব, সিমানে তীক্ষ্ণতাও বাঢ়ি যায় সেইবোৰ ছুৰীৰ। এনে প্ৰকৃতিৰ বুঢ়া মানুহো দেখিছোঁ। কিন্তু এই ঘটনাটো কি আছিল বাৰু?

এইবাৰ পিচপিনৰ কলেজীয়া দুজনৰ এজনে কৈ উঠিল: এনে মানুহৰ প্ৰতি কোনো ছিম্পেথি নাই বুজিছা। কাৱাৰ্ড এটা।

: মটৰত যে লৈ গ'ল কোন বাৰু?

: ছোৱালীৰ ককায়েক আৰু তাৰ বন্ধু-বান্ধৱ হ'ব।

আহ্—'শিকোৱা কুছভী নহী মুঝে
তেৰী বেওফাইকা
গিলা যব হো কী তুমনে নিভাই হো
কিসীসে।'

এজনৰ সায়েৰ শুনি ইজনে পৰিবেশটোলৈ অৱজ্ঞা কৰি চিঞৰি উঠিল: বাহ্‌বা বাহ্‌বা লাজবাব। এৰা, ককায়েক লৈ গৈছে যদি আপত্তি কৰিবলগীয়া একো নাই।

: এতিয়াহে বুজিলোঁ।

: কি বাৰু?

শিৱসাগৰ বা গোলাঘাটৰ ছোৱালী। ডেকা ল'ৰাই লৈ আহিছিল এফিডেভিট কৰি বিয়া কৰাবলৈ। বিয়া ৰোধকৰো কৰালেও। বাতিৰ আশ্ৰয় লৈ গোপনে যোৱাৰ ব্যৱস্থাও কৰিছিল। কিন্তু ককায়েকহঁতে খবৰ পাই ডেকাজনক উত্তম-মধ্যম দি ঘৰৰ ছোৱালী ঘৰলৈ গ'ল।

আইবিলাই কথাবাৰ শুনি একো মন্তব্য নিদিলে। মই অনুভৱ পম পালোঁ তেওঁ এটা দীঘল হুমুনিয়াহ কাঢ়িছে—খুব চেপি চেপি সন্তৰ্পণে। সেই হুমুনিয়াহ অনুভৱে অস্তিত্ব হব পাৰে।

এইবাৰ বাছ চলিল। চহৰৰ আলিবাটত নিয়ন লাইটৰ পোহৰত জোনাক অস্তিত্বহীন হৈ পৰিছিল। সেইখিনিতে আলি-বাটটোত কোনো ভাঁজ নাছিল। একেবাৰে পোন আছিল। আইবিলা একেবাৰে নিথৰ-নিস্পন্দ. হৈ বহি আছিল। হঠাৎ তেওঁ সুধিলে: আৰ দে ট্ৰাইবালছ?

: নো, আই থিংক নো।

তাৰ পাচত আকৌ নীৰৱতা। মই মনে মনে তেওঁৰ মনৰ ভাবটো বুজিব পাৰিছিলোঁ। আগেয়ে সঁচাকৈ মিৰি-কছাৰীয়েহে ছোৱালী পলুৱাই নিছিল। আজিকালি যে সকলোৱেই নিয়ে তেওঁ কেনেকৈ জানিব বাৰু? সভ্যতাৰ চাইকলত আমি আটায়ে আকৌ আদিম মানুহৰ পিচ লৈছোঁ। নাৰী আৰু মৃত্তিকাৰ ক্ষেত্ৰত আদিম মানুহৰ দৰেই 'জৰু জমীন জোৰকে নহীতো কিসী ঔৰকে' এই আপ্তবাক্যষাৰ মানি চলোঁ।

মোৰ ফালে চোৱা যেন দেখুৱাই তেওঁ পট্‌কৰে এবাৰ পিচলৈ ঘূৰি চালে আৰু তাৰ পাচত অলপ পৰ কিবা এটা ভাবি সহজ হৈ মোৰ মুখলৈ চাই সুধিলে: খো হোৱাট ইজ যোৰহাট?

নিজৰ ঠাইৰ নাম লৈ আগেয়ে পণ্ডিতসকলৰ মাজত ঘোৰ তৰ্কবাদ হৈছিল। এনে এখন তৰ্ক হৈছিল শংকৰৰ উপৰিপুৰুষ চণ্ডীবৰ ভূঞা আৰু নদীয়াৰ তৰ্ক-পণ্ডিত চন্দ্ৰকবিৰ মাজত। চণ্ডীবৰৰ গাওঁ আছিল গণকিয়াপুৰ। এতিয়াৰ বঙ্গ কি উত্তৰ প্ৰদেশত। চন্দ্ৰকবি আছিল আকৌ পণ্ডিত। চণ্ডীৰ গণকিয়াপুৰৰ বুলি শুনি চন্দ্ৰকবিয়ে:

উপহাস কৰি যেবে ব্ৰাহ্মণ বুলিলা।
গৰিয়া অধম বুলি হাসিবে লাগিলা॥
কুৎচিত গ্ৰামত থাকা গৰু হেন বুদ্ধি।
তাতেসে ইসব কথা কহিলা বিবুদ্ধি॥

চন্দ্ৰকবি পতনিৰ বুলি শুনি চণ্ডীবৰে কলে :

আমাৰ দেশত আছে ধনবন্ত জন।
বিত্ত দিয়া তেসবে কিনয় বান্দীগণ॥
বান্দীক লাগিয়া পাচে বন্ধা চপাৱয়।
...   .
তাৰ বীৰ্য্যে তাহাৰ তনয় বাঢ়ি যায়।
গৃহস্থসকলে ভাত পানী যৈত খায়॥
ওটাৰ কাখৰে তাক ককুৱাত কৰি।
বান্দীয়ে থোৱয় ভাত পানী দিয়া ভৰি॥
সেহি ভাত মধ্যে পাচে চিকা যাই পৰে।
তাৰ ঘ্ৰাণ পায়া জানা বাস্তি আসে ৰবে॥
বান্দীৰ ছৱালে তাক খাই সবে বেঢ়ি।
অৱশেষ পতনি তথাতে থাকে পৰি॥
গৰিয়াৰ লাদ আনি মিসল্যৱে পানী।
সিঞ্চিল মাত্ৰকে শুদ্ধ হোৱে ভূমি খানি॥

এবাৰ হেনো নগঞা আৰু শিৱসাগৰীয়াৰ মাজত এনেধৰণৰ এক তৰ্কবাদ হ'ল। শিৱসাগৰীয়াই কলে :

জিলাৰ নহয় তুমি গঞা নগাৱঁৰ।
কিতাহি মাৰিছা যেন বাৰু চহৰৰ॥

নগঞাজনে টপৰাই উত্তৰ দিলে :

খান্দিলা পুখুৰী কিন্তু সাগৰ নাম থলা।
গাওঁ নাম থলোঁ যদিও পাতিছিলোঁ জিলা॥

: বাদ দিয়া তোমাৰ বাজেমি। যোৰহাটৰ কথা কোৱাঁ।

যোৰহাটৰো তেনে কিবা ফকৰা আছে নেকি জানো? আজৰ যোৰহাট। ফিক্‌টিছু চেঙুৰীৰ ইতিহাসপ্ৰসিদ্ধ যোৰহাট। তেতিয়া নাম আছিল দিচৈ বাহৰ। আমাৰ সৌফালে যোৰহাট কাছাৰী এৰি থৈ আহিলোঁ। তাতে স্বৰ্গদেৱৰ বাহৰ আছিল। সেয়ে দিচৈ বাহৰ। আগৰ চহৰতলী হৈছিল ৰজা বা ৰাজবিষয়াক কেন্দ্ৰ কৰিহে।

দিচৈ বাহৰৰ কাষতে দুখন হাট বহিছিল। ফুকনৰ হাট আৰু মাছৰ হাট। এই এযোৰ হাট বহিছিল বাবেই কালক্ৰমত দিচৈ বাহৰ গুচি যোৰহাট হ'ল। যোৰহাট নগৰৰ আচল গোড়াপত্তন হয় কুৰি শতিকাৰ প্ৰথম দশকত। যোৰহাটক চহৰ কৰাৰ স্বপ্ন দেখিছিল বেলফিল্ড ফুলাৰে। কিন্তু নানান কাৰণত সেই স্বপ্ন নফলিয়ালে।

ৰজাবাহৰৰ চাৰিওফালে এটা গড় আছিল। সেয়ে আজিকালি গড় আলি। ইয়াক প্ৰতিষ্ঠা কৰিছিল ১৭৯২ খৃষ্টাব্দত মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঞি ডাঙৰীয়াই। মোৱামৰীয়াৰ উৎপাতত তিষ্ঠিব নোৱাৰি তেতিয়াৰ স্বৰ্গদেউ গৌৰীনাথ সিংহই ভটিয়াই আহি গুৱাহাটীত আশ্ৰয় লৈছিলহি। আৰু বুঢ়াগোহাঞি ডাঙৰীয়াই এই গড় বান্ধি অকলেই দিচৈ বাহৰ মোৱামৰীয়া বিদ্ৰোহীৰ কবলৰ পৰা বচাই ৰাখিছিল।

মোৱামৰীয়া বিদ্ৰোহ দৰাচলতে 'কু ছ ট্যা' হে আছিল। সেই বাবেই এই বিদ্ৰোহে ইমান প্ৰচণ্ড ৰূপ লৈছিল। ইয়াত ভাগ লোৱা সৰহভাগেই আছিল আহোম সৈন্যবাহিনীৰ লোক। কিন্তু তেওঁলোকেও দিচৈ বাহৰৰ গড়ৰ কৌশল দেখি বিবুধিত পৰিছিল। সেইবাবেই, বুঢ়াগোহাঞিৰ ওপৰত কেপ্টেইন ৱেলছে জাপি দিয়া মিছা বদনাম শুনি গড়ৰক্ষীসকল বিবুধিত পৰা বাবেই, এই গড়ৰ নাম বিবুধি গড়ো হৈছিল। মোৱামৰীয়া বিদ্ৰোহ দমাবলৈ বুলি গৌৰীনাথ সিংহৰ আমন্ত্ৰণত কেপ্টেইন ৱেলছ আহি বিদ্ৰোহ দমালে সঁচা, কিন্তু গোপন-চিটৰেপত লিখি পঠালে বুঢ়াগোহাঞিক ফিক্‌থ্

কলামিষ্ট বুলি। পিচলৈ অবশ্যে বজাৰ ভুল ভাগিল। ৰেলৰ কথা মিছা বুলি জানি দিচৈ বাহৰলৈ বজা উভতি আহিল আৰু ১৭৯৬ চনত তাতে দেহৰক্ষা কৰিলে।

শিৱসাগৰ মন্দিৰৰ দেশ আৰু যোৰহাট মৈদামৰ দেশ। গৌৰীনাথ সিংহৰ পাচতো অসমৰ শেষ স্বাধীন নৃপতি পুৰন্দৰ সিংহয়ো ১৮৪৬ চনৰ দুৰ্গাপূজাৰ সময়ত যোৰহাটতেই শেষ নিশ্বাস পেলাইছিল। তেওঁৰ মৈদামো যোৰহাট নগৰতে আছে।

পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ মৈদামো যোৰহাটতে। চহৰৰ দক্ষিণাঞ্চলত টোকোলাই নদীৰ পাৰত। তেওঁ আছিল অসম দেশ আৰু অসমীয়া সমাজৰ ৰোগ নিৰসন কৰা এক বিচক্ষণ ৰাজনীতিজ্ঞ পুৰুষ। সেই বাবেই বোধকৰোঁ তেওঁৰ ভেটিতে বৰ্তমান যোৰহাট চহৰবাসীৰ ৰোগ নিৰসনৰ বাবে জানপদ চিকিৎসালয়টো প্ৰতিষ্ঠিত হৈছে।

আৰু এয়া ঠেক দলংখনেই ভোগদৈৰ দলং। ভোগদৈ দৰাচলতে নৈ বা উপনৈ নহয়। দিচৈ বাহৰৰ ওচৰত নৈ নাছিল গুণে নৈ ভালপোৱা আহোমসকলে ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ নেতৃত্বত এই নৈখন খন্দাই আনিছিল।

এই নৈ পাৰ হলেই আমি যোৰহাট চহৰ পাৰ হলোঁ। যোৰহাট ডিব্ৰুগড় আদি চহৰবোৰ চাহবাগিচাক কেন্দ্ৰ কৰি গঢ়ি উঠা। ১৯ শতিকাৰ শেষৰ কালে বৰপেটা নগৰত যিমান মানুহ আছিল তাতকৈ ডিব্ৰুগড়ত বহুত কম আছিল। কিন্তু তেতিয়াই এগৰাকী ইংৰাজ বিষয়াই ভৱিষ্যদ্বাণী কৰিছিল যে, ডিব্ৰুগড় উজনি অসমৰ আটাইতকৈ ডাঙৰ চহৰ হব। তাৰ কাৰণ ১৮৩৯ চনত অসমৰ বিখ্যাত চাহ শিল্প প্ৰতিষ্ঠান অসম কোম্পানী গঠিত হয়। মাকুমত কয়লাও পালে। কয়লা আৰু চাহৰ বাণিজ্য প্ৰসাৰৰ বাবে ১৮৭৮ চনতে প্ৰথম ৰেলআলি খোলাৰ কথা চিন্তা কৰা হ'ল। ১৮৮৩ চনত ইটালীৰ অভিযন্তা চেভেলীয়েৰ আৰু পাগানিনিৰ নেতৃত্বত

মাৰ্ঘেৰিটাৰ বেলআলি হৈয়াৰ হ'ল। ইটালীৰ তেতিয়াৰ সাম্ৰাজ্ঞী মাৰ্গাৰিটাৰ নাম অনুসৰি ঠাইখনৰ নাম হ'ল মাৰ্ঘেৰিটা। ১৮৮০ চনত ডিব্ৰুগড়লৈ নিয়মীয়াকৈ জাহাজ চলিল। এনেদৰে ডিব্ৰুগড় চহৰ গঢ়ি উঠিল।.

যোৰহাট আকৌ আৰম্ভ হ'ল ১৯১২ চনত। শিৱসাগৰৰ পৰা জিলাৰ সদৰ কাৰ্য্যালয় ইয়ালৈ উঠি অহাৰ লগে লগে।

: হাও ফাৰ ইজ শিব্‌সাগৰ ?

তেওঁ যে ওচৰতে বহি আছিল মই একৰকম পাহৰিয়েই গৈছিলোঁ। শিৱসাগৰলৈ যোৰহাটৰ পৰা চৌত্ৰিশ মাইল দূৰ। পাঁচ-ছয় মাইল আমি আহিলোৱেই নিশ্চয়। অলপ দূৰ গৈয়ে কাকজান পাম। লাদৈগড় পাম, টীয়ক পাম ; তাৰ পাচত জাঁজী নৈ, জামুগুৰি, চাৰিং, ফুলপানীছিগা, গৌৰীসাগৰ, নামদাং, ভটিয়াপাৰ, জয়সাগৰ আৰু শিৱসাগৰ।

জাঁজী নৈ শিৱসাগৰ আৰু যোৰহাট মহকুমাৰ সীমা। জাঁজী পাৰ হৈয়ে শিৱসাগৰ পাম। জাঁজীৰ সিপাৰেই নগালেণ্ডলৈ যোৱা আলিবাট এটা পাম।

: যোৰহাট বৰ বিজী টাউন নহয় ?

: অঁ। ইয়াতে অসমৰ একমাত্ৰ কৃষি বিশ্ববিদ্যালয়টো আছে, চাহৰ গৱেষণা কেন্দ্ৰ, কেন্দ্ৰীয় গৱেষণাগাৰ এইবোৰো আছে। আৰু দোকান পোহাৰতো আছেই।

: ইয়াৰ অসমীয়া মানুহবোৰ হেনো বৰ ধনী ? বহুতৰ চাহবাগিচা আছে হেনো ?

: মিছা কথা। কেইগৰাকীমান অসমীয়া ব্যৱসায়ী আছে অৱশ্যে। চাহ বাগিচাও দুই-এখন নথকা নহয়। কিন্তু যিমান শুনা যায় সিমান নহয়। পিছে যোৰহাটৰ মানুহ পুৰণি কালৰ পৰাই ব্যৱসায়ত নামডাক থকা। অসমৰ প্ৰথম ছপাখানাটো ইয়াতে স্থাপিত হৈছিল। অসমৰ শিৱফুটা সন্দিকৈ পৰিয়াল, বেদজ্ঞ পণ্ডিত

স্বৰ্গীয় ৰাধানাথ ফুকনৰ পৰিয়াল, বি-এ জগন্নাথৰ পৰিয়াল এইবোৰ এই বোৰহাটবে।

: ডাঙৰ মানুহৰ কথা নকবাচোন; সৰু সৰু মানুহৰ কথা কোৱাঁ। দোকান-পোহাৰবোৰ কেতিয়া হ'ল, মাবোৱাৰী কেতিয়া আহিল সেইবোৰ কোৱাঁ।

: মাবোৱাৰীৰ কথা কোৱাত গাজা এটা মনত পৰিছে।

: কি কোৱাচোন?

: মাবোৱাৰী এজন মৰাত যমদূতে হেনো তেওঁৰ আত্মাক নৰকৰ ফালে লৈ গৈ নৰক আৰু স্বৰ্গৰ বাটৰ চকুটোতে ৰখাই সুধিলে: তুমি সাৰাজীৱন পাপ কৰিলেও মাজে মাজে পাৰ চৰাইক চাউল দিয়াত আৰু নিতৌ গণেশ পূজা কৰাত কুৰি ৰতিমান পুণ্য সঞ্চিত হৈছে। তোমাক দুঘণ্টামানৰ বাবে স্বৰ্গত ৰখাৰ হুকুম হৈছে। তুমি এতিয়াই গৈ স্বৰ্গত দুঘণ্টা কটাই আহিবানে পিচলৈ যাবা। সেইটো তোমাৰ কথা। তুমি নিজ ইচ্ছামতে কৰিব পাৰা। এতিয়া যোৱা যদিও আমিয়ে ঘূৰাই আনিবগৈ পাৰোঁ।

তেতিয়া মাবোৱাৰীৰ আত্মাই কলে: মোক এই বুঢ়া নিৰীহ মানুহটোক লৈ কিয় মিছামিছি টনা আজোৰা কৰে। মোৰ স্বৰ্গ-নৰক কলৈকো যাবৰ ইচ্ছা নাই। তালৈ টনাটনি কৰাতকৈ মোক দেখোন এই চকটোতে এটা সৰু জুপুৰী ঘৰৰ ব্যৱস্থা কৰি দিব পাৰে। বুঢ়া বয়সত ইয়াতে দাইল-নিমখ অকণ ৰাখিব পাৰিম।

: তাৰ কাৰণে অকল মাবোৱাৰী কিয়? তোমাৰ প্ৰাতঃস্মৰণীয় কবি এজ্‌ৰা পাউণ্ডেও কৈছে নহয়—

> O, Venus, O Mercury, patron of thieves
> Lend me a little tobacco shop, or install me
> in any profession.

: এয়া জানো এজ্‌ৰা পাউণ্ডৰ?

: হব পায়। দ্য লেক্ আইল নে কি এটা কবিতা আছে নহয়?

ভেনাচ আৰু মাৰ্গৰীৰ কথা শুনি আকাশলৈ চাই পঠিয়ালোঁ। বাহিৰলৈ মুৰ উলিয়াই আমাৰ বাহে ওফন্দাই পঠোৱা জোনোকবোৰলৈ চালোঁ। বাটৰ কাষে কাষে অসংখ্য জোনাকী পৰুৱাৰ জাকে জাকি মাৰি পোহৰ ছটিয়াই গৈ আছিল। স্বৰ্গীয় চৌধাৰীদেৱৰ জোন আৰু জোনাকী-পৰুৱাৰ কবিতাটোৰ কথা মনত পৰিছিল। নীল আৰ্মষ্ট্ৰঙে জোনত ভৰি দিয়াৰ লগে লগে সেই কবিতাৰ মৰ্মাৰ্থ আৰু বেছি হৃদয়গ্ৰাহী হৈ পৰিছে। জোন যে কেৱল সূৰ্য্যৰেই বহতীয়া সেইটো আৰু নচলিব। জোন অদূৰ ভৱিষ্যতে মানুহৰো বহতীয়া হৈ পৰিব।

বাটৰ কাষত এঘৰৰ পৰ্দাৰ ফাঁকেদি (এয়া উজনিৰ গাওঁ। নামনি অসমৰ গাৱঁত পৰ্দা নাই) লেমৰ পোহৰত এখন নাৰীমুখ দেখিলোঁ। হঠাৎ পাচফালৰ পৰা সাংয়েৰী ওলাল।

চৌলমন্‌সে ঝাঁকতা হুৱা চান্দসা গোৰা মুখৰা।

দীলমে তুফান উঠানেকে লীয়ে কাফি হ্যায়॥

চন্দ্ৰৰ সেই গোৰা ৰূপ আজি একেবাৰে আওপুৰণি হৈ গ'ল। চন্দ্ৰৰ লাৱণ্যই অনিন্দিত ৰূপৰ সতে ফেৰ মৰাৰ সবলতা আজি আৰু নাই। আজি আৰু আইতাই নাতিক জোনৰ কথাকৈ- নিচুকোৱাৰ দিন নাই। আইতাৰ সেই ফকৰাটো—

হোটো নোৱাজোন।

তাতে আছে বটাবন॥

ঢোলৰে গুমগুমনি

মাদলৰ চেও।

আলিমূৰত বহি আছে

পকীমূৰী দেও॥

আজি পুৰণিবো পুৰণি আওপুৰণি। আমি সকতে পঢ়িছিলোঁ—

সেইদিনা ভাবিছিলোঁ থকা হলে তাত,

দেখিলোহেঁতেন জোন কিহেৰে নো গঢ়া

কিমান ধুনীয়া আৰু কিমান বিৰাট।

এই কবিতাবোৰ আজি মাজ্জাভা আমোলৰ যেন লাগে। সৰুতে স্কুলৰ পঢ়া মুখস্থ কৰোঁতে কৰোঁতে জোনটোৰ কথা কিমানদিন যে ভাবিছিলোঁ। পঞ্চমীৰ জোন যেতিয়া হুলি গৈ আকাশৰ পশ্চিম প্ৰান্তত ঘোলা কণীৰ কুহুমৰ দৰে হৈ পৰিছিল নিতৌ ভাবিছিলোঁ। কিবা যাদুৰ বলত যদি সেইখিনিত ক'ৰবাত থাকিব পাৰিলোহেঁতেন তেতিয়া হয়তো জোনটোক হাতেৰে ছুই ৰোমাঞ্চিত হোৱাৰ সুবিধা পালোহেঁতেন।

সৰুকালৰ স্কুলৰ কথা ভাবোঁতে ভাবোঁতে চকুৰ আগত ভাঁহি উঠিল এটা সৰু ল'ৰা। ফটা পেণ্ট পিন্ধা, ডিঙিত এখন কাপোৰ গাঁঠি মৰা, হাতত কিতাপ লৈ কিবা এক অজান ভয়ত আতুৰ এখন মুখ লৈ এটা সৰু ল'ৰা। ক'ত যে দেখিছিলোঁ। নিশ্চয় বাগুৰি নে কুঠৰি ক'ৰবাত। ৰাস্তাৰ দাঁতিত হাফ্‌পেণ্ট-চাৰ্ট পিন্ধা মিটোল স্বাস্থ্যৰ সৰু ল'ৰা এটাই পিঠিত কিতাপৰ বেগ লৈ দৌৰি যোৱা ছবিৰ এখন চাইনবোৰ্ড আছিল।

আমাৰ বাছখন সেইখিনিতে নিয়মমতে অলপ সতৰ্ক হৈ হোৱাৰ কথা আছিল। কিন্তু কাঞ্চা ড্ৰাইভাৰ সদায় বেপৰোৱা। গাড়ীখনৰ আগেদি মোৰ চকুৰ আগত ভাঁহি উঠা ছবিখনৰ ল'ৰাটোৰ দৰে কেইটামান ল'ৰা দৌৰ মাৰিছিল। সেয়া আমাৰ দেশৰ ল'ৰা-ছোৱালী। মাক-বাপেকে যে বহুত আশা-আকাঙ্ক্ষা লৈ পঢ়াশালিলৈ পাঠিয়ায় সেইটো নহয়; এনেয়ে দেখাক দেখি যায়। কিন্তু এনে পৰিয়াল আৰু এনে ল'ৰা-ছোৱালীয়ে আমাৰ অসমৰ শতকৰা পঁচাশী ভাগৰ প্ৰতিনিধিত্ব কৰে। মাজে মাজে চহৰত পতা শিশুমেলাবোৰে নহয়। সেইবোৰ শিশুমেলালৈ যায় ছবি আঁকা শিশুবোৰে, বিজ্ঞাপনৰ ছবিত দেখা শিশুবোৰে। খাদ্য আৰু পৰিবেশ পুষ্ট শিশুমেলা পতা শিশু এই শিশু নহয়। তেনে এখন চাইনবোৰ্ডৰ তলেদি ফটা-ছিটা পেণ্ট পিন্ধি ভগ্ন স্বাস্থ্যৰ শিশু দৌৰি যোৱাটো এক বিৰাট পৰিহাস।

আমাৰ অসমত আগৰ কালত শিশুৰ ব্যৱস্থা বেলেগ আছিল। কিয়নো সেয়া আছিল কন্‌ক্লিপশ্তনৰ যুগ। সেয়া আছিল বেলেগ যুগ। ঘৰৰ পৰা এবাৰ ওলালেই সেই শিশু হৈ গৈছিল ৰাষ্ট্ৰৰ সম্পদ। আজিকালিৰ শিশু একেবাৰে শিশু হৈয়ে থাকে। ৰাষ্ট্ৰই কিবা এটা হাতত তুলি নিদিয়াপৈকে ৰাষ্ট্ৰৰ প্ৰতি আজিৰ শিশুৱে কৰ্ণপাত নকৰে।

: কি ভাবিছা তুমি? ইমান মনে মনে গলে মোৰ কিবা এটা ভয় লাগে। চোৱাচোন বাছৰ ভিতৰত বহি থকা মানুহবোৰৰ মুখলৈ। প্ৰতিজনেই কি যে এক গভীৰ চিন্তাৰে আচ্ছন্ন হৈ পৰিছে?

: সেইটো আকৌ কি ভয়ৰ কথা হ'ল?

: ইমাৰ্চনৰ কথা পাহৰিলা? In proportion to the depth of its scurce is the force of its projection? ইমানবোৰ মানুহৰ গভীৰ চিন্তা তাতে আকৌ ৰাতি—ফল যে কি ভয়াবহ হব পাৰে, ভাবিলে ভয় নালাগেনে বাৰু?

তেওঁৰ কথাষাৰৰ গুৰুত্ব উপলব্ধি কৰাৰ অৰ্থে মইও বাছৰ ভিতৰখন চাৰিওফালে চাই ললোঁ। আচৰিত হলো, পিচপিনে দুজন মাৰোৱাৰী ভদ্ৰলোক ওচৰাওচৰিকৈ বহি আছিছে। দুগৰাকী মাৰোৱাৰীয়ে একেলগে বহি মনে মনে ভ্ৰমণ কৰা মই জীৱনত সেইদিনাই প্ৰথম দেখিলোঁ।

অসমীয়া মানুহে ৰেলে-মটৰে ইজনে সিজনক দেখিলে গহীন হয়। অসমীয়া মানুহে অসমীয়া মানুহৰ লগত সম্পৰ্ক ৰখাটো মৰ্য্যাদাৰ কথা নহয় বুলি ভাবে। কাজেই তেওঁলোকে কথা নাপাতে। বঙালী মানুহৰ ৰেলে-মটৰে দেখা-দেখি হলেই ব্যক্তিগত কথাতকৈ দেশৰ ৰাজনীতি সম্পৰ্কে আলোচনা হব বেছি। আৰু মাৰোৱাৰী মানুহৰ দেখাদেখি হলেই লগাই দিব বজাৰ ভাওৰ গল্প। চকু-চৰহা খেনায়ে কয়, মাৰোৱাৰী কেঁচুৱাই ভূমিষ্ঠ হৈয়েই হেনো কান্দে 'ক্যা

ভাও ক্যা ভাও' বুলি অর্থাৎ পৃথিবীত ভৰি দিয়েই জানিবলৈ বিচাৰে ৰজাৰ ভাওৰ অৱস্থা।

অসমত অৱশ্যে পুৰণি কালৰ পৰাই বেপাৰী আছিল। চান্দ সদাগৰ, নাৰাৱণ আতা এইসকল পুৰণি কালৰ প্ৰখ্যাত বেপাৰী। তেওঁলোক পিছে বেপাৰীহে আছিল, মাৰোৱাৰী সকলৰ দৰে বেপাৰৰ আও-ভাও বুজা নাছিল। বেপাৰৰ আও-ভাওত পকা আছিল পাহাৰী সকল। অসমৰ ভৈয়ামৰ মানুহে ক'ত এক্সপ্লয়েট কৰিব! ভৈয়ামৰ মানুহে পাহাৰী মানুহৰ মাজত বেপাৰ-বণিজ কৰাৰ কথাকে শুনা নাই। কিন্তু পাহাৰীসকলে ভৈয়ামলৈ নামি আহি আজিও বেপাৰ কৰেহি।

এবাৰ ৰজা নৰনাৰায়ণে পাহাৰ বিজয়ৰ বাবে গৈছিল। খৈৰামৰ ৰজাৰ লগত তেওঁৰ ভেটাভেটি হ'ল। খৈৰামৰ ৰজাই এবাৰ কথাতেই বশ্যতা স্বীকাৰ কৰিলে, কিন্তু লগতে কবলৈ নেপাহৰিলে যে, তেওঁৰ ৰাজত্ব নামমাত্ৰ, আচলতে বেপাৰেই প্ৰধান। এই বশ্যতাৰ বিনিময়ত মহাৰাজ নৰনাৰায়ণে যদি টকা তৈয়াৰ কৰাৰ ব্যৱস্থা এটা দি গ'লহেঁতেন!

নৰনাৰায়ণে বিজয় গৰ্বত উৎফুল্ল হৈ খৈৰামৰ্ব ৰজাক এখন টাকশাল দি গ'ল। অকল নৰনাৰায়ণ কিয়, তেওঁৰ ভ্ৰাতৃ চতুৰ কূটনীতিজ্ঞ মহাবীৰ চিলাৰায়েও বিজয় গৰ্বত অসতৰ্ক হৈ এটা কি দুটা বছৰৰ পিচত আকৌ সেই একে ভুলকেই কৰিছিল। চিলাৰায়ে অৱশ্যে এটা চৰ্ত দিছিল যে, মোহৰবোৰ তেওঁলোকৰ বংশৰ নামত মৰাব। সেই সাধাৰণ চৰ্তটোত বাদে টকা গঢ়োৱাত খৈৰামৰ ৰজাৰ অবাধ স্বাধীনতা। চৰ্তটো সাধাৰণ বুলি কৈছোঁ এই কাৰণেই যে চৰ্তৰক্ষাৰ বাবে প্ৰতিশ্ৰুত কোনো বিধিব্যৱস্থা নাছিল আৰু নাছিল বিজেতা সম্ৰাটৰ কোনো প্ৰতিনিধি।

জয় বাৰু হ'ল কাৰ? নৰনাৰায়ণৰ নে ৰজা খৈৰামৰ? পাহাৰীসকলৰ যে অসমৰ ভৈয়ামৰ জনসাধাৰণতকৈ ব্যৱসায়বুদ্ধি

প্ৰথৰতৰ আছিল এয়া তাৰ ইতিহাস স্বীকৃত সাক্ষ্য। নহলে পাহাৰৰ প্ৰতিখন চালতে বাধাৰ সম্মুখীন হোৱা ইংৰাজ ৰেপাৰীহঁতে ইমান অবাধে মাত্ৰ নব্বৈ হাজাৰ টকাৰ বিনিময়ত অসমখন জয় নোৱাৰিলেহেঁতেন।

: আকৌ কি ভাবিছা বাৰু?

সৰ্বনাশ। যিটো কথা এইমাত্ৰ আধাঘণ্টা আগতে কোৱাৰ সুযোগ পাইও তেঁও আহত হব পাৰে বুলিয়েই নকলোঁ, সেই কথাকে আকৌ ভাবিব লাগিছোঁ। মই হঠাৎ ধৰা পৰা এজনৰ দৰে কলোঁ: নাই ভবা একো।

: তুমি কিয় বাৰু ইমান কথা কোৱাঁ?

: তুমি কিয় বাৰু ইমান সঁচা কথা কোৱাঁ?

তেওঁ মোৰ কথালৈ আওকাণ কৰি আমাৰ সোঁকাষে থকা দুজনীয়া ছিটটোত অকাৰণে ঠেলাহেঁচাকৈ বহি ফুচ্‌ফুচাই কিবা কথা পাতি থকা মানুহ এহাললৈ দেখুৱালে। মই চোৱা গম পালে বোধকৰোঁ, খিৰিকী কাষৰটো অলপ লৰিচৰি বহিল। ইজনে এবাৰ পিচপিনে ঘূৰি চাই মোৰ চকুৱে চকুৱে পৰাত অলপ পাতল হৈ বহাৰ চেষ্টা কৰিলে। তেতিয়াহে দেখিলোঁ মানুহজন আদহীয়া আৰু ছোৱালীজনীৰ বয়স বৰ বেছি বাইশ বছৰ। তাই হঠাৎ কি যে কৰিব ভাবি নেপাই খিৰিকীখনকে খুলি দিলে। জোলোকাজোলোকে চেঁচা বতাহ সোমাই আহিল। পিচৰ মানুহবোৰে তাইক দেখি মুখেৰে খুলি একো নকলে। মাথোন লগত গাভৰু এজনী থকা ডেকা ল'ৰাটোৱে সাহস কৰি খিৰিকীখন বন্ধ কৰি দিলেহি।

তেওঁ কলে: দেয়াৰ ইজ এ প্ৰোভাৰ্ব এমংষ্ট্‌ দ্য হিল পিপল্‌।

: কি?

: টেঙাৰ গ্ৰাছ চুটছ এজেদ্‌ কাও; এজেদ ম্যান ছিক্স ইয়ং ওৱাইফ্‌। এবা, বুঢ়া গৰুৱে কোমল ঘাঁহ ভাল পোৱা আজিৰ কথা নহয়।

আচলতে তাৰ কাৰণ এইটোও হব পাৰে। সকলোৰে অন্তৰত এক প্ৰত্যাবৰ্ত্তনৰ মোহ থাকে। এক যযাতি আকাঙ্ক্ষা। এ ডিজায়াৰ টু ৰিটাৰ্ণ।

: কাৰেক্ট। গ্ৰীক শাস্ত্ৰত আছে নহয় পাইৰাছ আৰু দাৰ্শনিক এজনৰ কথোপকথোন :—

Pyrrhus : I will conquer all greece first.

Philosopher : And then ?

Py : I will conquer Rome.

Phi : And then ?

Py : I will conquer Egypt and Africa.

Phi : And then ?

Py : I will conquer Asia minor, Persia and India.

Phi : And then ?

Py : I will conquer Scythia.

Phi : And then ?

Py : I will return to Epirus, build a small house in a garden, and live there quite contented and happy.

Phi : So ? But why not at once now set about planting that garden, and building that small house ?

: মইও বুজিছা তাকে কৰিম বুলি ভাবিছোঁ। কি হব এইবোৰ কৰি। তাতকৈ ক'ৰবাত এডোখৰ মাটি লৈ সৰু এখন ফুলনি বাগিচা কৰিম আৰু তাতে এটা সৰু জুপুৰী সাজি তাতে থাকি যাম।

: আগেয়ে জগত জয় কৰি লোৱা তাৰ পাচত ভাবিবা এইবোৰ।

: কিন্তু জগত জয় কৰোঁ কিহেৰে। মোৰ শক্তিয়েই বা ক'ত ?

: পাৰিবা, পাৰিবা। তোমাৰ যিহে জগত জিনা ৰূপ, তুমি বিজয় অভিযানত ওলালে—

মোৰ কথা শেষ ন'হল। তেওঁ মোৰ মুখত সোপা দি ধৰিলে—

: অপন্ গড্, ডন্ট্ ইউ ছে লাইক দ্যাট্। হেভ ইউ ফৰগটেন এবাউট দ্য ট্টু বয়জ বিহাইণ্ড আছ ?

: বাই দি বাই, যদি বেয়া নোপোৱা, মই কথা এটা সুধিব পাৰোনে ?

: এটা কথা মানে, যিমান খুচী সুধিব পাৰা। মই কি কৰোঁ, ঘৰত কোন কোন আছে, বিয়া কৰালোঁ নে নাই ইত্যাদি যি সোধা। অসমীয়া মানুহে সাধাৰণতে যি সোধে।

: আচ্ছা প্ৰশ্নবোৰতো মোৰ হৈ সুধিলাই। এতিয়া উত্তৰো দি যোৱাঁ।

: বাৰু শুনা, মই একো নকৰোঁ; মা আছে ঘৰত। দেউতা নাই। ভাই এটা আছিল। সিও মৰিল দেউতা মৰাৰ দুবছৰৰ পাচত। মই অবিবাহিত। আৰু কিবা জানিবলগীয়া আছে ? সোধা।

: প্ৰথম উত্তৰটোৰ কথা মোৰ আগতেই যি ক'লা, আন কাৰো আগত নকবা। হাণ্ড্ৰেড্ এণ্ড নাইন প্ৰয়োগ কৰাব পাৰে। আচ্ছা, বিদ্যা শিক্ষা কিমান ফৰ্লালা বাৰু ?

তেওঁ মোৰ ব্যঙ্গোক্তিৰ লগত থকা চেনেহখিনি ঠিকেই উপলব্ধি কৰিছিল। আৰু সহজভাৱে কৈছিল—গুৱাহাটী য়ুনিভাৰ্চিটিৰ ৰেকৰ্ড-তেকৰ্ড ফালি উৎখাৎ কৰিলোঁ যোৱাবাৰ পলিটিকেল ছায়েন্সত, তুমি হবলা গমেই নাপালা ! তোমাৰ ইন্‌ফৰমেশ্যন ইজ খো পুৱৰ !

মই স্তম্ভিত হৈ ৰলোঁ।

: আৰু একো নুসুধিলা যে ?

: সুধিবলগীয়া হয়তো বহুতেই আছিল, কিন্তু মই আৰু প্ৰশ্ন নকৰোঁ। তুমি মোতকৈ বহুত ওপৰত। তলৰ মানুহৰ প্ৰশ্নবোৰ নিৰ্বাক হৈ থকাটোৱেই সকলোৰে পক্ষে মঙ্গলজনক।

: আৰ ইউ ক্ৰেজী ? কাণ্ট্ ইউ টেক্ মী এজ এ ছিষ্টাৰ ?

মই তেওঁৰ মুখলৈ চালোঁ। চবাইৰ বাহৰ দৰে চকুকেইটাত মই দেখিছিলোঁ অজস্ৰ আশ্বাস-সজল মিনতি। তেওঁৰ হাত এখন মোৰ হাতৰ মাজত লৈ অলপ জোৰেৰে চেপা মাৰি দিলোঁ। তেওঁ কলে : আমি এয়া কি পালোঁহি বাৰু ?

মই এনেয়ে এবাৰ বাহিৰলৈ চোৱা যেন কৰিলোঁ। দৰাচলতে চোৱা নাছিলোঁ। অনুমানৰ ওপৰতে কলোঁ—কাকজান, টীয়ক পাৰ হৈ ভঁাজীও নিশ্চয় পাৰ হলোঁ।

শিৱসাগৰ অসমীয়া সাহিত্যিকৰ জিলা। কাকজানৰ শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, চাৰিঙৰ শ্ৰীবেণুধৰ শৰ্মা আৰু শিৱসাগৰৰ স্বৰ্গীয় যতীন্দ্ৰনাথ দুৱৰাই সাহিত্যত ৰাষ্ট্ৰীয় একোডেমীৰ পুৰস্কাৰ পাইছিল। আৰু টীয়কত ধ্বনি কবি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাৰ ঘৰ। তেওঁৰ নিজস্ব ধ্বনি হয়তো আজি আৰু নাই। কিন্তু অসমৰ কাব্য-সাহিত্যত এসময়ত তেওঁ যি ধ্বনি তুলিছিল তাৰ অনুৰণন এতিয়াও মাৰ যোৱা নাই। যোৰহাটত আকৌ আব্দুল মালিক ককাইদেউৰ ঘৰ। তেওঁৰ গল্প পঢ়ি চকুপানী টোকা মানুহ অসমৰ গাৱেঁ-ভুঞে এতিয়াও আছে।

: আই নো মিষ্টাৰ ভট্টাচাৰ্য্য। হী ইজ এ ভেৰী পপুলাৰ ৰাইটাৰ এমংষ্ট্ দ্য ট্ৰাইবাল্ছ।

: এৰা, তেওঁৰ নগা সমাজ-জীৱনক লৈ লেখা ইয়াৰুইঙ্গমে একাডেমী এৱাৰ্ড পাইছিল। জনজাতীয় সমাজ-জীৱনৰ এনে এক সামগ্ৰিক ৰূপ কোনো সৃষ্টিতে আজিলৈকে ইমান স্পষ্টভাৱে অথচ সহানুভূতিৰে অঙ্কিত হোৱা নাই। বেণুধৰ শৰ্মা ওল্ড স্কুলৰ। অৱশ্যে সেইটো তেখেতৰ বদনাম। তেখেতৰ লেখাত কিন্তু নিত্য-নতুন সোৱাদ।

: হু ইজ দ্যাট শৰ্মা ?

: কৈছোঁ। হি ইজ এ গ্ৰেট ৰাইটাৰ অব্ আছাম। তেওঁৰ

কংগ্ৰেছৰ 'কাঁচিয়লি ৰ'দত' বোলা কিতাপখনে একাডেমী 'এৱাৰ্ড পাইছিল। সেই কিতাপখন পঢ়িলে তুমি বুজিলাহেঁতেন ৰাজনৈতিক পটভূমিত কিদৰে এটা জাতিৰ অতীত আৰু ভৱিষ্যতৰ চিন্তাচৰ্চাৰ প্ৰতিটো দিক্ প্ৰতিফলিত কৰিব পৰা যায়। এখনি তথ্য গধুৰ পুথিও যে ৰসমধুৰ হব পাৰে সেইখন কিতাপ পঢ়িলেই বুজিব পাৰিবা। সেইখন কিতাপ কেৱল স্বাধীনতা আন্দোলনৰ বুৰঞ্জীয়েই নহয়, তাত আছে অসমবাসীৰ আশা-আকাঙ্ক্ষা, হাঁহি-কান্দোনৰ এক হুবহু প্ৰতিচ্ছবি।

: বেণুধৰ শৰ্মাৰ আৰু এটা উপনাম আছে ?

: কি বাৰু ?

: আছামীজ এনছাইক্ল'পেডিয়া। অসমৰ ক'ত কি আছে সোধা, কোনটোৰ কি অৰ্থ সোধা, ইউ গেট এ ৰেডি আনচাৰ। শংকৰদেৱে যে কিদৰে ইমান শাস্ত্ৰ লেখে এগৰাকী ভকতে বিস্ময় প্ৰকাশ কৰি মাধৱদেৱক সুধিছিল। মাধৱদেৱে তেওঁক ৰাতি গুৰুগৃহত ভুমুকি মাৰি চাই আহিবলৈ কৈছিল। ভকতে তাকে কৰি বিস্ময়ত আৰু অভিভূত হৈ পৰিল। এজন মানুহেই ইমান যে কষ্ট কৰিব পাৰে তেওঁৰ ধাৰণাই নাছিল। এই বয়সতো শ্ৰীশৰ্মাইও অসমীয়া ভাষা-সাহিত্যৰ বাবে যি শ্ৰম কৰে, আমি দেখি সঁচাকে বিচূতি খাওঁ। বেণুধৰ শৰ্মাৰ মাষ্টাৰ পীচ আদায় কৰিছে সম্প্ৰতি চন্দ্ৰপ্ৰসাদ শইকীয়াই।

: হু ইজ হী ?

: হী ইজ অলছো এ বিনাউণ্ড্ ৰাইটাৰ অৱ আছাম। হী ইজ নাও ত এডিটৰ অৱ অছমীয়া এ মন্থলী মেগাজীন। তেওঁ শৰ্মাৰ পৰা 'মজিয়াৰ পৰা মেজলৈ' বুলি জীৱন সোঁৱৰণ সম্বলিত এলানি প্ৰবন্ধ আদায় কৰিছে। অসমীয়া জনা হলে বুজিলাহেঁতেন কি যে ৰসাল এক অটোবায়'গ্ৰাফী সেয়া।

: মই অসমীয়া নাজানো নেকি ?

: অসমীয়া জানা কিন্তু 'ঘেদ' অসমীয়া নাজানা। সেইখন বুজিবলৈ আমাৰ 'ঘেদ' অসমীয়া জানিব লাগিব।

অলপ আগলৈ গলেই আমি নগাআলি পাম। নামডাঙত এই আলি লগ লাগিছেহি। সকতে বেণুধৰ শৰ্মা যেতিয়া শিৱসাগৰলৈ পঢ়িবলৈ আহিছিল, চাৰিওৰ পৰা হাবিতলীয়া বাটে বাটে আহি নগা আলিত উঠিছিলহি। মূৰত তেপতেপীয়াকৈ তেল ঘঁহি, সুন্দৰ স্বাস্থ্যৰ ভিতৰুৱা গাৰঁৰ ল'ৰা এটাই পানী গামোছা এখন পিন্ধি দেউতাকৰ পিচে পিচে প্ৰতি পদে পদে আচৰিত কিবা এটা দেখাৰ কৌতূহল লৈ আহি থকা ছবি এখন চিন্তা কৰাচোন।

মিতং নৈৰ দলংখন পাৰ হৈ বহুদূৰলৈ জোনাকী পৰুৱাৰ লানি নিছিগা জাক দেখিছিলোঁ আমাৰ বাওঁপিনে। তেওঁ মোক বাহিৰৰ পিনে দেখুৱাই কলে—এনাদাৰ স্কাই বুলি। মই চাই অনুমান কৰিছিলোঁ সেয়া নিশ্চয় জকাইচুক পথাৰ হব। হঠাৎ জোনাকীৰ জাক লুকাই পৰিল। ৰাস্তাৰ দাঁতিত থকা মানুহৰ ঘৰে জকাইচুক পথাৰখন আমাৰ দৃষ্টিৰ পৰা আঁৰ কৰি পেলালে।

: সেয়া মিতং নৈ। দৰিকাৰ পাভ, মিতঙৰ শিঙৰা অসম বিখ্যাত।

তুমি বৰ পেটুক যেন পাইছোঁ। বৰ খোৱাৰ কথা চিন্তা কৰা। আচ্ছা তুমি আৰু এটা কথা দেখিলানে ?

: কি বাৰু ?

: এ ফায়াৰ। জোনাকীবোৰ যে দেখিছিলোঁ, সেইফালে বহুত দূৰত।

: তাতে কি হ'ল ? কোনোবাই হয়তো জুই ধৰিছে।

: নহয় অ' পিকুলিয়াৰ। টিপ্ নাই। ফায়াৰৰ যিদৰে টিপ থাকে তেনে নহয়। টপটো একদম ফ্লাট।

: তেনেহলে আগামুৰা, উজনিত ধনগুলৈ বুলি কয়। উইলো অ উইস্প্ নে কি বোলে যে। জকাইচুকৰ উত্তৰে সেয়া তেলিয়া

ডোঙা পুখুৰী আৰু পশ্চিমলৈ সেয়া চিন্তামণি গড়। দিনত হলে বিণিকি বিণিকি দেখিলাহেঁতেন। পুখুৰীটো খনাইছিল স্বৰ্গদেউ প্ৰতাপসিংহই ১৬২২ খৃষ্টাব্দত আৰু গড়টো সজোৱা হৈছিল ১৬৮২ চনত মহামন্ত্ৰী আতন বুঢ়াগোহাঞিৰ পৰামৰ্শক্ৰমে এটা ছেকেণ্ড লাইন অব্ ডিফেন্সৰ কথা চিন্তা কৰি।

এই পুখুৰীৰ পাৰত আৰু গড়ৰ কাষৰ বিলৰ পাৰত মাজে মাজে ধনগুলৈ দেখা যায় বুলি মানুহে কয়। ধনগুলৈক আমি ভূত বুলি ধৰোঁ; অসমীয়া ডা-ডাঙৰীয়াসকলেও ভূত বিশ্বাস কৰিছিল। আনকি কুৰি শতিকাৰ প্ৰাৰম্ভলৈকে অসমীয়া ডাঙৰীয়াই কৰ্ণকুহকিনী আদি পুহিছিল। বঙ্গদেশত যেতিয়া বিনাটাঁ আমি অসমত ভূত পুহিছিলোঁ।

অসমীয়া মানুহৰ মতে দ'ত, ব্ৰহ্মদৈত্য, বুঢ়া ডাঙৰীয়া আদিৰ তলতে এই আগামুৰা ভূত। এজনী ঢোৰা কাউৰীৰ সমান হেনো, মুখ মেলি মেলি বাট বুলে, আৰু মুখৰ পৰা জুই ওলায়। এই জুই কাৰোবাৰ আগত ওলালেই তাৰ ফালে আধ্যা।

: সঁচা জানো?

: ক'ব নোৱাৰোঁ, মোৰ নিজস্ব ধাৰণা হলে বেলেগ।

: কি বাৰু?

: এটা ভূতৰ গল্প শুনা।

: চুপ, এই নিশাখন ভূতৰ গল্প শুনি মৰিব নোৱাৰোঁ।

: শুনাচোন মই আছোঁ নহয়।

: তুমিতো আছাই, কিন্তু .....

তেওঁ হঠাৎ নীৰৱ হৈ পৰিল। ময়ো এই নিৰ্ভৰখিনি দিবৰ বাবে ক'ৰ পৰা যে অধিকাৰ পাইছিলোঁ, কোনে মোক অধিকাৰ দিলে—ভাবি মই ঘামি গলোঁ। আৰু বেছি চিন্তিত হলোঁ তেওঁ হঠাৎ নীৰৱ হৈ পৰা দেখি। পৰিবেশটো পাতল কৰিবলৈকে নিশ্চয় তেওঁ কলে: কৈ যোৱা না—

মোৰ আগ্ৰহ একেবাৰে নাছিল যদি তেওঁ কিবা ভাঁবিব পাৰে বুলিয়েই আৰম্ভ কৰিলোঁ।

আমি তেতিয়া স্কুলত। মৌলবীচাহাবে ক্লাছত এদিন ভূতৰ গল্প কৈছিল। কলঙ্কু ৰাজখোৱাৰ দৰে উতনুৱা ল'ৰা এজনে কলে: মই দেখিলেহে লেখিম।

মৌলবীছাবে আহত হৈ কলে: তই সঁচাকে ভূত চাবি নেকি?

: হয় ছাৰ চাম।

: তেনেহলে এই মৰা আঁউসীৰ দিনা ওলাবি।

ঘৰত গৈ ল'ৰাৰ হুলস্থুল। ভূত চাবলৈ পাব। মহা ফুৰ্তি। আঁউসীৰ দিন্ পৰিলহি। মৌলবীছাবৰ চিন্তা হ'ল। কিবা কৰি হলেও ভূত তাক দেখুৱাবই লাগিব। গধূলিৰ লগে লগে মৌলবীয়ে ঘৰৰ কামকৰা ল'ৰাটোক শ্মশানলৈ পঠাই দিলে। নিৰ্দিষ্ট এজোপা গছৰ তলত তাক পৰি থাকিবলৈ কলে আৰু ছাৰে মন্ত্ৰমাতি উঠ বুলি কলেই সি উঠি থিয় হবলৈ নিৰ্দেশ দি থলে।

ৰাতি এন্ধাৰ হোৱাৰ লগে লগে মৌলবীছাবে ছাত্ৰজনক লৈ শ্মশানত সেই নিৰ্দিষ্ট গছজোপাৰ অলপ আঁতৰত থিয় হ'লগৈ। আৰু কিবাকিবি বিংবিং বাংবাং কৈ 'উঠ' বুলি কোৱাৰ লগে লগেই ভূত ঘপ্ কৰে থিয় হ'ল। কিন্তু ভূত এটা নহয় দুটা। যুগপৎ দুয়োটাই অগা-পিচাকৈ থিয় হ'ল। নকল ভূতৰ ভয়ত ছাত্ৰই দৌৰ দিলে। আচল ভূতৰ ভয়ত নকল ভূত আৰু মৌলবী ছাৰে তৰা-নৰা ছিগা দৌৰ দিলে। আচল ভূতেও তিনিওকে শিশুপাল খেদা দিলে। শ্মশানৰ দাঁতিত ৰাস্তা। ৰাস্তাৰ ইটো দাঁতিত এটা থিয়েটাৰ হ'ল। থিয়েটাৰ হ'লৰ বাহিৰত মানুহৰ জুম আৰু লাইট জ্বলি আছিল। আচল ভূতক পোহৰত দেখি কেউজনেই গিৰ্জনি মাৰি হাঁহি উঠিল।

: আচল ভূত কোন আছিল বাৰু?

: ছাত্ৰজনৰ ঘৰৰ কাম কৰা লৰাটো। সি তাৰ জল্পনা-কল্পনা

শুনি ঠিক কৰিলে যে সিও ভূত চাব আৰু সেই উদ্দেশ্যে সি আগতেই গৈ মনে মনে তাত পৰি আছিল।

: শ্বো ইউ ডন্ট্ বিলীভ ঘোষ্ট?

: নো।

: ছাম ডে ইউ উইল হেভ টু বিলীভ ইট্।

: দেট ডে আই শ্বেল বিলীভ।

তেওঁ কিছুপৰ মনে মনে টলকা মাৰি থাকিল। মই ভাবিছিলোঁ, মোক ভূত বিশ্বাস কৰাবৰ বাবে নিশ্চয় কিবা যুক্তি পাঙিছে। কিন্তু তেওঁ মোক সুধিলে: আমি পাৰ হৈ অহা লেফ্ট্ ছাইডৰ ৰাস্তাটো কলৈ গৈছে?

: দিখৌমুখলৈ। ইয়াৰ পৰা ঠিক পাঁচ মাইল দূৰত দিখৌ নৈ ব্ৰহ্মপুত্ৰত পৰিছে। সেয়ে দিখৌমুখ। ওচৰতে কেবাখনো মিৰি গাওঁ আছে।

: মিৰি?

: ইয়েছ মিৰি।

: কানট্ ইউ টেল্ মী ছামথিং এবাউট দেম?

: আই এম এফ্ৰেড নট। ট্ৰাইবেলৰ কথালৈ গৱেষণা কৰা মানুহ প্ৰমোদ ভট্টাচাৰ্য আছে। প্ৰমী আছে, মজুমদাৰ আছে। নৃতত্ত্বজনা মানুহ গোস্বামী আছে, তৰুণ শৰ্মা আছে—তেওঁলোকক লগ পালে সুধি লবা। মই মিৰি মানুহৰ বিষয়ে একো নাজানো। মাথোন ইয়াকে জানো যে তেওঁলোক উত্তৰ-পূব সীমান্ত এলেকাৰ বিশাল আদি গোষ্ঠীৰ এটা ঠেঙুলি। সুবিধা বিচাৰি একালত সমতললৈ নামি আহি উভতি যোৱাৰ বাট হেৰুৱাই আমাৰ সেউজ সমতলতে ৰৈ গ'ল। তেওঁলোকে নিজকে মিছিং বুলি চিনাকি দিয়ে। বহুতে অনুমান কৰে যে বিহুনাচৰ আৱিষ্কৰ্তা আছিল এই মিছিংসকল।

: বিহুনাচ? হোৱাট আছ'মাজ টুইষ্ট?

: টুইষ্ট? টুইষ্টবতো জন্ম ১৯৬০ চনৰ এপ্রিল মাহত। আৰু বিহু হ'ল খৃষ্ট জন্মৰো বহুত আগৰ। অসমৰ সভ্যতা যিমানে পুৰণি বিহুও সিমানে পুৰণি। খৃষ্টাব্দ ১৯৬০ কিয়, খৃষ্টপূৰ্ব ১৯৬০ বো বহুত আগৰে পৰাই অসমীয়া মানুহে বিহু কৰিছিল।—তোমাৰ সেই নিগ্রোজনৰ নাম মনত আছেনে?

: চাবি চিকাৰ?

: অঁ তেৱেঁই টুইষ্টৰ আৱিষ্কৰ্তা। বিহুনাচৰ কিন্তু তেনে কোনো আবিষ্কৰ্তা নাই।

: বিহুগীতবোৰ হলে বৰ পোৱেটিক। মই মোৰ এজনী বান্ধবীৰ মুখত শুনিছিলোঁ—

বাটলৈ চাওঁতে জপনা ডেওঁতে
বিন্ধিলে অঘৈয়া হুলে।
তোৰো মনে গলে মোৰো মনে গলে
কি কৰিব কলিতা কুলে॥

এই বিহুগীতটো নিশ্চয় চাহাবুদ্দিন তালিচৰ দিনৰ হব। কিয়নো তেওঁৰ মতে অসমত দুটা জাতি আছিল। তাৰে এটা অসমীয়া আৰু আনটো কলিতা। অসমীয়া জাতিৰ মাজত সম্প্রদায় সমূহ সেই দিনত আজিৰ দৰে আনুভূমিকভাৱে বিভক্ত নাছিল। বিভক্ত আছিল; কিন্তু আছিল উলম্ব বিভাজন। আহোম ৰাজত্বত থকা পাইক কাঁড়ীৰ ব্যৱস্থাই আৰু মহাপুৰুষ শঙ্কৰদেৱৰ প্রভাৱে সেইটো সম্ভৱ কৰি তুলিছিল।

: হেল ইওৰ ডাক্তাৰী।, বিহু শুনা। তেওঁ আৰম্ভ কৰিলে:

আকাশৰ চন্দ্ৰক নেপাওঁ হাতে মেলি
ভৰি মেলি নেপালোঁ পাটী,
চন্দ্ৰ সূৰ্য্যক মাতোঁ তুতি কৰি
পুৰক ধীৰে ধীৰে ৰাতি॥

মনে মনে গাবলৈ যত্ন কৰিছিল যদিও উছাহতে ডাঙৰকৈ শুনা

গৈছিল তেওঁৰ গীত। এনেতে পিচপিনৰ বিটল্‌চ্‌হালৰ এজনে গাই উঠিল :

হে আবরু ববস্‌ জবা থামকে ববস্‌

য়্যায়সা ন ববস্‌ কী বঁ আ ন সকে।

যব বঁ আ জায় তু জবা জম্‌কে ববস্‌

কী ফিৰ বঁ জা ন সকে ॥

বাহ্‌বা বাহ্‌বা বুলি লগৰ সমজদাৰজনে চিঞৰি উঠিল। লগে লগে গোটেই বাছখনেই যেন সাৰ পাই উঠিল। মাৰোৱাৰী ভদ্ৰলোক কেইজনে, আদহীয়া মানুহজনে আৰু ল'ৰা-ছোৱালী হালেও হাঁহিলে। বাছৰ ভিতৰখন যাদুৰ স্পৰ্শত যেন হঠাৎ জীৱন্ত হৈ উঠিল।

তেওঁ ডেকা দুজনৰ ধিতিঙালিলৈ ভ্ৰূক্ষেপ নকৰি কৈ গ'ল—বিহুগীতৰ বিষয়ে তেওঁৰ ধাৰণাৰ কথা। এই বিহুগীতে যে আইৰিচ বা ৰাছিয়ান বেলাডবোৰৰ দৰে যুগে যুগে অসমৰ সমাজ ব্যৱস্থাৰ, অসমবাসীৰ চিন্তাচৰ্চাৰ প্ৰতিনিধিত্ব কৰি আহিছে সেই কথা অনস্বীকাৰ্য্য। কিন্তু এটা কথা তেওঁ কলে :

: তুমি জানোচা বেয়া পোৱা ?

: কোৱাচোন কি ক'ব খুজিছা।

: বোমা বৌলাক জানা নহয় ? তেওঁৰ ভনীয়েক মেডেলীন বৌলাই ১৯৩৯ চনৰ আগতেই বেংগলী ফক্‌ ছংছ ফ্ৰেঞ্চ লেংগুৱেজলৈ ট্ৰেন্‌শ্লেট্‌ কৰিছিল। এদিন লাইব্ৰেৰীত দেখিছিলোঁ কিতাপখন—কি Vicilles Ballades Du Bengalee—ফ্ৰেঞ্চ নাম তো ? প্ৰনান্‌চিয়েশ্বন্‌ কিদৰে কৰে নাজানো। তোমালোকৰ বিহুগীতৰ পিছে তেনে কোনো ট্ৰেঞ্চলেশ্বন পোৱা নাই।

: মই কি কৰিম এতিয়া ?

: একো কৰিব নালাগে, শুই থাকা। আমি এতিয়া কি পাওঁ কোৱাচোন ?

: পৌৰসাণৰ হবলা, চোৱাচোন কি দেখা ?

তেওঁ বাহিৰলৈ চায়েই খিৰিকীখন ধম্‌ কৰে পেলাই দিলে।

: মাই গোছ।

: কি হ'ল?

: শুনা নাই?

শুনিছিলোঁ। এখন ট্ৰাক জোৰেৰে পাৰ হৈ গৈছে। বহুতো মানুহৰ কোলাহল ট্ৰাকৰ শব্দৰ লগে লগে শুনা গৈছিল। দুয়োটা শব্দই ক্ষীণ হৈ নাইকিয়া হৈ গ'ল'।

: আমি অফ্ আৰ-জি বৰুৱা এণ্ড মুকুল আমিন। ছাম ফুটবল ট্ৰফি উইনাৰছ।

এৰা, অসমৰ গাঁৱে-ভুঞে ক্ৰীড়ামোদী জনতা গঢ়ি তোলাত এই দুজন মানুহৰ প্ৰচেষ্টাৰ শলাগ লব লাগিব। তেওঁলোকে নিস্বাৰ্থভাৱে লাগি নথকা হলে অসমীয়া মানুহৰ অৱস্থা অসমীয়া দৈনিক এখনত দিয়া সেই গৃহিণী গৰাকীৰ দৰে হ'লহেঁতেন। সেই যে ক্ৰিকেট খেল চাই আহি গিৰিয়েঁতক কৈছিল: এইবাৰ বলটো বহুত সৰু যেন লাগিল আৰু এইবাৰৰ কায়দাটোও মোৰ ভাল লাগিছে। ভৱিৰে মৰাতকৈ এনে ব্যৱস্থাই ভাল।

: ছী মাষ্ট বী এন আছামীজ লেডী।

: চাৰটেন্‌লী।

: বাদ দিয়া। এয়া কিমান পালোঁহি বাৰু?

নিশ্চয় গৌৰীসাগৰ পাৰ হলোঁ। এই সাগৰ খনাইছিল ৰাণী ফুলেশ্বৰীয়ে। শিৱসিংহৰ ৰাজত্বত উঠিবজা ফুলেশ্বৰীয়ে। তেওঁ আছিল নটৰ জীয়ৰী নাচনী। ৰূপত মুগ্ধ হৈ শিৱসিংহই চাঙত তুলিলে। আৰু নাম দিলে বৰৰজা। ফুলেশ্বৰীয়ে সৰুকালৰ পৰা ভুগি অহা লাঞ্ছনাৰ প্ৰতিশোধ ললে প্ৰচলিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি। প্ৰচলিত সমাজ-ব্যৱস্থাৰ বিৰুদ্ধে তীব্ৰ ঘৃণা পোষণ কৰিছিল আৰু এজনা ৰাজপুৰুষে। সেয়া আছিল ফুলেশ্বৰীৰ আজোককাক স্বৰ্গদেৱ গদাধৰ সিংহ। কেন্সাৰ ৰোগে গদাধৰক অকালতে পাৰ নকৰোৱা হলে সমগ্ৰ অসমৰ সমাজব্যৱস্থাৰ গতি কি যে হলহেঁতেন বুজা টান।

এনেয়ে গদাধৰৰ পৰিনাতিৰ ৰোৱাৰী ফুলেশ্বৰীয়ে খনোৱা গৌৰীসাগৰ—'খান্দিলা পুখুৰী কিন্তু নাম থলা সাগৰ'। পুখুৰী হলেও ইমান ডাঙৰ যে একোখন বিল্ল যেন লাগে। বাটত আমি এনে একাধিক সাগৰ পাই যাম। অঠাই সাগৰ পাম, জয়সাগৰ পাম আৰু শিৱসাগৰ পাম।

: শিৱসাগৰ? এ প্লেচ অৱ এ টেংক্?

: এ টেংক্ এণ্ড এ প্লেচ বাই ছ বিছাইড। এয়া নগাআলিৰ চক পাৰ হলোঁ। এয়া নামদাং শিলৰ সাঁকো। ১৭০৩ খৃষ্টাব্দত ফুলেশ্বৰীৰ শহুৰেক স্বৰ্গদেউ ৰুদ্ৰসিংহই সজোৱা। এই নামদাং পাৰ হৈয়ে পুৰণি ৰংপুৰ জিলাত সোমাম। পুৰণি অসমত চাৰিং আছিল আটাইতকৈ ডাঙৰ জিলা, তাৰ তলতে এই ৰংপুৰ। নামদাং মানে ৰঙাপানী। এই ৰঙাপানী নদীৰ ওপৰেদি এই শিলৰ সাঁকো। কোনোবা চাকং ফুকনে সজা। সাধাৰণ কাৰিকৰী অভিজ্ঞতাৰে সাজিছিল যদিও যাউতি-যুগীয়া হৈ আছে। দ্বিতীয় মহাসমৰ পাৰ কৰিলে এই দলঙে কিন্তু এতিয়াও পৰ্বতৰ দৰে অবিচল হৈ পৰি আছে। আমি নিশ্চয় এতিয়া ভটিয়াপাৰ পালোঁহি।

তেওঁ অলপ চাপৰি সম্মুখৰ ফালে কিবা এটা চালে। ইঞ্জিনৰ উইণ্ড শ্বিল্ডেদি সম্মুখত কিবা এটা দেখিলে।

: হোৱাট ইজ দেট ৰেড লাইট এবাভ?

: অ' আমি তেনেহলে ভটিয়াপাৰ পাবেই হলোঁ। সেয়া ওৱেল। এ-এন-জি-চিৰ ড্ৰিলিং ছাইট।

: এইবোৰৰ বিষয়ে কোৱাৰ আগতে তুমি যদি বেয়া নোপোৱা মই অকণ ৰুদ্ৰসিংহৰ কথা কওঁ।

: কোৱাঁ। মই তেওঁক জানোঁ—ছ মোষ্ট কালচাৰড্ এণ্ড ছ মোষ্ট পাৱাৰফুল কিং।

: এণ্ড এ মোষ্ট কন্‌ছাৰভেটিভ্।

: হাও?

: তুমি পাইক ব্যৱস্থাৰ কথা নিশ্চয় শুনিছা। তেতিয়া চাৰি

পাইক এক গোট হৈছিল। আৰু কোৰ্চড্ লেবাৰৰ ব্যৱস্থাও আছিল সমৰকালীন পৰিস্থিতিত। এটা গোটৰ তিনিজন বাহিৰলৈ ৰাজখামাৰত কৃষিকাৰ্য্যৰ বাবে গলে ইজনে মানে চতুৰ্থজনে কেউজনৰ বাবেই বন্ধাবঢ়া কৰে। আৰু আগৰ গোটত কি মানুহ আছিল— ভোটাই ডেকা, আঘোণা কছাৰী, মাধৱ তামুলী আৰু খাৰঘৰীয়া গৰিয়াৰ দৰে মানুহবোৰ। এই চাৰিজনেই ষড়যন্ত্ৰ কৰি দেশদ্ৰোহী লালুকসোলা ফুকনক হত্যা কৰিছিল। তাৰে এজন আছিল কলিতা, এজন কছাৰী, এজন আহোম আৰু এজন গৰিয়া। আগৰ গোট-বোৰো প্ৰায় এনেকুৱাই আছিল।

চন্দ্ৰধ্বজ ৰুদ্ৰসিংহৰ উপৰিপুৰুষ। তেওঁ আছিল ৰাজেশ্বৰ সিংহৰ ওলোটা। তেওঁ বিদেশী বস্ত্ৰ পৰিধান কৰা নাছিল। অথচ স্বদেশত বস্ত্ৰ উৎপাদনৰ বাবেও তেওঁ বিশেষ একো কৰা নাছিল। অসমত তাঁতশিল্প প্ৰসাৰণৰ বাবে জয়ধ্বজ সিংহই যথেষ্ট কৰিছিল। প্ৰতাপ সিংহৰ দিনতো দক্ষিণ পাৰৰ পৰা তাঁতী নি শুৱালকুছিত থাপিছিল। আৰু তেলী কিছুমান থাপিছিল ৰামদিয়াত।

ৰুদ্ৰসিংহই সাম্প্ৰদায়িক ব্যৱস্থা বঠোৰ কৰি পেলালে। তেওঁৰ পিতৃদেৱ গদাধৰ সিংহই হিন্দু সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে প্ৰকাশ্য যুদ্ধ ঘোষণা কৰিছিল কিন্তু তেওঁ নিজে অসমত হিন্দু সাম্প্ৰদায়িকতা কায়েম কৰিলে; আৰু অসমক ভাৰতীয় সংস্কৃতিৰ সতে সাঙোৰ খুৱালে। নিজে বিদেশী জামা পাগ ইজৰ পিন্ধি ডা-ডাঙৰীয়া-সকলকো দিয়ালে। ডা-ডাঙৰীয়াসকলে বিদেশী বস্ত্ৰ পৰিধান নকৰোঁ বুলি দাং খাই উঠিল। বস্ত্ৰ ওভোতাই দিলে। ৰুদ্ৰসিংহ হলে হতাশ নহ'ল। জয়ধ্বজ সিংহ, চুহুম্মুং স্বৰ্গদেউ আটায়ে পশ্চিমৰ পৰা কাৰুশিল্পী অনাই গুণা কটা খেল পৰ্য্যন্ত পাতি দিছিল। ৰুদ্ৰসিংহই সিদ্ধান্ত ললে এই কাৰুশিল্পীসকল বিদেশী হৈ থাকিব কেলেই? অসমৰাজৰ প্ৰজা হব লাগিব। সেইবাবে অসমৰাজ্য পশ্চিমলৈ প্ৰসাৰিত কৰিবৰ বাবে আয়োজনত প্ৰবৃত্ত হল। অসমকে

দুৰ্কপাল সিদ্ধান্ত সিদ্ধান্তত বল। কাৰ্য্যত পৰিণত কৰাৰ আগতেই কন্দ্ৰসিংহই দেহৰক্ষা কৰিলে।

আৰু এয়া ভটিয়াপাৰ। ৰংপুৰ জিলাত। এই জিলাৰ পশ্চিমে নামদাং, পূবে দিখৌ নৈ। এতিয়া আমি ৰংপুৰ জিলাৰ মাজ-মজিয়াত। এই ভটিয়াপাৰত সোন্দৰ গোঁহাইৰ লগত কোচৰজাই দি পঠোৱা ভটিয়া মানুহবোৰক থপা হৈছিল। সেইবাবেই ভটিয়াপাৰ নাম। জয়ধ্বজ সিংহই আমোদ-প্ৰমোদত দিন কটাই পোহাৰীৰ গালি খাইছিল। ৰাজেশ্বৰ সিংহই পাইছিল আশীৰ্বাদ। তেওঁ বঙলা গান-বাজনাৰ প্ৰচলন কৰিছিল আৰু ভটিয়াপাৰৰ মানুহ পঠিয়াই ভাটিৰ পৰা প্ৰতিমা সজা কাৰিকৰ অনাই প্ৰতিমা সজাই দুৰ্গাপূজা পাতিছিল।

ওচৰতে সেয়া ড্ৰিলিং ছাইট। ৰংপুৰৰ মাটিৰ তলত তৈল সমুদ্ৰৰ আৱিষ্কাৰ।

: সমুদ্ৰ নহয়, জাষ্ট এ পুল।

: আমাৰ অসমীয়াত এটা ফকৰা আছে বুজিছা। দৰিদ্ৰ যিপিনে যায়, সাগৰো শুকায় মাণিকো লুকায়। আগেয়ে সমুদ্ৰই আছিল, কিন্তু হঠাৎ শুকাই খাল হৈ পৰিল।

এতিয়া ৰংপুৰৰ আচল ৰূপ দেখিবা। এসময়ত ৰঙে-ৰসে ভৰপুৰ, শৌৰ্য্যে-বীৰ্য্যে অতুলনীয় আছিল এই ৰংপুৰ। আজি কিন্তু এয়া ৰংপুৰ নহয়। এয়া ৰংপুৰৰ কঙ্কাল মাত্ৰ।

The eyes are not here
There are no eyes here
In this valley of dying stars,
In this hollow valley
This broken jaw of our lost kingdom.

এই ঠাইতেই ত্ৰয়োদশ শতিকাত ভাৰতৰ আটাইতকৈ শক্তিশালী

ৰাজ্যখনৰ গোড়াপত্তন হৈছিল। য'ৰ প্ৰান্তলৈ আহি পৰাক্ৰমী মোগলসকল বাৰে বাৰে প্ৰতিহত হৈছিল। দিখৌ পাৰ হলেই সিপাৰে কলঙ্ক পাৰ। আজিকালিৰ শিৱসাগৰ। ইয়াৰে কলঙ্ক ৰাজখোৱাই গুৱাহাটীৰ পূবে বোন্দা পাহাৰৰ পাদদেশত থকা জয়দ্ৰথৰ চকীত মোগল সেনাপতিৰ সতে একঘড়ী লেড়াই কৰিছিল। সেই যুদ্ধত তেওঁৰ তৰোৱাল ভাগি ডোখৰ ডোখৰ হৈ যোৱাত শুদা হাতেৰেই মোগল সেনাপতিক ঘোঁৰাৰ পৰা টানি বগৰাই সেনাপতিৰ তৰোৱালেৰেই কাটি ডুছেও কৰি সেনাপতিৰ ছিন্নমুণ্ড বৰফুকনক উপহাৰ দিছিল।

বৰফুকনে কুকুৰা ঠেং চোৱাই গাত ব্ৰহ্মা কবচ ধাৰণ কৰিলে। আৰু ১৬৬৬ খৃষ্টাব্দৰ ভাদমাহত গড়গাৱঁৰ পৰা এক লাখ যাঠি হেজাৰ মূল ৰণুৱাই এই পথেদিয়ে অভিযান কৰি গৈছিল কাজলীমুখ কলিয়াবৰ অভিমুখে। ক'লা ক'লা পোছাক পিন্ধা এই সৈন্য সকলেই অৱশেষত শৰাইঘাটত যুদ্ধ কৰি মোগলৰ পৰা আমাৰ দেশক ৰক্ষা কৰিছিল।

সেই শৌৰ্য্য-বীৰ্য্য আজি আৰু নাই। সেই ইতিহাসৰ মূল্য আজিৰ অসমীয়াৰ মনত এক প্ৰাগ-ঐতিহাসিক যুগৰ কল্পনাপ্ৰসূত সাধুৰ সমানো নহয়।

এয়া অদূৰত আঠাই সাগৰ। কমলাকুঁৱৰী পুখুৰী বুলিও কয়। পানীৰ হাঁহাকাৰ হোৱাত হেনো জলদেৱতাই কমলাকুঁৱৰীক উছৰ্গা কৰিলে পুখুৰীত পানী ওলাব বুলি কৈছিল। জলদেৱতাৰ নিৰ্দেশমতে কাম কৰাতহে পুখুৰীত হেনো পানী ওলাল। সেয়ে তাৰ নাম কমলাকুঁৱৰী পুখুৰী।

: ছী মাষ্ট বী বিউটিফুল।

: হোৱাই ?

: দেৱতাবোৰ জ্ঞানো কম। ধুনীয়াজনৰ প্ৰতি সদায় পক্ষপাতী।

আমাৰ ৰজাসকলো কম নাছিল। কথিত আছে, আহোম শাসনৰ প্ৰথমজন বৰফুকন হেনো কছাৰী আছিল। তেওঁৰ উপৰি

পুৰুষ তুৰ্বকৰ সতে হোৱা যুদ্ধত আহোমৰ হাতত বন্দী হৈছিল। তেওঁ আছিল অপৰূপ ৰূপবান। সেইবাবে আহোম ৰজাই তেওঁক নিগ্ৰহ নকৰি কৰিলে অনুগ্ৰহ। তেওঁক ছৰুবা পাতিলে। তেওঁৰ পুতেক তামুলী হ'ল আৰু শেষত বৰফুকনৰ বাবো সেই পৰিয়ালতে পৰিলগৈ।

ভাৰতৰ ইতিহাস-স্বীকৃত আদি ৰজাজন আছিল দিবাকীৰ্ত্তি নাপিতৰ পুতেক। দিবাকীৰ্তিও আছিল অনিন্দ্যসুন্দৰ। আৰু আমাৰ অসমৰ ক্লিওপেট্ৰা গড়মা কুঁৱৰী? তেৱেঁ৷ সৌন্দৰ্য্যৰ পোহাৰ মেলি কম জন ৰজাৰ নাকত ধৰি চাকত ঘূৰাইছিলনে? তেওঁৰ ৰূপত বলিয়া হৈ আহোম ৰজাই ৰাজ-কাৰ্য্য পৰিহৰি অজ্ঞাত বাস কৰিছিল।

আৰু আপচু গোহাঁই। কোচ ৰজাৰ মহিষীসকলে তেওঁৰ ৰূপত মুগ্ধ হৈ মুক্তি দিবলৈ খাটিলে ৰজাৰ ওচৰত। মহিষীৰ অনুৰোধ ৰক্ষা কৰি আপচু গোহাঁইক মুক্তি দিয়েই ক্ষান্ত নাথাকিল কোচৰাজ। লগতে বহুতো বৃত্তিয়াল মানুহ দি পঠালে অসম দেশত কুটীৰ শিল্পৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে। তেওঁলোকক ভটিয়াপাৰত থপা হৈছিল। কেৱল দেৱতাহে যে ৰূপৰ পক্ষপাতী সেইটো নহয়, মানুহো।

ঃ দেৱতাই যেতিয়া তেনে, মানুহ নহব কেলেই? আমি কিন্তু এটা টাৰ্নিং পালোঁহি। একো নেদেখোচোন?

ঃ অঁ এয়া জয়সাগৰ। বাওঁফালে ৰূপহী পথাৰ আৰু সোঁফালে জেৰেঙা পথাৰ। এই জয়সাগৰেই অসমৰ আটাইবোৰ পুখুৰীৰ ভিতৰতে ডাঙৰ। এই পুখুৰী খনাইছিল স্বৰ্গদেৱ ৰুদ্ৰসিংহই। কুঁৱলী উঠিছে নিশ্চয়, সেইবাবে একোকে দেখা নাযায়।

কথিত আছে, এই জেৰেঙাৰ য'ত জয়সাগৰ আছে তাতে ৰুদ্ৰসিংহৰ মাক জয়মতীক ল'ৰা ৰজাই শাস্তি দিয়াই মাৰিছিল। ঘটনাটো নিশ্চয় তুমিও জানা।

আমাৰ সোঁফালে ৰাজহাউলী আৰু বাওঁফালে এয়া ৰূপহী পথাৰ। ৰাজহাউলীত আছে তলাতল ঘৰ, খাৰ ঘৰ আৰু চাৰিওফালে

গড়। তলাতল ঘৰটো মাটিৰ ওপৰত চাৰিমহলা আৰু মাটিৰ তলত তিনিতলা আছিল হেনো। এয়া ৰজাৰ কাৰেঙৰ ভগ্নাৱশেষ।

বৰ বেছিদিনৰ কথা নহয়, মাত্র ১৭৬৫ খৃষ্টাব্দত স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহই এই তলাতল ঘৰ সজাইছিল। ওচৰতে খনাইছিল মিঠা পুখুৰী। মিঠা পানীৰ পুখুৰী নহয়। ৰজাঘৰত বিশুদ্ধ পানী যোগানৰ ব্যৱস্থা। এসময়ত বিশেষকৈ মানৰ আক্ৰমণৰ সময়ত এই পুখুৰীৰ পানী অৱশ্যে মিঠা হৈ পৰিছিল কিয়নো মান দস্যুৰ ভয়ত ৰজা আৰু ডা ডাঙৰীয়াৰ ঘৰৰ যিমান সোণ-ৰূপৰ গহনা আৰু লদা সোণ আছিল সেই সকলোবোৰ হেনো এই পুখুৰীতে পেলাইছিল। ১৭৯৫ খৃষ্টাব্দত মোৱামৰীয়া বিদ্রোহ দমাই কেপ্টেইন ওৱেল্‌ছ চাহাবে উভতি যোৱাৰ পথত এই ৰাজহাউলী দৰ্শন কৰি গৈছিল। তাৰ পাচত কি আচৰিত, জাল-জকাইৰে অসমীয়া মানুহে কতবাৰ চেলভেজ অপাৰেশ্যন চলালে, পুখুৰীতো একো নেপালেই, আনকি কাৰেংঘৰতো ৰজাৰ সাধাৰণ বস্তু এপদো নাপালে।

কাৰেংঘৰটোৰ এনে শোচনীয় অৱস্থাৰ মূলতে আকৌ স্বৰ্গদেৱ লক্ষ্মীসিংহহে। আহোম শাসনৰ মুখ্য ইঞ্জিনীয়াৰ কলিতা ফুকনৰ হতুৱাই এই ঘৰটো ভঙাই তাৰ মেটেৰিয়েলছবোৰেৰে দিখৌত দলং সাজিবলৈ লগাই দিলে। শেষত কাৰেঙো ভাগিল আৰু দিখৌত দলঙো নহ'লগৈ। গৌৰীনাথ সিংহৰ বাপেকহঁতো হবই তেনে ব্যৱস্থা।

: ভালেই হল। অন্ততঃ আৰু এটা ডিফেন্স লাইন যে নষ্ট নহল।

: মানে?

: চীনা আক্ৰমণৰ সময়ত ক'ব নোৱাৰা?

: বুজিছোঁ। চীনা আক্ৰমণৰ সময়ত ব্ৰহ্মপুত্ৰটো ফেৰীৰে পাৰ হৈ আমি যে নিজকে কিমান নিৰাপদ অনুভৱ কৰিছিলোঁ। কলীয়া ভোমোৰা ফুকনে ভোমোৰাগুৰিয়েদি ব্ৰহ্মপুত্ৰত দলং দিবলৈ বুলি ৰংপুৰৰ পৰা খোদ স্বৰ্গদেৱৰ হুকুম কৰাই ভোলানাথ বৰকাকতীক লৈ আহিছিল ভাগ্যে দলংখন হৈ নুঠিল, নহলে যে মানুহৰ কি দুৰ্গতি হলহেতেন।

তুমি পিছে ভুল কৰিছা। চীনাহঁতে নদী পাৰ হব পাৰে বুলি আমি জানো। পাৰ হব নোৱাৰিব বুলি আমি স্বস্তি লভা নাছিলোঁ। আমি স্বস্তি লভিছিলোঁ নদী পাৰ নহব বুলিহে। তোমালোকে দেখিলাই নহয়, আমাৰ অনুমান কিমান নির্ভুল আছিল।

: আচ্ছা এটা কথা তুমি জানানে? মানুহে হেনো তেজপুৰত থাকি যোৱা মুছলমানসকলক দেশদ্রোহী আৰু আনবোৰক হিৰো বুলি ধৰি লৈছিল?

: অন্ততঃ অসমীয়া মানুহে তেনেদৰে বিশ্বাস কৰা নাছিল। মই এই বিষয়ে পাচত কম বাৰু। তুমি এতিয়া এই ৰংঘৰটোলৈ চোৱাঁ।

ৰংঘৰটো সজাইছিল ক্রীড়ামোদী ৰজা কদ্রসিংহৰ পুতেক প্রমত্ত-সিংহই। ১৭৪৬ খৃষ্টাব্দত। শিলচৰত যেতিয়া পৃথিবীৰ প্রথম পলো গ্রাউণ্ডখন সজা হৈছিল তাৰ এশ বছৰৰ আগতে। ৰাজপৰিয়ালে সেই ঘৰত বহি খেল চাইছিল। বহা আসনখন হাতীয়ে শুঁড় দাঙি মাটিৰ পৰা কথমপি ঢুকি পায়। বহা মজিয়াখনৰ সম্মুখৰ কাষটো ছুব পাৰে। ঠিক এনে জোখত সজা হৈছিল। মনুসংহিতাৰ শ্লোকটো আগতে গাই আহিছোঁ। ৰজাৰ আৰু ৰাজপৰিয়ালৰ নিৰাপত্তা হল ৰাজ্য এখনৰ শ্রেষ্ঠতম দায়িত্ব। আহোম যুগত খেল হৈছিল হাতী-ম'হৰ দৰে ভয়ঙ্কৰ জন্তুৰ মাজত। কাজেই ৰজাৰ নিৰাপত্তাৰ কথা চিন্তা কৰি এই প্রেক্ষামঞ্চটো সজা হৈছিল।

পৃথিবীত সকলোৱেই গান্ধী নহয়, শংকৰদেৱ নহয়, নাইবা ৰবীন্দ্রনাথো নহয়। "বিপদে মোৰে ৰক্ষা কৰা এ নহে মোৰ প্রার্থনা বিপদে যেন নাকৰি আমি ভয়।" এইষাৰ কথা কোনো ৰজাবো নহয় প্রজাবো নহয়। কোনো পৰাক্রমী সেনাপতি নাইবা অসম-সাহসী যোদ্ধাবো নহয়।

: তুমি পিছে কবিতাষাৰি ভুলকৈ বুজিছা দেই। ডেন্‌জাৰক ভয় কৰে বাবেহে ভগবানক সাহস খুজি প্রে কৰিছে। তুমি, মাফ কৰিবা, মহা ষ্টুপিড্ এটা।

তেওঁৰ গাঁলিলৈ কাণসাৰ নকৰি মই খিৰিকীৰে চালোঁ শিৱসাগৰ চহৰৰ আলিৰ দাঁতিৰ ইলেক্‌ট্ৰিক লাইটবোৰৰ পোহৰ শৰতৰ নিৰ্মল জোনাকেও ম্লান কৰি পেলাব পৰা নাছিল। আমি দিখৌ নৈৰ দলং পাৰ হৈ শিৱসাগৰ টাউনত সোমালোঁ। ৰংপুৰ পাৰ হৈ কলঙ্কুপাৰত সোমালেঁাহি। এই দলংখন এসময়ত মাজেদি খুলি বাট দিব পৰা বিধৰ আছিল। কিয়নো দিখৌ নৈ আছিল বৰ দ'। ব্ৰহ্মপুত্ৰৰ জাহাজ উজাই আহি সোমাইছিলহি দিখৌ নদীত। নাজিৰাৰ অসম কোম্পানীৰ বাগিচাবোৰৰ পৰা চাহপাত আনিবলৈ আৰু বাগিচাবোৰলৈ যন্ত্ৰ-পাতি আনিবলৈ ? তেতিয়া জাহাজবোৰক এই দলঙে নিজৰ বুকুফালি বাট এৰি দিবলগীয়াত পৰিছিল।

কলঙ্কুপাৰৰ পশ্চিম সীমা দিখৌ আৰু পূব সীমা দৰিকা। তাৰো পূবে চৰগুৱা, য'ৰ দাঁতিয়েদি বৈ গৈছে দিচাং নৈ। দিখৌ নদীৰ মোহনাত এসময়ত আছিল ঋষি বাল্মীকি। আৰু শেষত আহি থিতাপি লৈছিলহি ইছলাম ঋষি আজান পীৰে। এই আজান পীৰেই অসমৰ অধ্যাত্ম চিন্তাৰ শেষ শ্ৰেষ্ঠ নেতা।

: পীৰ ? হোৱাট ইজ্ পীৰ ?

: তোমালোকৰ পোপৰ দৰে। আমাৰ মাজুলীত থকা সত্ৰীয়া গোসাঁইৰ দৰে।

: ডু দে ছেল ইন্দালজেঞ্চ ?

: নো। মাত্ৰ অনিৰুদ্ধই এবাৰ কৰিছিল। তেওঁ আছিল শংকৰৰ ভাগিন। তেওঁ অৰণ্যে ইন্দালজেঞ্চ ছেল কৰিছিল। কেইবছৰমানৰ কাৰণে অজ্ঞাতবাসত থাকি তেওঁ ভটং কৰে অসম-ভূমিত আবিৰ্ভাৱ হৈ কৈ ফুৰিলে যে তেওঁ নগাৰ ওঁচৰত গুৰুমন্ত্ৰ পাই আহিছে। সেই মন্ত্ৰৰ বলত ভক্তই সঁশৰীৰে স্বৰ্গ লৈ যাব পাৰে। কিন্তু "ইহাক বাটে ঘাটে নাগাব, ভক্ত সমে গাব। যিজনে অভক্ত সমে গাব, তাহাৰ গুৰুবধ পাপ সিজিব।" এনেদৰে এটা লুকৃচাকৰ ব্যৱস্থা কৰি তেওঁ ৰাতি খোৱা সম্প্ৰদায় প্ৰতিষ্ঠা কৰিলে আৰু শংকৰ

মাধৱৰ নামত ধৰ্মৰ ক'লাবজাৰ চলালে। সেইবাবেই এই সম্প্ৰদায়ৰ সভা বহে গভীৰ ৰাতি, গোপনে আৰু অনুষ্ঠানত নগা চাণ্ডৰ কেমোফ্লেজ্জ্ কৰি মহন্ত বহুৱাই নমাই অনা হয়।

অৱশ্যে এই অনিৰুদ্ধ পবিত্ৰ মায়ামৰা সম্প্ৰদায়ৰ প্ৰতিষ্ঠাতা শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ নহয় বুলিয়ে মোৰ ধাৰণা। শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ যশ আৰু খ্যাতিৰ লোভত আন এজনে নিজৰ নাম গোপনে ৰাখি নিজকে অনিৰুদ্ধ বুলি জাহিৰ কৰাটো সেই সময়ত প্ৰায়ে ঘটি থকা এটা ঘটনা।

: মায়ামৰা সম্প্ৰদায় ?

: ইয়েচ, মায়ামৰা সম্প্ৰদায়। অসমৰ জনসাধাৰণৰ আশা-আকাঙ্ক্ষাক প্ৰতিনিধিত্ব কৰা একমাত্ৰ ধৰ্ম সম্প্ৰদায় বুলি আমি কব পাৰোঁ এই সম্প্ৰদায়ক, যাৰ প্ৰভাৱত এসময়ত প্ৰবল প্ৰতাপী আহোম ৰাজৰ ধৰণী কঁপি উঠিছিল।

ধৰ্ম কোনোদিন ৰাজতন্ত্ৰৰ বিৰুদ্ধে থিয় দিয়া নাছিল; শ্ৰীমন্ত শংকৰেও প্ৰত্যক্ষভাৱে কোনোদিন ৰাজ অনুগ্ৰহ বিচৰা নাছিল কিন্তু ৰাজতন্ত্ৰৰ বিৰুদ্ধে কিবা এটা কৰাৰ মানসিক প্ৰস্তুতি তেৰাত দিব পৰা নাছিল জনসাধাৰণৰ মনত। মায়ামৰা সম্প্ৰদায়ে নিজৰ গণতান্ত্ৰিক চৰিত্ৰ অক্ষুণ্ণ ৰখাৰ উদ্দেশ্যে ৰাজতন্ত্ৰৰ বিৰুদ্ধে কেৱল থিয় দিয়াই নহয়, বিদ্ৰোহ কৰিছিল।

শ্ৰীমন্ত গুৰুৰ গণতান্ত্ৰিক প্ৰচেষ্টাই চৰম পৰিণতি লাভ কৰিছিল মায়ামৰা বিদ্ৰোহৰ জৰিয়তে। ইমান দিনৰ এক প্ৰতিষ্ঠিত শাসনৰ বিৰুদ্ধে সেই সামন্ত যুগত জনতাৰ এনে সুসংহত আৰু সৰ্বগ্ৰাসী বিপ্লৱ পৃথিবীৰ ইতিহাসত এক বিস্ময়কৰ ব্যতিক্ৰম।

মই পিছে মায়ামৰা সম্প্ৰদায়ৰ গুৰু অনিৰুদ্ধদেৱৰ কথা কব খোজা নাই। মই কৈছোঁ জনশ্ৰুতিও ইতিহাসক প্ৰতাৰণা কৰি বৰ্তি থকা অন্য এক অনিৰুদ্ধৰ কথা।

আজানপীৰ আৰু অনিৰুদ্ধৰ ধৰ্ম-প্ৰচাৰৰ মাধ্যম একেই আছিল। কিন্তু উদ্দেশ্য আৰু পন্থা আছিল বেলেগ। আজানপীৰৰ বজাৰখন

আছিল মুকলি বজাৰ কিন্তু অনিৰুদ্ধৰ বজাৰ আছিল ক'লা। আজানপীৰে জিকিৰ গাই ফুৰিছিল শংকৰৰ লক্ষ্যক আৰু দুৰলৈ প্ৰসাৰিত কৰাৰ উদ্দেশ্যে। অনিৰুদ্ধই গোটা ভাগৱতৰ পৰা দেহ-বিচাৰ গাই ফুৰিছিল শংকৰক খৰ্ব কৰাৰ উদ্দেশ্যে। আজানপীৰক লৈ বহুতো কাহিনী আছে। আজানপীৰ প্ৰথমে যেতিয়া আহিছিল অসমৰ ৰাজভক্ত প্ৰজা ৰূপাই গৰিয়াই ৰজাত লগালে যে আজানপীৰ বিদেশী মুছলমান। বলিয়াৰ দৰে গাঁৱে-ভুঞে গীত গাই মানুহবোৰক পাগল কৰি ফুৰাত তেওঁৰ নিশ্চয় কিবা গোপন উদ্দেশ্য আছে। ফলত ৰজাই পীৰৰ চকু ফুটাই দিলে। কিন্তু যেতিয়া জানিলে যে আজানপীৰ দৰাচলতে এগৰাকী মহাত্মাহে তেতিয়া অসমৰ ৰাজবিষয়াই পীৰৰ চকুৰ তেজ নিজৰ পাগুৰিৰ আঁচলেৰে মচি দিছিল আৰু অসতৰ্ক ৰূপাইক কাটি পেলাইছিল।

: এ মুছলিম্ এগেনষ্ট্ এনাদাৰ মুছলিম?

: তুমি অসমীয়া মুছলমানৰ কথা নাজানা। শৰাইঘাটৰ যুদ্ধত আটাইতকৈ দুঃসাহসিক অথচ গুৰুত্বপূৰ্ণ কাম কৰিছিল অসমৰ প্ৰতি-ৰক্ষাৰ বাবে তিনিজন মানুহে। তেওঁলোক আছিল কলঙ্কু ৰাজখোৱা, জপও গোহাঁই আৰু বাঘ হাজৰিকা। কলঙ্কু ৰাজখোৱাৰ কথা কৈ আহিছোঁ। এই দুজনে আকৌ মোগলৰ দুৰ্জেয় কামানবোৰ অকামিলা কৰি পেলাইছিল। তাৰে বাঘ হাজৰিকা আছিল মুছলমান।

: হাও, উইথ ম্যাজিক?

: নহয়, বুকুৰ পতাৰে আৰু মূৰৰ মগজুৰে। ইটাখুলি মানে আজিকালিৰ শুক্লেশ্বৰৰ টিলাটোত মোগলৰ কামান শাৰী শাৰীকৈ পতা আছিল। নদীৰে অহা শত্ৰুক প্ৰতিহত কৰিবলৈ। আনফালে এতিয়াৰ শৰণীয়া পাহাৰৰ পুবে সেই গড়টো, তাৰ পাচত একেবাৰে বোন্দাৰ ওচৰত আৰু এটা গড়। বোন্দাৰ ফালে কলঙ্কু ৰাজখোৱাৰ বাহিনী চম্ভালিবলৈ মোগল সৈন্যই ঢাপলি মেলিছে। ইপিনে ইটা-খুলিৰ কামানটোৰে প্ৰতি দুটা দুটাকৈ মোগল চিপাহী। নদীৰ পিনেদি

আক্ৰমণ অসম্ভৱ। আহোম সেনানী হতাশ হৈ পৰিল। বাঘ হাজৰিকাই আশ্বাস দিলে কোনো চিন্তাৰ কাৰণ নাই। তেওঁ মুছলমান কাৰণেই মুছলমানৰ কথা জানে। মোগল আছিল গোড়া মুছলমান। মোগল সম্ৰাট বাবৰে 'কুল হুৱা আল্লা' আৰু 'বিচমিল্লা' আঠাইশ হেজাৰ বাৰ উচ্চাৰণ কৰিলেই দিনৰাতি সম্পূৰ্ণ হয় বুলি এটা সংস্কাৰ হিচাপ উলিয়াইছিল। সেই মোগল সৈন্য ৰাতিপুৱা এবাৰ নামাজত বহিবই। সেই সময়তে জপণ্ড গোহাঁই আৰু তেওঁ গৈ নলেৰে পানী চুহী লৈ কামানৰ মুখত ভৰাই থৈ আহিব। যেই কথা সেই কাম। দীঘল দীঘল নলৰ চুঙাৰে পানী চুহি নদীৰ পৰাই কামানৰ মুখত পানী ভৰাই থৈ আহিল।

তাৰ খন্তেক পাচতে ব্ৰহ্মপুত্ৰৰ পৰা অসমীয়া সৈন্যই আক্ৰমণ চলালে। মোগলে কামান এৰিলে। চাৰিহাতমান দূৰলৈ গৈ কামানৰ গোলা ভুকুংকৰে পানীত পৰিল। এনেয়েনো মোগল ঐতিহাসিকে লেখি গৈছিলনে অসমীয়া মুছলমানক নিৰ্ভৰ কৰিব নাপায় বুলি? সেইসকলৰ দেশ আগ, ধৰ্ম পাচ। দেশৰ কৰেণে হিন্দুৱে হওক বা মুছলমানেই হওক, কাকো ক্ষমা নকৰে!

দিখৌ পাৰ হৈয়ে আমাৰ বাওঁফালে যিটো আলি গ'ল সেই আলিৰ দাঁতিতে আছিল অসমীয়া ভাষাৰ ওজা হেম বৰুৱাৰ ঘৰ। হেমকোষ অভিধান ৰচয়িতা হেম বৰুৱা। সোঁফালে সাহিত্যৰথী বেজবৰুৱা আৰু কবি যতীন্দ্ৰনাথ দুৱৰাৰ ঘৰ। বাওঁফালে দুমাইল-মান দূৰত কমাৰফদীয়াত ডিম্বেশ্বৰ নেওগৰ ঘৰ, আৰো এইপিনে মেলাচকৰত অসমীয়া সাহিত্য আৰু সঙ্গীত জগতৰ অন্যতম অগ্ৰণী পদ্মধৰ চলিহাৰ ঘৰ। এইসকল অম্বিকাগিৰি, কমলাকান্তৰ দৰে প্ৰকৃত অসমীয়া। বৰপেটীয়া, নলবৰীয়া, নগঞা, যোৰহটীয়া, দৰঙীয়া বা শিৱসাগৰীয়া নহয়।

পৃথিবীত কিছুমান যুগপুৰুষে জন্ম লয় যিসকলে erect above themselves অৰ্থাৎ দোষ-গুণ হাঁহি-আনন্দ সন্দেহ-বিশ্বাসেৰে যিজন সাধাৰণ মানুহ তেওঁলোকৰ অন্তৰত লুকাই

থাকে তাৰ ওপৰত নিজকে প্ৰতিষ্ঠিত কৰে। হেমবৰুৱা, বেজবৰুৱা, অম্বিকাগিৰি, কমলাকান্ত আছিল তেনে একোজনা যুগপুৰুষ। তেওঁলোকে প্ৰচলিত ৰীতি আৰু সংস্কাৰবদ্ধ ধাৰণাৰ বিৰুদ্ধে আজীৱন সংগ্ৰাম কৰিছিল। আনন্দৰাম বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকনৰ দৰে এওঁলোকৰ বিষয়েও অসমীয়া মানুহে ব্যক্তিগত বহুত কথাই নাজানে। এওঁলোক ক'ব, কোন সম্প্ৰদায়ৰ কোনোদিন অসমীয়া মানুহে জনাৰ প্ৰয়োজনো বোধ কৰা নাই। অসমীয়া মানুহ যিয়েই নহওক, য'তেই হওক মাতিলেই এওঁলোকে সঁহাৰি দি উঠিছিল।

কথাবোৰ ভাবি ইমান তন্ময় হৈ পৰিছিলোঁ যে বাছখন শিৱসাগৰ ষ্টেচন ইয়াৰ্ডত সোমাবলৈ খন্তেক থমকি ৰওঁতেহে চেতনা হ'ল যে গন্তব্যস্থল পালোঁহি। এইবাৰ ভাবিলোঁ শালীনতাৰ বাবে চিন্তা কৰিলে নচলিব। সুধিবই লাগিব—

: অ' ইমান পৰে তোমাক এটা কথা সোধাই হোৱা নাই।

: কি বাৰু?

উত্তৰ দিয়াৰ আগতেই কনডাক্টৰৰ মৃদু কৰাঘাত পৰিল পিঠিত। টিকট ঘূৰাই দিয়াৰ সময়। এইবাৰ সঁচাকে ছুটীৰ ঘণ্টা পৰিল। মনটো হঠাৎ বেয়া লাগি গ'ল। তেওঁ কনডাক্টৰৰ ফালে চাই টিকটটো দি কলে—মই ইয়াতে জাৰ্নি ব্ৰেক কৰিম।

: টিকট ক'লৈ?

: ডিব্ৰুগড়লৈ। কিন্তু তাত ভালেখিনি নিশা হবগৈ। মোৰ নতুন ঠাই। কোনো চিনাকিও নাই।

পিচৰ কথাখিনি অপৰাধৰ কাৰণ ব্যাখ্যা কৰা যেন শুনা গ'ল। বাছৰ আটাইখনেই আমালৈ বিশেষকৈ তেওঁৰ ফালে আচৰিত হৈ চালে। কিয়নো এইটো তেওঁলোকৰ কিয় মোৰ কাৰণেও এক অভিনৱ অভিজ্ঞতা। পৰিবহন বাছত এঠাইলৈ টিকট কাটি জাৰ্ণি ব্ৰেক কৰা জীৱনত এয়ে প্ৰথম দেখিলোঁ। কনডাক্টৰে হাঁহি হাঁহি কলে,—ফেয়াৰ ৰেগ্ৰিজন নেপাব কিন্তু।

: দেইছ অলবাইট। হু হেজ আস্ক্‌ড্‌ ইউ ফৰ দেট।

তেওঁ ঘপ্‌কৰে থিয় হলেই। গাড়ী ৰখোৱাই নাই। পিচফালৰ বীটলচ্‌ দুটাই কি কয় কাণপাতি আছিলোঁ। নিশ্চয় যোৰহাটত নামি যোৱা চলিহা আৰু বৰীক কোৱাৰ দৰে আমাকো কিবা এটা ক'ব। এইবোৰে নকলেও নিশ্চয় তেনে এটাই ভাবি লৈছে। নভবাটোহে আচৰিত। মই দেখিলোঁ শিৱসাগৰত নমা যাত্ৰী আঠজন। ব্যস্ততাৰ পৰাই বুজিলোঁ—ডেকা-গাভৰু হাল, আত্মীয়া আৰু তৰুণী, আমি দুয়ো আৰু সেই কোবখোৱা ল'ৰাটো আৰু তাৰ বন্ধু। শিৱসাগৰত অন্ততঃ দহমিনিট ৰব গাড়ীখন। সময় যথেষ্ট পাম বুলি জানিও নমাৰ বাবে মনটো ব্যস্ত হৈ পৰিল। বীটলচ্‌ দুজনৰ এটা শুনা হলেও মনৰ উগুল-থুগুল ভাব কমিলহেঁতেন। নিশ্চিত বিপদ এটাৰ কাৰণে মনটোক সাজু কৰি লওঁতে যেনে এটা অনুভূতি হয় তেনে এটা অশান্ত অনুভূতিয়ে মন আচ্ছন্ন কৰিছিল। যি বিপদেই নহওক, হৈ গলেই শান্তি পাওঁ, মিছামিছি অপেক্ষাৰ অশান্তি ভুগি মৰাতকৈ।

ডেকা বীটলচ্‌ কিন্তু নীৰৱ-নিস্তব্ধ। অতীষ্ঠ হৈ শেষত ঘূৰি চালোঁ। দেখিলোঁ ইজনে সিজনৰ গাত ভেজা দি টোপনিত লালকাল। নিদ্ৰালু নিৰাহ মুখকেইখন দেখি মৰম লাগিলেও বাছখন ৰৈ গলেই টোপনিৰ পৰা সাৰ পাই যাব পাৰে বুলি ভয়তে মই নামিবৰ বাবে অধৈৰ্য্য হৈ পৰিছিলোঁ। বাছৰ একেস্বুৰীয়া শব্দই দিয়া আমেজ ভাঙি গলেই দুয়ো নিশ্চয় সাৰ পাই উঠিব আৰু আমাক দুয়োকে একেলগে নমা দেখিলেই কিবা নহয় কিবা এষাৰ মন্তব্য দিবই। বাছ অৱশেষত থামিল। ল'ৰা দুজনে সাৰ পাই চকু মোহাৰি পৰিবেশটো বুজি লোৱাৰ আগতেই মই নামিবলৈ তোৰজোৰ লগালোঁ। ছিটৰ তলত ৰখা বেগৰ নালডাল হাতত লৈয়ে আছিলোঁ। ৰখাৰ মুহূৰ্ততে মই নামি পৰিছিলোঁ। পিচপিনে তেওঁৰ হাঁহি শুনিছিলোঁ যদিও ঘূৰি নাচালোঁ।

বেগটো হাতত লৈ ভোঁ-ভোঁৱাই একেবাৰে ষ্টেচনৰ বাৰাণ্ডা পালোঁগৈ। কিন্তু সমস্যা জানো এটা? লগত আকৌ বেডিং আছিল। ওপৰৰ পৰা নমাই নিদিয়ালৈকে অপেক্ষা কৰাত বাদে গত্যন্তৰ নাছিল। গুৱাহাটীৰ দৰে হলেতো আৰু সমস্যা। গুৱাহাটীত হুডৰ ওপৰত উঠি বেডিং নমায় কুলীয়ে। ষ্টেচন ইয়াৰ্ডত ৰিক্সা সোমাব নোৱাৰে কিন্তু কুলী সোমোৱাত বাধা নাই। পোৰ্টাৰ চৰকাৰী বিষয়া। বাছৰ হুডত উঠি মাল নমাই থাকিবলৈ তেওঁৰ সময় নাই আৰু নমোৱাটো ভালো নেদেখি। কিন্তু নমাবতো লাগিবই। কাজেই নমায় কুলীসকলৰ এজনে। বাছৰ চাৰিওফালে তেওঁৰ নিজৰ মানুহৰ হাতত মাল-পত্ৰবোৰ নমাই দিয়ে। আৰু যিজনে মালটো ধৰে সেইজনেই বা তেওঁ কৰ্তৃত্ব দিয়া কুলীজনেই মালটো নি তেওঁৰ চিনাকি ৰিক্সাত উঠাই দিয়ে। মালৰ মালিক নিমিত্ত মাত্ৰ। আপুনি আপোনাৰ বেডিং বা ট্ৰাঙ্কটো কোনজন কুলীৰে নিয়াই কোনখন ৰিক্সাত তুলিব সেই সিদ্ধান্ত আপোনাৰ নহয় সেই বাছৰ হুডত উঠা কুলীটোৰহে।

ইয়াত দেখিলোঁ তেনে নহয়। ৰাস্তাৰ পৰা গাড়ীত ওলমি আহিছিল যদিও তেওঁলোক বাছৰ চাৰিওফালে শান্ত হৈ বৈ আছে। এটা মৰাশৰ চাৰিওফালে তামুলা শগুণৰ কাৰণে বাট চাই সমাধিস্থ সন্ন্যাসীৰ দৰে বৈ থকা শগুণৰ দৰে দেখা গৈছিল কুলী কেইটাক। ইও এক ধৰণৰ আমোলাতন্ত্ৰ।

কিবাকিবি চিন্তা মনলৈ আহিছিল যদিও আলেখ-লেখ চাই আছিলোঁ কলেজীয়া বীটল্‌চ্‌ দুজনৰ হে। আইৰিলাক দৃষ্টিৰ পৰা হেৰুৱালোঁ। কলেজীয়া দুজনে সাৰ পাইছিল যদিও নামিব ধৰা মানুহবোৰৰ ব্যস্ততা দেখি আকৌ নিৰুদ্বিগ্নভাৱে শুই থাকিল। নিজৰ ঘৰৰ বাৰাণ্ডাত বহি গৰম চাহ একাপ হাতত লৈ সন্মুখৰ ৰাস্তাই দি বৰষুণত তিতি পাৰ হৈ যোৱা মানুহবোৰলৈ যি এক নিলিপ্তভাৱে মানুহে চায় ঠিক তেনে এক নিলিপ্ততাৰেই খন্তেকৰ

কাৰণে দুয়ো চকু মেলি চাইছিল। মই তেওঁৰ কাৰণে ইকাণে সিকাণে চাওঁতেই তেওঁ হাঁহি হাঁহি আগবাঢ়ি আহিল।

: হোৱাট-ছুট অফ এ মেন ইউ আৰ। আই এম ক্ৰেডিটেবলি চাৰ্চিং ফৰ ইউ।

কথাষাৰ সুধিব খুজিও হঠাৎ বৈ গলোঁ। তেওঁ মোৰ একেবাৰে কাষ চাপি আহি সুধিলেহি : হোৱেৰছ ইওৰ লগেজেছ ?

: দেয়'ৰ। মই বাছৰ ওপৰলৈ দেখুৱাই দিলোঁ। পৰ্টাৰে নিজেই মালপত্ৰবোৰ ঢাকি ৰখা ত্ৰিপালখনৰ বান্ধবোৰ খুলিছিল। তেওঁ বাৰাণ্ডাত উঠি ললে আৰু কলে যে এই বাছখন তেওঁলোকৰ য়ুনিভাৰ্ছিটিৰ বাছখনৰ দৰে নহয়।

: তোমালোকৰ বাছখন অভিজাত বংশৰ ছোৱালীৰ দৰে। দামী কাপোৰেই পিন্ধে কিন্তু বং-বিৰঙৰ নহয়। এইখন বাছ হ'ল নতুনকৈ চহৰীয়া জীৱনৰ স্পৰ্শ পোৱা ছোৱালীৰ দৰে, সাজ-পাৰত বিবিধ ৰঙৰ পয়োভৰ।

: তুমি মোৰ কথাটো বুজা নাই। য়ুনিভাৰ্ছিটিৰ বাছখন অভিজাত ছোৱালী হলে হব কিটো, মুৰত যে চাৰমিনাৰ চিগাৰেটৰ বিজ্ঞাপন কঢ়িয়াই ফুৰে।

মইও দেখিছোঁ। আমেৰিকাত হেনো বাছত বিজ্ঞাপন নথাকে, থাকে গোহাৰি। যেনে : 'য়ুনিভাৰ্ছিটি মেকছ আৱাৰ লীডাৰ্ছ' সেইবাবে মুক্তহস্তে তোমাৰ যিখিনি সামৰ্থ্য আছে দি দিয়া— এনেধৰণৰ কিছুমান গোহাৰি। আমাৰ বাছত থাকে সস্তীয়া বিজ্ঞাপন, সিও চিগাৰেটৰ। তাতে আকৌ য়ুনিভাৰ্ছিটিৰ বাছত।

তেওঁ বাছৰ পিনে আগবাঢ়ি গ'ল। আৰু মোৰ পিনে ঘূৰি চাই সুধিলে—ইউ টেল মী হুইচ্চ ইজ ইওৰ লগেজ্। খন্তেক পাচতে এটা কুলীৰ হতুৱাই তেওঁৰ বেডিং, ট্ৰাঙ্ক এটা আৰু এটা চুটকেছ আনি মোৰ ওচৰতে ৰাখিলেহি। মোৰ বেডিংটোও অনাই মোৰ ওচৰতে থলেহি। সপ্ৰশ্ন দৃষ্টিৰে কুলীটো বৈ থাকিল। তেওঁ কি কৰিব

খুজিছে জানিব নোৱাৰি ময়ো বিমূঢ় হৈ পৰিলোঁ। তাৰ পাচত হেস্ত-নেস্ত এটা কৰাৰ মনেৰে তেওঁক সুধিম সুধিম বুলিও সুধিবলৈ ভাল নলগা কথাষাৰ সুধি পেলালোঁ, অৱশ্যে যিমান পাৰোঁ শালীনতা ৰক্ষা কৰি: হুইচ্চ্ ৱে ইউ উইল গো ?

: টু মাই ব্ৰাদাৰ্চ প্লেচ।—তেওঁ হাঁহি হাঁহি কলে।

: হুইচ্চ ৱে ?

: ইওৰ ৱে।

তেওঁ মোৰ প্ৰতিক্ৰিয়ালৈ ভ্ৰূক্ষেপ নকৰি কুলীটোক নিৰ্দেশ দিলে।

: চলো ৰিক্সামে। দো ৰিক্সা লগেগা।

বস্তুখিনি দুখন ৰিক্সাত তোলা হ'ল। তথাপি মই ভেবাৰ দৰে থিয় হৈ থাকিলোঁ। ৰিক্সাৱালা দুটাই কি ভাবিছিল ভগবানেহে জানে।

: কি হ'ল ? তুমি সিখনত উঠা, মই এইখনত উঠিম। ডণ্ট্ ব'দাৰ।

তেওঁৰ কথাষাৰৰ শেষৰ পিনে এক প্ৰচ্ছন্ন প্ৰত্যাহ্বানৰ ইঙ্গিত থকা যেন অনুমান কৰিলোঁ। এইবাৰ মোৰ পৌৰুষে বিদ্ৰোহ কৰি উঠিল—

চিত্তে আৰেঙে চাংকুমা।
মিচিং য়ামেয়ে আংকুমা॥

বুলি এষাৰ মিৰি প্ৰবচনলৈ মনত পৰিল। হাতীৰ দাঁত এবাৰ ওলালে আৰু নোসোমায়, মিৰি ডেকাও এবাৰ ওলাই আহিলে আৰু ঘূৰি নেযায়। মইও নেযাওঁ। মই তেওঁলৈ চাই ৰিক্সাৱালাক কলোঁ—চব বস্তু এখনতে দিয়া। মানুহ এখনত যাম।

তেওঁ যেন ইমানপৰে তেনে এটা আশাকে লৈ আছিল, তেনেদৰে জপিয়াই নামি পৰিল আৰু নিজেই ৰিক্সাৱালাৰ লগ লাগি বস্তুবোৰ আগৰখন ৰিক্সালৈ লৈ গ'ল। আৰু পিচৰ ৰিক্সাখনৰ ওচৰতে বৈ থাকিল মোৰ নিৰ্দেশৰ বাবে অপেক্ষা কৰি।

: তুমি আগেয়ে উঠা। ইউ আৰ লেডী।

তেওঁ উঠি বহিল। আৰু ময়ো উঠি বহি ললোঁ। তেওঁ অকমান হোৱালীজনীৰ দৰে আঠু দুটা কোচ খুৱাই বহি ললে।

: খেড কো লগা দো'।

: কিয় ?

: কোল্ড।

বিক্সাৰ খেড়ে বাতি কিমান ঠাণ্ডা আগুৰে মই নাজানো কিন্তু বিক্সাৱালাই খেড লগাই দিলে আৰু লগে লগে বিক্সাৰ ভিতৰত আঁউসীৰ অন্ধকাৰ নমা যেন অনুভৱ কৰিলোঁ।

: এম আই পুটিং ইউ ইন টু ডিফিকাল্‌টি ?

: নো। উত্তমজনৰ বাক্য গজদন্ত তুল্য।

: হোৱাটিছ দেট্?

: এ প্ৰোভাৰ্ব। এইটো প্ৰথম ব্যৱহাৰ কৰিছিল এন্থনীজ ক্লিওপেট্ৰা গড়মা কুঁৱৰীৰ বাপেকে। সাধু মানুহে যিবাৰ কথা কয়, হী দাজ নট গো ব্যাক অন্ ইট্।

: আই ছা। শ্বো ইউ আৰ এ চেইণ্ট্।

: ডু ইউ দাউট্ ইট্?

: নো। আমি এতিয়া কলৈ গৈছো বাৰু ?

: তোমাৰ ব্ৰাদাৰৰ তালৈ ?

: তাৰ ঘৰ কোনফালে ?

: তাৰতো ঘৰ নাই। সি এটা অঘৰী। সোঁফালে গছৰ তলে-চলে নিশ্চয় ক'ৰবাত তাৰ আস্তানা আছে।

তেওঁ একো নকলে। মাথোন সন্তৰ্পণে এটা হুমুনিয়াহ কাঢ়িলে। বিৰাট অনিশ্চয়তাৰ সন্মুখীন হলে মানুহ যিদৰে চঞ্চল হৈ পৰে মনে মনে তেৰোঁ তেনেদৰে চঞ্চল হৈ পৰা যেন অনুভৱ কৰিছিলোঁ। লাহে লাহে আমাৰ বিক্সা দৌলমুখ চাৰিআলিৰ পৰা দ'লৰ ফালে উঠি গৈছিল। শ্ৰান্ত হৈ বিক্সাৱালাটো নামি পৰিল। তেৰোঁ বিক্সাৰ পৰা নামিল। ফলত মইও নামিবলগীয়াত পৰিলোঁ।

: কি হ'ল ?

: একো নাই হোৱা। বিক্সাৱালাই টানি নৈ গলে বিক্সাত উঠি

থাকিবলৈ মোৰ বেয়া লাগে। বিষ্ণুবালাৰ বোকোচাত উঠা যেন লাগে। আচ্ছা এয়া কিবা পাহাৰ নেকি ?

শিৱসাগৰৰ বাস্তাৰ দাঁতিত পাহাৰ নাই। ধৰমতুলতে প্ৰথম আমি পাহাৰ এৰিছিলোঁ। তাৰ পাচত আকৌ পাহাৰ পাইছিলোঁহি একেবাৰে জখলাবন্ধা পাৰ হৈ। মেকেঞ্জীৰ বাগিচা পোৱাৰ আগে আগে। সেই যে দেওহাঁহ সংৰক্ষণৰ বাবে হুলস্থুল লগোৱা মেকেঞ্জী চাহাব ?

: ক'ত বাৰু ?

: যোৰহাটৰ পৰা ঠিক ২৬ মাইল পশ্চিমে। তোমাৰ মনত পৰিছেনে এসময়ত যে ব্ৰহ্মপুত্ৰ আহি একেবাৰে বাস্তাৰ কাষ পাইছেহি। নৈৰ বিপদ সাৰিবলৈকে যে পাহাৰৰ ওপৰেদি এটা বিপজ্জনক বাস্তাৰে আহিছিলোঁ।

: ইয়েছ ইয়েছ আই ৰিমেম্বাৰ। দেন হোৱাট ইজ দিছ আপ ফৰ ?

: এয়া হুয়োকাষে যমুনা। অৰ্থাৎ সাগৰ নাম দিয়া পুখুৰীবোৰৰ পাৰ বান্ধিবৰ বাবে খনা খাৱৈ। এই খাৱৈখানি তাৰ মাটিৰে বন্ধা হৈছিল পুখুৰীৰ পাৰ। আমি তেনে এটা পাৰলৈ উঠিব লাগিছোঁ। আমি এতিয়া শিৱসাগৰ পাম। এই সাগৰ খনাইছিল ৰাণী ফুলেশ্বৰীৰ ভনীয়েক দ্ৰৌপদীয়ে। ১৭৩৪ খৃষ্টাব্দত। আৰু সৌৱা যে মন্দিৰ, সেয়ে শিৱদ'ল। অসমৰ আটাইতকৈ ডাঙৰ মন্দিৰ। ইয়াৰ সম্মুখত বছৰি শিৱৰাত্ৰিৰ দিনা ডাঙৰ মেলা বহে।

শিৱদ'লৰ সম্মুখ পাওঁতেই মোৰ বাউসীত খামোচ মাৰি ধৰি তেওঁ বৈ গ'ল।

: আই ফীল অ' টু গো নীয়াৰ ইট্। ইট্ ইজ শো বিগ্।

: উই ওনট্ গো নীয়াৰ ইট্।

জোন তেতিয়া প্ৰায় আকাশত। মন্দিৰৰ চাৰিওফালে গাঢ় ছাঁৰ এটা আবেষ্টনী আছিল। এই ছাঁৰ আবেষ্টনীটোৱে সঁচাকে পৰিবেশটো আতঙ্কময় কৰি তুলিছিল। তেওঁ এহাতেৰে মোৰ বাউসীত ধৰি শিৱদ'লৰ ফালে চাই চাই তন্ময় হৈ গৈ আছিল।

ব'লব ক'লচীত জোনাক পৰি জলমলাই উঠিছিল। মই বাস্তিৰ বাবেই খবিব পৰা নাছিলোঁ। তেওঁৰ চকুত আতঙ্ক আছিলনে, বিস্ময় আছিল।

তেওঁৰ খোজ কিন্তু বিয়াৰ কইনাৰ দৰে হৈ পৰিছিল। এসময়ত তেওঁ থমকি ব'ল। আমি সমান ঠাই পাইছিলোঁহি; বিস্নাখনে আমি উঠিম বুলি পাচফালে বৈ গৈছিল। তেওঁ বিস্ময়াবিষ্ট হৈ সুধিলে—হোৱাট ইজ দিছ ?

: এয়ে শিৱসাগৰ।

শৰতৰ জোনে শিৱসাগৰৰ ওপৰত অকৃপণ হাতে জোনাক ঢালিছিল। চাবিওকাষে দাঁতিত পৰিছিল ৰাস্তাৰ বিজুলী চাকিৰ প্ৰতিচ্ছবি।

: ইমান বিউটিফুল হব পাৰেনে? শ্বিলং দেখিছোঁ; হাফলং দেখিছোঁ, গুৱাহাটীতো ব্ৰহ্মপুত্ৰৰ শোভা দেখিছোঁ; কিন্তু আজি এয়া শিৱসাগৰৰ যি ৰূপ দেখিলোঁ মই জীৱনত কোনোদিন কোনো বস্তুকে ইমান ধুনীয়া দেখা নাই। অলপ বৈ যাওঁ দিয়ানা—

: আৰ ইউ ম্যাড! আমিতো পুখুৰীৰ সিপাৰেই থাকিম। আৰু এই ৰূপৰ অৰ্থ কি আছে!

: ডট্ ট'ক লাইক দেট্।

: তুমি শুনা। ওৱেলছে যীছুৰ ছবি সম্পৰ্কে কি কৈছিল। Jesus was a penniless teacher, who wandered about the dusty sun-lit country of Judia, living upon casual gifts of food ; yet he is always represented as clean, combed and sleek in spotless raiment······as though he was gliding through the air.

এই পুখুৰী মানুহে কতদিন মাটি চেলেকি বস্তি অলাই অশেষ কষ্টেৰে মাটি খানি পাৰ বান্ধি সজাইছিল। এই পুখুৰী সাজোতে হয়তো কতজনে ৰাজৰোষত পৰি নিজৰ ৰক্ত, নিজৰ জীৱন পৰ্য্যন্ত বিসৰ্জন দিবলগীয়া হৈছিল—কোনে তাৰ খবৰ ৰাখিছে! আজি জোনাকত হয়তো এই পুখুৰীৰ ৰূপত তুমি মুগ্ধ হৈ পৰিছা, কাইলৈ এন্ধাৰত আকৌ এই পুখুৰীৰ ভয়াবহতাত তুমি পলাবলৈ পালে বাঁচিবা।

এইবাৰ ঢেউ খোজ ললে। বিস্তাৰ্লাই কোৱা সত্ত্বেও ঢেউ ঘূৰিল। আমি লাহে লাহে আগবাঢ়ি গলোঁ। ঢেউ মোৰ বাউসীটো এৰি দিয়া নাই।

আমি গৈ গৈ দক্ষিণ পশ্চিমৰ চুকটো পালোঁ। তাত কিবা এটা অফিচ হৈছে আজিকালি; কিন্তু সেই চুকটো পাৰ হৈ উত্তৰামুৱা হলেই এখন সৰু জংঘাৰ জঙ্গল দেখি। জঙ্গলখনৰ ওচৰেদি গৈ থাকোঁতে মই এবাৰ ঢেউৰ ফালে চালোঁ। ঢেউ কিন্তু সাগৰৰ ৰূপ চোৱাত মগ্ন। মই নিস্তব্ধতা ভঙ্গ কৰি কলোঁ—এইফালে চোৱা না

: কি ?

: এই জঙ্গলখিনিতে আনন্দৰাম বৰুৱাৰ ভেটি আছিল।

: হু রাজ হী ?

অসমত আনন্দ দুজনেই আছিল। এজন এই আনন্দৰাম বৰুৱা আৰু আনজন আনন্দৰাম ঢেকিয়াল ফুকন। ঢেকিয়াল ফুকনৰ শেষ স্মৃতিচিহ্ন আছে নগাঁৱৰ কলঙৰ দলং পাৰ হৈযে। আমাৰ সোঁহাতে যে এটা ৰাস্তা গৈছিল, তাৰে দাঁতিত দুজোপা প্ৰকাণ্ড গছ আছে। তাতে হেনো ভূত হৈ আছে ঢেকিয়াল ফুকন।

: ডন্ট্ ছে এবাউট্ ভূত নাও।

: দুখ লাগে বুইছা। যিজন মানুহে অসমীয়া ভাষা-সংস্কৃতিৰ বাবে আজীৱন যুঁজ কৰি মুমূৰ্ষু অসমীয়া জাতিৰ কঙ্কালত প্ৰাণৰ সঞ্চাৰ কৰিছিল সেই ঢেকিয়াল ফুকন আজি এটা কিম্বদন্তী মাত্ৰ।

আৰু এয়া আনন্দৰাম বৰুৱা। ভাৰতৰ পঞ্চম চিভিলিয়ান আৰু ঊনৈশ শতিকাৰ শেষাৰ্দ্ধৰ এগৰাকী বিদগ্ধ পণ্ডিত। তেওঁৰ স্মৃতিচিহ্ন, হৈছে এই জঙ্গলখিনি। আমাৰ আয়োজন বিৰাট কিন্তু ক্ৰিয়া যে কি লঘু! এবাৰ ষোড়শ শতিকাৰ কামৰূপৰ বহুবীত এটা মজাৰ ঘটনা ঘটিছিল। বোধকৰোঁ হৰিদেৱ আহিছিল ধৰ্মালোচনাৰ বাবে। তেৰাই শিষ্যসকলক কলে যে তেৰাৰ এটা বেজীৰ প্ৰয়োজন। শিষ্য কেউজনেই ঘপ্ কৰে উঠিল গুৰুৰ আদেশ পালন কৰিবলৈ।

বিচাৰি বিচাৰি বেজী এটা পালে কিন্তু সমস্যা হ'ল বেজীটো কোনে গুৰুক দিবগৈ। বিশেষ এজনে দিলেতো তেওঁ গুৰুৰ বিশেষ কৃপাপাত্ৰ হব পাৰে। গতিকে শিষ্যসকলে চিন্তা কৰি এটা উপায় উদ্ভাৱন কৰিলে। তেওঁলোকে এজোপা বিয়াগোম ভীমকল কাটিলে। আৰু কলডালত বেজীটো বিন্ধাই শিষ্য কেউজনে দাঙি নি গুৰুৰ ওচৰত কলডাল থলেগৈ।

আমাৰ প্ৰায়বোৰ আয়োজনতেই সেই ঐতিহ্যৰ স্পৰ্শ আছে। আৰু এটা দোষ আছে আমাৰ মানুহৰ।

: কি দোষ বাৰু?

: দূৰাচলতে ঠাইৰে দোষ। তুমি এটা কথা মন কৰিছানে? আমাৰ ইয়াত মানুহবোৰ দিনে দিনে যিমানে শিক্ষিত হৈছে সিমানে আত্মকেন্দ্ৰী হৈ পৰিছে। মই তোমাক কংক্ৰিত ইন্‌ষ্টেঞ্চ দিম। অসমৰ এখন পাব্‌লিক ইন্সটিটিউচনত এজন বচ্‌ আছে। খুব কালচাৰ্‌ড্‌, বেল ট্ৰেব্‌ড্‌ বেল এডুকেটেড এণ্ড এভ্ৰিথিং। কিন্তু তেওঁৰ এজনী জীয়েক আছে, নাম—কি যে এটা বেড ফ্লাৱাৰ আছে যে খুব কমন?

: জবা নেকি?

: ৰাইট। জবা। তেওঁ কি কৰিছে জানা? বহু টকা খৰচ কৰি ইন্সটিটিউচনৰ কম্পাউণ্ডৰ ভিতৰত কেৱল জবা ফুলৰেই এখন গাৰ্ডেন কৰিছে। পাব্‌লিক মাণি খৰচ কৰি জীয়েকৰ স্মৃতি ৰক্ষাৰ্থে।

: জীয়েক মৰিছে নেকি?

: নো; ছী ইজ ভেৰী মাচ্চ্‌ এলাইভ।

: আমি তাক কালচাৰড্‌ বুলি নকওঁ।

: একচুৱেলি দেট ইজ নট দ্য পইণ্ট। অসমত স্মৃতি ৰক্ষাৰ উপযুক্ত কোনো হেৰিটেজ তেওঁ নাই বুলি ভাবে, এণ্ড্‌ ইউ হেভ এলাউড হিম টু বচ্‌ এন ইন্সটিটিউচন।

মোৰ ক'বৰ বাবে একো নাছিল। নীৰৱ হৈ গৈ থাকিলোঁ।

যেতিয়া ডাক-বঙলাৰ গেটৰ কাষে আগবাঢ়িলোঁ। তেতিয়া তেওঁ মোক টানি ৰখাই সুধিলে—এইটো জানো তোমাৰ ঘৰ?

: এইটো চৰকাৰী চৰাইখানা। আমাৰ দৰে অঘৰীৰ আশ্ৰয়স্থল। ডাক বঙলা।

: এ ভেৰী বিউটিফুল ছাইট। ছাট মাষ্ট বী দ্য টেম্পল্।

তেওঁ ঘূৰি লৈ শিৱদ'লৰ ফালে আঙুলিয়াই দেখুৱালে।

: মন্দিৰলৈ তেনেদৰে আঙুলি টোঁৱাব নাপায়। দেৱতাই খং কৰে।

তেওঁ আঙুলিটো কামুৰি ধৰি কলে, ওফ্ আই এম্ শ্বো ছৰী। আই ডিড্ নট্ নো।

: ঠিক আছে, দেৱতাই বুৰকক শাস্তি নিদিয়ে। কিন্তু এইবোৰতে মজি থাকিলে নচলিব। উই মাষ্ট্ গেট্ ডাউন টু ব্ৰাছ টেক্‌ছ। মালপত্ৰ নমাব লাগিব, ৰুম ছুটা যোগাৰ কৰিব লাগিব। ভাত পানীৰ······

: হোৱাই টু ৰুমছ?—উচ্ছ্বাসতে কৈছিল যদিও হঠাৎ থমকি বৈ তেওঁ মোৰ কথাকে সমৰ্থন কৰিলে: অ' আচ্ছা।

ভাগ্য আছিল মন্দ। মোৰ বাবে ৰাখি থোৱা কোঠাটোত বাদে আৰু কতো খালী নাই ছীট। মোৰটোত বাদে আৰু মাত্ৰ পাঁচটা ৰুম আছিল। সেই পাঁচোটাতে আছে পাঁচটা গৃহহীন চৰকাৰী পৰিয়াল। এফালে এটা এন্টিৰুমৰ দৰে আছে। তাত বঙলাৰ কেটাৰাৰ নে এছিষ্টেণ্ট নাজিৰৰ বন্ধু এজন হেনো আবেলিৰ পৰা অবিৰতভাৱে মদ্যপান কৰি নিতত হৈ পৰি আছে। তেওঁ আগে-পিচেও এনেদৰে ফ্ৰী বেচন লৈ যায়হি। তেওঁক ডিছটাৰ্ব কৰাটো কাৰো কাৰণে হেনো মঙ্গলজনক নহব।

মইতো হতাশ হৈ পৰিলোঁ। তেওঁ কিন্তু কথাটোত বিশেষ চিন্তা কৰিবলগীয়া একো বিচাৰি নাপালে। মই ইফালে আকৌ এবাৰ ৰুমৰ বাবে সোধা-মেলা কৰিবলৈ যাওঁতেই তেওঁ বেডিং-পত্ৰ নমাই ৰিক্সাৱালাক বিদায় দি ৰুমটোত থকা খাটিয়া দুখনত

বিছনা পাবি থলে। মই আহি কমটোৰ ওচৰ পাওঁতেই তেওঁ ওলাই আহিল—যোৱাঁ, ভাত আনিবলৈ কোৱাঁ। মোৰ খুব ভোক লাগিছে।

: ৰবাহে খোৱাৰ কথা ভাবিছা। শুবা ক'ত?

: হোৱাই? হিয়াৰ ইটছেল্ফ।

তেওঁৰ মূৰ্খামীয়েই নে মতলবেই মই ধৰিব পৰা নাছিলোঁ। মনে মনে কিন্তু মোৰ ভীষণ ভয় লাগিছিল। তেওঁ মোৰ মনৰ দোধোৰ-মোধোৰ অৱস্থাটো নিশ্চয় ধৰিব পাৰিছিল। য'তে বাঘৰ ভয় ত'তে ৰাতিও হয়। এজনী অচিনাকি ধুনীয়া গাভৰু ছোৱালী ডিঙিত লাগিলহি, তাকো আকৌ ৰাতি। কলেজীয়া বীটুলচন্দ্ৰজনে ভাগ্যে নেদেখিলে মোৰ অৱস্থাটো। তেওঁলোকে নিশ্চয় সাঁয়েৰী মাৰিলেহেঁতেন—

ৰাদা ৰোজ কৰ্তা হুঁ কী উনকী গলি ন যাওঁ।

পৰ কমবক্ত্ উস কুছেমে হৰ্ৰোজ কুছ কাম

নিকল্ আতা হ্যায়॥

মই নিশ্চেষ্ট হৈ বাহিৰৰ চকীখনত বহি পৰিলোঁ। তেওঁ নিজেই ডাইনিং হলৰ পিনে সোমাই গ'ল। অলপ পাচতে এজন মানুহে খোৱাৰ কিবাকিবিৰে ট্ৰে এখন লৈ আহিল।

: আহা তুমি খোৱাহি।

ভোক অসম্ভৱ লাগিছিল। মই গৈ ভিতৰত বহি ললোঁ। কিন্তু ভালেখিনি পৰ ভাতৰ থালখন আগত লৈ অপেক্ষা কৰিও তেওঁৰ বাবে খাবলৈ নদা দেখি সুধিলোঁ—তোমাৰ ক'তা?

: মই আজি নেখাওঁ।

: কিয়?

: কাৰণটো তোমাক কব নোৱাৰোঁ।

: খুব ভোক লাগিছে বুলি তুমিয়েতো কৈছিলা? তুমিয়েতো ভাত আনিবলৈ তাবাহুৰা লগাইছিলা?

: পাচত ভাবিলোঁ, নোখোৱাটোৱেই ঠিক হব।

: মই জানো ভাত নাই।

: থাকিলেও মই নেখাওঁ।

মোৰ হঠাৎ মনত পৰিছিল অস্কাৰ ওৱাইল্ডে তেওঁৰ বিৰুদ্ধে জনৈক বেৰণে কৰা পুংমৈথুন অপৰাধৰ মোকৰ্দমাত কোৱা কথাষাৰ। উকীলে জেৰা কৰিছিল সুদীৰ্ঘ কিন্তু আচামীয়ে হাৰ মনা নাছিল। অৱশেষত উকীলে সুধিছিল--তুমি বেৰণৰ পুতেকক চুমা খোৱা নাছিলানে?

: হাও কুড আই? হী ইজ শো আগ্‌লি?

এইষাৰ আছিল অস্কাৰ ওৱাইল্ডৰ উত্তৰ। আৰু তাতেই অপৰাধৰ প্ৰমাণ হৈ গ'ল। তেৰোঁ থাকিলেও নাখাওঁ বুলি কওঁতেই মই বুজিছিলোঁ তেওঁ কিয় নাখায়। মই মোৰ ভাত সাজকে দুভাগ কৰি কোৱাৰ্টাৰ প্লেট এখনত এভাগ ললোঁ। তেওঁ হঠাৎ জাঙুৰ খাই উঠিল—মই তোমাক অবিশ্বাস কৰোঁ দেখিহে নাখাওঁ। ভাত খালেই মোৰ টোপনি ধৰিব। আৰু তোমাৰ লগত একেটা ৰূমতে টোপনিত পৰিবলৈ মই ভয় কৰোঁ।

মোৰ হাঁহি উঠি গৈছিল তেওঁৰ ভঙ্গী দেখি। তেওঁ পুনৰ ধমকৰ সুৰত কলে: হোৱাটছ দেয়াৰ টু লাফ্?

: ছোৱালীয়ে মিছা কথা কলে মোৰ খুব হাঁহি উঠে।

তেওঁ কিবা এটা উত্তৰ দিবলৈ মুখ মেলিও নিদিলে। নীৰৱে নিৰুত্তৰে সেমেকা হাঁহি এটা মাৰি, ভাতৰ থালখন লৈ বহিল। খোৱাৰ পাচত তেওঁ মোক দহমিনিটৰ বাবে বাহিৰত ৰবলৈ কলে। অলপ পৰৰ পাচত তেওঁ ৰাতিৰ এ ঘল পোছাক পিন্ধি ওলাই আহিল আৰু মোৰ ওচৰতে আনখন আৰাম চকীত দীঘল দি পৰি ললে।

: নাও ইউ উইল হেভ টু টক্। আই শ্বেল লিছন।

: মোৰ টোপনি লাগিছে।

: দেন ইউ গো এণ্ড শ্লিপ্। তোমাৰ কলীগবোৰো শুই পৰিছেই নহয়।

মই দীঘল ডাক-বঙলাটোৰ ইমূৰৰ পৰা সিমূৰলৈ চালোঁ। চৰ

শুই নিঃপালি দিছে। তেওঁ খন্তেক বৈ কলে: টিপিকেল বেঙ্গল চিভিলিয়ান তোমালোক।

: তাৰ মানে?

: ছাৰ জন ছোৰ বঙ্গৰ গৱৰ্ণৰ আছিল। তেওঁৰ চি চি বোলত লৰ্ড কাৰ্জনে লিখিছিল এই বুলি—He was a typical Bengalee civilian of the best type, a great revenue expert, an upright, dull, respectable, friendly kind of man, hating pomp of any sort, loving peace and economy, very pious and declining to work on Sundays.

: ইউ আৰ দেট টাইপ্।

: চব টাইপে হোৱাত মোৰ আপত্তি নাই। কিন্তু ইংৰাজৰ টাইপ হোৱাত মোৰ ঘোৰ আপত্তি আছে। ইমান ডেনজাৰাছ জাতি সেইটো।

: ইন হোৱাত ওৱে?

মই জানো, তেওঁ পাহাৰী মানুহ। ইংৰাজক বেয়া বুলিলে তেওঁলোকৰ কিছুমানে তেওঁলোকৰ বংশৰ বদনাম গোৱা যেন পায়। কাজেই মই হঠাৎ ওলাই পৰিব খোজা কথাষাৰ বন্ধ কৰি কলোঁ—

তুমি জিয়নিজমৰ কথা জানা নহয়? ইহুদী ডাক্তৰ লিঅ' পিন্‌ছকাৰে যে ১৮৭০ খৃষ্টাব্দত প্ৰতিষ্ঠা কৰিছিল?

: কোৱাচোন।

: ইংৰাজৰ মতে ইহুদীসকলৰ ইজৰাইল ক'ত হব লাগিছিল জানা?

: ক'ত?

: কেনিয়াত। জিয়নিষ্ট আৰু আন আন ৰাষ্ট্ৰই মানি নললে বুলিহে। নহলেতো প্ৰধানমন্ত্ৰী অষ্টিন চেম্বাৰলেনে খচৰা প্ৰস্তুত কৰিছিলেই। মোক ইংৰাজৰ টাইপ নালাগে বুজিছা। নহলেও চলিব পাৰিম।

: তুমি ৱাৰ্ডছৱাৰ্থৰ ওদ অন ইন্টিমেচন্‌ছ অফ্ ইমৰ্টেলিটিৰ ফিফ্থ্ ষ্টেঞ্জাটো মুখস্থ মাতাচোন।

: কিয়, কবিতাৰ হেছন বহুৰাৰ খোজা নেকি ?

: মাতাচোন।

Our-birth is but a sleep and a forgetting; সেইটো নহয় জানো ?

: এৰা সেইটো। সেইটোৰ বিষয়ে লুডোভিকি বুলি ছেক্স এক্সপার্ট এগৰাকীয়ে কৈছে এনেদৰে—The whole of the fifth stanza of this Ode, in fact, is worth reading for the light it sheds on Wordsworth's own psychology and Sex-phobia, and there is probably a no more monumental record of the Anglo-Saxon misunderstanding of childhood than these 19 lines of English verse.

: তুমি কি কব খুজিছা ?

: মানে, ইট অল ডিপেণ্ড্ছ অন দ্য ৱে ইউ আণ্ডাৰষ্টেণ্ড। দ্য ৱে ইউ ইণ্টাৰপ্ৰিট।

মই মনে মনে থাকিলোঁ। কেনিয়াত ইহুদী ৰাষ্ট্ৰ দিয়াৰ সপক্ষে-বিপক্ষে মই বহুত যুক্তি বিচাৰি চাইছোঁ, কিন্তু যি ইণ্টাৰপ্ৰিটেচনেই নিদিয়ক লাগিলে ইংৰাজৰ প্ৰস্তাৱটো একেবাৰে স্বাৰ্থমুক্ত বুলি কব নোৱাৰি।

: ইংৰাজে কৰিলেই যে কিবা এটা বেয়া হৈ যাব তেনে একো কথা নাই। ধৰ্ম, ৰাষ্ট্ৰ, সংস্কাৰ এইবোৰৰ ওপৰত মানুহ অৰ্থাৎ ইণ্ডিভিজুৱেল। মানুহৰ শ্ৰেষ্ঠত্ব তুমি স্বীকাৰ নকৰি নোৱাৰা।

: কেনেকৈ ? আদৰ্শ বা বিশ্বাসৰ বাবে কত হেজাৰ হেজাৰ ব্যক্তিক বিসৰ্জন দিবলৈ আমি সদায়ে সাজু। আৰু দিও আহিছোঁ বিসৰ্জন।

: সেই আদৰ্শ বা বিশ্বাসো আকৌ মানুহৰ বাবেহে। নহলেতো সেইবোৰৰ কোনো মূল্য নাই। তুমি চোৱাচোন—সেই যে হজৰৎ মহম্মদে নিজৌ নশ্বৰ দেহ এৰি বেহেস্তলৈ যʼবপৰা গৈছিল—সেই আল্ আক্স্—তাকে লৈ ইহুদী আৰু মুছলমানৰ কি প্ৰচণ্ড বিৰোধ। কিন্তু তুমি শুনি আচৰিত হবা, জেৰুজালেমৰ ভিয়াৰ্দলিৰ চো বোলা

ৰাস্তাৰ মূৰত যে আছে গীৰ্জাটো, হোলী চেপালকাৰ? তাৰ ৰক্ষণাবেক্ষণ কৰে কোনে জানা? মুছলমান প্ৰহৰীয়ে।

আনহাতে চোৱাঁ, ইৰাক মুছলমান ৰাজ্য। মানুহ খুব ধৰ্মভীৰু। কিন্তু মাণ্ডৱাদী দৰবাৰত যেতিয়া কাছেমৰ শক্ৰ আৰেফৰ বিচাৰ হৈছিল তাত জানো পবিত্ৰ কোৰাণ ছুই আৰেফৰ বিৰুদ্ধে ইৰাকী মুছলমানে মিছা সাক্ষ্য দিয়া নাছিল?

আচল কথা মানুহ, ব্যক্তি।

কথাখিনি কৈ তেওঁ বহুত পৰলৈ নীৰৱ হৈ পৰিছিল। জোনটো লাহে লাহে হুলি পৰিছিল। কিছুমান পাতল মেঘ পশ্চিমৰ পৰা পূবলৈ ভাঁহি আহিছিল। পুখুৰীৰ সৰু সৰু ঢৌবোৰ জোনাকত জিলিকি জিলিকি উঠিছিল। দূৰৰ গছ এজোপাৰ পৰা কেঁচাৰ মাতৰ শব্দ ক্ষীণ হৈ ভাঁহি আহিছিল। তেওঁ ভৰিকিটা দীঘলকৈ মেলি দি আৰামী চকীখনত শুই পৰিল। ভৰিৰ সৰু গাঠিলৈকে জোনৰ পোহৰ পৰিছিল। কিউটেক্স লগোৱা ভৰিৰ নখবোৰ জোনাকত ক'লা ক'লা দেখা গৈছিল।

বঙলাৰ পিচপিনে শুনা পানীকলৰ দুই-এটা শব্দ, বাচনৰ ঠাং-ঠুং ধ্বনি, দুৱাৰ খিৰিকী বন্ধ কৰাৰ মাজে মাজে শুনা শব্দবোৰো এসময়ত নাইকিয়া হল। সন্মুখৰ ৰাস্তাইদি মাজে মাজে অহা দুই-এখন ৰিক্সা বা মটৰৰ শব্দও মাৰ গ'ল। চাৰিওকালৰ পৰিবেশ একেবাৰে নিজম হৈ পৰিল। তেওঁৰ টোপনি আহিল নে নাই জানিবলৈ বুলি উশাহৰ শব্দলৈ উৎকৰ্ণ হৈ ৰলোঁ। এনেতে তেওঁ স্বগতোক্তি কৰাৰ দৰে কৈ গ'ল লাহে লাহে শ্ৰান্ত স্বৰেৰে—আজিৰ দৰে ইমান সুদীৰ্ঘ ভ্ৰমণ কৰা নাই জীৱনত। ভাৰতৰ ইমূৰ সিমূৰ ঘূৰিছোঁ, কেতিয়াবা এক্সকাৰশ্যনত, কেতিয়াবা কোনো বন্ধুৰ লগত। কিন্তু কোনোদিন প্ৰতিটো অতিক্ৰান্ত পদক্ষেপৰ কাহিনী আজিৰ দৰে বৈ অনা নাছিলোঁ। অসমৰ আজি যেন প্ৰতিটো অণুকে চিনি পাওঁ; প্ৰতি ধূলিকণাকে মোৰ আপোন চিনাকি যেন লাগিল।

কত অচিন নাম নজনা পথাৰে পথাৰে শই শই বিজুলী শক্তি যোগানৰ খুটাবোৰ দেখি আছিলোঁ। কিন্তু সেইবোৰকতো সংযোগ কৰিছে আমাৰ উমত্ৰুৰ পৰা অহা শক্তিয়েহে। সেই অচিন পথাৰবোৰত, সেই শই শই খুটাবোৰত আৰু সৌ সাগৰত প্ৰতিবিম্বিত হোৱা বিজুলী চাকিবোৰত মোৰ আত্মাৰ কি যে এক নিবিড় সম্বন্ধ আছে!

ৰাষ্ট্ৰ, ৰাজনীতি, সমাজ, সংস্কাৰ, ধৰ্ম এইবোৰৰ বহুত ওপৰত নাইবা বহুত তলত আমি। আমি সাধাৰণ মানুহবোৰৰ মাজত আত্মাৰ এক নিবিড় সংযোগ আছে। আজি মোৰ মনত পৰিছে আইৰীচ মালিকজনৰ গাধ ঘোঁৰাটোলৈ। আহাৰ কমাই দিয়াতো গাধটোৱে কোনোদিন আপত্তি কৰা নাছিল। চতুৰ মালিকে ভাবিলে এয়াতো গাধক বঞ্চিত কৰি নিজৰ সম্পদ বঢ়োৱাৰ মহাৰ্ঘ সুযোগ। তাক নিদিলেওচোন সি আপত্তি নকৰে। গতিকে আহাৰ কমাই কমাই শেহত আহাৰ বন্ধই কৰা হল। কিন্তু অনাহাৰৰ কষ্টত গাধটো এদিন মৰি থাকিল। আৰু মালিকে কিনিবলগীয়াত পৰিল আগতকৈও বহু বেছি দাম দি নতুনকৈ আন এটা গাধ। আমি আটায়ে তেনে গাধ একোটাহঁত মাত্ৰ। আৰু আমাক প্ৰবঞ্চনা কৰাৰ পৰিণাম ৰাষ্ট্ৰৰ কৰ্ণধাৰসকলে ভুগিব লাগিব।

: এতিয়া দেখিছোঁ তুমিহে নষ্টালজিক হৈ পৰিছা?

: সঁচাকে আজি মোৰ বহুত পাহৰি থকা কথা মনত পৰিছে। মোৰ ভাইটো থকা হলে তাকো ভৈয়ামতে ক'ৰবাত কিবা চাকৰি এটা কৰি থাকিবলৈ দিলোঁহেঁতেন।

: বাদ দিয়া এই ৰাতিখন। কিমান বাজিল খবৰ আছে? দুই বাজিল জানা। যোৱা শুই থাকাগৈ।

: শুলেও আজি মোৰ টোপনি নাহিব। মনটো ভাৱাক্ৰান্ত হৈ পৰিছে। হোৱাট এ হেংওভাৰ আই ফীল!

: কি হৈছে বাৰু তোমাৰ?

ঃ নাই হোৱা একো। তুমি যোৱা না শোৱাগৈ। মই অলপ পাচত যাম।

মোৰ সঁচাকে টোপনিত চকু দুটা টানি টানি ধৰিছিল। মই ভিতৰলৈ গৈ বিছনাত দীঘল দি পৰিলোঁ। আৰু খন্তেক পাচতে নিশ্চয় গভীৰ নিদ্ৰাত আচ্ছন্ন হৈ পৰিছিলোঁ।

কিবা এটা শব্দ শুনি সাৰ পাই ধহ্মহ্ কৰে উঠি বহিলোঁ। দেখিলোঁ কোঠাটোত ৰ'দ পৰিছেহি। আগনিশাৰ কথাবোৰ মনত পৰা* মই লৰালৰিকৈ বিছনাৰ পৰা নামিলোঁ। দুৱাৰ খোলাই আছিল। কিন্তু মহিলাৰ কোনো চিন-চাবেই নাছিল।

বাহিৰৰ বাৰাণ্ডালৈ ওলাই আহিছিলোঁ। কতো তেওঁৰ অকণো চিন পোৱা নাছিলোঁ। মাত্ৰ যোৱা নিশা আমি বহা আৰামী চকী দুখন লগালগিকৈ পাৰি থোৱাতে আছিল। বাহিৰত ল'ৰা-ছোৱালীয়ে চিঞৰি-বাখৰি পৰিবেশটো মুখৰ কৰি তুলিছিল। সন্মুখৰ এজোপা বগৰী গছৰ কলি কলি বগৰাবোৰলৈ কেইটামান ল'ৰাই শিলগুটি দলিয়াই আছিল। তাৰে বোধকৰোঁ এটা গৈ মোৰ ওপৰত চালত পৰিছিল। সেই শব্দতে মই সাৰ পাইছিলোঁ।

ইমান সজীৱ মুখৰতাৰ মাজতো মই অনুভৱ কৰিছিলোঁ এক হাঁহাকাৰ নৈশব্দ। জীৱনত কোনো অচিনাকি ছোৱালীয়েই মোৰ ওচৰত এইদৰে একান্ত নিৰ্ভৰ বিচাৰি অহা নাছিল আৰু ইমান নিঃশব্দে মোৰ পৰা আঁতৰি যোৱা নাছিল। শূন্য চকী দুখন দেখি মোৰ যে কেনে লাগিছিল মোৰ অন্তৰ্যামীয়েহে জানে।

পৰিবেশটোক সহজভাৱে ল'বলৈ চেষ্টা কৰি আকৌ কমলৈ সোমাই আহি টুথব্ৰাছডাল হাতত ল'লোঁহি। দেখিলোঁ টেবুলত নতুনকৈ ভাঁজ কৰি থোৱা এখন কাগজ। খুলি চালোঁ। এখন চিঠি। ঠিক চিঠিও নহয়, কেইটামান কথা—

"ইউ স্লিপ লাইক এ বেবী। আই থট্ নট্ টু ডিষ্টাৰ্ব। মোৰ

কৃতজ্ঞতা তোমাক যে মই কিদৰে বুজাম। আহিবৰ সময়ত তুমি নিশ্চয় মন কৰিছিলা, দেউতাৰে আয়ে কান্দিছিল। ঘৰৰ একমাত্র সন্তান মই। তাতে গাভৰু ছোৱালী। আহিম এক অচিনা অজানা নতুন ঠাইলৈ। গৰীব মানুহ আমি, ঘৰৰ পৰা নোলালেও নহয়। আয়ে খুব চিন্তা কৰিছিল জানা ?

মোৰেই সৌভাগ্য, পালোঁ তোমাক। ইট্ মেড্ অল দ্য ডিফাৰেন্স টু মী। এই অচিন অজান প্রান্তৰৰ দুৱাৰ মোৰ বাবে উন্মুক্ত কৰি দিলা তুমি। এই অচিন প্রান্তৰ তোমাৰ অনুগ্রহত মোৰ বাবে অনন্য হৈ ৰ'ল।

মই যাওঁ। গাড়ীলৈ দেৰী হ'ব। তুমি পিছে ইমান কৃপণ। মোৰ সমস্ত নিলা, মোৰ নাম, মোৰ সবিশেষ লৈ তুমি হলে মোক একোকে নিদিলা। বঙলাৰ বিজাৰ্ভেশ্যন কাৰ্ডত লেখা সবিশেষখিনি কিমান সত্য মই নাজানো। কিন্তু তাকে তোমাৰ বুলি লৈ গলোঁ।

তোমাৰ কথাই ঠিক। আজি যে ইমান ৰ'দ। কিন্তু মোৰ মনটো কেনে লাগিছে জানা ? তোমাৰ প্রিয় কবি নবকান্তই যে লিখিছিল 'ৰ'দালিৰে ভৰা বাতি'—মইও তেনে এটা বাতিৰ মাজেদি ভয়ে ভয়ে অকলশৰে যেন ওলাই আহিলোঁ—

"We will meet again, don't kuow where,
Don't know when,
But I know we'll meet again
Some Sunny day."

—অন্ত—